
# নগাঁও কলেজৰ ইতিহাস




মুখ্য সম্পাদক
ড° শৰৎ বৰকটকী

সম্পাদক
ড° নৱপ্ৰসাদ নাথ
ঋত্বিক মজুমদাৰ

# নগাঁও কলেজৰ ইতিহাস

মুখ্য সম্পাদক
ড° শৰৎ বৰকটকী

সম্পাদক
ড° নৰ প্ৰসাদ নাথ
ঋত্বিক মজুমদাৰ

প্ৰকাশক
ড° শৰৎ বৰকটকী, অধ্যক্ষ, নগাঁও কলেজ

উপদেষ্টা
ড° নৰেন কলিতা

সম্পাদনা সমিতি
মুখ্য সম্পাদক
ড° শৰৎ বৰকটকী

সম্পাদক
ড° নৱ প্ৰসাদ নাথ
ঋত্বিক মজুমদাৰ

সদস্য
ড° চিন্তামণি শৰ্মা
ড° অৰণি শইকীয়া

প্ৰচ্ছদ
ড° নৱ প্ৰসাদ নাথ

ISBN - 978-81-924048-2-2

ছপা
সূৰ্য্য প্ৰেছ, নগাঁও

# মুখ্য সম্পাদকৰ কলম

## নগাঁও জিলাৰ উচ্চ শিক্ষা বুৰঞ্জীৰ বৰ্ণময় অধ্যায়

উপনিৱেশিক যুগত অসমৰ উচ্চ শিক্ষাৰ বিকাশ অতি মন্থৰ আছিল। উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ উদাসীনতাই মধ্যবিত্তক বাৰুকৈয়ে বিতুষ্ট কৰিছিল। ড° মহেশ্বৰ নেওগে "বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ" শীৰ্ষক গ্ৰন্থখনত লিখিছে - 'ব্ৰিটিছ প্ৰভুসকলৰ আগমনৰ লগে লগে কোম্পানি বাহাদুৰৰ পোনপ্ৰথম এজেন্ট ডেভিড ইস্কাট চাহাবে নেটিভসকলৰ শিক্ষালৈ মন দি ঠায়ে ঠায়ে বঙলা ইস্কুল কৰিলে। তেওঁ আকৌ জিলায় জিলায় একোখন ইংৰাজী হাইস্কুল কৰাৰো প্ৰস্তাৱ দাঙি ধৰিলে। কিন্তু কোম্পানি চৰকাৰে এখনহে মঞ্জুৰ কৰিলে। ১৮৩৫ ছনত গুৱাহাটী হাইস্কুল হ'ল। ইংৰাজে দেশ লোৱাৰ সাত বছৰতে এনে এটা অনুষ্ঠান হোৱাটো অৱশ্যে আশাৰ কথা। কিন্তু আকৌ শামকুৰ গতি। তাৰ ছবছৰৰ মূৰত হ'ল শিৱসাগৰৰ হাইস্কুল। সেই গতিত অসমে ডি. পি. আই. এজন পোৱা ১৮৭৪ ছনলৈকে অসমত মাথোন ছখন হাইস্কুল হয়। ইতিমধ্যে নেটিভসকলে এখন কলেজৰো দাবী কৰি বহিছিল। তাৰ ফলত ১৮৬৬ ছনত গুৱাহাটী হাইস্কুলত এফ্. এ. শ্ৰেণী আৰু ১৮৭৫ ছনত এবিধ আইন শ্ৰেণীৰ দুটা ডবা লগাই দিয়া হৈছিল। কিন্তু ১৮৭৬ ছনত গুৱাহাটী হাইস্কুল পুনৰ্মূষিক হ'ল। এতিয়া কোৱা হ'ল যে গুৱাহাটী কলেজৰ শিক্ষা ভাল নহ'ব, গতিকে অসমৰ উচ্চ শিক্ষাৰ্থীসকলক কুৰিটকীয়া জলপানি দি কলিকতালৈ চালান দিয়া হ'ব। সেই ছেগতে এন্ট্ৰেন্স পৰীক্ষা পাছ কৰা আৰু কলিকতালৈ ডাকজাহাজত উঠা ল'ৰাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। গতিকে পুনৰকলেজৰ দাবীৰ ঢৌ উঠিল। এই আন্দোলনৰ গুৰি ধৰিবলৈ ওলাই আহিল গুৱাহাটী স্কুলত কলেজীয়া শিক্ষা পোৱা মাণিকচন্দ্ৰ বৰুৱা। ১৮৯৯ ছনত তেওঁ চৰকাৰৰ ওচৰত এখন আৱেদন দাখিল কৰিলে, গুৱাহাটীত এখন কলেজ স্থাপন কৰিব লাগে, যদিও তেওঁ লগতে

ইয়াকো ক'লে, যদি ইয়াত কলেজ কৰিব পৰা নহয়, তেতিয়া হ'লে কলিকতালৈ যোৱা ল'ৰাৰ জলপানিৰ সংখ্যা আৰু পৰিমাণ বৃদ্ধি কৰি দিব লাগিব। পিছত অৱশ্যে তেওঁ দ্বিতীয়টো কথা এৰি প্ৰথমটো দাবীতে হাতী-পূঁৰ দি ধৰিলে। ভাগ্যে তেতিয়া অসমৰ চিফ কমিছনাৰ আছিল মহামতি ছাৰ হেনৰি কটন। তেওঁ ৰাইজৰ ইচ্ছাতে মূৰ দোঁৱালে। গুৱাহাটীয়া ৰাইজে সভা পাতি থিৰাং কৰিলে, হ'ব লগা কলেজখনৰ নাম কমিছনাৰ বাহাদুৰৰ উদাৰ নামেই হ'ব লাগে। সেইমতে ১৯০১ ছনৰ মেই মাহত কটন কলেজ উপজিল। জুন মাহত প্ৰথম বাৰ্ষিকত ৩৭ আৰু দ্বিতীয় বাৰ্ষিকত দুজন ছাত্ৰৰ নাম ভৰ্তি কৰা হ'ল। পোনতে কলেজৰ তাল বাজিছিল ঢিমা-তেতালা। তেনে অৱস্থাত কলেজৰ দুৱাৰত বাদুলিসঁচাৰ লগোৱা হ'ব পাৰে বুলি ওপৰৰ পৰা ভয় খুউৱা হৈছিল। কিন্তু সোনকালেই কলেজ দপ্‌দপ্‌কৈ উঠি আহিল।' অসমত উচ্চ শিক্ষাৰ প্ৰসাৰ সাধনত মধ্যবিত্তৰ এক বিশেষ ভূমিকা আছিল। মধ্যবিত্ত শ্ৰেণীৰ মাজত কলেজ পতাৰ ক্ষেত্ৰত মতবিৰোধ আছিল। ১৮৮৭ চনৰ 'মৌ'ৰ সম্পাদকে আক্ষেপ কৰি লিখিছিল-- "আমাৰ মাথোন জানা আৱশ্যক গৱৰ্ণমেণ্টে আসামত উচ্চ শিক্ষা দিব খোজে নে নোখোজে, যদি নোখোজে, তেন্তে হাইস্কুলবোৰ উঠাই দিয়ক, তাত আমাৰ কাৰো ওজৰ আপত্তি নাই, আমি নিজে উচ্চ শিক্ষাৰ বেচ দিব পাৰো যদি লম, নোৱাৰো যদি নলওঁ। যদি খোজে তেন্তে এই এঘাৰখন জিলাৰ উচ্চ শিক্ষাৰ নিমিত্তে পতা ভগা ঘৰ কেইটা পুৰি পেলাই বা মাইনৰ শিক্ষাৰ অৰ্থে গতাই দি, নকৈ নতুন প্ৰণালীত নতুন শিক্ষকৰে হাইস্কুল পাতক আৰু সেই নিমিত্তে ১৯ হাজাৰ টকাৰ বদলি ৫০ আড়াই কুৰি হাজাৰ টকাও লাগে তাক য'ৰে ত'ৰে পৰা আনি দিয়ক তেহে অসমত উচ্চ শিক্ষাৰ ভেটি উঠিব। নতুবা এই আধামৰা স্কুল কেইটাৰ হতুৱাই টকা কোৱাই আৰু ইন্সপেক্টৰৰ পণ্ডিতজনাৰ ডিণ্ডিত কলথৰুয়াৰে ঢোল আৰি দি আসামৰ উচ্চ শিক্ষাৰ হুচৰি গাই ফুৰাত আমি একো সকাম নেদেখো।" অন্যহাতে কলিকতাত পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ বিড়ম্বনা বিষয়ে মহেশ্বৰ নেওগে এনেদৰে বৰ্ণনা কৰিছে - "কলিকতাৰ কলেজত পঢ়া আমাৰ সমনীয়া কোনোবা অসমীয়া ডেকাই হেনো মাতৃ দেৱীৰ পাটৰ মেখেলা নি লুঙি কৰি পিন্দে গৈ বঙালী ল'ৰাৰ চকুত নিজকে টি-প্লেন্টাৰৰ বংশধৰ বুলি দেখুৱাবলৈ। সেয়া প্লেন্টাৰ-ৰাজৰ বৈভৱ অসমীয়া প্ৰজা-সংখ্যাৰ মাজত প্লেন্টাৰৰ শতকৰা হাৰ কিমান হ'ব?"

'৪২ ৰ আন্দোলন আৰু প্ৰতিকূল পৰিবেশৰ মাজতো অসমত কলেজ প্ৰতিষ্ঠা

কৰিবলৈ বহুকেইজন লোকে দেহেকেহে খাতিছিল। কটন কলেজ প্ৰতিষ্ঠাৰ চল্লিশ বছৰৰ পিছত নগাঁও জিলাত উচ্চশিক্ষাৰ প্ৰথম এগছি বন্তি জ্বলিছিল। সেই বন্তিগছেই আছিল নগাঁও কলেজৰ প্ৰথম বন্তি। সেইয়া ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখৰ কথা। নগাঁও কলেজৰ প্ৰথম শ্ৰেণী আৰম্ভ হ'ল ডচন স্কুলত।

নগাঁও কলেজৰ প্ৰথমজনা অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাই কলেজখনৰ জন্মলগ্ন সম্পৰ্কত এইদৰে লিখি থৈ গৈছে - "প্ৰায় ১৯৩৮ চনত মই এবাৰ নগাঁৱলৈ আহোতে খুব সম্ভৱ ৰাজহুৱা লাইব্ৰেৰীত সেই সময়ৰ নগাঁৱৰ নেতা মতিৰাম বৰা প্ৰভৃতি কেইজনমান লোকৰ লগত মোৰ দেখা হয়। তেওঁলোকে মোক সুধিলে, 'আমি নগাঁৱত এখন কলেজ স্থাপন কৰিব খুজিছোঁ। আপুনি আহি পাতি দিব পাৰিবনে?' নগাঁৱত এখন কলেজ হোৱাৰ কথা তেতিয়া মোৰ মনত আকাশত চাংপতা যেন লাগিছিল। মই উত্তৰ দিলো, বাৰু আপোনালোকে পাতকচোন। সিমানতে শেষ। গ'ল কথা গুচিল।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল আৰু এই যুদ্ধৰ বলি হ'ল শিক্ষানুষ্ঠানবিলাক। পৰীক্ষাগাৰ আৰু লাইব্ৰেৰীৰ বাহিৰে কটন কলেজৰ ঘৰ আৰু হোষ্টেল সামৰিক বিভাগে অধিগ্ৰহণ কৰিলে। কটন কলেজৰ অৱস্থা না-জল, না-ঠল। এখন সভা পাতি তাত লেকচাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল আৰু গুৱাহাটীত অ'ত-ত'ত ঘৰ ভাড়া কৰি ল'ৰাবিলাক থাকিবলগীয়া হৈছিল আৰু বহুতে এইবিলাক অসুবিধাত গুৱাহাটী এৰি যাব লগা হৈছিল।

গাঁৱে-চহৰে বহুত হাইস্কুল স্থাপন হোৱাত মেট্ৰিকুলেচন পাছ কৰা বহুতো ল'ৰা-ছোৱালী কলেজীয়া শিক্ষা ল'ব পৰা হৈছিল অথচ সেইবিলাকৰ উচ্চ শিক্ষাৰ উপায় নোহোৱা হ'ল। তাতে মহাযুদ্ধই সমস্যাৰ সৃষ্টি কৰি দিলে। এইবোৰ কাৰণতে সেই সময়ত নগৰ-গাঁও কেইবাঠাইতো ৰাইজে মহাবিদ্যালয় স্থাপনৰ চেষ্টা কৰিবলৈ ধৰিলে। এই উদ্যোক্তাসকলৰ ভিতৰত নগএগ্রা ৰাইজো আছিল। যুদ্ধৰ সময়ত টকা বাটে-পথে পৰি আছিল আৰু বিবেক কম, বুদ্ধি বেছি থকা মানুহে অনায়াসে পোৱা এই টকা সংগ্ৰহ কৰিবলৈ এলাহ নকৰিছিল। অৱশ্যে এনে টকা বহুত ভাল কামতো খৰচ কৰা হৈছিল। নগাঁৱত এজন চাউল বেপাৰীয়ে কলেজ স্থাপন হ'লে ২০ (বিশ) হেজাৰ টকা দিবলৈ গাত ল'লে আৰু দিলেও। এইদৰে পোৱা টকা প্ৰায় ৪০-৫০ হেজাৰ হ'ল। এই সাহসতে নগএগ্রা ৰাইজে কলেজ স্থাপন কৰিবলৈ আগবাঢ়িল।

তেওঁলোকে এখন অতিকায় সমিতি পাতিলে। তাৰ সভাপতি হ'ল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী, উপ-সভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা আৰু যুটীয়া সম্পাদক হ'ল মতিৰাম বৰা, প্ৰিয়নাথ সেনগুপ্ত। এই পৰিচালনা সমিতিৰ ভিতৰত নগাঁৱৰ বিভিন্ন সম্প্ৰদায়ৰ ভালেখিনি লোক আছিল। যথাসময়ত কমিটিয়ে কলিকতা বিশ্ববিদ্যালয়লৈ ১৯৪৪ চনৰ শিক্ষা বছৰৰ পৰা ইংৰাজী, অসমীয়া, বঙলা, সংস্কৃত, আৰবীক, গণিত, বুৰঞ্জী, চিভিক্স আৰু ল'জিক বিষয়ত আই. এ. শ্ৰেণী খুলিব কাৰণে অনুমতি বিচাৰি বিশ্ববিদ্যালয়লৈ আবেদন জনালে।" কলেজৰ নিজা ঘৰ হয় মানে ৰাতিপুৱা কলিকতা বিশ্ববিদ্যালয়ে অস্থায়ীভাৱে নগাঁৱত আই. এ. ক্লাছ কৰাৰ অনুমতি দিলে।" মন কৰিবলগীয়া যে, যিটো সময়ত নগাঁৱত কলেজ স্থাপন কৰিবলৈ মধ্যবিত্তৰ একাংশই উঠিপৰি লাগিছিল তাৰ বিপৰীতে অসমৰ অন্য ঠাইত কেতবোৰ বুদ্ধিজীৱীয়ে কলেজ নালাগে বুলি মত প্ৰকাশ কৰিছিল।

ডঃ দিলীপ কুমাৰ দত্তই "ফলি লোৱা বুৰঞ্জী" এই প্ৰসঙ্গত লিখিছে যে গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাৰ (১৯০১ চন) পিছত অসমত বিশ্ববিদ্যালয় বা যোৰহাটত কলেজ পতাৰো বহু অসমীয়াই বিৰোধিতা কৰিছিল।

১৯০৩ চনত মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, বি-এ জগন্নাথ, ফৈজনুৰ আলি প্ৰভৃতি উদ্যোগী শিক্ষিত চহকী অসমীয়াই 'অসম এছোচিয়েশ্বন' গঠন কৰে। এই এছোচিয়েশ্বনৰ কাম আছিল অসমীয়া মানুহৰ অভাৱ অভিযোগ সম্পৰ্কে আবেদন নিবেদনৰ জৰিয়তে চৰকাৰক সচেতন কৰা। কিন্তু এই এছোচিয়েশ্বনৰ সভাত যোৰহাট নিবাসী শ্ৰীউপেন বৰুৱাই অসমত এখন পৃথক বিশ্ববিদ্যালয় আৰু যোৰহাটত এখন কলেজ লাগে বুলি প্ৰস্তাৱ এটা আলোচনাৰ বাবে দাঙি ধৰিবলৈ একাধিকবাৰ চেষ্টা কৰিও প্ৰস্তাৱটো উত্থাপন কৰিবলৈকে অনুমতি নেপালে। এই ঘটনাটো কৈছিল যোৰহাটৰ আজীৱন শিক্ষাসেৱী শ্ৰীবিমান বৰুৱাই (তেখেত উপেন বৰুৱাৰ পুত্ৰ)। সেইদৰে ১৯২৮ চনত কটন কলেজত 'অসমত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ব লাগে' বুলি হোৱা এখন তৰ্ক প্ৰতিযোগিতাত বিষয়টোৰ বিপক্ষে কোৱা দলহে জিকিল। এই ঘটনাটো বৰ্ণনা কৰিছে বদন বৰুৱাই ২৪৭ সংখ্যা প্ৰান্তিক (১৯৮২), ১৩ পৃষ্ঠাত। যোৰহাট আদিত মধ্যবিত্তই কলেজ প্ৰতিষ্ঠা কৰাৰ প্ৰকৃত কাৰণ আছিল আন ধৰণৰ, যাক বুজিবলৈ হ'লে অসমত শিক্ষা বিস্তাৰৰ বিৰোধিতা কৰা এই লোকসকলক অলপ ভালদৰে জানিব লাগিব। এওঁলোকৰ বেছি ভাগেই আছিল বৃটিছৰ আমোলত

গা কৰা অসমীয়া চহকী বা উচ্চ মধ্যবিত্ত শ্রেণীৰ লোক। এওঁলোকৰ বিষয়ে, এওঁলোকৰ মানসিকতা আজিকালিৰ চহকী অসমীয়াৰ দৰে, আহোমৰ দিনত ডা-ডাঙৰীয়াসকলৰ দৰে বৃটিছৰ আমোলত চহকী হোৱা অসমীয়াসকলৰও স্বাৰ্থ আছিল নিজে পোৱা সুবিধাখিনি নিজৰ ল'ৰা-ছোৱালী, সতি-সন্ততি আৰু একশ্রেণীৰ লোকৰ কাৰণে নিৰাপদ কৰা। দুখীয়া শ্রেণীৰ লোকক এনে সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখিব পাৰিলে তেওঁলোক সুখী হৈছিল। চহকী অসমীয়াসকলে দুখীয়া ৰাইজৰ অৱস্থা উন্নত কৰিবলৈ বা দুখীয়া সকলৰ মাজত শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে সততে একো কৰা নাছিল। দেবীচৰণ বৰুৱা, ৰাধা সন্দিকৈ আৰু গোবিন্দ বেজবৰুৱাৰ দৰে দুই এজনৰ বাদে আন বেছিভাগেই দুখীয়াৰ কাৰণে জেপটো এবাৰ জোকাৰি চাবলৈকো কষ্ট পাইছিল। দুই এজনে ৰাজহুৱা কামত ধন ব্যয় কৰিলেও তাক নিজৰ স্বাৰ্থৰ কাৰণেহে কৰিছিল। অসমৰ দুখীয়া ৰাইজৰ উপকাৰ কৰাতকৈ চাহাব, ৰায়বাহাদুৰ আদি হ'ব পাৰিলে বা বৃটিছ শাসকক সুপ্ৰসন্ন কৰিব পাৰিলেহে তেওঁলোকে ধন্য মানিছিল।

অতি দুখ লগা কথা যে তেওঁলোকে ইংৰাজী ঢং আৰু ইংৰাজ চাহ খেতিয়কৰ জীৱন যাত্ৰাৰ সাৰশূন্য আদবকায়দা অনুকৰণ কৰিলে হয়, কিন্তু ইংৰাজসকলে দেখুৱাই থৈ যোৱা ভাল আদৰ্শ বিলাক আহৰণ কৰা দূৰৈত থাওক সেইবিলাক বুজিবলৈকো চেষ্টা নকৰিলে। উদাহৰণ স্বৰূপে অসমৰ এজন বিশেষ উদ্যোগী বৃটিছ চাহ খেতিয়ক জৰ্জ উলিয়ামছনে উইল কৰি অসমীয়া ৰাইজৰ মাজত কাৰিকৰী শিক্ষা আৰু জ্ঞান বিতৰণত ব্যৱহাৰ কৰিবৰ কাৰণে দহ হেজাৰ পাউণ্ড আছুতীয়াকৈ ৰাখে। এই ধন ১৮৬৫ চনৰ ফেব্ৰুৱাৰীত ইলিয়ামছনৰ মৃত্যুৰ পিছত তেওঁৰ ইচ্ছা অনুসৰি চৰকাৰক দিয়া হয়। কোৱা বাহুল্য যে সেই সময়ৰ দহ হেজাৰ পাউণ্ড আজিকালিৰ কোটি কোটিৰ সন্মান। কিন্তু উলিয়ামছনৰ আদৰ্শ কোনো অসমীয়া চাহ খেতিয়কে অনুকৰণ নকৰিলে। এইখিনিতে এইটো উল্লেখযোগ্য যে উইলিয়ামছনে অসমৰ শিক্ষা বিস্তাৰৰ কাৰণে দি থৈ যোৱা ধন সেই সময়ৰ অসমীয়া শিক্ষিতলোকে বা চৰকাৰে ব্যৱহাৰ নকৰি বহুত দিন পেলাই থোৱাৰ পিছত ১৯২৮ চনতহে যোৰহাটৰ প্ৰিন্স অৱ ৱেলচ স্কুলত ব্যৱহাৰ কৰে। (উপেন্দ্ৰনাথ বৰুৱা, 'এ গ্লিম্পচ অৱ আছাম', দ্বিতীয় তাঙৰণ, যোৰহাট (১৯৪৬) পৃঃ ১৪৮-৪৯)

চহকী অসমীয়াসকলে নিজৰ ল'ৰাক কলিকতাত বা গুৱাহাটীত (কটন

কলেজ হোৱাৰ পাছত) পঢ়িবলৈ পঠিয়াব পাৰিছিল। ল'ৰাহঁতে গৈ কলিকতাত থকা মেলাৰ কিছু অসুবিধা, সেইকাৰণে তেওঁলোকে যোৰহাটত কলেজ বা অসমত বিশ্ববিদ্যালয় স্থাপন কৰাতকৈ কলিকতাৰ অসমীয়া ছাত্ৰৰ কাৰণে হোষ্টেল পতাৰহে বেছি জোৰ দিছিল।

মুঠৰ ওপৰত অসমত কলেজ বা বিশ্ববিদ্যালয় পতাৰ বিৰোধিতা কৰা সকলে জানি বা নাজানি এক শ্ৰেণীভেদ আচৰণ প্ৰৱৰ্তন আৰু সংৰক্ষণ কৰিবলৈকে চেষ্টা কৰিছিল। বেণুধৰ শৰ্মাই "যুঁজাৰু বেজবৰুৱাৰ লেখনীৰ-বিক্ৰম" নামৰ প্ৰৱন্ধত লিখিছে যে বৃটিছ চৰকাৰে অসমত কলেজ পতাৰ পক্ষপাতি নাছিল। এনে প্ৰতিকূল পৰিবেশৰ মাজত প্ৰথমে গুৱাহাটী কটন কলেজ তাৰ ত্ৰিশ বছৰৰ পাছত যোৰহাটত জগন্নাথ বৰুৱা কলেজ আৰু তাৰ চৈধ্য বছৰৰ পাছত মধ্য অসমত নগাঁও কলেজ প্ৰতিষ্ঠিত হৈছিল। নগাঁও কলেজ স্থাপন হোৱাৰ বছৰতেই অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত বীজ অংকুৰণ ঘটিছিল। নগাঁও কলেজ প্ৰতিষ্ঠাৰ চাৰি বছৰৰ পাছত গুৱাহাটী বিশ্ববিদ্যায়ৰ কাম আৰম্ভ হয়।

নগাঁও কলেজৰ প্ৰতিষ্ঠাত আগভাগ লোৱা সকলে বুজাই দিছিল যে দুৰদৰ্শিতা আৰু শিক্ষা দিশত আগবঢ়াই নিয়াৰ একাগ্ৰ বাসনা থাকিলে সকলো কথাই সম্ভৱ হয়।

নগাঁও কলেজ প্ৰতিষ্ঠাৰ পাছত দেশে স্বাধীনতা সোৱাদ লাভ কৰিলে। দেশে স্বাধীনতা লাভ কৰাৰ পিছত দ্ৰুতগতিত শিক্ষা ক্ষেত্ৰখনলৈ পৰিবৰ্তন আহিছিল। ডঃ সৰ্বপলী ৰাধাকৃষ্ণণৰ নেতৃত্বত শিক্ষা আয়োগ গঠন হৈছিল। এনে সময়ত এই কলেজৰে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাকে ধৰি এচাম শিক্ষকে উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকন কলেজ প্ৰতিষ্ঠাত আগভাগ লৈছিল। ডঃ গকুল গোস্বামীয়ে শুকদেৱ গোস্বামীৰ বিষয়ে লিখা কথাখিনিয়ে এই কথা প্ৰমাণ কৰে -

শুকদেৱ গোস্বামীৰ সৰ্ববৃহৎ কীৰ্তিস্তম্ভ নগাঁৱৰ এডিপি কলেজ। যজ্ঞেশ্বৰ শৰ্মা ছাৰে লিখি থৈ যোৱা কথা। ১৯৫৫ চনমানৰ পৰাই গোস্বামীয়ে শৰ্মা ছাৰক লগ পালেই নগাঁৱত আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতিত কলেজ এখন পতাৰ কথা কৈছিল। সেই সম্পৰ্কেতে ১৯৫৯ চনত চনত ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত গৃহীত হোৱা প্ৰস্তাৱ এটাৰ গইনাতে আনন্দৰাম ঢেকীয়াল ফুকন কলেজ (এডিপি কলেজ) স্থাপনৰ অৰ্থে এখন কমিটি গঠন কৰা

হ'ল। সমিতিৰ সভাপতি হ'ল হলধৰ ভূঞা, উপ সভাপতিদ্বয় নৰুল ইছলাম আৰু শুকদেৱ গোস্বামী আৰু সম্পাদক হ'ল নগাঁও কলেজৰ অধ্যাপক ললিত শইকীয়া পিছত অধিবক্তাদ্বয় আতাউৰ ৰহমান আৰু কুশদেৱ গোস্বামী যুটীয়া সম্পাদক হয়। কিন্তু অধ্যক্ষ? প্ৰশ্নটোৰ মীমাংসা কৰিবৰ কাৰণে অনুষ্ঠিত সভা এখনত সভাপতি হলধৰ ভূঞাই উপ সভাপতি গোস্বামীক সম্বোধি ক'লে, 'হেৰা শুকদেৱ, মোৰ ডিগ্ৰীটো থকা হ'লে ময়ে অধ্যক্ষৰ কামখিনি কৰিলোহেঁতেন। তোমাৰ এম. এ. ডিগ্ৰীটো আছে। তুমিয়েই অধ্যক্ষৰ দায়িত্ব লৈ ছাত্ৰ ভৰ্তি কাম আৰম্ভ কৰা।

প্ৰথমতে ডচন স্কুলতেই নৈশ শাখা হিচাবে ১৯৫৯ চনৰ চেপ্তেম্বৰ মাহত এই কলেজ আৰম্ভ হৈছিল।

একেদৰে নগাঁও ছোৱালী কলেজ ১৯৬২ চনত স্থাপনত হৈছিল নগাঁও কলেজৰ এচাম অধ্যাপকৰ উদ্যোগত। দৰাচলতে নাৰী শিক্ষাৰ বাবে সুকীয়া উচ্চ শিক্ষানুস্থানৰ প্ৰয়োজন অনুভৱ কৰিয়েই এই কলেজখনৰ জন্ম হৈছিল। প্ৰথমতেই এই কলেজৰ নাম আছিল 'লালচন্দ টোডী গাৰ্লচ কলেজ'। এই ''লালচান্দ টোডী গাৰ্লচ কলেজ''ৰ অধ্যক্ষ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল-- নগাঁও কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক তথা উপাধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী। মহেশচন্দ্ৰ দেৱগোস্বামীদেৱে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিয়েই মেট্ৰিক পৰীক্ষা দিয়া অভিভাৱকসকলক অনুৰোধ কৰিছিল তেওঁলোকৰ সন্তানসকলক লালচান্দ টোডী গাৰ্লচ কলেজত পঢ়ুৱাবলৈ। মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিছিল-অভিভাৱকৰূপ।

নগাঁও জিলাত ১৯৬৪ চনত ৰহা কলেজ, ১৯৬৫ চনত ধিং কলেজ, ১৯৬৯ চনত কলিয়াবৰ কলেজ প্ৰতিষ্ঠা হৈছিল। এই প্ৰতিখন কলেজ স্থাপনৰ আঁৰত আছিল এদল জ্ঞান অন্বেষণকাৰী শিক্ষক আৰু ৰাইজ। সেই সময়ত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক পটভূমি বিশ্লেষণ কৰিবলৈ অন্য এক ইতিহাস বিচাৰি পোৱা যায়। স্বাধীনতাৰ পিছত চীনৰ ভাৰত আক্ৰমণ আদিৰ ঘটনায়ো দেশ আৰু ৰাজ্য জোকাৰি গৈছিল। মন কৰিবলগীয়া যে এদল তৰুণ কৃতী শিক্ষকে ভাৰতৰ বিভিন্ন স্থানৰ পৰা নগাঁও কলেজত পাঠদান কৰিবলৈ আহিছিল। ইয়াৰ আঁৰত আছিল যজ্ঞেশ্বৰ শৰ্মাদেৱৰ দৰে পণ্ডিত ব্যক্তিৰ দূৰদৰ্শিতা। নগাঁও কলেজে ৭৫ বছৰ অতিক্ৰম কৰাৰ সময়ত আকৌ এবাৰ ইতিহাস খুঁচৰি চোৱাৰ হাবিয়াসৰ বাবে নগাঁও কলেজৰ ইতিহাস পাঠকৰ

হাতত তুলি দিয়াৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাবে প্ৰাথমিক আৰু গৌণ তথ্যৰ ওপৰত ভৰসা কৰিব লগা হৈছে। ইয়াক ইতিহাস বুলি এক কথা ক'ব পাৰিনে নোৱাৰি পাঠক সমাজে নিৰ্ণয় কৰিব। বাক্যৰ গাঁঠনি, ভাষাগত বিভ্ৰান্তি, ছপাৰ বিভ্ৰান্তি আদি অনেক আছে। কম সময়ৰ ভিতৰত শুদ্ধ কৰিব পৰা নগ'ল। সেয়া আমাৰ সীমাবদ্ধতা। তাৰবাবে পদুলিতে ক্ষমা বিছাৰিলোঁ। আমাৰ এই প্ৰয়াস ভৱিষ্যতেও অব্যাহত থাকিব।

**ড° শৰৎ বৰকটকী**

মুখ্য সম্পাদক

# সম্পাদকীয়

নেলছন মাণ্ডেলাই কৈছিল, "শিক্ষা হৈছে এনেকুৱা অস্ত্র যিয়ে গোটেই পৃথিৱীৰ পৰিৱেশ পৰিৱৰ্তন কৰিব পাৰে"। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, "শিক্ষা হৈছে মানুহৰ অন্তৰত নিহীত হৈ থকা প্ৰতিভা জাগৰণৰ আৰু সৰ্বাঙ্গীণ বিকাশৰ মাধ্যম।" শিক্ষাৰ প্ৰয়োজনীয়তা আৰু প্ৰাসঙ্গিকতাক লৈ অতীজৰে পৰা বিভিন্ন স্তৰত বিভিন্ন ধৰণে আলোচনা হৈ আহিছে। পৌৰাণিক যুগত শিক্ষা প্ৰধানকৈ জ্ঞান অৰ্জনৰ চাহিদা পূৰণৰ ক্ষেত্ৰতেই ব্যৱহৃত হৈছিল। ৰজা মহাৰজাৰ সতি-সন্ততি গুৰুগৃহত গৈ অস্ত্ৰ-শস্ত্ৰৰ শিক্ষা লৈছিল, পিছলৈ যাতে ৰাজ্য চলোৱাৰ দ্বায়িত্ব লৈ প্ৰজাৰ ৰক্ষা কৰিব পাৰে। সেই সময়ত শিক্ষা জীৱিকাৰ মাধ্যম হিচাপে বিশেষভাৱে গণ্য কৰা হোৱা নাছিল। লাহে লাহে সময়ৰ পৰিৱৰ্তন হ'ল। বিজ্ঞান, তথ্য-প্ৰযুক্তিবিদ্যাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিল। বিশ্বায়নৰ বতাহে গোটেই বিশ্বকে এখন সৰু গাঁৱলৈ পৰিৱৰ্তিত কৰিলে। সময়ৰ আহ্বানত গুণ আৰু যোগ্যতা নিৰ্বিশেষে শিক্ষা আনুষ্ঠানিক ৰূপত বাধ্যতামূলক হ'বলৈ ধৰিলে। ইয়াৰ আঁৰত বৃত্তিগত সংস্থাপনেই মূল কাৰণ হিচাপে চিহ্নিত হ'বলৈ আৰম্ভ কৰিলে। মুল্যবোধৰ শিক্ষা লাহে লাহে বৃত্তিগত শিক্ষালৈ ধাবমান হ'ল। শিক্ষাৰ্থী সকল শিক্ষাৰ জড়িয়তে নিজৰ ব্যক্তিত্বৰ সৰ্বাঙ্গীণ উন্নীত কৰণত ব্ৰতী হোৱাৰ পৰিৱৰ্তে কেৱল বৃত্তিগত সংস্থাপন কেন্দ্ৰীক হ'বলৈ আৰম্ভ কৰিলে। শিক্ষাৰ দ্ৰুত ব্যক্তিগত কৰণে শিক্ষাৰ্থীসকলক সমাজ কেন্দ্ৰীক কৰাৰ পৰিৱৰ্তে ব্যক্তি কেন্দ্ৰীক কৰি তুলিলে। এইখিনি হ'ল আমাৰ শিক্ষা ব্যৱস্থাৰ এক সমসাময়িক প্ৰতিচ্ছবি।

নগাঁও কলেজে ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাত ব্যতিক্ৰমী শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীসকলক ৰাজ্য আৰু ৰাষ্ট্ৰ নিৰ্মানত অৰিহণা যোগাব পৰাকৈ যোগ্য কৰি তুলিব পাৰিছে বাবে উচ্চ শিক্ষা ক্ষেত্ৰখনত নগাঁও কলেজৰ এক সুকীয়া পৰিচয় আছে। নগাঁও কলেজৰ সৃষ্টিৰ পটভূমি স্বাধীনতা পূৰ্বৰ সময়ৰ য'ত মধ্য অসমৰ

ছাত্র-ছাত্রীয়ে মেট্রিক পাছ কৰিয়েই শিক্ষা সামৰিব লগা হৈছিল বা উচ্চ শিক্ষাৰ বাবে গুৱাহাটীমুখী হ'ব লগা হৈছিল। স্বাধীনতা সংগ্রামৰ চূড়ান্ত পৰ্য্যায়ৰ সময়ত স্বাধীনতা সংগ্রামী মতিৰাম বৰাদেৰকে প্ৰমুখ্য কৰি কেইগৰাকীমান সমাজ হৈতিষী ব্যক্তিৰ অশেষ প্ৰচেষ্টাত নগাঁও কলেজে ১৯৪৪ চনৰ আগষ্ট মাহৰ ৭ তাৰিখে প্ৰথম সূৰ্যোদয় দেখিছিল। তাৰ পৰাই আৰম্ভণি হৈছিল নগাঁও কলেজৰ গৌৰৱময় যাত্ৰা। ব্ৰহ্মপুত্ৰৰ বুকুৰেদি বহু পানী বৈ যোৱাৰ দৰেই এই কলেজখনৰ বুকুৰেদি বহু গৌৰৱময় গাথা বৈ গৈছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছতেই উল্লেখনীয় ঘটনাক্ৰম যেনে ভাৰত চীনৰ যুদ্ধ, মাধ্যম আন্দোলন, অসম আন্দোলন ইত্যাদিবোৰে নগাঁও কলেজখনক বাৰুকৈয়ে প্ৰভাৱিত কৰি গ'ল। আমাৰ গ্ৰন্থখনিৰ সন্মানিয় লিখক সকলৰ লিখনিত এই কথাবিলাক প্ৰতিফলিত হৈছে।

গোটেই বিশ্বক জোকাৰি যোৱা ছাত্ৰ আন্দোলন যি অসমৰ পৰা বিদেশী বহিষ্কৰণৰ বাবে আৰম্ভ হৈছিল সেই আন্দোলনত নগাঁও কলেজৰ ছাত্ৰ সমাজ তথা কলেজ পৰিয়ালৰ বিশেষ অৰিহণাৰ কথা উল্লেখ কৰিব পাৰি। মাধ্যম আন্দোলনত সেই সময়ৰ নগাঁও কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অনিল বৰা শ্বহীদ হৈছিল। মনত অযুত সপোন ৰাখি উচ্চশিক্ষাৰ বাবে কলেজত পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীয়েও যে জাতি আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে নিজৰ সৰ্বোচ্চ বলিদান দিব পাৰে সেই কথা নগাঁও কলেজৰ সেই সময়ৰ ছাত্ৰ অনিল বৰাই উত্তৰ পুৰুষৰ বাবে নিদৰ্শন দাঙি ধৰি গৈছে।

অসমৰ উচ্চ শিক্ষাৰ অন্যতম সাংগঠনিক অনুষ্ঠান "অসম কলেজ শিক্ষক সংস্থা" (ACTA)ৰ প্ৰথমখন অধিবেশন নগাঁও কলেজতেই অনুষ্ঠিত হৈছিল, এই ক্ষেত্ৰতো কলেজ পৰিয়ালৰ বিশেষ অৰিহণাৰ কথা নুই কৰিব নোৱাৰি। নগাঁও কলেজ পৰিয়ালে নিজৰ উৎকৰ্ষ সাধনৰ লগতে মধ্য অসমত আৰু কেইটিমান উল্লেখনীয় উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান যেনে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও ছোৱালী মহাবিদ্যালয়, নগাঁও বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত বিশেষভাৱে সহায় সহযোগিতা আগবঢ়াইছিল।

১৯৪৪ চনৰ পৰা এই ৭৫ বছৰীয়া বৰ্ণিল জীৱন পৰিক্ৰমাত নগাঁও কলেজে সমাজ, দেশ তথা মাতৃভূমিৰ প্ৰতি থকা দায়বদ্ধতাৰ পৰিচয় দি দোপতদোপে উন্নতি শিখৰলৈ আগবাঢ়ি গৈ আছে। নগাঁও কলেজৰ ফচলে দেশ তথা বিশ্বতে প্ৰত্যেকখন

ক্ষেত্রতে বিশেষ আসন অধিকাৰ কৰি আছে। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ (NAAC) শেহতীয়া দুটা বৰ্ষৰ মূল্যাংকনত ধাৰাবাহিভাবে দুবাৰকৈ ‘A’ গ্ৰেড লাভ কৰি ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ এখন অগ্ৰনী শিক্ষানুষ্ঠান হিচাপে ইতিমধ্যে নগাঁও কলেজে প্ৰতিষ্ঠা লাভ কৰিছে।

জন্মৰ পৰা বৰ্তমানলৈকে নগাঁও কলেজৰ যি বৰ্ণিল যাত্ৰা তাক লিখিত আকাৰত এখন গ্ৰন্থৰ মাধ্যমেদি প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰাতো ভুৰুকাত হাতী ভৰোৱাৰ নিচিনা কথা। তথাপি কলেজখনৰ ৭৫ বছৰীয়া উদ্‌যাপনৰ এই শুভ ক্ষণত ই আমাৰ প্ৰথম আৰু বিনম্ৰ প্ৰয়াস। প্ৰথম সংস্কৰণত যিসকল লিখকে গ্ৰন্থখন বহুমূলীয়া লিখনিৰে সমৃদ্ধ কৰিলে তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। “নগাঁও কলেজৰ ইতিহাস” শিৰোনামৰ এই গ্ৰন্থখনি পৰবৰ্তী সময়ত পুনৰ দ্বিতীয়, তৃতীয় আদি সংস্কৰণ তথ্য সমৃদ্ধ লিখনিৰে প্ৰকাশ হৈ থাকিব বুলি আমি আশাবাদী। অতি কম সময়ৰ ভিতৰত প্ৰকাশিত হোৱা গ্ৰন্থখনিত অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থী হৈ সকলো শুভাকাংশীলৈ কৃতজ্ঞতা যচাৰ লগতে নগাঁও কলেজৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰিলো।

**ড° নৰ প্ৰসাদ নাথ**
**ঋত্বিক মজুমদাৰ**
সম্পাদক

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| ১। | নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন সম্পৰ্কত | সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা | ১৭ |
| ২। | স্মৃতিৰ জলঙাৰে নগাঁও কলেজ ঃ ৰাতি নথকা দিনবোৰ | সাহিত্যাচাৰ্য মহিম বৰা | ৩২ |
| ৩। | অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ কাৰ্যকালত নগাঁও কলেজ আৰু আমি | কমল চন্দ্ৰ গোস্বামী | ৫৪ |
| ৪। | নগাঁও কলেজৰ বুধমণ্ডলী | ড° ৰাজেন শইকীয়া | ৫৯ |
| ৫। | আৰ্কাইভৰ নথিত মধ্য অসমৰ প্ৰথমখন মহাবিদ্যালয় | ঋত্বিক মজুমদাৰ | ৭৬ |
| ৬। | অসম আন্দোলনত নগাঁও মহাবিদ্যালয়ৰ ভূমিকা | গিৰীন্দ্ৰ কুমাৰ বৰুৱা | ১২২ |
| ৭। | বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণত নগাঁও মহাবিদ্যালয়ৰ ভূমিকা ঃ এটি ঐতিহাসিক অৱলোকন | ড° খৰ্গেশ্বৰ ভূঞা | ১৩২ |
| ৮। | বুৰঞ্জীৰ এখিলা পাত ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়োগক নগাঁও মহাবিদ্যালয়ৰ এক শিকনি | আলোক গোস্বামী | ১৫১ |
| ৯। | সোঁৱৰণীৰ ছাঁ-পোহৰত ১৯৭২ ৰ মাধ্যম আন্দোলন আৰু নগাঁও মহাবিদ্যালয় | গুণীন্দ্ৰ গায়ন | ১৫৪ |
| ১০। | ঐতিহ্য বিজড়িত নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগ ঃ অতীত আৰু বৰ্তমান | গুণ শইকীয়া | ১৬৭ |
| ১১। | গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন প্ৰথম মন্ত্ৰীসভা ঃ নগাঁৱৰ ভূমিকা | ড° জ্যোতিৰ্ময় জানা | ১৭২ |

| | | | |
|---|---|---|---|
| ১২। | নগাঁৱৰ সাংস্কৃতিক পৰম্পৰাৰ দুটামান দিশ | ড° নৰেন কলিতা | ১৮০ |
| ১৩। | নগাঁও কলেজৰ ইতিহাসৰ এটি সংগ্ৰামী অধ্যায়ৰ কিয়দাংশ | দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী | ১৮৭ |
| ১৪। | পাতৰ আঁৰতে লুকাই থকা শিল্পীজন আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰতীকপট | মানস কুমাৰ মহন্ত | ১৯৩ |
| ১৫। | নগাঁও মহাবিদ্যালয়ত সাংস্কৃতিক পৰিৱেশ | সপোনটি বৰদলৈ | ১৯৭ |
| ১৬। | শিক্ষক আৰু শিক্ষাৰ আন্দোলনত নগাঁও কলেজ | বিশ্বজিৎ ভূঁঞা | ২১০ |
| ১৭। | নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থা আৰু এই সংস্থাৰ অৱদান | ড° চিন্তামণি শৰ্মা | ২১৭ |
| ১৮। | নগাঁও মহাবিদ্যালয় এটি যুগৰ প্ৰবাহ | জয়ন্ত কুমাৰ শৰ্মা | ২২৪ |
| ১৯। | ছাত্ৰ আন্দোলন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ভেটি নিৰ্মাণত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ভূমিকা | বিভূ ভৰালী | ২৩২ |
| ২০। | কুৰি শতিকাৰ নগাঁও কলেজৰ শিক্ষক-শিক্ষাৰ্থীৰ সাহিত্যৰ জিলিঙণি | যুগল হাজৰিকা | ২৩৯ |
| ২১। | নগাঁও কলেজ ঃ প্ৰতিষ্ঠা আৰু প্ৰতিশ্ৰুতি | ড° অৰণি শইকীয়া | ২৯১ |
| ২২। | Growth and Development of Nowgong College | Priya Nath Sengupta | ৩০৬ |
| ২৩। | প্ৰসংগ ক্ৰমে -- ১ ঃ অভিশপ্ত ৭ চেপ্তেম্বৰ'৭৯ ! নগাঁও মহাবিদ্যালয়ত ঐতিহাসিক পুলিচী নিৰ্যাতন ! চি.আৰ.পি.ৰ দ্বাৰা মহাবিদ্যালয় চৌহদৰ পবিত্ৰতা ধ্বংস ! | | ৩১৪ |
| ২৪। | প্ৰসংগ ক্ৰমে -- ২ ঃ ব্যক্তি আৰু সমাজ জীৱন আৰু জীৱিকাৰ বৈশিষ্ট্যৰে নগাঁও মহাবিদ্যালয়ত | দলবাহাদুৰ থাপ্পা | ৩১৬ |


******

# নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন সম্পৰ্কত

সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা

আমি মেট্ৰিকুলেচন পাছ কৰা সময়ত (১৯২৩-২৪) ব্ৰহ্মপুত্ৰ উপত্যকাত কটন কলেখনেই একমাত্ৰ কলেজ আছিল। তাত আই. এ., আই. এছ. ছি, বি. এ., বি. এছ. ছি আৰু ছাত্ৰৰ সংখ্যা প্ৰায় ৫৫০ আছিল। ছাত্ৰী নাছিলেই। যিবিলাকে গুৱাহাটীত পঢ়াৰ সুবিধা নাপাইছিল তেওঁলোকৰ বহুতে উচ্চ শিক্ষাৰ আশা বাদ দিছিল আৰু সামৰ্থ থকাবিলাক কলিকতালৈ গৈছিল। হাইস্কুলৰ ছাত্ৰৰ সংখ্যা ক্ৰমে বাঢ়ি অহাত কলেজৰ শিক্ষা পাবলৈ আশা কৰা ছাত্ৰৰ সংখ্যা বাঢ়িছিল। কিন্তু গুৱাহাটীৰ চৰকাৰী কলেজৰ বাহিৰে আন অনুষ্ঠান নাছিল। ১৯৩০ চনত প্ৰথম যোৰহাটত বেচৰকাৰী কলেজ স্থাপন হোৱাত স্থানীয় বহুত ছাত্ৰই তাত পঢ়াৰ সুবিধা পালে। মেট্ৰিক পাছ কৰা ছাত্ৰৰ সংখ্যা বাঢ়ি অহাত বেচৰকাৰী কলেজ স্থাপন কৰাৰ কাৰণে ঠায়ে ঠায়ে আলোচনা চলিছিল কিন্তু অৰ্থ আৰু উদ্যোগৰ অভাৱত এই আলোচনা কামত পৰিণত হোৱা নাছিল।

প্ৰায় ১৯৩৮ চনত মই এবাৰ নগাঁৱলৈ আহোঁতে এদিন খুব সম্ভৱ ৰাজহুৱা লাইব্ৰেৰীত সেই সময়ৰ নগাঁৱৰ নেতা মতিৰাম বৰা প্ৰভৃতি কেইজনমান লোকৰ লগত মোৰ দেখা হয়। তেওঁলোকে মোক সুধিলে, আমি নগাঁৱত এখন কলেজ স্থাপন কৰিব খুজিছোঁ। আপুনি আহি পাতি দিব পাৰিবনে? নগাঁৱত এখন কলেজ হোৱাৰ কথা তেতিয়া মোৰ মনত আকাশত চাংপতা যেন লাগিছিল। মই উত্তৰ দিলোঁ, বাৰু আপোনালোকে পাতকচোন। সিমানতে শেষ। গ'ল কথা গুছিল।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল আৰু এই যুদ্ধৰ বলি হ'ল শিক্ষানুষ্ঠানবিলাক। পৰীক্ষাগাৰ আৰু লাইব্ৰেৰীৰ বাহিৰে কটন কলেজৰ ঘৰ আৰু

হোষ্টেল সামৰিক বিভাগে অধিগ্ৰহণ কৰিলে। কটন কলেজৰ অৱস্থা না-জল, না-ঠল। এখন ৰভা পাতি তাত লেক্চাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল আৰু গুৱাহাটীত অ'ত ত'ত ঘৰ ভাড়া কৰি ল'ৰাবিলাক থাকিব লগীয়া হৈছিল আৰু বহুতে এইবিলাক অসুবিধাত গুৱাহাটী এৰি যাবলগা হৈছিল।

গাঁৱে-চহৰে বহুত হাইস্কুল স্থাপন হোৱাত মেট্ৰিকুলেচন পাছ কৰা বহুতো ল'ৰা-ছোৱালী কলেজীয়া শিক্ষা ল'ব পৰা হৈছিল অথচ সেইবিলাকৰ উচ্চ শিক্ষাৰ উপায় নোহোৱা হ'ল। তাতে মহাযুদ্ধই সমস্যাৰ সৃষ্টি কৰি দিলে। এইবোৰ কাৰণতে সেই সময়ত নগৰ, গাঁও কেবাঠাইতো ৰাইজে মহাবিদ্যালয় স্থাপনৰ চেষ্টা কৰিবলৈ ধৰিলে। এই উদ্যোক্তাসকলৰ ভিতৰত নগাঁৱ ৰাইজো আছিল। যুদ্ধৰ সময়ত টকা বাটে-পথে পৰি আছিল আৰু বিবেক কম, বুদ্ধি বেছি থকা মানুহে অনায়াসে পোৱা এই টকা সংগ্ৰহ কৰিবলৈ এলাহ নকৰিছিল। অৱশ্যে এনে টকা বহুত ভাল কামতো খৰছ কৰা হৈছিল। নগাঁৱত এজন চাউল বপাৰীয়ে ২০ (বিশ) হাজাৰ টকা দিবলৈ গাত ল'লে আৰু দিলেও। এইদৰে পোৱা টকা প্ৰায় ৪০-৫০ হাজাৰ হ'ল। এই সাহসতে নগাঁৱ ৰাইজে কলেজ এখন স্থাপন কৰিবলৈ আগবাঢ়িল। তেওঁলোকে এখন অতিকায় সমিতি পাতিলে। তাৰ সভাপতি হ'ল ৰায়বাহাদুৰ বৃন্দাৱন গোস্বামী, উপ সভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা আৰু যুটীয়া সম্পাদক হ'ল মতিৰাম বৰা, প্ৰিয়নাথ সেনগুপ্ত। এই পৰিচালনা সমিতিৰ ভিতৰত নগাঁৱৰ বিভিন্ন সম্প্ৰদায়ৰ ভালেখিনি লোক আছিল। যথা সময়ত কমিটিয়ে কলিকতা বিশ্ববিদ্যালয়লৈ ১৯৪৪ চনৰ শিক্ষা বছৰৰ পৰা ইংৰাজী, অসমীয়া, বঙলা, সংস্কৃত, আৰবীক, গণিত, বুৰঞ্জী, চিভিক্স আৰু লজিক বিষয়ত আই. এ. শ্ৰেণী খুলিবৰ কাৰণে অনুমতি বিচাৰি বিশ্ববিদ্যালয়লৈ আবেদন জনালে।

১৯৪৪ চনৰ জুন মাহৰ এটা আবেলি অত্যন্ত গেলেপা নগাঁৱ গৰম। সেইদিনা বিশ্ববিদ্যালয়ে পঠোৱা দুগৰাকী শিক্ষাবিদ নগাঁৱ ৰাইজৰ আবেদনৰ বিষয়ে তদন্ত কৰিবলৈ আহি উপস্থিত। ৰাইজে তেওঁলোকক ডচন স্কুলৰ আগফালৰ চোতালত অভ্যৰ্থনা কৰিবলৈ আয়োজন কৰিলে। ডচন স্কুলৰ অলপমান ওচৰতে থকা কবৰস্থানসমূহ সেই সময়ত মিউনিচিপালিটিৰ আৱৰ্জনা পেলোৱা ঠাই আছিল। আবেলি সময়ত সেই ফালৰ পৰা অত্যন্ত দুৰ্গন্ধ বতাহ বলিবলৈ ধৰিলে। কেনেকৈনো বিদেশী বিশিষ্ট অতিথিক সম্বৰ্দ্ধনা জনোৱা যায়। তৎক্ষণাৎ মতিৰাম বৰাই শকত

ধূপ অনাই লগালে। আলহীবিলাকে ভাবিলে তেওঁলোকক ধূপ জ্বলাই সম্বৰ্দ্ধনা জনোৱা হৈছে। সেই ৰাজহুৱা সভালৈ ভালেখিনি নগঞা ৰাইজ আহিছিল। নগৰৰ বাহিৰৰো ভালেখিনি বিদ্যোৎসাহী লোক উপস্থিত আছিল। সেই সভাত চাহ-জলপান সকলোকে খুউৱা হ'ল। ৰাজহুৱাভাৱে বিশ্ববিদ্যালয়ৰ অতিথি দুজনক জনাই দিয়া হ'ল যে ৰাইজে প্ৰায় ৫০-৬০ হাজাৰ টকা সংগ্ৰহ কৰিছে আৰু কলেজৰ নিজা ঘৰ হয় মানে ৰাতিপুৱাবেলা ডচন স্কুলতেই সম্প্ৰতি কলেজৰ ক্লাছবিলাক কৰা হ'ব। টকা আৰু ঘৰৰ অৱস্থা দেখি পৰিদৰ্শক দুগৰাকী সন্তুষ্ট হ'ল আৰু কলিকতা বিশ্ববিদ্যালয়ে অস্থায়ীভাৱে নগাঁৱত আই. এ. ক্লাছ কৰাৰ অনুমতি দিব বুলি প্ৰায় প্ৰতিশ্ৰুতি দিলে।

ইতিমধ্যে কলিকতাৰ বাতৰি কাকতত অধ্যক্ষ আৰু অধ্যাপকৰ কাৰণে বিজ্ঞাপন দিয়া হ'ল। সেই বিজ্ঞাপন অনুসৰি কলেজৰ সঞ্চালক কমিটিয়ে তলত লিখা ব্যক্তি কেইজনক অধ্যাপক মনোনীত কৰিলে। যেনে -

| | |
|---|---|
| সংস্কৃত আৰু বঙলা | - ফণীন্দ্ৰ লাল দত্ত |
| গণিত | - দেৱেশ্বৰ পাঠক |
| বুৰঞ্জী | - দেবেন্দ্ৰ নাথ বৰা |
| চিভিক্স | - কোশচন্দ্ৰ গোস্বামী |
| আৰবীক | - এ. ৰ'ফ্ চৌধুৰী |

কোশচন্দ্ৰ গোস্বামীয়ে অস্বীকাৰ কৰাত মহেশচন্দ্ৰ দেৱ গোস্বামীক দিয়া হ'ল।

কোনো কোনো মানুহে অনা-অসমীয়া অধ্যক্ষ অনাৰ কাৰণে বৰ জোৰ দিছিল। অধ্যক্ষ পদৰ কাৰণে প্ৰাৰ্থী মই আৰু দুজন আছিলোঁ। সঞ্চালক কমিটিয়ে সৰ্বসন্মতি ক্ৰমে মোৰ নামকে অধ্যক্ষ পদৰ বাবে মনোনীত কৰে আৰু মই ইংৰাজীৰ উপৰিও অসমীয়া পঢ়াব লাগিব।

অধ্যাপকসকলক মহে ১০০.০০ টকাকৈ আৰু অধ্যক্ষক ২০০.০০ টকাকৈ দিবলৈ স্থিৰ কৰা হয়। অধ্যাপকসকল দেৱেন বৰাৰ বাহিৰে সকলো 'ইয়েচ' আছিল। সেই সময়ত বস্তু-বাহানিৰ দাম নগাঁৱতো অত্যন্ত বাঢ়ি গৈছিল আৰু ১০০.০০ টকাৰে ঘৰ ভড়া দি এটা সৰু পৰিয়াল পোহাও অত্যন্ত কঠিন হৈ পৰিছিল। বুৰঞ্জীৰ অধ্যাপক দেবেন্দ্ৰ নাথ বৰাক উপাধ্যক্ষৰ দায়িত্বও দিয়া হৈছিল। আগষ্ট মাহৰ পহিলা তাৰিখে মই আহি নগাঁৱত উপস্থিত হ'লোঁ। যোৰহাট কলেজৰ পৰা মোক এৰি দিবলৈ বৰ

টান পাইছিল। তথাপি কৃষ্ণকান্ত সন্দিকৈয়ে মোক ক'লে যে এখন নতুন কলেজ স্থাপন কৰাৰ উত্তেজনা আৰু আনন্দ আপুনি উপভোগ কৰক আৰু অহা তিনি বছৰৰ ভিতৰত যেতিয়াই ইচ্ছা কৰে আপুনি ঘূৰি আহিব পাৰে। অৱশ্যে মোৰ ঘূৰি যোৱা নহ'ল। প্ৰথম ২-৩ মাহ মই মোৰ মিতিৰৰ ঘৰত কটাই কলেজৰ পৰা কিছু আগধন লৈ নতুন আমোলাপট্টিত এটা খেৰৰ ঘৰতে থাকিবলৈ ল'লো। সেইবাবে মোৰ মাহে কুৰি টকা কটা গৈছিল। গতিকে মাহে ১৮০.০০ টকা পাইছিলোঁ।

মই আহিয়ে যুটীয়া সম্পাদক মতিৰাম বৰাক লগ ধৰিছিলোঁ আৰু তেওঁ আনন্দ প্ৰকাশ কৰি ক'লে যে অধ্যক্ষ আৰু অফিচৰ কাৰণে ডচন স্কুলৰ সৰু ৰুম এটা ঠিক কৰা হৈছে। আপুনি তালৈ গৈ প্ৰাৰম্ভিক কাম কৰি অহা সাত তাৰিখৰ পৰা কলেজত পঢ়োৱা কাম আৰম্ভ কৰি দিয়ক। আবেলি মই গৈ দেখিলোঁ মোৰ কাৰণে এজন কেৰাণী আৰু এজন পিয়ন অপেক্ষা কৰি আছে। মোক নোসোধাকৈয়ে আগতে কমিটিয়ে নিজে এজন কেৰাণী নিযুক্তি দি থৈছিল। কেৰাণীজনে মোক চিনি পালে আৰু মই কটন কলেজত এবাৰ অস্থায়ীভাবে কাম কৰোঁতে তেওঁ মোৰ ছাত্ৰ আছিল। কোনোবা গাঁৱলীয়া মিস্ত্ৰীয়ে কৰা এখন দগধা চকী অধ্যক্ষজনৰ কাৰণে অপেক্ষা কৰি আছিল আৰু তাত বহি মই যথেষ্ট উপভোগ কৰিলো। সঞ্চালক কমিটিৰ এজন অতি মিতব্যয়ী সদস্যৰ ওপৰত এই চকী নিৰ্মাণৰ ভাৰ দিয়া হৈছিল। ইতিমধ্যে কেইজনমান ল'ৰাৰ নামভৰ্তি কৰা হৈ গ'ল। ৰোল নং ১ এই ছাত্ৰজনৰ নাম চিকন চন্দ্ৰ কাকতি। শিৱসাগৰ চাৰিঙৰ ল'ৰা। সম্প্ৰতি অৱসৰ লৈ শ্বিলঙত বাস কৰিছে। সেই দলতে অধ্যাপক মহিম চন্দ্ৰ বৰা আৰু অধ্যাপক হবিবুৰ ৰহমানো আছিল।

মোৰ প্ৰথম সমস্যা হ'ল ৰাতিপুৱা সময়টোত কলেজৰ ৰুটিন কৰা। ৰাতিপুৱা ৬-৩০ ৰ পৰা ১০-২০ লৈকে কলেজৰ শ্ৰেণী বহুৱাবৰ কাৰণে ঠিক কৰিলোঁ আৰু স্কুল কৰ্তৃপক্ষক খাতি ১০-২০ লৈকে সময় লোৱা হ'ল। এই কম সময়ৰ ভিতৰত ৰুটিন কৰিবলগীয়া হোৱাত সপ্তাহত প্ৰতি বিষয়ত যথেষ্ট সংখ্যক বক্তৃতাৰ আয়োজন কৰিব পৰা নহৈছিল আৰু প্ৰত্যেক ঘন্টাত ৪০ মিনিটকৈ সময় এটা শ্ৰেণীত দিয়া হৈছিল। আমাৰ কলেজৰ ক্লাছ শেষ হোৱাৰ আগতেই স্কুলীয়া ল'ৰাই হেঁচা মাৰি ধৰিছিল। বন্ধ-অৰ্ধবন্ধ যিমানদূৰ পাৰো কমাই দিছিলোঁ। সেই সময়ত লাইব্ৰেৰী বুলিবলৈ একো নাছিলেই। কেৱল পাঠ্যপুথিখিনি অধ্যাপকসকলৰ কাৰণে যোগাৰ কৰি দিয়া হৈছিল। ইতিমধ্যে মই নিজে কলিকতালৈ গৈ বিভিন্ন দোকান ঘূৰি-পকি

কিছু কিতাপ কলেজ লাইব্ৰেৰীৰ কাৰণে সংগ্ৰহ কৰিলোঁ। সেই সময়ত কলিকতাতো কিতাপৰ অভাৱ হৈছিল।

মই আহি দেখিছিলোঁ যে স্কুলত থকা ডেক্স-বেঞ্চবিলাক আমাৰ বাবে যথেষ্ট নহ'ব। সেই বাবে যুটীয়া সম্পাদকক লগত লৈ কিছু ডেক্স-বেঞ্চ কৰাবলগীয়া হৈছিল। বিশেষকৈ ইংৰাজী, চিভিক্স ক্লাছবোৰৰ বাবে। দূৰৰ পৰা অহা কিছু ল'ৰাৰ বাবে হোষ্টেলৰ প্ৰয়োজন হৈছিল আৰু শঙ্কৰ মন্দিৰৰ সমীপত থকা তুলসী গোস্বামীৰ ঘৰ এটা কলেজৰ পৰা ভাড়া দি এই দূৰণিবটীয়া ছাত্ৰবিলাকক আশ্ৰয় দিবলগা হৈছিল।

এই নতুন কলেজৰ বাবে নগঞা ৰাইজৰ মাজত যথেষ্ট আগ্ৰহ দেখা গৈছিল। কেইবাগৰাকীও ব্যক্তিয়ে ১০০০.০০, ৫০০.০০, ২০০.০০, ১০০,০০ টকা এনেকৈ দান দিছিল। মতিৰাম বৰা যেতিয়া বিধান সভাৰ সদস্য আছিল আৰু তেওঁ সেই সময়ৰ নগাঁৰৰ উপায়ুক্ত ৰবীন্দ্ৰৰাম খাউণ্ডৰ লগত পৰামৰ্শ কৰি নতুনকৈ পট্টন দিয়া বিদেশী মানুহৰ পৰা প্ৰত্যেক পট্টাৰ কাৰণে অন্ততঃ ২০-২৫ টকাকৈ সংগ্ৰহ কৰা হৈছিল। কলেজৰ পক্ষৰ পৰা এই সম্পৰ্কে সেই সময়ত উপপ্ৰতি সমাহৰ্তা অন্নদা শৰ্মা, উকীল প্ৰমোদ ৰাম ভট্টাচাৰ্য আৰু কাননগু হাবিৰাম মজুমদাৰে তদাৰক কৰিছিল। এইদৰেও কিছু টকা উঠিছিল। বিদেশীক এইদৰে মাটি দিয়াটো আজিকালি মানুহে প্ৰশ্ন কৰে আৰু পৰবৰ্তী কালত ইয়ে নানা সমস্যাৰ সৃষ্টি কৰিলে কিন্তু কলেজৰ বাবে কিছু অৰ্থ সংগ্ৰহ হৈছিল এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

নানা অসুবিধা আৰু অৰ্থ সংকটৰ মাজতো ছাত্ৰসকলৰ মাজত আন্তৰিকতা সম্পন্ন সহযোগিতা আছিল। অধ্যাপকসকলেও অতি মনোযোগেৰে পঢ়াইছিল আৰু ছাত্ৰ বিলাকেও নতুন কলেজ পাই মনোযোগ দি পঢ়া-শুনা কৰিছল। Tutorial Class কিছু পৰিমাণে হৈছিল আৰু ৩-৬ মহীয়া পৰীক্ষাবিলাক পতা হৈছিল।

১৯৪৬ চনত প্ৰথম দলটো আই, এ, পৰীক্ষা দিয়াৰ কথা। কিন্তু কলিকতা বিশ্ববিদ্যালয়ে নগাঁৱত পৰীক্ষা কেন্দ্ৰ এটা দিবলৈ সংকোচ কৰিছিল। এই সম্পৰ্কত মই দুবাৰো কলিকতালৈ যাব লগা হৈছিল। মই যাওঁতে নগাঁৱৰ উপায়ুক্তৰ পৰা লেখাই লৈ গৈছিলো যে তেওঁ নগাঁও ট্ৰেজাৰীত প্ৰশ্নপত্ৰ আৰু উত্তৰ বহী ৰখাৰ দায়িত্ব ল'ব। বিশ্ববিদ্যালয়ৰ এক্জুকেটিভ কাউন্সিলাৰ বোৰ্ডত পুৰণা অধ্যাপক দুজন আছিল আৰু তেওঁলোকে যত্ন কৰি প্ৰথমবাৰৰ পৰাই নগাঁৱত পৰীক্ষা কেন্দ্ৰ দিবলৈ গাত ল'লে। এই প্ৰথম দুবাৰ পৰীক্ষা নগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত

হৈছিল আৰু এই পৰীক্ষা নিয়াৰিকৈ চলোৱাত সকলোৰে সহযোগিতা কৰিছিল। পৰীক্ষাবোৰতো কোনোৰকমৰ অপৰাধমূলক আচৰণ দেখা নগৈছিল। এই প্ৰথমবাৰৰ পৰীক্ষাত নগাঁও কলেজৰপৰা শতকৰা পঞ্চাশ ভাগ উত্তীৰ্ণ হয়। ই বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰতকৈ অলপ বেছি। ৫-৬ জনমানে প্ৰথম বিভাগ পাইছিল। শ্ৰীগুৰুচৰণ মেধি (পাছলৈ মৰিগাঁও কলেজৰ অধ্যক্ষ) লজিকত শতকৰা আশী (৮০) পাইছিল আৰু জীতেন্দ্ৰ নাথ বৰকটকীয়ে অসমীয়াত সৰ্বোচ্চ নম্বৰ পাইছিল। এই পৰীক্ষাৰ ফলে ৰাইজৰ মনত আস্থা আনি দিছিল। অধ্যাপকসকলে মনোযোগ দি পঢ়াইছিল আৰু মই নিজেও কলেজৰ অন্যান্য কামৰ উপৰিও ইংৰাজী, অসমীয়া পঢ়াওঁতে যথেষ্ট খাতিবলগীয়া হৈছিল। ইংৰাজীৰ টিউটৰিয়েলৰ কাৰণে তৃতীয় বছৰত সমৰেন্দ্ৰ চক্ৰৱৰ্তী নামৰ এজন লোকক নিযুক্তি দিছিল। পাছলৈ তেওঁ ইংৰাজীৰ অধ্যাপক হয়।

ডচন স্কুলত কলেজৰ ক্লাছ লৈ থাকিব লগা অৱস্থাতো কলেজে মহাপুৰুষসকলৰ তিথি আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিল। ১৯৪৬ চনৰ শেষৰ ভাগত মতিৰাম বৰাই চৰকাৰৰ লগত আলোচনা কৰি নগাঁও চৰকাৰী হাইস্কুলৰ হোষ্টেলটো কলেজৰ বাবে লবলৈ উপায় উলিয়ালে। স্কুল হোষ্টেলত সেই সময়ত ১০-১২ জন ছাত্ৰ আছিল। কিয়নো প্ৰায় গাঁৱে গাঁৱে স্কুল হ'বলৈ ধৰিলে। গতিকে হোষ্টেলৰ ঘৰবোৰ প্ৰায় উদং হৈ থাকে। এই যুক্তি দেখুৱাই স্কুলৰ ছাত্ৰ কেইজনক আমি আন ঠাইত ৰখাৰ সুবিধা কৰি স্কুল হোষ্টেল আৰু তাৰ বাৰীখন কলেজৰ বাবে সংগ্ৰহ কৰিলোঁ। ১৯৪৭ চনত ডচন স্কুলৰ পৰা স্কুল হোষ্টেললৈ কলেজ স্থানান্তৰিত হয়। এতিয়া কলেজৰ বাবে নিজা ঠাই পোৱা গ'ল। কিন্তু ৰাইজক আৰু লগা হ'ল। অৰ্থাৎ বিজ্ঞান শ্ৰেণী। এই শ্ৰেণী আৰম্ভ কৰাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰিলে। মই ততালিকে মোৰ সহপাঠী বন্ধু কটন কলেজৰ বিজ্ঞানৰ অধ্যাপক (পাছলৈ অধ্যক্ষ) শ্ৰীহৰিচন্দ্ৰ গোস্বামীদেৱক নিমন্ত্ৰণ কৰি আনি মোৰ ঘৰত দুই-তিনিদিন ৰাখি অকণমান ঠাইত কেনেকৈ বিজ্ঞানৰ ক্লাছ বিলাক কৰা হয় তেওঁৰ পৰামৰ্শ ল'লোঁ। বৰ্তমান যিটো ঘৰ ৰত্নকান্ত বৰকাকতি পথৰ ফালে আছে অৰ্থাৎ নাৰিকল গছৰ ফালে সেই ঘৰটোকে দুভাগ কৰি এভাগত পদাৰ্থ বিজ্ঞান আৰু আন ভাগত ৰসায়নৰ লেবৰেটৰী কৰিবলৈ দিহা দিলে। কিমান পৰিমাণৰ টেবুল আদি থাকিব তাকো জোখমাখ কৰি তেওঁ হিচাপ কৰিছিল আৰু পশ্চিম বাৰান্দাৰ উত্তৰ

মূৰত এটা গেলেৰী কৰিবলৈও পৰামৰ্শ দিলে। এইখিনি কথা মই কলেজৰ সঞ্চালক সমিতিৰ হাতত দাঙি ধৰিলোঁ আৰু তেওঁলোকে লাগতিয়াল খৰছ কৰিবলৈ অনুমতি দিলে আৰু মোৰ লগতে এজন ঠিকাদাৰকো পঠিয়াই দিলে যাতে কটন কলেজৰ বিজ্ঞান বিভাগৰ ফাৰ্নিচাৰবিলাকো চাই আহিব পাৰে। আনহাতে বৰ্তমান ছোৱালী কমনৰুমৰ ওচৰত থকা সৰু ঘৰ এটিত জীৱ বিজ্ঞানৰ লেবৰেটৰী খুলিবলৈ ঠিক কৰা হ'ল আৰু এই সম্পৰ্কত কটন কলেজৰ Botany অধ্যাপক অতুল চন্দ্ৰ দত্তৰ সহায় আৰু পৰামৰ্শ পোৱা হৈছিল।

এইটো সন্ধিৰ সময়। এই সময়তে অসমত নতুনকৈ গুৱাহাটী বিশ্ববিদ্যলয় আৰম্ভ হৈছে। গতিকে বিজ্ঞানৰ শ্ৰেণী খুলিবলৈ আমাক কোনে অনুমতি দিব। কিন্তু সৌভাগ্যক্ৰমে এই অনুমতিৰ ভাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতত পৰিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত মোৰ বিশেষ সম্পৰ্ক থকাত আৱশ্যকীয় অনুমতি লাভ কৰিবলৈ বিশেষ কষ্ট নহ'ল। এই সম্পৰ্কত কলেজ পৰিদৰ্শন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে এজন কলিকতাৰ বিজ্ঞানৰ অধ্যাপকক পঠাইছিল আৰু তেওঁ মোৰ চিনাকি মানুহ। তেওঁ আহিয়ে সুধিলে, লেবৰেটৰীত গেছৰ আয়োজন কি? মই ক'লোঁ, স্পিৰিটৰ চাকি। তেওঁ কেৱল হাঁহিবলৈ ধৰিলে। স্পিৰিট লেম্পৰে ২-৩ বছৰ গ'লেই। তাৰ পিছতহে বেঙ্গল কেমিকেলৰ মানুহে আহি অধ্যক্ষৰ ঘৰৰ পাছফালে আৰু তেতিয়াৰ হোষ্টেলৰ দাঁতিতে Gas Plant বহুৱাই গ'ল। এই Gas Plant কেবাবছৰো চলিছিল। পাছত নতুন Science Building হোৱাত বেঙ্গল কেমিকেলৰ Gas Plant বিক্ৰী কৰা হ'ল।

ইয়াত এটা কথা বাদ পৰি গৈছে যে ১৯৪৬ চনতে এই কলেজত বি. এ. ক্লাছ কৰাৰ ব্যৱস্থা হ'ল আৰু এই সম্পৰ্কত মই কেইবাবাৰো কলিকতালৈ গৈছিলোঁ। অধ্যাপক প্ৰমোথ বেনাৰ্জী পৰিদৰ্শক হিচাপে আহিছিল আৰু এখন ৰাজহুৱা সভাত তেওঁক সম্বৰ্দ্ধনা জনোৱা হৈছিল। কেৱল ১০০.০০ টকা দৰ্মহাত কলেজৰ অধ্যাপকক বি. এ. পঢ়াবলৈকো মনস্থ কৰাত আমাৰ নেতা কেইজনমানক বৰ টান কথাকে শুনাই দিছিল। এইদৰে বিজ্ঞানৰ লগে লগে ইংৰাজী, অসমীয়া, বঙলা, সংস্কৃত, অৰ্থনীতি, বুৰঞ্জী আৰু দৰ্শনত বি.এ. ক্লাছ আৰম্ভ হয়। কিন্তু কোনো বিষয়তে তেতিয়ালৈকে অনাৰ্চ লোৱাৰ সাহস নহৈছিল।

১৯৫০ চনত চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়ত কাম কৰি থকা

কেইবাজনো ডেকাই কলেজত গধূলি আই. কম. বা বাণিজ্য শাখা খোলাৰ কথা উত্থাপন কৰে। সেই সময়তে মতিৰাম বৰা (মন্ত্ৰী) নগাঁৱতে আছিল। মই ডেকাসকলক পৰামৰ্শ দিলোঁ - এখন দৰ্খাস্ত লৈ মন্ত্ৰীৰ ওচৰ চাপিবলৈ। সেই দৰ্খাস্ত পাই মন্ত্ৰীয়ে মোক মাতি পঠিয়ালে আৰু আলোচনা কৰি সেই বাণিজ্য শাখাটো গধূলি খুলিবলৈ মোক পৰামৰ্শ দিলে। মই তেতিয়া ক'লোঁ, কলেজত বিজুলী শক্তিৰ ব্যৱস্থা নাই। তেতিয়া তেওঁ অলপ চক্ খালে। মই তেওঁক ক'লোঁ, আপুনি গৱৰ্ণিং বডিলৈ এই দৰ্খাস্তখনৰ ওপৰত কলেজত বিজুলী যোগানৰ ব্যৱস্থা কৰিবলৈ লিখি দিয়ক, নহ'লে তেওঁলোকে মোৰ ওপৰত দোষাৰোপ কৰিব। মই জানো যে মন্ত্ৰীৰ কথা গৱৰ্ণিং বডিয়ে পেলাব নোৱাৰে। বিজুলী যোগান সম্পৰ্কে এই চিঠি পাই গৱনিং বডিয়ে তৎক্ষণাৎ বিজুলী যোগান কৰিবলৈ সন্মত হ'ল আৰু গোটেই কলেজতেই বিজুলী বাতি আৰু বিচনীৰ সুবিধা দিব পৰা হ'ল। তেতিয়ালৈকে গৰম কালত পুৰণি পাঙ্খাৰ ব্যৱস্থা চলি আছিল। এই আই. কম. শ্ৰেণী ১৯৫১ চনত B.Com. লৈ উন্নীত হয় আৰু বৰ্তমান বাণিজ্য শাখাত যথেষ্ট সংখ্যক ছাত্ৰ আছে।

আই. এছ. ছি. খোলাৰ ফলস্বৰূপে নগাঁও অঞ্চলৰ ভালেখিনি ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান পঢ়াৰ সুবিধা পালে। প্ৰথম দলৰ তিনি-চাৰিজনমান ছাত্ৰ ডাক্তৰী পঢ়িবলৈ যায় আৰু তেওঁলোকৰ ভিতৰত শ্ৰীঅতুল চন্দ্ৰ শৰ্মা, ভোগৰাম হাজৰিকা আৰু অলপতে মঃ আব্দুল মতিনে চিকিৎসা বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।

সেইদৰে এই কলেজৰ কেইবাজনো ছাত্ৰ কাৰিকৰী বিভাগত সুখ্যাতিৰে পাছ কৰি অভিযন্তা হৈছে। ইয়াৰে এগৰাকী যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ অধ্যক্ষ হৈ খ্যাতি লাভ কৰে। কিন্তু অকালতে তেওঁৰ মৃত্যু হয়, আৰু এগৰাকী ছাত্ৰ বৰ্তমান কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছে। আই. এ.ত বিশ্ববিদ্যালয়ৰ ভিতৰত ১৯৫৩ চনত প্ৰথম স্থান অধিকাৰ কৰা শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত বৰ্তমান অসমৰ কোনোবা এখন জিলাৰ উপায়ুক্ত হৈ আছে।

আই. এছ. ছি. ক্লাছ হ'ল যদিও অনেক ছাত্ৰ-ছাত্ৰীয়ে B. Sc. পঢ়িবলৈ সুবিধা নাপাই অনেক সময়ত পঢ়া বাদ দিবলৈ বাধ্য হৈছিল। কিন্তু কলেজত ঠাইৰ অভাৱ আৰু কলেজ কৰ্তৃপক্ষৰ ধনো অভাৱ। ইতিমধ্যে মতিৰাম বৰাদেৱ মন্ত্ৰী হৈ থাকোঁতেই বৰ্তমান বিজ্ঞানাগাৰ আৰু পুথিভঁড়াল থকা মাটিডোখৰ কলেজৰ কাৰণে ল'বলৈ বুদ্ধি কৰিলে। সেইখিনিতে আগৰ পুৰণি ডাক বঙলা আছিল। সেই ঘৰটো

নগাঁও চহৰৰ অতি প্ৰাচীন ঘৰ। যুদ্ধৰ কালত কলঙৰ পাৰত এটা দীঘলীয়া ঘৰ সজোৱা হৈছিল। সেই ঘৰ কোনো কামত নাহিছিল। মন্ত্ৰী বৰাদেৱে এই ডাকবঙলা সেই ঘৰলৈ স্থানান্তৰ কৰিলে আৰু এই ঠাইডোখৰ সেই সময়ৰ গড়কাপ্তানি মন্ত্ৰী গৰাকীয়ে কলেজৰ নামত লিখি দিয়ে। কিন্তু বহুদিনলৈ চৰকাৰী খাতা-পত্ৰত সেই কথা উঠা নাছিল।

ইতিমধ্যে ১৯৫৯ চনত B.Sc. শ্ৰেণী আৰম্ভ কৰা হয় আৰু অতি অদ্ভুত কথা যে I.Sc. ৰ লেবৰেটৰীতে B.Sc. ৰ ছাত্ৰয়ো কাম কৰিবলগীয়া হৈছিল। B.Sc. শ্ৰেণীৰ বাবে প্ৰবক্তাৰ বৰ অভাৱ হৈছিল। কিয়নো তেতিয়ালৈকে গুৱাহাটী বিশ্ববিদ্যালয়ে M. Sc. সৃষ্টি কৰিব পৰা নাছিল। কলিকতাৰ ফালৰ পৰা কেইগৰাকীমান অৱসৰপ্ৰাপ্ত অভিজ্ঞ লোকক অস্থায়ীভাৱে পদাৰ্থ বিদ্যা, ৰসায়ন বিদ্যা আদিৰ প্ৰবক্তা নিয়োগ কৰা হৈছিল। এইবিলাক অভাৱৰ কাৰণেই গুৱাহাটী বিশ্ববিদ্যালয়ে B.Sc. শ্ৰেণী কেৱল অস্থায়ীভাৱে অনুমোদন কৰিছিল। যেতিয়া বিশ্ববিদ্যালয় অনুদান আয়োগৰ টকা লৈ বৰ্তমানৰ পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ ঘৰ সম্পূৰ্ণ হয় তেতিয়াহে বিশ্ববিদ্যালয়ে বি. এছ. ছি. পাছ আৰু অনাৰ্চৰ বাবে স্থায়ী অনুমতি প্ৰদান কৰে। মই ব্যক্তিগত ভাবে কলা বিভাগৰ ছাত্ৰ হলেও নগাঁও কলেজত যাতে বিজ্ঞান বিষয়ত অগ্ৰাধিকাৰ দিয়া যায় তাৰ কাৰণে চেষ্টা কৰিছিলোঁ আৰু বিজ্ঞান বিষয়ত অনাৰ্চ খোলাত প্ৰথমবাৰতে এগৰাকী ছাত্ৰীয়ে পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ অনাৰ্চ পাইছিল। ছাত্ৰ আৰু শিক্ষক সকলোৰে ইয়াত উৎসাহ বাঢ়ি গ'ল আৰু লাহে লাহে বিজ্ঞানৰ নৈশ বিভাগ খুলিবলৈকো দাবী আহি পৰিল। ব'টানী বিভাগটো সৰু ঘৰ এটিত আছিল। সেইবুলি ব'টানীৰ অনাৰ্চ খোলা টান হৈছিল। মই অৱসৰ লোৱাৰ আগে আগে ব'টানীতো অনাৰ্চ খোলা হৈছিল।

কলা বিভাগৰ ৰাজনীতি বিজ্ঞান শাখাত অনাৰ্চ লোৱাৰ বাবে ল'ৰাৰ উৎসাহ বেছি দেখা গৈছিল। ৰাজনীতি বিষয়ত কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগতো অনাৰ্চ পাইছিল। কিন্তু ইতিহাস আৰু অৰ্থনীতিয়ে ছাত্ৰ-ছাত্ৰীক বেছি আকৰ্ষণ কৰিব পৰা নাছিল। অসমীয়াৰ প্ৰথম অনাৰ্চ পোৱা ছাত্ৰ ৰংবং তেৰাং। তেওঁ বৰ্তমান ডিফু কলেজৰ অসমীয়াৰ অধ্যাপক। অসমীয়াৰ অধ্যাপনাত মই নিজেও অংশগ্ৰহণ কৰিছিলোঁ। ইংৰাজী অনাৰ্চ ল'বলৈ ছাত্ৰই ভয় কৰিছিল। মই নিজেই কিছু অংশ পঢ়াবলৈ আগবঢ়াতো ছাত্ৰৰ ভয় নুগুছিল; বোধকৰোঁ সেই ভয় এতিয়াও আছে।

সংস্কৃত অনার্চ তেতিয়ালৈকে খোলা নাছিল। মই অৱসৰ লোৱাৰ আগে আগে অসম চৰকাৰে সংস্কৃতত অনার্চৰ বাবে এজন অধ্যাপক নিযুক্তি দিছিল। কিন্তু কি আচৰিত কথা মই অহাৰ পাচতেই সেই নিযুক্তি পোৱা মানুহজনক নিযুক্তি নিদিলে আৰু অনার্চ খোলা স্থগিত ৰাখিলে। কলেজৰ গৱৰ্ণিং বডিবিলাকৰ খাম-খেয়ালিৰ ই এটা অপূৰ্ব দৃষ্টান্ত। মই নগাঁও কলেজ এৰি অহাৰ প্ৰায় দুবছৰ মানলৈকে কোনো অধ্যক্ষক নিযুক্তি দিয়া নাছিল। সেইবাবে নানা বিশৃংখলাৰ সৃষ্টি হৈছিল। ইয়াৰ ভিতৰত নানা ৰাজনৈতিক চক্ৰান্ত নথকা নহয়।

অসম চৰকাৰে কলেজ লাইব্ৰেৰীৰ কাৰণে বছৰেকত মাত্ৰ ৫০০.০০ (পাঁচ শ) টকা দিছিল। এই ৫০০.০০ টকাৰে কেইখনমান মাত্ৰ কিতাপ কিনিব পাৰিছিল। কলেজৰ সঞ্চিত পুঁজিৰ পৰাও কিছু টকা লোৱা হৈছিল আৰু মই নিজেই দিল্লীৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰ চাপি বিশেষভাৱে কিছু টকা আনিছিলো। কলেজৰ পৰিদৰ্শকৰ মন্তব্যত নগাঁও কলেজৰ পুথিভঁড়াল অসমৰ বেচৰকাৰী মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ ভিতৰত আগশাৰীৰ বুলি কোৱাত অসম চৰকাৰৰ শিক্ষা বিভাগৰ সঞ্চালক ডঃ হিৰণ্য ভূঞা আৰু সুৰেশ ৰাজখোৱাই নগাঁও কলেজলৈ অলপ বেছিকৈ টকা দিছিল। মই কলেজ এৰাৰ সময়ত নগাঁও কলেজৰ পুথিভঁড়ালত প্ৰায় এক লাখ দহ হাজাৰ টকা মূল্যৰ কিতাপ আছিল আৰু এই কিতাপবিলাক বহু চাই-চিতি নিৰ্বাচন কৰা হৈছিল। বিজ্ঞানৰ লেবৰেটৰী বিলাক উঠি যোৱাত সেই ঘৰটোৰ এমূৰে ভূগোলৰ লেবৰেটৰী আৰু বাকী অংশত পুথিভঁড়াল পতা হ'ল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে কিছু ঠাই উলিয়াই দিয়া হৈছিল যাতে মাজে-সময়ে কিতাপ-পত্ৰ চাব পাৰে। কিন্তু ঠাই অতি সংকীৰ্ণ আছিল যে তাত সন্দেহ নাই। ইতিমধ্যে ব'টানী আৰু জুল'জিৰ ঘৰ সজাৰ কাৰণে বিশ্ববিদ্যালয় অনুদান আয়োগলৈ টকা আবেদন কৰাত তেওঁলোকে লাইব্ৰেৰীৰ ঘৰৰ কাৰণে টকা দিবলৈ ইচ্ছা নকৰিলে। গতিকে বিজ্ঞানক আগশাৰী দিয়াত পুথিভঁড়ালৰ ঘৰ সজাৰ কাম বহু দিনলৈ পিছুৱাই গ'ল।

গৱৰ্ণিং বডিৰ মেম্বাৰসকলে কেৱল অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ টকালৈ বাট চাই আছিল। তেওঁলোকে ইচ্ছা কৰা হ'লে নানা প্ৰকাৰে টকা সংগ্ৰহ কৰি লাইব্ৰেৰীৰ ঘৰ কেতিয়াবাই সম্পূৰ্ণ কৰিব পাৰিলেহেঁতেন। কিন্তু এই গৱৰ্ণিং বডিবিলাক প্ৰায়েই উদাসীন আৰু নিষ্ক্ৰীয় আছিল আৰু সৰহ ভাগেই

কলেজখনক তেওঁলোকৰ খেলা ঠাই বুলি ভাবিছিল। এটা সৰু কোঠালীত ছাত্ৰবিলাকৰ কমন ৰুম আছিল। সেইটো প্ৰকৃততে ছাত্ৰ অনুপাতে ঠেক আছিল। কিন্তু কলেজৰ গৱৰ্নিং বডিৰ পক্ষৰপৰা সেই সম্পৰ্কে কোনো চিন্তা কৰা হোৱা নাছিল আৰু ল'ৰাবিলাকেও মাজে মাজে এই দাবী তুলিছিল। কিন্তু মই থকা কালত সৌভাগ্যক্ৰমে ল'ৰাৰ কোনো ধৰ্মঘট হোৱা নাছিল।

কলেজৰ পৰীক্ষাৰ্থীবিলাকৰ পৰা চেন্টাৰ-ফি লোৱা হয়। সেই চেন্টাৰ-ফি অধ্যক্ষ আৰু কেইজনমান অধ্যাপকে পৰিচালনা কৰে। তাত গৱৰ্নিং বডিৰ কোনো হাত নাই। পৰীক্ষাৰ নিৰীক্ষকসকলক অলপ কমাই অৰিহণা দি আৰু আন প্ৰকাৰে খৰছ কমাই মিতব্যয়ীতা কৰা হেতুকে এই ফাণ্ডত প্ৰায় ৩০,০০০.০০ টকা জমা হৈছিল। এই কথা অধ্যাপক কেইজনৰ বাহিৰে আন কোনেও নাজানিছিল। মই ওলোৱাৰ আগে আগে এই টকাৰে ছাত্ৰ কমন ৰুমৰ এটা আঁচনি কৰোঁ আৰু সেই আঁচনিৰে ফল বৰ্তমানৰ কমন ৰুম। ইয়াত ৰাইজ, চৰকাৰ কাৰো দান নাই আৰু এটা কাম এই ফালৰ পৰা কৰা হৈছিল। বৰ্তমান বৰদলৈ হলৰ ষ্টেজটো এজন পাঞ্জাৱী ঠিকাদাৰে অতি সস্তাত কৰি দিলে। গৱৰ্নিং বডিৰ কেইজনমান মেম্বাৰে হুলস্থূল লগালে। অধ্যক্ষই এই টকা ক'ত পালে? আৰু আমাক নোসোধাকৈ কেনেকৈ খৰছ কৰিলে। তেওঁলোকে যেতিয়া গম পালে কলেজৰ পুঁজিৰ পৰা এটা পাইচাও খৰছ কৰা হোৱা নাই আৰু অতি সস্তাত কৰা হৈছিল তেতিয়া তেওঁলোক নিৰুত্তৰ হ'ল। সেই সময়ত অনেক ৰাজহুৱা সভাও এই হলতে হৈছিল। কেইবাজনো কেন্দ্ৰীয় নেতাই এই বৰদলৈ হলত উঠি বক্তৃতা দিছিল। মনত ৰাখিবলগীয়া যে ১৯৪৯ চনত বৰদলৈ হল নিৰ্মাণ কৰা হয়। বৰদলৈৰ মৃত্যুৰ বিছত তেওঁৰ স্মৃতিৰ সন্মানাৰ্থে এই হলৰ নাম লোকপ্ৰিয় বৰদলৈ হল দিয়া হয়। পাছলৈ ডাঙৰ ডাঙৰ শ্ৰেণীবিলাক এই হলতেই বহিছিল। অনাৰ্চ ক্লাছ খোলাৰ লগে লগে বৰদলৈ হলটো বঢ়াই তাত কেইবাটাও কোঠালী কৰা হ'ল যাতে সৰু অনাৰ্ছ ক্লাছবিলাক তাতে বহিব পাৰে আৰু আৱশ্যক মতে Tutorial Class ল'ব পাৰে। কিন্তু Tutorial Class ৰ প্ৰতি পাছলৈ শিক্ষক-ছাত্ৰ উভয়ৰে অলপ অমনোযোগীতা দেখা গৈছিল।

এইটো ঠিক কথা যে যথেষ্ট ঘৰ-দুৱাৰ এখন বিদ্যালয়ৰ কাৰণে অপৰিহাৰ্য। কিন্তু ছাত্ৰ-শিক্ষক সকলোৰে একাগ্ৰতা আৰু সূক্ষ্মবুদ্ধি অতিকে আৱশ্যকীয় বস্তু। ইংৰাজীতে কয় - A house does not make a home. কেৱল ঘৰ থাকিলেই

গৃহস্থী নহয়। সেই ঘৰৰ অধিবাসীসকলৰ অৰ্থাৎ পৰিয়ালটোৰ মানুহবিলাকৰ স্বভাৱ-চৰিত্ৰ, সহযোগিতা, সহানুভূতি আদিয়ে এখন প্ৰকৃত ঘৰৰ সৃষ্টিকৰে, শিক্ষানুষ্ঠানৰ কথাও ঠিক একেই। শিক্ষকসকলৰ শিক্ষাদানৰ প্ৰতি আগ্ৰহ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ প্ৰতি আকাংক্ষা এই দুয়োটা বস্তুৰ ওপৰতে এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ গুৰুত্ব নিৰ্ভৰ কৰে। মই এসময়ত এটা ধেমেলীয়া কবিতাত লিখিছিলো ঃ

‘মহা আৰু বিদ্যালয় এটাও নহয়
জ্ঞানী লোকে তাকে মহাবিদ্যালয় বুলি কয়’

আশাকৰোঁ মোৰ এই কথা ক্ৰমে অসত্য বুলি প্ৰমাণিত হ’ব।

নগাঁও মহাবিদ্যালয় স্থাপনত স্থানীয় অনেক লোকেই যথাসাধ্য আৰ্থিক সাহায্য দান কৰি আন প্ৰকাৰে ক্ৰমে সহানুভূতি দেখুৱাই আহিছে। কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব যে এই অনুষ্ঠানৰ আৰম্ভণি আৰু প্ৰসাৰণ কাৰ্যত নগাঁৱৰ বিশিষ্ট নেতা আৰু কংগ্ৰেছ কৰ্মী মতিৰাম বৰাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। আন আন ঠাইত গাঁৱে-ভূঁয়ে একোখন কলেজ হোৱাদি এসময়ত নগাঁৱতো এখন কলেজ হ’লহেতেন। কিন্তু বৰাদেউ নোহোৱা হ’লে নগাঁৱৰ ইমান কেন্দ্ৰস্থলত আৰু ইমান সোনকালে নগাঁও কলেজ অসমৰ ভিতৰতে এখন আগশাৰীৰ কলেজ হ’ব নোৱাৰিলেহেঁতেন। তেওঁ বিধায়ক হৈ থকা কালত, মন্ত্ৰী হৈ থকা অৱস্থাত আৰু ক্ষমতা হেৰুৱাৰ পাছতো কলেজৰ কাৰণে যিখিনি কৰি গ’ল সেইখিনি এই কলেজৰ বুৰঞ্জীত বিশেষভাৱে স্মৰণীয়। বৰ্তমান কালত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা টকা আনি কিছু ঘৰ-দুৱাৰ কৰা হৈছে। কিন্তু গোটেই কলেজৰ বাবে চৰকাৰী ভূমি আৰু ঘৰৰ অধিগ্ৰহণ তেওঁৰ কাৰণে সম্ভৱপৰ হৈছিল। তেওঁ মন্ত্ৰী থকা কালতেই বেচৰকাৰী কলেজৰ অধ্যাপকৰ দৰমহাৰ এটা নিয়মীয়া স্কেল আৰম্ভ কৰা হয়। তাৰ আগলৈকে অধ্যাপকৰ বেতনৰ কোনো নিৰ্দিষ্ট নিয়ম নাছিল। বৰ্তমান অধ্যক্ষৰ যিটো আবাস গৃহ সেইটো তেৱেঁই কৰাই দিছিল। মই জনাত অসমৰ কোনো বেচৰকাৰী কলেজৰ অধ্যক্ষক আৱাস গৃহ দিব পৰা নাই। অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰতো তেওঁ হস্তক্ষেপ কৰিবলৈ ভাল নাপাইছিল আৰু যাতে উপযুক্ত লোকে কলেজত নিযুক্তি পায় সেইটোকে ইচ্ছা কৰিছিল। এই বিষয়ত তেওঁ অধ্যক্ষৰ পৰামৰ্শৰ ওপৰত গুৰুত্ব দিছিল। এই কলেজখন তেওঁৰ জীৱনৰ এটা আন্তৰিক আদৰ্শৰ বস্তু আছিল। মতিৰাম

বৰাৰ পাছত কলেজক প্ৰকৃততে উন্নত কৰিব পৰা উদাৰ দৃষ্টিসম্পন্ন কোনো মানুহ নোহোৱা হ'ল।

আৰ্থিক অৱস্থা উন্নত নহ'লেও যিসকল অধ্যাপকে কলেজ প্ৰথমে আৰম্ভ কৰে সেইসকলে সদায় অতি নিষ্ঠাৰে কৰ্তব্য পালন কৰিছিল। পাছলৈ কিবা কাৰণত অধ্যাপকসকলৰ ভিতৰত এই আদৰ্শ অলপ তললৈ নমা যেন দেখা গৈছিল। ইয়াৰ নানা কাৰণ হ'ব পাৰে। যেনে ঃ আৰ্থিক অভাৱ-অভিযোগ, ছাত্ৰৰ সংখ্যাধিক্য ইত্যাদি। সেইবিলাক সমস্যা আজিও আছে। কলেজৰ প্ৰথম অৱস্থাত যোগ দিয়া অধ্যাপকসকলৰ ভিতৰত শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী কিছুদিন উপাধ্যক্ষ হিচাপে থাকি পাছত নগাঁও বালিকা মহাবিদ্যালয়ত অধ্যক্ষ নিযুক্ত হয়। আন এজন অধ্যাপক আব্দুল হাই আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ অধ্যক্ষ নিযুক্ত হয়। ফণীন্দ্ৰলাল দত্ত সংস্কৃত আৰু বঙলাৰ অধ্যাপক আছিল আৰু উপাধ্যক্ষ স্বৰূপেও কেইবাবছৰো তেখেত মোৰ সহকৰ্মী আছিল। তেখেতৰ নীৰৱ কৰ্তব্যনিষ্ঠা আজিকালিৰ দিনত দুৰ্লভ। তেখেতে পৰীক্ষা সংক্ৰান্ত সকলো কাৰ্য ইমান নিয়াৰিকৈ পৰিচালনা কৰিছিল যে মই সদায় নিশ্চিন্ত হ'ব পাৰিছিলোঁ। তেখেতক কলেজে সদায় এজন নিষ্ঠাবান শিক্ষকৰূপে স্মৰণ কৰি থাকিব।

পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক বিমল চন্দ্ৰা বৰা এজন কৃতী শিক্ষক আৰু কৰ্মী লোক আছিল। তেওঁ বৰ্তমানে স্থানীয় ছোৱালী কলেজৰ অধ্যক্ষ নিযুক্ত হৈছে। আন এজন বাণিজ্য আৰু ভূগোল বিভাগৰ অধ্যাপক পৰিশ্ৰমী ব্যক্তি অধ্যাপক কমল চন্দ্ৰ গোস্বামী নগাঁও কলেজৰ পৰা অৱসৰ লৈ বৰ্তমান নতুনকৈ স্থাপিত হোৱা বাণিজ্য মহাবিদ্যালয়ৰ গুৰি ধৰি আছে। অস্থায়ী অধ্যাপকসকলৰ ভিতৰত অধ্যাপক ধীৰেণ কুণ্ডু (ইংৰাজী) আৰু অধ্যাপক কৈলাশ চন্দ্ৰ চক্ৰৱৰ্তী (পদাৰ্থ বিজ্ঞান), এই দুজনেও কলেজৰ মান উন্নত কৰাত যথেষ্ট অৰিহণা যোগাইছিল। এইদৰে আন আন কেইবাগৰাকী অধ্যাপকৰ বিশেষ ব্যক্তিত্বৰ গুণতো কলেজে সকলোৰে প্ৰশংসা পাইছিল।

আজিকালি ছাত্ৰৰ সংখ্যা অনুপাতে শিক্ষকৰ সংখ্যা কম হোৱাত শিক্ষাদান কাৰ্য ব্যাহত হৈছে। এইটো চিন্তাৰ বিষয়। তদুপৰি শিক্ষকসকলে দিনত আৰু গধূলি দুয়োবেলা শিক্ষাদান কৰিবলগীয়া হোৱাত অলপ ক্লান্ত হোৱাটো স্বাভাৱিক। এই সম্বন্ধে চৰকাৰ আৰু ৰাইজ সকলোৰে গভীৰভাৱে চিন্তা কৰা উচিত। কিয়নো শিক্ষাদান

কার্যত গভীৰতা আৰু একান্তনিষ্ঠাৰ প্রয়োজন। যথেষ্ট সংখ্যক বক্তৃতা আৰু Tutorial নহ'লে এটা বিষয়ৰ প্রতি অন্যায় কৰা হয় আৰু ছাত্রসকলকো তেওঁলোকৰ প্রাপ্য শিক্ষাদান দিব পৰা নহয়। আজিকালি পৰীক্ষাবিলাকৰ শোচনীয় ফলাফলৰ ই এটা কাৰণ। সন্তোষজনক শিক্ষা আৰু পৰীক্ষা দুয়োটাই শিক্ষাৰ অঙ্গ। সন্তোষজনকভাৱে শিক্ষা দিব নোৱাৰিলে পৰীক্ষাত সন্তোষজনক ফলো আশা কৰিব নোৱাৰি। বর্তমান নগাঁও মহাবিদ্যালয়ত ছাত্র-ছাত্রীৰ সংখ্যা চাৰে তিনি হাজাৰৰো অধিক হোৱাত এটা ডাঙৰ সমস্যা হৈ পৰিছে। ছাত্র-ছাত্রীৰ সংখ্যাধিক্যই এখন মহাবিদ্যালয়ৰ উন্নতি নুবুজায়। ছাত্রৰ সংখ্যা অনুপাতে বক্তৃতা, Tutorial আৰু বিভিন্ন সাংস্কৃতিক বিষয়ৰ শিক্ষা দিব পাৰিলেহে ছাত্র-ছাত্রীয়ে প্রকৃত শিক্ষা লাভ কৰিব পাৰে। আমাৰ দেশত উচ্চ শিক্ষাৰ মানদণ্ড কমি গৈছে। এইটো দেশৰ কাৰণে শুভলক্ষণ নহয়। কিয়নো যিসকল ছাত্র-ছাত্রী মহাবিদ্যালয়ৰ শিক্ষা সাং কৰি ওলাই যাব, তেওঁলোক সমাজৰ বিভিন্ন বিষয়ৰ নায়ক স্বৰূপে আৰু তেওঁলোকৰ চৰিত্র আৰু শিক্ষাই গোটেই দেশৰে ভাগ্য নির্ণয় কৰে।

কলেজৰ উন্নতি-অৱনতিৰ লগত এই কলেজৰ গৱৰ্ণিং বডিৰ বিশেষ সম্বন্ধ থাকে। আমাৰ দেশত নতুনকৈ হোৱা কলেজবিলাকত গৱৰ্নিং বডিবিলাকৰ যথেষ্ট ত্যাগ আৰু উৎসাহৰ মাত্রা লাহে লাহে কমি যোৱা দেখা যায়। সাহায্যপ্রাপ্ত বেচৰকাৰী কলেজৰ নিয়ন্ত্রণৰ কাৰণে চৰকাৰে ৰচনা কৰা আইন অনুসৰি কলেজবিলাকৰ গৱৰ্নিং বডি গঠন কৰা হয়। এই আইন অনুসৰি কলেজত চৰকাৰৰ প্রভাৱ যথেষ্ট থকাৰ সুবিধা আছে আৰু চৰকাৰ মানেই ৰাজনৈতিক প্রভাৱ। দেখা যায় অনেক ৰাজনৈতিক ক্ষমতাপ্রিয় লোকে কলেজবিলাকক আশ্রয় কৰি তেওঁলোকৰ প্রভাৱ আৰু ক্ষমতা প্রদর্শন কৰিবলৈ চেষ্টা কৰে। ইয়াৰ ফলত কলেজৰ অধ্যাপক নিযুক্তি আৰু আন নানা কামত বিশৃঙ্খলা ঘটে ফলত সংঘর্ষ আৰু অসন্তুষ্টিৰ সৃষ্টি হয়। পৰীক্ষাগাৰত অসৎ উপাদয় অৱলম্বন কৰা ছাত্রৰ পক্ষত কোনো কোনো গৱৰ্নিং বডিৰ সদস্যই সমর্থন কৰি অধ্যক্ষ আৰু অধ্যাপকৰ বিৰুদ্ধাচৰণ কৰিব বিচাৰে। ওপৰ শ্রেণীলৈ প্রমোচন নোপোৱা আৰু বাছনি পৰীক্ষাত উত্তীর্ণ নোহোৱা ছাত্রৰ কাৰণেও গৱৰ্নিং বডিৰ কোনো কোনো সদস্যই নিজৰ প্রভাৱ খটুৱাব বিচাৰে। মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই এইবিলাক কথা জানো। অসমৰ এগৰাকী বিখ্যাত লোকক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য হ'বলৈ সহায় নকৰাৰ বাবে মই ব্যক্তিগত ভাৱে ভালেখিনি

বিঘিনিৰ সন্মুখীন হৈছিলোঁ। গতিকে গৱৰ্নিং বডিৰ সভ্যসকল উদাৰ আৰু উচ্চ মনৰ নহ’লে কলেজবিলাকত তাৰ অশুভ প্ৰভাৱ পৰে। এই গৱৰ্নিং বডিবিলাকলৈ যাতে সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ আৰু উপযুক্ত লোক আহিব পাৰে সেই কাৰণে চৰকাৰৰ ফালৰ পৰা তৎপৰতাৰ দৰকাৰ। এনে তৎপৰতা এতিয়াও অহা নাই যেন লাগে। এই গৱৰ্নিং বডিৰ সভ্যসকলে অকল চৰকাৰী সাহাযলৈ অপেক্ষা নকৰি, নানা প্ৰকাৰে কলেজলৈ আৰ্থিক সাহাৰ্য সংগ্ৰহ কৰিব পাৰে। কেৱল চৰকাৰৰ মুখাপেক্ষী হোৱাটোৱেই ঠিক নহয়। আমাৰ কলেজবিলাকৰ গৱৰ্নিং বডিৰ প্ৰায়বিলাকতে এনে আলসতা দেখা যায়। গৱৰ্নিং বডিবিলাকৰ উদ্দেশ্য মাজে মাজে গোটখাই কিছুমান আনুষ্ঠানিক সিদ্ধান্ত লোৱাটোৱে নহয়। এইবিলাকৰ সৰ্বাঙ্গীণ উন্নতি সাধনত সকলো প্ৰকাৰে সহায় কৰা। ঠেক মন আৰু বৃহৎ অনুষ্ঠান একেলগে টিকিব নোৱাৰে। ছাত্ৰ, শিক্ষক, সমাজ আৰু চৰকাৰ সকলোবোৰে সমানেই এখন অনুষ্ঠানৰ কাৰণে আশাশুধীয়া সহযোগ কৰিলেহে দেশত ডাঙৰ শিক্ষানুষ্ঠান স্থাপিত হ’ব। এখন মহাবিদ্যালয় মানেই এখন সৰু বিশ্ববিদ্যালয়। এখন বিশ্ববিদ্যালয়ৰ যি গুৰুত্ব এখন মহাবিদ্যালয়ৰো সেই গুৰুত্ব। এই আদৰ্শ আগত ৰাখিলেহে আমাৰ মহাবিদ্যালয়সমূহৰ আদৰ্শ উন্নত হ’ব।

(৩৫ সংখ্যক নগাঁও মহ্যাবিদ্যালয় আলোচনীত প্ৰকাশিত লেখাটি পুনৰ মুদ্ৰিত কৰা হৈছে -- সম্পাদক)

(সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাদেৱ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ)

# স্মৃতিৰ জলঙাৰে নগাঁও কলেজ ঃ ৰাতি নথকা দিনবোৰ

সাহিত্যাচাৰ্য মহিম বৰা

নগাঁৱত কলেজ পতাৰ যো-জা কৰিছে। বিখ্যাত উকীল স্বৰ্গীয় শ্ৰদ্ধেয় (সকল) মতিৰাম বৰা, বিখ্যাত ব্যৱসায়ী চন্দ্ৰকান্ত ফুকন, নগৰৰ অন্যান্য গণ্য-মান্য লোকসকলে জোৰ দিছে।

গোটেই নগাঁও জিলাৰ (তেতিয়াৰ নগাঁও) কেন্দ্ৰীয় উন্নত ঠাইবোৰত এটা উত্তেজনাৰ ঢৌ বাগৰি গ'ল।

কলিয়াবৰৰ হাটবৰ, টাউনৰপৰা ডেৰকুৰি মাইল দূৰত হ'লেও, সমগ্ৰ কলিয়াবৰ অঞ্চলতে সৰৱ আলোচনাৰ বিষয় হৈ পৰিল এই কাৰণেই যে ফুকন ডাঙৰীয়া কলিয়াবৰৰে কুঠৰী অঞ্চলৰ মৌজাদাৰ আৰু প্ৰতাপী লোক। তেখেতেই নগদ দহ হেজাৰ টকা প্ৰথম কিস্তিত আগবঢ়াইছে বুলি লোকে কোৱা-মেলা কৰিছে; আৰু কলিয়াবৰ হাইস্কুলৰ পৰা শিক্ষক, কিতাপ-কাগজ-কেৰাচিনৰ নাটনিৰ মাজতো কেইবাজনো ল'ৰাই এইবাৰ মেট্ৰিক পাছ কৰিছে (কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত)। গুৱাহাটী আৰু যোৰহাটত থকা দুখন কলেজলৈ ল'ৰা পঠাই পঢ়োৱাৰ সাহস প্ৰায় কোনো ঘৰৰেই নাই। এতিয়া যদি ঘৰতে এখন কলেজ হয়, আমাৰ ল'ৰাই পঢ়িবলৈ পাব।

অভিভাৱক আৰু স্থানীয় উৎসাহী লোকৰ তাড়নাত আমি দুজন আকৌ শিক্ষাৰ বন্দীশালত সোমাব লগা হ'ল ঃ সহপাঠী, বাল্যবন্ধু, চুবুৰীয়া, বন্ধুবৰ শ্ৰীযুত দেৱেন গগৈ (পিছৰ কালত মোৰ বিয়াৰ ঘটধৰা সখি) আৰু মই। দুয়ো বৰ কষ্টৰে

মেট্ৰিক পাছ কৰিছিলোঁ। উপাৰ্জনৰ বাট ধৰি ঘৰক সকাহ দিয়াৰ প্ৰয়োজন আছিল দুয়োৰে। কলিয়াবৰৰ আন কেইজন ছাত্ৰৰ ভিতৰত বন্ধুবৰ শ্ৰীযুত নৰেন হাজৰিকা, শ্ৰদ্ধেয় কমলাকান্ত গগৈ (বৰ্তমান স্বৰ্গীয়) দুয়ো ইতিমধ্যে নাম লগালেই বুলি শুনিলোঁ।

নামভৰ্তিৰ শেষৰ দিনা গগৈ আৰু মই বাছত গৈ নগাঁও চহৰত নামি ডচন স্কুল পালোঁগৈ, য'ত বৰ্তমান কলেজৰ ক্লাছ আৰম্ভ হ'ব আৰু অফিচৰ কামো যোৱা দুমাহ ধৰি চলিব লাগিছে। মোৰ পিন্ধনত এটা বগা লংপেণ্ট আৰু বগা শ্বাৰ্ট। স্কুলত চুৰিয়া পিন্ধিছিলোঁ, কিন্তু দুই কৰঙণত দুটা প্ৰকাণ্ড ঘামগাঁৰ এসপ্তাহতো নফটাত লংপেণ্ট পিন্ধি ভিতৰফালে কপাহৰ টোপোলা বান্ধি ফেৰেকা-ফেৰেককৈ খোজ দি অফিচ পালোঁগৈ।

যথেষ্ট ছাত্ৰ, অভিভাৱকৰে ডচন স্কুলৰ সন্মুখভাগ উদুলি-মুদুলি। অফিচৰ দুৱাৰমুখতে শুধ বগা খদ্দৰৰ ধুতি-পাঞ্জাবী পিন্ধা, মূৰত মুগাৰ পাগ মৰা, দীঘল ডাঢ়ি থকা, কোমল মুখৰ থাউকাল ভদ্ৰলোক এজনে আমাৰ উদ্দেশ্য জানি আগ্ৰহেৰে নি অফিচত সুমুৱাই দিলেগৈ। অফিচৰ চকীত বহি থকা গহীন, ব্যস্ত লোকজনক নমস্কাৰ দি ফৰ্ম খোজাত আমাক দুখন ফৰ্ম দিলে আৰু কি কি লিখিব লাগিব বুজাই দিলে। সেইমতে ফৰ্ম পূৰাই আৱশ্যকীয় টকা দি ৰচিদ লৈ ওলাই আহোঁতেই স্বৰ্গীয় গগৈদেৱৰ লগত দেখাদেখি।

"কিহে, মহিম, তোমালোকৰ এড্‌মিশ্যন হ'ল ? মই কালিয়ে ল'লোঁ, নৰেন হাজৰিকায়ো, আমাৰ আৰু কোন কোন আহে চাবলৈ আহিলোঁ। চন্দ্ৰ মহন্তয়ো লৈছে -- (বৰ্তমান স্বৰ্গীয়।)"

ফ'ৰ্থ চাবজেক্ট সম্পৰ্কীয় আলোচনা আৰু অন্যান্য দুটামান বিষয় সম্পৰ্কীয় আলোচনাৰ পিছত গগৈদেৱে আমাক ওচৰৰ হৰিকাইৰ চাহৰ দোকানলৈ লৈ গ'ল। খেৰ-চালিৰ একেখন মাত্ৰ চাহ দোকানত যথেষ্ট হেঁচা, এক অনাৰ এক চিংগল চাহ আৰু দুঅনাৰ চিৰাল-ফটাদি ৰস বৈ থকা গৰম গজা— যাক কোনোবা ৰসিকে 'ৰসো ৰৈচ' গজা নাম দিছিল। গগৈদেৱৰ কথাৰ পৰাই জানিলোঁ, যিজনে আমাক আদৰ কৰি অফিচ দেখুৱাই দিছিল, তেখেতেই হ'ল শ্ৰদ্ধেয় (স্বৰ্গীয়) মহেশ চন্দ্ৰ দেৱ গোস্বামী, ফিলচ'ফিৰ এম. এ., বৰ চোকা, ষ্ট্ৰিক্ট, কবিও। ভিতৰৰ অফিচত যিজনে আমাক এড্‌মিশ্যন দিছিল— তেখেতেই হেড এচিষ্টেণ্ট, শ্ৰীযুত গঙ্গা শইকীয়া।

সম্ভৱ দোকানৰ পৰা ওলাই আহোঁতে দেখিলোঁ, এড্‌মিশ্যন লৈ ওলাই আহোঁতে, কেইজনমান গহীন-গম্ভীৰ লোক কথা পাতি পাতি কলেজৰ পৰা ওলাই আহিছে। কমলা গগৈদেৱে আঁতৰৰ পৰাই আমাক চিনাকি কৰি দিলে, "সেইজনেই প্ৰিন্সিপাল শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা। ইংৰাজীত এম. এ., কবিও। 'শতপত্ৰ' সংকলন উলিয়াইছে যে!"

'শতপত্ৰ'খন হাইস্কুলতে পুথিভঁৰালৰ পৰা নি ওপৰে ওপৰে পঢ়িছিলোঁ। তেখেতৰ নামটো আপোন, কিন্তু কবি-সাহিত্যিকক এবাৰ চোৱাৰ হেঁপাহ, পাৰিলে এযাৰ কথা পতাৰ হেঁপাহ, আন সকলো পাঠকৰ দৰেই মোৰো তীব্ৰ আছিল। আঁতৰৰ পৰাই চাই প্ৰথম হেঁপাহটো পূৰালোঁ।

মিঠা বৰণীয়া, আচৰিত ব্যক্তিত্বসম্পন্ন, ওখ-পাখ মাজত যোৱা মানুহজনেই বিখ্যাত (স্বৰ্গীয়) মতিৰাম বৰা ডাঙৰীয়া। গগৈয়ে দেখুৱাই গ'ল। কিন্তু সেইসকলৰ মাজত পাৰাৰ দৰে জলমলাই থকা চেহেৰাৰে কুন্দত কটা গ্ৰীক দেৱতাৰ দৰে মুখৰ আৰু ঘন ক'লা কেঁকোৰা, চুটিকৈ কটা চুলিৰে সেইজন? সেইজনক নগাঁও, কলিয়াবৰৰো বহুতেই চিনি পায়, মোৰ বাহিৰে। মই দেখিবলৈ পোৱা নাছিলোঁ। সেইজনেই বিখ্যাত চন্দ্ৰ ফুকন।

ফুকন ডাঙৰীয়া ইতিমধ্যেই কলিয়াবৰত বহু প্ৰশংসিত লোক হৈ পৰিছিল। সহপাঠী শ্ৰীযুত সতীশ খাওন্দে মোক প্ৰায়েই তেখেতৰ বিষয়ে শ্ৰেণীত কৈছিল, কাৰণ তেখেত আমাৰ হেডমাষ্টৰ (স্বৰ্গীয়) পুষ্পকান্ত খাওন্দ ছাৰৰ ঘৰলৈ প্ৰায়ে আহে। বন্ধুৱে কথা পতা নাই, জানে। আমেৰিকান মিলিটাৰী জীপ কিনি নিজে চলাই ফুৰে, মিলিটাৰী অফিচাৰৰ লগত সমানে তাল ৰাখি ঘূৰে। (ঠিকা আদি সম্পৰ্কত) চাহাবৰ লগত চাহাবী উচ্চাৰণেৰে ইংৰাজী কয়।

মিলিটাৰীৰ মাৰত চেপেটা খাই থকা গাঁৱৰ মানুহ আমাৰ কাৰণে ফুকন আছিল তেজাল অসমীয়া ডেকা, 'হিৰো'।

প্ৰায় ১১৫-১২০ জন ছাত্ৰ-ছাত্ৰী হোৱাত উদ্যোক্তাসকল উৎফুল্লিত হ'ল। সাত-আঠ বছৰৰ আগতেই মেট্ৰিক পাছ কৰি চাকৰি কৰি থকা লোকো আমাৰ সহপাঠী হ'ল। ছাত্ৰীও হ'ল কেইবাগৰাকী। পিছলৈহে সকলোৰে নাম জানিব পাৰিছিলোঁ। সেইসকল হ'ল, শ্ৰীযুতা (সকল) দেৱবালা বৰুৱা, মহেশ্বৰী শইকীয়া, কণমাই শইকীয়া,

নমিতা দেৱী, লাৱণ্য দাস, ৰাহিদা ৰহমান, ৰাশ্চিমা ৰহমান (টু-মইনা), সত্যৱতী দাস আৰু বৰ্তমান স্বৰ্গীয়া সবিতা সৰকাৰ।

সেই সময়ত কোনো সাপ্তাহিক কাকতত নগাঁৱত কলেজ প্ৰতিষ্ঠাৰ বাতৰি ওলাইছিল, লগতে এই বাতৰিও সংযোজিত হৈছিল ঃ এগৰাকী মুছলমান ছাত্ৰীয়ে সংস্কৃত আৰু এজন হিন্দু ছাত্ৰই আৰবী ভাষা বিষয় হিচাপে লৈছে।

ছাত্ৰীগৰাকী ৰাশ্চিমা ৰহমান আৰু ছাত্ৰজন শ্ৰীযুত কমলেশ্বৰ বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ বৰ্তমান অৱসৰপ্ৰাপ্ত)।

মই প্ৰথমে এঘৰ আত্মীয়ৰ ঘৰত থাকি, ক্লাছলৈ অহা-যোৱা কৰিলোঁ। ওচৰত লগ নাছিল। আগৰ ঘামগাঁৰ ফাটিলেও নতুনকৈ আকৌ এটা উঠাত লংপেণ্টৰ ভিতৰত কপাহ সুমুৱাই ঢিলা বান্ধ এটা দি ফেৰেকা-ফেৰেককৈ এমাইল বাট কলেজলৈ যোৱা-অহা কৰা এই ছাত্ৰজনক সহপাঠীসকলে কৌতূহলেৰে লক্ষ্য কৰিলেও নতুন চিনাকি দুই-এজনৰ লগতহে হৈছিল।

কলিকতাৰপৰাও কেইবাজনো ডেকা অধ্যাপক আহিল আৰু নিয়মিত ক্লাছ আৰম্ভ হ'ল। নতুন অধ্যাপকসকল হ'ল— স্বৰ্গীয়, শ্ৰদ্ধেয় ফণীন্দ্ৰলাল দত্ত (সংস্কৃত), নিৰ্মলচন্দ্ৰ সমাদ্দাৰ (চিভিক্স-ইকনমিক্স), দেৱেন্দ্ৰনাথ বৰা (বুৰঞ্জী, উপাধ্যক্ষ), শ্ৰীযুত সমৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী (ইংৰাজী), শ্ৰীযুত দেৱেশ্বৰ পাঠক (গণিত)।

মোৰ ঘামগাঁৰটো ফুটিল। নতুন আৰু নুঠাত সকাহ পালোঁ। কিন্তু লগে লগে আৰম্ভ হ'ল ডেচেণ্ট্ৰি। ডিচেণ্ট্ৰিৰ ঔষধ খাই কিছু আৰাম পোৱাৰ লগে লগে আৰম্ভ হ'ল জণ্ডিছ। অগত্যা ঘৰলৈ গৈ, ওচৰৰ চৰকাৰী ডাক্তৰ শ্ৰদ্ধেয় শ্ৰীযুত গণেশ ফুকন দাদাৰ চিকিৎসা আৰু মাতৃৰ অপৰিসীম যত্নত সুস্থ হ'লোঁ। কলেজৰ গৰম বন্ধ হোৱাত ঘৰত আৰু নগাঁৱৰ হাতীচোঙত মোমাইদেউৰ পৰিয়ালৰ দায়িত্বত কিছুদিন থাকি স্বাস্থ্যৰ বিশেষ উন্নতি হোৱাৰ পিছত কলেজ হোষ্টেললৈ আহিলোঁ। গৰমৰ বন্ধৰ পিছৰ কথা। কলেজে ঘৰ এটা ভেৰোণত লৈ দূৰৰ ল'ৰা থাকিবলৈ কলেজৰ তত্ত্বাৱধানত 'মেছ' এটা খুলিছে। মই 'ছীট' এটা যোগাৰ কৰিব পৰাত হোষ্টেললৈ আহিলোঁ। প্ৰথম বৈঠকী কোঠাটো এৰিয়ে যিটো দীঘলীয়া কোঠা তাৰে খালী হৈ থকা খাট এখন অধিকাৰ কৰিলোঁ। বাকী দুখন খাটৰ এখনত বন্ধুবৰ শ্ৰীযুত পোৱাল বৰুৱা আৰু আনখনত বৰ্তমান স্বৰ্গীয় বন্ধু চন্দ্ৰ বৰা। দুয়োজন চতিয়াৰ (তেতিয়াৰ

দৰং জিলাৰ) দুয়ো ঘোৰ কমিউনিষ্ট সমৰ্থক, ছাত্ৰ-ফেডাৰেশ্যনৰ সদস্য। আমাৰ কাষৰ অকলশৰীয়া কোঠাটো আগতেই দখল কৰি লৈছিল শ্ৰীযুত কৃষ্ণ মহন্তদেৱে। বাকী ভিতৰলৈ দীঘলীয়াকৈ সজা ঘৰটোৰ কোঠাত ধিঙৰ শ্ৰীযুত (সকল) দেৱেন হাজৰিকা, কনকচন্দ্ৰ কলিতা, প্ৰবোধচন্দ্ৰ বৰা, দিগেন ভৰালী; পুৰণিগুদামৰ শ্ৰীযুত (সকল) নবীন ফুকন, জগত বৰুৱা, জগত শইকীয়া, চুম্বক বৰা (তিনিওজন কামপুৰৰ); দুৰ্গাধৰ নাথ, শশীকান্ত হাজৰিকা (ৰহা-বাৰপূজীয়া অঞ্চলৰ), বাকী শ্ৰীযুত বল্লভ মহন্ত, হৰিপ্ৰসাদ শৰ্মা (প্ৰথমজন হাতীচোং অঞ্চলৰ আৰু শৰ্মা শ্বিলঙৰ পৰা ট্ৰেন্সফাৰ লৈ অহা)।

আমি নাম দিলোঁ 'শেৱালী ল'জ'। নগৰৰ বিখ্যাত শঙ্কৰ মন্দিৰৰ উত্তৰফালে লোকেল ব'ৰ্ডৰ গিটি দিয়া আলিটো পাৰ হৈয়ে আহল-বহল চৌহদৰে, আলিৰ পৰা সামান্য দ ঠাইত থকা সেই ঘৰটো আজিও একেদৰেই আছে আৰু আমাৰ প্ৰথম কলেজীয়া জীৱনৰ স্মৃতিখিনি অদৃশ্য কুঁৱলীৰ দৰে এতিয়াও আৱৰি আছে। ধিঙৰ হাজৰিকা আৰু কলিতাই প্ৰস্তাৱ দিলে 'শেৱালী ল'জ' নামকৰণৰ। সকলোৱে সন্মতি জনালে। এই ঘৰ-মাটি বৰকাকতী পৰিয়ালৰ আছিল, পিছত বৰকাকতীৰ পিতৃয়ে বিক্ৰী কৰে বুলি হাজৰিকা আৰু কলিতাই জনালে। নামকৰণৰ পিছতে আবেলি আমাৰ কোঠাতে এখন অনানুষ্ঠানিকভাৱে সভা বহিল। হাজৰিকাই প্ৰস্তাৱ আগবঢ়ালে, হোষ্টেলৰ পৰা এখন হাতেলিখা আলোচনী উলিওৱাৰ। কলিতা আৰু দুজনমানে লগে লগে সমৰ্থন জনাই নামটো 'শেৱালী' হ'ব লাগে বুলি জোৰ দিলে। সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাৰ পিছত, হঠাৎ কলিতাই মোৰ নামটো প্ৰস্তাৱ কৰিলে সম্পাদকৰ দায়িত্বৰ কাৰণে। লগে লগে এজনৰ সমৰ্থন আৰু হাতচাপৰিৰে গৃহীত হোৱাৰ পিছতহে মই থৰক-বৰককৈ থিয় হৈ ক'লোঁ— 'এজন যুটীয়া সম্পাদক নিদিলে মই চলাব নোৱাৰোঁ। ভাল আখৰৰ এজন সম্পাদক দিয়ক, মোৰ আখৰ বেয়া। লগে লগে মোক এই প্ৰতিশ্ৰুতি দিয়ক যে প্ৰত্যেকে প্ৰবন্ধ-কবিতা-গল্প যি পাৰে প্ৰতি সংখ্যাতে নিজে লিখি, নোৱাৰিলে আন ছাত্ৰৰ পৰা হ'লেও যোগাৰ কৰি দিব।'

শ্ৰীযুত দেৱেন হাজৰিকাক যুটীয়া সম্পাদক দি (আখৰো ভাল) তিনিমহীয়া কৰাৰ প্ৰস্তাৱেৰে প্ৰথম বহীখন (সম্ভৱ আঠ অনা দাম) দান দিবলৈ শ্ৰীযুত কৃষ্ণ মহন্ত

আগবাঢ়িল।

'শেৱালী'ত ' ি' কাৰ হ'বনে 'ী' কাৰ হ'ব, পিছত আমাৰ দুজনৰ সেয়ে আলোচনা হ'ল। হাজৰিকা আৰু কলিতাই স্বয়ং কবিজনাকে লগ ধৰি সিদ্ধান্ত ল'ব বুলি কোৱাত মই ক'লোঁ যে তেখেতক লগ ধৰিবলৈ গ'লে মোকো যেন লগত লয়। মোৰ বৰ হেঁপাহ কবিজনক এবাৰ লগ ধৰাৰ বা ওচৰৰ পৰা চোৱাৰ।

পিছদিনাই আবেলি কবি আমাৰ হোষ্টেলৰ আগেদি যোৱা প্ৰথম দেখিলে ফুকনে। হাজৰিকা আৰু কলিতাক লৈ প্ৰায় লৰ দি আলিবাট পাই কবিক লগ ধৰি আনন্দেৰে আমাৰ সিদ্ধান্ত আৰু 'ই', 'ঈ' কাৰৰ সমস্যাৰ কথা কৈ শেষত 'শেৱালী' জোঁটনিকে গ্ৰহণ কৰিলে। মই সেই সময়ত হোষ্টেলত নথকাত মোৰ চাৰি আঙুলীয়া কপালৰ ওপৰতে দোষ জাপি বাহিৰত হাঁহি-মাতিয়ে থাকিলোঁ। এতিয়া কাম। প্ৰথম সংখ্যা উলিয়াবই লাগিব সোনকালে। কিন্তু লিখা বিচাৰৰ লগে লগে বন্ধুসকল প্ৰায় গা-এৰাদি ফুৰিব খোজা হ'ল। হাজৰিকা আৰু মোৰ টোপনি নোহোৱাৰ দৰে, সন্মানৰ প্ৰশ্নও, আমাৰেই নহয়, হোষ্টেলৰো। সকলোৰে হেনো লিখিবলৈ চেষ্টা কৰে কিন্তু প্ৰথম আখৰটোকে ওলাই নাহে। কলিতাই এটা প্ৰবন্ধ নিজে, এটা কাৰোবাৰ পৰা যোগাৰ কৰি দিলে। হাজৰিকায়ো কিবা এটা যোগাৰ কৰিলে আৰু সম্ভৱ নিজেও লিখিলে, মই এটা ছন্দ মিলা দীঘলীয়া কবিতা ছদ্মনামত লিখিলোঁ আৰু 'বেক্-বেঞ্চাৰ' এই ছদ্মনামত এটা ধেমেলীয়া গল্প বা ৰচনাৰ দৰে বস্তু তৈয়াৰ কৰিলোঁ। আনন্দি শৰ্মাই সচিত্ৰ কৰিলে আৰু বোধকৰোঁ নিজেও কিবা এটা মোৰ কোকালনিত দিলে।

অৱশেষত 'শেৱালী' হাজৰিকাৰ 'ছপাখানা'ৰ পৰা 'লিখিত' হৈ ওলাল। পকা বন্ধা, সুদৃশ্য ৰঙীণ বেটুপাত। সিদ্ধান্ত হ'ল কলেজত গোস্বামী ছাৰৰ হতুৱাই উন্মোচন কৰাৰ। লগতে হোষ্টেলৰ বন্ধুসকলক অনুৰোধ জনোৱা হ'ল, কোনেও যেন আলোচনীৰ গোপনীয়তা ভঙ্গ নকৰে। ছদ্মনাম, বিশেষকৈ 'বেক্-বেঞ্চাৰ'ৰ গোপনীয়তা প্ৰাণৰ বিনিময়তো অৰ্থাৎ চাহ-গজাৰ বিনিময়তো ভঙ্গ নকৰে। প্ৰত্যেকে কথা দিলে আৰু সেই কথা পিছৰ জীৱনতো ৰাখিলে।

যথা সময়ত লজিকৰ ক্লাছত সম্পূৰ্ণ তিনি মিনিট সময় খৰচ কৰি গোস্বামী ছাৰে, 'ৰোল-কল'ৰ পিছতে 'শেৱালী'ৰ শুভ উন্মোচন কাৰ্য সম্পন্ন কৰিলে। তেখেতক

আগতীয়াকৈ চকু ফুৰাবলৈ দিয়া হৈছিল। বিশেষকৈ ‘বেক্-বেঞ্চাৰ’ৰ ‘এঘণ্টা’ নামৰ গল্প বা ৰচনাখনৰ ভূৰি ভূৰি প্ৰশংসা কৰাৰ লগে লগে হোষ্টেলবাসী প্ৰত্যেকৰে চকুবোৰ বেটেৰী কমি যোৱা টৰ্চৰ দৰে জ্বলিবলৈ ধৰিলে। মোৰ ভাব হৈছিল মোৰ হাত দুখন দেউকা দুখনলৈ ৰূপান্তৰিত হ’ব খুজিছে। কঠোৰ শক্তি প্ৰয়োগ কৰি সেই ৰূপান্তৰ বন্ধ কৰিলোঁ আৰু মুখমণ্ডল যথাসম্ভৱ অভিব্যক্তিহীন কৰি ৰাখিলোঁ।

চাৰিওফালে ৰাজনৈতিক অস্থিৰতা। যুদ্ধ শেষ হোৱাত ১৪৪ ধাৰা উঠাই লোৱাত আৰু ৰাজনৈতিক বন্দীসকলকো প্ৰায়ে মুকলি কৰি দিয়াত, নেহৰু আদি সক্ৰিয় নেতাসকলে মুকলি হৈয়ে অগ্নিবৰ্ষী ভাষণ দিবলৈ ধৰাত দেশৰ প্ৰাণশক্তি সক্ৰিয়, সজাগ হৈ পৰিল। ছাত্ৰ-কংগ্ৰেছৰ পতাকাৰ তলত আকৌ ছাত্ৰশক্তি একত্ৰিত হ’ল। নগাঁৱত প্ৰায়ে সমদল, সভা-সমিতি হ’বলৈ ধৰিলে। প্ৰতিদ্বন্দ্বী ছাত্ৰ ফেডাৰেশ্যনো বহি নাথাকিল। তাতোকৈ গুৰুত্বপূৰ্ণ ঘটনা মুছলিম লীগৰ জাগৰণ, ৰাজনৈতিক শক্তি স্বৰূপে। জাতীয়তাবাদী মুছলিম সংগঠন ‘জমিয়ৎ উলেমা ই হিন্দ’ক নিষ্প্ৰভ কৰি ল’ৰা-ডেকা-বুঢ়া সকলোৰে লীগ পন্থাৰ শক্তি বঢ়াই তুলিলে। ‘নায়াৰে আদিৰ’, ‘লড়কে লেংগে পাকিস্তান’ আদি ধ্বনিৰে বিৰাট সমদল বাহিৰ হ’ল নগাঁৱত। আনহাতে জমিয়ৎ পন্থীসকলে লগে লগে পিছদিনাই বাহিৰ কৰিব এটা সমদল, অখণ্ড ভাৰত আৰু জাতীয় ঐক্যৰ ধ্বনি দি। তেওঁলোকৰ সংখ্যা কম, সমদলৰ চিঞৰো ক্ষীণ। অসমত, অসমীয়া মুছলমানৰ সৰহ সংখ্যকৰ মাজতো ধৰ্মীয় বিভেদৰ ভাব ইমান যে গভীৰ হৈ পৰিছিল, ইয়াৰ আগতে কলিয়াবৰৰ বা-বতাহত ডাঙৰ হোৱাত মই ধাৰণাই কৰিব পৰা নাছিলোঁ। মহম্মদ তৈয়বুল্লা চাহাবকো এই সকলে ভাল নাপাইছিল আৰু জাতীয়তাবাদীসকল সামাজিকভাৱেও অৱহেলিত হৈছিল বুলি মোক দুই-এজন মুছলমান বন্ধুৱে সেই সময়ত কৈছিল। সেই সময়ত জাতীয়তাবাদী দলৰ নেতা আছিল দুই ভাতৃ মৰহুম তফজ্জল হুছেইন আৰু তজমল হুছেইন।

(১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাই এই লীগ পন্থীসকল ৰাতিৰ ভিতৰতে খদ্দৰিষ্ট হৈ কংগ্ৰেছী হ’ল, নেতা হ’ল আৰু সেই দেশপ্ৰেমিক জাতীয়তাবাদী নেতাসকল পটভূমিত অদৃশ্য হৈ পৰিল।)

জন-যুদ্ধৱালা কমিউনিষ্ট দলে বিয়াল্লিছৰ আন্দোলনত আমাক

বিশ্বাসঘাতকতা কৰিছিল। সেই দলৰে নেগুৰ ছাত্ৰ ফেডাৰেশ্যনে, 'ৰাইট অব চেল্ফ ডিটাৰমিনেশ্যন' জাতীয় শ্লোক কিছুমান আওৰাই লীগপন্থীসকলৰ বুকুত সোমাবলৈ চেষ্টা কৰিছিল ভাৰততে। ৰাইজে কমিউনিষ্টক যিমান ঘিণ কৰিছিল, ময়ো কিজানি তাতকৈ এক আঙুল বেছিহে ঘিণ কৰিছিলোঁ। স্বাভাৱিকতে আমাৰ হোষ্টেল, বিশেষকৈ মোৰ কোঠাটো, ৰাজনৈতিক বাক-বিতণ্ডাৰ কেন্দ্ৰ হৈ পৰিল। ফেডাৰেশ্যনৰ ছাত্ৰৰ লগত তৰ্ক কৰিবলৈ গ'লে বহুত বিষয়ৰ জ্ঞান বিশেষকৈ মাৰ্ক্সবাদ সম্পৰ্কে কিছু বহল জ্ঞানৰ আৱশ্যক। তেওঁলোকক তৰ্কত, যুক্তিত পৰাস্ত কৰা টান। মোৰ সেই বিষয়ক জ্ঞানৰ ভঁৰাল, ভঁৰাল কিয়, ডুলিটোও শূন্য। তথাপি উপৰুৱা জ্ঞানেৰেই, কৌশলেৰে নিজক জনাটো দেখুৱাই তেওঁলোকৰ যুক্তিৰেই তেওঁলোকক প্ৰতি-আক্ৰমণ কৰোঁ। জগত শইকীয়াই প্ৰায়ে মোক সমৰ্থন দি যুক্তি আগবঢ়ায় আৰু আমি জিকি যাওঁ (বুলি মোৰ ধাৰণা)। বাকীসকল শ্ৰোতা, নিৰপেক্ষ। ৰাতি বাৰ বজালৈকে তৰ্কাতৰ্কি, চিঞৰ-ধমকি ইমান তুঙ্গত উঠেগৈ যে কেতিয়াবা মোৰ লগত প্ৰায় হতাহতিৰ উপক্ৰম।

ইয়াৰ মাজতে হঠাৎ এদিন গোস্বামী ছাৰ আৰু প্ৰিন্সিপাল ছাৰ আবেলি হোষ্টেল ওলালহি। গোস্বামী ছাৰ সম্ভৱ ভাইচ্ প্ৰিন্সিপাল হৈছে (স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰা ছাৰে আই. পি. এছ. পাইছিল) আৰু হোষ্টেলৰ চুপাৰিণ্টেণ্ডেণ্ট হোৱাত আমি সেইদিনা সন্তুষ্ট হৈ পৰিলোঁ। পিছফালৰ মুকলি বননিৰ ওপৰত লৰালৰিকৈ দুখন চকী পাৰি দিয়া হ'ল। দুয়োগৰাকীয়ে প্ৰায় প্ৰত্যেকৰে পঢ়াৰ মেজ, বিছনা আদিত চকু ফুৰাই গৈ চকীত বহিল। মেঘৰ গম্ভীৰ ধ্বনিৰে গোস্বামী ছাৰেই আৰম্ভ কৰিলে— "হোষ্টেলত ৰাতি বাৰ বজালৈকে গণ্ডগোল হোৱাত আন লোকৰ শান্তি ভঙ্গ হৈছে। আমি অভিযোগ পাইছোঁ। আজিৰে পৰা হোষ্টেলত পলিটিক্স চৰ্চা বন্ধ; আৰু অভিযোগ পালে 'এক্সপেল' কৰা হ'ব, লগে লগে কলেজৰ পৰাও।"

পিছদিনাই পোৱাল বৰুৱাদেৱে ৰুম সলালে, স্বৰ্গীয় আনন্দি শৰ্মা আহিল।

(বেক্-বেঞ্চাৰৰ দ্বিতীয় এটা ব্যঙ্গ গল্পত আওপকীয়াকৈ কমিউনিষ্টক বিদ্ৰূপ কৰিছিলোঁ। ব্যক্তিগতভাৱে আমি অতি ঘনিষ্ঠ বন্ধু হোৱাৰ উপৰি বৰুৱাৰ লগত মোৰ মাহী এগৰাকীৰ ছোৱালীৰ বিয়া হোৱাত পিছৰ জীৱনত আত্মীয়তা গাঢ় হৈ পৰিল।)

সেই সময়ত কলিকতাৰ পৰা 'বাঁহী'খন স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ সম্পাদনাত সাপ্তাহিক হৈ ওলাইছিল। ছাত্ৰ-ফেডাৰেশ্যন তথা কমিউনিষ্টক কঠোৰ ভাষাৰে সমালোচনা কৰি প্ৰকাশৰ কাৰণে এখন চিঠি ডাকত দিলোঁ। আচৰিত, চিঠিখন প্ৰায় হুবহু ছপাই দিলে সম্পাদকে পিছৰ সপ্তাহতে। ছাত্ৰ-কংগ্ৰেছৰ মুখত 'জয় জয়' ধ্বনি, ফেডাৰেশ্যনৰ ল'ৰাৰ মুখ গোমা।

কেইদিনমানৰ পিছত ছাত্ৰ-ফেডাৰেশ্যনৰ নেতা দুজনমান গুৱাহাটীৰ পৰা নগাঁও পাই আমাৰ নেতাৰ সৈতে লগ লাগি মোৰ ওচৰ পালেহি। তেওঁলোকৰ দাবী, মই চিঠিখন উঠাই ল'ব লাগে। শ্ৰীযুত তিলক হাজৰিকা দাদা আৰু তেখেতৰ লগৰ দুজনমান ছাত্ৰ-নেতাক মই কথাটো জনোৱাত সকলো জাঙুৰ খাই উঠিল। কেতিয়াও নহ'ব, নেভাৰ! মই সেইমতে পিছদিনা তেখেতসকলক জনাই দিলোঁ ঃ চিঠি উঠাই লোৱা নহ'ব, তেখেতসকলৰ ফালৰ পৰা প্ৰতিবাদ কৰক। যদি স্মৃতিয়ে উজুটি খোৱা নাই, তেনেহ'লে দলটোত আছিল সেই সময়ৰ বিখ্যাত নেতা, কটনৰ ছাত্ৰ শ্ৰীযুত সুচেন ভূঞা, শ্ৰীযুত ফণী বৰা আৰু এজন নেতৃস্থানীয় লোক, তেতিয়া চিলেটৰ শ্ৰীযুত গাংগুলি।

বোধকৰোঁ এসপ্তাহ বা দুসপ্তাহ পিছতে প্ৰতিবাদ ওলাল। গুৱাহাটীৰ শ্ৰীযুত যতীন হাজৰিকা নামৰ স্কুলীয়া ছাত্ৰ এজনে মোৰ চিঠিৰ যুক্তি প্ৰায়ে খণ্ডন কৰি, মোৰ চিঠিত যে যুক্তিতকৈ আৱেগৰহে প্ৰাধান্য এনে মন্তব্যৰে ফেডাৰেশ্যনৰ আদৰ্শক ওপৰলৈ তুলি ধৰিলে।

এইবাৰ কৌৰৱ পক্ষৰ জয়-জয়কাৰ। আমাৰ আন্ধাৰ। হাজৰিকা দাদা আৰু সম্ভৱ শ্ৰদ্ধেয় চিকন কাকতি নামৰ আন এজন ছাত্ৰনেতা গোট খালেহি আৰু মোক কঠোৰতম ভাষাৰে প্ৰতিবাদ পঠাবলৈ ক'লে। সেইমতে মই কমিউনিষ্ট আৰু ছাত্ৰ-ফেডাৰেশ্যনক থুকুচি দীঘলীয়া চিঠি পঠাই দিলোঁ।

'বাঁহী'ৰ পিছৰ সংখ্যাত মোৰ চিঠি নোলাল। সম্পাদকে পিছৰ এটা সংখ্যাত সম্পাদকীয় ভাগটোত লিখিলে যে ছাত্ৰৰ মাজত বিভেদ সৃষ্টি কৰাটো 'বাঁহী'ৰ কাম্য নহয়। গতিকে এই সম্পৰ্কীয় বাদানুবাদ প্ৰকাশ কৰা নহ'ব।

শ্ৰীযুত যতীন হাজৰিকাৰ ঘৰ চতিয়াত, গতিকে বৰুৱা-বৰা দুইজনাৰ উলাহত গা সাতখন হৈ পৰিল।

শ্ৰীযুত হাজৰিকাৰ লগত মোৰ আজিও দেখা সাক্ষাৎ হোৱা নাই যদিও, পিছত জানিব পাৰিলোঁ তেখেতৰ আচল ঘৰ আমাৰ ঘৰৰ ওচৰতে দয়াল গাঁৱত। তেখেত বৰ্তমান অসম চৰকাৰৰ মুখ্য উপদেষ্টা।

নেহৰুজী অসমলৈ আহিছে। নগাঁৱলৈ আহিব। চহৰত কৰ্মব্যস্ততা, উত্তেজনা। ছাত্ৰ-কংগ্ৰেছৰ ছাত্ৰৰ মাজত উত্তেজনা আৰু বেছি। আমোলাপট্টি নাট্য মন্দিৰৰ সন্মুখত বিশাল ৰভাৰ কাম আৰম্ভ হ'ল। তাতে ৰাজহুৱা মিটিং হ'ব। ৰভাখনৰ তদাৰকীৰ ভাৰ পৰিল আমাৰ ওপৰত। শ্ৰদ্ধেয় স্বৰ্গীয় হলধৰ ভূঞা ছাৰে আমাৰ নেতাসকলৰ লগত আলোচনা কৰি সেই ব্যৱস্থা কৰে বুলি পিছত জানিব পাৰিলোঁ। গুৱাহাটীৰ পৰা আহিলে আকৌ দুজনমান ছাত্ৰ-ফেডাৰেশ্যনৰ নেতা, (সম্ভৱ শ্ৰীযুত সুচেন ভূঞা ডাঙৰীয়াও—তেখেতৰ ঘৰ নগাঁৱৰ কামপুৰত)। স্থানীয় নেতাৰ লগ হৈ ভূঞা ছাৰৰ পৰা আদায় কৰিলে ৰভা সজাৰ (এটা অংশ) দায়িত্ব। শুনিয়ে আমি কেইজনমান ছাত্ৰ উগ্ৰমূৰ্তি ধৰি ভূঞা ছাৰৰ ঘৰ পালোঁগৈ। বহুত ঠাইৰ নেতৃস্থানীয় লোকেৰে ছাৰৰ চোতাল-ঘৰ ভৰপূৰ। দীঘল চুলি, হাঁহি থকা প্ৰসন্ন মুখেৰে, তামোল বা শিলিখা বা আমলখি চোবাই কথা পাতি থকা ছাৰক কোনো পাতনি নতৰাকৈয়ে আমাৰ অভিযোগ দাঙি ধৰিলোঁ। তামোল চোবাই হাঁহি মুখেৰেই ছাৰে ক'লে— 'আহক দিয়া, উপযাচি আহিছে তেওঁলোকো আমাৰ ল'ৰা।'

'গণ্ডগোল হ'ব ছাৰ, পিছত আমাক দোষ নিদিব।' আমি কোঁ-কোঁৱাই ওলাই আহিলোঁ। ভূঞা ছাৰৰ লগত যুক্তিত তিষ্ঠা টান। মাহিমুহাকৈ কথা ক'ব, একেবাৰে নিৰুত্তাপ সুৰত, কিন্তু প্ৰতিপক্ষ নিৰ্বাক হৈ পৰিব। বিয়াল্লিছৰ আগে আগে গাঁৱৰ এখন বিৰাট ৰাজহুৱা সভাত ছাৰে হেনো বক্তৃতাত কৈছিল, আমাৰ গান্ধীজী স্বয়ং ঈশ্বৰৰ অৱতাৰ। তেখেতে আমাক এইবাৰ স্বাধীন কৰিবই। আপোনালোকে দেহে-কেহে তেখেতক সহায় কৰক।' সভাৰ এজন শ্ৰোতা থিয় হৈ ক'লে— 'ভূঞাদেৰ, গান্ধীজী যদি ঈশ্বৰেই তেন্তে তেখেতে অকলেই দেশ স্বাধীন কৰিব পাৰিব। আমাৰ সহায়নো কেলৈ?'

ছাৰে অকণো নোৰোৱাকৈ সুধিলে, 'প্ৰভু ৰামচন্দ্ৰ জানো ঈশ্বৰ নহয়?'

'হয়, প্ৰভু স্বয়ং ঈশ্বৰ।'

'তেনেহ'লে প্ৰভুৱে অকলেই ৰাৱণক বধ কৰি সীতা উদ্ধাৰ কৰিব

পাৰিলেহেঁতেন দেখোন। ভালুক-বানৰ-সুগ্ৰীৱৰ সহায় কিয় ল'লে?'

প্ৰশ্নকৰ্তা বহি গ'ল। ৰাইজে জয়ধ্বনি দিলে। "ভাৰত মাতা কী জয়! মহাত্মা গান্ধীজী কী জয়। কৰেঙ্গে য়া মৰেঙ্গে।"

এয়া অৱশ্যে এজন প্ৰত্যক্ষদৰ্শীৰ মুখত শুনা। কথাখিনি হুবহু নহ'বও পাৰে।

যি কি নহওক, উদাৰ হৃদয়ৰ ভূঞা ছাৰৰ পৰা ৰভাৰ বাহিৰৰ কিবা এটা কামৰ দায়িত্ব আদায় কৰিহে তেওঁলোক উপশান্ত হ'ল।

সেইবাৰেই পণ্ডিতজীক প্ৰথম দেখিলোঁ ওচৰৰ পৰা, সন্ধিয়া পেট্ৰমাক্সৰ পোহৰত তেখেতৰ মুখমণ্ডল, আৰু বিভিন্ন 'মুদ্ৰা' দিয়া দীঘল, গাজীসেৰীয়া আঙুলিকেইটালৈ ৰ লাগি চাই ৰ'লোঁ। আচৰিত কথা। বন্ধু জগত শইকীয়া আৰু মোৰ মনলৈ একেটা চিন্তাই আহিছিল সেই সময়খিনিত, যদি কোনো গুপ্তশত্ৰুৱে এনে মুকলি সভাত পণ্ডিতজীৰ কিবা অনিষ্ট কৰে! পণ্ডিতজী আমাৰ হৃদয়ৰ মানুহ হৈ পৰিছিল।

ফৌজদাৰীপট্টিৰ সহপাঠী শ্ৰীযুত কমলেশ্বৰ বৰাই নিয়মিত শৰীৰ চৰ্চা কৰিছিল। বাৰ্বেল, ডায়েল, ৱেইট লিফ্‌টিং। এদিন হোষ্টেললৈ আহি প্ৰস্তাৱ দিলেহি, যদি কোনোবাই দেহ-চৰ্চা কৰিব খোজে, তেখেতে আনন্দেৰে সহায় কৰিব। আমি চাৰিজনমানে আগ্ৰহ প্ৰকাশ কৰাত, তেখেতে ৰিক্সাত সঁজুলিবোৰ আনি ব্যৱহাৰৰ নিয়ম শিকাই দিলে। বুট তিয়াই খাবলৈ, পাৰিলে এপোৱা গাখীৰো, চিগাৰেট কিন্তু মাৰাত্মক। একোডাল লেংটি চিলাই লোৱাৰো ব্যৱস্থা দিলে। সেইমতে এসপ্তাহমান ব্যায়াম কৰাৰ পিছত লগৰীকেইজনে নিয়ম পালন কৰিব নোৱাৰি এৰি দিলে। মই কঠোৰ নিয়ম ৰক্ষা কৰি অকলেই চৰ্চা অব্যাহত ৰাখিলোঁ। দৈহিক উন্নতিৰ লগতে পঢ়া-শুনাতো চেলেং-পেটেং ভাববোৰ বহুখিনি সংযত হোৱা যেন অনুভৱ হ'ল। নাদৰ ভেকুলীটোৱে ষাঁড় গৰুটোৰ সমান দেহ বঢ়াবলৈ গৈ 'ধূপ' কৰিছিল, মোৰ ডিঙিটোৱেহে 'সিৰিক' কৰিলে। গুৰুক নোসোধাকৈ ভাৰ উত্তোলনৰ ওজনৰ চকা দুদিনে-তিনিদিনে বঢ়াই যোৱাৰ ফলত এই অৱস্থা। শয্যাগত হোৱাৰ পিছত চৰ্চা এৰি দিলোঁ। মুক্ত হস্তৰ মাটিৰ ব্যায়ামেই প্ৰশস্ত।

ধিঙৰ হাজৰিকা নে কলিতাই বা দুইজনেই এদিন মোক সুধিলে বৰকাকতী ছাৰৰ ল'ৰা-ছোৱালী দুটা এঘণ্টাকৈ পঢ়াবলৈ মই ইচ্ছুকনে? ছোৱালীজনী 'ক' শ্ৰেণীৰ,

ল'ৰাটো বোধকৰোঁ প্ৰথম শ্ৰেণীৰ। মাহে ১৫ টকা দিব। মই তৎক্ষণাত সন্মতি দিলোঁ। দেউতাই যুদ্ধৰ সময়ত চাহ বাগিচাত চাকৰি পাইছিল, বহু বছৰৰ বিৰতিৰ পিছত। তেতিয়াৰ হোষ্টেলৰ খৰচ দিব পাৰিছিল যদিও পৰিয়ালক সকাহ দিয়াও মোৰ কৰ্তব্য। কিন্তু তাতোকৈ ডাঙৰ কথা মোৰ প্ৰায় শৈশৱৰ স্বপ্ন বৰকাকতীদেৱৰ লগত এযাৰ অন্ততঃ কথা পতাৰ সুযোগ লোৱা, সেই স্বপ্ন দিঠকত ফলিয়াব খুজিছে। সন্ধ্যাৰ আগে আগে ওলাই যাওঁ, এঘণ্টাৰ ঠাইত দুঘণ্টামান পিছতহে ওলাই আহিব পাৰোঁ। হোষ্টেলৰপৰা আধামাইলমানহে দূৰত্ব। পঢ়াওঁ পোন্ধৰ মিনিট, চাহ-মিঠাইত পাঁচ মিনিট, তাৰ পিছতেই ডাক পৰে ছাৰৰ পঢ়া কোঠালৈ। তেখেতে কবিতা পঢ়িব, মই শুনি কেনে পালোঁ লগে লগে জনাব লাগিব। কেতিয়াবা ৰবীন্দ্ৰনাথৰ কবিতাৰ আবৃত্তি কৰিব। যদিও সদায়ে দুই-এটা কলি উদাহৰণ বা তুলনাৰ কাৰণে ৰবীন্দ্ৰনাথৰ কবিতা থাকিবই। লগতে উপনিষদৰ শ্লোক মুখস্থ মাতিব। মই ল'ৰা-ছোৱালী দুটাক পঢ়া বুজাই নতুন পাঠ দি তেখেতৰ সন্মুখৰ চকীখনত মোৰ ক্ষীণ দেহটো কোঁচ খুৱাই আৰু আধা কৰি ভিজা বিৰালিটোৰ দৰে বহি শুনি যাওঁ আৰু মাজে মাজে উঠি গৈ ল'ৰা-ছোৱালীৰ পঢ়া চাওঁ। লাহে লাহে অপৰাধবোধ এটাই মোক যন্ত্ৰণা দিবলৈ ধৰিলে। সোনকালে গৃহশিক্ষকৰ দায়িত্ব, কিবা এটা অজুহাতত এৰি দিয়াৰ চিন্তা কৰিলোঁ। বৰকাকতী ছাৰে 'হৰিণ চুমা' নামৰ পৌৰাণিক প্ৰেমৰ কাহিনী এটাৰ ওপৰত অমিত্ৰাক্ষৰ ছন্দত নাট লিখিছে। কেতিয়াবা আন কাম এৰি নাটখনৰে এটা বা দুটা দৃশ্য পঢ়ি যায়। তেখেতৰ কণ্ঠস্বৰ গভীৰ, গলগলীয়া, চিগাৰেট লানি নিছিগা, মাজে মাজে চিগাৰেট কফযুক্ত একোটা কাহো-ছন্দপতন নোহোৱাকৈ আবৃত্তিৰ লগত খাপ খুৱাই মাৰি গৈ থাকে। ওভতাই আঁচুৰি থোৱা চুলিবিলাক আগ দাঙি থিয় হৈ থাকে, কিয় জানো মোৰ ভাব হৈছিল, চুলিৰ আগেদি যেন প্ৰাণৰ জুই একুৰাই মাজে মাজে তিৰ্‌বিৰণি তুলিছিল। পৌৰুষব্যঞ্জক মুখমণ্ডলত কঠোৰতা নাই, কিন্তু বিশ্বাসৰ দৃঢ়তা আছে। এই স্বপ্নৰ কবিজনৰ লগত মই মুখামুখিকৈ বহিব পাৰিলোঁ, কম ভাগ্যনে? সেয়ে হ'লেও মোৰ কৰ্তব্যৰ দায়িত্বই এনে সৰস আলোচনাকো পিছলৈ নিৰস কৰি পেলালে। ল'ৰা-ছোৱালীকেইটাৰ প্ৰতি কিছু অন্যায় কৰা হৈছে, এনে ভাব এটাই গাটোত মকৰা এটা বগোৱা দি বগাই থকা হ'ল।

এদিন 'হৰিণ চুমা'ত নায়কে বোধকৰোঁ শকুন্তলাৰ নামটো উল্লেখ কৰাত

মই ভয়ে ভয়ে সুধিলোঁ— 'এই কাহিনীটো শকুন্তলাৰ কাহিনীৰ আগৰ নে পিছৰ?' কবি কিছুসময় তভক্ মাৰি ৰৈ তেখেতৰ শিশুসুলভ মিচিকিয়া হাঁহিটো মাৰি ক'লে— "অ' তুমি ভাবিছা 'এনাক্রনিজিম' (সময়ৰ দোষ বা কালক্রমৰ দোষ) হৈছে বুলি? ইংৰাজীত 'এনাক্রমনিজম'। হোৰা নাই, হ'লেও পুৰণি কাহিনী, ন ধৰ্তব্য।' তাৰ পিছত চিগাৰেটৰ পৰা ওঁঠ দুটা এৰুৱাই মোৰ ফালে চাই ক'লে, 'দোষ হ'বও পাৰে, নহ'বও পাৰে, কিন্তু তুমিতো কথাটো বেছ চিন্তা কৰিছা? ইন্টেলিজেণ্ট প্ৰশ্ন, তোমাৰ কমনচেঞ্চ আছে। 'কমনচেঞ্চ' কিন্তু 'কমন' (Common) নহয় দেই, সকলোৰে এই চেঞ্চ নাথাকে।' কাৰ কাৰ আছে এখন সৰু তালিকা দি মোখনিত ক'লে, 'মোৰো অলপ আছে' আৰু সেই মিচিকিয়া হাঁহিটো মাৰি চিগাৰেটত টান দিলে। মই গা-লৰোৱাৰ ছলেৰে সেই প্ৰথম ৰাজহাড় পোন কৰি গোটেই চকীখন জুৰি বহাৰ লগে লগে বুকুখন তিনি আঙুলমান বাঢ়ি গ'ল (যেন ধাৰণা হ'ল!)

পিছলৈ সাহ বঢ়াত, ল'ৰা-ছোৱালী দুটাক এঘণ্টা পঢ়াই লৰালৰিকৈ হোষ্টেললৈ অহাৰ কৌশল আয়ত্ত কৰিব পাৰিছিলোঁ।

(কবিৰ লগত পিছৰ জীৱনত নগাঁও কলেজত অধ্যাপনা কৰাৰ সময়ত সাহিত্য সভা, কলেজৰ আন সভাত আৰু ঘনিষ্ঠ হৈছিলোঁ। মাদ্ৰাজত বহা অল ইণ্ডিয়া ৰাইটাৰ্ছ কনফাৰেঞ্চলৈ বন্ধুবৰ শ্ৰীযোগেশ দাস, শ্ৰদ্ধেয়া শ্ৰীযুতা নিৰ্মলপ্ৰভা বৰদলৈ, বৰকাকতীদেৱৰ লগতে ময়ো যোগ দিবলৈ গৈছিলোঁ (১৯৫৭ চনত?)। তেখেতৰ মৃত্যুত নগাঁৱত সেই প্ৰথম সাহিত্যিকৰ সন্মানত বিৰাট সমদল ওলাইছিল। আমি কেইজনমানে 'কাৰ' এখনত বহি, ভাগে ভাগে তেখেতৰ কবিতা আবৃত্তি, গীতাৰ শ্লোকৰ আবৃত্তি কৰি গৈছিলোঁ। তেখেতৰ 'শেৱালী'ৰ এটি দীঘলীয়া সীমাবদ্ধ আলোচনা শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ তাগিদাত ওঠৰ দিনত লিখি দিছিলোঁ। "ৰামধেনু'ৰ তিনিটা সংখ্যাত প্ৰকাশিত সেই ৰচনাখন মোৰ 'চিন্তা-বিচিত্ৰা' নামৰ প্ৰবন্ধ সংকলনত অন্তৰ্ভুক্ত কৰিছোঁ।)

কলেজৰ পৰা ১০.৩০/১১ মান বজাত উভতি কেতিয়াবা দেখিম যে ৰন্ধাঘৰৰ দুৱাৰ বন্ধ। আগতে অহা দুজনমানে ৰান্ধনিক মাৰি কিলাই খেদিলে। বাকী যিকেইজন আগতে পাইছিলহি তেওঁলোকে ভাগ্যক ধিয়াই বহি আছে। ভাগ্য মানে শইকীয়া, কলিতা, মই। লৰালৰিকৈ কাপোৰ সলাই আমি ৰন্ধা-বঢ়াত লাগিবলৈ গৈ

দেখিম যে খৰি মোটোহা, আধা কেঁচা। কেতিয়াবা ভূতৰ ওপৰতহে দানহো আহে। 'দানহ' হ'ল টিউবৱেলটো। হয় বকেট সৰি আছে, নহয় জিভাই লিক্ কৰাত পানী শুকাই আছে। বা কেতিয়াবা হেণ্ডেলডাল সংযুক্ত কৰা লোহাৰ শলখাডাল ক্ষয় গৈ ছিগি গৈছে। তেতিয়া হাতে হাতে বাল্টি লৈ একঁকাল ওখ পকা দেৱাল পাৰ হৈ আলিৰ সিটো পাৰে থকা শঙ্কৰ মন্দিৰৰ পিছফালৰ কুঁৱাৰপৰা শইকীয়াই পানী ভৰাই বাল্টি ৱাল পাৰ কৰি দিব, ইপাৰৰ পৰা আমি কেইজনমানে হতাহতিকৈ আনি কাম চলাম। ভাগ্যবাদী, অপকৰ্মকাৰীসকলে আগতীয়াকৈ খাবলৈ বহি যাব। আমি কেইজনমানৰ ভাগত ৰন্ধাঘৰৰ চাফ-চিকুণ কৰাৰ পাল, গতিকে আমাৰ সেইকেইজনৰ ভোজন সদায় শেষত।

অৱশ্যে ৰান্ধনিৰো দোষ থাকে। এটা ডেকা ৰান্ধনি ইমান মদগৰ্বী আছিল যে আনকি কনক কলিতা, জগত শইকীয়াৰো খং উঠিল। তাক সমবায় পিটন দি বিদায় দিয়া হ'ল (নে পুলিচত দিয়া হ'ল!) পিছত শুনিলোঁ সি গুৱাহাটী নে তেজপুৰৰ এঘৰ মানুহৰ ৰান্ধনি হৈ খোৱা বস্তুত ধুতুৰা গুটি মিহলাই দিয়াত হাতে হাতে ধৰা পৰি জে'লত পৰিল।

পিছত দুজন স্থায়ী বয়সস্থ বিহাৰী ৰান্ধনিয়ে দীঘলীয়া দিন বিনা উপদ্ৰব্যেৰে চলাই দিলে হোষ্টেলৰ কাম।

এদিন আবেলি চাৰিমান বজাত মই চাহৰ গিলাচ ল'বলৈ ৰান্ধনিশাললৈ যাওঁতে ৰন্ধাঘৰৰ ওচৰৰ শ্ৰীযুত নাথ থকা ৰুমটোত হঠাৎ হুলস্থূল আৰু পুলিচৰ লাঠি চাৰ্জৰ নিচিনা শব্দ শুনি উধাতু খাই, চাহত মুখ দি থকা অৱস্থাৰেই ৰুম পালোঁগৈ। সিফালৰ পৰাও দুজনমানে সাজি-কাছি (চিনেমা বা মাৰ্কেটিং থাকেই!) খৰখোজেৰে কোঠাটো পালেহি। নাই, সঙ্গীত চৰ্চাহে। সাতজনমানৰ এহাতত চাহৰ গিলাচ আন হাতত একোছটা ছলি খৰি বা ভগা জেওৰা। মাজত শ্ৰীযুত দুৰ্গা নাথ স্বয়ং। খালী গা, পিন্ধনত কলপটীয়া নে ৰঙচুৰা ৰঙৰ বয়সে গৰকা লুঙী, বাঁওহাতত চাহৰ গিলাচ, সোঁহাত ওপৰলৈ দঙা, চকুৰ দৃষ্টি বেৰত আৰু মুখমণ্ডলত 'চিৰিয়াছ' অভিব্যক্তি। সোঁভৰিখন লাহে লাহে অৰ্ধবৃত্তাকাৰে ঘূৰাই লৈ আকৌ তেনেদৰে ঘূৰাই বৃত্ত এটা সম্পূৰ্ণ কৰি গানৰ কলিৰ প্ৰথম শাৰীটো পদ গোৰাদি চিঞৰিছে ঃ 'গৌহাটীতে লাগল ঝগড়া'; আৰু লগে লগে তেওঁক ঘেৰি থকা কেইজনে এহাতে চাহৰ গিলাচ

আৰু আনটো হাতৰ লাঠিৰে পৰস্পৰৰ লাঠিক আঘাত কৰি চিঞৰ ধৰিছে পদৰ শেষৰ অংশটো, যাক 'ঘোষা' আখ্যা দিব পৰা যায়। সেই অংশটো হ'ল, 'প্ৰথম ঘটনা'। 'প্ৰথম ঘটনা'ক সাতবাৰমান দোহাৰি দলটোৱে দুই-তিনিটামান পাক সম্পূৰ্ণ কৰে আৰু প্ৰত্যেকবাৰতে হেঁচা দিবৰ কাৰণে একোটাকৈ নতুন উপসৰ্গৰো জন্ম দিয়ে ঃ 'আহা', হে হে', 'উহু' 'হি হি' এনেধৰণৰ। উপসৰ্গৰ মহিমা ধৰিব নোৱাৰি, মই সক্ৰিয় অংশ লোৱাৰ পৰা বিৰত থাকি সোঁভৰিৰ চেণ্ডেল পাতৰেই বাৰাণ্ডাৰ পকা মজিয়াত 'তাল' ৰাখি চাহৰ গিলাচ শেষ কৰিলোঁ। নাথে প্ৰথম কোবতে আধা গিলাচ শেষ কৰাৰ পিছত উপসৰ্গৰ আকালত পালিসকলৰ 'ঘোষা' বৈ গ'ল আৰু সেই মুহূৰ্তৰ অৱকাশতে, ঠাণ্ডা হোৱা আৰু ঢৌ খেলি আদখনীয়া হোৱা চাহ প্ৰত্যেকেই ডিঙিত ঢালি ঢালি দিলে। ঋষিসুলভ গাম্ভীৰ্য অটুট ৰাখি দ্বিতীয়বাৰ দোহাৰিলে, 'গৌহাটীতে...।' কিন্তু মোৰ টিউশ্যনৰ সময় হ'ল। দ্বিতীয় ঘটনা কি আছিল জনাৰ কৌতুহল এই বয়সলৈকে থাকি গ'ল। হ'ব পাৰে দ্বিতীয় ঘটনাটো সংগীত স্ৰষ্টাজনেও নাজানে। ১৯৪১ চনত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত হামফ্ৰে চাহাবে লাঠিচালনা কৰি কেইবাজনো ছাত্ৰনেতাক ঘুণীয়া কৰিছিল। ছাত্ৰ-সমাজ প্ৰতিবাদত সৰৱ হৈ উঠিছিল। ক'ব পাৰি, বিয়াল্লিছৰ আন্দোলন আমাৰ ছাত্ৰৰ কাৰণে তেতিয়াৰ পৰাই আৰম্ভ হৈছিল। স্কুলীয়া ছাত্ৰ নাথে বঙলা ভাষাত সেই ঘটনাক লৈ ৰচনা কৰা গীতটি নিজেই সুৰ দি উপযুক্ত চমজদাৰৰ অভাৱত বুকুৰ ভিতৰতে ইমানদিনে উমনি দি থৈছিল।

'শেৱালী'ৰ তৃতীয় সংখ্যা এটা সম্পূৰ্ণ কৰা হ'ল। বহু যত্নেৰে ছাত্ৰৰ প্ৰবন্ধ-পাতি যোগাৰ কৰাৰ পিছতো, বাধ্য হৈ মই নিজৰ নামত 'ডফলা কাঁইট' নামৰ গল্পটো (বেক্-বেঞ্চাৰৰ লগতে) দিব লগা হ'ল। এইবাৰো লজিকৰ ক্লাছত গোস্বামী ছাৰে আগৰ দুটা সংখ্যাৰ দৰেই তিনি মিনিটমান খৰচ কৰি প্ৰত্যেকখন ৰচনাৰে প্ৰশংসা কৰিলে। গল্পটোৰ বিশেষ উল্লেখ নকৰিলে যদিও 'বেক-বেঞ্চাৰেই' ক্ষতিপূৰণ কৰিলে।

[কলেজৰ পিছৰ কালৰ ছাত্ৰ-সম্পাদক শ্ৰীমান শিৱানন্দ কাকতিয়ে (বৰ্তমান এজন ভাল গল্প লিখক) 'নগাঁও কলেজ আলোচনী'ত এই গল্পটো আৰু 'শেৱালী'ৰ দুই-এটা প্ৰবন্ধৰ অংশবিশেষ ছপাই দিয়ে। মোৰ গল্প সংকলনত অন্তৰ্ভুক্ত হোৱাৰ

উপৰি, আমেৰিকাপ্ৰবাসী মোৰ প্ৰাক্তন ছাত্ৰ শ্ৰীমান যুগল কলিতাই এই গল্পৰ আৰু দুটা গল্পৰ ইংৰাজী ভাঙনি কৰিছে।]

দত্ত ছাৰৰ সংস্কৃত ক্লাছত আমি কম সংখ্যক ছাত্ৰ-ছাত্ৰী কাৰণে বাধ্য হৈ সন্মুখৰ বেঞ্চত মই বহোঁ। এদিন 'ৰঘুবংশম্' পঢ়াই থাকোঁতে এটা শ্লোকৰ 'যমক'ৰ উল্লেখ প্ৰসঙ্গত ছাৰে সুধিলে, আমাৰ কবিতাত থকা এনে 'যমক'ৰ উদাহৰণ কোনোবাই ক'ব পাৰিব নেকি? কোনো নুঠাত মই ডেস্কত দুই হাতৰ তলুৱাৰে হেঁচা দি থিয় হ'লোঁ আৰু ছাৰৰ নিৰ্দেশত কবিতা দুফাকি গাই দিলোঁ—

"দ্ৰোণীজাত শুভ্ৰকান্তি ফুল্ল দ্ৰোণী দলে
প্ৰতিভৰা লাজাঞ্জলি যাচিছে সাদৰে" (চৌধাৰী)

আমাৰ পাঠ্য 'গিৰিমল্লিকা' কবিতাৰ শাৰী দুটা ব'ৰ্ডত লিখি দিবলৈ কোৱাত থৰক-বৰককৈ খোজ দি লিখি দি কোনোফালে নাচাই বেঞ্চত বহিলোঁহি। (দ্ৰোণী প্ৰথমটোৰ অৰ্থ পৰ্বতৰ কাষৰ সৰু খাল বা কুৰং আৰু দ্বিতীয়টোৰ অৰ্থ দোৰোণ গছ।) সেইদিনাৰ পৰা ছাৰৰ চকুত পৰিলোঁ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ চকুতো। সেই প্ৰথম ক্লাছত থিয় হৈ কথা কোৱাৰ গাৰ কঁপনি আজিও অনুভৱ কৰোঁ।

অধ্যক্ষ শৰ্মা ছাৰে ইংৰাজী প্ৰ'জ বা মিল্টনৰ 'লা লেগ্ৰ' কবিতাটো পঢ়াই থাকোঁতে ওচৰৰ হৰিজনবস্তিৰ গাহৰি কেইটামানে দুৱাৰমুখত হোক্‌হোকাই দিয়াত সকলোৱে গিৰ্জনি মাৰি হাঁহি দিলে। বন্ধুবৰ হবিবুৰ ৰহমান চাহাব আৰু মই প্ৰায়ে মাজৰ বেঞ্চত বহোঁ। ছাৰে বাওঁহাতেৰে কিতাপ মেলি সোঁহাতৰ আঙুলিৰে শ্ৰেণীটোত 'চকু ৰাখি' (ছাৰৰ আঙুলিতে চকু!) পঢ়াই থকা অৱস্থাত কোনো ভাবান্তৰ নেদেখুৱাকৈ খন্তেক তভক মাৰি মূৰ দাঙি ক্লাছটোলৈ চাই মাজৰ বেঞ্চৰ আমাৰ দুজনৰ ওপৰত চকু থৈ ক'লে— 'আফটাৰ আল, দে' আৰ পিগছ!' যিমানেই নহওক সিহঁত গাহৰিহে। আমি মানুহ পোৱালিবিলাকে সিহঁতৰ কাৰ্যত হাঁহিলো কিয়? এনে আছিল ইংৰাজী বাক্যটোৰ ভাবাৰ্থ। ৰহমান আৰু মই একেলগে গ'লে আজিও আমাৰ গাত লাগি থকা সেই অস্বস্তিৰ কথা কোৱা-মেলা কৰোঁ যদিও আমি ছাৰৰ কথাযাৰৰ লক্ষ্য নাছিলোঁ।

এদিন শ্ৰীযুত দেৱেন গগৈদেৱে কলেজতে লগ ধৰি জনালে যে হেডমাষ্টৰ খাওন্দ ছাৰে গগৈক লগ পাই কৈছে ফুকনদেৰক সৰস্বতী পূজা উপলক্ষে পতা ছাত্ৰৰ

সভালৈ বিশিষ্ট অতিথি হিচাপে আমি দুয়ো লৈ যাব লাগে। সেই মতে দুয়ো স্বৰ্গীয় চন্দ্ৰ মহন্ত দাদাক লগ ধৰি জনোৱাত তেখেতে পিছদিনা পুৱা সাত বজাত (বন্ধ আছিল) তেখেতৰ ঘৰলৈ যাবলৈ আমাক দিহা দিলে। দুয়ো গৈ যথা সময়ত থিয় দিয়াৰ লগে লগে মহন্তদেৱৰ লগত ফুকন ডাঙৰীয়া ওলাই আহিল, পিন্ধনত লুঙী, খালী গা, হাতত টুথব্ৰাছৰ ওপৰত এক ইঞ্চিমান দীঘলীয়াকৈ পেলাই থোৱা টুথ পেষ্ট। আমাক সন্মতি জনাই নিৰ্দিষ্ট সময়ত তেখেতৰ ঘৰলৈ আহিবলৈ ক'লে। মই কথা পাতিব পৰা নাছিলোঁ, তেখেতৰ উদং গাটোৰ সৌষ্ঠৱ দেখি প্ৰায় থৰ হৈ গৈছিলোঁ। তেখেতৰ পিঠিখন, লৱণুৰেহে যেন গঢ়া; যৌৱনৰ লাৱণ্য পিঠি, বুকু, মুখ, হাতৰ আঙুলিৰ মাজেদি তিৰ্‌বিৰাই উঠিছে। কথা-বাৰ্তাত কোনো কৃত্ৰিমতা নাই, অতি চিনাকিৰ দৰে স্বাভাৱিক খোজ-কাটল, ব্ৰাছ দি দাঁত ঘঁহিবলৈ আৰম্ভ কৰা, সকলোতে যেন এক সহজ আভিজাত্যৰ ছাপ পৰিছে, মোৰ ধাৰণা হৈছিল।

যথা সময়ত, গৈগেদেৱ কিবা অসুবিধাত যাব নোৱৰাত মহন্ত দাদাসহ মই ফুকনদেৱৰ গাড়ীৰ সহযাত্ৰী হ'লোঁ। সেইদিনা ছাত্ৰৰ সভাত তেখেতৰ সুন্দৰ বক্তৃতা কাহ এটা নমৰাকৈ ছাত্ৰ-শিক্ষক সকলোৱে শুনিলে। বক্তৃতাৰ এযাৰ কথা পিছৰ জীৱনত মোৰ কাৰণে দিগদৰ্শক হৈ থাকিল ঃ ..... 'আমি ফুলজোপা ৰুওঁ, পানী দিওঁ, সাৰ দিওঁ, খুচৰি দিওঁ, হাতচাপৰি মাৰি জগাবলৈ চেষ্টা কৰোঁ, তথাপি তেতিয়াই ফুলজোপা ফুলে জানো? এদিন দেখিম কলি পেলাই পাহ মেলিবলৈ আৰম্ভ কৰিছে। আমাৰ তেতিয়া কি আনন্দ। ফুলজোপা নিজৰ সময়ত ফুলিবই, মাত্ৰ যত্ন, ধৈৰ্য লাগিব, সাধনা লাগিব।'

[ফুকনদেৱৰ লগত বাটছোৱাত কথা আদান-প্ৰদান কাৰৰ সাহস নহ'ল। নগাঁও কলেজত শিক্ষকতাৰ দায়িত্ব পোৱাৰ পিছত দিল্লীত 'শোণিত কুঁৱৰী' নাটৰ অভিনয় দেখুৱাৰ নিমন্ত্ৰণ পাই নগাঁৱৰ আমোলাপট্টি নাট্য মন্দিৰত এৰাতি অভিনয় দেখুৱালে বছা বছা নিমন্ত্ৰিত দৰ্শকক। স্বৰ্গীয় ফণী শৰ্মাদেৱ বাণ, ঊষা নগাঁৱৰে বকুল শইকীয়া নামৰ এগৰাকী শিল্পী। অধ্যক্ষ শৰ্মা ছাৰে মোক আৰু দুজনক অভিনয় চাই মতামত দিবলৈ কোৱাত বাধ্য হৈ চালোঁ। অভিনয়ৰ মই কি জানো? তাতে ফণী শৰ্মাদেৱৰ অভিনয়। ফুকন ডাঙৰীয়াই ভাও নল'লেও গুৰি ধৰোঁতা। পিছদিনা 'শোণিত কুঁৱৰী' নাটৰ চমু আভাস এটা ফুকন ডাঙৰীয়াই লিখি শৰ্মা ছাৰক (অধ্যক্ষ শ্ৰীযুত

যজ্ঞেশ্বৰ শৰ্মা) চাই দিবলৈ কোৱাত, ছাৰে সেই দায়িত্ব মোক দিলে, যাতে নাটখনৰ মূল কথা বাদ নপৰে। সুন্দৰ। সেইখিনি ছপা কৰি দৰ্শকৰ মাজত বিলাই দিব আৰু মঞ্চৰ আঁৰৰ পৰা ফুকনদেৱে পঢ়ি যাব। মোৰ অসন্তোষ ছাৰক জনালোঁ। ভাষা ফ্লাৱাৰী (flowery) পুষ্পিত, বাক্য দীঘলীয়া, যুদ্ধৰ আগৰ ইংৰাজী ভাষা। ছাৰে মোক স্বাধীনতা দিলে হাত ফুৰাবলৈ। ফুকন ডাঙৰীয়া ইংৰাজীৰ অনাৰ্চ গ্ৰেজুৱেট, ইংৰাজী মাধ্যমৰ চোকা ছাত্ৰ, বিস্তৃত অধ্যয়নপুষ্ট, মোৰ সীমাবদ্ধ ইংৰাজী ভাষাৰ জ্ঞান। তথাপি যি পাৰোঁ চমু কৰি বাক্যবোৰো চুটি কৰিলোঁ মাজে মাজে। ভয়ে ভয়ে ছাৰক ক'লোঁ, ফুকনে যদি বেয়া পায়? 'নাপায়, তেখেত বৰ ওখ মনৰ, ইংৰাজী ভুল নকৰিবা মাত্ৰ।'

সেই মতে ছপাই দিল্লীত কাম চলালে। সেইবাৰ দলটোৱে দিল্লীত উচ্চ প্ৰশংসা পাইছিল বুলি কাকতত ওলাইছিল।]

'লজিক' চিলজিজম অধ্যায় পাই বহুতেই লজিক লোৱাৰ কাৰণে কপাল ভুকুৱালে। কেইজনমানে ফ'ৰ্থ চাবজেক্ট কৰিবলৈ সিদ্ধান্ত কৰিলে। 'বাৰবাৰা', 'চেলেৰাণ্ট', 'ডেৰিয়াই', 'ফেৰিও' এই 'সূত্ৰ'কেইটা নিৰ্ভুলভাৱে মনত ৰাখিব নোৱাৰিলে চিলজিজম শুদ্ধ কৰা নহ'ব। সেই সময়তে কোচবিহাৰ কলেজৰ পৰা ট্ৰেন্সফাৰ লৈ নগাঁও কলেজত নাম লগোৱা ছাত্ৰৰ পৰা (শ্ৰীযুত দিগেন বৰদলৈ শ্ৰীযুত তিলক হাজৰিকা,...) চিলজিজমৰ মুখলগা ভঙ্গা মন্ত্ৰ এফাকিৰ! 'বৰবৰ, চেলেৰা, জৌড়িয়া, ফিৰিতেছে।' কলিকতা কোচবিহাৰ সকলোতে এই বীজমন্ত্ৰ ফাকিয়ে সুফল দেখুৱাই আহিছে আমাৰো জপমন্ত্ৰ হ'ল। ইজনে সিজনৰ লগত দেখাদেখি হ'লেই কুশল-বাৰ্তা সোধাটো প্ৰথম দুটা শব্দেৰে শুভাৰম্ভ কৰে ঃ 'কিহে বৰ বৰ চেলেৰা, প্ৰিপাৰেশ্যন কেনে?' উত্তৰত সিজনে ক'ব, 'দৌড়িয়া ফিৰিতেছে, নাইহে কিতাপ মেলিলে টোপনি...' ইত্যাদি।

গুৱাহাটীত 'সদৌ অসম ছাত্ৰ কংগ্ৰেছ'ৰ প্ৰথম মুকলি অধিৱেশনলৈ আনৰ লগতে মোৰ নামো প্ৰতিনিধি স্বৰূপে যোৱাত লগে-ভাগে সেই প্ৰথম গুৱাহাটীলৈ গ'লোঁ। আমি কামৰূপ একাডেমীতে বোধকৰোঁ আছিলোঁ। তাতে ৰাতি কাৰ্যনিৰ্বাহৰ সভা বহিছিল আৰু স্বৰ্গীয় হেম বৰুৱা ছাৰ সভাপতি আছিল। আঁতৰৰ পৰা তেখেতক প্ৰথম দেখিবলৈ পালোঁ। পিছদিনা ছাত্ৰ স্বেচ্ছাসেৱকসকলক আহি আমাৰ থকা-

মেলাৰ অভাৱ-অসুবিধাৰ খবৰ ল'লে আৰু কিবা অসুবিধা পালেও, অৰ্থাৎ অভ্যৰ্থনাৰ সকলো ত্ৰুটিৰ কাৰণে হাতযোৰ কৰি ক্ষমা বিচাৰিলে। গুৱাহাটীৰ বিশিষ্ট লোকসকলৰ ল'ৰাৰ এনে বিনয় ব্যৱহাৰত আমি মুগ্ধ হৈ গ'লোঁ। কোনোবা এজনে আঙুলিয়াই দেখুৱালে যে সেইজন বিখ্যাত ডাক্তৰ আৰু কংগ্ৰেছী নেতা ডাঃ ভূৱনেশ্বৰ বৰুৱাৰ ল'ৰা। আমি আৰু অভিভূত হ'লোঁ— ইমান ডাঙৰ মানুহৰ ল'ৰা, অথচ অকণো গপ-দৰপ্ নাই। আমাৰ মাজত কোৱা-মেলা চলিছিল। পিছদিনা বৰ ডাঙৰ সমদল, খদ্দৰ সাজ পিন্ধা ছাত্ৰ ভলণ্টিয়াৰে সভাপতিক আদৰি আনিলে উজান বজাৰৰ জাহাজঘাটৰ পৰা। সম্ভৱ জজ-খেলপথাৰত সভাৰ স্থান।

যিটো গীত গাই ভলণ্টিয়াৰসকল আগবাঢ়ি গৈছিল, মই জ্যোতিপ্ৰসাদৰ ৰচনা বুলি ভাবিছিলোঁ। নহয়, এজনে ক'লে, মোৰ বয়সৰে এজন ছাত্ৰৰ ৰচনাহে, কটন কলেজৰ। নামটো? অজিত মল্ল বৰুৱা। ছাত্ৰজনক চাবলৈ মোৰ মনটোৱে আকুল-ব্যাকুল কৰি উঠিল। ইমান কম বয়সতে ইমান ধুনীয়া, গা-মন উতলোৱা গীত লিখিছে। গীতটোৰ কলি এটা বহু বছৰলৈ মনত আছিল। সেই মুহূৰ্তত নিজৰ ওপৰত ধিক্কাৰ আহিল, মই যদি তেনে এটা গীত ৰচনা কৰিব পাৰিলোহেঁতেন, শ শ হেজাৰ ছাত্ৰই গালেহেঁতেন আৰু বহুতেই মোৰ লগত চিনাকি হ'বলৈ আহিলহেঁতেন। ছাত্ৰজনক চোৱাৰ হেঁপাহ পূৰ হ'ল পিছৰ বছৰত, কটনৰ থাৰ্ড ইয়াৰত নাম লগাওঁতে, গে'টৰ মুখৰ পুল এটাৰ চিমেণ্ট-ইটাৰে পকা কৰা ওখ 'আসন'ত বন্ধু এজনৰ সৈতে বহি থকা অৱস্থাত। সেই ছাত্ৰজন, অতি সাধাৰণ চুৰিয়া কোট পিন্ধা, খালী ভৰি, ভৰিহালো দূৰৈৰ পৰা খৰমযুৰীয়া যেন লাগিল। চিনাকি হোৱাৰ সাহস নহ'ল। সেইজনেই আজিৰ বিখ্যাত কবি-সমালোচক পণ্ডিত, শ্ৰীযুত অজিত মল্ল বৰুৱা।

সভাপতি বোধকৰোঁ খোজকাঢ়ি আহিছিল। তেখেতেই হ'ল ভাৰতবিখ্যাত গান্ধীবাদী নেতা শ্ৰদ্ধাস্পদ শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতীদেৱ। মোৰ বুকু এহাত ফুলি উঠিল। ছাত্ৰ ফেডাৰেশ্যনৰ সভাত কিমান যশস্বী, গহীন-গম্ভীৰ নেতা আছে। বিৰাট সভাত বিৰ দি বাট পাবলৈ নাই, ছাত্ৰাৰণ্য আৰু লোকাৰণ্য। কাঁহ পৰি জীন যোৱা সভাথলী। ৰাজনৈতিক নেতাৰ 'অৰেটৰি' (oratory) নহয়, (কমিউনিষ্ট নেতাৰ ভাষণ নহয়) এইজন প্ৰকৃত গান্ধীবাদী দেশপ্ৰেমিকৰ ঘৰুৱা কথা কোৱাৰ সুৰতে শুধ অসমীয়াত দিয়া ভাষণ (ইংৰাজী-বঙলা-হিন্দী শব্দৰ ব্যৱহাৰ নাছিল বুলিয়ে মোৰ

স্মৃতিয়ে কয়।)

কলেজৰ ইংৰাজীত দিয়া 'লেক্‌চাৰ' মই প্ৰথমে একোৱে বুজিব পৰা নাছিলোঁ। অধ্যক্ষ শৰ্মা ছাৰ আৰু লজিকৰ স্বৰ্গীয় গোস্বামী ছাৰৰ ইংৰাজী উচ্চাৰণ সুস্পষ্ট। বাকীসকলৰ শব্দ বুজা টান হৈছিল। বিষয়বিলাকো নতুন হোৱাত কলেজলৈ লোকক দেখুৱাই অহা যেন লাগিল। আমাক বিপদৰ পৰা উদ্ধাৰ কৰিলে হোষ্টেলৰ বন্ধু শ্ৰীযুত জগত শইকীয়াই। প্ৰতিদিনে দুপৰীয়া খাই উঠি আমি হোষ্টেলৰ সন্মুখৰ শেৱালীজোপাৰ তলত অৰ্ধবৃত্তাকাৰে বনৰ ওপৰত বহোঁ। শইকীয়াক মাজত বহুৱাই লওঁ। তেখেতে ক্লাছৰ লেক্‌চাৰ সম্পূৰ্ণ মনত ৰাখিব পাৰে আৰু বিষয়টোও পৰিষ্কাৰকৈ বুজে। আমাক সহজ ভাষাত বুজাই দিয়ে। পিছলৈ অৱশ্যে মোৰ কিছু উন্নতি ঘটিল। 'ৰেটাৰিক প্ৰজদিৰ', 'মিটনিমি', 'চিনক্‌দকি' আদিক তামোলৰ লগত, চাহৰ লগত খোৱা ব্যৱস্থা কৰি আমি দুজনমানে উদাহৰণ মনত ৰখা নিজা কৌশল উলিয়াই ল'লোঁ।

'শোণিত কোঁৱৰ' স্বৰ্গীয় গজেন বৰুৱাই এবাৰ কলিকতাৰ শিল্পী লৈ নগাঁৰৰ জয়শ্ৰী হলত তিনিদিনীয়াকৈ নৃত্য প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। আমি কোনো যোৱা নাছিলোঁ। কিন্তু শ্ৰীযুত শশী হাজৰিকাই অসমীয়াতে নৃত্যৰ কাৰ্যখিনি দৰ্শকক বুজাই দিছিল বৰুৱাদেৱৰ অনুৰোধত। তৃতীয় দিনা সন্ধিয়া তেখেতক এৰি আন এজনক লোৱাত হাজৰিকা পোনে পোনে মই পঢ়িবলৈ আৰম্ভ কৰা টেবিললৈ আহি মোক ঘটনাটো জনোৱাত মোৰ সিৰে সিৰে লাচিতৰ তেজ উথলি উঠিল। তৎক্ষণাত চুৰিয়া-চোলা পিন্ধি বন্ধুসকলক ৰণাহ্বান দি হাজৰিকাক লগত লৈ কোবাকুবিকৈ আলি ওলোৱাত বাকী সৰহ সংখ্যকেও ঘটনাটো ভালকৈ নাজানিয়ে আমাৰ পাছ ল'লে।

একে কোবেৰেই দুৱাৰ মেলি গ্ৰীণৰুম পাই বৰুৱাৰ বিচাৰ কৰাত হাতত ৰং ঘঁহি থকা প্লেট এখন লৈ তেখেত ওলাই আহিল। মই উত্তেজিত কণ্ঠেৰেই অভিযোগ কৰিলোঁ, তেখেতে আমাৰ হোষ্টেলৰ ছাত্ৰক তথা নগাঁও কলেজৰ ছাত্ৰক অপমান কৰিছে। ইতিমধ্যে বৰুৱাৰ নিৰ্দেশত লগৰ দুজনমানে আমাক খাটিৰ কৰি বহুৱালে আৰু বৰুৱাৰ নিৰ্দেশতে প্ৰায় লগে লগে চাহৰ কাপ আহিল। তেখেতে পৰিস্থিতিটো বুজাই ক'লে যে আগৰ দুদিন দৰ্শকসকলে একো বুজি নোপোৱাত ঘোৰ আপত্তি কৰাৰ কাৰণে তেখেতক বুজাই শেষ দিনটোত দৰ্শকে বুজি পোৱা ভাষাত কথা ক'ব

পৰা এজনক নিযুক্তি দিছে। তেখেতে জাতীয় সন্মান অকণো ক্ষুণ্ণ হ'বলৈ নিদিয়ে। তেখেতৰ লগত আছিল কলিকতাৰ তিনিগৰাকী নৃত্য-শিল্পী। আমি ভুল বুজাবুজি হোৱাৰ কাৰণে উত্তেজিত হোৱা বুলি কৈ ভালেৰে বিদায় লৈ উভতিলোঁ। বাটত সকলোৱে মোৰ ওপৰত ভোৰ্ভোৰাই আহিল। শইকীয়াৰ মতে মোৰ 'লেকাম' ধৰিবলৈহে তেখেত আহিল, ক'ৰবাত কিবাখন কৰোঁ।

বৰুৱাদেৱৰ লগত মোৰ বিয়াৰ পিছত ঘৰুৱাভাৱে লগালগিও হৈছিলোঁ। বঙ্গদেশত তেখেতৰ যথেষ্ট সন্মান, নৃত্যভঙ্গীত কেলেণ্ডাৰো ছপা হৈছিল। নগাঁৱৰ ঘটনাৰ কোনো স্মৃতি নাছিল যেন লাগিল, বোধকৰোঁ গুৰুত্বও দিয়া নাছিল। ময়ে নায়ক বুলিও নাজানিলে। ৰক্ষা! তেখেত এজন সু-সন্তান, আৰু জাতে-পাতে শিল্পী। বঙ্গদেশত জন্ম লোৱা হ'লে তেখেতে যথেষ্ট সুনাম লাভ কৰিলেহেঁতেন।

এম. এ. ক্লাছত নাম লগোৱাৰ পিছতহে স্বৰ্গীয় গোস্বামী ছাৰে 'বেক্-বেঞ্চাৰ' মই বুলি জানি তেখেতৰ 'বিহলঙনি'ত লিখিবলৈ আদেশ দিলে। তেখেতৰ আৰু বাইদেউৰ মোৰ প্ৰতি, পিছত আমাৰ পৰিয়ালৰ প্ৰতি থকা আত্মীয়বৎ ব্যৱহাৰ আজিও বাইদেউ আৰু ল'ৰা দুজনৰ (মোৰ প্ৰাক্তন ছাত্ৰ) একেদৰে আছে।

স্বৰ্গীয় চন্দ্ৰ মহন্ত দাদা যদিও আমাৰ ঘৰৰ ওচৰৰে, প্ৰায় পাঁচ বছৰৰ 'চিনিয়ৰ' আৰু ঘনিষ্ঠতা নথকা বাবে মাত্ৰ কেইবাৰমানহে দেখাদেখি হৈছিল।

তথাপি মোৰ সৈতে নিজৰ ভাইৰ দৰে বৰ আন্তৰিকতাৰে কথা-বতৰা পাতি খা-খবৰ লয়। চুৰিয়া-শ্বাৰ্ট পিন্ধা, মিহি মিঠা মাত আৰু ব্যৱহাৰ, কোমল, শিশুসুলভ মুখমণ্ডল, আৰু ব্যস্ততা ভৰা জীৱনৰ মহন্তদেৱ সৰ্বজনপ্ৰিয় আছিল। তেখেতৰ চুৰিয়া পিন্ধা ষ্টাইল অনুকৰণীয় হৈয়ে ৰ'ল। দুকুৰি চেফ্‌টি পিন মাৰি হেনো চুৰিয়া পিন্ধে। তেতিয়াই কলিকতাৰ ইংৰাজী দৈনিকৰ সংবাদদাতা, স্বৰ্গীয় চন্দ্ৰ ফুকনৰ ফাৰ্মৰ হৰ্তা-কৰ্তা, তাৰ মাজতে কলেজ। যোগাযোগ একেবাৰেই নথকাতো মই সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হওঁতে এখন দীঘলীয়া চিঠিৰে মোৰ প্ৰতি থকা অন্তৰৰ সকলো মৰম উবুৰিয়াই দিয়া যেন লাগিল। এঠাইত লিখিছিল— '...খবৰটো পাই যেন উৰা মাৰি তোমাৰ ওচৰ পাম আৰু তোমাক এবাৰ সাবট মাৰি ধৰিমগৈ, এনে লাগিছে।' তথাপিও আমাৰ দেখাদেখি নহ'ল আৰু নগাঁও কলেজৰ অধ্যক্ষ মহোদয়ৰ আদেশত এবছৰৰ আগতে সোঁৱৰণী লিখি থাকোঁতে শ্ৰীমান হৰেশ্বৰ গোস্বামীৰ

পৰা জানিছিলোঁ যে কিছুদিনৰ আগতে জোঁৱায়েকৰ ঘৰত মহন্তদেৱৰ দেহান্তৰ ঘটিছে। সেই পবিত্ৰ আত্মাই নিশ্চয় ভগৱন্তৰ কৃপা লাভ কৰিছে। মোৰ লগত যেন তেখেতৰ জন্মান্তৰৰ সম্পৰ্ক আছিল।

কেনি যে উৰা মাৰিলে সেইবোৰ পাখিলগা দিন। তেতিয়া জানো ভাবিছিলোঁ, এই স্মৃতি এদিন লিখিব লাগিব? এতিয়া সোঁৱৰণীৰ পৰা লিখা কথাবোৰত ঘটনাৰ ক্ৰম নাই, নামবোৰো পাহৰিলোঁ, কিন্তু লিখিবলৈ বহাৰ লগে লগে মনটোৱেই নহয়, দেহাটোৱেই ১৯৪৪-৪৬ চনৰ দুটা বছৰলৈ উভতি যোৱা যেন লাগিল। অধ্যক্ষ, সু-সাহিত্যিক শ্ৰীযুত প্ৰদীপ শইকীয়াই কলেজৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰিব লগা 'স্মৰণিকা'ত দিবৰ কাৰণে অধ্যাপক শ্ৰীমান শৰৎ বৰকটকীৰ হতুৱাই তাগিদা দি এই সোঁৱৰণী লিখায়। 'স্মৰণিকা' প্ৰকাশ নোহোৱাত 'অসম বাণী'ৰ সম্পাদক মহোদয়লৈ প্ৰকাশৰ বিবেচনাৰ কাৰণে পঠালোঁ।

সঁচাকৈয়ে সেই দিনবোৰত ৰাতিৰ ছাঁটোকে নাছিল। স্বাধীন ভাৰতত, স্বাধীন অসমৰ নদন-বদন সেই স্বপ্নৰ পথাৰখন। কোনে উৰাই দিলে সেইজাক বতা চৰাইক মোৰ পথাৰৰ পৰা? সময়েই। ঠোঁটে ঠোঁটে একোছিৰা স্বপ্ন লৈ সিহঁত উৰা মাৰিলে অসীমৰ দিগন্তলৈ। থৈ গ'ল জীৱনৰ চাৰিকাষে স্বপ্নভঙ্গৰ অসহ্য যন্ত্ৰণা! তথাপি নতুন পুৰুষে স্বপ্ন দেখিবই লাগিব। কাৰণ, মানুহ জীয়াই থাকিব স্বপ্নেৰেহে আৰু মানুহ জয়ী হ'ব স্বপ্নেৰেহে— মোৰ এই উক্তি ইয়াতো দোহাৰিছোঁ। হয়, লিঅ' টলষ্টয়ো সত্য, 'মানুহ জীয়াই থাকে প্ৰেমেৰে', সেই প্ৰেম জীৱনৰ বৰভেটি, স্বপ্ন থিয় দিব সেই ভেটিত।

(অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য পদ্মশ্ৰী মহিম বৰা ছাৰে নগাঁও কলেজত অধ্যয়ন আৰু অধ্যাপনা কৰি থকা সোণালী দিনবোৰৰ কথা এই প্ৰবন্ধটিৰ জৰিয়তে প্ৰকাশ কৰিছে। প্ৰবন্ধটিত ছাৰে নগাঁও কলেজৰ আৰম্ভণি সময়ৰ পৰিবেশটোৰ এটি সুন্দৰ চিত্ৰ অংকণ কৰিছে, যিয়ে উত্তৰ পুৰুষক কলেজখনৰ ইতিহাস সম্পৰ্কীয় বহু তথ্যৰ সম্ভেদ দিব। কুৰি বছৰ আগতে নগাঁও কলেজৰ আলোচনীত প্ৰকাশ হোৱা মূল প্ৰবন্ধটিৰ কোনোধৰণৰ সাল-সলনি নকৰি এই গ্ৰন্থখনত হুবহু একে ৰূপত প্ৰকাশ কৰা হৈছে।)

# অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ কাৰ্যকালত নগাঁও কলেজ আৰু আমি

কমল চন্দ্ৰ গোস্বামী

কুৰি শতিকাৰ চল্লিশৰ দশকলৈকে মধ্য অসমত কোনো উচ্চ শিক্ষানুষ্ঠান স্থাপিত হোৱা নাছিল। এনে এক বিদ্যায়তনিক পৰিৱেশৰ অভাৱ অনুভৱ কৰিয়েই সেই কালৰ জননেতা মতিৰাম বৰাদেৱৰ একান্ত উদ্যোগত আৰু স্থানীয় শিক্ষানুৰাগী বিশিষ্ট নাগৰিকসকলৰ সক্ৰিয় সহযোগত স্থাপিত হয় নগাঁও কলেজ ১৯৪৪ চনৰ শিক্ষাবৰ্ষৰ পৰা। তদানীন্তন শিক্ষাবিদ, সমাজকৰ্মী, বিশিষ্ট ব্যক্তি বৃন্দাবন গোস্বামী, পূৰ্ণচন্দ্ৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, যোগচিং চেত্ৰী, মহীচন্দ্ৰ বৰা, হলধৰ ভূঞা, প্ৰিয়ৰঞ্জন সেনগুপ্ত, বিমলাকান্ত বৰা প্ৰমুখ্যে সদাশয়সকল আছিল এই শিক্ষানুষ্ঠানৰ স্থাপন আৰু পৰিচালনাত অগ্ৰণী ভূমিকা পালন কৰোঁতা।

নগাঁৱৰ দৰে আৰ্থ-সামাজিক আৰু শিক্ষায়তনিক দিশত আপেক্ষিকভাৱে অনগ্ৰসৰ বৃহৎ অঞ্চলটোত এনে এটি শিক্ষানুষ্ঠান গঢ়ি তোলা এক দুঃসাধ্য কাৰ্যক সম্ভৱ কৰি দেখুওৱা মুখ্য ব্যক্তিজনেই হ'ল সেই সময়ৰ পুৰোধা ব্যক্তি মতিৰাম বৰা। মৰিগাঁৱৰ এটি কৃষক পৰিয়ালৰ সন্তান হৈয়ো বৰাদেৱে নানান দুখ-কষ্টৰ মাজেদি নিজে প্ৰাথমিক, মাধ্যমিকৰ পৰা উচ্চ শিক্ষা লাভ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা এজন ব্যতিক্ৰমধৰ্মী শিক্ষানুৰাগী ৰূপেই জনাজাত। ইণ্টাৰমেডিয়েট আৰু ডিগ্ৰী মহলাৰ এটি উচ্চ শিক্ষানুষ্ঠান থাপি লৈ গঢ় দিয়া কাৰ্যব্যৱস্থা কিমান সুকঠিন তাক ভুক্তভোগীসকলেহে কেৱল উপলব্ধি কৰিব পাৰিব, বিশেষকৈ নগাঁৱৰ দৰে আৰ্থিকভাৱে দুৰ্বল অঞ্চল এটাত। বৰাদেৱৰ মন-মগজু প্ৰসূত বুদ্ধি-ভাৰসাই কিন্তু এনে জটিল কাৰ্য সম্পাদন কৰাত কৃতকাৰ্য হোৱাই নহয়, তেওঁৰ সহযোগীসকললৈ

এক প্ৰবল অনুপ্ৰেৰণাৰ ঢৌ বোৱাই দি অনুৱৰ্তীসকললৈও যেন এটি বিৰল আদৰ্শ দেখুৱাই থৈ গ'ল। আন বহুতো সৰু-বৰ শিক্ষানুষ্ঠানৰ সূতিকা গৃহস্বৰূপে ইতিহাস ৰচা নগাঁও ডচন হাইস্কুলৰ ভৱনতেই নগাঁও কলেজেও জন্ম গ্ৰহণ কৰে। প্ৰাৰম্ভিক অৱস্থাৰ কেইবছৰমান পিছতহে সেই সময়ৰ নগাঁও চৰকাৰী হাইস্কুলৰ সুসংস্থাপিত হিন্দু-মুছলমান হোষ্টেলৰ বৃহৎ ভৱনকেইটা প্ৰাংগণসহ কলেজখনৰ দখললৈ অনা হয়— তদানীন্তন ৰাজ্য চৰকাৰৰ লগত 'লীজ' (Lease) চুক্তিৰ বিনিময়ত। জনা যায় যে মাত্ৰ ১ টকা ৰূপৰ মূল্যৰ বিনিময়তে এই চুক্তি সম্পাদন হয়। সিয়ো নিশ্চয়কৈ তেতিয়াৰ নগাঁৱৰ বিধায়ক তথা মন্ত্ৰী বৰাদেৱৰে কৌশলতে। সেয়ে একে আষাৰে ক'ব পাৰি জননেতা মতিৰাম বৰাদেৱেই আছিল নগাঁও কলেজৰ মুখ্য স্থপতি (Chief Architect)। কলেজ আৰম্ভ হ'ল। লগতে শিক্ষাৰ পৰিৱেশত তথা আন্তঃগাঁথনিটো যাতে অভিভাৱক শিক্ষাৰ্থীৰ বাবে আকৰ্ষণীয় হয়— সেই উদ্দেশ্য সাধন হোৱাৰ পৰিকল্পনাৰেই এগৰাকী খ্যাতিসম্পন্ন শিক্ষাবিদ অধ্যক্ষৰ বাবে অন্বেষণ চলিল বৰাদেৱ প্ৰমুখ্যে কলেজ কৰ্তৃপক্ষৰ। অৱশ্যে ইতিমধ্যে বৰাদেৱৰ ভাতৃ দেৱেন্দ্ৰনাথ বৰাক অস্থায়ীভাৱে সেই কাৰ্যভাৰ চলাবলৈ দিয়া হ'ল। শেষত অধ্যক্ষ পদৰ বাবে দৃষ্টি নিক্ষেপ কৰা হ'ল যোৰহাট জগন্নাথ বৰুৱা কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক, একেৰাহে ইংৰাজী, অসমীয়া, সংস্কৃতৰ পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ ওপৰত। নগাঁৱৰ জোঁৱাই শৰ্মাদেৱে বিনাদ্বিধা-সংকোচেৰেই অধ্যক্ষ পদত নিযুক্তি গ্ৰহণ কৰি যথাসময়ত যোগদান কৰিলে ১৯৪৪ চনৰ শিক্ষাবৰ্ষতে।

এইখন কলেজতে মই অধ্যাপকৰ নিযুক্তি পাওঁ ১৯৫২-৫৩ চনৰ শিক্ষাবৰ্ষত। সেই সময়ত তদানীন্তন পৰিচালনা সমিতিৰ সভাপতি আছিল শ্ৰদ্ধাস্পদ বৃন্দাবন গোস্বামী। তেওঁৰ কাৰ্যকালৰ অন্তত ড° সূৰ্য্যকুমাৰ ভূঞাদেৱে সভাপতিৰ আসন অলংকৃত কৰে। নগাঁৱৰ সুযোগ্য সন্তান, প্ৰখ্যাত ঐতিহাসিক, ভাষাবিদ, সাহিত্যিক, কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভূঞাদেৱক সুদূৰ গুৱাহাটীৰ পৰা আমন্ত্ৰণ কৰি আনি কলেজ পৰিচালনা সমিতিৰ দ্বিতীয়গৰাকী সভাপতিৰ পদত অধিষ্ঠিত কৰা হয়। ইয়াৰ অন্তৰালতো আছিল কলেজ কৰ্তৃপক্ষৰ বিশেষ লক্ষ্য, যাতে চালুকীয়া শিক্ষানুষ্ঠানটোৰ প্ৰতি নগঞা ৰাইজ তথা অসমৰ বিদ্বৎ সমাজৰো সুদৃষ্টি, শুভেচ্ছা বৰিষণ হয়। কলেজৰ সভাপতি ড° ভূঞাদেৱ আৰু অধ্যক্ষ শৰ্মাদেৱৰ মণিকাঞ্চন সংযোগৰ সময়ত মোৰ অধ্যাপকৰূপে যোগদানৰ সৌভাগ্য ঘটে। উল্লেখযোগ্য যে ১৯৪৮-৪৯ চনত নৱ-প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ

আসন গ্ৰহণ কৰিছিল যোৰহাট জে. বি. কলেজৰ প্ৰবাদপ্ৰতিম অধ্যক্ষ তথা প্ৰাচ্যবিদ্যাৰ্ণৱ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে। ভূএঞা আৰু শৰ্মা আছিল বিশ্ববিদ্যালয়ৰ সেই শুভাৰম্ভণি বৰ্ষৰ কাৰ্যবাহী পৰিষদৰ সন্মানীয় সদস্য। নক'লেও হ'ব দুয়োজন বৰেণ্য ব্যক্তিৰ যুগ্ম প্ৰচেষ্টাই নগাঁও কলেজৰ বিদ্যায়তনিক শ্ৰীবৃদ্ধি তথা সৌষ্ঠৱ বৃদ্ধি কৰাত বিশেষ অৰিহণা যোগাইছিল।

সুখৰ বিষয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমাগতভাৱে ওলাই অহা অৰ্হতাসম্পন্ন অধ্যাপকসকলৰ যোগদানে কলেজখনৰ বিভিন্ন বিভাগত পুষ্টি সাধন কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগতে আনকি অধ্যক্ষ শৰ্মাদেৱে ইংৰাজী আৰু উপাধ্যক্ষ গোস্বামীদেৱেও অসমীয়া বিভাগত পাঠদান কৰিব লগা হৈছিল। লগতে উল্লেখ কৰা উচিত হ'ব যে সংস্কৃত বিভাগৰ অধ্যাপক দীনেশ দত্তই অসমীয়া আৰু ফণীন্দ্ৰলাল দত্তয়ো বাংলা পঢ়ুৱাব লগা হৈছিল ভালেকেইবছৰ ধৰি। স্বয়ং অধ্যক্ষ-উপাধ্যক্ষকে ধৰি সীমিত সংখ্যক স্থায়ী-অস্থায়ী অধ্যাপকৰ একনিষ্ঠ সেৱাই যেন কলেজখনক এক গহীন-গাম্ভীৰ্যপূৰ্ণ এখন উচ্চ মানৰ শিক্ষানুষ্ঠানৰূপে ভিতৰে-বাহিৰে প্ৰসিদ্ধি লাভ কৰাত প্ৰভূত অৱদান আগবঢ়াইছিল। এই ক্ষেত্ৰত কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ আৰু একাগ্ৰতাত বিশেষ মাত্ৰা প্ৰদান কৰিছে। তাৰে এটা মাত্ৰ উদাহৰণ দিওঁ। প্ৰায় ১৯৬০ চনমানলৈকে কলেজত বিজুলী সংযোগ নাছিল। গ্ৰীষ্ম-বৰ্ষা কালৰ উত্তাপ সহ্য কৰিয়েই পাঠদান-গ্ৰহণ চলি থাকে, হাতেটনা পাংখাও নাই। ৰাতিৰ বাণিজ্য শাখাত পেট্ৰমাক্স লাইটৰ সহায়ত ক্লাছবোৰ চলে, কেতিয়াবা এই লাইটেও আমনি কৰিলে মমবাতি লগায়ো ক্লাছ কৰা দেখা গৈছিল। আজি বাৰু তেনে অৱস্থাত কি হ'লহেঁতেন? আজিকালিৰ দৰে তেতিয়াৰ দিনত ঘৰুৱা বা পৰুৱা শিক্ষাৰ পয়োভৰ নাছিল, নাছিল মানে নাম-গোন্ধেই নাই। তথাপি পৰীক্ষাৰ ফলাফল আছিল অতি সন্তোষজনক। ইয়াৰ মূলতে হ'ল শিক্ষক-শিক্ষয়িত্ৰীৰ গুণগত মনোবৃত্তিৰ আত্মপ্ৰকাশ।

কলেজখনৰ এনে কৃতিত্ব তথা সুনামৰ গৰাকীজনেই হ'ল অধ্যক্ষ শৰ্মাদেৱ। লগতে আছিল অতি কম বেতনভোগী জ্যেষ্ঠ-কনিষ্ঠ অধ্যাপকসকলৰ শিক্ষাদানৰ ক্ষেত্ৰত ব্ৰতী আৰু ত্যাগী মনোভাব। জ্যেষ্ঠসকলে যেনেকৈ অধ্যক্ষ-উপাধ্যক্ষ দুজনৰ পদানুসৰণ কৰিছিল, আমি কনিষ্ঠসকলেও জ্যেষ্ঠসকলৰ আৰ্হি-আদৰ্শ অনুসৰণ, অনুকৰণ কৰাত চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলো উপকৃত হোৱাই নহয়, তেওঁলোকৰ মাজত অজানিতে শাসন-অনুশাসনৰ মাজেদি এক কৰ্তব্যবোধৰ জ্ঞান সঞ্চাৰিত হোৱা যেন দেখা গৈছিল। এই প্ৰসংগতে দুজন জ্যেষ্ঠতম

অধ্যাপকৰ বিষয়ে একাষাৰ বঢ়াই লিখিবলৈ মন গ'ল। উপাধ্যক্ষ অধ্যাপক মহেশচন্দ্ৰ দেৱগোস্বামী আৰু অধ্যাপক ফণীন্দ্ৰলাল দত্ত দুয়োৰে ব্যক্তিত্ব আৰু বৈশিষ্ট্য আছিল অনন্য। নীতি কঠোৰ গোস্বামী যেন কলেজখনৰ বাহিৰে-ভিতৰে সময়ানুৱৰ্তিতা আৰু নিয়মানুৱৰ্তিতাৰ প্ৰশিক্ষক। তেওঁৰ উপাধ্যক্ষতাৰ কালছোৱাত তেওঁৰ বাস্তৱমুখী ব্যৱস্থাই কলেজখনৰ শৈক্ষিক তথা সামাজিক পৰিৱেশ নিৰাময় হোৱা দেখা গৈছিল। পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰতো তেওঁ আছিল কঠোৰ। আনহাতে 'বিহলঙনি'ৰ স্বত্বাধিকাৰী সম্পাদক কুমাৰ শ্ৰীমধুসুদন নামে খ্যাত গোস্বামী আছিল ৰসৰ সাগৰ। ভালত ভাল, বেয়াত যমকাল গোস্বামী শিক্ষক জিৰণিকোঠাত কথাৰ মহলা মাৰোঁতে ৰসিক আখ্যান-উপাখ্যানৰ কথাৰে জিৰণিকোঠাত হাঁহিৰ খলকনি তোলাৰ তেওঁ আছিল প্ৰধান হোতা। সত্ৰীয়া পৰম্পৰা ৰক্ষা কৰিয়েই হওক নাইবা তেওঁৰ বিশ্ববিখ্যাত দাৰ্শনিক শিক্ষাগুৰু ছাৰ সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ আৰ্হিতে হওক, গোস্বামীৰ বিখ্যাত পাটৰ পাগুৰিটোও আছিল তেওঁৰ ব্যক্তিত্বৰে প্ৰতীক। যথাৰ্থতে আমি সকলোৱে তেওঁক সন্মানসহকাৰে সমীহো কৰিছিলোঁহক। অধ্যাপক দত্তদেৱ স্বভাৱতে সুশ্ৰী, স্বল্পভাষী, পণ্ডিতসুলভ সাজপাৰ পৰিহিত এজন বৰেণ্য ব্যক্তি। দুটাকৈ গুৰুত্বপূৰ্ণ বিষয়ত নিখুঁতভাৱে অধ্যাপনাৰত দত্তদেৱে জ্যেষ্ঠতাৰ ভিত্তিত গোস্বামীৰ পিছত উপাধ্যক্ষ পদ শুৱনি কৰি অধ্যক্ষ শৰ্মাৰ অৱসৰৰ পিছত ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰে।

আগতে উনুকিয়াই অহা হৈছে প্ৰায় ডেৰ দশক কাল ধৰি কলেজখনত পূৰ্ণাংগ পৰ্যায়ত সীমিত সংখ্যক অধ্যাপকেই ক্ৰমবৰ্ধমান ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিব লগা হয়। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিভিন্ন বিষয়ত অৰ্হতাসম্পন্ন অধ্যাপকৰ প্ৰাৰ্থীৰ সৰবৰাহ হ'বলৈ ধৰে। এইজনা অধ্যক্ষৰ কালতেই নিযুক্ত হয় অসমীয়া বিভাগত সাহিত্যাচাৰ্য মহিম বৰা, ড° সৰ্বেশ্বৰ ৰাজগুৰু, গদাধৰ শৰ্মা, মনমোহন দাস, স্বৰ্গীয় মাণিক বৰা; ইংৰাজী বিভাগত হবিবুৰ ৰহমান, মঃ আঃ ছালেহ; অৰ্থনীতিত স্বৰ্গীয় ভগৱান বৰুৱা, স্বৰ্গীয় জগত শৰ্মা; ইতিহাসত ললিত শইকীয়া, ভানু দেৱী, অৰুণকান্তি দাস; ৰাজনীতিত স্বৰ্গীয় তগৰ বৰা, প্ৰণৱ শৰ্মা, আব্দুল মহম্মদ; সংস্কৃতত গুণ শইকীয়া; দৰ্শনত বসন্ত ভূঞা, সতীশ কাকতী, মানবেন্দ্ৰ নাগ; অংকশাস্ত্ৰত চন্দ্ৰপ্ৰভা দেৱী, উদ্ভিদ বিজ্ঞানত আব্দুল হাকিম, অসীমা দেৱ, স্বৰ্গীয় বলদেৱ শৰ্মা, বলীন শইকীয়া; পদাৰ্থ বিজ্ঞানত বিমল বৰা, গণেশ বৰুৱা, উমেশ শৰ্মা, বিনয়ভূষণ পাল, মোহন বৰা, বলেন শৰ্মা, অৰ্পণা গোস্বামী; ৰসায়ন বিজ্ঞানত

মোহন সিং, শ্বাহ আলম, বাবুলাল পাল, অৰুণ বৰ্মণ, মুনীন্দ্ৰ মহন্ত, দ্বিজেন দাস, ৰমেন বৰা; বাণিজ্য বিভাগত স্বৰ্গীয় প্ৰফুল্ল কটকী, স্বৰ্গীয় পূৰ্ণেশ্বৰ বৰদলৈ, স্বৰ্গীয় সুৰেন ভূঞা; ভূগোল বিভাগত কমল চন্দ্ৰ গোস্বামী, হৰেশ্বৰ বৰুৱা, মুৰুলীধৰ নাথ আৰু আৰবী বিভাগত এ. উল্লাহ আদি। (পাহৰণিৰ গৰ্ভত দুই-এজনৰ নাম উল্লেখ নহ'বও পাৰে, তাৰ বাবে ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লোঁ।) উপৰিউক্ত অধ্যাপক-প্ৰবক্তাসকলৰ একনিষ্ঠ সেৱাৰ ফলত শিক্ষানুষ্ঠান নগাঁও কলেজত ১৯৬২ চনত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী আৰু ১৯৬৫ চনৰ পৰা স্নাতক পাঠ্যক্ৰমত ভূগোল বিজ্ঞান বিষয়টো নানান বাধা-বিঘিনিৰ মাজতে প্ৰৱৰ্তন কৰাটো সম্ভৱ হৈছিল অধ্যক্ষগৰাকীৰ উৎসাহ আৰু উদ্যোগতে। বিভাগটো প্ৰৱৰ্তন কৰিব নোৱাৰাহেঁতেন মোৰো কাৰ্যকালৰ অকাল মৃত্যু ঘটাৰ সম্ভাৱনা আছিল, যিহেতু তিনি বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ লগে লগে মোৰ অধ্যাপকৰ বিষয়টো বাতিল কৰা হ'ল। লেবৰেটৰীসহ শ্ৰেণীকোঠাৰ জোৰা মৰা, উপযুক্ত শিক্ষকৰ নিযুক্তি আৰু বিশ্ববিদ্যালয়ৰ অনুমতিপ্ৰাপ্ত চৰকাৰী সংশ্লিষ্ট বিভাগত অনুমোদন আদি এশ এবুৰি সমস্যা সমাধানৰ ক্ষেত্ৰত কেৱল মোকে সহায়-সহযোগ কৰাই নহয় কলেজখনত এটি প্ৰয়োজনীয় বিষয়ৰ শিক্ষাদানৰ ব্যৱস্থা সম্ভৱ কৰি তোলাত অধ্যক্ষজনৰ ভূমিকা আছিল যথেষ্ট। এনেদৰেই অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ কাৰ্যকালত নগাঁও কলেজ তথা নগাঁৱৰ ৰাইজে উচ্চ শিক্ষাৰ ক্ৰমোন্নতিত অগ্ৰসৰ হ'ব পাৰিছিল।

শতমুখে স্বীকাৰ কৰিব লাগিব যে সেই কালৰ সেই পৰিৱেশত অসমৰ শিক্ষা জগতত নগাঁও কলেজে এখন বিশিষ্ট আসন অধিকাৰ কৰিবলৈ সক্ষম হয়। কলেজখনৰ এনে এক ঐতিহ্যবাহী পটভূমিতেই আজিৰ এই উচ্চ শিক্ষানুষ্ঠানটো এক বৃহৎ পৰিসৰলৈ ধাৱমান হৈছে আৰু হ'ব পাৰিছে। শুভমস্তু।

(এই প্ৰবন্ধটি ২১ মে' ২০১৯ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত ইতিমধ্যে প্ৰকাশিত।)

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন অধ্যাপক, নগাঁও মহাবিদ্যালয় আৰু
নগাঁৱৰ জি. এন. ডি. জি. বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষ।

# নগাঁও কলেজৰ বুধমণ্ডলী

ড° ৰাজেন শইকীয়া

(১)

১৯৬৫ চনত আমি যেতিয়া নগাঁও কলেজৰ প্ৰাক্ বিশ্ববিদ্যালয় কক্ষত ভৰি দিছিলোঁ, কলেজখনে কুৰি বছৰ অতিক্ৰম কৰিছে মাত্ৰ। কলেজৰ একেবাৰে আদিছোৱাৰ কেইবাগৰাকী ছাত্ৰ তেতিয়া কলেজখনৰ অধ্যাপকৰূপে জ্যোতিষ্মান। মহিম বৰা, ললিত শইকীয়া, তগৰ বৰা আৰু এজন বা দুজন। ইতিহাসৰ কাল-নিৰূপণৰ মাপকাঠিৰে আমিবোৰো পূৰ্ণ যৌৱনা কলেজখনৰ প্ৰথম প্ৰজন্মৰে ছাত্ৰ আছিলোঁ। নতুনৰ এক সমাকুল স্নিগ্ধতা কলেজখনত তেতিয়াও বিৰাজমান।

নগাঁও কলেজ বুলিলে, চকুত লগা নিৰ্মাণ শৈলীৰ বৈশিষ্ট্যপূৰ্ণ আছাম টাইপৰ আটোমটোকাৰীকৈ ৰখা, পূৱা-পশ্চিমাকৈ আৰু তাৰে পূব কোণৰ পৰা একে জোখৰ উত্তৰা-দক্ষিণাকৈ ওলোটা এল পেটাৰ্ণৰ ঘৰটোৱেই আছিল প্ৰথম দৰ্শনতে মনলৈ অহা আৰ্হি। আপুনি গেটেৰে ভিতৰলৈ সোমাই গ'লে দেখিব সোঁফালে বৰদলৈ ভৱনটো আৰু বৰদলৈ ভৱনৰ ওখ মঞ্চটোৰ দক্ষিণফালে পিঠিয়া-পিঠিকৈ লাগি থকা সমান উচ্চতা আৰু প্ৰস্থৰ আৰু তিনিটা কোঠা। এই অংশটো পৰৱৰ্তী কালৰ সংযোজন। বৰদলৈ ভৱনত নিয়মিতভাৱে ক্লাছ হৈছিল।

কলেজ চৌহদৰ পশ্চিম সীমাত তেতিয়া মণিৰাম দেৱান পথ নামেৰে চিহ্নিত পথটোৰ সমান্তৰালভাৱে ছায়েন্স বিল্ডিং, শ্ৰেণী কোঠা আৰু লেবৰেটৰী। সেইখনেই আমাৰ দিনৰ নগাঁও কলেজ। পৰস্পৰ সম্পৰ্কহীন, আকৃতি আৰু প্ৰকৃতিৰ সংগতি নথকা, ইতিপূৰ্বে উল্লেখ কৰা ত্ৰিমূৰ্ত্তিৰ গৰ্ভতে আছিল অধ্যক্ষ, উপাধ্যক্ষ,

অধ্যাপক-অধ্যাপিকা, কলেজ কাৰ্য্যালয়, লাইব্ৰেৰি, লাইব্ৰেৰি সংলগ্ন পঢ়া কোঠা আৰু কলেজৰ আটাইবোৰ শ্ৰেণীকোঠা।

আমি বুজ লোৱাসকলে শুনিছিলোঁ যে ওপৰত উল্লেখ কৰা আছাম টাইপৰ ঘৰকেইটাৰে কলেজ চৌহদৰ ভূমিখণ্ড নতুন অসম নিৰ্মাণৰ স্বপ্নদ্ৰষ্টা মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ চৰকাৰৰ পৰা কলেজ কৰ্তৃপক্ষই এটকা মূল্য দি ক্ৰয় কৰিছিল। সেইজনা বৰদলৈৰ পূণ্যস্মৃতিতে বৰদলৈ ভৱন।

পূবা-পশ্চিমাকৈ থকা ঘৰটোৰ মাজতে মূল ঘৰটোৰ সৈতে সামঞ্জস্য থকা এটা turret বা গম্বুজ। তাৰ তলেদি কৰিডৰ। কৰিডৰ পাৰ হৈ গ'লেই সন্মুখত ছাত্ৰীৰ জিৰণি কোঠা। নামফলক লগোৱা এটা বহল, চাপৰ চালি সদৃশ ঘৰ। ল'ৰাৰ বাবে জিৰণি কোঠা নাছিল। নাছিল ছাত্ৰ ইউনিয়নৰ বাবে সুকীয়া কোঠা। আড্ডা মাৰিবলৈ সময় সুযোগ আৰু সঙ্গ নথকাসকল অফ্‌পিৰিয়ডত বৰদলৈ ভৱনৰ এমূৰে হামিয়াই-হিকটিয়াই বহি থাকে; তাত ৰুচি নথকাসকল লাইব্ৰেৰিলৈ যায়। লাইব্ৰেৰিত সাধাৰণতে একেবোৰ ছাত্ৰকে দেখা গৈছিল। লাইব্ৰেৰিত গৈ পঢ়া কোনো ছাত্ৰীৰ মুখ মোৰ মনত নপৰে।

কলেজ বিল্ডিং নামৰ উল্লিখিত ত্ৰিমূৰ্ত্তিৰ অৱস্থান ইতিপূৰ্বে কোৱাৰ দৰে 'পৰস্পৰ সম্পৰ্কহীন' কিন্তু তাৰ আন্তঃ প্ৰকৃতি যৌগিকভাৱে এক আৰু অবিচ্ছেদ্য। নগাঁও কলেজ বুলিলেই আমাৰ মনৰ পৰ্দাত সিবোৰৰ এটি শ্ৰীময়ী ৰূপ ভাহি উঠে। কলেজ মানেই, তাৰ প্ৰথম চৰ্ত্ত-অধ্যাপক-অধ্যাপিকাসকল। শিক্ষকসমাজে কি কি বস্তুক মূল্য দিয়ে, মূলতঃ তাৰ ওপৰতে নিৰ্ভৰ কৰে সমাজত তেওঁলোকৰ পৰিচয়, প্ৰাধান্য আৰু প্ৰাপ্তি। আমাৰ দিনৰ কলেজখনৰ সকলো বিষয়ৰ অধ্যাপকসকলক আমি নামেধামে জানিছিলোঁ। তেওঁলোক প্ৰত্যেকেই আছিল আমাৰ বাবে বৰণীয় আৰু শ্ৰদ্ধেয়। অধ্যাপিকা আছিল মাত্ৰ দুগৰাকী, স্বৰ্গীয়া ভানু দেৱী আৰু শ্ৰীযুতা চন্দ্ৰপ্ৰভা দেৱী।

দেৱদূতসকল সৰগত সকলো সমান। তাৰ মাজতো নগাঁও কলেজৰ একোজন সুশোভন শিক্ষকে দেৱদাৰু গছৰ দৰে দূৰৰ পৰাই আমাক অকৰ্ষণ কৰিছিল। সেই সকলৰ মাজত অৱশ্যেই আছিল বুধমণ্ডলীৰ শিৰোমণি কলেজখনৰ অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা (১৯০৬ -- ১৯৯৮)। অক্ষম হাতেৰে প্ৰথমেই তেওঁৰ জীৱনকথাৰ এটি ৰেখাচিত্ৰ দাঙি ধৰিব খুজিছোঁ।

(২)

দুস্তৰ গতি নিৰোধক আৰ্থিক অভাৱৰে সৈতে হাঁহি মুখে আপোচ কৰি যজ্ঞেশ্বৰ শৰ্মাই জীৱনত এটা শিক্ষাবৰ্ষও অথলে যাবলৈ দিয়া নাছিল। যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯২৩ চনত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰি তেওঁ চিধা চিৰিয়েদি উঠি গ'ল। কটন কলেজৰ পৰা আই.এ আৰু বি.এ; ১৯২৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম. এ. পাছ কৰি কৰ্মজীৱনত প্ৰৱেশ কৰিলে। কলিকতাত পঢ়িবলৈ যোৱা বহু অসমীয়া ছাত্ৰৰ তুলনাত এইটো এটা ব্যতিক্ৰমী অভিলেখ। তেওঁৰ আত্মপ্ৰত্যয় আৰু উচ্চাশা আছিল অব্যক্ত, কিন্তু পাটকাই পৰ্বতৰ টিংটোৰ দৰে স্থিৰ। যজ্ঞেশ্বৰ শৰ্মাই কলিকতাৰ খণ্ড প্ৰবাসত তেওঁৰ জ্ঞানেন্দ্ৰিয়ই উপভোগ কৰিব পৰা আৰু তেওঁৰ দেহ-মন-চৰিত্ৰক নিটোল ৰূপত গঢ়িব পৰা সকলো সম্পদ যোল অনা আয়ত্ত কৰিছিল। অন্নজলৰ দায়ত তেওঁ শ্ৰীহট্টৰ মুৰাৰীচাঁদ আৰু কটন কলেজতো বনাই গ'লহি কিছুদিন।

ইতিমধ্যে যোৰহাটত অসমৰ প্ৰথমখন বেচৰকাৰী কলেজ প্ৰতিষ্ঠাৰ গহীন আয়োজন। কৃষ্ণকান্ত সন্দিকৈক সেনাপতি ৰূপে লৈ যজ্ঞেশ্বৰ শৰ্মা আৰু আন চাৰিজনমান অধ্যাপকে চৰকাৰৰ উদাসীনতা নহয়, প্ৰচ্ছন্ন বৈৰিতাৰ প্ৰতিমুখে এখন বেচৰকাৰী কলেজ পাতি উচ্চাভিলাষী অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সন্মুখত এক সাহসী আৰু সময়োচিত দৃষ্টান্ত প্ৰতিষ্ঠা কৰিলে; লগে লগে কৰ্ণোপকৰ্ণিকা হৈ সেই সংবাদ তেতিয়াৰ বৰ অসমখন ৰজনজনাই গ'ল। ব্ৰিটিছ বাৰ্ঢ়েয়ে গঢ়া সময়ে সময়ে মেৰামতি কৰি কাম চলাই থকা এই কৃত্ৰিম 'বৰ অসম'ৰ প্ৰতি আমাৰ যে কি অকাৰণ দুৰ্বলতা! অসমত কলেজীয়া শিক্ষাৰ সম্প্ৰসাৰণত আপাৰ আছাম বা পৰৱৰ্তীকালৰ জগন্নাথ বৰুৱা কলেজে সৰ্বপ্ৰকাৰে আলোকবৰ্তিকাৰ কাম কৰিছিল। সেয়া ১৯৩০ চনৰ কথা।

১৯৩২ চনৰ ৰত্নকান্ত বৰকাকতীৰ কবিতা পুথি *শেৱালি*ৰ পাতনি লেখি বৰকাকতীৰ মৌলিকত্ব আৰু তেওঁৰ কবিতাৰ সৌন্দৰ্য বিশ্লেষণ কৰি যজ্ঞেশ্বৰ শৰ্মাই এটা ডাঙৰ কাম কৰিলে। কবি আৰু সমালোচক দুয়ো যেন ৰাতিটোৰ ভিতৰতে নগাঞা মানুহৰ আপোনজন হৈ পৰিল।

১৯৩৩ চনত নগাঁৰৰ ব্ৰজবালা ভট্টাচাৰ্যৰ লগত শৰ্মা ছাৰৰ বিবাহ সম্পন্ন হ'ল। এই বিয়াৰ ফল চাৰি পুত্ৰ এক কন্যা। ব্ৰজবালা বাইদেউ অতি গুণী, উদাৰ

আৰু অতিথিপৰায়ণ গৃহিণী আছিল। ছাৰৰ সীমিত উপাৰ্জনেৰে ঘৰ চলোৱাৰ সকলো দায়িত্ব আছিল বাইদেউৰ। ১৯৩৭ চনত ছাৰৰ সম্পাদনাত কবিতা সংকলন শতপত্ৰ ৰ প্ৰকাশ; ছাৰৰ সাহিত্যিক জীৱনৰ লেণ্ডমাৰ্ক।

১৯৪৪ চনত নগাঁও কলেজ প্ৰতিষ্ঠা আৰু যজ্ঞেশ্বৰ শৰ্মা তাৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। যোৰহাটৰ হেম বৰুৱাও নগাঁও কলেজৰ অধ্যক্ষ পদৰ বাবে আগ্ৰহী আছিল। দেৱকান্ত বৰুৱাই তেওঁক কলে -- মাছ-গাখীৰ খাই থাকিব খুজিছা যদি নগাঁৱলৈ যোৱা, ৰাজনীতি কৰিব খুজিছা যদি গুৱাহাটীলৈ আহাঁ।

নগাঁও কলেজ প্ৰতিষ্ঠাৰ উদ্যোগপৰ্বত যজ্ঞেশ্বৰ শৰ্মা আছিল কলেজখনৰ প্ৰধান মূলধন। ইংৰাজী, অসমীয়া আৰু সংস্কৃত এই তিনিটা বিষয়ত তেওঁ সমান দক্ষতাৰে পাঠদান কৰিছিল। কলেজ আৰু তেওঁৰ খ্যাতিৰ বিস্তাৰ সমান্তৰালভাৱে ঘটিছিল। ১৯৬৫ চনত শৰ্মা ছাৰক নগাঁও কলেজৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীকোঠাত আমি প্ৰত্যক্ষ শিক্ষকৰূপে পাইছিলোঁ। ছাৰে আমাক পঢ়ুৱাইছিল পালগ্ৰেভৰ দ্বাৰা সম্পাদিত গ'ল্ডেন ট্ৰেজাৰীৰ কবিতা কেইটামান। ছাৰৰ ক্লাছ আৰম্ভ হ'ল-- প্ৰথমে কবিজনৰ বিষয়ে পৰিচয়সূচক দুটামান সোৱাদলগা কথা। যেনে ৱৰ্ডছ্‌ৱৰ্থক প্ৰকৃতিৰ কবি বুলি হাইস্কুলতে সকলোৱে জানিছিল তেওঁৰ 'দা ডেফডিলছ' নামৰ কবিতাটোৰ বাবে। ছাৰে ক'লে, কবিজনে বহুদিনলৈ প্ৰকৃতিৰ সৌম্যমূৰ্ত্তিৰে আৰাধনা কৰি আহিছিল। কিন্তু এদিন জন নামৰ তেওঁৰ অতি মৰমৰ ভায়েকজনক সাগৰৰ ঢৌৱে অকস্মাতে উটুৱাই হৈ গ'ল। তেতিয়াৰ পৰা ৱৰ্ডছ্‌ৱৰ্থ প্ৰকৃতিৰ ৰুদ্ৰমূৰ্ত্তিৰ প্ৰতিও সজাগ হ'ল। যিকোনো কবিতাৰ আটাইতকৈ অৰ্থপূৰ্ণ শাৰিকেইটা তেওঁ প্ৰথমে মাতি শুনাব, এবাৰ, দুবাৰ। পাছত তাৰ অৰ্থ বিশ্লেষণ আৰু ৰসবিস্তাৰ। মুহূৰ্ততে কবিতা সৃষ্টিৰ সময় আৰু তাৰ সাংস্কৃতিক দূৰত্ব তেওঁ নোহোৱা কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পৰিৱেশ-পৰিসৰত কবিতা উপলব্ধিৰ চমু বাট বিচাৰি পায়। তেওঁ আমাক কবিতা পঢ়ুৱাইছে, ইংৰাজী ভাষাৰ কবিতা সেইটো পাছৰ কথা। কবিতাৰ বিশ্বজনীন আবেদন ছাৰৰ কবিতাত বাঙ্ময় হৈ উঠে। আমাৰ ধাৰণা হৈছিল কবিতাই শ্ৰেষ্ঠ সাহিত্য।

যজ্ঞেশ্বৰ শৰ্মা পণ্ডিত এই ক্ষুদ্ৰ ৰেখাচিত্ৰৰ প্ৰতিপাদ্য বিষয় সেইটো নহয়. কবি সমালোচক দিলীপকুমাৰ বৰুৱাই শৰ্মা ছাৰৰ এটা জোখ দিছে -- 'জ্ঞানৰ উচ্চতা যাৰ জটায়ু পাখীত বন্ধা।' কৃতবিদ্য অধ্যাপকগৰাকীৰ জোখটো যে নিৰ্ভুল সেই

বিষয়ে সন্দেহ নাই। আৰু সমস্যা সেইটোৰেই, শৰ্মা ছাৰৰ পাণ্ডিত্য আমাৰ বাবে একেবাৰে off-scale। অনিৰ্ণেয়।

শৰ্মা ছাৰ মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। কিন্তু জাতীয়তাবাদতকৈ মানবিকতাবাদক তেওঁ উচ্চস্থান দিছিল। তেওঁ আছিল ৰবীন্দ্ৰনাথ ৰাধাকৃষ্ণণৰ সাংস্কৃতিক জাতীয়তাবাদৰ অনুগামী। যোৱা দুটা শতিকাত বহুদেশত দেশপ্ৰেম 'idolatry of geography' বা ভূগোল উপাসনালৈ অধঃপতিত হৈছে। হিউমেনিষ্ট সকলৰ উপাস্য প্ৰতিমা দেশৰ ভূগোল, ধৰ্ম বা সম্প্ৰদায় নহয় মনুষ্যত্ব। ছাৰ কোনো ধৰ্ম সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত নাছিল। ছাৰৰ দৃষ্টিত মনুষ্যত্বৰ উপাসনাই ঈশ্বৰ উপাসনাৰ সমতুল্য। তেওঁৰ ৰচনাত ভক্তি আছে বিগ্ৰহ নাই। সেই ভক্তি গীতাৰ ভক্তি, কৰ্মৰ ভক্তি য'ত সকলোৰে সমান অধিকাৰ। গীতাক তেওঁ জীৱনৰ উৎসৰ বুলিছিল।

যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ ব্যক্তিত্বৰ বিৰল বৈশিষ্ট্য তিনিটা-- জীৱন আৰু জগতৰ প্ৰতি অন্তহীন নিৰ্মল কৌতূহল, বাক্-বিভূতি আৰু আত্মলঘিমা। কৌতূহল নিৰসন কৰিবলৈ যিমানদিনলৈকে পাৰে তেওঁ কিতাপ পঢ়িলে। দৃষ্টিশক্তি হেৰুৱাই যেতিয়া পঢ়াত দইন পৰিল, তেওঁৰ সঙ্গী হ'ল এটা সৰু ৰেডিঅ'। বাক্-বিভূতি তেওঁৰ কষ্টলব্ধ ঐশ্চৰ্য। কওতা আৰু শ্ৰোতাৰ মাজত বাক্-সংযোগ যে উচ্চমানৰ কলা সেই কথা ছাৰৰ লগত থাকিলেহে উপলব্ধি কৰিব পাৰি। তেওঁৰ বক্তব্য অননুকৰণীয়ভাৱে চমু, তাৰ মাজতে তেওঁৰ আলোকসঞ্চাৰী চিন্তাৰ পূৰ্ণ প্ৰকাশ ঘটে। 'দুবৰি বনতকৈ সৰু তই লক্ষ্মীনাথ ধূলিৰো তলৰে ধূলি...।' নিজকে দুবৰি বনতকৈ ক্ষুদ্ৰ বুলি ভবা বৈষ্ণৱ আদৰ্শৰ অহংকাৰশূন্য ভাব ফুটি উঠা বেজবৰুৱাৰ এই চৰণটি শৰ্মা ছাৰে মাজে মাজে আওৰাইছিল। বিদ্যা দদাতি বিনয়ং -- এই ঋষিবাক্যৰ উত্তম প্ৰমাণ শৰ্মা ছাৰ। ছাৰ আছিল যাক ইংৰাজীত কোৱা হয় এটা fruity voice ৰ অধিকাৰী।

বাটৰ কাঁইট ডেও দি পাৰ হৈ অচিন আনন্দ আশ্ৰমৰ মুখে তেওঁৰ বিৰামহীন যাত্ৰা অব্যাহত ৰাখিছিল, শিশুমনৰ সৰলতাৰে। বিশ্ৰাম কি বস্তু তেওঁ নাজানিছিল, তেওঁৰ বিশ্ৰাম আছিল বেদব্যাসৰ বিশ্ৰাম।

(৩)

অধ্যক্ষৰ উপৰি আমাৰ মনত কেতিয়াও পাহৰিব নোৱৰা সাঁচ বহুৱাইছিল আৰু কেইজনমান অধ্যাপকে। এবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয় পাঠ্যক্ৰম আছিল এটা তড়িৎ প্ৰবাহ; ভাগ্য-নিৰ্ণায়ক ছালতামামি। বৰ লায়েকৰ নহ'লে অধ্যাপক-অধ্যাপিকাৰে

সৈতে বন্ধুত্ব গঢ়ি নুঠে। ভাগ্যৰ কি চমৎকাৰ ফেৰ যে মোৰ ক্ষেত্ৰত তাৰ ব্যতিক্ৰম ঘটিছিল। সেই সৌভাগ্যৰ একোটিহঁত ভগ্নাংশ মহিম বৰা, ললিত শইকীয়া, তগৰ বৰা, কমল গোস্বামী, কামাখ্যা কমল পণ্ডিত আৰু নিৰ্মল সামাদ্দাৰ ছাৰৰ স্মৃতি। প্ৰতিগৰাকী অধ্যাপকৰে মই সাক্ষাৎ শিষ্য নাছিলোঁ।

মহিম বৰা ছাৰ তেতিয়াই খ্যাতনামা সাহিত্যিক। কিন্তু কাঢ়া শিক্ষক। আজিৰ দিনত কোনেও ভাবিব নোৱৰা দুটা কাহিনী কওঁ। ছাৰ ক্লাছলৈ সোমোৱাৰ খন্তেক পাছতে দুগৰাকী ছাত্ৰীয়ে শ্ৰেণীত প্ৰৱেশ কৰাৰ অনুমতি বিচাৰিছে। তেওঁলোকৰ প্ৰসাধনকক্ষত বোধহয় পৰ্যাপ্ত পোহৰ নাছিল। ছাৰৰ প্ৰথম সম্ভাষণ-'অহ, তোমালোক দেখোন একেবাৰে ভাৱৰীয়া হৈ ওলাইছাহি।' সকলোৱে ৰস পাইছিলোঁ ঠিকেই কিন্তু ৰসৰ উদ্‌গীৰণ হোৱা নাছিল। আন এদিন ছাৰ মজি আছে যতীন্দ্ৰনাথ দুৱৰাৰ ওমৰখায়ামত। পাছফালে আমাৰ এক ছাত্ৰবন্ধুৰ নিয়ন্ত্ৰণহীন কাহ আৰু কাহ। ছাৰে মূৰ তুলি চাই ফোৰণ দিলে - 'কোন অ' সেইটো, ষাঁড়গৰুৰ দৰে হুঁতুৰিয়াই আছে। নাম্বাৰ টেন?' (নাম্বাৰ টেন সেইদিনৰ অতি সস্তীয়া চিগাৰেট)।

মহিম বৰাই বিচাৰিছিল অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰিব খোজাসকলে বাণীকান্ত কাকতি আৰু বিৰিঞ্চিকুমাৰ বৰুৱাৰ সকলো ৰচনা পঢ়িব লাগে। অলপ পৈণত হ'লে শংকৰদেৱ পঢ়িব লাগে। তেতিয়ালৈকে ছাৰৰ প্ৰকাশিত গল্প কবিতা একো পঢ়িবলৈ বাকী নাছিল মোৰ। কিন্তু ছাৰক পঢ়িছোঁ বা পঢ়ি ভাল পাইছোঁ বুলি ক'বলৈ সংকোচ হৈছিল। তাৰ বহু বছৰৰ পাছত ছাৰে সেই কথা শুনি আক্ষেপ কৰিছিল - 'তোমালোকৰ পৰা তেতিয়া সেই কথা শুনা হ'লে কিমান ভাল লাগিলহেঁতেন। কিমান উৎসাহিত হ'লোঁহেঁতেন।' এবাৰ তেওঁৰ 'মই বিচৰা চিঠিখন' নামৰ কবিতা গাই শুনালোঁ, ছাৰৰ কি আনন্দ! মই ছাৰক কৈছিলোঁ কবিতাটো ৰামধেনুত ওলাওঁতেই দুবাৰমান পঢ়িলত মনত ৰৈ গৈছিল। হয়তো অনুভূতিপ্ৰৱণ বয়সটোৰ বাবে। এই কবিতাটোত এটা সুৰৰ সন্মোহন আছে। ছাৰক লগতে কৈছিলোঁ - মই কিয়, আমাৰ প্ৰজন্মৰ শ শ ল'ৰা-ছোৱালীয়ে আপোনাৰ গল্প কবিতা পঢ়ি তৃপ্তি পায়। তেওঁ নিজে নাজানিছিল তেওঁৰ পাঠকসমাজৰ আয়তন কিমান।

মহিম বৰা আছিল ১৯৪২ ৰ গণবিপ্লৱৰ মৃত্যুবাহিনীৰ দুৰ্দান্ত কৰ্মী। পাছলৈ তেওঁ কমলেশ্বৰ বৰা, দেবেন বৰা, ৰুদ্ৰ বৰুৱাৰ (তিনিও স্বনামধন্য নগাঁওৰ) লগত ছাত্ৰ কংগ্ৰেছ কৰিছিল। ১৯৪৬ চনৰ ১৬ আগষ্ট তাৰিখে মুছলিম লীগে আহ্বান

জনোৰা কুখ্যাত প্ৰত্যক্ষ সংগ্ৰামৰ দিনটোত অসম মুছলিম লীগৰ সভাপতি মৌলানা হামিদ খান ভাছানীয়ে নগাঁও কলেজত এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছিল। ৰাজনৈতিক চাপত কলেজৰ অধ্যক্ষই অনুমতিও দিছিল। এই কথাত ছাত্ৰসমাজ জাঙুৰ খাই উঠিল। ভাছানীৰ হুংকাৰত ইতিপূৰ্বেই ছাত্ৰ সমাজ উতলি আছিল। গেটৰ সন্মুখত হয় ৰঙামাটি নহয় গুৱাহাটী সংকল্প লৈ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্বত আছিল মহিম বৰা (১৯২৪-২০১৬), কমলেশ্বৰ বৰা (১৯২৭-২০১৩), দেবেন বৰা (১৯২৯-২০০৭) আৰু ৰুদ্ৰ বৰুৱা (১৯২৬-১৯৮০)। শেষমুহূৰ্তত কাৰোবাৰ শুভবুদ্ধি উদয় হ'ল। ৰাজহুৱা সভাখন অলপ আঁতৰত ঈদগাহ ময়দানত অনুষ্ঠিত হ'ল। ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ দিনা নগাঁও চহৰৰ আটাইতকৈ মৰ্মাহত, ক্ষুব্ধ, উত্তেজিত, অশ্ৰুপ্লাৱিত নয়নেৰে কৰ্ত্তব্যসন্ধান আৰু কৰ্ত্তব্যনিৰ্দেশ বিচাৰি শিশুৰ দৰে ব্যাকুল হোৱা মানুহজন আছিল নগাঁও কলেজৰ আঠত্ৰিশ বছৰীয়া ডেকা অধ্যাপক মহিম বৰা। চিন্তা আৰু কথাৰ ভাঁজ-ভুজং নথকা এইজন কলীয়াবৰীয়া ডেকা গদাধৰ। অভিযেক তেওঁৰ পাছলৈ। গণতান্ত্ৰিক যুগৰ ৰাজমুকুট তুল্য সন্মান তেওঁ ছন্দময় জীৱনৰ ফাঁকে ফাঁকে একাধিকবাৰ লাভ কৰিছিল।

(৪)

দশম শ্ৰেণীৰ বুৰঞ্জীৰ পাঠ্যক্ৰমৰ লগত সামান্যতম সম্পৰ্ক নথকা, শিল্প বিপ্লৱৰ পৰা দ্বিতীয় যুদ্ধলৈ বৃহৎ ঘটনাপুঞ্জ আছিল আমাৰ পাঠ্যবস্তু। ললিত শইকীয়া (১৯২৮-২০১১) ছাৰে ইংৰাজীত সকলো ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ, সাৱলীলভাৱে, বিষয়ভেদে উঠা নমা ছন্দত বিষয়বস্তু দাঙি ধৰে। দৃপ্ত কণ্ঠেৰে তেওঁ নিজেই যেতিয়া একোটিহঁত চৰিত্ৰৰ বৈশিষ্ট্য বা উক্তিবোৰ নাটকীয় ভঙ্গীত উপস্থাপন কৰে, ইতিহাসৰ স্মৰণীয় মুহূৰ্তবোৰ তেতিয়া অধিক নাটকীয় আৰু উপভোগ্য হৈ পৰে। কোনোবাটো শব্দৰ অৰ্থ নুবুজিলেও কথা নাই নিৰ্দিষ্ট পৰিস্থিতিত শব্দটোৰ আভিধানিক বা আলংকাৰিক অৰ্থই নিজেই ধৰা দিয়েহি। বৰদলৈ হলৰ মঞ্চত তেওঁ সদায় থিয় হৈ ছাত্ৰ-ছাত্ৰীৰ মুখলৈ চাই লেকচাৰ দিয়ে। আটিল দেহ, পৰিপাটি সাজ-পাৰ, চিকুণকৈ দাড়ি খুৰোৱা, প্ৰশস্ত কপাল, পুৰঠ মুখমণ্ডল আৰু চিক্‌চিকাই থকা ক'লা জোতাৰে, ঠাণ্ডা দিনত কোট-টাই লগোৱা ছাৰক চালে চাই থাকিব পাৰি।

একালৰ সাহিত্যৰ ছাত্ৰ ললিত শইকীয়া। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁৰ অতি হেঁপাহৰ ইংৰাজীৰ এম এ ডিগ্ৰীটো হাতৰ তলেদি সৰকি গ'ল

বিশ্ববিদ্যালয়ত দিবলগীয়া ফিজৰ অভাৱত। কলিকতাৰ পৰা ভগ্নমনোৰথ হৈ উভতি আহি অবাঞ্ছিত, অনিশ্চিত অৱকাশৰ মাজতে তেওঁৰ বন্ধুত্ব গঢ়ি উঠিছিল 'ত্রিপাঠী' উপাধিৰ নগাঁও কলেজৰ অধ্যাপক এজনৰ লগত। এইজন অধ্যাপক ত্রিপাঠীয়েই ছাৰক চিফিল চাৰ্ভিছ পৰীক্ষাত বহিবলৈ উৎসাহিত কৰিছিল। ছাৰে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উচ্চস্থান লাভ কৰিও এক অনাকাঙ্খিত ঘটনাৰ বিড়ম্বনাত পৰি সেই সুযোগে হেৰুৱাইছিল। আমাৰ সৌভাগ্য, শেহত ছাৰ ইতিহাসৰ অধ্যাপক হ'ল।

আৰু অধ্যাপক 'ত্রিপাঠী'? তেওঁ বিশ্বকেশ ত্রিপাঠী। নগাঁও কলেজৰ পৌৰবিজ্ঞানৰ অধ্যাপক আছিল এবছৰমানৰ বাবে। আই পি এছ লাভ কৰি গ'লগৈ। অতি আকস্মিকভাৱে তেওঁৰ লগত মোৰ সাক্ষাৎ হৈছিল। তেওঁ ওৰিয়া ভাষাৰ প্রতিষ্ঠিত লেখক। ভাৰতৰ বিদ্রোহী, বিচ্ছিন্নতাবাদী আন্দোলনৰ বিষয়ে তেওঁৰ প্রামাণ্য গ্রন্থ আছে ইংৰাজী ভাষাত।

ললিত শইকীয়া ছাৰৰ সাহিত্য অনুৰাগী মানস, সূক্ষ্মৰসানুভূতি আৰু পৰ্যবেক্ষণ ক্ষমতাৰ চিন ৰৈ আছে তেওঁৰ অসংখ্য বিক্ষিপ্ত লেখাত। তেওঁ মহিম বৰা, হেম বৰুৱা, দেৱকান্ত বৰুৱা আৰু ভবেন বৰুৱাৰ কবিতা ভাল পাইছিল। তেওঁলোকৰ এটা দুটা কবিতা ইংৰাজীলৈ অনুবাদ কৰিছিল। মহিম বৰা ছাৰৰ গল্পকেইটামানো ইংৰাজীলৈ অনুবাদ কৰিছিল। আমি নাজানিছিলোঁ ছাৰে কবিতাও লেখিছিল। তেওঁৰ কাব্য সংকলন *কবিতা কুঞ্জ* অলপতে প্রকাশ হৈছে।

(৫)

বুধমণ্ডলীৰ আৰু এক নক্ষত্র প্রফেছৰ তগৰ বৰা (১৯৩৭-২০০৫)। আমাৰ গাত ভাল ছাত্রৰ লক্ষণ নাছিল মুঠেও, কিন্তু আমি বা আমাতকৈ দুৰ্জনবোৰেও যে তগৰ বৰা ছাৰৰ সন্মোহনত পৰিছিলোঁ সেইটোৱেই ডাঙৰ কথা। ছাৰৰ ক্লাছত যদি কোনোবাই পলিটিকেল ছায়েন্স বুজা নাই, স্বয়ং ব্রহ্মা আহিও তেওঁক সেই বিষয়টো বুজাব নোৱাৰিব। সকলো স্তৰৰ ছাত্র-ছাত্রীৰ মন পৰশি যোৱাকৈ প্রতিটো বিষয়, প্রতিটো অধ্যায় ছাৰে পানী নসৰাকৈ বুজাই গৈছিল। নগাঁও কলেজৰ যিসকল ছাত্র-ছাত্রীয়ে তগৰ বৰাৰ ক্লাছ কৰিছে তেওঁলোকে মই কোৱা কথাৰ লগত আন কথা যোগ দিব পাৰিব কিন্তু কোনেও বোধহয় তেওঁৰ অধ্যাপনাৰ অসাধাৰণ ক্ষমতা অস্বীকাৰ নকৰিব। মোৰ কোনো সন্দেহ নাই, ছাৰ সেই বিষয়ে সজাগ আছিল আৰু নিজকে অতি সাৰ্থক প্রফেছৰৰূপে প্রতিষ্ঠা কৰাত নিৰন্তৰ চেষ্টা অব্যাহত ৰাখিছিল।

তেওঁ আছিল ১৯৫৮ চনৰ নগাঁও কলেজৰ স্নাতক। এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা এম এ পাছ কৰিলে ১৯৬১ চনত। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬১ চনৰ পৰাই ৰাজনীতি বিজ্ঞান বিষয়টো বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজসমূহত প্ৰৱৰ্ত্তনৰ ব্যৱস্থা কৰিছিল। সেই বছৰতে তগৰ বৰা ছাৰ নগাঁও কলেজৰ ৰাজনীতিবিজ্ঞানৰ অধ্যাপক আৰু বিভাগীয় মুৰব্বী হয়। পাছলৈ তেওঁ খাগৰিজান কলেজৰ অধ্যক্ষ হৈছিল।

সাজপাৰত সদায় পৰিপাটি, ক্লাছ আৰম্ভ হোৱাৰ ঠিক পাঁচ মিনিট আগতে মানুহজনৰ দৰেই চিকচিকাই থকা চাইকেলেৰে ছাৰ আহি টিচাৰ্চ কমনৰুমৰ পিছ বাৰান্দাত হাজিৰ হৈছিল। বেল পৰাৰ লগে লগে সম্পূৰ্ণ নিজা ষ্টাইলেৰে হাতত ৰেজিষ্টাৰ, ডাষ্টাৰ আৰু চক পেঞ্চিল কেইডালমান লৈ ক্লাছলৈ আহি, ৰোলকল কৰি বাঁও পকেটৰ পৰা অতি যতনেৰে ভাঁজ কৰি অনা বগা ৰুমালখনেৰে মুখখন লাহেকৈ এবাৰ মচি ঠিয় হৈ যে এবাৰ লেকচাৰ আৰম্ভ কৰিলে মাজত বা শেষত আৰু বহাৰ নিয়ম নাই। বেল পৰাৰ লগে লগে ছাৰে আলোচনা কৰা বিষয়টো বা তাৰ এটা অংশ সমাপ্ত হয়। গোটেই শিক্ষা বছৰ জুৰি এই ৰুটিন। পলমকৈ বুজিছিলোঁ, ষাঠিৰ দশকৰ সুপ্ৰসিদ্ধ এলাহাবাদী বিদ্যাৱত্তাৰ প্ৰভাৱে ছাৰৰ শিক্ষক-ব্যক্তিত্ব পৰিপুষ্ট কৰিছিল।

পৰৱৰ্তীকালত ছাৰে মোক বন্ধুৰ স্থান দিছিল। ছাৰৰ অন্তৰজগতখনৰ কথাও মই জানিছিলোঁ। সমাজৰ অৰ্থনৈতিক শোষণ, ৰাজনৈতিক নিষ্পেষণ, শঠতা, দুৰ্নীতি, হিংসা আৰু ৰাজনৈতিক প্ৰাণীকুলৰ প্ৰতিকাৰহীন নৈতিক অৱক্ষয়ে তেওঁক হতাশ কৰিছিল। কৰ্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাৰ অন্যনাম তগৰ বৰা - এনে প্ৰশস্তিয়ে তেওঁক সান্ত্বনা দিব পৰা নাছিল। ছাৰে যি কৈছিল সেই কথা ক'লে নগৰত জগৰ লাগিব। প্ৰতিষ্ঠাৰ দুই দশক পাছলৈকে কলা-বিজ্ঞান-বাণিজ্যৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান নগাঁও কলেজলৈ জিলাখনৰ অগণ্টি ছাত্ৰ-ছাত্ৰী আহি গুণী শিক্ষকসকলৰ যত্ন আৰু প্ৰেৰণাত তেওঁলোকৰ কোনো কোনোৱে ধাৰাবাহিকভাৱে নহ'লেও উদ্বেগহীন ব্যৱধানত প্ৰাক স্নাতক আৰু স্নাতক স্তৰৰ পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰতে চকুত লগা সফলতা অৰ্জন কৰিছিল। আন সকলেও সামান্য চেষ্টাৰে উচ্চতৰ শিক্ষা আৰু জীৱিকালাভৰ যোগ্যতা অৰ্জন কৰিছিল।

(৬)

বুধমণ্ডলীত অন্তৰ্ভুক্ত কৰিব পৰা আন অধ্যাপক-অধ্যাপিকাৰ গুণ-গৰিমাৰ বিষয়ে সিকলক ভালকৈ জনাসকলে লিখিব পাৰিব। মোৰ এই আলোচনা মোৰ

সংযোগ সম্পৰ্ক-আলাপ আৰু পশ্চাৎ অভিজ্ঞতাৰ ভিত্তিত দাঙি ধৰা হৈছে।

গণিতবিদ্যাৰ ৰূপ-ৰস-গন্ধ-বৰ্ণই ঢুকি নোপোৱা গ্ৰহত মোৰ যুগপৎ অৱস্থান। কিন্তু মোৰ সহপাঠী সকলৰ মুখত কামাখ্যাকমল পণ্ডিত (১৯১৮-১৯৯২) ছাৰৰ অসাধাৰণ শিক্ষণ পদ্ধতিৰ কথা শুনি আছিলোঁ। এদিন এজন সহপাঠীয়ে মোক লৈ গ'ল ছাৰৰ ঘৰলৈ। ছাৰে মোৰ গণিতভীতিৰ কথা শুনি বৰকৈ হাঁহিলে। সেয়ে আৰম্ভণি। এটা বিষয়ত পণ্ডিত ছাৰৰ লগৰীয়া আছিল অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক নিৰ্মল সামাদ্দাৰ ছাৰ। ছাৰে কৈছিল সামাদ্দাৰ নহয় সমাদ্দাৰহে শুদ্ধ।

সত্তৰৰ দশকৰ শেষলৈকে নগাঁও ছহিদ ভৱন প্ৰাঙ্গণত কমিউনিষ্ট পাৰ্টিবোৰে একক বা যৌথভাৱে বিভিন্ন বিষয়লৈ সভা পাতে। সভাবোৰৰ এচাম দৰ্শকশ্ৰোতাই ডাকতাঁৰ বিভাগৰ কাৰ্য্যালয়ৰ সন্মুখত ঠিয় হৈ মিটিং শুনে। পণ্ডিত ছাৰ আৰু সামাদ্দাৰ ছাৰে এখনো সভা বাদ নিদিয়াকৈ পদপথৰ এটা নিৰ্দিষ্ট স্থানত ঘন্টাৰ পাছত ঘন্টা থিয় হৈ মিটিং শুনিছিল। মোৰ দৃঢ় ধাৰণা হৈছিল, পণ্ডিত ছাৰ আৰু সামাদ্দাৰ ছাৰৰ নিশ্চয় এটা বিপ্লৱী অতীত আছে। ততালিকে সেই কথা জনাৰ উপায় নাছিল। ছয়-সাত বছৰৰ পাছত নিজেও কলেজ শিক্ষক হোৱাৰ পাছত দুয়োৰে লগত সহৃদয়তা গঢ়ি উঠিছিল। মোৰ অনুমান এজনৰ ক্ষেত্ৰত ভুল আনজনৰ ক্ষেত্ৰত শুদ্ধ হ'ল। শ্ৰীহট্টৰ পৰা ভাগ্যান্বেষণৰ বাবে গুৱাহাটীলৈ আহিছিল কালীকমল ভট্টাচাৰ্য। তেওঁ পাণবজাৰ হৰিসভাৰ এল পি স্কুলৰ পণ্ডিত নিযুক্ত হ'ল। যজমানি কৰিও তেওঁৰ সামান্য আয় হৈছিল। কৰ্মকুশল কালীকমল পণ্ডিত নহলেই নচলা হ'ল পাণবজাৰ-উজান বজাৰ আঢ্যৱন্ত অসমীয়া পৰিয়াল কেইটাৰ। তেওঁৰ ভট্টাচাৰ্য উপাধি তল পৰিল। উজান বজাৰতে মাটি কিনি স্থায়ীভাৱে থাকিবলৈ ল'লে। উজান বজাৰতে তেওঁৰ দ্বিতীয় সন্তান কামাখ্যাকমল পণ্ডিতৰ জন্ম। তেওঁৰ বাল্যকালৰ সকলো বন্ধু অসমীয়া। কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক আৰু ১৯৪১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অংকৰ এম এ আৰু ল পাছ কৰি লগে লগে কলিকতা হাই কোৰ্টত ওকালতি আৰম্ভ কৰিলে। তেওঁৰ এই বোধোদয় ঘটিবলৈ বেছিদিন নালাগিল যে সত্যবাদী হৈ মোকৰ্দমা জিকা সহজ নহয়, ওকালতি কৰাও নচলে। শেষত তেওঁ শিক্ষক হোৱাটোকে স্থিৰ কৰিলে। নলবাৰী কলেজ, দৰং কলেজত চাকৰিৰ কিছু সোৱাদ লৈ তেওঁ কটন কলেজত নিযুক্তি লাভ কৰিলে যদিও এবছৰমান থাকি (১৯৪৪-৪৫) নগাঁও কলেজলৈ আহিল। নগাঁও কলেজত বত্ৰিশ বছৰ কাল (১৯৪৬-১৯৭৮) চাকৰি কৰি অগণন

ছাত্ৰ-ছাত্ৰীৰ হৃদয় জয় কৰিছিল অতুলনীয় কৃতী শিক্ষকৰূপে। ছাৰে প্ৰায়েই আক্ষেপ কৰিছিল যে আমাৰ দেশত গণিতচৰ্চাৰ মান বহুত কমি গৈছে। কেৱল গণিত পঢ়িম বুলি পোনে পোনে আমাৰ ওচৰলৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নগণ্য। তেওঁৰ সমৰ্থন বিপ্লৱী ৰাজনীতিৰ সপক্ষে  নাছিল। ছাৰ আছিল উদাৰ-নৈতিক জাতীয়তাবাদী। কথা-বতৰা, চল-চলন আৰু সাজপাৰৰ বেলিকা পণ্ডিত ছাৰে সেই দিনৰ কলিকতাৰ পণ্ডিতসকলৰ একেবাৰে ছাপ মৰা আৰ্হিটোকে গ্ৰহণ কৰিছিল।

নিৰ্মল সামাদ্দাৰ ছাৰ আছিল অতীতৰ বিপ্লৱী জাতীয়তাবাদী। ছাৰে মোক কোৱা মতে বঙ্গদেশৰ বিপ্লৱী অনুষ্ঠান অনুশীলন সমিতিৰ সদস্য আছিল তেওঁ। তেওঁ তেতিয়া আছিল ফৰিদপুৰত। ৰাজনৈতিক কাৰ্যকলাপৰ বাবে প্ৰৱেশিকা পৰীক্ষাৰ পাছত তেওঁৰ পঢ়া-শুনা বাৰুকৈ বিঘ্নিত হৈছিল। ১৯৩৮-৩৯ চনত প্ৰথমে অনুশীলন সমিতিয়ে গান্ধীৰ বিৰুদ্ধে নেতাজী সুভাষ বসুক সমৰ্থন কৰিছিল। ছাৰে মোক কৈছিল যে সেই সময়ত বঙ্গদেশৰ বহু ঠাইৰ দৰে ফৰিদপুৰতো অনুশীলন আৰু যুগান্তৰৰ পৰা ওলোৱা কেডাৰক লৈয়েই ফৰিদপুৰৰ কমিউনিষ্ট পাৰ্টি গঠন হৈছিল। খুব সম্ভৱ ছাৰ নিজেও আছিল সেই পৰ্বৰ এজন কুশীলৱ। ছাৰৰ ৰাজনৈতিক কাৰ্যকলাপে বঙ্গদেশত চাকৰি পোৱাত সমস্যা সৃষ্টি কৰিব পাৰে এনে গভীৰ আশঙ্কাতহে তেওঁ অসমত চাকৰি কৰিবলৈ আহিছিল। ছাৰৰ বিপ্লৱী অতীতৰ প্ৰচ্ছন্ন পৰিচয় তেওঁৰ আচৰণ আৰু চিন্তাত ফুটি উঠিছিল। পাছলৈ তেওঁ ঋষি অৰবিন্দৰ দৰ্শনৰ প্ৰতি আকৃষ্ট হৈছিল। (অৱসৰপ্ৰাপ্ত অধ্যাপক মানবেন্দ্ৰ নাগৰ পৰা জানিব পাৰিছোঁ যে অৱসৰৰ পাছত তেওঁ অৰবিন্দৰ *দা লাইফ ডিভাইন* গ্ৰন্থখন বাংলা ভাষালৈ অনুবাদ কৰিব বুলি মন স্থিৰ কৰিছিল। পিছে সেই সুযোগ তেওঁ নাপালে। অজাতশত্ৰু, গ্ৰন্থ আৰু ৰবীন্দ্ৰসংগীতপ্ৰেমী সাৰ্থকনামা নিৰ্মল হৃদয়ৰ সামাদ্দাৰ ছাৰ ঘৰুৱা মেজাজ আছিল খোলামেলা। ফৰিদপুৰৰ পৰা চিৰনিৰ্বাসিত হোৱাৰ অব্যক্ত বেদনা তেওঁৰ আছিল। সেই চহৰৰ ফেনিবাতাচা হেনো জগৎবিখ্যাত নহ'লেও বঙ্গবিখ্যাত।

তেওঁলোকৰ এটি দিব্যাঙ্গ কন্যা সন্তান আছিল, ছাৰৰ দেহলাও। এদিন অতি আকস্মিকভাৱে খন্তেকতে কন্যাটিৰ বিয়োগ ঘটিছিল। ছাৰৰ দেহমন ভাগি চূৰমাৰ হৈ গ'ল। দেখিছিলোঁ, নগাঁও কলেজৰ দুগৰাকীমান ছাৰৰ অশেষ প্ৰবোধবচনে তেওঁৰ তলৰ মূৰ ওপৰ কৰাব নোৱাৰিলে। এনেকৈয়ে এটা পৰিতৃপ্ত জীৱন ক্ৰমে জঁই পৰি গ'ল। ছাৰে তেওঁৰ প্ৰিয় সম্বোধন 'তই' বুলি মতা শ শ ছাত্ৰ-ছাত্ৰীৰ মনৰ

পৰা সদাহাস্যময় ছাত্ৰবৎসল নিৰ্মল সামাদ্দাৰৰ ছবিখন তেওঁলোকৰ জীৱন কালত কেতিয়াও মচ খাব নোৱাৰে।

অসমৰ কেইবাখনো কলেজত বঙ্গদেশৰ বিপ্লৱী ৰাজনীতিত জড়িত অথবা দেশভাগৰ পাছত গৃহহাৰা হোৱা কলেজ অধ্যাপক আছিল। মোৰ এই বিষয়ে চলোৱা অসম্পূৰ্ণ জৰীপত দেখা গৈছে যে তেওঁলোক সকলোৱেই আছিল নিষ্ঠাবান আৰু সৰ্বতোভাৱে সফল শিক্ষক।

এই কলেজৰ অধ্যাপক ভগবান বৰুৱাৰ বিপ্লৱী ৰাজনীতিৰ কথা বৰ বেছি মানুহে নাজানে। আজাৰাৰ প্ৰতাপী মাটিগিৰী বৰুৱা পৰিয়ালৰ সন্তান জড়িত হৈছিল বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ৰাজনীতিত। বৰুৱা ছাৰ আৰু সুৰেন্দ্ৰনাথ মেধিয়ে (পৰৱৰ্তীকালৰ সাহিত্যিক সৌৰভ কুমাৰ চলিহাজনেই) একেলগে একে 'অপৰাধৰ' বাবে কাৰাবাস খাটিছিল। ৰাজনীতি বাদ দিলেও অসমৰ বামপন্থী ৰাজনীতিৰ সকলো সৰুবৰ খবৰ এই দুয়োজনেই ৰাখিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে বাণিজ্য শিক্ষাৰ গুৰুত্ব তেতিয়াই বুজিছিল। বহু বিখ্যাত বিশ্ববিদ্যালয়তো তেতিয়া বাণিজ্য বিভাগ নাছিল। ১৯৩০ চনত প্ৰতিষ্ঠা কৰা জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হৈ থাকোতেই সন্দিকৈয়ে তাত ১৯৩১ চনৰ পৰা আই কম পাঠ্যক্ৰম খুলিছিল। বি কম খুলিছিল ১৯৩৪ চনত; কোনো অধ্যাপক নহয়, ষ্টেট বেংকৰ বিষয়া কলিকতাৰ মাধৱ চক্ৰৱৰ্তীৰ ভৰসাত। ১৯৪৬ চনত জে বি কলেজৰ ওঠৰজন ছাত্ৰই প্ৰথম বিভাগত আই কম পাছ কৰিছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসমৰ কলেজ সমূহত বাণিজ্য বিভাগৰ গুৰি ধৰোঁতা কৃতী অধ্যাপক সকল ওলাইছিল সেই চাম ল'ৰাৰ পৰা। নগাঁও কলেজৰ কমলচন্দ্ৰ গোস্বামীও (১৯২৩-২০১৯) আছিল সেই সকলৰে এজন। পানী পৰ্ঠুৱা এই মাজুলীয়ানজনে বাঁহ বেতৰ বেপাৰ কৰি খোপে খোপে মহলা বগাই গৈছিল। কলেজৰ বাহিৰে ভিতৰে অসমীয়া সংস্কৃতি অনুৰাগী সমাজ এখন গঢ়ি তুলিবলৈ তেওঁ নিৰন্তৰ প্ৰয়াস চলাই গৈছিল।

(৭)

নগাঁও কলেজত নতুনকৈ খোলা বাণিজ্য বিভাগৰ নাও টুলংভুটং কৰি থকা অৱস্থাত দুগৰাকী বাস্তুহাৰা অধ্যাপক বাসুদেৱ ভট্টাচাৰ্য আৰু

অজিতকুমাৰ ৰায়ে এই বিভাগৰ গুৰি ধৰিছিল। ড° দেৱদাস ভৰালীৰ (১৯৩৮--) মতে 'এক প্ৰকাৰ এই দুয়োজনেই বাণিজ্যৰ বাঘজৰী ধৰি আছিল।' স্কটিছ্ চাৰ্চ কলেজৰ পৰা বি কম পাছ কৰি আহি নগাঁৱত চিকিৎসক পিতৃৰ ঔষধ ব্যৱসায়ত হাত দিয়া স্বৰ্গীয় ভবেশচন্দ্ৰ বেনাৰ্জীয়ে ডেৰবছৰমান বাণিজ্য বিভাগত টিউটৰ হিচাপে কাম কৰিছিল।

নগাঁও কলেজকে ধৰি অসমৰ গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, তেজপুৰ, ধুবুৰী চহৰলৈ কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা অৱসৰ লোৱা একোগৰাকী অধ্যাপক আহি আটাইতকৈ প্ৰয়োজনীয় মুহূৰ্তত, ডেমক্লিছৰ মূৰৰ ওপৰত ওলমি থকা তৰোৱালখনৰ দৰে অতি আশাৰে পতা কলেজবোৰক স্বীকৃতি বাতিলৰ চৰম দুৰ্ভাবনাৰ পৰা ৰক্ষা কৰিছিল। কলেজৰ অধ্যক্ষসকলক এই বিষয়ে সততে দিহা পৰামৰ্শ দি সহায় কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবাদপ্ৰতিম উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে (১৯৪৮-১৯৫৭)। কটন কলেজত শ্ৰীহট্টৰ পৰা অহা পদ্মনাথ ভট্টাচাৰ্য বিদ্যবিনোদ, পদাৰ্থবিজ্ঞানী ড° শশীভূষণ মালিৰ দৰে অধ্যাপকতো পূৰ্বৰ পৰা আছিলেই। দেশ বিভাজনৰ পাছত পূৰ্ববঙ্গমূলৰ এচাম অধ্যাপক আহি অসমত উচ্চ শিক্ষা বিস্তাৰৰ গুৰুভাৰ বহন কৰিছিল। তাহানিৰ যুক্তপ্ৰদেশ, মাদ্ৰাজ প্ৰেছিডেন্সি আৰু সুদূৰ সিন্ধুপ্ৰদেশৰ পৰা অহা কলেজ-বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলকো আমি পাহৰি গৈছোঁ। ৰাজহুৱা স্মৃতিবিভ্ৰমৰ মহাপাতকী বিক্ৰমত সেইসকল আজি বিস্মৃতিৰ অতল গৰ্ভত। আমিবোৰ যেন ভূত-ভৱিষ্যতৰ প্ৰতি অনুভূতিহীন, এৰিক হবযব'মে কোৱা 'পাৰ্মানেণ্ট প্ৰেজেণ্ট' বা স্থায়ী বৰ্তমানৰ বাদছাহ। আনে নহ'লেও সেই সেই কলেজ-বিশ্ববিদ্যালয়ে একোখন ইতিহাস পদবাচ্য সংকলন প্ৰকাশ কৰা হ'লে 'ঐতিহ্য' 'ঐতিহ্য' বুলি আস্ফালন কৰাসকলৰ কৃতঘ্নতাৰ পাপমোচন হ'লহেঁতেন! এই কাম কৰিছে কলিকতা, দিল্লী আৰু বোম্বাই বিশ্ববিদ্যালয়ে আৰু কটন কলেজকে ধৰি ভাৰতৰ কেবাখনো শতিকাপ্ৰাচীন কলেজে। উপাচাৰ্য সন্দিকৈয়ে দেশখনৰ প্ৰায় সকলো প্ৰদেশৰ পৰা বাছি বাছি নিযুক্তি দিয়া অধ্যাপকসকলেই প্ৰকৃততে লুইতৰ পাৰ জিলিকাইছিল। বিশ্ববিদ্যালয়খনৰ ঐতিহ্যনামৰ পদাৰ্থটিৰ প্ৰধান স্ৰষ্টা তেওঁলোকেই। এই ছেগতে নগাঁও কলেজৰ বুধমণ্ডলীৰ সমসাময়িক আৰু সমগোত্ৰীয় অসমৰ কেইগৰাকীমান অধ্যাপকক স্মৰণ কৰিব খুজিছোঁ।

আমি সংগ্ৰহ কৰিব পৰা তথ্যবিশ্লেষণ কৰি পাইছোঁ যে অৱসৰৰ পাছত

পশ্চিমবঙ্গ বা আন প্ৰদেশৰ পৰা অহা অধ্যাপকসকল প্ৰায়েই নিজ নিজ ঠাইলৈ উভতি যায়গৈ। কিন্তু পূৰ্ববঙ্গমূলৰ বৃহৎ অংশই স্থায়ীভাৱে ৰৈ গৈছে। কিয়নো উভতি যাবলৈ তেওঁলোকৰ ক'তো এখন ঘৰ নাই, যি আছে সি কেৱল ঘৰৰ স্মৃতি। এসময়ৰ অসমৰ ৰাজধানী চহৰ ছিলঙক বাদ দিলে ভৈয়ামত তেওঁলোকৰ সংখ্যা দুকুৰিমান হ'ব। সেই সময়ৰ পৰিপ্ৰেক্ষিতত এই সকলৰ অৱদান লঘুকৈ চাব নোৱাৰি। পিতাপুত্ৰ পদ্মধৰ-পৰাগধৰ দুই চলিহাৰ আমোলত শিৱসাগৰ কলেজত ক্ৰমে দৰ্শন আৰু ইংৰাজী বিষয়ত অধ্যাপনা কৰিবলৈ আহিছিল পূৰ্ববঙ্গৰ যশোহৰৰ সন্তান পতিতপাবন দাস আৰু পাবনাৰ সমৰপতি সান্যাল। অধ্যাপক সান্যালে পাছলৈ শিৱসাগৰ গাৰ্লছ কলেজত অধ্যাপনা কৰি তাৰ পৰাই অৱসৰ লৈছিল। প্ৰায় এশ তিনি বছৰ পৰমায়ু লাভ কৰা পতিতপাবন দাসৰ দুই পুত্ৰ দুই কন্যা, তেওঁলোক আটাইৰে বিয়া হৈছে অসমীয়া ছোৱালী আৰু অসমীয়া ল'ৰাৰ লগত। অধ্যাপক সমৰপতি সান্যালৰ জীৱনতৃষ্ণাৰ মনোৰম কাহিনী গ্ৰন্থাকাৰে প্ৰকাশৰ অপেক্ষাত।

বৰাক উপত্যকাত পূৰ্ববঙ্গৰ পৰা অহা অধ্যাপকৰ সংখ্যা আটাইতকৈ সৰহ। তাৰে কেইগৰাকীমান স্বনামধন্য অধ্যাপক হ'ল ইংৰাজী বিষয়ৰ যোগেন্দ্ৰনাৰায়ণ চৌধুৰী, দিগেন দাস আৰু শৈলেন্দ্ৰশেখৰ দত্ত; ইতিহাসৰ সুধাংশুশেখৰ পুৰকায়স্থ আৰু ধীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য; ৰসায়নবিজ্ঞানৰ সত্যেন্দ্ৰকুমাৰ ৰায়চৌধুৰী আৰু নৰেন্দ্ৰ দেব, গণিতবিজ্ঞানৰ আশুতোষ সেন, দৰ্শনৰ নিৰ্মল ভট্টাচাৰ্য আৰু অৰ্থনীতি-বিজ্ঞানৰ নিস্তাৰণ ভট্টাচাৰ্য। সুদিনেই হওক দুৰ্দিনেই হওক এওঁলোক আছিল অসম কলেজ শিক্ষক সংস্থাৰ নিৰ্ভৰযোগ্য সম্পদ। বি বৰুৱা কলেজত অধ্যাপনাৰে চাকৰি জীৱন আৰম্ভ কৰা, পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয় আৰু আন একাধিক শিক্ষা প্ৰতিষ্ঠানৰ যশোভাজন অধ্যাপক ড° বাণীপ্ৰসন্ন মিশ্ৰ (১৯৪৩---) গৌড়ীয় বৈষ্ণব ধৰ্মাচাৰৰ অন্যতম পীঠস্থান শ্ৰীহট্ট জিলাৰ ঢাকা দক্ষিণৰ ১৯৫০ চনৰ এটি বাস্তুহাৰা পৰিয়ালৰ সন্তান। এই সকলৰ অৱদান অসমৰ উচ্চশিক্ষাৰ ইতিহাসৰ এটি অকথিত অধ্যায়।

(৮)

নগাঁও কলেজত খেলাধূলা কৰা অধ্যাপক-অধ্যাপিকা কোন কোন আছিল তাক মই সম্পূৰ্ণকৈ নাজানো। মই জনাত অধ্যাপকসকলৰ ভিতৰত ফুটবলাৰ আছিল চাৰিজন-- বুৰঞ্জী বিভাগৰ আব্দুল হাই, ললিত শইকীয়া, ভূগোল বিভাগৰ

হ্ৰেশ্বৰ বৰুৱা আৰু বাণিজ্য বিভাগৰ পূৰ্ণেশ্বৰ বৰদলৈ। হাই ছাৰৰ ভাতৃসকলো আছিল জুৰীয়া অঞ্চলৰ জনপ্ৰিয় ফুটবল খেলুৱৈ। ১৯৫৩ চনৰ ২৬ জানুৱাৰীৰ প্ৰজাতন্ত্ৰ দিৱসত নগাঁৱৰ জুবিলী খেলপথাৰত (এতিয়া নুৰুল আমিন ষ্টেডিয়াম) অনুষ্ঠিত হৈছিল ফেন্সি ড্ৰেছ ফুটবল মেটছ্। গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য একাদশ আৰু স্থানীয় খেলুৱৈ দলৰ মাজত। খেল বুলিলে আন একো নলগা নগাঁৱৰ নাগৰিক সমাজ আৰু ক্ৰীড়াপ্ৰেমী ৰাইজে প্ৰাণভৰি সেইখন খেল উপভোগ কৰিছিল। খেলপথাৰত দৰ্শকৰ সৰ্বাধিক সমৰ্থন লাভ কৰিছিল নাৰায়ণ বৰা আৰু ললিত শইকীয়া নামৰ খেলুৱৈ দুজনে।

১৯৬১ চনত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মশতবৰ্ষ উপলক্ষে দেশজুৰি নানা অনুষ্ঠান উৎসৱৰ আয়োজন চলিছিল চৰকাৰী আৰু বেচৰকাৰীভাৱে। তেতিয়াৰ নগাঁও জিলাৰ উপায়ুক্ত ৰমেশ চন্দ্ৰ আৰু পুলিচ অধীক্ষক সমৰ দাসৰ বিশেষ উদ্যোগত উইলিয়াম শ্বেইক্সপীয়েৰৰ জুলিয়াছ চীজাৰ নাটকখন মঞ্চস্থ কৰা হৈছিল। এৰাতিৰ বাবে আয়োজন কৰা নাটক  একেলেঠাৰীয়ে দুৰাতি দেখুৱাব লগা হৈছিল। নাম ভূমিকাত অভিনয় কৰিছল তেতিয়াৰ নগাঁৱৰ সুদৰ্শন ডেকা উকীল যোগেশচন্দ্ৰ শৰ্মাই। ললিত শইকীয়াই অভিনয় কৰিছিল নাটখনৰ আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ ৰোমান ছিনেটৰ মেটেলাছ চিম্বাৰৰ।

১৯৬২ চনৰ আগষ্ট মাহত, হয়তো ১৫ আগষ্টৰ স্বাধীনতা দিৱস উপলক্ষে নগাঁৱৰ ক্ৰীড়াপ্ৰেমী ৰাইজে চাবলৈ পাইছিল আন এখন অতি আমোদজনক আৰু বোধহয় অন্তিমখন ফেন্সি ড্ৰেছ ফুটবল মেটছ্ জিলা উপায়ুক্ত একাদশ আৰু নগাঁও কলেজ অধ্যক্ষ একাদশৰ মাজত। সেই সময়ত নগাঁও জিলাৰ উপায়ুক্ত আৰু পুলিচ অধীক্ষক আছিল ৰাজ্যখনৰ দুগৰাকী মূৰজিলিকা বিষয়া ক্ৰমে চি আৰ কৃষ্ণমূৰ্ত্তি আৰু কে পি এছ গীল। নগাঁও কলেজৰ অধ্যক্ষ আছিল সমতুল্য মহাৰথী যজ্ঞেশ্বৰ শৰ্মা। খেলৰ শেষত দুয়োপক্ষৰ খেলুৱৈসকলক পুৰস্কাৰ দিয়া হৈছিল। দৰ্শকৰ পছন্দৰ বঁটা দুটা লাভ কৰিছিল ভীমৰূপী ললিত শইকীয়া আৰু দুঃশাসনৰূপী পূৰ্ণেশ্বৰ বৰদলৈয়ে।

১৯৬২ চনৰ ২০ অক্টোবৰ তাৰিখে চীনৰ ভাৰত আক্ৰমণ। অলপ দিনৰ ভিতৰতে উত্তৰ পাৰৰ শ শ বাস্তুহাৰালোকেৰে নগাঁও চহৰ ভৰি পৰিল। স্কুল, কলেজ, ৰাজহুৱা সভাঘৰ, নাটঘৰত তিলধাৰণৰ স্থান নাছিল। নগাঁও আৰু এ ডি পি কলেজৰ

অধ্যাপকসকলে যে কি নকৰিছিল সেই গৃহহীন, আশ্রয়প্রার্থীসকলৰ বাবে! আশ্রয় শিবিৰবোৰত এটি দুটিকৈ আবিৰ্ভাৱ ঘটিছিল নৱজাতকৰ। প্রাপ্য আদৰ সন্মান তেওঁলোকেও পাইছিল। পাছৰ বছৰতে ভাৰত চৰকাৰৰ নির্দেশমতে কলেজে কলেজে এন চি চি বাহিনী সংগঠিত কৰা হ'ল। কলেজৰ অধ্যাপক অধ্যাপিকাক সামৰিক বিষয়াৰ মর্যাদা দি তেওঁলোকক উচ্চ পর্যায়ৰ প্রশিক্ষণ দিওৱা হ'ল। নগাঁও কলেজৰ চাৰিগৰাকী অধ্যাপক, ক্রমে বসন্তকুমাৰ ভূঞা, পূর্ণেশ্বৰ বৰদলৈ, ললিত শইকীয়া আৰু তগৰ বৰাই তেনে নিযুক্তি লাভ কৰিছিল। আমি চাৰিওগৰাকীকে আমাৰ এন চি চি বিষয়াৰূপে পাইছিলোঁ।

বাণিজ্য শাখাৰ ছাত্র শিক্ষকৰ লগত আমাৰ সংযোগ নাছিলেই বুলিব পাৰি। আমাৰ দিনত বিজ্ঞানৰ শিক্ষকৰূপে ৰসায়ন বিজ্ঞানৰ ৰাই ৰামকৃষ্ণ, ছাহ আলম, মনমোহন সিং, পদার্থবিজ্ঞানৰ মোহনচন্দ্র বৰা, বিমলকুমাৰ বৰা, ভূপেন শইকীয়া, উদ্ভিদবিজ্ঞানৰ বুদ্ধেশ্বৰ গোঁহাইৰ নাম আমাৰ সমবয়সীয়া আৰু জ্যেষ্ঠসকলৰ মুখত সঘনাই শুনা মনত পৰে। আমি কলেজত থাকোতেই ৰাই ৰামকৃষ্ণ অন্ধ্র প্রদেশলৈ উভতি গ'ল। ভূপেন শইকীয়া ছাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গ'ল। ভূপেন শইকীয়া ছাৰৰ লগত মোৰ যোগাযোগ আছে আজিও। আমি কলেজত থকালৈকে পৰিসংখ্যাবিজ্ঞান বিভাগ খোলা হোৱা নাছিল। বাংলা বিষয় আছিল, অধ্যাপক এজনো নাছিল। এডিপি কলেজৰ ড° মলয় ৰায় ছাৰে সপ্তাহত তিনিদিনকৈ ক্লাছ লবলৈ আহিছিল পার্ট টাইমাৰ হিচাপে। সেইদৰে শিক্ষা বিষয় আছিল, অধ্যাপক এজনো নাছিল। এডিপি কলেজৰ শ্রীজিতেন বৰা ছাৰ আহি ক্লাছ লৈছিল। সংশোধন সাপেক্ষে কব খুজিছোঁ নগাঁও কলেজত শিক্ষা বিভাগৰ প্রথম পূর্ণকালীন অধ্যাপিকা আছিল লাহৰী দাস।

যিসকল অধ্যাপকৰ অতি মার্জিত সাজপাৰ, সময়ানুবৰ্ত্তিতা আৰু শিক্ষাদানৰ ঐকান্তিকতাই আমাক মুগ্ধ কৰিছিল সেই সকলৰ ভিতৰত সংস্কৃত বিভাগৰ ফণীলাল দত্ত আৰু দীনেশ চন্দ্ৰ দত্ত, ইংৰাজী বিভাগৰ সমৰেন্দ্ৰনাৰায়ণ চক্ৰৱৰ্তী আৰু হবিবুৰ ৰহমান, অসমীয়া বিভাগৰ সর্বেশ্বৰ ৰাজগুৰু আৰু মনমোহন দাসৰ নাম কৃতজ্ঞচিত্তে স্মৰণ কৰিছোঁ।

অৰ্ধ শতিকাৰো ওপৰ দূৰ অতীতলৈ উভতি চাই ভাব হৈছে নগাঁও কলেজতেই উচ্চশিক্ষা পদবাচ্য সাৰবস্তুৰে সৈতে আমাৰ প্রথম পৰিচয় ঘটিছিল।

যৌৱনৰ স্বতন্ত্রতাৰ দাবী আৰু স্বীকৃতিৰ মহালগ্নত বিদ্যাচৰ্চাৰ যি প্ৰেৰণা পাইছিলোঁ তাৰ সিংহভাগ কলেজ জীৱনৰ দান। কলেজীয়া দিনতে আমি আত্মপ্ৰকাশৰ শক্তি আহৰণ কৰিছিলোঁ। যিকোনো কলেজৰ পৰম ঐশ্বৰ্য তাৰ শিক্ষকসকল। বিদ্যাবুদ্ধি, ৰুচি আৰু উদাৰ পৰাৰ্থপৰতাৰ সমন্বয়ত আমাৰ শিক্ষকসকল আছিল একো একোজন আদৰ্শ শিক্ষাব্ৰতী। তেতিয়াৰ কলেজখনৰ নানা অসম্পূৰ্ণতা সত্ত্বেও সকলোৰে বাবে এটা উচ্চমানৰ কৰ্মসংস্কৃতিৰ আত্তীকৰণ কেনেকৈ সম্ভৱ হৈছিল সেই কথা ভাবিলে আচৰিত হওঁ। এটা অবাঞ্ছিত আৰু বিধ্বংসী অব্যৱস্থিততাৰ চাকনৈয়াত আমি যিবোৰ মহৎ সম্পদ হেৰুৱালো সেইবোৰৰ উদ্ধাৰ সম্ভৱ কেৱল ভিতৰৰ আত্যন্তিক প্ৰচেষ্টাৰ দ্বাৰা। সকলো বৃত্তিৰেই গুণধৰ্ম আছে, গুণধৰ্মৰ স্খলন ঘটিলে বৃত্তিয়ে তাৰ মৰ্যাদা হেৰুৱায়। প্ৰথম প্ৰজন্মৰ মহাভাগসকলৰ উচ্চ আদৰ্শৰ অগস্ত্য যাত্ৰা ঘটিল আমাৰ চকুৰ আগতে। কিন্তু তেওঁলোকে যি ঐতিহ্য সৃষ্টি কৰিছিল সেই মৃত্যুঞ্জয়ী ঐতিহ্যক চহকী আৰু সম্প্ৰসাৰিত কৰাৰ দায়িত্ব পৰৱৰ্তী প্ৰজন্মৰ। কিয়নো জ্ঞানৰ অক্ষয় বন্তি তেওঁলোকৰ হাতত। ৰূপ, সোণ, হীৰা, প্লেটিনামৰ জুবিলী অনুষ্ঠানবোৰে আমাক সোঁৱৰাই থাকে যে লিটাৰেট ব্লেকগাৰ্ডসকলৰ একাল গুণী নিষ্ঠাবান অধ্যাপক-অধ্যাপিকাসকলৰ সৰ্বতিকাল।

যোৱা পঁয়সত্তৰ বছৰৰ কতজনৰ কত সাধনা আৰু সিদ্ধিৰ সাৰ্থক সমাৰোহ নগাঁও কলেজ নামৰ এই সমুচ্চল পৰিক্ৰমা! যতিহীন গতি তাৰ অন্বিষ্ট। কক্ষপথৰ নানা ব্যত্যয়-বিচ্যুতিৰ প্ৰত্যাহ্বান অতিক্ৰম কৰি নগাঁও কলেজ আজি অভাবিতপূৰ্ব সম্ভাৱনাৰ দুৱাৰদলিত। নগাঁৱৰ নীলা আকাশত নগাঁও কলেজৰ বিজয় বৈজয়ন্তী সদায় উজলি থাকক।।

---

লেখকৰ পৰিচয় ঃ নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন অধ্যাপক। কেইবাখনো মূল্যবান গ্ৰন্থৰ প্ৰণেতা ড° ৰাজেন শইকীয়াই Indian History Congress ৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল।

# আৰ্কাইভৰ নথিত
# মধ্য অসমৰ প্ৰথমখন মহাবিদ্যালয়

ঋত্বিক মজুমদাৰ

বিংশ শতিকাৰ চল্লিশ দশকৰ আৰম্ভণিতে অবিভক্ত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত থকা চৈধ্যখন হাইস্কুলৰ পৰা মেট্ৰিকুলেছন পৰীক্ষাত উত্তীৰ্ণ হোৱা বহু সংখ্যক শিক্ষাৰ্থীৰ কলেজীয়া শিক্ষা আহৰণ কৰিবলৈ গুৱাহাটী, কলকাতা, শ্বিলং আদি ঠাইলৈ বিভিন্ন কাৰণত যাবলৈ অসুবিধা হৈছিল। এই ছাত্ৰ-ছাত্ৰীসকলে যাতে উচ্চ শিক্ষা আহৰণৰ পৰা বঞ্চিত নহয় তাৰ বাবে বহু বছৰৰ আগৰ পৰাই নগাঁওবাসী ৰাইজে নগাঁও জিলাৰ সদৰত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ প্ৰস্তুতি চলাই আছিল। এনে সময়তে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ল। এই যুদ্ধত বিশেষভাৱে ক্ষতিগ্ৰস্ত হয় অসমৰ শিক্ষানুষ্ঠানবিলাক। অসমৰ বহুসংখ্যক শিক্ষানুষ্ঠান সামৰিক বাহিনীয়ে অধিগ্ৰহণ কৰে। নামনি আৰু মধ্য অসমৰ শিক্ষাৰ্থীসকলৰ কলেজীয়া শিক্ষাৰ প্ৰাণকেন্দ্ৰ কটন কলেজখনো সামৰিক বাহিনীৰ কবলৰ পৰা সাৰি নগ'ল। ফলত কটন কলেজত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। মেট্ৰিকুলেছন পাছ কৰা বহু ছাত্ৰ-ছাত্ৰীৰ কলেজীয়া শিক্ষা আহৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছিল। দ্বিতীয় বিশ্বযুদ্ধই নগাঁও জিলাৰ পৰা মেট্ৰিকুলেছন পাছ কৰা অধিকাংশ শিক্ষাৰ্থী আৰু অভিভাৱকসকলক সমস্যাত পেলাইছিল। উচ্চ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাই নগাঁও বৌদ্ধিক মহলত জোকাৰণিৰ সৃষ্টি কৰিলে, যিয়ে নগাঁও মহাবিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰিলে। ফলস্বৰূপে, ১৯৪৪ চনত নগাঁও মহাবিদ্যালয়ে জন্মলাভ কৰিলে। নগাঁৱৰ সুসন্তান তথা অসম গৌৰৱ মতিৰাম বৰাৰ বিশেষ উদ্যোগতেই যে নগাঁও মহাবিদ্যালয়ে

জন্মলাভ কৰিলে সেইকথা ১৯৫৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেলেণ্ডাৰ আৰু স্বাধীনতা সংগ্ৰামী প্ৰাক্তন সাংসদ পূৰ্ণচন্দ্ৰ শৰ্মাৰ লিখনিত স্পষ্টকৈ প্ৰকাশ পাইছে। ১৯৫৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় কেলেণ্ডাৰৰ ৫২২ নং পৃষ্ঠাত নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ বিষয়ে এনেদৰে উল্লেখ আছে— "Nowgong College was founded in 1944 to meet the public demand for a college in the district. It was possible for the Governing Body of the College under the leadership of Sri Motiram Bora, M.A., B.L. the present Finance Minister, Government of Assam to give the college a start with Intermediate Arts Course." গণতন্ত্ৰ কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক পূৰ্ণচন্দ্ৰ শৰ্মাই তেখেতৰ এটি প্ৰৱন্ধ 'স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী'ত এনেদৰে লিখিছে, "এইবাৰ ১৯৪৪ চনত মুক্ত হৈ নগাঁৱত এখন কলেজ স্থাপনৰ উদ্দেশ্যে লোকেল ব'ৰ্ডৰ ভাইচ্ চেয়াৰমেনৰ ক্ষমতাৰ সুযোগ ল'বলৈ ধৰিলে। হোজাইৰ শান্তিৰঞ্জন দাসগুপ্তাৰ সহযোগিতাৰে দহ হাজাৰ টকা সংগ্ৰহ কৰি নগাঁও কলেজৰ ভেটি স্থাপন কৰিলে, কিন্তু পুনৰ বৰা ভাৰত প্ৰতিৰক্ষা আইনমতে কাৰাবাস ভূগিব লগা হ'ল। এইবাৰ তেজপুৰ জেলত একেলগে থকা অৱস্থাত নানান আলোচনাৰ সুযোগ পাইছিলোঁ আৰু তেতিয়াই নগাঁৱৰ উন্নয়নৰ কাৰণে হেঁপাহ আমাতকৈ অধিক বুলি মোৰ বিশ্বাস হৈছিল। সেই কাৰণেই ১৯৪৫ চনৰ জুন মাহত মোৰ কাৰামুক্তিৰ পিছত হ'ব লগা লোকেল ব'ৰ্ডৰ নিৰ্বাচনৰ কাৰণে বৰাক প্ৰাৰ্থী কৰিবলৈ বৰাৰ মুক্তিৰ কাৰণে বৰদলৈৰ জৰিয়তে যত্ন কৰি কৃতকাৰ্য হওঁ আৰু ১৯৪৫ চনৰ লোকেল ব'ৰ্ডৰ নিৰ্বাচনত জয় হোৱাৰ পিছত বৰাক চেয়াৰমেন পতা হয়। নানান কৌশলেৰে ধন সংগ্ৰহ কৰি বৰাই নগাঁও কলেজ পাতিলে আৰু আমাৰ সহযোগিতা যদিও সদায় এই কাৰ্যত আছিল, বৰাৰ বুদ্ধি, কৌশল, ধন সংগ্ৰহ আৰু আগ্ৰহৰ বলতে নগাঁও কলেজৰ প্ৰতিষ্ঠা হয়। কাজেই নগাঁও কলেজৰ প্ৰতিষ্ঠাতা মতিৰাম বৰা।"

কলিকতা বিশ্ববিদ্যালয়ৰ ছিণ্ডিকেটত ১৯৪৪ চনৰ মাৰ্চ মাহৰ ১০ তাৰিখে উপাচাৰ্য বিধান চন্দ্ৰ ৰায়, অধ্যাপক শ্যাম প্ৰসাদ মুখাৰ্জী, বঙ্গৰ শিক্ষাধিকৰ্তা ডব্লিউ এ জেন্‌কিন্স আদি বিশিষ্ট ব্যক্তিৰ উপস্থিতিত প্ৰস্তাৱিত নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে বিশ্ববিদ্যালয়ৰ এফিলিয়েশ্বন বিচাৰি কৰা আৱেদনখনৰ ওপৰত আলোচনা হয়। সভাপতিয়ে কলিকতা বিশ্ববিদ্যালয়লৈ

এফিলিয়েশ্বন বিচাৰি অনুৰোধ জনাই লিখা পত্ৰখনৰ মূল অংশটো এনেধৰণৰ, "With effect from the commencement of the session 1944-45 the college may be granted affiliation in English, Mathematics, Bengali, Assamese, Sanskrit, Persian, History, Logic and Civics to the I.A. Standard." আলোচনাৰ শেষত সভাই কলিকতা বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শকক প্ৰস্তাৱিত নগাঁও মহাবিদ্যালয়খন ছিণ্ডিকেটৰ হৈ পৰিদৰ্শন কৰি এটি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ অনুৰোধ জনায়।

১৯৪৪ চনৰ ১২ মে' তাৰিখে বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শকে প্ৰস্তাৱিক নগাঁও মহাবিদ্যালয়ৰ সকলো দিশ সামৰি প্ৰস্তুত কৰা প্ৰতিবেদনখন ছিণ্ডিকেটত দাখিল কৰে। প্ৰতিবেদনখনত পৰিদৰ্শকে নগাঁও মহাবিদ্যালয়ক কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। পৰিদৰ্শকৰ পৰামৰ্শৰ ভিত্তিত ছিণ্ডিকেটে নগাঁও মহাবিদ্যালয়ৰ এফিলিয়েশ্বনত অনুমোদন জনাই চূড়ান্ত অনুমোদনৰ বাবে বিষয়টো ছিনেটলৈ প্ৰেৰণ কৰে। ১৯৪৪ চনৰ ২০ মে' তাৰিখে ছিনেটৰ কাৰ্যসূচীত নগাঁও মহাবিদ্যালয়ৰ এফিলিয়েশ্বনৰ বিষয়টো আলোচনাৰ বাবে অন্তৰ্ভুক্ত হয়। ছিনেটৰ সন্মানীয় সদস্য এলেন কেমেৰনে সদনত বিষয়টো উত্থাপন কৰি এনেদৰে কয়, "The Nowgong College, Assam be affiliated in English, Bengali (vernacular), Assamese (vernacular), Sanskrit, Persian, History, Elements of Civics and Economics, Logic and Mathematics to the I.A. Standard with effect from the commencement of the session 1944-45, i.e. with permission to present candidates for the examination in the subjects from 1946 and not earlier." প্ৰস্তাৱটো সমৰ্থন জনাই ছিনেটৰ আন এগৰাকী সদস্য অধ্যাপক জুবেৰ ছিদ্দিকীয়ে বক্তব্য ৰখাৰ লগে লগে নগাঁওবাসীৰ সপোনৰ নগাঁও মহাবিদ্যালয়ে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। মহাবিদ্যালয়খনে স্বীকৃতি পোৱাৰ ক্ষেত্ৰত এলেন কেমেৰন, জুবেৰ ছিদ্দিকী, মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক সতীশ চন্দ্ৰ ঘোষৰ ভূমিকা উল্লেখযোগ্য আছিল। নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক উপসভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা সেই সময়ত কলিকতা বিস্ববিদ্যালয়ৰ ছিনেটৰ এগৰাকী সদস্য আছিল। নগাঁও মহাবিদ্যালয়ে এফিলিয়েশ্বন লাভ কৰাৰ ক্ষেত্ৰত ছিনেটৰ এগৰাকী সদস্য হিচাপে

ভদ্রেশ্বৰ বৰুৱাই নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল বুলি ভাবিবলৈ থল আছে। কলিকতা বিশ্ববিদ্যালয়ৰ এফিলিয়েশ্বন পোৱাৰ লগে লগে নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক মতিৰাম বৰাই কলিকতাৰ পৰা প্ৰকাশিত বহু প্ৰচাৰিত দৈনিক বাতৰি কাকত 'অমৃত বজাৰ পত্ৰিকা'ত অধ্যাপক বিচাৰি বিজ্ঞাপন দিয়ে। ১৯৪৪ চনৰ ২৪ মে' আৰু ২৫ মে' তাৰিখে বিজ্ঞাপনটো বাতৰি কাকতখনৰ দ্বিতীয় পৃষ্ঠাত প্ৰকাশ হৈছিল। বিজ্ঞাপনটোৰ পূৰ্ণপাঠ এনেধৰণৰ—

**NOWGONG COLLEGE**

Applications are invited for the post of Professors of English, Mathematics, History, Civics, Logic, Sanskrit and Arabic. None need apply who is not at least a second class M.A. Pay will be given according to qualification. The application are to reach the undersigned on or before the 7th June, 1944.

M. R. Bora, MA, BL
Secretary
College Committee, Nowgong, Assam

উপৰোক্ত বিজ্ঞাপনৰ ভিত্তিত বহু প্ৰাৰ্থীয়ে অধ্যাপক পদৰ বাবে আবেদন কৰে। যথাসময়ত অনুষ্ঠিত হোৱা সাক্ষাৎকাৰৰ পিছত কেইগৰাকীমান যোগ্য ব্যক্তিক পৰিচালনা সমিতিয়ে অধ্যাপক পদত নিযুক্তি দিয়ে। বিভিন্ন বিষয়ত নিযুক্তি দিয়া অধ্যাপকসকল হৈছে দেৰেশ্বৰ পাঠক (গণিত), ফনীন্দ্ৰলাল দত্ত (সংস্কৃত আৰু বাঙলা), দেবেন্দ্ৰনাথ বৰা (বুৰঞ্জী), নিৰ্মল চন্দ্ৰ সামাদ্দাৰ (চিভিক্স), মহেশচন্দ্ৰ দেৱ গোস্বামী (লজিক)। অধ্যক্ষ পদত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাক নিযুক্তি দিয়ে। অধ্যক্ষই ইংৰাজী আৰু অসমীয়া পঢ়ুৱাইছিল। বুৰঞ্জীৰ অধ্যাপক দেৱেন্দ্ৰ নাথ বৰা মহাবিদ্যালয়খনৰ প্ৰথমগৰাকী উপাধ্যক্ষ আছিল। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে নিযুক্তি দিয়া আটাইকেইগৰাকী শিক্ষকৰ শৈক্ষিক জীৱনৰ ক্ষেত্ৰত এটা উমৈহতীয়া মিল আছিল, সেইটো হৈছে আটাইকেইজন ব্যক্তিয়ে মেট্ৰিকুলেছন পৰীক্ষাত প্ৰথম বিভাগত

উত্তীৰ্ণ হৈছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু অধ্যাপকসকলৰ মেট্ৰিকুলেছন পৰীক্ষাৰ কিছু তথ্য তলত দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

| শিক্ষকৰ নাম | উত্তীৰ্ণ হোৱা চন | ফলাফল | লেটাৰ মাৰ্ক পোৱা বিষয় | অধ্যয়ন কৰা বিদ্যালয়ৰ নাম |
|---|---|---|---|---|
| যজ্ঞেশ্বৰ শৰ্মা | 1923 | প্ৰথম বিভাগ | Mml | যোৰহাট চৰকাৰী হাইস্কুল |
| দেবেন্দ্ৰ নাথ বৰা | 1934 | প্ৰথম বিভাগ | | নগাঁও চৰকাৰী হাইস্কুল |
| ফণীন্দ্ৰ লাল দত্ত | 1935 | প্ৰথম বিভাগ | MLI | চিটাগংগ কলেজীয়েট স্কুল |
| নিৰ্মল চন্দ্ৰ সামাদ্দাৰ | 1933 | প্ৰথমবিভাগ | M | কুড়িগ্ৰাম হাইস্কুল |
| মহেশ চন্দ্ৰ দেৱগোস্বামী | 1936 | প্ৰথম বিভাগ | MVm | কটন কলেজীয়েট স্কুল, গুৱাহাটী |
| দেবেশ্বৰ পাঠক | 1935 | প্ৰথম বিভাগ | MmMc | যোৰহাট চৰকাৰী হাইস্কুল |

বিঃ দ্ৰঃ - M = Mathematics (Compulsory)
L = 2nd Language (Compulsory)
I = 2nd Language (Additional)
m = Additional Mathematics
V=Vernacular Composition
Mc = Mechanics

আৰবী বিষয়ত কোনো ব্যক্তিয়ে আবেদন নকৰাত বোধকৰো মহাবিদ্যালয়ৰ অধ্যক্ষই পুনৰ অমৃত বজাৰ পত্ৰিকাত আৰবী শিক্ষক বিচাৰি ১৯৪৪ চনৰ ১ নবেম্বৰ তাৰিখে বিজ্ঞাপন দিব লগা হৈছিল। বাতৰিকাকতখনৰ প্ৰকাশ হোৱা বিজ্ঞাপনটো এনেধৰণৰ আছিল— "Wanted a Professor qualified to teach both Arabic and Persian for Intermediate College Nowgong (Assam). Pay Rs. 100 per month. Apply to Principal." এই বিজ্ঞাপনৰ ভিত্তিতেই এ ৰ'ফ চৌধুৰীক আৰবী শিক্ষক হিচাপে নিযুক্তি দিয়া হয়।

নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰায়বাহাদুৰ বৃন্দাবন চন্দ্ৰ গোস্বামী, উপসভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা, যুটীয়া সম্পাদক মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্তা আদি সদস্যসকলে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ প্ৰথমে নগাঁও বাঙালী হাইস্কুলত আৰম্ভ কৰিবলৈ মনস্থ কৰিছিল যদিও পিছত কিয় উক্ত সিদ্ধান্ত বাতিল কৰি ডচন হাইস্কুলৰ প্ৰাঙ্গনত আৰম্ভ কৰিলে সেই বিষয়ে কতো উল্লেখ থকা পোৱা নগ'ল। যিকি নহওঁক ১৯৪৪ চনৰ ৭ আগষ্টৰ পৰা নগাঁও মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ ডচন হাইস্কুলৰ সুন্দৰ পৰিবেশত থকা শ্ৰেণীকোঠালীসমূহত আৰম্ভ হৈছিল। ডচন হাইস্কুলৰ দৈনিক ৰুটিনখনৰ যাতে

কোনো অসুবিধা সৃষ্টি নহয় তাৰ বাবে নগাঁও মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ ৰাতিপুৱা ৬.৩০ ৰ পৰা ১০.২০ বজালৈ অনুষ্ঠিত হৈছিল।

১৯৪৪ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা মেট্ৰিকুলেচন পৰীক্ষাৰ ফলাফল জুলাই মাহত ঘোষণা হোৱাৰ লগে লগে নগাঁও তথা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বহু সংখ্যক শিক্ষাৰ্থীয়ে নগাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰে। ১৯৪৪ চনলৈকে অসম উপত্যকাত মাত্ৰ ছয়খন মহাবিদ্যালয় আছিল। ইয়াৰে চাৰিখন নামনি অসমত এখন মধ্য অসমত আৰু আনখন উজনি অসমত। নগাঁও মহাবিদ্যালয় মধ্য অসমৰ প্ৰথমখন আৰু অসম উপত্যকাৰ ষষ্ঠখন মহাবিদ্যালয়। উল্লেখযোগ্য যে, নগাঁও মহাবিদ্যালয় অসমৰ সপ্তমখন মহাবিদ্যালয়। অসমৰ প্ৰথম সাতখন মহাবিদ্যালয়ৰ নাম এনেধৰণৰ—

| | মহাবিদ্যালয়ৰ নাম | প্ৰতিষ্ঠা হোৱা চন |
|---|---|---|
| (১) | কটন মহাবিদ্যালয়, গুৱাহাটী | ১৯০১ চন |
| (২) | জে.বি. মহাবিদ্যালয়, যোৰহাট | ১৯৩০ চন |
| (৩) | জি.চি. মহাবিদ্যালয়, শিলচৰ | ১৯৩৫ চন |
| (৪) | সন্দিকৈ মহাবিদ্যালয়, গুৱাহাটী | ১৯৩৯ চন |
| (৫) | এম.চি. মহাবিদ্যালয়, বৰপেটা | ১৯৩৯ চন |
| (৬) | বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী | ১৯৪৩ চন |
| (৭) | নগাঁও মহাবিদ্যালয়, নগাঁও | ১৯৪৪ চন |

নগাঁও মহাবিদ্যালয়ৰ প্ৰথম খেপৰ শিক্ষাৰ্থীসকলে ডচন হাইস্কুলৰ শ্ৰেণীকোঠাত সুন্দৰ পৰিবেশত শিক্ষা লাভ কৰি দুটা শিক্ষা বৰ্ষৰ অন্তত ১৯৪৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আই. এ. পৰীক্ষাত অৱতীৰ্ণ হয়। উক্ত বৰ্ষত নগাঁও মহাবিদ্যালয়ৰ পৰা মুঠ একচল্লিশ গৰাকী পৰীক্ষাৰ্থীয়ে সফলতাৰে আই. এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেই কীৰ্তিমানসকল হ'ল কমলাকান্ত গগৈ, মুনীন্দ্ৰ কুমাৰ বৰা, জালাল উদ্দিন আহমেদ খান, নৰেন্দ্ৰ নাথ হাজৰিকা, দুৰ্গাধৰ নাথ, বিনোদ চন্দ্ৰ বেজবৰুৱা, কীৰ্তিকান্ত বৰা, হেমচন্দ্ৰ দেৱগোস্বামী, জগতচন্দ্ৰ শইকীয়া, কমলাকান্ত বৰা, বদনচন্দ্ৰ গোস্বামী, দীনচন্দ্ৰ মহন্ত, কমলচন্দ্ৰ ভূঞা, মহিমচন্দ্ৰ বৰা, জিতেন্দ্ৰ নাথ বৰকটকী, পোৱাল চন্দ্ৰ বৰুৱা, আনন্দিৰাম শৰ্মা, দণ্ডধৰ বৰা, শিশুৰাম নাথ, গুৰুচৰণ মেধি, মনোদেৱ শৰ্মা, কমলেশ্বৰ বৰা, খাইৰুৰ ৰহমান, হবিবুৰ ৰহমান, লবোৰাম দাস, প্ৰবোধ চন্দ্ৰ বৰা, সাৰাংগধৰ

চৌধুৰী, জগতচন্দ্ৰ বৰুৱা, অশ্বিনীকান্ত কটকী, বিজয়কৃষ্ণ বৰদলৈ, প্ৰভাত চন্দ্ৰ সোণোৱাল বৰুৱা, মহম্মদ জনাব আলি, যোগেন্দ্ৰ লাল সিং ছেত্ৰী, নৰুদ্দিন আহমেদ, খগেন্দ্ৰনাথ ভট্টাচাৰ্য, হৰেন্দ্ৰনাথ বৰদলৈ, ৰত্নেশ্বৰ মিকিৰ, হেনা দে, ৰাশ্চিমা খানম হাজৰিকা, মহেশ্বৰী শইকীয়া, চেলিমা চুলতানা। পাঁচগৰাকী পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ নগাঁও মহাবিদ্যালয়ৰ পয়সত্তৰ বছৰীয়া গৌৰৱময়ী ইতিহাসৰ প্ৰথমটো চূড়ান্ত পৰীক্ষাতেই মহাবিদ্যালয়খনক উজ্বলাই তুলিছিল। সেইসকল হৈছে-- গুৰুচৰণ মেধি, মহিমচন্দ্ৰ বৰা, জিতেন্দ্ৰনাথ বৰকটকী, কমলচন্দ্ৰ ভূএঞা, হেমচন্দ্ৰ দেৱগোস্বামী।

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই ১৯৪৫ চনতেই মহাবিদ্যালয়ৰ প্ৰথম খেপৰ শিক্ষাৰ্থীসকলে উচ্চ শিক্ষা আহৰণৰ ক্ষেত্ৰত যাতে কোনো বাধা নাপাই তাৰ বাবে আগতীয়াকৈ চিন্তা-চৰ্চা কৰি স্নাতক শ্ৰেণী খুলিবলৈ যো-জা কৰিছিল। প্ৰথম পদক্ষেপ হিচাপে অধ্যক্ষই ১৯৪৫ চনৰ ডিচেম্বৰ মাহত বি.এ. শ্ৰেণী আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি কলিকতা বিশ্ববিদ্যালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল, পত্ৰখনৰ মূল কথাখিনি এনেধৰণৰ, “The College may be granted an extension of affiliation in Arabic, Assamese (Second language), Commercial Geography, Commercial Arithmatic and Elementary Book-keeping to the I.A. Standard and in English, Assamese, Bengali, Arabic, Persian, Sanskrit, History, Mathematics, Economics and Philosophy to the B.A. standard with effect from the commencement of the session 1946-47.” অধ্যক্ষৰ আবেদনৰ ভিত্তিত কলিকতা বিশ্ববিদ্যালয়ে প্ৰেছিডেন্সি কলেজৰ অধ্যক্ষ অপূৰ্ব কুমাৰ চাঁন্দ আৰু অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ঘোষক যুটীয়াভাৱে নগাঁও মহাবিদ্যালয়খন পৰিদৰ্শন কৰি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ দায়িত্ব অৰ্পণ কৰে। দুৰ্ভাগ্যবশতঃ কলিকতা বিশ্ববিদ্যালয়ে উক্ত শিক্ষাবৰ্ষত বি.এ. শ্ৰেণী আৰম্ভ কৰিবলৈ অনুমতি প্ৰদান নকৰিলে। ফলস্বৰূপে ১৯৪৬ চনৰ আই. এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে বি.এ. পঢ়িবলৈ ঐতিহ্যমণ্ডিত কটন কলেজলৈ ঢাপলি মেলিলে। কিছু সংখ্যক শিক্ষাৰ্থী কলকাতা, দিল্লী, এলাহবাদ আদি ঠাইলৈ উচ্চ শিক্ষা আহৰণ কৰিবলৈ গৈছিল বুলি জনা যায়। অৱশ্যে কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী শিক্ষা বৰ্ষত নগাঁও মহাবিদ্যালয়ত বি.এ. শ্ৰেণী আৰম্ভ হ'ব বুলি দৃঢ় বিশ্বাস

পোষণ কৰি বহু আশাৰে নগাঁৱতে থাকি যায়।

যোৱা পয়সত্তৰ বছৰে নগাঁও মহাবিদ্যালয়ৰ প্ৰতিভাসম্পন্ন শিক্ষাগুৰুসকলৰ যত্ন আৰু চেষ্টাতে বহু মানৱ সম্পদ সৃষ্টি হ'ল। নগাঁও মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা বহু শিক্ষাৰ্থীয়ে পৰৱৰ্তী সময়ত বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকৰ নিজস্ব প্ৰতিভাৰে অৱদান আগবঢ়াই আহিছে। এই সময়ছোৱাত মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে সমাজ জীৱনলৈ কেনেধৰণৰ অৱদান আগবঢ়ালে সেই বিষয়ে থাওকতে কব নোৱাৰি যদিও জন্মলগ্নৰ শিক্ষাৰ্থীসকলে বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিখিনি দাঙি ধৰিলেই তাৰ এটা নিশ্চয় আভাস পোৱা যাব। মহাবিদ্যালয়খনৰ জন্মলগ্নৰ যিসকল শিক্ষাৰ্থীয়ে সমাজ জীৱনলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে তাৰ ভিতৰত পদ্মশ্ৰী মহিম বৰা, মুক্তিযোদ্ধা নৰেন্দ্ৰনাথ হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য কমলেশ্বৰ বৰা, শিক্ষাবিদ অধ্যাপক হবিবুৰ ৰহমান, কমলাকান্ত গগৈ, মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গুৰুচৰণ মেধি, জিলা সত্ৰ ছেছ্ন ন্যায়াধীশ যোগেন্দ্ৰ লাল সিং ছেত্ৰী, যমুনামুখ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক জগতচন্দ্ৰ বৰুৱা, অধিবক্তা জগত চন্দ্ৰ শইকীয়া, অধিবক্তা জনাব আলি, সাহিত্যিক নুৰুদ্দিন আহমেদ, সত্ৰাধিকাৰ দীনচন্দ্ৰ মহন্ত, সংস্কৃত পণ্ডিত হেমচন্দ্ৰ গোস্বামী, শিক্ষয়িত্ৰী মহেশ্বৰী শইকীয়া আদিৰ নাম উল্লেখযোগ্য। মহিম বৰা আৰু হবিবুৰ ৰহমানে নিজে অধ্যয়ন কৰা মহাবিদ্যালয়খনত অধ্যাপনা কৰি ১৯৮৭ চনত অৱসৰ গ্ৰহণ কৰিছিল। সাহিত্য অকাডেমি বঁটাপ্ৰাপক মহিম বৰাই অসম সাহিত্য সভাৰ ডুমডুমা অধিৱেশনৰ সভাপতি আসন অলংকৃত কৰিছিল। ৰঙা জিঞাৰ কবিগৰাকীয়ে বহু গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব বিচাৰছোঁ যে, ১৯৬১ চনত আই.এ. আৰু ১৯৬৩ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰং বং তেৰাঙৰ শিক্ষাগুৰু আছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু সাহিত্যাচাৰ্য মহিম বৰা। ভাৰতীয় প্ৰশাসনিক সেৱাৰ উচ্চ পদস্থ বিষয়া কমলেশ্বৰ বৰাই ১৯৮৭ চনৰ পৰা ১৯৯২ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেত অসম লোক সেৱা আয়োগৰ এগৰাকী সদস্যও আছিল। নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক হবিবুৰ ৰহমানৰ চায়েৰীত প্ৰতি বিশেষ অনুৰাগ আছিল। চায়েৰীসমূহৰ গুঢ়াৰ্থ আনে যাতে বুজিব পাৰে তাৰ বাবে তেখেতে

সাৰলীল অসমীয়া ভাষালৈ অনুবাদ কৰি পুথি আকাৰে প্ৰকাশ কৰিছে। নগাঁও সমাজ জীৱনত বিশেষ নাম থকা অধিবক্তা জগত চন্দ্ৰ শইকীয়াই শ্ৰীমন্ত শঙ্কৰ মিশ্যনৰ দৰে এটি মানৱ সেৱা অনুষ্ঠানৰ লগত জড়িত হৈ এটা কাৰ্যকালৰ বাবে সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰত ত্যাগ আন্দোলনৰ সময়ত কলিয়াবৰ হাইস্কুলৰ যি সাতগৰাকী ছাত্ৰই স্কুল ত্যাগ কৰিছিল তাৰ ভিতৰত অন্যতম আছিল নৰেন্দ্ৰ নাথ হাজৰিকা। উক্ত বছৰ তেখেত হাইস্কুলখনৰ ছাত্ৰ ইউনিয়নৰ সম্পাদক আৰু কলিয়াবৰ ছাত্ৰ সন্মিলনৰ সম্পাদক আছিল। পিছত তেখেতে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ হিচাপে অসমৰ বিভিন্ন ঠাইত কাৰ্যনিৰ্বাহ কৰিছিল। শিক্ষাবিদ কমলাকান্ত গগৈ কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আছিল। কমলাকান্ত গগৈৰ এগৰাকী ছাত্ৰ বিশিষ্ট সাহিত্যিক অধ্যাপক উপেন্দ্ৰ বৰকটকীয়ে তেখেতৰ বিষয়ে "গগৈ ছাৰক পাহৰিব নোৱাৰোঁ" শীৰ্ষক প্ৰৱন্ধটিত এনেদৰে লিখিছে— "নিম্ন প্ৰাথমিক বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয়লৈকে অধ্যয়ন কৰা কালছোৱাত যিকেইগৰাকী শিক্ষাগুৰুৱে মনত গভীৰ প্ৰভাৱ পেলাইছিল সেইসকলৰ এগৰাকী প্ৰয়াত কমলাকান্ত গগৈদেৱক হাইস্কুলৰ শিক্ষাগুৰু হিচাপে পাইছিলোঁ। The great teacher inspires কথাষাৰ গগৈ ছাৰৰ ক্ষেত্ৰত সম্পূৰ্ণ খাটে। কিন্তু গগৈ ছাৰ কেৱল প্ৰেৰণা যোগোৱা শিক্ষক নাছিল— তেখেত আছিল এগৰাকী আদৰ্শবান আৰু ব্যতিক্ৰমী শিক্ষক।"

নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই ১৯৪৬ চনৰ পৰা আই.এ.চি. শ্ৰেণী আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি কলিকতা বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰা আবেদনখন ছিণ্ডিকেটত ১৯৪৬ চনৰ ৫ জুলাইত আলোচনা হয়। অধ্যক্ষৰ আবেদন পত্ৰখনৰ মূল অংশটো এনেধৰণৰ— "The College may be granted an extension of affiliation in certain subjects to the I.Sc. Standard with effect from the commencement of the session 1946-47"। এই সন্দৰ্ভত আলোচনা কৰি কলিকতা বিশ্ববিদ্যালয়ৰ ছিণ্ডিকেটে ড° প্ৰমথনাথ বেনাৰ্জীক মহাবিদ্যালয়সমূহৰ পৰিদৰ্শকৰ লগত যুটীয়াভাৱে নগাঁও মহাবিদ্যালয়খন পৰিদৰ্শন কৰি এটি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ দায়িত্ব অৰ্পণ কৰে আৰু লগতে নগাঁও কলেজৰ কৰ্তৃপক্ষক জনাই দিয়া হয় যে, পলমকৈ আবেদন কৰাৰ বাবে ১৯৪৬-৪৭ চনৰ শিক্ষাবৰ্ষত আই. এচ. চি. ক্লাচ আৰম্ভ কৰিবলৈ অনুমতি দিব পৰা নাযাব।

ড° প্ৰমথনাথ বেনাৰ্জী আৰু মহাবিদ্যালয়সমূহৰ পৰিদৰ্শকে নগাঁও মহাবিদ্যালয়খন পৰিদৰ্শন কৰি প্ৰস্তুত কৰা প্ৰতিবেদনখন ১৯৪৭ চনৰ ১৯ মাৰ্চ তাৰিখে বিশ্ববিদ্যালয়ত দাখিল কৰে। প্ৰতিবেদনখনৰ মূল অংশটো এনেধৰণৰ— "Dr. Pramathanath Benarjee and the University Inspector of College, recommending that Nowgong College be granted extension of affiliation in English, Bengali and Assamese (Vernacular), Physics, Chemistry, Biology and Mathematics to the I.Sc. Standard in Arabic, Commercial Geography, Commercial Arithmatic and elements of Book Keeping to the I.A. Standard with effect from that commencement of the session 1947-48."

The Inspectors further stated— We propose to limit the admission to 60 students in each of the Science classes on the basis of 3 batches of 20 students each as the floor space in each laboratory would permit 20 students to work at a time giving a total of 120 boys in the two classes when they function together. We would limit the Biology classes to 24 students only in each year on the basis of 6 microscopes and 12 students in each batch as Biology would be more or less an additional subject for those who propose to joint the Medical College. তেওঁলোকৰ প্ৰতিবেদনৰ ভিত্তিতে কলিকতা বিশ্ববিদ্যালয়ে নগাঁও মহাবিদ্যালয়ক ১৯৪৭-৪৮ শিক্ষাবৰ্ষৰ পৰা আই.এ.চি. পাঠ্যক্ৰম আৰম্ভ কৰিবৰ কাৰণে অনুমতি প্ৰদান কৰে।

১৯৪৭ চনটো নিশ্চিতভাৱে নগাঁও মহাবিদ্যালয়ৰ বাবে এক উল্লেখনীয় চন বুলিব পাৰি। কলিকতা বিশ্ববিদ্যালয়ে ১৯৪৭ চনত বহু প্ৰত্যাশিত আই.এ.চি. আৰু বি.এ. শ্ৰেণী খুলিবলৈ অনুমতি প্ৰদান কৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান আৰু স্নাতক পাঠ্যক্ৰম পঢ়িবলৈ সুবিধা পালে। লগতে নগাঁও মহাবিদ্যালয়খন স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়লৈ উন্নীত হ'ল। উল্লেখযোগ্য যে, ১৯৪৭ চনত নগাঁও মহাবিদ্যালয় ডচন হাইস্কুলৰ পৰা বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত হয়। মহাবিদ্যালয়ৰ স্থানান্তৰকৰণৰ বিষয়ে প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই তেখেতৰ এটি প্ৰবন্ধ "নগাঁও মহাবিদ্যালয় ঃ জন্মলগ্ন সম্পৰ্ক"ত এনেদৰে লিখিছে— "১৯৪৬

চনৰ শেষৰ ভাগত মতিৰাম বৰাই চৰকাৰৰ লগত আলোচনা কৰি নগাঁও চৰকাৰী হাইস্কুলৰ হোষ্টেলটো কলেজৰ বাবে ল'বলৈ উপায় উলিয়ালে। স্কুল হোষ্টেলত সেই সময়ত ১০-১২ জন ছাত্ৰ আছিল। কিয়নো প্ৰায় গাঁৱে গাঁৱে স্কুল হ'বলৈ ধৰিলে। গতিকে হোষ্টেলৰ ঘৰবোৰ প্ৰায় উদং হৈ থাকে। এই যুক্তি দেখুৱাই স্কুলৰ ছাত্ৰ কেইজনক আমি আন ঠাইত ৰখাৰ সুবিধা কৰি স্কুল হোষ্টেল তাৰ বাৰীখন কলেজৰ বাবে সংগ্ৰহ কৰিলোঁ। ১৯৪৭ চনত ডচন স্কুলৰ পৰা স্কুল হোষ্টেললৈ কলেজ স্থানান্তৰিত হয়। এতিয়া কলেজৰ বাবে নিজা ঠাই পোৱা গ'ল।"

১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত ১৯৪৭ চনলৈকেহে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা চূড়ান্ত পৰীক্ষাসমূহত অৱতীৰ্ণ হৈছিল। সেইবাৰ নগাঁও মহাবিদ্যালয়ৰ পৰা একত্ৰিশ গৰাকী পৰীক্ষাৰ্থীয়ে আই.এ. পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছিল। কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আই.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা শেষৰটো বেট্‌চ হিচাপে নগাঁও মহাবিদ্যালয়ৰ এই বেট্‌চটোৰ সদায় এটা গুৰুত্ব থাকিব। সেই কীৰ্তিমান সকল হ'ল মনোৰঞ্জন দে, আব্দুল হামিদ, আব্দুল মতলিব, ভৰতৰণ দাস, হেম নাৰায়ণ দেৱনাথ, হেমচন্দ্ৰ বৰা, জগতচন্দ্ৰ শৰ্মা, ডিম্বেশ্বৰ বৰা, পদ্মকান্ত বৰুৱা, পদ্মকান্ত নাথ, পূৰ্ণচন্দ্ৰ শইকীয়া, পানীৰাম ডেকা, লাল সিং লালুং, মনচুৰ আলি, হজৰত আলি, বীৰেন্দ্ৰ বৰুৱা, হৰিচৰণ বৰা, মহানন্দ শইকীয়া, কনক চন্দ্ৰ কলিতা, নিত্যানন্দ শৰ্মা, খগেন্দ্ৰ নাথ দাস, ইন্দ্ৰমোহন শৰ্মা, দিগেন্দ্ৰ নাথ ভৰালী, ডম্বৰুধৰ বৰা, নৰেন্দ্ৰ নাথ কৈৱৰ্ত, ছেলিম উদ্দিন আহমেদ, নীলিমা চৌধুৰী, ডলি মুখোপাধ্যায়, সুনিতি দেৱী, নীলিমা ভূঞা আৰু আনোৱাৰ মনচুৰ। উল্লেখ্য যে, ১৯৪৭ চনৰ আই.এ. পৰীক্ষাত প্ৰথম বিভাগ পোৱা জগত চন্দ্ৰ শৰ্মাই ১৯৫৭ চনৰ পৰা ১৯৮৯ চনলৈকে নগাঁও মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল।

১৯৪৮ চনৰ পৰা অসমৰ সকলো চূড়ান্ত পৰীক্ষা পৰিচালনা কৰাৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ে লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা প্ৰথমটো পৰীক্ষা হিচাপে ১৯৪৮ চনৰ সকলোবোৰ চূড়ান্ত পৰীক্ষাই অসমৰ শিক্ষা বুৰঞ্জীত সদায় এটা সুকীয়া স্থান দখল কৰি থাকিব। অনুৰূপভাৱে সেই পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ নাম বিশ্ববিদ্যালয়ৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। সেই তালিকাত নগাঁও মহাবিদ্যালয়ৰ পৰা আই.এ. পৰীক্ষাত উত্তীৰ্ণ

হোৱা বিয়াল্লিশগৰাকী পৰীক্ষাৰ্থীৰ নাম জিলিকি থাকিব। সেইসকল হ'ল কমল কৃষ্ণ ঘোষ, ধীৰেন চন্দ্ৰ শৰ্মা, সিতেশ ৰঞ্জন সৰকাৰ, টিকম চন্দ্ৰ বৰা, লাৰু গোপাল গোস্বামী, শচীন্দ্ৰমোহন চাঁন্দ, পল চন্দ্ৰ গোস্বামী, ধৰ্মকান্ত হাজৰিকা, যোগেন্দ্ৰ নাথ ডেকা, খিলকান্ত শৰ্মা, গোলোকচন্দ্ৰ শইকীয়া, জীৱন চন্দ্ৰ শইকীয়া, আব্দুল মাকিত হাজৰিকা, হৰেশ্বৰ গোস্বামী, থানেশ্বৰ দাস, ৰেণু দাস, জীৱেশ্বৰ বৰা, পূৰ্ণানন্দ শৰ্মা, কবীন্দ্ৰ ৰাম খাউণ্ড, হৰিপ্ৰসাদ শৰ্মা, থোলেশ্বৰ বৰুৱা, যোগেন্দ্ৰ নাৰায়ণ গোস্বামী, ৰুদ্ৰ বৰুৱা, প্ৰভাত চন্দ্ৰ ৰায় ভূঞা, নাচিৰুদ্দিন আহমেদ, তুলাৰাম বৰা, আব্দুল গফুৰ হাজৰিকা, ৰাজেশ্বৰ ভট্টাচাৰ্য, লীলাধৰ বৰা, শান্তি পদা কুমাৰ, মহেন্দ্ৰ নাৰায়ণ মহন্ত, আব্দুল ৰাজ্জাক, চন্দ্ৰকান্ত গোস্বামী, জিতেন্দ্ৰ নাথ নায়ক, প্ৰবীন বৰুৱা, চেনাৰাম বৰুৱা, কিৰণ লাল বৰুৱা, নিলয় ৰঞ্জন দত্ত, দেৱেশ্বৰ বৰুৱা, হিৰণ প্ৰভা দাস, মহম্মদ হিতব আলি, ধীৰেন্দ্ৰ কুমাৰ ৰয়। উল্লেখযোগ্য যে, মেধাৰ তালিকাত একাদশ স্থানত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ খিলকান্ত শৰ্মাৰ নাম জিলিকি উঠিছিল। পিছত ১৯৫০ চনত খিলকান্ত শৰ্মাই নগাঁও মহাবিদ্যালয়ৰ পৰাই ডিষ্টিংচনসহ বি.এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। তেখেতেই হৈছে ডিষ্টিংচন পোৱা নগাঁও মহাবিদ্যালয়ৰ প্ৰথমগৰাকী ছাত্ৰ। ১৯৫০ চনত নগাঁও চৰকাৰী হাইস্কুলত শিক্ষক হিচাপে কৰ্মজীৱনৰ পাতনি মেলা খিলকান্ত শৰ্মাই অসমৰ বিভিন্ন ঠাইত শিক্ষকতা কৰি ১৯৮৫ চনত মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৪৮ চনৰ আই.এ. পৰীক্ষাত প্ৰথম বিভাগ পোৱা টিকম চন্দ্ৰ বৰাই ১৯৫০ চনত সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। টিকম চন্দ্ৰ বৰাই ১৯৫৯ চনত বৰপাঠৰী বাপুজী উচ্চ ইংৰাজী বিদ্যালয়খন প্ৰতিষ্ঠা কৰি বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। সেই অঞ্চলৰ শিক্ষাৰ উত্তৰণত তেখেতৰ বৰঙণি অপৰিসীম আছিল। ধিং কে.বি. উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন শিক্ষক জিতেন্দ্ৰ নাথ নায়কৰ সাংবাদিক হিচাপে নগাঁও জিলাত এক সুকীয়া পৰিচয় আছিল। ১৯৭০ চনৰ পৰা ২০০৪ চনলৈকে তেখেতে আসাম ট্ৰিবিউন কাকতত নিষ্ঠা আৰু সততাৰে সংবাদ সেৱা আগবঢ়ায়। ধিং পাব্লিক হাইস্কুল, ধিং গাৰ্লছ হাইস্কুল, ধিং জি. বি. হাইস্কুল, মাধৱদেৱ নাট্য মন্দিৰ, ধিং প্ৰাইমেৰী হেলথ্ চেণ্টাৰ আদি বিভিন্ন অনুষ্ঠানৰ লগত জন্মলগ্নৰ পৰা জড়িত হৈ ধিং অঞ্চলৰ সামগ্ৰিক উন্নতিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪৮ চনত আই. এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা আন এগৰাকী ছাত্ৰ

মহেন্দ্ৰ নাৰায়ণ মহন্তই খণ্ড উন্নয়ন বিষয়া হিচাপে কৰ্ম জীৱনৰ পাতনি মেলে। শেষত তেখেতে উদ্যোগ বিভাগৰ সহকাৰী সঞ্চালক হিচাপে গুৱাহাটীত কিছুদিন কাৰ্যনিৰ্বাহ কৰি উক্ত পদৰ পৰাই অৱসৰ গ্ৰহণ কৰে। কালশিলা সত্ৰৰ ডেকা সত্ৰাধিকাৰ হিচাপে তেখেতে শংকৰী সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে যথেষ্ট কাম কৰি গৈছে। "*পকা ধানৰ মাজে মাজে সৰু সৰু আলি, বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা, গামোচাৰে আঁচলতে পদুমৰে চকা, হয়ৰা জেতুকী বাই, অ' তুলতুল অ' বুলবুল অ' সেউটি তৰা*" আদি বহু গীতেৰে অসমৰ সংগীত জগতখনক সমৃদ্ধিশালী কৰি থৈ যোৱা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাই ১৯৪৮ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। অসমৰ সংগীত জগতৰ অন্যতম উজ্জ্বল নক্ষত্ৰ ৰুদ্ৰ বৰুৱা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বুলি মহাবিদ্যালয়কৰ লগত জড়িত প্ৰত্যেকগৰাকী ব্যক্তিয়ে গৌৰৱ অনুভৱ কৰে। অসমৰ এগৰাকী স্বনামধন্য শিক্ষাবিদ, অসম লাকসেৱা আয়োগৰ প্ৰাক্তন সদস্য, নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হৰেশ্বৰ গোস্বামী ১৯৪৮ চনত আই.এ. আৰু ১৯৫০ চনত বি.এ. পীৰক্ষাত সুখ্যাতিৰে নগাঁও মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হয়। শিক্ষা সম্পৰ্কীয় তেওঁ লিখা কেইখনমান গ্ৰন্থ হ'ল-- 'মাধ্যমিক শিক্ষা আৰু পৰীক্ষা সমীক্ষা', 'Introduction to Eucation', 'Thoughts on Education' আদি।

১৯৪৭ চনত নগাঁও মহাবিদ্যালয়ে আই.এ.চি. খুলিবলৈ অনুমতি পোৱাত অসম উপত্যকাত কটন মহাবিদ্যালয় আৰু দৰং মহাবিদ্যালয়ৰ সৈতে বিজ্ঞান বিভাগ থকা মহাবিদ্যালয়ৰ সংখ্যা তিনিখনলৈ বৃদ্ধি পায়। ১৯৪৬-৪৭ শিক্ষাবৰ্ষত নগাঁও মহাবিদ্যালয়ে চৰকাৰৰ পৰা মাহে ২৫০ টকা সাহাৰ্য্য পাই আছিল। ১৯৪৭ চনত আই.এ.চি. শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগে চৰকাৰে এই সাহাৰ্য্য মাহে ১০০ টকা বৃদ্ধি কৰে।

১৯৪৭ চনত মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হোৱা যিসকল পৰীক্ষাৰ্থীৰ বিজ্ঞান পঢ়িবলৈ হাবিয়াস আছিল তেওঁলোকৰ মন আনন্দৰে ভৰি পৰিছিল। প্ৰথমবাৰ নগাঁও মহাবিদ্যালয়ৰ পৰা তেষষ্ঠিগৰাকী পৰীক্ষাৰ্থীয়ে ১৯৪৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আই.এ.চি. পৰীক্ষাত অৱতীৰ্ণ হয়। শিক্ষকসকলৰ বিশেষ যত্নত নগাঁও মহাবিদ্যালয়ত বিজ্ঞান শিক্ষাৰ এটি সুন্দৰ পৰিৱেশ গঢ়ি উঠিছিল বাবেই বৰ্তমান সময়ৰ বিজ্ঞান শিক্ষা ক্ষেত্ৰখনত

মহাবিদ্যালয়খনৰ এটি সুকীয়া পৰিচয় আছে। ১৯৪৯ চনৰ আই. এ.চি. পৰীক্ষাত নগাঁও মহাব্যিালয়ৰ পৰা বাইশ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছিল। তেওঁলোক হ'ল-- গিৰীন্দ্ৰ নাথ বৰা, নৰেন্দ্ৰ নাথ হাজৰিকা, তাৰিণীচৰণ চৌধুৰী, বিমল কুমাৰ দাস, খগেন্দ্ৰ নাথ শৰ্মা, সূৰ্যমোহন বৰঠাকুৰ, আব্দুল মতিন, মতিৰাম কাকতি, প্ৰিয়া নাথ বৰা, মহম্মদ আব্দুল জব্বৰ, অতুল চন্দ্ৰ শৰ্মা, চৈতন্য কুমাৰ সৰকাৰ, পুষ্পেন্দ্ৰ নাথ বৰা, বিশ্বনাথ দত্ত, চন্দ্ৰশেখৰ বৰুৱা, নলিনী মোহন বৰদলৈ, বকুল চন্দ্ৰ বৰদলৈ, আনন্দচৰণ গোঁহাই, মহম্মদ আব্দুল ফজল, তৰুণ চন্দ্ৰ ফুকন, উপেন্দ্ৰ নাথ ভূঞা, নৃপেন্দ্ৰ নাথ বৰঠাকুৰ। উক্ত বছৰ চাৰিগৰাকী ছাত্ৰই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মহাবিদ্যালয় খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। তেওঁলোক হ'ল নৰেন্দ্ৰ নাথ হাজৰিকা, বিমল কুমাৰ দাস, সূৰ্যমোহন বৰঠাকুৰ আৰু বিশ্বনাথ দত্ত। আই.এ.চি.ৰ প্ৰথম দলৰ ছাত্ৰ অতুল চন্দ্ৰ শৰ্মা, বকুল চন্দ্ৰ বৰদলৈ আৰু আব্দুল মতিনে চিকিৎসা বিজ্ঞান পঢ়িবলৈ অসম চিকিৎসা মহাবিদ্যালয়ত নাম ভৰ্তি কৰে। পিছত তেওঁলোকে চিকিৎসক হিচাপে অসমৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই খ্যাতি অৰ্জন কৰিছিল। অসম চৰকাৰৰ চিকিৎসা বিভাগত তেওঁলোকে উচ্চ পদস্থ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তাৎপৰ্যপূৰ্ণ কথা এই যে, নৱৈ বছৰ গৰকা ডাঃ আব্দুল মতিনে এতিয়াও সক্ৰিয়ভাৱে নগাঁওবাসীক চিকিৎসা সেৱা আগবঢ়াই আছে।

১৯৪৭ চনত নগাঁও মহাবিদ্যালয়ত বি.এ. শ্ৰেণী আৰম্ভ হোৱাত বিগত বৰ্ষৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মহাবিদ্যালয়খনতে বি.এ. পঢ়িম বুলি গভীৰ প্ৰত্যয়েৰে ধৈৰ্য ধৰি অপেক্ষা কৰি আছিল সেইসকল আৰু ১৯৪৭ চনৰ আই.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা আহৰণৰ বাবে বি.এ. শ্ৰেণীত নামভৰ্তি কৰে। সেইসময়ত আই.এ. শ্ৰেণীৰ মাহেকীয়া মাচুল আছিল ৭ টকা ৮০ পইচা আৰু বি.এ. শ্ৰেণীৰ মাহেকীয়া মাচুল আছিল ১০ টকা। ইতিমধ্যে মহাবিদ্যালয়ৰ নিজা ঘৰ হোৱাত দিনৰ ভাগটো শ্ৰেণীসমূহ অনুষ্ঠিত কৰিব পাৰিছিল। ডাঙৰ ক্লাচ অনুষ্ঠিত কৰিবৰ বাবে (১০০' x ৩০') আকাৰৰ এটা হল ঘৰ কলেজ কৰ্তৃপক্ষই নিৰ্মাণ কৰিছিল। কলেজৰ চৌহদত ৪৫ গৰাকী ছাত্ৰৰ বাবে ছাত্ৰাবাসৰ ব্যৱস্থা আছিল। পুথিভঁৰালত ২০০০ খন গ্ৰন্থ আছিল। এটা সুন্দৰ বাতাবৰণত শিক্ষা আহৰণ কৰি ১৯৪৯ চনত ২৮ গৰাকী পৰীক্ষাৰ্থীয়ে বি.এ.ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে ১৩ গৰাকী পৰীক্ষাৰ্থীয়েহে স্নাতক ডিগ্ৰী লাভ কৰিবলৈ

সক্ষম হয়। নগাঁও মহাবিদ্যালয়ৰ প্ৰথম ১৩ গৰাকী স্নাতক (কলা) হৈছে মহেশ্বৰী শইকীয়া, হেৰম্ব কুমাৰ বৰা, ভৰতৰণ দাস, লবোৰাম দাস, মুনীন্দ্ৰ কুমাৰ বৰা, গুণেন্দ্ৰ কান্ত শইকীয়া, পূৰ্ণ চন্দ্ৰ শইকীয়া, বদন চন্দ্ৰ গোস্বামী, প্ৰফুল্ল চন্দ্ৰ বৰা, কমল চন্দ্ৰ ভূএঞা, মহম্মদ আব্দুৰ হামিদ, যোগেন্দ্ৰ লাল সিং ছেত্ৰী আৰু চন্দ্ৰকান্ত কটকী। মহেশ্বৰী শইকীয়া নগাঁও মহাবিদ্যালয়ৰ প্ৰথমগৰাকী মহিলা স্নাতক।

নগাঁও মহাবিদ্যালয় স্থায়ী ঠিকনালৈ স্থানান্তৰিত হোৱাৰ অগাপিছাকৈ কেইগৰাকীমান অধ্যাপকে চাকৰি ইস্তাফা দিয়াত নতুন ব্যক্তিক নিযুক্তি দিয়া হয়। প্ৰতিষ্ঠাপক অংক অধ্যাপক দেৱেশ্বৰ পাঠকে ১৯৪৬ চনত জে বি কলেজত অধ্যাপক হিচাপে যোগদান কৰে। পিছত অৱশ্যে তেখেতে ১৯৪৯ চনৰ ১৪ আগষ্ট তাৰিখে অসম কৃষি মহাবিদ্যালয়ত অংক আৰু পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে যোগদান কৰে। পাঠকৰ পিছত অসমৰ এগৰাকী বিশিষ্ট অংক অধ্যাপক ৰজনীকান্ত চক্ৰৱৰ্তীয়ে কিছুদিন নগাঁও মহাবিদ্যালয়ত অধ্যাপনা কৰে। ১৯৪৬ চনৰ আগষ্ট মাহৰ ২৩ তাৰিখে তেখেতে অসম শিক্ষা সেৱালৈ নিৰ্বাচিত হয় আৰু কটন মহাবিদ্যালয়ত অংক শিক্ষক হিাপে যোগদান কৰে। তেখেতৰ পিছত হেমাংগ চন্দ্ৰ নাগে কিছুদিন অস্থায়ীভাৱে অংক পঢ়ুৱাইছিল। ১৯৪৭ চনৰ শেষৰ ফালে কামাখ্যা কমল পণ্ডিতে অংকৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। তেখেতে সুদীৰ্ঘ দিন শিক্ষকতা কৰি ১৯৭৮ চনত অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ দেবেন্দ্ৰ নাথ বৰা ১৯৪৮ চনৰ ১৩ ফেব্ৰুৱাৰীত ভাৰতীয় আৰক্ষী সেৱালৈ নিৰ্বাচিত হয়। এবছৰীয়া প্ৰশিক্ষণৰ অন্তত গুৱাহাটীত সহকাৰী আৰক্ষী অধীক্ষক হিচাপে ১৯৪৯ চনৰ ৭ ডিচেম্বৰত যোগদান কৰি তেখেতে চাকৰি জীৱনৰ দ্বিতীয়টো ইনিংছ আৰম্ভ কৰে। পিছত আব্দুল হাই তেখেতৰ স্থলাভিষিত হয়। ১৯৬৫ চনত আব্দুল হায়ে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। নগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে ১৯৬২ চনত স্ত্ৰীশিক্ষাৰ সম্প্ৰসাৰণৰ বাবে প্ৰতিষ্ঠা হোৱা নগাঁও ছোৱালী মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰে।

১৯৪৭ ৰ পৰা ১৯৪৯ চনৰ ভিতৰত নগাঁও মহাবিদ্যালয়ত আই.কম. আই.এ.চি. আৰু বি.এ. শ্ৰেণী আৰম্ভ হোৱাত অধ্যাপকৰ সংখ্যা ঊনৈশলৈ বৃদ্ধি হয়। ১৯৪৯ চনৰ মাৰ্চ মাহলৈকে নগাঁও মহাবিদ্যালয়ত কাৰ্যনিৰ্বাহ কৰি থকা অধ্যাপকসকলৰ নাম 'গুৱাহাটী বিশ্ববিদ্যালয় কেলেণ্ডাৰ ১৯৫১'ত উল্লেখ আছে।

ঊনৈশ গৰাকী অধ্যাপক হৈছে মহেশচন্দ্ৰ দেৱগোস্বামী (দৰ্শন আৰু তৰ্ক বিজ্ঞান), ফনীন্দ্ৰলাল দত্ত (সংস্কৃত আৰু বাঙালী), নিৰ্মলচন্দ্ৰ চামাদ্দাৰ (অৰ্থনীতি), সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী (ইংৰাজী), কামাখ্যা কমল পণ্ডিত (অংক), ভি. দামোদৰণ (ৰসায়ন বিজ্ঞান), এ ৰ'ফ চৌধুৰী (আৰবী), দেবেন্দ্ৰ বিজয় দেৱ (উদ্ভিদ বিজ্ঞান), জে. বৰঠাকুৰ (প্ৰাণী বিজ্ঞান), এম. ৰায়চৌধুৰী (পদাৰ্থ বিজ্ঞান), এ. বৰুৱা (ইংৰাজী), ৰাধিকাৰঞ্জন চৌধুৰী (ইংৰাজী), আব্দুল হাই (বুৰঞ্জী), পি. চেটাৰ্জী (অৰ্থনীতি), কে.চি. বেনাৰ্জী (দৰ্শন), দীনেশ চন্দ্ৰ দত্ত (সংস্কৃত আৰু অসমীয়া), কে. মুখাৰ্জী (বাণিজ্য), এচ ঘোষ (বাণিজ্য), কুকিল চন্দ্ৰ বেজবৰুৱা (বুৰঞ্জী)।

গভাৰ্নিং বডি, অধ্যক্ষ, শিক্ষকসকলৰ আবেদন নিবেদনৰ ভিত্তিতে অসম চৰকাৰে চৰকাৰী হাইস্কুলৰ ছাত্ৰাবাসৰ মাটি, গড়কাপ্তানী বিভাগৰ ডাক বাংলাৰ সৈতে সম্পূৰ্ণ মাটি, ৰত্নকান্ত বৰকাকতি পথত থকা একচনা পট্টা মাটী পৰ্যায়ক্ৰমে নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৰ্পণ কৰিছিল, যিয়ে মহাবিদ্যালয়খন ঠন ধৰি উঠাত বিশেষভাৱে সহায় কৰিছিল। নগাঁও চৰকাৰী হাইস্কুলৰ কৰ্তৃপক্ষ আৰু গড়কাপ্তানী বিভাগৰ বিষয়া কৰ্মচাৰী সকলৰ সহযোগিতা আৰু অসম চৰকাৰৰ সদিচ্ছা নথকা হ'লে নগাঁও মহাবিদ্যালয়ে আজিৰ অৱস্থালৈ উন্নীত হব নোৱাৰিলেহেঁতেন বুলি কলে নিশ্চয় অত্যুক্তি কৰা নহয়। নগাঁও মহাবিদ্যালয়ে উক্ত মাটিখিনি এক দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে লাভ কৰিবলৈ সক্ষম হৈছিল। নগাঁও মহাবিদ্যালয়ে মাটি লাভ কৰাৰ ক্ষেত্ৰত সেইসময়ৰ তিনিগৰাকী মুখ্যমন্ত্ৰীয়ে বিশেষ সহায়-সহযোগিতা আগবঢ়াইছিল। তেওঁলোক হৈছে ভাৰত ৰত্ন গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি আৰু বিমলাপ্ৰসাদ চলিহা। সমগ্ৰ মাটি অধিগ্ৰহণ কৰিবলৈ নগাঁও মহাবিদ্যালয়ক প্ৰায় যোল্ল-সোতৰ বছৰৰ প্ৰয়োজন হৈছিল। এই দীঘলীয়া সময়ছোৱাত নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, জিলা উপায়ুক্ত, ছেটেলমেণ্ট অফিচাৰ, মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, মুখ্য সচিব, আবৰ সচিব আদি বিষয়াৰ মাজত বিভিন্ন চিঠিপত্ৰৰে যোগাযোগ স্থাপন হৈছিল। এই পত্ৰসমূহৰ ঐতিহাসিক গুৰুত্ব উপলব্ধি কৰি কেইখনমান পত্ৰৰ পূৰ্ণপাঠ প্ৰৱন্ধটিত উল্লেখ কৰাৰ প্ৰয়াস কৰিছোঁ।

১৯৪৬ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু তেওঁৰ চৰকাৰে নগাঁও চৰকাৰী হাইস্কুলৰ ছাত্ৰাবাসৰ সম্পূৰ্ণ মাটি নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষত হস্তান্তৰ কৰাৰ পিছত অসম চৰকাৰে ১৯৪৯ চনত গড়কাপ্তানী বিভাগৰ ডাক বাংলাৰ চৌহদৰ ২ কঠা ১৮ লোচা মাটি নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক গতাই দিয়ে,

যত বৰ্তমান লোকপ্ৰিয় বৰদলৈ ভৱনটো আছে। অসম চৰকাৰৰ আবৰ সচিবে ১৯৪৯ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে নগাঁও জিলাৰ উপায়ুক্তলৈ প্ৰেৰণ কৰা পত্ৰ এখনত ডাক বাংলাৰ চৌহদৰ মাটি মহাবিদ্যালয়ক দিয়া কথা উল্লেখ আছে। পত্ৰখনৰ পূৰ্ণ পাঠ এনেধৰণৰ--

**GOVT. OF ASSAM**

Home Department — Misc. Branch

No. HMI 98/48/12 — dated Shillong the 19.2.49

To

The DC Nowgong

Subject : Transfer of Land from the Dak Banglow component to Nowgong College.

Reference : Your No. 6744.12.82 R. dt. 9.12.48 to the address of the Revenue Secretary.

Sir,

I am directed to say that in view of the Financial position Govt. consider that for the present only the vacant portion of land to be cast of the Dak Bunglow compound may be made over to the College authorities. The College authorities should be requested to be satisfied with that portion of the land till better days.

The acquisiton of the new site should be kept in abeyance for the present.

Yours faithfully,

Under Secy. to the Govt. of Assam.

----

১৯৫৪ চনত নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক বিজ্ঞান বিভাগৰ বাবে গৃহ নিৰ্মাণ কৰিবলৈ মাটি বিচাৰি আবেদন

কৰে। এই আবেদনৰ ভিত্তিত মুখ্যমন্ত্ৰীয়ে ১৯৫৪ চনৰ ৩১ ডিচেম্বৰৰ দিনা নগাঁও মহাবিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে মুখ্য সচিব আৰু গড়কাপ্তানী বিভাগৰ মুখ্য অভিযন্তালৈ প্ৰেৰণ কৰা পৰিদৰ্শন টোকাটোৰ পূৰ্ণপাঠ এনেধৰণৰ—

I have visited the college site and the Dak Bungalow at Nowgong in company with Shri Pratap Chandra Sarma, M.L.A., Shri Bimala Kanta Bora, M.L.A., Chairman, Local Board, D.C. Nowgong, Executive Engineer, Principal of the College and other members of the College Staff. There is urgent need for construction of the Science laboratory, and rooms to provide better accommodation for the laboratory and Practical classes for the college students. For that purpose, I have marked a portion of the land on the backside of the Dak Bungalow where the college authorities and the Managing Committee may start construction of the proposed two-storeyed building. They have not yet prepared plan and estimate. I hope the plan and estimate will be prepared and the portion of land allotted will probably accommodate the proposed new building. I have verbally instructed the Executive Engineer to remove the temporary shed with C.I. sheets at the corner, which is in a dilapidated condition and which is being used as a cook-shed and shift it to the other corner between the permanent cook shed and the Chowkidar's house and the old materials should be used in the shed to be constructed as economically as possible.

The portion of the land shown by me may be made over for the present to the College authorities. As regards the other portion of the land in which the Dak Bungalow, the cookshed and ancilliary buildings stand should continue for the present. The Executive Engineer will submit plan and estimate for shifting the sheds for formal sanction of the Government.

B.R. Medhi

31.12.1954

মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ ১৮ মাহ পিছতো ২ কঠা ৫ লোচা মাটি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক হস্তান্তৰ নকৰাত মহাবিদ্যালয়ৰ গভৰ্ণিং বডিয়ে এই সন্দৰ্ভত নগাঁও জিলাৰ উপায়ুক্তক হেচা প্ৰয়োগ কৰিছিল বুলি জনা যায়। উক্ত সময়ত মহাবিদ্যালয়ৰ গভৰ্ণিং বডিখন শক্তিশালী আছিল। ১৯৫৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় কেলেণ্ডাৰৰ ৫২৩ নং পৃষ্ঠাত মহাবিদ্যালয় গভৰ্ণিং বডিখন উল্লেখ আছে।

| | | |
|---|---|---|
| সভাপতি | ঃ | মতিৰাম বৰা, এম.এ., বি.এল., বিত্তমন্ত্ৰী, অসম |
| উপ-সভাপতি | ঃ | যোগ সিং ছেত্ৰী, বি.এল. |
| যুটীয়া সম্পাদক | ঃ | যজ্ঞেশ্বৰ শৰ্মা, এম.এ., অধ্যক্ষ |
| | | প্ৰিয়নাথ সেনগুপ্তা, এম.এ., বি.এল. |
| সদস্য | ঃ | পূৰ্ণচন্দ্ৰ শৰ্মা, বি.এল. |
| | | প্ৰতাপ চন্দ্ৰ শৰ্মা, বি.এল., এম.এল.এ. |
| | | হলধৰ ভূঞা |
| | | মহেশচন্দ্ৰ দেৱগোস্বামী, এম.এ. |
| | | কমলচন্দ্ৰ গোস্বামী, এম.কম., এল.এল.বি. |
| | | ৰাজেন্দ্ৰ প্ৰকাশ মালায়ৰ, এম.এচ.চি. |
| | | মহীচন্দ্ৰ বৰা, বি.এল. |
| | | জনাব নুৰুল ইছলাম, বি.এল., এম.এল.এ. |
| | | বিমলাকান্ত বৰা, বি.এল., এম.এল.এ. |
| | | আনন্দি কেনৰাৰ, এম.এ., বি.টি. |

১৯৫৬ চনৰ ২৫ জুন তাৰিখে মাটিখিনিৰ সন্দৰ্ভত ৰিপৰ্ট বিচাৰি তদানীন্তন উপায়ুক্ত, এচ.এম. ৰহমানে এখন পত্ৰ ছেটেলমেণ্ট অফিচাৰলৈ প্ৰেৰণ কৰে। পত্ৰখনৰ প্ৰত্যুত্তৰত ছেটেলমেণ্ট অফিচাৰ এন বনিয়াই উপায়ুক্তলৈ লিখা পত্ৰখনৰ পূৰ্ণ পাঠ এয়া।

No. 3186/II/6S. dated 1.8.56

From

Shri N. Bania, B.A., ACS

Settlement Officer, Nowgong

To

The Deputy Commissioner, Nowgong, Assam

Sub : Allotment of a plot of land on the backside of the Dak Bungalow to Nowgong College.

Ref.: Your No. 12837/5/14 R. dated 26.6.56

Sir,

I would request you to refer to your letter No. 13116/5/14 R. dated 12.9.55 wherein you requested me to take over a portion of land from the backside of the Dak Bungalow at Nowgong from P.W.D. who will relinquish the same in favour of Nowgong College. Accordingly an area of 2K, 5Ls. out of Dag no. 700 was taken over from the P.W.D. on 20.10.55 in presence of the Principal of the Nowgong College. Though the land in question was meant for the College, it could not be formally handed over to the Principal in absence of any specific order to do so after correction of the relevant records. A trace map showing the portion taken over from the P.W.D. in red is enclosed.

Similarly, another portion of land measuring 2K. 18 Lessas of Dag No. 760 appears to have been handed over to the College authority whereas the land in question remains as Dak Bungalow reserve in records without any orders for correction of records. The portion is shown in blue in the trace enclosed.

I therefore request you to communicate Government orders transferring both the portions from the P.W.D. to the College authority to enable me to correct records and to formally hand over the portions to the College.

Yours faithfully

N. Bania

Settlement Officer, Nowgong

উপায়ুক্তই ছেটেলমেণ্ট অফিচাৰৰ পত্ৰখন পঢ়ি ১৯৫৬ চনৰ ১০ আগষ্ট তাৰিখে ছেটেলমেণ্ট অফিচাৰলৈ লিখা পত্ৰ এখনত মুখ্যমন্ত্ৰীৰ নিৰ্দেশমতে কাৰ্যব্যৱস্থা লবলৈ অনুৰোধ জনায়। পত্ৰখনৰ পূৰ্ণপাঠ—

No. 15867/5/14 R. Dated. 10/8/56

To

The Settlement Officer, Nowgong

Subject : Allotment of a plot of land on the backside of the Dak Bungalow to Nowgong College.

Ref. : Your letter No. 3186/II/6 S dt. 1.8.56

Please refer to this officer Memo. No. 329-31/V/14 R dated 8.1.55 with a copy of Chief Minister's order for making over a portion of land from the backside of the Dak Bungalow to the College Authority. I am to point out that you were requested to take action as directed by the Chief Minister. The Subdivisional Officer, P.W.D. has also made over the land to the lot mandal as it appears from his letter No. M/13/2616 dated 2.7.56 (copy enclosed). The area in question falls within your jurisdiction and as such you are competent to move Govt. for sanction of transferring the portion of the lands in question from the P.W.D. to the Nowgong College as all the records are with you, if it is necessary in the face of Chief Minister's orders.

I would therefore request you to act accordingly at an early date.

S.M. Rahman

Deputy Commissioner, Nowgong

১৯৫৬ চনৰ ৩ ছেপ্তেম্বৰত ছেটেলমেণ্ট অফিচাৰে অসম চৰকাৰৰ ৰাজহ বিভাগ আবৰ সচিবলৈ লিখা এখন চিঠিত স্পষ্টকৈ প্ৰকাশ হৈছে যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ২ কঠা ৫ লোচা মাটি ইতিমধ্যে আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ৰ অধ্যক্ষক

গতাই দিয়া হৈছে। লগতে তেওঁ পত্ৰখনত উল্লেখ কৰে যে, চৰকাৰে এক বিঘা তিনি লোচা মাটি গড়কাপ্তানী বিভাগৰ পৰা ৰাজহ বিভাগলৈ বদলি কৰি নগাঁও মহাবিদ্যালয়ৰ বাবে সংৰক্ষণ কৰিব লাগে। পত্ৰখনৰ পূৰ্ণপাঠ এনেধৰণৰ--

No.3748 / II / 6 S Dated 3.9.56

To

The Under Secretary to the Govt. of Assam
Revenue Settlement Department Shillong.

Sub : Allotment of a plot of land on the backside of the Dak Bungalow.

Ref. : This office Memo No. 3238-40 / II / 6S dated 4.8.56

Sir,

I have the honour to say that the Chief Minister, Assam while he visited Nowgong on 31.12.54 passed orders to the affect that portion of the P.W.D. land on the backside of the Dak Bungalow where the Nowgong College authorities intended to construct a building should be given to the College authorities and accordingly directed the Deputy Commissioner and Executive Engineer, Nowgong to take action (copy enclosed for ready reference). A copy of this order was forwarded to this office (addressed to Spl. A.S.O.) under D.C.'s Memo No. 329-31/V/14 R. dated 8.1.56. Accordingly an area of 2K. 5 Ls. of land out of Dag No. 700 was taken over from the P.W.D. on 20.10.55 in presence of the Principal, Nowgong College. The land in question being meant for the College it has now been formally handed over to the Principal of the College. But in absence of any formal relinquishment of the area by the P.W.D. to the Revenue Department and any specific order from Government vesting the land with the College authority, our land records have not been corrected as yet.

Similarly another portion of the land measuring 2K. 18 Lessas of Dag No. 700 has been handed over to the College authority though in land records it still remains as Dak Bungalow reserve for the same reason as above. In this connection my letter No. 3238-40/II/6 S. dated 4.8.56 and D.C.'s letter No. 15867/5/14 R. dated 10.8.56 (copy enclosed) may kindly be referred to. Possession of the lands being already formally delivered to the Principal, Nowgong College, land records have been corrected on the strength of the Chief Minister's order dated. 31.12.54.

Government may now be pleased to approve this action and ratify the following.

(1) The area of 1B. 0K. 3 Lessas covered by Dag No. 700 of Nowgong Town now borne in the books of the P.W.D. be transferred to the Revenue Department and (2) the same reserved for Nowgong College.

Yours faithfully

N. Bania

Settlement Officer, Nowgong

অসম চৰকাৰৰ আবৰ সচিব এচ. সৰকাৰে নগাঁও জিলাৰ উপায়ুক্তলৈ ১৯৫৯ চনৰ ১২ মাৰ্চ তাৰিখে লিখা এখন চিঠিৰ পৰা আমি জানিব পাৰিছোঁ যে, অসমৰ ৰাজ্যপালে ডাক বাংলাৰ চৌহদৰ ১ বিঘা ৩ লোচা মাটি সন্তুষ্টিৰে নগাঁও মহাবিদ্যালয়লৈ আনুষ্ঠানিকভাৱে হস্তান্তৰকৰণত অনুমোদন জনাইছে। লগতে চিঠিখনত উল্লেখ কৰিছে যে, গড়কাপ্তানী বিভাগে মাটিখিনি নগাঁও মহাবিদ্যালয়ক আবণ্টন দিয়া কাৰ্যত সন্মতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, ডাক বাংলাৰ চৌহদৰ মাটিখিনি ১৯৫৬ চনৰ শেষৰফালে ছেটেলমেণ্ট অফিচাৰে আনুষ্ঠানিকভাৱে নগাঁও মহাবিদ্যালয়ক চমজাই দিয়াৰ পিছত অধ্যক্ষই নগাঁও মহাবিদ্যালয়খনৰ বিকাশৰ স্বাৰ্থত পুৰণি জৰাজীৰ্ণ ডাক বাংলাটোৰ সৈতে চৌহদৰ সম্পূৰ্ণ মাটি মহাবিদ্যালয়ৰ বাবে বিচাৰি ১৯৫৭ চনৰ ১৬ মে’ তাৰিখে অসমৰ তদানীন্তন

মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু ১৫ আগষ্ট তাৰিখে তদানীন্তন শিক্ষামন্ত্ৰী মতিৰাম বৰালৈ পৃথককৈ দুখন পত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীলৈ লিখা চিঠিখনৰ মূল অংশ এনেধৰণৰ—

"In order to help the expansion and growth of Nowgong College, the State Govt. was pleased to allow the authorities of the college to construct the Lokapriya Hall on a portion of the Dak Bungalow Compound as early as in 1949. Subsequently the Chief Minister was pleased to allot 2 kathas of land within the Dak Bungalow Compound to the authorities of the College for starting B.Sc. classes and the same has been formally handed over. Now that the College has a roll strength of over 800 pupils, expansion of both Arts and Science Departments has become urgent, and specially as the construction of building to accommodate I.Sc. & B.Sc. classes has become immediately necessary, the college authorities request that the dilapidated Dak bungalow and the entire compound on which it stands, may kindly be made available to the college authorities as soon as the new Dak Bunglow is ready for use. And for this act of encouragement to higher education, the people of the district will ever remain grateful to the State Govt."

১৯৫৭ চনৰ ডিচেম্বৰ মাহৰ ২৮ তাৰিখে বিমলা প্ৰসাদ চলিহা মুখ্যমন্ত্ৰী আসনত অধিষ্ঠিত হয়। ডাক বাংলা আৰু সেই চৌহদৰ সম্পূৰ্ণ মাটি মহাবিদ্যালয়খনৰ বাবে বিচাৰি যে ইতিমধ্যে আবেদন কৰা হৈছে সেই বিষয়টো অৱগত কৰিবলৈ নগাঁও মহাবিদ্যালয়ৰ এটি সঁজাতী দলে ১৯৫৮ চনৰ ২০ মে' তাৰিখে নগাঁৰৰ আৱৰ্ত ভৱনত মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাক সাক্ষাৎ কৰে। সঁজাতী দলটোৱে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ পিছতেই অসমৰ মুখ্য সচিবে ডাক বাংলাৰ চৌহদৰ সম্পূৰ্ণ মাটি মহাবিদ্যালয় কৰ্তৃপক্ষক হস্তান্তৰ কৰিবলৈ নগাঁও জিলাৰ তদানীন্তন উপায়ুক্ত এচ. এম. এল. ভাটনাগৰৰ লগত যোগাযোগ কৰে। এনেদৰে ডাক বাংলাৰ সৈতে চৌহদৰ সম্পূৰ্ণ মাটি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক

হস্তান্তৰ কৰা নথিবোৰ অসম চৰকাৰৰ বিভিন্ন বিভাগৰ টেবুলে টেবুলে ঘূৰি ফুৰি অৱশেষত অসমৰ তদানীন্তন ৰাজহমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ তৎপৰতাত ১৯৫৯ চনৰ শেষৰফালে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে বুলি জনা যায়।

১৯৬৩ চনৰ ৩ অক্টোবৰত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই ৰত্নকান্ত বৰকাকতি পথত (পূৰ্বতে কেনেডি ৰোড) থকা একচনা পট্টাৰ ২ কঠা ১০ লোচা মাটি নগাঁও মহাবিদ্যালয়ৰ নামত আবণ্টন দিবলৈ অনুৰোধ জনাই লিখা চিঠিখনৰ পূৰ্ণ পাঠ এনেধৰণৰ—

Phone No. NGG.40

**OFFICE OF THE PRINCIPAL, NOWGONG COLLEGE**

**NOWGONG : ASSAM**

**ESTD. 1944**

Ref. No. 5374/1(d)/III/56-63 Date: 3/10/1963

To

The Chief Minister, Assam
Camp (Nowgong)

Sub : Settlement of Annual Patta Land with authorities of Nowgong College.

Sir,

We, on behalf of the authorities of Nowgong College have the honour to state that as there is not other land for expansion of this growing institution, the annual Patta Land measuring 2 kathas 10 Lochas covered by Dag No. 755 on Kennedy Road, Nowgong Town, may kindly be settled with the authorities of the College.

The College is expanding everyday. Hostels and Professors quarters need to be built immediately. This plot of land is contiguous to the College and lies opposite the Govt. School Hostel. There is a tank near this strip of Land and the tank

which belongs to the College also requires to be reclaimed. The people now occupying this strip of annual patta land, appear to be desirable neighbours near the College and the School Hostels.

Under the circumstances, it is prayed that the State Government be pleased to take immediate action in the matter, and help the Institution.

The Deputy Commissioner, Nowgong has also been approached in this connection.

Yours faithfully

J. Sarma

Dated Nowgong, the 3rd Oct/63 Principal, Nowgong College

উপৰিউক্ত নথিবোৰৰ জৰিয়তে এটা কথা স্পষ্ট হৈছে যে, প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই লোৱা পদক্ষেপৰ বাবেই তেওঁৰ কাৰ্যকালতেই নগাঁও মহাবিদ্যালয়ৰ প্ৰসাৰৰ বাবে প্ৰয়োজনীয় মাটি অধিগ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। এখন মহাবিদ্যালয়ক সঠিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যি নেতৃত্বৰ প্ৰয়োজন, সেই নেতত্ব দিয়াত যজ্ঞেশ্বৰ শৰ্মা সফল হৈছিল।

১৯৪৯ চনৰ পৰা ১৯৬৪ চন মানলৈকে নগাঁও মহাবিদ্যালয়ৰ আন্তঃগাঠনিৰ বাবে প্ৰয়োজনীয় মাটি নিয়ম-নীতিৰ মাজেৰে অসম চৰকাৰৰ পৰা আদায় কৰিবলৈ গভাৰ্নিং বডি, অধ্যক্ষ আৰু শিক্ষকসকলে যেনেদৰে অহোপুৰুষাৰ্থ কৰিছিল তেনেদৰে তেওঁলোকে মহাবিদ্যালয়খনৰ শৈক্ষিক বিস্তাৰৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক পাঠৰ জৰিয়তে দেশৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ অহৰহ প্ৰচেষ্টা চলাইছিল। শিক্ষক গোটৰ বিষয়ববীয়া আৰু গভাৰ্নিং বডিৰ সদস্যসকলে অধ্যাপকসকলৰ সুৰক্ষাৰ বাবে বাসগৃহৰ ব্যৱস্থা কৰাৰ কথাও ভাবিছিল। মহাবিদ্যালয়খনৰ সামগ্ৰিক উন্নতিৰ বাবে প্ৰতিষ্ঠাকালৰ অধ্যক্ষ, শিক্ষক আৰু পৰিচালনা সমিতিৰ সদস্যসকলে একত্ৰিত হৈ সুপৰিকল্পনাৰে আগবাঢ়িছিল বাবেই সকলো ক্ষেত্ৰতেই তেওঁলোক সফল হৈছিল আৰু গৌৰৱৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছিল। এই সুযোগতে সেইসকল মহান ব্যক্তিলৈ আমি শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

১৯৪৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আই কমৰ পাঠ্যক্ৰম আৰম্ভ কৰাত নগাঁও মহাবিদ্যালয়তো আই কম শ্ৰেণী আৰম্ভ হয়। আই.কম.ৰ পাঠ্যক্ৰম আৰম্ভ হোৱাত নগাঁও মহাবিদ্যালয়ত কলা, বিজ্ঞানৰ লগতে বাণিজ্য বিভাগৰো সংযোজন ঘটিল। ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথমবাৰ আই.কম. পৰীক্ষা অনুষ্ঠিত কৰিছিল। উক্ত পৰীক্ষাত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ মহম্মদ কুতুবুদ্দিন আহমেদে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ্থীসমূহৰ ভিতৰত দশম স্থান অধিকাৰ কৰিছিল। বলদেৱ গেস্বামী, কেশৱ কুমাৰ বৰুৱা, সুধীৰ কুমাৰ দে, মাজহাৰুল হক এই চাৰিগৰাকী পৰীক্ষাৰ্থী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা একমাত্ৰ পৰীক্ষাৰ্থীগৰাকী হ'ল ধীৰেন্দ্ৰ কুমাৰ মজুমদাৰ। ১৯৫১ চনত নগাঁও মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বি.কম. খুলিবলৈ অনুমতি লাভ কৰাত মধ্য অসমৰ প্ৰথমখন বাণিজ্য শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি লাভ কৰে। এই মহাবিদ্যালয়ৰ পৰা ১৯৫৩ চনত পাঁচ গৰাকী পৰীক্ষাৰ্থীয়ে সুখ্যাতিৰে বি.কম. পৰীক্ষাত উত্তীৰ্ণ হয়। নগাঁও মহাবিদ্যালয়ৰ প্ৰথম পাঁচগৰাকী বাণিজ্য স্নাতক হ'ল কুতুবুদ্দিন আহমেদ, কেশৱকুমাৰ বৰুৱা, মাজহাৰুল হক, সুধীৰ কুমাৰ দে আৰু বলদেৱ গোস্বামী।

পঞ্চাশ দশকৰ আৰম্ভণি ভাগত বহুকেইগৰাকী বিশেষকৈ বিজ্ঞান আৰু বাণিজ্য বিভাগৰ পুৰণি অধ্যাপকে চাকৰি ইস্তাফা দিয়াত ছাত্ৰ-ছাত্ৰীৰ কিছু অসুবিধা হৈছিল যদিও অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই ক্ষীপ্ৰতাৰে খালী হোৱা পদবোৰ যোগ্য ব্যক্তি নিৰ্বাচন কৰি পূৰণ কৰিছিল। ১৯৫৫ চনত নগাঁও মহাবিদ্যালয়ত কাৰ্যনিৰ্বাহ কৰা অধ্যাপকসকলৰ নাম ১৯৫৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেলেণ্ডাৰত লিপিবদ্ধ হৈ আছে। তেওঁলোক হৈছে— ফণীন্দ্ৰলাল দত্ত, নিৰ্মল চন্দ্ৰ চামাদ্দাৰ, মহেশচন্দ্ৰ দেৱগোস্বামী, সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী (ইংৰাজী), কামাখ্যাকমল পণ্ডিত (অংক), ৰাধিকাৰঞ্জন চৌধুৰী (ইংৰাজী), আব্দুল হাই (বুৰঞ্জী), কুকিল বেজবৰুৱা (বুৰঞ্জী), দীনেশ চন্দ্ৰ দত্ত (সংস্কৃত আৰু অসমীয়া), কমলচন্দ্ৰ গোস্বামী (বাণিজ্যিক ভূগোল), বুদ্ধেশ্বৰ গোঁহাই (উদ্ভিদ বিজ্ঞান), প্ৰফুল্ল শৰ্মা কটকী (বাণিজ্য), ৰাজেন্দ্ৰ প্ৰকাশ মালায়াৰ (প্ৰাণী বিজ্ঞান), মহিম বৰা (অসমীয়া), পি. শৰ্মা বৰুৱা (বাণিজ্য), ভগৱান বৰুৱা (অৰ্থনীতি), বসন্ত কুমাৰ ভূঞা (তৰ্ক বিজ্ঞান আৰু দৰ্শন), জি. দেৱ শৰ্মা (অসমীয়া), লক্ষ্মীনন্দন বৰা (পদাৰ্থ বিজ্ঞান), পূৰ্ণেশ্বৰ বৰদলৈ (বাণিজ্য) আচমত উল্লাহ (আৰবী)।

১৯৫৪ চনৰ ১২ মাৰ্চ তাৰিখে নগাঁও মহাবিদ্যালয়ৰ শিক্ষক গোটৰ এখন সভাত মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ বাসগৃহৰ সমস্যাৰ ওপৰত আলোচনা হয় আৰু ইয়াৰ ব্যৱস্থা লবলৈ গভাৰ্নিং বডিক অনুৰোধ জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। সভাখনৰ বিষয়ে সবিশেষ জনাই শিক্ষকগোটৰ সম্পাদক পি. দত্তই এখন পত্ৰৰ সৈতে প্ৰস্তাৱটো মতিৰাম বৰালৈ প্ৰেৰণ কৰিছিল। পত্ৰখনৰ পূৰ্ণপাঠ এনেধৰণৰ—

From

Prof. P. Dutta, M.A.
Secretary, Nowgong College Teachers' Council

To

Sree Matiram Bora, M.A., B.L.,
Finance & Revenue Minister, Govt. of Assam

Dear Sir,

In forwarding herewith a copy of resolution adopted by the Council in their meeting held on 12.3.54, I have the honour to draw your kind attention to the following facts:-

(1) That this College, the only institution in the district imparting higher education is a growing one, so it has the necessity of securing and retaining professors whose service and guidance will promote its growth.

(2) That due to scarcity of houses many a member of the staff lives in Hotels, messes and some jointly with others in a most undignified manner unbecoming of the profession. Due to the difficulty and extreme hardship caused by the unnatural way of life some become disgusted and desire to leave the place.

(3) That the present strength of the staff is twenty seven which is likely to become thirty five in a year or two, and unless this difficulty is faced from appropriate direction we are sure to loss assistance of many able hands. So, the members of the staff discussing the problem thoroughly resolved to draw your attention

in the matter which is embodied in the copy of resolution attached herewith.

Yours faithfully
P. Dutta
Secretary, Teachers' Council
Nowgong College.
Date : 27.3.1954

শিক্ষকগোটৰ সভাপতি যজ্ঞেশ্বৰ শৰ্মা আৰু সম্পাদক পি. দত্তৰ স্বাক্ষৰ থকা প্ৰস্তাৱটো এনেধৰণৰঃ

An extract from the proceedings of the Teachers' Council, Nowgong College held on 12.3.54.

The meeting of the Nowgong College Teachers' Council discussed the present problem arising out of the non-availability of houses and also the future of such difficulty and there upon decided that adequate steps should be taken in no time by the authorities before it has become worse. Accordingly, it is resolved that the Governing Body of the College be requested to find out ways and means to make necessary arrangements for accommodation the members of the staff of this growing institution and interalia suggests that a Committee be formed to formulate a scheme and act upon it.

শিক্ষক গোটে ১৯৫৪ চনৰ ১২ মাৰ্চ তাৰিখে গ্ৰহণ কৰা প্ৰস্তাৱটোৰ সন্দৰ্ভত গভাৰ্নিং বডিৰ সদস্য পূৰ্ণচন্দ্ৰ শৰ্মাৰ লগত আলোচনা কৰিবলৈ ২৬ মাৰ্চ তাৰিখে আন এখন শিক্ষক গোটৰ সভা অনুষ্ঠিত কৰিছিল। সভাৰ অন্তত সম্পাদক ডাঙৰীয়াই এখন পত্ৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱটোৰ সৈতে মতিৰাম বৰালৈ ২৭ মাৰ্চ তাৰিখে প্ৰেৰণ কৰে। পত্ৰখনৰ পূৰ্ণ পাঠ এনেধৰণৰ—

From

Prof. P. Dutta, Secretary, Teachers' Council

Nowgong College

To

Sree Matiram Bora, M.A., B.L., Finance & Revenue Minister

Dear Sir,

Herewith please find a copy of resolution of the Teachers' Council held on 26.3.54.

In pursuance of the resolution adopted by the Council on 12.3.54. The Ciouncil took the opportunity of discussing some important matters with Sree Purna Chandra Sarma, member Governing Body, who gave an idea of the future growth of the College and stressed upon the implementation of an accurate plan in the matter of further development of the College. He further opined that urgency of the non-availability of houses in the town should be immediately taken up.

Accordingly a Committee has been formed with the members stated in the resolution forwarded herewith.

It is earnestly believed that your whole-hearted cooperation will give the proposal a definite shape and will make it a success.

Yours truly,

P. Dutta

Secretary, Teachers' Council

Date : 27.3.54

Copy of resolution No. 1 passed in the meeting of the Teachers' Council, Nowgong college held on 26.3.54.

Discussed the matter of procuring land for construction of Professors' quarters with Sree Purna Chandra Sarma, B.L.,

member Governing Body, Nowgong College on 26.3.54 at 2.30 P.M.

It is resolved that a Committee be formed with the following members to do the needful in the matter.

1. Sree Motiram Bora, M.A., B.L., Revenue Minister, Govt. of Assam
2. Sree Pratap Chandra Sarma, B.L., M.L.A.
3. Sree Jogsingh Chetri, B.L.
4. Sree Haladhar Bhuyan
5. Sree Purna Chandra Sarma, B.L.
6. Sree Bimola Kanta Bora, B.L., M.L.A.
7. Md. Nurul Islam, B.L., M.L.A.
8. The Deputy Commissioner, Nowgong
9. Principal J. Sarma, M.A.
10. Prof. K.K. Pandit, M.A., B.L. (Convenor)
11. Prof. P. Datta, M.A.

১৯৫৫ চনৰ ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ নগাঁও মহাবিদ্যালয়ত দ্বিতীয় সংখ্যক সদৌ অসম আন্তঃ জিলা সঙ্গীত সন্মিলন অনুষ্ঠিত হৈছিল। প্ৰথম সন্মিলন ১৯৫৪ চনত গুৱাহাটীত অনুষ্ঠিত হৈছিল। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৩৫০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সন্মিলনখনৰ অভ্যৰ্থনা সমিতিখন এনেধৰণৰ আছিল—

| | |
|---|---|
| সভাপতি | ঃ পূৰ্ণচন্দ্ৰ শৰ্মা |
| উপসভাপতি | ঃ যজ্ঞেশ্বৰ শৰ্মা, অধ্যক্ষ |
| যুটীয়া সম্পাদক | ঃ মহিম বৰা, অধ্যাপক |
| | কমলচন্দ্ৰ গোস্বামী, অধ্যাপক |

এই সন্মিলনখন সফলতাৰে উদ্‌যাপন  কৰিবলৈ অসম চৰকাৰে ২,৫০০ টকাৰ এক অনুদান আগবঢ়াইছিল। সন্মিলনখনৰ বিষয়ে স্মৰণ কৰি নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী বিশিষ্ট লেখিকা ৰেখা শৰ্মাই তেখেতৰ আত্মজীৱনী ‘স্মৃতিৰ জলঙাৰে’ত এনেদৰে লিখিছে— “আন্তঃজিলা সঙ্গীত সন্মিলনো নগাঁও

মহাবিদ্যালয়ত ১৯৫৫/৫৬ চনত হৈছিল। অসমৰ সুযোগ্য সন্তান সাংসদ হেম বৰুৱা, পটবৰ্ধন, এছৰাজ বাদক খান (নামটো পাহৰিলো) সকলৰ অংশগ্ৰহণত সঙ্গীতৰ যি কাৰ্যসূচী হৈছিল তাক আজিও মনত পৰে। শ্ৰেষ্ঠ গায়িকা গুণদা দাসে প্ৰথম পুৰস্কাৰ পাইছিল। কি সুন্দৰ, সুললিত কণ্ঠ।" সঙ্গীত সন্মিলনীৰ অভ্যৰ্থনা সমিতিৰ সভাপতি পূৰ্ণচন্দ্ৰ শৰ্মাই তেওঁৰ আত্ম জীৱনী 'মোৰ অতীতৰ সোঁৱৰণী আৰু নগাঁও জিলাৰ মুক্তিসংগ্ৰাম'ত সন্মিলনখনৰ বিষয়ে এনেদৰে লিখিছে, "জিলাৰ সকলো সঙ্গীতজ্ঞ আৰু বাদ্যবাদকসকলৰ সহযোগিতা পালোঁ আৰু বাহিৰৰ পৰাও গায়ক-বাদকসকলক অনা হ'ল আৰু বিশেষকৈ মোৰ হেঁপাহৰ নিজেই চাবলৈ বিচৰা শ্বিলং কলা পৰিষদৰ নৃত্যনাট্য গোষ্ঠীৰ লগতো বন্দবস্ত হ'ল যে, ১২ জানুৱাৰী তাৰিখে গধূলি ৭ বজাৰ পৰা উক্ত পৰিষদে 'ৰুক্মিণী হৰণ' নৃত্যনাট অভিনয় কৰিব। ৯ তাৰিখে ভাৰতবিখ্যাত সঙ্গীতাচাৰ্য পণ্ডিত পটবৰ্ধনে সন্মিলনী উদ্বোধন কৰিলে আৰু তিনি দিন ব্যাপি উৎসৱ চাবলৈ শঙ্কৰী কলা প্ৰদৰ্শন, শাস্ত্ৰীয় সঙ্গীত আৰু বাদ্যবিদসকলে নগাঁও টাউন মুখৰিত কৰিলে।"

১৯৫৩-৫৪ বৰ্ষৰ বাজেটত বেচৰকাৰী কলা মহাবিদ্যালয়সমূহৰ বাবে ধাৰ্য কৰা নন ৰেকাৰিং অনুদানৰ পৰা ৰাহি হোৱা ৮,৮০০ টকা নন ৰেকাৰিং অনুদান হিচাপে নগাঁও মহাবিদ্যালয়, শিৱসাগৰ মহাবিদ্যালয় আৰু দৰং মহাবিদ্যালয়ক ভগাই দিবলৈ অনুৰোধ জনাই তদানীন্তন শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাসে তদানীন্তন বিত্ত মন্ত্ৰী মতিৰাম বৰাৈলে এখন পত্ৰ লিখিছিল। পত্ৰখন এনেধৰণৰ আছিল—

Minister Finance,

We have still a saving of Rs. 8,800/- from the non-recurring grant provided under "Direct Grant to Non-Government Arts Colleges". I would now propose to spend the money by giving Non-recurring grants to the following Colleges. D.P.I. has been consulted in this regard.

| | | |
|---|---|---|
| 1. | Nowgong College | : 2,500/- for Science apparatus |
| 2. | Sibasagar College | : 2,500/- for buildings |
| 3. | Darrang College | : 3,800/- -do- |
| | Total | : 8,800/- |

23.3.54 Omeo Kumar Das

তদানীন্তন বিত্তমন্ত্ৰীয়ে পত্ৰখন পোৱাৰ পিছত সেইদিনাই প্ৰস্তাৱটো সঁহাৰি জনাই এনেদৰে লিখে—

H M Education,

Your proposal is acceptable to me.

বিত্তমন্ত্ৰীৰ পৰা সঁহাৰি পোৱাৰ পিছত শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাসে শিক্ষা সচিবলৈ এনেদৰে নিৰ্দেশ দিয়ে—

Secretary, Education,

Please take action accordingly.

OK Das

23.3.54.

পিছৰ দিনাই অৰ্থাৎ ২৪ মাৰ্চ তাৰিখে তদানীন্তন শিক্ষা সচিব এন. এম. চালেহে উক্ত ধনৰাশি মহাবিদ্যালয় তিনিখনৰ নামত অসমৰ ৰাজ্যপালে অনুমোদন জনোৱাৰ বিষয়টো অসমৰ তদানীন্তন শিক্ষাধিকৰ্তা ডি গোস্বামীক অৱগত কৰিবলৈ এখন পত্ৰ লিখিছিল। পত্ৰখনৰ পূৰ্ণ পাঠ এনেধৰণৰ—

No. ECL 23/54/2 dated Shillong, the 24th March, 1954

From:

Shri ANM Saleh, M.A.

Secretary to the Govt. of Assam

To

The Director of Public

Instruction, Assam

Subject : Non-recurring Grant.

Sir,

The Governor of Assam is pleased to sanction non-recurring grants to the following aided colleges as noted against their names.

(1) Nowgong College, Nowgong : Rs. 2,500/- for purchase of science apparatus

(2) Sibasagar College, Sibasagar: Rs. 2,500/- for construction of buildings.

(3) Darrang College, Tezpur : Rs. 3,800/- -do-

The expenditure for the purpose is debitable to the head "37-Education-C-Direct grant to Non-Government Arts College-2 Non-recuring grants" for 1953-54 budget.

Yorus faithfully

A.N.M. Saleh
Secretary to the Govt. of Assam
Education Department

১৯৫৩-৫৪ চনৰ বাজেটত নগাঁও মহাবিদ্যালয় আৰু শিলচৰ জি.চি. মহাবিদ্যালয়ত বি.এ.চি. শ্ৰেণী আৰম্ভ কৰিবলৈ প্ৰত্যেকখন মহাবিদ্যালয়ৰ বাবে মাহে ৫০০ টকাকৈ বছৰি ৬,০০০ টকা ধাৰ্য কৰিছিল। মহাবিদ্যালয় দুখনে বি.এ.চি. শ্ৰেণী আৰম্ভ কৰিব নোৱৰাত উক্ত ধনৰাশি ব্যৱহাৰ নোহোৱাকৈ আছিল। ১৯৫৪ চনৰ ২০ মাৰ্চ তাৰিখে বাজেটৰ অব্যৱহৃত ধনৰাশি ওভতাই দি অসমৰ তদানীন্তন শিক্ষাধিকৰ্তাই অসম চৰকাৰৰ বিত্ত সচিব আৰু শিক্ষা সচিবলৈ পত্ৰ প্ৰেৰণ কৰে। উক্ত পত্ৰৰ পূৰ্ণ পাঠ এনেধৰণৰ—

No. 493-94 Acctts., dated Shillong, the 20th March, 1954.

From

Shri D. Goswami, M.A., B.L.,
Director of Public Instruction, Assam

To

The Secretary to the Government of Assam,
Finance Department / Education Department.

Subject : Surrender of Budgent Grants

Reference : This office letter No. 453-55 dated 15.3.54

Sir,

In continuation of this office letter quoted above, I have the honour to surrender an amount of Rs. 12,000/- from provision in my budget under the head "37 Education Direct Grants to non-Government Arts College".

The saving is due to the fact that the provision for recurring grant of Rs. 500/- per month to each of the Nowgong College and G.C. College, Silchar for opening of B.Sc. Classes, could not be utilised as the Colleges have failed to start B.Sc. Classes.

As the information for non opening of B.Sc. Classes was received late from these College the amount could not be surrendered earlier.

The late surrender may, therefore, be accepted.

Yours faithfully,

Director of Public Insruction, Assam

১৯৫৪-৫৫ বৰ্ষৰ বাজেটতো নগাঁও মহাবিদ্যালয়ত বি.এ.চি. শ্ৰেণী আৰম্ভ কৰিবলৈ, মাহে ৫০০ টকাকৈ বছৰি ৬০০০ টকাৰ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছিল। কিন্তু ঠাইৰ অভাৱৰ বাবে মহাবিদ্যালয়ে বি.এ.চি. শ্ৰেণী আৰম্ভ কৰিবলৈ নোৱাৰিলে। অব্যৱহৃত ধনৰাশি পৰৱৰ্তী সময়ত বি.এ.চি. শ্ৰেণী আৰম্ভ কৰিবলৈ নগাঁও মহাবিদ্যালয়ক অনুমোদন দিবলৈ অনুৰোধ জনাই এখন পত্ৰ অধ্যক্ষই শিক্ষাধিকৰ্তালৈ প্ৰেৰণ কৰে। ১৯৫৪ চনৰ ২৭ নৱেম্বৰ তাৰিখে প্ৰেৰণ কৰা চিঠিখনৰ মূল অংশটো হৈছে—

“I have the honour by direction of the Governing Body of Nowgong College to request you to kindly sanction the amount of Rs. 6000/- (Consolidated monthly grants for B.Sc. Class for the year 1954-55) for use toward B.Sc. Classes to be started as early as possible.”

অসমৰ সহকাৰী শিক্ষাধিকৰ্তা ড° অশ্বিনী কুমাৰ বৰকাকতীয়ে এই সন্দৰ্ভত এখন চিঠি অসম চৰকাৰৰ শিক্ষা সচিবলৈ লিখে। চিঠিখনৰ পূৰ্ণ পাঠ এনেধৰণৰ—

No. 2G-5/10/54/62 Shillong, the 11th January, 1955

From

Dr. A.K. Barkakoty, M.A. (B.H.U), Ph.D. (London)

Asstt. Director of Public Instruction, Assam

To

The Secretary to the Government of Assam

in the Education and L.S.G. Departments.

Subject : Sanction of a non-recurring grant of Rs. 6000/- to Nowgong College for opening of B.Sc. Classes.

Sir,

I am directed to forward herewith a copy of the letter No. 394, dated 27.11.54, from the Principal, Nowgong College, on the subject indicated aove and to state that there is a provision for a monthly grant of Rs. 500/- for the Nowgong College, for B.Sc. classes but the grant cannot be sanctioned to the College this year as the B.Sc. classes have not yet been opened in the College for want of accommodation. The College authorities have now decided to construct a building for the purpose but financial difficulties stand in their way.

As they want to start the B.Sc. class from the next College session and as there will be a Saving of Rs. 6000/- in our budget, I am to request that Government may be pleased to sanction Rs. 6000/- to the Nowgong College as a non-recurring grant so that the College authorities may utilise the amount in construction of the building and can start B.Sc. classes in the College from next year.

The expenditure required for the purpose will be met from the provision under the head "37-Education-University Education-Direct Grants to Non-Government Arts Colleges" for the year 1954-55.

Yours faithfully,

Asstt. Director of Public Instruction, Assam

১৯৫৫ চনৰ ২৫ মাৰ্চ তাৰিখে অসম চৰকাৰৰ তদানীন্তন শিক্ষক সচিব আৰ শৰ্মাই অসমৰ শিক্ষাধিকৰ্তালৈ লিখা এখন চিঠিত নগাঁও মহাবিদ্যালয়ে বিচৰা ধনৰাশি অসমৰ ৰাজ্যপালে অনুমোদন দিয়া কথাটো উল্লেখ আছে।

No. ECL 12/61/2 dated Shillong, 25th March, 1955

From : Shri R. Sharma, I.A.S.,
Secretary to the Government of Assam

To
The Director of Public Instruction, Assam

Subject : Sanction of a non-recurring grant of Rs. 6,000/- to Nowgong College for opening of B.Sc. classes.

Reference : Your letter No. 2g-5/10/54/62G, dated 11.1.55.

Sir,

I am directed to convey the sanction of the Governor of Assam to the payment of a non-recurring grant of Rs. 6,000/- (Rupees six thousand only) to the Nowgong College, Nowgong for the purpose of construction of additional buildings for starting B.Sc. classes from next session.

The expenditure should be met from the provision under the head "37-Education-University Education-Direct grants to Non-Government Arts Colleges" in the current year's (1954-55) Budget.

Yours faithfully,

R. Sharma

Secretary to the Government of Assam

Education Department

৫০ দশকত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল খেলাধুলাৰ প্ৰতি আগ্ৰহী আছিল। সেইসময়ত নগাঁও মহাবিদ্যালয়ত ক্ৰিকেট দল, ভলীবল দল, ফুটবল দল আছিল। ১৯৫৪ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত নগাঁও মহাবিদ্যালয়ে চেম্পিয়নৰ খিতাপ দখল কৰি নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৫৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেলেণ্ডাৰত নগাঁও মহাবিদ্যালয়ৰ সন্দৰ্ভত থকা কিছু তথ্য উল্লেখ কৰা হ'ল— ১৯৫৫ চনৰ ১ নবেম্বৰত নগাঁও মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণীত থকা শিক্ষাৰ্থীৰ সংখ্যা এনেধৰণৰ—

| | | |
|---|---|---|
| আই. এ. প্ৰথম বৰ্ষ | ঃ | ১৯৮ |
| আই. এ. দ্বিতীয় বৰ্ষ | ঃ | ২৪৪ |
| আই. কম. প্ৰথম বৰ্ষ | ঃ | ১৫ |
| আই. কম. দ্বিতীয় বৰ্ষ | ঃ | ৩৩ |
| আই. এচ. চি. প্ৰথম বৰ্ষ | ঃ | ৭৬ |
| আই. এচ. চি. দ্বিতীয় বৰ্ষ | ঃ | ৯০ |
| বি. এ. তৃতীয় বৰ্ষ | ঃ | ৬৫ |
| বি. এ. চতুৰ্থ বৰ্ষ | ঃ | ৭৬ |
| বি. কম তৃতীয় বৰ্ষ | ঃ | ৮ |
| বি. কম চতুৰ্থ বৰ্ষ | ঃ | ৩ |
| মুঠ | ঃ | ৮০৮ |

১৯৫৫ চনত প্ৰতিগৰাকী শিক্ষাৰ্থীৰ প্ৰতিমাহৰ মাচুল এনেধৰণৰ আছিল—

| | | |
|---|---|---|
| আই. এ. | ঃ | ৮ টকা |
| আই. এচ. চি. | ঃ | ১০ টকা |
| আই. কম. | ঃ | ১০ টকা |
| বি. এ. | ঃ | ১০ টকা |
| বি. কম | ঃ | ১২ টকা |

সেই সময়ত নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ৩,৮৫০ খন গ্ৰন্থ আছিল। মহাবিদ্যালয়ৰ সকলোধৰণৰ সাংস্কৃতিক অনুষ্ঠান লোকপ্ৰিয় বৰদলৈ ভৱনত অনুষ্ঠিত হৈছিল। আই. এ., আই. এচ. চি., আই. কম.ৰ প্ৰথম বাৰ্ষিকৰ যিসকল শিক্ষাৰ্থীয়ে বাৰ্ষিক পৰীক্ষাত প্ৰথম হৈছিল, তেওঁলোকক মহাবিদ্যালয়ৰ তৰফৰ পৰা বৃত্তি

দিয়াৰ ব্যৱস্থা আছিল। বি.এ., বি.কম.ৰ যিসকল শিক্ষাৰ্থীয়ে ৫০ শতাংশতকৈ বেছি নম্বৰ পাইছিল, তেওঁলোককো মহাবিদ্যালয়ৰ তৰফৰ পৰা বৃত্তি দিছিল। মহাবিদ্যালয়খনৰ ৯২ শতাংশ নিয়মীয়া ছাত্ৰ এন.চি.চি.ত ভৰ্তি হৈছিল।

নগাঁও মহাবিদ্যালয়ত বি.এ.চি. শ্ৰেণী আৰম্ভ হোৱাৰ পিছৰ বছৰতে শিক্ষাৰ্থীসকলে বাৰ্ষিক বিজ্ঞান প্ৰদৰ্শনী এখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুষ্ঠানটি সফলতাৰে অনুষ্ঠিত কৰিবলৈ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তদানীন্তন সাধাৰণ সম্পাদক প্ৰীতি মোহন শৰ্মাই অনুদান বিচাৰি অসমৰ তদানীন্তন শিক্ষামন্ত্ৰী দেৱেশ্বৰ শৰ্মালৈ এখন পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনৰ পূৰ্ণ পাঠ এনেধৰণৰ—

To
The Minister in-charge of Education, Shillong, Assam
Through the Principal, Nowgong College, Nowgong : Assam

Dated Nowgong, the 9th January, 1959

Sir,

I on behalf of the students of Nowgong College beg to lay the following few lines for your kind consideration and favourable order.

That Sir, we the students of Nowgong College are wishing to hold the Annual Science Exhibition sometime in February in an attractive way. The amount of money estimated to be spent for the purpose is Rs. 2000/- a detailed list of which is attached herewith for your kind perusal. The college authority expresses its inability to bear all the expenses for the purpose. It will not be possible to make it a success if no help is forthcoming from the Educational Authority of the State.

I, therefore, earnestly request you to be kind enough to grant us a sum of Rs. 1000/- (one thousand) atleast for this purpose for which act of kindness we shall ever be grateful.

Yours faithfully,
Priti Mohan Sarma
General Secretary
Nowgong College Union Society

Budget Estimate for "The Annual Science Exhibition, Nowgong College"

| | | | | |
|---|---|---|---|---|
| I. | Physics Department | : | Rs. | 300/- |
| II. | Chemistry Department | : | Rs. | 300/- |
| III. | Biology Department | : | Rs. | 300/- |
| IV. | Botany and Agriculture (to be organised by Botany Dept.) | : | Rs. | 300/- |
| V. | Hygiene and Sanitary (to be organised jointly by Chemistry and Biology Department) | : | Rs. | 300/- |
| VI. | Industries (to be organised by Science, Commerce & Economics Dept.) | : | Rs. | 200/- |
| VIII. | Miscellaneous (including travelling fares to the Inaugurator) | : | Rs. | 300/- |
| | Grand Total | : | Rs. | 2000/- |

(Rupees two thousand only)

এই সন্দৰ্ভত অসমৰ বিধান সভাৰ তদানীন্তন অধ্যক্ষ দেৱকান্ত বৰুৱাই অসমৰ তদানীন্তন উপশিক্ষামন্ত্ৰী ৰাধিকাৰাম দাসলৈ ১৩ জানুৱাৰী তাৰিখে এখন চিঠি লিখিছিল। চিঠিখনৰ পূৰ্ণপাঠ এনেধৰণৰ—

My Dear Shri Das,

Enclosed please find an application from Shri Priti Mohan Sarma, General Secretary, Nowgong College Union Society, which has been forwarded and recommended by the Principal, Nowgong College, for a grant of Rs. 1,000/- for the purpose of holding an Annual Science

Exhibition some time in February. This amount would constitute 50 per cent of their expected expenditure. I had spoken to Shri Debeswar Sarmah, the Education Minister about it and he was pleased to tell me that he would do the needful at an early date. As Shri Sarmah is out, I shall be grateful if you give due consideration to this application which appears to me to be highly deserving and grant the amount prayed for. With kind regards,

Yours sincerely,

D.K. Borooah

বাৰ্ষিক বিজ্ঞান প্ৰদৰ্শনিখন সফলতাৰে অনুষ্ঠিত কৰাত নেতৃত্ব দিয়া ছাত্ৰ একতা সভাৰ সম্পাদক প্ৰীতিমোহন শৰ্মাই ১৯৬০ চনত সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

১৯৪৮ চনৰ পৰা ১৯৬১ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগৰ ইণ্টাৰমিডিয়েট পৰীক্ষাত নগাঁও মহাবিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰই স্থান দখল কৰি মহাবিদ্যালয়খন উজ্বলাই তুলিছিল। মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ বিশেষ যত্নত জ্ঞানৰ আলোকেৰে জ্যোতিষ্মান হোৱা প্ৰতিভাধৰসকল হৈছে— ১৯৪৯ চনৰ আই.এ. পৰীক্ষাত নৱম স্থান দখল কৰা ভোলানাথ শৰ্মা, ১৯৫১ চনৰ আই.এ.চি. পৰীক্ষাত অষ্টম স্থান দখল কৰা শশীচন্দ্ৰ শৰ্মা, ১৯৫৩ চনৰ আই.এ. পৰীক্ষাত প্ৰথম স্থান দখল কৰা প্ৰফুল্ল চন্দ্ৰ মহন্ত, ১৯৫৮ চনৰ আই. কম. পৰীক্ষাত সপ্তম স্থান দখল কৰা পদ্মকান্ত বৰা আৰু ১৯৫৯ চনৰ আই. কম. পৰীক্ষাত পঞ্চম স্থান দখল কৰা চামচুৰ ৰহমান। শশীচন্দ্ৰ শৰ্মাই আভিযান্ত্ৰিক মহাবিদ্যালয়ত অধ্যাপনা কৰি শেষত যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন শুৱনি কৰিছিল। ১৯৫৩ চনৰ আই. এ. পৰীক্ষাত প্ৰথম স্থান দখল কৰি বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা প্ৰফুল্ল চন্দ্ৰ মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্কলাৰশ্বিপ পাবলৈ সক্ষম হৈছিল। অতি মেধাবী ছাত্ৰ প্ৰফুল্ল চন্দ্ৰ মহন্তই ১৯৫৮ চনত অসম অসামৰিক সেৱালৈ নিৰ্বাচিত হয়। অসম চৰকাৰৰ বিভিন্ন শীৰ্ষ পদত কাৰ্যনিৰ্বাহ কৰা প্ৰফুল্ল চন্দ্ৰ মহন্ত এগৰাকী সুলেখক আছিল।

১৯৪৯ চনৰ স্নাতক পৰীক্ষাত নগাঁও মহাবিদ্যালয়ৰ প্ৰথম দলৰ শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা সন্তোষজনক ফলাফলে অধ্যাপক আৰু বি.এ. শ্ৰেণীত

অধ্যয়নৰত শিক্ষাৰ্থীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছিল। ইয়াৰ ফলশ্ৰুতিত পৰৱৰ্তী বৰ্ষবোৰত অনুষ্ঠিত হোৱা বি.এ. পৰীক্ষাত পৰীক্ষাৰ্থীসকলে অধিক ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। পঞ্চাশৰ দশকত বহুকেইগৰাকী ছাত্ৰই ডিষ্টিংচনসহ সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক পৰিৱেশৰ এখন ছবি অসমবাসীৰ সন্মুখত তুলি ধৰিব পাৰিছিল বাবে সেইসময়ত নগাঁও মহাবিদ্যালয়লৈ অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰৰ সোঁত বৈছিল। ১৯৫০ চনৰ পৰা ১৯৬০ চনলৈকে বি.এ. পৰীক্ষাত ডিষ্টিংচন পোৱা ছাত্ৰ আঠগৰাকী হৈছে-- খিলকান্ত শৰ্মা (১৯৫০), ভোলানাথ শৰ্মা (১৯৫১), অৰুণচন্দ্ৰ চক্ৰৱৰ্তী (১৯৫২), তীৰ্থেশ্বৰ শৰ্মা (১৯৫৩), জীৱনকৃষ্ণ চৌধুৰী (১৯৫৫), পূৰ্ণচন্দ্ৰ বৰা (১৯৫৭), উমেশ চন্দ্ৰ দত্ত (১৯৫৮) আৰু সুশীল কুমাৰ দাস (১৯৬০)।

নগাঁও মহাবিদ্যালয়ত বহুদিনলৈ বি.এচ.চি. শ্ৰেণী খোলা হোৱা নাছিল। ফলস্বৰূপে আই.এ.চি. পৰীক্ষাত উত্তীৰ্ণ হোৱা অধিকাংশ ছাত্ৰই হয়তো শিক্ষা সামৰিব লগা হৈছিল নহয় বা বি.এ. শ্ৰেণীত নামভৰ্তি কৰিব লগা হৈছিল। অৱশেষত দীঘলীয়া প্ৰতীক্ষাৰ অন্তত ১৯৫৮ চনত নগাঁও মহাবিদ্যালয়ত বি.এচ.চি. শ্ৰেণী আৰম্ভ হয় যদিও বিশ্ববিদ্যালয়ৰ স্বীকৃতি নোপোৱাত শিক্ষাৰ্থীসকলে নন্‌কলেজীয়েট পৰীক্ষাৰ্থী হিচাপে ১৯৬০ চনৰ বি এচ চি পৰীক্ষাত অৱতীৰ্ণ হৈছিল। নগাঁও মহাবিদ্যালয়ৰ প্ৰথম বিজ্ঞান স্নাতক চাৰিগৰাকী হৈছে মোহন চন্দ্ৰ বৰা, গোলাপ চন্দ্ৰ হাজৰিকা, নিত্যানন্দ খাউণ্ড আৰু দেবেন্দ্ৰ নাথ শইকীয়া। ছাত্ৰসকলে প্ৰদৰ্শন কৰা ফলাফলৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে নগাঁও মহাবিদ্যালয়ৰ বি.এচ.চি. শ্ৰেণীক স্বীকৃতি দিবলৈ বাধ্য হয়। ১৯৬২ চনৰ বি এচ চি পৰীক্ষাত নগাঁও মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে নিয়মীয়া পৰীক্ষাৰ্থী হিচাপে অৱতীৰ্ণ হোৱাৰ সুবিধা লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে বি.এচ.চি. শ্ৰেণীক স্বীকৃতি দিয়াৰ লগে লগে নগাঁও মহাবিদ্যালয়ে পূৰ্ণাংগ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে।

১৯৬১ চনত নগাঁও মহাবিদ্যালয়ত কেইবাটাও বিষয়ত অনাৰ্চ শ্ৰেণী আৰম্ভ হৈছিল। অসমীয়া বিষয়ত প্ৰথম অনাৰ্চ পোৱা ছাত্ৰদ্বয় হৈছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পদ্মশ্ৰী ৰং বং তেৰাং আৰু টংকেশ্বৰ ডেকা। তেওঁলোকে ১৯৬৩ চনত অনাৰ্চসহ সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰিছিল। আন এগৰাকী ছাত্ৰ ৰণজিৎ কুমাৰ চৌধুৰীয়ে উক্ত বছৰত অৰ্থনীতিত অনাৰ্চসহ সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা বিভিন্ন পৰীক্ষাসমূহত উল্লিখিত শিক্ষাৰ্থীসকলে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সমগ্ৰ অসমবাসীৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। যিয়ে নগাঁও মহাবিদ্যালয়খনক পূৰ্ণাংগ মহাবিদ্যালয় হিচাপে অসমৰ বুকুত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিছিল বুলি কলে নিশ্চয় অত্যুক্তি কৰা নহ'ব। প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰশাসনিক দক্ষতা, বিচক্ষণতা আৰু প্ৰগতিশীল মনটোৰ বাবে মাত্ৰ পোন্ধৰ বছৰ ভিতৰত মহাবিদ্যালয়খনৰ আটাইকেইটা বিভাগ স্নাতক পৰ্যায়লৈ উন্নীত হৈছিল। সেই সময়ত কলা, বাণিজ্য আৰু বিজ্ঞান সকলো বিভাগতে স্নাতক পৰ্যায়লৈ পাঠদানৰ ব্যৱস্থা থকা মহাবিদ্যালয়ৰ সংখ্যা আঙুলি মূৰত গণিব পৰা আছিল। নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে মহাবিদ্যালয়খন অতি কম সময়ৰ ভিতৰত পূৰ্ণাংগ মহাবিদ্যালয়ৰূপে গঢ়ি তোলাত যজ্ঞেশ্বৰ শৰ্মাৰ ভূমিকা অনস্বীকাৰ্য। যজ্ঞেশ্বৰ শৰ্মা সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এক্সিকিউটিভ কাউন্সিলৰ সদস্য, কৰ্টৰ সদস্য আৰু ফেকাল্টী অব্ আৰ্টচ্‌ৰ সদস্য আছিল বাবেই উচ্চ শিক্ষাক্ষেত্ৰখনত তেখেতৰ এখন সুকীয়া আসন আছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই নগাঁও মহাবিদ্যালয়খন পূৰ্ণাংগ ৰূপ পোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমি কাউন্সিলৰ সদস্য, ফেকাল্টী অব্ ল'ৰ সদস্য প্ৰাক্তন মন্ত্ৰী মতিৰাম বৰাৰ ভূমিকাৰ বিষয়ে তেওঁৰ এটি প্ৰবন্ধ "মই দেখা স্বাধীনতাৰ পৰৱৰ্তী নগাঁও"ত এনেদৰে উল্লেখ কৰিছে, "তেওঁৰ বুদ্ধি আৰু কৰ্ম তৎপৰতাৰ কাৰণে নগাঁও মহাবিদালয় অতি শীঘ্ৰে এখন পূৰ্ণাংগ কলেজ হৈ উঠিব পাৰিছিল।" প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা, প্ৰাক্তন মন্ত্ৰী মতিৰাম বৰা, প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ কৰ্ম তৎপৰতা আৰু আৰম্ভণি দুটা দশকৰ শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা বিশেষ ফলাফলে মহাবিদ্যালয়খনৰ এক সুদৃঢ় আৰু বলিষ্ঠ বনিয়াদ সৃষ্টি কৰিলে যাৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষৰ আগশাৰী শিক্ষানুষ্ঠানসমূহৰ লগত ফেৰ মাৰিব পৰাকৈ নতুন ৰূপত গঢ় লৈ উঠিল বৰ্তমানৰ নগাঁও মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ ঈৰ্ষণীয় উত্থানত নিশ্চয়কৈ আৰম্ভণিৰ পৰা বৰ্তমানলৈ অধ্যাপনা কৰা শিক্ষাগুৰুসকল, পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল, কৰ্মচাৰীবৃন্দ আৰু অধ্যয়ন কৰা প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বৰঙণি আছে। যোৱা পয়সত্তৰ বছৰত নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰা বহুকেইগৰাকী শিক্ষাৰ্থী নিজৰ প্ৰতিভাৰে অসম তথা ভাৰতবৰ্ষত জিলিকি উঠিছে বাবেই তেওঁলোকৰ জৰিয়তে নগাঁও মহাবিদ্যালয়খনে ভাৰতৰ প্ৰেক্ষাপটত এটা সুকীয়া পৰিচয় পাবলৈ সক্ষম হৈছে। এই লেখাটোত

সকলো গুণনিধিক সামৰি লোৱাটো মোৰ পক্ষে সম্ভৱ নহয় যদিও চল্লিশ আৰু পঞ্চাশ দশকত নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰা যিসকল শিক্ষাৰ্থী বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্জ্বলিত হৈছিল সেইসকলৰ কেইগৰাকীমান প্ৰসিদ্ধ ব্যক্তিৰ নাম লেখাটোত উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। তাৰে এজন হৈছে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বনৱালীলাল হানচাৰীয়া। তেখেতে ১৯৫০ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা আই. এ. পৰীক্ষাত অৱতীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বাদশ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ১৯৫২ চনত তেখেতে ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ পৰা ডিষ্টিংচনসহ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। পিছত তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লোৱাৰ উপৰি স্নাতকোত্তৰ ডিগ্ৰীও গ্ৰহণ কৰিছিল। উল্লেখ্য যে, ১৯৫৯ চনত তেখেতে লণ্ডন স্কুল অব্ ইকনমিক্স এণ্ড পলিটিকেল চাইন্সৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি খ্যাতি অৰ্জন কৰিছিল। আইনৰ কেইবাখনো গ্ৰন্থৰ প্ৰণেতা বনৱালীলাল হানচাৰীয়াই ১৯৭৯ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। পিছত তেখেতে ১৯৯০ চনৰ ফেব্ৰুৱাৰী মাহৰ ২২ তাৰিখে উড়িশ্যা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। কাৰ্যদক্ষতা বিচক্ষণতাৰ বাবে ১৯৯৩ চনৰ ১৪ ডিচেম্বৰ তাৰিখে তেখেতক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে। অসমৰ আন এগৰাকী প্ৰসিদ্ধ আইনজ্ঞ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মহাধিবক্তা পাচু গোপাল বৰুৱাই নগাঁও মহাবিদ্যালয়ৰ পৰা ১৯৫০ চনত আই. এ.চি. পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছিল। অসমৰ আন এগৰাকী বিশিষ্ট আইনজ্ঞ তৰুণ চন্দ্ৰ ফুকনে ১৯৫১ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। পঞ্চাশ দশকত অধ্যয়ন কৰা বহুকেইগৰাকী ছাত্ৰই পৰৱৰ্তী সময়ত অসমৰ ৰাজনীতি পথাৰখনত দপ্‌দপাই আছিল। তাৰে কেইগৰাকীমান ছাত্ৰ অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল আৰু মন্ত্ৰীত্ব পদো লাভ কৰিছিল। তেওঁলোকৰ ভিতৰত মুকুট শৰ্মা, চামচুল হুদা, দেবেন্দ্ৰ নাথ বৰা, বানেশ্বৰ শইকীয়া, গুণেন্দ্ৰ নাথ পণ্ডিত, ৰমেশ চন্দ্ৰ ফুকন, প্ৰসাদ চন্দ্ৰ দলৈ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। পঞ্চাশ দশকত অধ্যয়ন কৰা বহুকেইগৰাকী শিক্ষাৰ্থীয়ে অসমৰ সাহিত্য-সংস্কৃতিৰ পথাৰখন জীপাল কৰি ৰখাত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। বিশেষ অৱদান থকাসকলৰ ভিতৰত বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ গৱেষক পণ্ডিত ড° কেশৱানন্দ দেৱগোস্বামীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। শ্ৰীমন্ত শঙ্কৰদেৱ বঁটাৰে বিভূষিত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন

অধ্যাপক ড° কেশৱানন্দ দেৱগোস্বামীয়ে কুৰিখনতকৈ অধিক গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমীয়া সাহিত্য সমৃদ্ধিশালী কৰা আন আন সাহিত্যিকসকল হৈছে হোজাই কলেজৰ প্ৰাক্তন অধ্যাপক ড° সাৰদানন্দ দেৱগোস্বামী, নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন অধ্যাপক ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° নৰেন কলিতা, বিশিষ্ট গল্পকাৰ ৰুদ্ৰপ্ৰসাদ কাকতি, প্ৰাক্তন বিধায়ক চামচুল হুদা, প্ৰাক্তন বিধায়ক বানেশ্বৰ শইকীয়া, প্ৰাক্তন উপায়ুক্ত চন্দ্ৰমোহন কাকতি, প্ৰাক্তন অধ্যক্ষ ভদ্ৰেশ্বৰ বেজবৰুৱা, গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা, নাট্যকাৰ ৰামকুমাৰ ভট্টাচাৰ্য, বেণুধৰ কলিতা, চেনিৰাম বৰা, ফণীন্দ্ৰনাথ গায়ন, আদি। আধ্যাত্মিক পথাৰখনৰ একান্ত প্ৰহৰীস্বৰূপ একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক আচাৰ্য ইলাৰাম দাস নগাঁও মহাবিদ্যালয়ৰ পৰা ১৯৫১ চনত আই.এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। অসমৰ প্ৰখ্যাত তবলাবাদক বিবেকানন্দ ভট্টাচাৰ্য আৰু আধুনিক সৃজনীমূলক নৃত্যৰ অসমৰ এগৰাকী সফল নৃত্যশিল্পী কৃষ্ণমূৰ্তি হাজৰিকা নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। বহুকেইটা কালজয়ী অসমীয়া গীতৰ স্ৰষ্টা, বিহু সম্ৰাট, সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক খগেন মহন্তই পঞ্চদশকৰ শেষৰফালে নগাঁও মহাবিদ্যালয়ৰ বি.এ. শ্ৰেণীত নামভৰ্তি কৰে আৰু সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। বহুকেইগৰাকী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ জন্ম দি নগাঁও মহাবিদ্যালয়ে অসমৰ ক্ৰীড়া ক্ষেত্ৰখনত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আমি অসমৰ বিশিষ্ট ক্ৰীড়া সংগঠক আলিমুজ জামান আৰু খেলুৱৈ, অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক, প্ৰাক্তন উপসভাপতি, আনন্দৰাম ঢেকীয়াল ফুকন কলেজৰ প্ৰাক্তন অধ্যক্ষ সহজানন্দ ওজাৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰোঁ। অসমৰ বিশিষ্ট শল্য চিকিৎসক ডাঃ জিতেন্দ্ৰ নাথ গোঁহাই আৰু বিশিষ্ট পেথলজিষ্ট ডাঃ ৰমেশ চন্দ্ৰ শৰ্মা নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। যিসকল ব্যক্তিৰ কষ্ট আৰু ত্যাগৰ ফলত মহাবিদ্যালয়খনে আজি গৌৰৱোজ্জ্বল পয়সত্তৰটা বসন্ত অতিক্ৰম কৰিছে সেইসকল কষ্টসহিষ্ণু আৰু ত্যাগী ব্যক্তিক সশ্ৰদ্ধ প্ৰণাম জনালোঁ আৰু নগাঁও মহবিদ্যালয়ৰ লগত জড়িত প্ৰত্যেকগৰাকী ব্যক্তিক এই পবিত্ৰ ক্ষণত আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

**প্ৰসংগ সূচী ঃ**


১) Proposed for a non recurring grants of Rs. 6,000/- to Nowgong College [File No. ECL 12/53].

২) Proposal for providing accommodation for Nowgong College Staff [File No. ECL 38/54].

৩) Allotment of Land with the authorities of Nowgong College [File No. RSS 336/63].

৪) Allotment of Land for Nowgong College [File No. RSS 79/55].

৫)	Non recurring grants to the Sibsagar, Darraang and Nowgong College [File No. ECL 29/54].
৬)	Grant to all Assam Inter College Music Competition to be held at Nowgong in January, 1955 [File No. 579/54].
৭)	Financial aid to the Nowgong College for the year 1959-60 [File No. 34/59].
৮)	Grant to Nowgong College for holding the Annual Science Exhibition
[File No. 6/59]
৯)	List of Colleges, High and Middle School and Madrassa in Assam, 1946
১০)	Quinquennial Review of the Progress of Education in Assam during 1942-47
১১)	The Assam Gazette : 1946, 1947, 1949, 1958, 1959, 1960, 1961
১২)	Minutes of the Syndicate, University of Calcutta : 1944, 1945, 1946, 1947
১৩)	Gauhati University Calendar : 1951, 1958
১৪)	University of Calcutta Calendar, 1934 to 1938.
১৫)	Ananda Bazar Patrika, May, 1944
১৬)	University of Gauhati, Result of the Matriculation, I.A., I.Sc., B.A., B.Sc., B.Com etc. : 1949—1957.
১৭)	ময়ূৰ কুমাৰ বৰা ঃ নগাঁও বৰেণ্য
১৮)	নগাঁও মহাবিদ্যালয়ৰ আলোচনী, ৩৫ সংখ্যক
১৯)	The Calcutta Gazette, July, 1923.

**কৃতজ্ঞতা ঃ** অসম ৰাজ্যিক অভিলেখাগাৰৰ সঞ্চালক ড° ধৰ্মেশ্বৰ সোণোৱাল, উপ-গ্ৰন্থাগাৰিক নৃপেন শৰ্মা, গুৱাহাটী বিশববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° পি. বৰ্মন, পৰিসংখ্যাবিদ জে. কে. মহন্ত, বুদ্ধজ্যোতি শৰ্মা, ইভান গুৰুং, কটন বিশ্ববিদ্যালয়ৰ ড° সূৰ্যকুমাৰ ভূএগ্ৰা গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক ড° জেবিন আহমেদ, আৰু যুগল হাজৰিকা।

---

লেখকৰ পৰিচয় ঃ ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক, নিবন্ধকাৰ আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

# অসম আন্দোলনত নগাঁও মহাবিদ্যালয়ৰ ভূমিকা

গিৰীন্দ্ৰ কুমাৰ বৰুৱা

অসম আন্দোলন বুলি ক'লে বিদেশী বহিষ্কাৰ আন্দোলনক বুজোৱা হয়। বিদেশী বহিষ্কাৰৰ দাবীত ১৯৭৯ চনৰ ৮ জুন তাৰিখৰ পৰা ১৯৮৫ চনৰ ১৪ আগষ্টলৈকে এই আন্দোলন ধাৰাবাহিক ভাবে চলিছিল। এই আন্দোলনৰ নেতৃত্ব বহন কৰিছিল সদৌ অসম ছাত্ৰ সন্থাই। ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে চলা এই আন্দোলনৰ গুৰুত্ব ইমানেই বেচি আছিল যে পৰবৰ্ত্তী কালত এই আন্দোলনক অসম আন্দোলন বুলি কোৱা হৈছিল। ৰাষ্ট্ৰই স্বাধীনতা লাভ কৰাৰ পিছত ইমান দীঘলিয়া সময়ৰ বাবে চলা গণতান্ত্ৰিক আন্দোলনৰ উদাহৰণ ভাৰতবৰ্ষত দ্বিতীয় এটা নাই।

স্বাধীনতাৰ সমসাময়িক কালৰ পৰা পাকিস্তানৰ পৰা (মূলতঃ তেতিয়াৰ পূব পাকিস্তান বৰ্ত্তমানৰ বাংলাদেশ) দেশ বিভাজনৰ সুযোগ লৈ অসমত প্ৰবেশ কৰা অসংখ্য ভগনীয়াক অসমত বসবাস কৰিবলৈ সুযোগ দিয়া হৈছিল। পিচলৈ সেই ৰাষ্ট্ৰৰ অনগ্ৰসৰতা, প্ৰাকৃতিক, অৰ্থনৈতিক আৰু পাৰিবাৰিক কাৰণত লাখ লাখ ব্যক্তি আমাৰ ৰাজ্যলৈ অবৈধ ভাবে আহি স্থায়ী ভাবে থাকিবলৈ লৈছিল। প্ৰব্ৰজনকাৰীৰ এনে সোঁত বন্ধ কৰিবৰ বাবে ১৯৫০ চনত "The immigrants' Expulsion from Assam, Act 1952" আইন খন গ্ৰহণ কৰা গৈছিল যদিও আইনখন কাৰ্য্যকৰী নৌহওঁতেই বাতিল কৰা হৈছিল। ১৯৬৫ চনত অসমৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল ঃ '১৯৫১-৬১ চনৰ ভিতৰত মুঠ ২২,০৬৯১ জন অনুপ্ৰবেশকাৰী অসমলৈ আহিছে।' স্বাধীনতাৰ পিছত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ তলত দেখুওৱা হ'ল (তালিকাত কেৱল আন্দোলন আৰম্ভ কৰাৰ আগলৈকে দেখুওৱা হৈছে)।

| চন | জনসংখ্যা | বৃদ্ধি | অসমৰ বৃদ্ধিৰ শতকৰা হাৰ | ভাৰতৰ বৃদ্ধিৰ শতকৰা হাৰ |
|---|---|---|---|---|
| ১৯৪১ | ৬৬৯৪০০০ | ১১৩৩০০০ | ২২.৩ | ১৪.২ |
| ১৯৫১ | ৮০২৯০০০ | ১৩৩৫০০০ | ১৯.৯ | ১৩.২ |
| ১৯৬১ | ১০৮৩৭০০০ | ২৮০৮০০০ | ৩৪.৯৮ | ২১.৬ |
| ১৯৭১ | ১৪৬২৫০০০ | ৩৭৮৮০০০ | ৩৪.৯৫ | ২৪.৮২ |

তলত ভোটাৰ তালিকাত ভোটাৰৰ সংখ্যা কেনেদৰে বৃদ্ধি পাইছে উল্লেখ কৰা হ'ল —

| চন | ভোটদাতাৰ সংখ্যা | বৃদ্ধি | বৃদ্ধিৰ হাৰ |
|---|---|---|---|
| ১৯৬৬ | ৫৫৮৫০০০ | ৬৪২২৪০ | ১২.৯৯% (৪ বছৰত) |
| ১৯৭০ | ৫৭০১৮০৫ | ১১৬৭৪৯ | ২.০৯% (৪ বছৰত) |
| ১৯৭১ | ৬২৯৬১৯৮ | ৫৯৪৩৯৩ | ১০.৪২% (১ বছৰত) |

১৯৬৬-১৯৭০ চনৰ মাজৰ সময়চোৱাত ভোটাৰৰ সংখ্যা বৃদ্ধিৰ হাৰ আৰু ১৯৭০-১৯৭১ চনৰ মাজৰ (মাথো এবছৰৰ) ভোটাৰৰ সংখ্যা বৃদ্ধিৰ হাৰ মন কৰিবলগীয়া।

ভাৰতবৰ্ষৰ মূখ্য নিৰ্ব্বাচনী আয়ুক্ত এচ এল শাকধেৰে উৎকামাণ্ডত ১৯৭৮ চনৰ ২৪-২৬ অক্টোবৰলৈ অনুস্থিত হোৱা ৰাজ্যিক নিৰ্ব্বাচনী আয়ুক্ত সকলৰ সন্মিলনত অসমৰ ভোটাৰ তালিকাত লাখ লাখ বিদেশীৰ নাম থকা বুলি উল্লেখ কৰিছিল। শাকধেৰে কৈছিল — 'Another distrubing factor in this regard is the inclusion in the electoral roll of the names of such immigrants who are not Indian Citizens without even questioring and properly determining their citizenship status'. আকৌ ১৯৭৮ চনৰ ২ নবেম্বৰ তাৰিখে ৰাজ্যসভাত কেন্দ্ৰীয় মন্ত্ৰী অধ্যাপক মধু দণ্ডৱটে এটা প্ৰশ্নৰ উত্তৰত কৈছিল — 'It has come to the notice of the election commission from time to time that large scale inclusion of foreign nationals in electoral roll, specially in the North Eastern Region have been taken place?' ১৯৭৯ চনত সীমান্ত নিৰাপত্তা বাহিনী (Border Security Force)ৰ এজন মুখপাত্ৰই মেঘালয়ত প্ৰকাশ কৰা এক বিবৃতিত উল্লেখ কৰিছিল — '১৯৭৯ চনৰ বাংলাদেশৰ

মুক্তিযুঁজৰ সময়ত অহা বাংলাদেশৰ ১১,০০০০০ ৰো অধিক লোক অসমত থাকি গ'ল।' মুক্তিযুঁজৰ সময়ত ভাৰত চৰকাৰে মানবীয় কাৰণত তেনে লোকক প্ৰবেশৰ অনুমতি দিয়াই নহয় সম্পূৰ্ণ চৰকাৰী সাহাৰ্য্যত শিবিৰ পাতি দিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে প্ৰবেশ কৰা মুষ্ঠিমেয় লোককহে ঘূৰাই পঠোৱা হ'ল। সীমান্ত সুৰক্ষা বাহিনী আৰু অসম পুলিচে ঘূৰাই পঠোৱা অনুপ্ৰবেশকাৰীৰ সংখ্যা তলত পৃথকে পৃথকে দেখুওৱা হ'ল —

| চন | সীমান্তৰক্ষী বাহিনী | অসম পুলিচ |
|---|---|---|
| ১৯৭৪ | ১০৪ | ৫০৭১ |
| ১৯৭৫ | ৪০৫ | ১৮০৬৮ |
| ১৯৭৬ | ১ (মাথোঁ এজন) | ৫০১৪ |

১৯৭১ চনত ভাৰতবৰ্ষৰ জনসংখ্যাৰ ঘনত্ব আছিল প্ৰতিবৰ্গ কিলোমিটাৰত ১৬৭ জন আৰু অসমৰ ক্ষেত্ৰত আছিল ২২৬ জন। ১৯৭১ চনৰ লোক গণনা অনুসৰি ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল শতকৰা ২৪.৮২ ভাগ। কিন্তু অসমৰ ক্ষেত্ৰত বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩৪.৯৫ ভাগ। ১৯৭৯ চনৰ মাৰ্চ মাহত মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যু হোৱাত উপ-নিৰ্ব্বাচন অনুস্থিত কৰিবলগীয়া হয়। মাথোঁ সোতৰ মাহৰ ব্যৱধানত পুনৰ প্ৰস্তুত কৰা ভোটাৰ তালিকাত অস্বাভাৱিক হাৰত ভোটাৰৰ সংখ্যা বৃদ্ধি হোৱাত ৭০০০০ ভোটাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰা হৈছিল। ইয়াৰে প্ৰায় ৪৫০০০ জন ভোটাৰক ন্যায়ালয়ে অবৈধ ভাবে অন্তৰ্ভুক্ত হোৱা বুলি ৰায় দিছিল। এই ৰায়ে অসমৰ জনসাধাৰণক বিশেষকৈ ছাত্ৰ সমাজক অধিক সজাগ কৰি তুলিছিল। ১৯৭৯ চনৰ ৮ জুন তাৰিখে বিদেশীৰ বিৰুদ্ধে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই বাৰ ঘণ্টীয়া অসম বন্ধৰ আহ্বান জনাইছিল। সৰ্বাত্মক ভাবে বন্ধ কৃতকাৰ্য্য হোৱা এই দিনটোৱে হৈছে ঐতিহাসিক অসম আন্দোলন প্ৰথম খোজ। জনসাধাৰণৰ অকুণ্ঠ সঁহাৰি পোৱাৰ পিছত সদৌ অসম ছাত্ৰ সন্থাই অসম সাহিত্য সভা, অসম জাতিয়তাবাদী দল, পূৰ্ব্বাঞ্চলীয় লোক পৰিষদ (এই দুয়োটা ৰাজনৈতিক দল পিচলৈ অসম গণ পৰিষদ দলৰ লগত চামিল হৈছিল), সদৌ অসম কৰ্ম্মচাৰী পৰিষদ, জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ট্ৰাইবেল কাউন্সিলক লৈ ১৯৭৯ চনৰ ২৫ আৰু ২৬ আগষ্টত সদৌ অসম গণ সংগ্ৰাম পৰিষদ গঠন কৰা হৈছিল। এই দুই

সংগঠনৰ নেতৃত্বত ১৯৭৯ চনৰ নবেম্বৰ মাহত আৰম্ভ হোৱা গণ সত্যাগ্ৰহৰ কাৰ্য্যসূচী আছিল অভূতপূৰ্ব। অসম বন্ধ, অসহযোগ, আইন অমান্য, গণ সত্যাগ্ৰহ, অন্ধকাৰ দিবস, ৰণধ্বনী দিবস, মৃত্যু সংকল্প দিবস, শান্তি শৃঙ্খলা দিবস, সমন্বয় দিবস, মাতৃ দিবস, নিৰ্য্যাতন বিৰোধী দিবস আদিৰ নিচিনা গান্ধীজীৰ আদৰ্শৰ কাৰ্য্যসূচীৰে শান্তিপূৰ্ণ ভাবে পৰিচালিত এই আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল ১৯৮৫ চনৰ ১৪ আগষ্টত। সেই সময়ৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী আৰু আন্দোলনকাৰীৰ মাজত ত্ৰিপাক্ষিক চুক্তি মৰ্মে তেতিয়াৰ অসম চৰকাৰে পদত্যাগ কৰিছিল। সেই সময়ৰ চৰকাৰটো নিৰ্ব্বাচিত হৈছিল অগণতান্ত্ৰিক ভাবে। বলপূৰ্বক ভাবে অনুষ্ঠিত হোৱা এই নিৰ্ব্বাচনত ভোটদানৰ সংখ্যা আছিল অতি নগণ্য। উদাহৰণ স্বৰূপে টিয়ক বিধানসভা সমষ্টিৰ ৬৮৩৯১ জন ভোটাৰৰ মাথো ১৩৭৪ (২%) শিৱসাগৰ বিধানসভা সমষ্টিৰ ৫৯৮৭৪ জন ভোটাৰ ১০৯৪ (১.৮৩%) মৰিগাঁও বিধানসভা সমষ্টিৰ ৭৮০২২ জন ভোটাৰৰ ১৫১৩ (১.৯৪%) গুৱাহাটী (পূব) বিধানসভা সমষ্টিত ৭৩৮৫০ জন ভোটাৰৰ ১২৩৯ (১.৬৭%) ধৰ্মপুৰ বিধানসভা সমষ্টিত ৬৯৩০৮ জন ভোটাৰৰ ২৬৭ (০.৩৮%) বিহপুৰীয়া বিধানসভা সমষ্টিত ৬৪০০০ ভোটাৰ ৪৪০ (০.৬৮%) ধেমাজি বিধানসভা সমষ্টিৰ ৯০৪৪১ জন ভোটাৰৰ ৩৬০ (০.৪%) জনে ভোটদান কৰিছিল। (পৰিসংখ্যা সংগ্ৰহ নিৰ্ব্বাচন প্ৰতিৰোধ সংগ্ৰামৰ ইতিহাসৰ পৰা)

অসম আন্দোলন দমন কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA), নিবাৰক নিৰোধ আইন (PDA), অসম অশান্ত অঞ্চল আইন, সামৰিক বাহিনী বিশেষ ক্ষমতা আইনৰ নিচিনা ভয়াবহ আইন সমূহ অসমত প্ৰয়োগ কৰা হৈছিল। আনকি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ পত্ৰৰ স্বাধীনতা বন্ধ কৰাৰ উপৰিও পৰ্য্যটকৰ ক্ষেত্ৰত নিষেধাজ্ঞাৰ ব্যৱস্থা কৰি (Restricted Area permit - RAP) আইন প্ৰণয়ন কৰিছিল। উল্লেখযোগ্য ১৯৮০ চনৰ ১৫ মে' তাৰিখে মুক্তি যুঁজাৰু সকলে তাম্ৰ পত্ৰ চৰকাৰক ঘূৰাই দিছিল। চৰকাৰী তথ্য অনুসৰি অসম আন্দোলনত ৮৫৫ জন ব্যক্তিয়ে প্ৰাণ আহুতি দিছিল। কেইবা হাজাৰ আহত হৈছিল। ৩০২ জন ব্যক্তি গুলিবিদ্ধ, ৪১ জন নিখোজ, ৪৮ গৰাকী মহিলা বিশেষ ভাবে নিৰ্য্যাতিতা হৈছিল (অসম চুক্তি ৰূপায়ণ বিভাগ ১৯৮৯ ৰ তথ্য অনুসৰি)। এনে কৰুণ ইতিহাস (স্বাধীন ৰাষ্ট্ৰৰ ক্ষেত্ৰত) বিশ্বৰ বুৰঞ্জীত বিৰল।

অসম আন্দোলন সম্পৰ্কে মতামত দিয়া কেইগৰাকী বিশিষ্ট বুদ্ধিজীৱিৰ

মতামত আছিল এনেধৰণৰ—

"Never before have I seen such an upsurge of people movement as I did in Gauhati in the past few days. It is massive and it could be terrifying except for the fact that it is peacefull" (Kuldip Nayar in Indian Express, 25-4-80)।

এগৰাকী বিশিষ্ট সাংবাদিক শ্ৰীকে, এন মালিকে কয় — "A remarkable feature of the movement launched by students' union and supported by all section of society is the spontaneity and displayed by people."

"My little contact with the Assamese convinces me ....... but then they have been pushed to the wall and that is no way of dealing with any one."

(The Illustrated Weekly of India – March 5-09, 1980)

"New Delhi has been playing games with the students and changing its stand time and again." (The Assam Tribune, 17th May, 1980)

"The Assamese are as patriotic as any one else in the country." (Himmat, Friday 23rd May, 1980)

"ছাত্ৰ সকলৰ কথা অটল নীতিৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে চৰকাৰে ভিত্তি কৰিছে প্ৰতাৰণামূলক সুযোগৰ ওপৰত। বিদেশী নাগৰিকৰ সূত্ৰটো কাৰ্যপালিকাৰ আত্মপ্ৰযোজক উদ্দেশ্যসাধিত বিলাসৰ বা মইমতালিৰ বস্তু হ'ব নোৱাৰে। ইয়াৰ সূত্ৰ হ'ব লাগিব আইন আৰু সংবিধানসন্মত বাস্তৱৰ ওপৰত প্ৰতিষ্ঠিত। (বি, জি, ভাৰ্গিজ)

আনহাতেদি 'মেনকাইণ্ডৰ' সম্পাদিকা ৰমা মিত্ৰই বৰ্ণনা কৰিছে "অসমৰ কোনোবা কাকতত প্ৰকাশ কৰিছে নে নাই ক'ব নোৱাৰো, অভূতপূৰ্ব ঘটনা ঘটিছে আজি প্ৰায় আঠ মাহ ধৰি। এনেধৰণৰ শান্তিপূৰ্ণ আন্দোলন ভাৰতত কিয় বিশ্ব পৃষ্ঠ-ভূমিকাতে বিৰল। গান্ধীজীৰ নেতৃত্বতো এনেকুৱা হোৱা নাছিল।"

**নগাঁও মহাবিদ্যালয়ৰ ভূমিকা ঃ**

ঐতিহাসিক অসম আন্দোলনৰ নেতৃত্ব বহন কৰিছিল মূলতঃ সদৌ অসম ছাত্ৰ সন্থাই। সেই বাবে অসমৰ বিশ্ববিদ্যালয় সমূহৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ ছাত্ৰ

সকলৰ মাজত আন্দোলনৰ প্ৰভাৱ আছিল অপৰিসীম। শিক্ষা অনুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰী সকলে অসম আন্দোলনত অংশ গ্ৰহণৰ বিষয়টো অতি স্পষ্টকাতৰ অধ্যায়। অসমৰ আন আন শিক্ষা অনুষ্ঠানৰ নিচিনাকৈ মধ্য অসমৰ গুৰুত্বপূৰ্ণ শিক্ষা অনুষ্ঠান নগাঁও মহাবিদ্যালয়ো এই আন্দোলনৰ বাবে তাৎপৰ্য্যপূৰ্ণ। শিক্ষা অনুষ্ঠানখনি এই আন্দোলনৰ বহু ক্ষণৰ গুৰুত্বপূৰ্ণ সাক্ষী। নগাঁও মহাবিদ্যালয়ক বাদ দিলে আন্দোলনৰ ইতিহাস অসম্পূৰ্ণ হৈ ৰ'ব। মই দুটামান বিক্ষিপ্ত ঘটনা নিবেদন কৰিবলৈ বিচাৰিছো।

অসম আন্দোলনৰ মূল পৰিচালক 'আছু'ৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আছিল। নিবন্ধৰ লিখকে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ লগতে 'আছু'ৰ সহকাৰী সাধাৰণ সম্পাদক হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। আন্দোলনৰ আন এজন গুৰুত্বপূৰ্ণ নেতা তথা 'আছু'ৰ কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য প্ৰয়াত দীগেন বৰা আছিল এই মহাবিদ্যালয়ৰ ছাত্ৰ। তদুপৰি 'আছু'ৰ আন দুজন কেন্দ্ৰীয় কাৰ্য্যনিৰ্ব্বাহক সদস্য তথা সাংগঠনিক সম্পাদক শ্ৰীপৰাণ গোহাঁই আৰু প্ৰয়াত বিমল বৰা আছিল এই মহাবিদ্যালয়ৰ ছাত্ৰ। নগাঁও জিলা গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক সকলৰ এজন আহ্বায়ক আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰ। আকৌ অসম জাতিয়তাবাদী দল (পিছলৈ অগপৰ লগত ছামিল হ'ল)ৰ নগাঁও জিলাৰ সভাপতি অধ্যাপক প্ৰয়াত বুদ্ধেশ্বৰ গোঁহাই ছাৰো আছিল মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক। তদুপৰি জিলা আৰু আঞ্চলিক পৰ্য্যায়ৰ বহু কেইগৰাকী গুৰুত্বপূৰ্ণ পদত কাৰ্য্যনিৰ্বাহ কৰা ছাত্ৰ এই মহাবিদ্যালয়ৰ আছিল। অসম আন্দোলন পৰিচালনা কৰাৰ ক্ষেত্ৰত নগাঁও মহাবিদ্যালয় আন্দোলনকাৰী সকলৰ বাবে আছুৰ উপ-কাৰ্য্যালয় স্বৰূপ আছিল। উল্লেখযোগ্য যে আছুৰ কেইবাখনো গুৰুত্বপূৰ্ণ সভা মহাবিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হৈছিল। ১৯৮০ চনৰ নবেম্বৰ মাহত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আছুৰ এখন কাৰ্য্যনিৰ্ব্বাহক সভাই ৰাজ্যৰ বাহিৰলৈ খাৰুৱা তেল পঠোৱাৰ ক্ষেত্ৰত বাধা প্ৰদানৰ নিচিনা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল। আন্দোলনৰ কৌশল গ্ৰহণৰ ক্ষেত্ৰত পৰামৰ্শ বিচাৰি তিনিখন নাগৰিক সভা অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ পৰোজ বৰা, চন্দন সিং আৰু প্ৰাক্তন ছাত্ৰ শংকৰ কটকীয়ে প্ৰাণ আহুতি দিছিল।

১৯৭৯ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে আন্দোলনকাৰী সকলে গণ অৱস্থান কাৰ্য্যসূচী চলাই থকাৰ মাজতে মহাবিদ্যালয়ত আৰক্ষী, চি আৰ পি এফ বাহিনী

প্ৰৱেশ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰ, আছুৰ সভাপতি শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, কেচিয়াৰ শ্ৰী ললিত শইকীয়া, মুখ্য সহায়ক প্ৰয়াত আনন্দ কাকতি আৰু বহু ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আহত হৈ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। মহাবিদ্যালয়ৰ বহু আচ-বাব বিশেষকৈ কাৰ্য্যালয়ৰ কোঠা কেইটা বিশেষভাৱে ক্ষতিগ্ৰস্থ হৈছিল। এই ঘটনাই নগাঁৱৰ বৌদ্ধিক মহলক বিশেষ ভাবে জোকাৰি গৈছিল। মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য সকলে এনে অ-মানবীয় আৰু স্বেচ্ছাচাৰী কাৰ্য্যৰ প্ৰতিবাদ কৰাৰ বাবে আয়োজন কৰা প্ৰতিবাদ অনুষ্ঠানত বিধায়ক প্ৰয়াত মুকুট শৰ্ম্মা, গণতন্ত্ৰ বাতৰিকাকত স্বত্বাধিকাৰী আৰু সম্পাদক প্ৰয়াত জিতেন শৰ্ম্মা, বিশিষ্ট নাগৰিক অধিবক্তা প্ৰয়াত হেম শৰ্ম্মা, অধিবক্তা প্ৰয়াত তৰুণ ফুকন, বিশিষ্ট সমাজ সেৱক প্ৰয়াত চন্দ্ৰ শৰ্ম্মা, বিশিষ্ট কবি প্ৰয়াত নাৰায়ন কটকী, মুক্তিযোদ্ধা প্ৰয়াত উমা ফুকন, সাহিত্যিক প্ৰয়াত স্বৰ্ণ বৰা, সাহিত্যিক প্ৰয়াত বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, সাহিত্যিক প্ৰয়াত আবু চামা, ডাঃ ধীৰেণ বৰকাকতী আদিয়ে অংশ গ্ৰহণ কৰিছিল। পৰিস্থিতিৰ বুজ ল'বৰ বাবে তদনান্তীন গড়কাপ্তানী, যোগান আদি বিভাগৰ মন্ত্ৰী প্ৰয়াত দুলাল বৰুৱা মহাবিদ্যালয়লৈ আহিছিল। মন্ত্ৰীৰ এই পৰিদৰ্শনৰ সময়ত ছাত্ৰ-ছাত্ৰী সকল মন্ত্ৰীৰ লগত যুক্তি-তৰ্কত লিপ্ত হৈছিল। ১৯৭৯ চনৰ ডিচেম্বৰ মাহত সপ্তম লোকসভা নিৰ্ব্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ পৰ্ব আৰম্ভ হৈছিল। ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্তন নকৰা পৰ্য্যন্ত নিৰ্ব্বাচন অনুষ্ঠিত নকৰিবলৈ আন্দোলনকাৰী পক্ষই চৰকাৰক দাবী কৰিছিল। চৰকাৰে বিষয়টো সন্মানৰ বিষয় হিচাবে লোৱাত আন্দোলনকাৰী সকলেও 'কৰিম কিম্বা মৰিম' (Do or Die) মন্ত্ৰ গ্ৰহণ কৰাৰ হেতু নগাঁৱত যুদ্ধ সদৃশ পৰিবেশৰ সৃষ্টি হৈছিল। গতি-মতি বিষম যেন দেখি চৰকাৰে ৯ ডিচেম্বৰৰ বিয়লি ৪ বজাত নগাঁও চহৰত অনিৰ্দ্দিষ্ট কালৰ বাবে সান্ধ্য আইন জাৰী কৰে। লগে লগে ভাৰতীয় সেনাই নগাঁও চহৰত ফ্লেগমাৰ্চ আৰম্ভ কৰাত আন্দোলনকাৰী সকল মহাবিদ্যালয়ৰ ছাত্ৰাবাসত একগোট হয়। নেতৃবৃন্দই তাৎক্ষণিক ভাবে যি কোনো কৌশলৰ বিনিময়ত সান্ধ্য আইন ভংগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আন্দোলনকাৰী পক্ষৰ মূল আহিলা আছিল জিলা ছাত্ৰ সন্থাৰ ৬৪০ নম্বৰৰ টেলিফোনটো (ফোনটো নিবন্ধ লিখকৰ কোঠাতে ৰখা হৈছিল)। এই ফোনৰ পৰা চাৰিওফালে যোগাযোগ কৰি সান্ধ্য আইন ভংগৰ বাবে অনুৰোধ জনোৱা হয়। পুৱা ঠিক্ ৮-৩০ বজাত অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰৰ নেতৃত্বত

মহাবিদ্যালয়ৰ বন বিষয়া কাৰ্য্যালয়ৰ দিশৰ ফালে থকা তোৰণেৰে প্ৰায় তিনি হাজাৰ আন্দোলনকাৰী আদালতৰ দিশে আগবাঢ়ে। এই খবৰ পুনৰাই টেলিফোন যোগে চাৰিওফালে জনোৱাত ডিমৰুগুৰি, বেবেজীয়া, মৰিকলং আদি দিশৰ পৰা হাজাৰ হাজাৰ ব্যক্তি আদালতৰ দিশে আগবাঢ়ি আহি সান্ধ্য আইন ভংগ কৰে। কৰ্তৃপক্ষই বাধ্য হৈ প্ৰায় ১০-৩০ বজাত সান্ধ্য আইন উঠাই লয়। সেইদিনা আছিল মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। প্ৰায় পোন্ধৰ হাজাৰ আন্দোলনকাৰীয়ে আদালতৰ চৌহদ ঘেৰাও কৰি থকাৰ বাবে প্ৰাৰ্থী সকলে মনোনয়ন পত্ৰ দাখিল কৰাত ব্যৰ্থ হয় আৰু কলিয়াবৰ, নগাঁও দুয়োটা সংসদীয় সমষ্টিৰ নিৰ্ব্বাচন অনুস্থিত নহ'ল। ইয়াকে কোৱা হয় Kings' kingly decision (ৰজাৰ ৰাজকীয় সিদ্ধান্ত, মই ইয়াত ৰজা বুলি কওঁতে ৰাইজকহে বুজাইছো।) এই কাৰ্য্যসূচীৰ বৃহৎ সফলতাৰ আঁৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল বিশেষকৈ ছাত্ৰবাসৰ আবাসী সকল আজিও কৃতজ্ঞতাৰ পাত্ৰ। অৱশ্যে কেইবাগৰাকী জ্যেষ্ঠ অধ্যাপক আৰু কৰ্ম্মচাৰীৰ ত্যাগ উল্লেখযোগ্য। বিশেষকৈ চৌহদৰ চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ পৰিয়ালৰ সদস্য সকলে সেই ঠাণ্ডাৰ নিশাটো পাৰ কৰিবৰ বাবে চাহ যোগান ধৰা কথাটো এতিয়াও মনত পৰে। এনেধৰণৰ বহু কেইটা গুৰুত্বপূৰ্ণ কামৰ সাক্ষী এই শিক্ষানুস্থানখন।

আন্দোলনৰ কালত অসম তথা ভাৰতবৰ্ষৰ এই সময়ত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি মহাবিদ্যালয়লৈ অহাটো আন এটা গুৰুত্বপূৰ্ণ অধ্যায়। ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী (সেই সময়ত বাজপেয়ী ডাঙৰীয়া জনসংঘৰ অন্যতম নেতা আছিল) ডাঙৰীয়া আন্দোলনৰ বুজ ল'বলৈ মহাবিদ্যালয়ত আহি উপস্থিত হৈছিল আৰু অধ্যক্ষ মহাশয়ৰ আবাসত পুৱাৰ জলপান গ্ৰহণ কৰিছিল। আন্দোলনৰ নেতা আছুৰ সাধাৰণ সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকন, শ্ৰীবৃন্দাবন গোস্বামী, প্ৰয়াত ললিত ৰাজখোৱা, প্ৰয়াত নগেন শৰ্ম্মা, শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (বৰ্ত্তমান মন্ত্ৰী), বিশিষ্ট লিখিকা শ্ৰী ৰীতা চৌধুৰী, শ্ৰী হিতেন গোস্বামী, (বিধান সভাৰ বৰ্ত্তমানৰ অধ্যক্ষ), প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত যোগেন হাজৰিকা আদি গুৰুত্বপূৰ্ণ ব্যক্তি সকল মহাবিদ্যালয়লৈ পৰিস্থিতিৰ বুজ ল'বৰ বাবে আহিছিল। তালিকাৰ বহুকেইজন ব্যক্তি ছাত্ৰাবাসৰ আলহিও হৈছিল। সেই সময়ৰ নগালেণ্ড ছাত্ৰ সন্থা (Nagaland Students Federation)ৰ সভাপতি শ্ৰী জহিঅ' লহে (প্ৰাক্তন নগালেণ্ড বিধাসভাৰ অধ্যক্ষ) ডাঙৰীয়া নগাঁও নেহৰুবালিৰ এখন সভালৈ আহি

এনিশাৰ বাবে ছাত্ৰবাসত কটাইছিল। বিহাৰৰ যুৱ ছাত্ৰ সংঘৰ্ষ বাহিনী (প্ৰখ্যাত সমাজবাদী নেতা জয় প্ৰকাশ নাৰায়ণৰ আদৰ্শৰে গঠিত)ৰ সদস্য সকল, মিজো ছাত্ৰ সন্থাৰ বহু কেইজন গুৰুত্বপূৰ্ণ নেতা ছাত্ৰাবাসত থাকি আন্দোলনৰ কাৰ্য্যসূচীত অংশ লৈছিল।

১৯৮০ চনৰ ১৯ এপ্ৰিল তাৰিখে অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰ আৰু অধ্যাপক প্ৰয়াত বুদ্ধেশ্বৰ গোঁহাই ছাৰক নিবাৰক নিৰোধ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি তিহাৰ জেললৈ পঠোৱা হৈছিল (প্ৰয়াত হৰেশ্বৰ গোস্বামী, প্ৰয়াত হেমেন কটকী, প্ৰয়াত হৰেণ শৰ্ম্মা, শ্ৰী মাধব লস্কৰ, প্ৰমূখে আন কেইবা গৰাকীকো এই আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল)। নিবন্ধৰ লিখক নিবাৰক নিৰোধ আইনৰ অধীনত ১৯৮০ চনত শ্ৰী পৰাণ গোঁহাই সহ গ্ৰেপ্তাৰ কৰিছিল।

আন্দোলনৰ সমানে সমানে ছাত্ৰ সকলৰ মাজত আন্দোলন ভিত্তিক সাহিত্যচৰ্চা আৰম্ভ হোৱাটো এই শিক্ষা অনুষ্ঠানৰ এটা গুৰুত্বপূৰ্ণ দিশ। মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী সেই সময়ত স্নাতক (বিজ্ঞান) মহলাৰ ছাত্ৰ আছিল। তেওঁৰ চেষ্টাত ‘তোৰে মোৰে আলোকৰে যাত্ৰা’ নামাকৰণৰ এখন আন্দোলন ভিত্তিক লিখনিৰে প্ৰাচীৰ পত্ৰিকা আৰম্ভ কৰা হৈছিল। অৰ্থনীতি বিভাগৰ অধ্যাপক প্ৰয়াত ভগবান বৰুৱাৰ ছাৰে Agony of Assam নামৰ পুস্তিকা প্ৰকাশ কৰিছিল। কাৰ্য্যালয়ৰ কৰ্ম্মচাৰি প্ৰয়াত ত্ৰৈলোক্য শৰ্ম্মাই তিনিখন মূল্যবান গ্ৰন্থ লিখি উলিয়াইছিল। স্নাতক (কলা) মহলাৰ ছাত্ৰ প্ৰয়াত মুকুল শৰ্ম্মাই দুখন মান বাতৰি কাকতত তথ্যগধুৰ প্ৰবন্ধ লিখিছিল। শৰ্ম্মাই সেই সময়ৰ জনপ্ৰিয় বাতৰি কাকত ‘নীলাচল’ত ‘অসমৰ অৰ্থনীতিত কাবুলীৱালাৰ প্ৰভাৱ’ শীৰ্ষক প্ৰবন্ধ লিখি বৌদ্ধিক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এইজন অতি কম বয়সৰ যশস্বী যুৱ লিখকে নীলাচল বাতৰিকাকতত এটা সংখ্যাৰ অতিথি সম্পাদকৰ বাবেও প্ৰস্তাৱ পাইছিল। ‘আমি অসমীয়া শৰাইঘটীয়া’ নামৰ এখন বাৰ্তালোচনী ছাত্ৰ শ্ৰী প্ৰকাশ বৰাই আৰু ‘আমি অসমীয়া লুইতপৰীয়া’ বাৰ্তালোচনীখন ছাত্ৰ শ্ৰীপাপুল বৰাৰ চেষ্টাত প্ৰকাশ পাইছিল। আন্দোলনৰ কালত সাহিত্যৰ মৌলিক সৃষ্টিৰে মহাবিদ্যালয়ে অসমৰ সাহিত্য জগতলৈ এটা নতুন ধাৰাৰ সৃষ্টি কৰাটো অতি সন্তোষৰ বিষয়। ১৯২৭ চনত আমেৰিকাৰ এগৰাকী লেখিকা কেথোৰিন মেয়ো (Miss Katherine Mayo)ৰ দ্বাৰা প্ৰকাশিত Mother India নামৰ গ্ৰন্থত প্ৰকাশ কৰিছিল। গ্ৰন্থ খনৰ উদ্দেশ্য আছিল ভাৰতবাসীক

বিশ্বৰ চকুত হেয় কৰা। ইয়াৰে উত্তৰ দিবলৈ গৈ প্ৰবাদ প্ৰতিম বিপ্লবী লালা লাজপত ৰায়ে ‘Father India’ নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰিছিল। অসম আন্দোলনৰ মূল উদ্দেশ্যক জনমানসত বিভ্ৰান্তিৰ ৰূপ এটা সজাই কিছু লিখকৰ লিখনিৰ প্ৰত্যুত্তৰ মহাবিদ্যালয়ৰ লিখনি সমূহে দিবলৈ চেষ্টা কৰিছিল বুলি ভাবো।

কিঞ্চিত মানো ৰহণ নসনাকৈ মই এটা কথা দৃঢ় ভাবে ক'ম অসম আন্দোলনে নগাঁও মহাবিদ্যালয় পৰিয়ালৰ বিশেষকৈ ছাত্ৰ-ছাত্ৰী মস্তিষ্কক দেশপ্ৰেমৰ আৰ্হিৰে উৰ্বৰ কৰিছিল। সেই সময়ত আমাৰ পৰিয়ালৰ সদস্য সকলৰ মাজত খলা-বমা নাছিল, উদাস ভাবো নাছিল— স্বদেশ প্ৰেমে নিজৰ কৰ্তব্যৰ প্ৰতি অধিক সজাগ কৰি তুলিছিল। দুখৰ বিষয় যি মহান উদ্দেশ্যৰ বাবে ছাত্ৰ সকলে এটা অমূল্য শিক্ষাবৰ্ষ হেৰুৱাৰ লগতে আন বহুতো হেৰুৱালে কিন্তু সেই উদ্দেশ্য সফল আজিও নহ'ল। ২৫ নবেম্বৰ ২০১৯ তাৰিখে বিশিষ্ট সাহিত্যিক, চিন্তাবিদ হোমেন বৰগোহাঞি দেৱে ‘নিয়মীয়া বাৰ্তা’ৰ প্ৰথম কলমত উল্লেখ কৰিছিল — “কুৰি শতিকাত অসমত দুটা সামাজিক ভূমিকম্প হৈছিল ঃ ভাষা আন্দোলন আৰু বিদেশী-খেদা আন্দোলন। দুয়োটা আন্দোলনে নিজৰ উদ্দেশ্য সাধনত ব্যৰ্থ হ'ল। কিন্তু সকলোৰে কাৰণে সি এটা গুৰুত্বপূৰ্ণ শিক্ষা দি থৈ গ'ল। সেইটো হৈছে এই যে দুটা শতাব্দী ধৰি অসমীয়া সকলৰ মনত বহুতো অসন্তোষ আৰু লগতে নিজৰ অস্তিত্বক লৈ দুঃচিন্তা পঞ্জীভূত হৈ আছে আৰু অনুকূল অজুহাত পালে আগ্নেয়গিৰি উদ্‌গিৰণ ৰূপ ল'ব পাৰে। তেনে অজুহাত নিদিয়াটোৰে হ'ব বুদ্ধিমান মানুহৰ লক্ষণ.......।”

---

লেখকৰ পৰিচয় ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, প্ৰাক্তন মন্ত্ৰী, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু চিন্তাশীল লিখক।

# বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণত নগাঁও মহাবিদ্যালয়ৰ ভূমিকা ঃ এটি ঐতিহাসিক অৱলোকন

ড° খৰ্গেশ্বৰ ভূএগ্রা

ভাৰতে স্বাধীনতা লাভ কৰাৰো তিনি বছৰ আগতে ১৯৪৪ চনত নগাঁও কলেজৰ আৰম্ভণি হৈছিল জিলাখনৰ এচাম অতি উদ্যোগী আৰু দূৰদৃষ্টিসম্পন্ন মহান লোকৰ তৎপৰতাত। ১৯৪৪ চনতে প্ৰথম দলটোৱে নগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আই. এ. পৰীক্ষা দিছিল। প্ৰথম বিভাগ আৰু লেটাৰ নম্বৰেৰে ৫০ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছিল। কলেজখন হোৱাৰ আগলৈকে নগএগ্রা কিশোৰৰ শিক্ষা মেট্ৰিক উত্তীৰ্ণতে সীমাবদ্ধ হৈ হৈছিল। অৱশ্যে যোত্ৰবানসকলৰ এটা সামান্য অংশই কটন কলেজত পঢ়িবলৈ গৈছিল।

নগাঁও কলেজৰ আৰম্ভণি আৰু কলেজখন সেইকালত ৰাইজৰ ধনেৰে চলাই নিয়া কামটোত বহুতৰেই আশাশুধীয়া অৰিহণা আছে, পিছে সকলোৰে ঊৰ্দ্ধত থাকিব লগাজন হ'ল অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা। যোৰহাটৰ জে. বি. কলেজত অধ্যাপনা কৰা শিৱসাগৰৰ শৰ্মা চাৰক নগাঁৱৰ দূৰদৰ্শী লোকসকলে নগাঁও কলেজলৈ অধ্যক্ষ হিচাপে লৈ আহিছিল আৰু শৰ্মা চাৰেও ৰাইজৰ বিশ্বাসখিনিৰ যথোচিত মূল্য দিলে। কলেজখনক চালুকীয়া অৱস্থাৰ পৰা তেখেতে আগুৱাই লৈ গ'ল।

আই. এ. শ্ৰেণীক লৈ আগবঢ়া কলেজখনে ১৯৪৬ চনৰ পৰা বি. এ. শ্ৰেণীও আৰম্ভ কৰি দিলে। শ্ৰেণীবোৰ হৈছিল ডচন হাইস্কুলত আবেলি। ১৯৪৬ চনত মতিৰাম বৰাৰ তৎপৰতাত তাৰ পৰা বৰ্তমানৰ আয়কৰ বিভাগৰ ওচৰতে থকা নগাঁও বালক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰাবাসটোলৈ কলেজৰ শ্ৰেণী স্থানান্তৰ কৰা হৈছিল। কলা বিভাগত পঢ়িব খোজাসকলৰ কিছু গতি লাগিল যদিও বিজ্ঞান পঢ়িবৰ কোনো

সুবিধা নথকাত ৰাইজে বিজ্ঞান শাখা খোলাৰ বাবেও দাবী জনালে - অন্ততঃ আই. এচ. চি. শ্রেণীৰে হ'লেও প্রথমে আৰম্ভ কৰক। স্বাভাৱিকতেই ইয়াৰ বাবে দায়িত্ব ন্যস্ত হ'ল অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ওপৰত।

বিজ্ঞানৰ শ্রেণী খোলাটো অৱশ্যেই সহজ কাম নাছিল, অন্ততঃ কলা শাখাৰ তুলনাত। কলা শাখাৰ বাবে অধ্যাপক আৰু দুটামান শ্রেণীকোঠা হ'লেই কাম চলি যায়। পিছে বিজ্ঞানৰ বাবে পৰীক্ষাগাৰ লাগে-ৰসায়ন, পদাৰ্থবিজ্ঞান আৰু জীৱ বিজ্ঞান এই তিনিটা বিভাগৰ বাবে পৰীক্ষাগাৰ লাগিবই। জীৱবিজ্ঞানৰ ক্ষেত্ৰতো দুটা ভাগৰ কথা আছে- উদ্ভিদ বিজ্ঞান আৰু প্রাণীবিজ্ঞান। পৰীক্ষাগাৰৰ কোঠা, বিশেষধৰণৰ আচবাব, যন্ত্রপাতি, ৰসায়ন আৰু জীৱবিজ্ঞানৰ বাবে পৌনঃপুনিক ভাৱে সামগ্রী সংগ্রহৰ খৰচৰ কথা আছে। যোৱাটো শতিকাৰ চতুৰ্থ দশকত স্নাতকোত্তৰ ডিগ্রীধাৰী কলা বিভাগৰ শিক্ষক পোৱাই য'ত টান, তেনেক্ষেত্রত নগাঁৱত বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্রীধাৰী লোক পোৱাতো সহজ নাছিল, সকলোতকৈ ডাঙৰ কথাটো হ'ল-গুৱাহাটী বিশ্ববিদ্যালয় নতুনকৈ তেতিয়া আৰম্ভ হৈছে, বিশ্ববিদ্যালয়খনে বিজ্ঞানৰ শ্রেণীৰ স্বীকৃতি দিব পৰাকৈ পাৰদৰ্শিতাও অৰ্জন কৰা নাই, গতিকে স্বাভাৱিকতেই পূৰ্বৰ মাতৃ বিশ্ববিদ্যালয় কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই স্বীকৃতি ল'ব লাগিব।

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাচাৰে তেখেতৰ সহপাঠী কটনৰ বিজ্ঞানৰ অধ্যাপক হৰিচন্দ্ৰ গোস্বামীদেৱক নিমন্ত্রণ কৰি আনি বিজ্ঞান শাখা কেনেকৈ খুলিব পাৰি তাৰে পৰামৰ্শ লয়। বৰ্তমান পেট্রল পাম্পৰ ফালে থকা ঘৰটো দুভাগ কৰি তাতে ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ পৰীক্ষাগাৰ খোলাৰ কথা ক'লে। পৰীক্ষাগাৰৰ বাবে লগা আচবাব, যন্ত্রপাতি আদিৰো হিচাপ গোস্বামীদেৱে দিলে। ইয়াৰ বাবে লগা খৰচৰ অনুমোদন পৰিচালনা সমিতিয়ে লগে লগেই দিলে। বিজ্ঞানৰ সামগ্রীবোৰৰ ৰেহৰূপ চাবৰ বাবে এজন ঠিকাদাৰকো কটন কলেজৰ পৰীক্ষাগাৰ চাবলৈ পঠোৱা হ'ল। জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰৰ বাবেও এটা কোঠা ঠিক কৰা হ'ল, এই বিষয়ত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ অনুৰোধত কটনৰ জীৱ বিজ্ঞানৰ অধ্যাপক অতুল চন্দ্ৰ দত্তদেৱে মূল্যবান পৰামৰ্শ প্ৰদান কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ে জন্মলাভ কৰি এখুজি দুখুজিকৈ আগবঢ়াৰ সময়তে বিজ্ঞান শাখাৰ স্বীকৃতি কলেজলৈ আগবঢ়োৱাত অসুবিধা আছিল যদিও কলিকতা বিশ্ববিদ্যালয়ৰ নিৰীক্ষকৰ সহযোগিতাত এই কাম সম্ভৱ হ'ব বুলি কোৱা হ'ল। যজ্ঞেশ্বৰ

শৰ্মাদেৱৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত থকা সু-সম্পৰ্কৰ বাবেও বিজ্ঞানৰ স্বীকৃতি পোৱাত আপেক্ষিকভাৱে সহজ হৈছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা নিৰীক্ষক হিচাপে অনা বিজ্ঞানৰ অধ্যাপকজনো শৰ্মাচাৰৰ চিনাকি আছিল বাবে কাম সহজ হৈছিল। ৰসায়ন বিজ্ঞান বিভাগত স্পিৰিট লেম্পৰ সলনি গেছ প্লেন্টৰ ব্যৱস্থা কৰিবলৈ কোৱাত বৰ্তমানৰ ছোৱালী হোষ্টেলৰ কাষতে এই প্লেন্ট বহুওৱা হৈছিল, পিছত বিজ্ঞানৰ বাবে নতুন দুমহলীয়া ঘৰ সজাত নতুন গেছ প্লেন্ট বহুওৱা হৈছিল, বন বিষয়াৰ কাৰ্যলয় আৰু মতিৰাম বৰাৰ মূৰ্তি থকাৰ ওচৰত।

বিজ্ঞান শিক্ষা নগাঁও কলেজত আৰম্ভ কৰাৰ ইতিবৃত্তখিনি যজ্ঞেশ্বৰ শৰ্মাদেৱে নগাঁও কলেজৰ আলোচনীত বিভিন্ন সময়ত লিখিছিল। অৱশ্যে বিজ্ঞানৰ লগতে ১৯৫০ চনতে কলেজখনত বাণিজ্য বিভাগ খোলা সম্পৰ্কেও তেখেতে বৰ্ণনা কৰি গৈছে। আই. এছ. চি. খোলাৰ বাবে নগাঁৰৰ কেবাজনো ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান পঢ়াৰ সুবিধা পাই পিছত তেওঁলোক ডাক্তৰ, ইঞ্জিনিয়াৰ আদিও হৈছিলগৈ। ইয়াৰ ভিতৰত অতুল চন্দ্ৰ শৰ্মা, অব্দুল মতিন আদি ডাক্তৰৰ নাম যজ্ঞেশ্বৰ শৰ্মাদেৱে লৈছে। সেইদৰে অভিযন্তাৰ ভিতৰৰে এগৰাকীয়ে যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ অধ্যক্ষ হৈছিল, আন এজন কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছিল ইত্যাদি।

আই. এচ. চি. শ্ৰেণী যেনেতেনে চলাব পৰা হ'লেও স্নাতক পৰ্যায়ত বিজ্ঞানৰ শাখা খোলাত যথেষ্ট অসুবিধা আছিল। মতিৰাম বৰাদেৱে কলেজৰ বৰ্তমানৰ ঠাইখিনিৰ ব্যৱস্থা কৰিছিল, অৱশ্যে বহুদিনলৈ মাটিখিনি কলেজৰ নামত নামজাৰী হোৱা নাছিল। মাটি সম্পৰ্কে উল্লেখ কৰিব লগা কথাটো হ'ল পিছত নগাঁও কলেজৰ নামত ২৭ বিঘা মাটি কাগজে কলমে আছে যদিও এই লিখক অধ্যক্ষ হৈ থাকোতে ২০০৭ চনত মাটিৰ জোখ-মাপ লৈ চাৰে চৌবিশ বিঘামানহে মাটি পোৱা হৈছিল। বাকীখিনি মাটি কিছু মানুহে বেদখল কৰিছিল। সেই সময়তে কিছু বেদখলী মাটি জিলা প্ৰশাসনৰ সহযোগত উদ্ধাৰ কৰা বাবেহে চাৰে চৌবিশ বিঘা ৰৈছিলগৈ। মতিৰাম বৰাৰ মূৰ্তি স্থাপনতো সামান্য মাটি গৈছিল।

বিজ্ঞানত স্নাতক শ্ৰেণী নোহোৱাৰ বাবে বহু ছাত্ৰ-ছাত্ৰীয়ে আই. এচ. চি.তে শিক্ষা সমাপ্ত কৰিব লগা হৈছিল। সেয়েহে বি. এচ. চি. খোলাৰ বাবে কলেজৰ কৰ্তৃপক্ষৰ ওপৰত ৰাইজৰ যথেষ্ট হেঁচা পৰিছিল। ইতিমধ্যে ১৯৪৬ চনৰ পৰা বি. এ. শ্ৰেণী আৰম্ভ হৈছিল, পিছলৈ কলা শাখাত অনাৰ্চৰো ব্যৱস্থা হৈছিল বিভিন্ন

বিষয়ত। সুদীৰ্ঘ ১৫ বছৰৰ মূৰত নগাঁও কলেজত বি. এচ. চি. শ্ৰেণী আৰম্ভ কৰা হ'ল-ইয়াৰ বাবে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱৰ লগতে পৰিচালনা সমিতি সদস্যসকল আৰু নগাঁৱৰ বিশিষ্ট ব্যক্তিৰ অৰিহণা বিশেষভাৱে উল্লেখযোগ্য। স্নাতক পৰ্যায়ৰ বাবে ঠাইৰ অভাৱৰ কথাটো আছিলেই, তাতোকৈ অধ্যাপকৰ সমস্যাটোহে অধিক জটিল আছিল, কাৰণ তেতিয়ালৈ গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এচ. চি. শ্ৰেণীবিলাক আৰম্ভ হোৱা নাছিল আৰু কলিকতা বিশ্ববিদ্যালয়, ঢাকা বিশ্ববিদ্যালয় বা আন ঠাইৰ পৰা বিজ্ঞানত স্নাতকোত্তৰ লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা আছিল। তেনে ডিগ্ৰী পোৱাসকলেও সহজেই আন ঠাইত চাকৰি পোৱাৰ কাৰণে নগাঁও কলেজত তেনেই কম দৰমহাত চাকৰি কৰিবলৈ অহাৰ কথা নাছিল। সেয়েহে স্নাতক শ্ৰেণীৰ বাবে শিক্ষক পোৱাতো সাংঘাতিক অসুবিধা হৈছিল। তাৰ মাজতে অধ্যক্ষই কলিকতাৰ ফালৰ কেইগৰাকীমান অৱসৰপ্ৰাপ্ত অভিজ্ঞ লোকক অস্থায়ীভাৱে পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা আদিৰ প্ৰবক্তা নিয়োগ কৰিছিল। পদাৰ্থ বিজ্ঞানৰ আৰম্ভণিতে অৰ্থাৎ ১৯৫৩ চনৰ পৰা আই. এচ. চি. পঢ়ুওৱা কৈলাশ চক্ৰৱৰ্তীয়ে বি. এচ. চি.ৰো কাম চলাইছিল। তাৰ পাছত ১৯৬১ চনত বিনয় শইকীয়া, ১৯৬২ চনত বিমল বৰা, মোহন বৰা আৰু ভূপেন শইকীয়াই প্ৰৱক্তা হিচাপে যোগদান কৰিছিল। ইয়াৰে বিমল বৰা চাৰে দীঘলীয়া কালৰ বাবে বিভাগটোত সফলভাৱে সেৱা আগবঢ়াই পিছত নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ হয়গৈ। মোহন বৰাই বিদেশলৈ গৈ বিশেষ নাম কৰিছিল। ইয়াৰ পাছত ১৯৬৩ চনৰ পৰা ক্ৰমে গণেশ বৰুৱা, উমেশ শৰ্মা, বিনয় ভূষণ পাল, খগেন শৰ্মা আদিয়ে কলেজত প্ৰৱক্তা হিচাপে যোগদান দি অৱসৰৰ সময়লৈকে সেৱা আগবঢ়াইছিল। সেইদৰে অতি মেধাবী অনুজ বৰকাকতিয়ে প্ৰথমে উপশিক্ষক (Demonstrator) হিচাপে যোগদান কৰি পিছলৈ প্ৰৱক্তা হৈ অৱসৰ লয়। অৰ্পণা গোস্বামীয়ে কম সময়ৰ বাবে পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তা হিচাপে কাম কৰিছিল। ইয়াৰ পিছত নৱ প্ৰজন্মৰ ক্ৰমে হলি হাজৰিকা, ৰশ্মি বৰঠাকুৰ, ইন্দুভূষণ ৰয়, ৰশ্মিৰেখা বৰা, বনশ্ৰী শইকীয়া আদিয়ে সেৱা আগবঢ়ায়। হলি হাজৰিকা আছিল বিভাগটোৰ অতি কৃতী শিক্ষক। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱে নিজৰ লিখনিত আধ্যাপক বিমল বৰাদেৱক অতি কৃতী শিক্ষক আৰু কৰ্মী লোক বুলি কৈছিল। সেইদৰে আৰম্ভণি কালৰ কৈলাশ চক্ৰৱৰ্তীৰ অৱদানো বিশেষভাৱে স্মৰণীয় বুলি কৈছে। এই বিভাগৰ গণেশ বৰুৱাদেৱ কিছুদিনৰ বাবে কলেজখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈছিল।

যোৱাটো শতিকাৰ কমেও পঞ্চম দশকৰ পৰা অন্ততঃ অষ্টম দশকলৈকে ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ বাদেই স্নাতকৰ অনাৰ্চ থকা ছাত্ৰ-ছাত্ৰীৰো বৰকৈ চাহিদা আছিল। একাদশ শ্ৰেণীলৈ উচ্চতৰ মাধ্যমিক শিক্ষা আৰু পাছত দ্বাদশ শ্ৰেণীৰ বৰ্তমানৰ দৰে পাঠ্যক্ৰমৰ আৰম্ভণি কালতো ৰসায়ন বিজ্ঞানৰ শিক্ষক পোৱাতো বৰ অসুবিধাজনক আছিল। এই বিষয়ৰ শিক্ষক স্কুলবোৰত সঘনে সলনি হৈছিল, কাৰণ ৰসায়নৰ অনাৰ্চ থকাসকলে অন্য ভাল চাকৰি পাই গুচি গৈছিল। গতিকেই অনুমান কৰিব পাৰি যে নগাঁও কলেজত বি. এচ. চি. স্তৰৰ পাঠ্যক্ৰমত ৰসায়ন বিজ্ঞান পুঢ়ুওৱা শিক্ষক পোৱাটোও সহজ নাছিল।

সেয়েহে প্ৰথম অৱস্থাত ৰসায়ন বিভাগত বহুতেই কম কম সময়ৰ বাবে অধ্যাপনা কৰিছিল-এখেতসকলৰ তালিকাও দীঘল; যেনে - বামদেৱ দাস, গোবিন্দৰাম দেৱনাথ, এচ. ভৌমিক, এ. এচ. দামোদৰণ, ৰবীন্দ্ৰনাথ গুহ, এন. কে. চেটাৰ্জী আদিৰ নাম ল'ব পাৰি। ইয়াৰ পাছত ডঃ মনমোহন সিং মুখ্য অধ্যাপক হৈছিল যদিও তেওঁ প্ৰথমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈ পিছত ৰাছিয়াৰ বিশ্ববিদ্যালয়ত স্থায়ী অধ্যাপক হৈছিলগৈ। সেইদৰে শৈবাল কান্তি ভট্টাচাৰ্য অতি মেধাবী আৰু কৃতী শিক্ষক আছিল যদিও কম সময়ৰ ভিতৰতে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপকৰ পদ শুৱনি কৰিছিলগৈ।

ইয়াৰ পিছৰ খেপৰ অধ্যাপকসকল প্ৰায় স্থায়ী ভাৱে নগাঁও কলেজৰ ৰসায়ন বিভাগৰ অধ্যাপক হিচাপেই থাকি অৱসৰ লৈছিল। অৱশ্যে মুখ্য অধ্যাপক ম. চাহ আলম চাৰে কিছুদিন অধ্যক্ষৰূপে অন্য কলেজলৈ গৈছিল। সেই সময়ৰ আন অধ্যাপকসকল আছিল - বাবুলাল পাল, অৰুণ বৰ্মন, মুনীন্দ্ৰ মহন্ত, দ্বিজেন দাস আৰু মুজিবুৰ ৰহমান। ৰহমান চাৰে বিধায়ক হিচাপে পাঁচ বছৰ কাল কলেজৰ পৰা আঁতৰি আছিল। এইসকলৰ ভিতৰত অধ্যাপক অৰুণ বৰ্মন চাৰ শিক্ষক হিচাপে অনন্য আছিল। পালচাৰ, দাসচাৰ আদিৰ আন্তৰিকতাও প্ৰশ্নাতীত আছিল যদিও বৰ্মন চাৰৰ ৰসায়ন বিভাগ তথা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আত্মোৎসৰ্গী মনোভাৱ আছিল অতি প্ৰশংসনীয়। বাবুলাল পাল চাৰ কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষও হৈছিল কিছুকালৰ বাবে।

যাঠিৰ দশকৰ এইসকল স্থায়ী অধ্যাপকৰ পাছত নৱৈৰ দশকৰ প্ৰথম ভাগত ৰসায়ন বিভাগত বলীন কুমাৰ ভূঞা আৰু শেহৰ ফালে ৰানা সঞ্জয় সিঙে যোগ

দিয়ে। তাৰ পাছত এই শতিকাৰ প্ৰথম দশকত ক্ৰমে চিন্তামনি শৰ্মা (জাগীৰোড কলেজত কাম কৰাৰ অভিজ্ঞতা পুষ্ট), পল্লৱী গোস্বামী, নীলোৎপল ব্ৰহ্ম, লক্ষ্যজ্যোতি বৰঠাকুৰ আৰু পৰীক্ষিত গগৈয়ে অধ্যাপক হিচাপে যোগদান কৰে। বিভাগটোত আৰম্ভণিৰে পৰা উপশিক্ষক হিচাপে সেৱা আগবঢ়োৱা ৰমেন বৰাদেৱৰ অৱদান সুঁৱৰিবলগীয়া, কাৰণ প্ৰথম ভাগত এম. এচ. চি. অধ্যাপকৰ অভাৱত বৰাদেৱেই যথেষ্ট কাম চম্ভালিছিল। যোৱাটো শতিকাৰ শেহৰ দশকৰ পৰা ৰসায়ন বিভাগত যোগদান কৰা ডেকা অধ্যাপকসকলে বিজ্ঞান শিক্ষাৰ প্ৰবাহত এটা সন্তোষজনক গতি দিছিল। বলীন ভূঞাই বিভাগটোত পুৰণি গেছ প্লেন্টৰ সলনি এল. পি. জি.ৰ কেন্দ্ৰীয় ভাৱে প্ৰবাহিত হোৱা গেছৰ নতুন পদ্ধতি ব্যৱহাৰ কৰাত এই ব্যৱস্থাত অত্যাধুনিকীকৰণ হৈছিল বুলিব পাৰি। বলীন ভূঞা নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ হিচাপে যোগ দিয়ে।

আই. এচ. চি. শ্ৰেণীত জীৱবিজ্ঞান বা বায়লজি বিষয়টোৰে আৰম্ভ কৰা হৈছিল যদিও বিষয়টো উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপকেৰেহে চলিছিল। সেইদৰে স্নাতক শ্ৰেণীতো উদ্ভিদবিজ্ঞান বা ব'টানী বিষয়টোহে আছিল। ইয়াৰ বাবে আচুতীয়াকৈ এটি সৰু ঘৰ আছিল। ১৯৫৩ চনতে আই. এচ. চি. আৰম্ভ কৰোতে কেবাজনো উপশিক্ষকেৰে কাম চালোৱা হৈছিল। বিভিন্ন সময়ত উপশিক্ষকেৰে হিচাপে কাম কৰা কেইজন মান আছিল খৰ্গনাৰায়ণ দেৱ গোস্বামী, দিগম্ব গোঁহাই, শৰৎ ফাটোৱালী, প্ৰবীণ দাস, এচ. চমাদ্দাৰ আৰু বলীন শইকীয়া। ইয়াৰে বলীন শইকীয়া পিছলৈ অধ্যাপক হৈছিল আৰু সেই হিচাপেই অৱসৰ লৈছিল। এখেতৰ আইন বিষয়ত ডিগ্ৰী থকাৰ বাবে কলেজৰ প্ৰশাসনীয় কামত বহুখিনি সুবিধা হৈছিল।

অধ্যাপক হিচাপে প্ৰথম অৱস্থাত উদ্ভিদবিজ্ঞান বিভাগত যোগ দিয়াসকল আছিল নৰহৰি দাস, মাধৱ চন্দ্ৰ দাস, লিখন চন্দ্ৰ কাকতি, বিপেন চন্দ্ৰ নাথ, তৰুণ চন্দ্ৰ শৰ্মা, গণেশ গোস্বামী, আব্দুল হেকিম, বলদেৱ শৰ্মা আৰু অসীমা দেৱ। ইয়াৰে প্ৰথম তিনিগৰাকীয়ে কিছুকালৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা অন্য বিশিষ্ট আসন শুৱনি কৰিছিলগৈ। আব্দুল হেকিম আৰু অসীমা দেৱে উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। বাকী কেইজন কলেজত স্থায়ীভাৱে থকা নাছিল।

এইসকলৰ পিছত নতুন প্ৰজন্মৰ সকলে অধ্যাপক হিচাপে অষ্টম দশকৰ

পৰা উদ্ভিদ বিজ্ঞান বিভাগত যোগ দিয়ে। এওঁলোক হ'ল - শৰৎ দত্ত, শৰৎ বৰকটকী, কৃষ্ণকান্ত মেধি, ফাৰিস্তা য়াচমিন, শিৱ চহৰীয়া, নবনীতা ভট্টাচাৰ্য, জুৰিমনি শ্যাম আৰু কুমুদ দাস। ইয়াৰে শৰৎ দত্তই ধিং কলেজত আৰু শৰৎ বৰকটকীয়ে নগাঁও কলেজত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। পূৰ্বৰ অধ্যাপক সকলৰ ভিতৰত বলদেৱ শৰ্মাৰ পথ দুৰ্ঘটনাত অকাল মৃত্যু ঘটে। কেবাখনো বহুমূলীয়া গ্ৰন্থৰ উপহাৰ দিয়া কৃতী শিক্ষক, কৰ্মদক্ষ শৰ্মাৰ বিয়োগ কলেজখনৰ বিজ্ঞান শিক্ষাৰ বাবে অপূৰণীয় ক্ষতি আছিল। নতুন প্ৰজন্মৰ নৱনীতা ভট্টাচাৰ্যই গুৱাহাটী বিশ্ববিদ্যালয়ত আৰু জুৰিমণি শ্যামে অন্য কলেজত যোগ দিয়ে।

আৰম্ভণি কালত স্নাতক পাঠ্যক্ৰম পঢ়াসকলৰ ভিতৰত গণিত বিষয়ত দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে উদ্ভিদ বিজ্ঞান বিষয়টো মকৰধ্বজ স্বৰূপ আছিল। বহুতেই বাধ্য হৈ উদ্ভিদ বিজ্ঞানৰ লগত ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানো লৈছিল তিনিটা বাধ্যতামূলক বিষয় হিচাপে, পিছে গণিত নথকাসকলৰ বাবে পদাৰ্থ বিজ্ঞান বিষয়টো ভালুকৰ সাঙীৰ দৰে হৈছিল। সেয়েহে উদ্ভিদ বিজ্ঞান বিষয়ত অনাৰ্চ খোলা হোৱা নাছিল ১৯৬৭ চনলৈকে। বিজ্ঞানৰ ক্ষেত্ৰত কেৱল পদাৰ্থ বিজ্ঞান আৰু ৰসায়নতহে অনাৰ্চ আছিল। ১৯৬৮ চনত অনাৰ্চ আৰম্ভ কৰোতেও ধীৰগতিতহে বিষয়টো আগবাঢ়িছিল। অৱশ্যে ভূগোল বিজ্ঞান বিভাগটো কলা আৰু বিজ্ঞান দুয়োটা শাখাৰ লগত যুক্ত হোৱাৰ বাবে উদ্ভিদ বিজ্ঞান-ৰসায়ন-ভূগোল-এই গোটটো গণিত নথকা ছাত্ৰ-ছাত্ৰীৰ বাবে আকৰ্ষণীয় আছিল।

বিজ্ঞান শাখাৰ আৰম্ভণিতে জন্ম লোৱা অন্যতম বিভাগটো হ'ল ভূগোল বিজ্ঞান বিভাগ। বাণিজ্য আৰু ভূগোলৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী কমল চন্দ্ৰ গোস্বামী বিভাগটোৰ জন্মক্ষণৰ অধ্যাপক। বিশাল ব্যক্তিত্ব, হাঁহিৰ থূনপাক আৰু সত্ৰীয়া সংস্কৃতিৰ পুৰোধা ব্যক্তি, সকলোৰে নমস্য গোস্বামী চাৰে নগাঁও কলেজৰ ভূগোলৰ বিভাগটো ঠন ধৰাই পিছত জি.এন.ডি.জি. কমাৰ্চ কলেজৰ অধ্যক্ষ হৈছিলগৈ। বিভাগটোৰ আন এজন সৰবৰহী অধ্যাপক আছিল হৰেশ্বৰ বৰুৱা। এখেতৰ খেলা-ধূলাত ৰাপ আছিল বাবে কলেজৰ ক্ৰীড়া বিভাগৰ উন্নতিত এখেতে অৰিহণা যোগাইছিল। এই বিভাগৰ তৃতীয়জন অধ্যাপক আছিল মুৰুলী নাথ। সুন্দৰ চেহেৰাৰ নাথচাৰো ছাত্ৰ-ছাত্ৰীৰ মাজত অতি প্ৰিয় আছিল। বিজ্ঞান শাখাত স্নাতক পাঠ্যক্ৰম খোলাৰ সময়তে ভূগোল বিজ্ঞান বিভাগতো স্নাতক পৰ্যায়ৰ শিক্ষা আৰম্ভ হয়।

বিভাগটোৰ দ্বিতীয় প্ৰজন্মৰ অধ্যাপকসকল হ'ল - মাণিক কৰ, তোযেশ্বৰ নাথ, নৰকুমাৰ মহন্ত, পুলিন চন্দ্ৰ বৰা আৰু ধ্ৰুৱজ্যোতি বৰুৱা। কম সময়ৰ বাবে প্ৰদীপ শৰ্মা আৰু চয়নিকা শৰ্মাই প্ৰৱক্তা হিচাপে বিভাগটোত কাম কৰিছিল।

বিজ্ঞান শিক্ষাৰ মূল বিষয় বুলি গণিতক স্বীকৃতি দিয়া হয়। গতিকে কলেজত বিজ্ঞান শাখা খোলা মানেই গণিত বিষয়টোও আহিবই। পিছে গণিতৰ শিক্ষক পোৱাটোও তেতিয়াৰ দিনত সহজ কথা নাছিল, কাৰণ গণিতৰ স্নাতক ডিগ্ৰীধাৰীসকলে সহজেই উচ্চ মাধ্যমিক স্কুলত চাকৰি পাইছিল, স্নাতকোত্তৰ হ'লেতো কথাই নাই। সেয়েহে নগাঁও কলেজৰ গণিত বিভাগতো ভালেমান আধ্যাপকৰ অহা-যোৱা চলিছিল। এইসকলৰ ভিতৰত দেবেশ্বৰ পাঠক, বুদ্ধ প্ৰসাদ চেতিয়া, ডি. নাথ, নেপাল ভৌমিক, অতুল বৰকাকতি, মীৰা চৌধুৰী আদি প্ৰধান। এইসকলৰ ভিতৰত কলিকতা, ঢাকা আদি বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা অৱসৰপ্ৰাপ্ত অধ্যাপকো আছিল। অতুল বৰকাকতি ডেকা আছিল, পিছে তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ (পিচত তেজপুৰ বিশ্ববিদ্যালয়) অধ্যাপক হিচাপে গুচি গৈছিল।

গণিত বিভাগটোক স্থিৰীকৃত কৰা ব্যক্তিগৰাকী আছিল কামাখ্যা কমল পণ্ডিত। এওঁ অতি বিদ্বান পুৰুষ আছিল। পণ্ডিত চাৰক সহায় কৰিছিল চন্দ্ৰ প্ৰভা দেৱীয়ে। তাৰ পাছত স্থায়ীভাৱে অধ্যাপক হৈ আহিছিল আব্দুল কৰিম। এইজন কৃতী শিক্ষক অতি কষ্টসহিষ্ণু আছিল বাবে কঠিন গণিতক বহুতেই কিছু সহজভাৱে লব পাৰিছিল। অৱশ্যে বিভাগটো ১৯৫৩ চনতে আৰম্ভ কৰা হ'লেও অনাৰ্চ খোলা হৈছিল কুৰি বছৰতকৈও অধিককাল পিছতহে।

নতুন প্ৰজন্মৰ শিক্ষক তিনিগৰাকী হৈছে - চিৰাজুল ইছলাম, দিলীপ বৰা আৰু পদ্মেশ্বৰ সেনাপতি। এওঁলোকে বৰ্তমানেও বিভাগটো চলাই নিছে।

বিজ্ঞান শাখা আৰম্ভ কৰাৰ সময়ত প্ৰাণীবিজ্ঞান বিষয়টো অন্তৰ্ভূক্ত হোৱা নাছিল, আই. এচ. চি. স্তৰত জীৱ-বিজ্ঞানৰে প্ৰাণী বিজ্ঞান অংশটো উদ্ভিদ বিজ্ঞানৰ অধ্যাপকেই পঢ়াইছিল। পিছলৈ কলেজ পৰিচালনা সমিতিয়ে প্ৰাণীবিজ্ঞান বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি এটা স্বতন্ত্ৰীয় বিভাগ হিচাপে আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। বিভাগটোৰ প্ৰথম প্ৰৱক্তা হিচাপে ১৯৭০ চনত প্ৰভাত চন্দ্ৰ কাকতিয়ে যোগদান কৰে আৰু তেতিয়াই স্নাতক প্ৰথম বৰ্ষৰো আৰম্ভণি হয়। বিভাগটোৰ দ্বিতীয় আৰু তৃতীয় প্ৰৱক্তা ক্ৰমে বিপুল কটকী আৰু বিজয়া ৰায়চৌধুৰী। বিপুল কটকী পিছত

উপাধ্যক্ষ হয়গৈ। অতিকৈ কৰিৎকৰ্মা এইজন প্ৰৱক্তাই প্ৰাণীবিজ্ঞান বিভাগটোক সুন্দৰভাৱে গতিশীল কৰাৰ লগতে উপাধ্যক্ষ হিচাপেও কলেজৰ সৰ্বাংগীন উন্নতিত অৰিহণা যোগায়। ১৯৭৩ চনত প্ৰাণীবিজ্ঞানৰ প্ৰথম খেপটোৱে শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। ১৯৭৫ চনত পৱন চন্দ্ৰ শইকীয়াই উপশিক্ষক হিচাপে যোগদান কৰি পিছত ১৯৮৫ চনত প্ৰৱক্তা হয়গৈ। প্ৰথম অৱস্থাত শ্ৰেণীসমূহ কলেজৰ পূব প্ৰান্তত থকা এটা অসম আৰ্হিৰ ঘৰত অনুষ্ঠিত হৈছিল। ইয়াত আছিল শিক্ষকৰ জিৰণী কোঠা, এটা সংগ্ৰহালয়, এটা শ্ৰেণীকোঠা আৰু এটা পৰীক্ষাগাৰ, য'ত তৃতীয় বৰ্ষৰ শ্ৰেণীসমূহ চলিছিল। ১৯৭৭ চনত বিভাগটো বৰ্তমানৰ ভৱনলৈ স্থানান্তৰ কৰা হয়।

ৰসায়ন আৰু পদাৰ্থবিজ্ঞান বিভাগ থকা দুমহলীয়া অট্টালিকাটো বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ.জি.চি)ৰ ধনেৰে যোৰাটো শতিকাৰ ষষ্ঠদশকৰ আৰম্ভণিতে সজা হৈছিল। সেই সময়ত ইউ. জি. চি.ৰ অনুদান পোৱা কথাটো খুবেই অসুবিধাজনক আছিল। উদ্ভিদ বিজ্ঞান ভূমি মহলাত আৰু দ্বিতীয় মহলাত প্ৰাণীবিজ্ঞান বিভাগ থকা বৰ্তমানৰ ভৱনটোও সপ্তম দশকৰ মাজভাগতহে সজা হৈছিল। নক'লেও হ'ব যে আৰম্ভণিৰ ৰসায়ন, পদাৰ্থ বিজ্ঞান, ভূগোল, গণিত, উদ্ভিদ বিজ্ঞান আদি বিজ্ঞানৰ বিভাগবোৰৰ স্বীকৃতিও বিশ্ববিদ্যালয়ে লগে লগে দিয়া নাছিল। স্থায়ী ভৱন নিজাববীয়াকৈ হোৱাৰ পাছতহে স্বীকৃতি পাইছিল। প্ৰাণীবিজ্ঞান বিভাগৰ ক্ষেত্ৰতো প্ৰথমে অস্থায়ী স্বীকৃতিৰেই কাম চলোৱা হৈছিল।

পঞ্চম প্ৰৱক্তা হিচাপে প্ৰাণীবিজ্ঞান বিভাগত ডম্বৰু শইকীয়াই যোগদান দিছিল যদিও তেওঁ অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজ ত্যাগ কৰে। এই বিভাগত সোনকালেই অনাৰ্চ খোলাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা দাবী আহিবলৈ ধৰে। এই দাবীলৈ সঁহাৰি দি ১৯৭৯ চনত স্নাতক পৰ্যায়ৰ অনাৰ্চ আৰম্ভ কৰে। সেই বছৰটোতে বিভা গোস্বামীয়ে প্ৰৱক্তা হিচাপে যোগদান কৰে। পিছলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে এম. ফিল. আৰু পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। নগাঁও কলেজত চাকৰি কৰি থকা অৱস্থাতে বহু প্ৰৱক্তাই পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছে যদিও বিভা গোস্বামীয়ে এম. ফিল. আৰু পি.এইচ.ডি. ডিগ্ৰী লোৱাৰ ক্ষেত্ৰত বিভাগ আৰু কলেজত বাটকটীয়া বুলিব পাৰি। অনাৰ্চৰ আসনৰ সংখ্যা প্ৰথমে ১০ আছিল যদিও পিছলৈ প্ৰয়োজনীয়তাৰ আধাৰত এই সংখ্যা ৩০ লৈ বৃদ্ধি কৰা হয়। অনাৰ্চৰ আসনৰ ক্ষেত্ৰত ৰসায়ন, পদাৰ্থবিদ্যা আদিতো আৰম্ভণিতে কেৱল ৫/৬ জনকহে

অনাৰ্চ ল'বলৈ দিয়াৰ বিপৰীতে সময় আগবঢ়াৰ লগে লগে ৪০/৫০ জনে একোটা বিষয়ত অনাৰ্চ ল'ব পৰা হ'লগৈ। প্ৰথমৰ ফালে সকলো বিষয়তে অনাৰ্চ ল'বলৈ ছাত্ৰ-ছাত্ৰীয়ে সাহস কৰা নাছিল, পাঠ্যক্ৰমৰ আৰম্ভণিতে বহুতেই অনাৰ্চ ল'লেও পিছত লাহে লাহে এইবোৰৰ পৰা আঁতৰি আহিছিল। যেনে ১৯৬৮ চনত ৰসায়নত প্ৰথমে ১৪ জনে অনাৰ্চ লৈছিল, ঘোষিত আসনৰ সংখ্যা আছিল মাত্ৰ ৬। অধ্যাপকসকলেও জানিছিল যে আৰম্ভণিৰ সংখ্যাটো পিছলৈ নেথাকেগৈ। সেইবছৰ ৰসায়নৰ ক্ষেত্ৰত চূড়ান্ত পৰীক্ষাত মাত্ৰ চাৰিজনহে অৱতীৰ্ণ হৈছিল ১৯৭১ চনত।

প্ৰাণীবিজ্ঞান বিভাগত বিভা গোস্বামীৰ পিছত যোগদান কৰা প্ৰৱক্তাসকল হ'ল - ললিত গগৈ, ললিত মোহন গোস্বামী, ভুবন চন্দ্ৰ চুতীয়া, জ্যোতিস্মিতা দাস আৰু প্ৰিয়াংকী শৰ্মা।

নগাঁও কলেজে বিজ্ঞানৰ যাত্ৰা আৰম্ভ কৰাৰ ১৮ বছৰৰ পিছত ১৯৭১ চনত পৰিসংখ্যা বিভাগ আৰম্ভ হয়। প্ৰথমজন প্ৰৱক্তা যদুনাথ শইকীয়া, তাৰ পাছত ক্ৰমে নিৰ্মল কুমাৰ গগৈ, প্ৰবীণ বৰা, দিপালী দেৱী, বিদ্যুত দাস আৰু পিংকী বৰুৱা।

২০০৭ চনত এই লিখকৰ উদ্যোগতেই জৈৱ প্ৰযুক্তিবিদ্যা নামৰ নতুন যুগৰ বিভাগটোৰ আৰম্ভ কৰা হৈছিল। বিভাগটোত চৰকাৰৰ অনুমোদিত প্ৰৱক্তা পদ নথকাৰ বাবে কলেজৰ ধনেৰে প্ৰৱক্তা নিযুক্তি দিয়া হৈছে। উদ্ভিদ বিজ্ঞানৰ অধ্যাপক কৃষ্ণকান্ত মেধি আৰু ফৰিস্তা য়াচমিনৰ তত্বাৱধানত বিভাগটোত প্ৰথমে সংগীতা দাস আৰু বৰ্তমান সুকন্যা বৰুৱাই কাৰ্যনিৰ্বাহ কৰি আছে। কলেজৰ কেন্দ্ৰীয় পুথিভৰালৰ তৃতীয় মহলাত ইউ.জি.চি.ৰ ধনেৰে উন্নত মানৰ সা-সঁজুলি সমৃদ্ধ এটি পৰীক্ষাগাৰ আৰু বিভাগীয় কোঠা আছে। বৰ্তমানলৈ মেজৰ বা অনাৰ্চ বিষয় খোলা হোৱা নাই এই বিভাগত।

বিজ্ঞানৰ বিষয়বোৰৰ লগত পৰীক্ষাগাৰ সংলগ্ন হৈ থাকে, এইবোৰত কাম কৰিবলৈ তৃতীয় আৰু সাধাৰণতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী লাগে। নগাঁও কলেজৰ ২২টা অনুমোদিত চতুৰ্থ শ্ৰেণীৰ পদৰ ভিতৰত ১৬ টাই বিয়েৰাৰ পদ। আৰম্ভণি কালত অনাশিক্ষক কৰ্মচাৰীসকলৰ বিজ্ঞানৰ বিভাগবোৰত বাৰুকৈয়ে গুৰুত্ব আছিল, কাৰণ প্ৰথম অৱস্থাত শিক্ষকৰ অভাৱৰ বাবে বিয়েৰাৰসকলেও প্ৰেক্টিকেলৰ কামত প্ৰায় সহায় কৰিছিল। এতিয়া অৱশ্যে সামগ্ৰী যোগানতেই তেওঁলোকৰ দায়িত্ব শেষ। সি যি কি নহওক বিজ্ঞান শিক্ষাৰ প্ৰসাৰত এই সকলৰ অৰিহণাও অনস্বীকাৰ্য, বিশেষকৈ

আৰম্ভণিৰ কৰ্মীসকলৰ কাম-কাজ বহুতেই শ্ৰদ্ধাৰে সোঁৱৰে।

পদাৰ্থ বিজ্ঞান বিভাগত প্ৰথমৰ ফালৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আছিল - ৰামকুমাৰ ৰবিদাস, প্ৰেমেশ্বৰ শইকীয়া আৰু অৰ্পণ কলিতা। দ্বিতীয় আৰু তৃতীয় খেপৰ সকল হ'ল - যুগল চন্দ্ৰ দাস, আব্দুল আজিজ আনচাৰী, উপানন্দ ৰাজখোৱা, পদুমী বৰদলৈ ইত্যাদি। সেইদৰে ৰসায়ন বিভাগত তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী মানস বৈশ্য আছিল। আৰম্ভণিৰ প্ৰথম দুজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল - প্ৰিয় শইকীয়া আৰু স্বামীনাথন। এই দুজনে প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ ব্যৱহাৰিক শিক্ষাও দিব পাৰিছিল ছাত্ৰ-ছাত্ৰীক। দ্বিতীয় খেপৰ এনে কৰ্মচাৰী আছিল পূৰ্ণকান্ত শইকীয়া, নিৰ্মল শইকীয়া, কাতিৰাম শইকীয়া, অজিত শইকীয়া আদি।

উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথম খেপৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আছিল ফণী শইকীয়া, হেমকান্ত বৰা আৰু ৰজনী কান্ত বৰা। এওঁলোকেও প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক প্ৰথম অৱস্থাত শিকাইছিল। পিছৰ খেপত অশোক ৰবিদাস, নগেন ৰবিদাস, চাহাদুল ইছলাম, ফটচন ডেকা, পদুমী দেৱী আদিৰ নাম ল'ব পাৰি। প্ৰাণীবিজ্ঞান বিভাগত প্ৰথমে খুমন শইকীয়াই অকলেই বহু দিনলৈ দায়িত্ব পালন কৰিছিল। তাৰ পাছত উপেন বৰুৱা আৰু সৰুল'ৰা কেওটে দ্বিতীয় খেপত যোগদান কৰিছিল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে। তৃতীয় খেপত ধৰ্মেশ্বৰ শইকীয়া, নন্দলাল ৰবিদাস আৰু প্ৰণৱ শইকীয়াই দায়িত্ব লৈছিল।

পৰিসংখ্যা বিভাগত নিত্যানন্দ শইকীয়া আৰু পিছত ৰঞ্জিত শইকীয়া চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হৈছিল। ভূগোল বিজ্ঞান বিভাগত ৰজনী বৈশ্যই প্ৰথমে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে যোগ দিছিল। পিছত তেওঁ তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী হিচাপে পদোন্নতি লৈ কাৰ্যালয়লৈ আহে। বিভাগটোৰ অন্য কেইগৰাকীমান চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হৈছে তুৰাৰাম শইকীয়া, পূৰ্ণ শইকীয়া, ৰাজীৱ পাটৰ আৰু সৰ্বানন্দ শইকীয়া। সৰ্বানন্দই পিছত তৃতীয় শ্ৰেণীৰ পদলৈ পদোন্নতি পাইছিল। এইবোৰৰ লগতে অনিচ্ছাকৃত ভাৱে বৈ যোৱা আৰু কিছু কৰ্মচাৰী থাকিব পাৰে, বিশেষকৈ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলক অধ্যক্ষই সঘনে দৰকাৰ অনুসাৰে সালসলনি কৰি থকাৰ বাবে কম সময় কাম কৰা কাৰোবাৰ নাম বাদ পৰিব পাৰে।

আন এটা উল্লেখনীয় কথা হ'ল নগাঁও কলেজৰ আৰম্ভণিৰে পৰাই কলা, বিজ্ঞান আৰু বাণিজ্যৰ প্ৰতিটো বিভাগতে ভালেসংখ্যক প্ৰৱক্তাক অস্থায়ী, অংশকালীন

বা অন্য ধৰণে নিয়োগ কৰা হয়। কেৱল বিজ্ঞানৰ বিষয়কেইটাতে বৰ্তমান এনে শিক্ষকৰ সংখ্যা প্ৰতি বছৰে কমেও দহজন হয়। আৰম্ভণিৰে পৰা হিচাপ কৰিলে কলেজত বিজ্ঞান বিভাগত কাম কৰা শিক্ষকৰ সংখ্যা পাঁচ শতাধিক হ'বগৈ। এইসকলৰ নামোল্লেখ কৰা হোৱা নাই।

সৰ্বভাৰতীয় পৰ্যায়ৰ লগত মিলাই অসমতো শিক্ষা ব্যৱস্থা চলি থাকে। পুৰণি পদ্ধতিমতে স্কুলৰ পৰ্যায়ত মেট্ৰিক বা দশম শ্ৰেণীলৈকে আৰু কলেজৰ পৰ্যায়ত ইন্টাৰমেডিয়েট আৰু স্নাতক শ্ৰেণী। ইন্টাৰমেডিয়েট দুবছৰীয়া আৰু স্নাতক তিনিবছৰীয়া আছিল। সেই পদ্ধতিৰেই নগাঁও কলেজত আই. এ, আই. এচ. চি. আৰু আই. কম. খোলা হৈছিল। স্নাতক পৰ্যায়ত আছিল বি.এ., বি. এচ. চি. আৰু বি. কম.। ১৯৫৯ চনত একাদশ শ্ৰেণীলৈ উচ্চতৰ মাধ্যমিক পৰ্যায় প্ৰৱৰ্তন কৰা হয়। এনে স্কুলত পঢ়াসকলৰ অষ্টম শ্ৰেণীৰ পৰাই বিজ্ঞান, কলা আৰু বাণিজ্যৰ ভাগ হয় আৰু একাদশ শ্ৰেণীৰ অন্তত এওঁলোকে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা দিয়ে। যিসকলে হাইস্কুলত পঢ়ি মেট্ৰিক দিয়ে, তেওঁলোকে এবছৰীয়া প্ৰাক-বিশ্ববিদ্যালয় (পি. ইউ.) শ্ৰেণী গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজত পঢ়ে, আনহাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজত মেট্ৰিক পাছ কৰাৰ পাছত প্ৰি. ডিগ্ৰী পঢ়ে। অৰ্থাৎ স্নাতক পৰ্যায়ত সুমোৱাৰ আগতে তিনিধৰণৰ পৰীক্ষা বেলেগ বেলেগ ল'ৰা-ছোৱালীয়ে দিয়ে-অসম চৰকাৰৰ ব'ৰ্ডৰ অধীনত একাদশ শ্ৰেণীৰ উচ্চতৰ মাধ্যমিক পৰীক্ষা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পি. ইউ. আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত প্ৰি. ডিগ্ৰী পৰীক্ষা। তাৰ পাছত স্নাতক পৰ্যায়ত সাধাৰণ স্নাতক, অভিযান্ত্ৰিক পাঠ্যক্ৰম, চিকিৎসা পাঠ্যক্ৰম, পশু চিকিৎসা পাঠ্যক্ৰম আদি পঢ়ে। সেই হিচাপত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ নগাঁও কলেজত প্ৰাক-বিশ্ববিদ্যালয়ৰ এবছৰীয়া শ্ৰেণী চলিবলৈ ধৰিলে ১৯৬২ চনৰ পৰা। পূৰ্বতে ইন্টাৰমেডিয়েট দুবছৰীয়া আৰু স্নাতকো দুবছৰীয়া আছিল। নতুন ব্যৱস্থাত পি. ইউ. (প্ৰি. ডিগ্ৰী) এবছৰীয়া আৰু স্নাতক তিনিবছৰীয়া হৈছিল। এই ক্ষেত্ৰত স্নাতকত দুবছৰ পঢ়াৰ পাছত প্ৰথম খণ্ড আৰু তৃতীয় বছৰৰ শেষত দ্বিতীয় খণ্ডৰ চূড়ান্ত পৰীক্ষা দিব লগা হৈছিল।

১৯৭২ চনত অসম শিক্ষা সংসদে প্ৰাক-স্নাতক পৰীক্ষাৰ দায়িত্ব লয়। স্কুলবোৰত পুনৰ দশম শ্ৰেণীৰ মেট্ৰিক পৰীক্ষাৰ প্ৰচলন কৰে তাৰ পাছত দুবছৰ হ'ল

উচ্চতৰ মাধ্যমিক স্তৰ। ইয়াৰ শিক্ষা স্নাতক কলেজ, কনিষ্ঠ মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক স্কুলবোৰত চলিবলৈ ধৰিলে যিটো বৰ্তমানো চলি আছে। ইতিমধ্যে ভাৰতৰ অন্য ৰাজ্যবোৰত উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটা স্নাতক কলেজৰ পৰা আঁতৰাই স্নাতক, স্নাতকোত্তৰ আদি স্তৰবোৰ ইউ.জি.চি.য়ে নিয়ন্ত্ৰণ কৰিবলৈ ল'লে, তেওঁলোকে উচ্চতৰ মাধ্যমিক শ্ৰেণীটো স্নাতক কলেজত থকাটো নিবিচাৰে। এই বিষয়লৈ স্নাতক কলেজবোৰৰ যথেষ্ট অসুবিধা হৈছে। উচ্চতৰ মাধ্যমিক দুবছৰীয়া হোৱাৰ পাছত ১৯৮০ চনলৈ স্নাতকো একেবাৰে আৰম্ভণিৰ দৰে দুবছৰীয়া হৈছিল। তাৰ পাছত ইউ. জি.চি.ৰ নিৰ্দেশনাত স্নাতক শ্ৰেণী তিনিবছৰীয়া হ'ল।

ইন্টাৰমিডিয়েট, প্ৰাক-বিশ্ববিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বিৱৰ্তন, স্নাতকৰ দুবছৰীয়া, তিনিবছৰীয়াৰ দুটা খণ্ডৰ পৰীক্ষা, পুনৰ দুবছৰীয়া আৰু শেষত তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ তিনিটা বছেৰেকীয়া বিশ্ববিদ্যালয় পৰীক্ষাৰ পৰিৱৰ্তনবোৰে প্ৰতিখন কলেজৰ লগতে নগাঁও কলেজৰ শিক্ষাৰ বিৱৰ্তনতো যথেষ্ট প্ৰভাৱ পেলাইছিল। ২০১১ চনৰ পৰা যান্মাষিক ব্যৱস্থাৰ প্ৰৱৰ্তন হ'ল য'ত প্ৰতি ছমাহত একোটা বিশ্ববিদ্যালয়ৰ পৰীক্ষা দি ছটা যান্মাষিকত ডিগ্ৰী লাভ কৰাৰ ব্যৱস্থা হ'ল। ২০১৯ চনত আৰম্ভ হ'ল একেবাৰে নতুন চিবিচিএছ বা চইচ বেচ্‌দ্ ক্ৰেডিট চিষ্টেম পাঠ্যক্ৰম; আগতে বিজ্ঞানৰ তিনিটা মূল বিষয়ৰ এটাত মেজৰ লৈ বাকী দুটা সাধাৰণ পাঠ্যক্ৰম হিচাপে পঢ়িব লাগিছিল। এই ক্ষেত্ৰত তিনিটা বিষয়ৰ একোটা গোট আছিল। নতুন ব্যৱস্থাৰ এনে নিৰ্দিষ্ট গোট নাইকিয়া হ'ল, বিজ্ঞানৰ ছাত্ৰই কলা বা বাণিজ্যৰ বিষয়, একেদৰে সকলোতেই বেলেগ বেলেগ শাখাৰ বিষয় ল'ব পৰা হ'ল। নগাঁও কলেজৰ বিজ্ঞান শাখাটো অতি গতিশীল হৈ থকাৰ কাৰণে চিবিচিএচ পদ্ধতিৰ যথাৰ্থ ৰূপায়ণ এই কলেজত বাৰুকৈয়ে হ'ব, বহু কলেজত পদ্ধতিটো সুচাৰুৰূপে নচলিব।

একেবাৰে আৰম্ভণিৰ পৰা নগাঁও কলেজৰ অন্য কিছুমান বিভাগৰ দৰেই বিজ্ঞান শাখাইও পৰিৱৰ্তনৰ লগত তাল মিলাই আগবাঢ়ি গৈছে। আৰম্ভণি কালত বিজ্ঞান বিষয়ত স্নাতকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ অনাৰ্চ লাভ কৰাটো আছিল স্বপ্নৰ দৰে। পদাৰ্থ বিজ্ঞান বিষয়ৰ অনাৰ্চত আৰতি দাসে প্ৰথমটো দলৰ সদস্য হিচাপে প্ৰথম শ্ৰেণী লাভ কৰাত বিভাগটোৰ লগতে বিজ্ঞানৰ অন্য বিভাগবোৰো উৎসাহিত হৈছিল। অৱশ্যে পদাৰ্থ বিজ্ঞানৰ অনাৰ্চত প্ৰথম শ্ৰেণী পাবলৈ বিভাগটোৱে

পিছত আৰু দহ বছৰ অপেক্ষা কৰিবলগীয়া হৈছিল, পৰাগধৰ শইকীয়াই ১৯৭১ চনত প্ৰথম শ্ৰেণী পাইছিল। সেইদৰে ৰসায়ন বিভাগতো লগে লগেই অনাৰ্চ খোলা হৈছিল যদিও দহবছৰৰ পাছতহে ১৯৭১ চনত এই বিষয়ত দুজনে প্ৰথম শ্ৰেণী পাইছিল। এই লিখক আৰু থানেশ্বৰ শৰ্মাই ৰসায়নত প্ৰথমবাৰৰ বাবে প্ৰথম শ্ৰেণী পাইছিল। ইয়াৰ পাছত চিন্তামণি শৰ্মাৰ যোগেদি প্ৰথম শ্ৰেণী পাবলৈ ৰসায়ন বিভাগে দীঘলীয়া ১৬ বছৰ অপেক্ষা কৰিবলগীয়া হৈছিল। উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথমে মীনাক্ষী শইকীয়াই প্ৰথম শ্ৰেণী পাইছিল। ১৯৭১ চনত ডিষ্টিংশ্যনৰ (৫০ শতাংশ মুঠ নম্বৰৰ অধিক পোৱা) প্ৰথম স্থান পাইছিল নীৰু দেৱীয়ে বিশ্ববিদ্যালয়ৰ ভিতৰত। ১৯৭০ চনত আৰম্ভ কৰা প্ৰাণীবিজ্ঞান বিভাগত সুদীৰ্ঘ ১৪ বছৰৰ মূৰত ওম প্ৰকাশ জাজডিয়াই প্ৰথম শ্ৰেণী অনাৰ্চৰ প্ৰথম স্থান লাভ কৰে। সেইদৰে ভূগোল বিজ্ঞান বিভাগত ১৯৮০ চনত তোযেশ্বৰ নাথে প্ৰথম শ্ৰেণী পায়। এওঁ এই বিভাগতে অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰে।

যোৱাটো শতিকাৰ অষ্টম/নৱম দশকৰ পৰা বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ মেজৰত প্ৰথম শ্ৰেণী পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ ল'লে বাবে আজিকালি ব্যক্তিগত ভাৱে তেনে ছাত্ৰ-ছাত্ৰীৰ নামোল্লেখ কৰাটো অপ্ৰয়োজনীয় হৈ পৰিল। পিছে ১৯৮০ চনমানলৈ এই সংখ্যা তেনেই কম আছিল। কোনোবা বছৰ এজনে প্ৰথম শ্ৰেণী পালেই কলেজ তল-ওপৰ হৈছিল। আৰম্ভণিৰ পৰা ১৯৮০ চনলৈ বোধহয় বিজ্ঞানৰ আটাইকেইঠা বিষয় মিলাই মুঠ পাঁচজনেহে প্ৰথম শ্ৰেণী পাইছিল। ইয়াৰ বিপৰীতে ২০১০ চনমানত (উদাহৰণ স্বৰূপে) বিজ্ঞানৰ প্ৰথম শ্ৰেণীৰ মেজৰ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এবছৰতে আছিল প্ৰায় ৫০ জন। ইয়াৰ অৰ্থ অৱশ্যেই এইটো নহয় যে আগৰসকল মেধাবী নাছিল আৰু এতিয়াৰ ল'ৰা-ছোৱালী অত্যন্ত মেধাবী। প্ৰশ্নৰ বস্তুনিষ্ঠ ধৰণ, পৰীক্ষকৰ মনোভাব, মেজৰ পৰীক্ষাৰ মাজত পোৱা সময়ৰ ব্যৱধান আদি বহুতো কাৰকে নম্বৰ পোৱাৰ হ্ৰাস-বৃদ্ধি নিয়ন্ত্ৰণ কৰে। তথাপিও ক'বই লাগিব যে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ তথা এইবোৰ বিষয়লৈ আগ্ৰহ বৃদ্ধিৰ ক্ষেত্ৰত নগাঁও কলেজৰ বিজ্ঞানৰ বিভাগবোৰে প্ৰভূত অৰিহণা যোগাইছে।

ইউ.জি.চি.ৰ ধাৰণাৰে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত শিক্ষকসকলৰ ব্যক্তিগত শৈক্ষিক মানদণ্ড বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইউ. জি. চি.য়ে দৰমহাৰ নতুন নিৰিখ আগবঢ়োৱাৰ লগতে অধ্যাপকে বিভিন্ন প্ৰশিক্ষণ পাঠ্যক্ৰমত অংশগ্ৰহণ কৰাৰ

নিয়ম কৰা হ'ল। সেইদৰে এম. ফিল., পি. এইচ. ডি. লাভ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হৈছিল। অৱশ্যে অসমৰ কলেজত ইউ.জি.চি.ৰ নিৰিখ সময়মতে নিদিয়া আৰু পদোন্নতিৰ ক্ষেত্ৰতো এম.ফিল., পি.এইচ.ডি.ক অধিক সুবিধা দিলেও তেনে ডিগ্ৰী নথকাসকলেও নিৰ্দিষ্ট সময়ত পদোন্নতি লাভ কৰাৰ ব্যৱস্থা থকাৰ বাবে অন্য বহু কলেজৰ দৰে নগাঁও কলেজৰ শিক্ষকসকলেও উচ্চ ডিগ্ৰী লাভ কৰিবলৈ বৰকৈ চেষ্টা কৰা নাছিল। প্ৰতিযোগিতা বৰকৈ নথকাৰ বাবে অন্য বিষয়ৰ লগতে বিজ্ঞানৰ বিষয়তো পঢ়া-শুনাৰ ক্ষেত্ৰতো কিছু শিথিলতা দেখা গৈছিল-পাঠ্যক্ৰমৰ শিক্ষাৰ বাদে অন্য বিষয়ত ছাত্ৰ-ছাত্ৰীক উদ্‌গনি দিয়াৰ কথাটো বাদেই। ইউ.জি.চি.ৰ নাকৰ পৰিদৰ্শনে অৱস্থাৰ বহুখিনি পৰিৱৰ্তন সাধিলে। ২০০৪ চনৰ নাকৰ প্ৰথম পৰিদৰ্শনত নগাঁও কলেজে কোনোমতেহে পঞ্চম স্তৰৰ বি+ গ্ৰেড পাইছিল। অসমৰ একমাত্ৰ কটন কলেজে 'এ' গ্ৰেড পোৱাৰ বিপৰীতে সাতখন কলেজে চতুৰ্থ গ্ৰেড বি++ পাইছিল, তাৰ ভিতৰত নগাঁও কলেজ নাছিল।

ডক্টৰেট ডিগ্ৰীকে এটা উদাহৰণ হিচাপে লোৱা যাওক। বিজ্ঞানৰ ৰসায়ন, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণীবিজ্ঞান, ভূগোল, পৰিসংখ্যা আৰু গণিত - এই সাতোটা বিভাগৰ ৩৪ জন অনুমোদিত অধ্যাপকৰ ভিতৰত ২০০৫ চনলৈকে ডক্টৰেট ডিগ্ৰীধাৰীৰ সংখ্যা আছিল মাত্ৰ দুজন। ইয়াৰ বিপৰীতে পিছৰ দহবছৰত বিভাগ সাতোটাত ডক্টৰেট ডিগ্ৰীধাৰীৰ সংখ্যা বৃদ্ধি পালে ২১ গৰাকীলৈ। নতুনকৈ যোগ দিয়া কেবাজনৰো আৰম্ভণিতেই এই ডিগ্ৰী আছিল যদিও ১০/১২ জনে শিক্ষকতা কৰি থকা সময়তেই ডক্টৰেট ডিগ্ৰী লৈছিল। বিজ্ঞান বিষয়ত ডক্টৰেট ল'বলৈ পৰীক্ষাগাৰত কাম কৰাটো বাধ্যতামূলক আছিল তথা কলেজৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাটোও সহজ নাছিল। পিছে এই লিখক অধ্যক্ষ হৈ থকা কালত (২০০৪-২০১১) সকলো বিষয়ৰে ডক্টৰেট ল'ব খোজাসকলক নিয়মত আঘাত নকৰাকৈ গৱেষণাৰ সুবিধা কৰি দিয়া হৈছিল। বিজ্ঞানৰ ক্ষেত্ৰত এয়া আছিল উল্লেখযোগ্য বিষয়। ব্যক্তিগত পাৰদৰ্শিতা বৃদ্ধিৰ ক্ষেত্ৰত বিজ্ঞানৰ শিক্ষকসকলে আগভাগ লৈছিল আৰু ইয়াৰ ফলত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ অধিক বিস্তৃত হৈছিল।

এনেদৰে ডক্টৰেট ডিগ্ৰী লোৱাৰ ক্ষেত্ৰত ৰসায়নৰ ৭ জন অধ্যাপক আৰু উদ্ভিদ বিজ্ঞানৰ ৬ জনৰ আটাইকেইজনে, প্ৰাণীবিজ্ঞানৰ পাঁচজনৰ চাৰিজনে, ভূগোলৰ ৫ জনৰ ৩ জনে (পূৰ্বৰ এজন), পদাৰ্থ বিজ্ঞানৰ ৫ গৰাকীৰ দুগৰাকী আছিল। গণিত

আৰু পৰিসংখ্যা বিজ্ঞান এই ক্ষেত্ৰত শূন্য। বিভাগ দুটা এই বিষয়ত পিছ পৰি আছে।

পূৰ্বৰ তুলনাত ইউ.জি.চি.য়ে কলেজবোৰলৈ অধিক ধন মঞ্জুৰ কৰাত সকলোৰে লগতে নগাঁও কলেজৰ আন্তঃগাঁথনিক চেহেৰাৰো অভূতপূৰ্ব ধনাত্মক পৰিৱৰ্তন ঘটিছিল। বিজ্ঞানৰ বিভাগবোৰে নতুন সময়ৰ আহ্বানত দ্রুতগতিত খোজ পেলাই বিজ্ঞান শিক্ষাৰ উত্তৰণত ব্যাপকভাৱে সহায় কৰিবলৈ ল'লে। ইউ.জি.চি. আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যা বিভাগৰ লগতে অন্য উৎসৰ পৰা কলেজে ধন লাভ কৰি বিজ্ঞানৰ বিভাগবোৰ চকুতলগা কৰি তুলিলে। এই ক্ষেত্ৰত নাকৰ দ্বিতীয় পৰিদৰ্শনত কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। ৰসায়ন, প্ৰাণবিজ্ঞান, উদ্ভিদবিজ্ঞান আদি বিভাগত বহুতো উন্নতি হৈছে বুলি আৰম্ভণিতে অধ্যক্ষৰ ভাষণত উল্লেখ কৰোতে পৰিদৰ্শকদলে বৰকৈ বিশ্বাস কৰা নাছিল। পিছত তেওঁলোকে বিভাগবোৰ পৰিদৰ্শন কৰি মন্তব্য কৰিলে যে নগাঁও কলেজে বিজ্ঞানৰ ক্ষেত্ৰত উন্নতিৰ সঠিক দিশতেই আগবাঢ়িছে। ইয়াৰ বাবে নাকে কলেজখনক কেৱল 'এ' গ্ৰেড দিয়াই নহয়, নম্বৰৰ ভিত্তিত নগাঁও কলেজক অসমৰ ভিতৰত কটনৰ পিছতেই দুই নম্বৰ স্থানলৈ আগুৱাই দিলে। প্ৰথম পৰিদৰ্শনত নগাঁও কলেজৰ স্থান আছিল অসমৰ কলেজসমূহৰ ভিতৰত ডেৰকুৰিৰো পিছৰ ফালেহে। নাকৰ পৰিদৰ্শনত এই অভূতপূৰ্ব উত্তৰণত বিজ্ঞানৰ বিভাগবোৰৰ বিশেষ অৰিহণা আছে।

বিজ্ঞান বিভাগৰ সফল উত্তৰণৰ চক্ৰ ২০১২ চনত ডঃ শৰৎ বৰকটকীয়ে অধ্যক্ষৰ দায়িত্ব লোৱাৰ পাছতো তীব্ৰগতিৰে চলিবলৈ ধৰিলে। ২০১১ চনৰ আগতেই উদ্ভিদ বিজ্ঞান আৰু ৰসায়ন বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ বাবে যাৱতীয় অনুমতি তথা লাগতিয়াল ভৱন আদিৰ ব্যৱস্থাৰ শুভাৰম্ভ হৈছিল। তাৰ পাছত দুয়োটা বিভাগতে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হ'ল। প্ৰাণীবিজ্ঞান বিভাগেও একে পথেৰেই বাট বুলিলে। এতিয়া এই তিনিওটা বিষয়ত পূৰ্ণোদ্যমে স্নাতকোত্তৰ শ্ৰেণী চলি আছে, এইবোৰত নামভৰ্তি কৰিবলৈ বাৰুকৈয়ে প্ৰতিযোগিতা চলিছে আৰু ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ লগতে সমুখৰ আসনবোৰো লাভ কৰিছে।

উল্লেখনীয় কথাটো হ'ল এতিয়া বিজ্ঞানৰ তিনিওটা বিভাগ- ৰসায়ন, পদাৰ্থ বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞানৰ লগতে ভূগোল বিজ্ঞান বিভাগতো পূৰ্ণোদ্যমে গৱেষণা চলিছে যিবোৰৰ গাইড হ'ল কলেজৰ অধ্যাপকসকল আৰু অধ্যক্ষ শৰৎ বৰকটকী। গৱেষণা প্ৰদৰ্শক সকল হ'ল – ফাৰিস্তা য়াচমিন, বলীন ভূঞা, শৰৎ বৰকটকী, ভুৱন

চুতীয়া, লক্ষ্যজোতি বৰঠাকুৰ, পৰীক্ষিত গগৈ ইত্যাদি।

বৰ্তমান কলেজখনত ডক্তৰেট ডিগ্ৰীধাৰীৰ সংখ্যা বহুত বেছি বাবে কাৰো নামৰ আগত ‘ডঃ’অভিধা এই লিখনিত ব্যৱহাৰ কৰা নাই। এইসকল গাইডে ইতিমধ্যে ভালে সংখ্যক পি.এইচ.ডি. উলিয়াইছে আৰু বুজন সংখ্যকে নগাঁও কলেজৰ পৰীক্ষাগাৰতে গৱেষণা কাৰ্য চলাই নিছে। ফাৰিস্তা য়াচমিনে ২০০৮ চন মানৰ পৰাই জৈৱ-প্ৰযুক্তিবিদ্যাৰ ওপৰত বিশেষ গৱেষণা আৰম্ভ কৰি কলেজৰ জৈৱ-প্ৰযুক্তিবিদ্যা বিভাগ সমৃদ্ধ কৰাৰ লগতে এই বিষয়ত কলেজতে আচুতীয়া গৱেষণাগাৰত কাম চলাই আছে। ৰসায়ন বিভাগৰ লক্ষ্যজোতি বৰঠাকুৰেও গৱেষণা কাৰ্যত বিশেষ অৰিহণা যোগাইছে। আন্তঃ ৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় স্তৰত নাম আৰ্জিবলৈ সক্ষম হোৱা সফল গৱেষক হৈছে প্ৰাণীবিজ্ঞান বিভাগৰ ভুৱন চুতীয়া। এড়ী, মুগা, পাট আদিৰ পলুৰ ওপৰত কৰা গৱেষণাই কলেজখনৰ মানদণ্ড ওপৰলৈ তুলিছে। ফাৰিস্তা য়াচমিন, ভুৱন চুতীয়া আদিয়ে গুৰু গৱেষণা প্ৰকল্পৰ বাবে ইউ.জি.চি.ৰ পৰা কোটি টকাৰ লেখত অনুদান পাইছে। বিজ্ঞানৰ প্ৰায় প্ৰতিজন অধ্যাপকেই এতিয়া লঘু গৱেষণা প্ৰকল্পৰ বাবে ইউ.জি.চি. আৰু বিভিন্ন উৎসৰ পৰা অনুদান লাভ কৰিছে। প্ৰতি বছৰেই যথেষ্ট সংখ্যক গৱেষণা পত্ৰ সকলো অধ্যাপকে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় মানৰ গৱেষণা পত্ৰিকাত প্ৰকাশ কৰি কলেজৰ মানদণ্ড উন্নত কৰিছে। ডক্তৰেট ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰী উলিওৱাৰ ক্ষেত্ৰত অধ্যক্ষ শৰৎ বৰকটকীয়ে বাট মুকলি কৰে।

বিজ্ঞান শাখাৰ পৰীক্ষাগাৰবোৰ অতি উন্নত যন্ত্ৰপাতিৰে সমৃদ্ধ হৈছে। এই লিখকৰ দিনতে বিভাগবোৰত নতুন যন্ত্ৰপাতি আনি নবীকৰণ কৰা হৈছিল। এইবোৰ ক্ষেত্ৰত বলীন কুমাৰ ভূঞা, শৰৎ বৰকটকী আদিৰ অৰিহণা উল্লেখনীয়। বিজ্ঞান বিভাগ সমৃদ্ধিকৰণ কাৰ্য অধ্যক্ষ হিচাপে শৰৎ বৰকটকীয়েও কৃতিত্বৰে আগবঢ়াই নিছে। প্ৰতিটো বিভাগতে এল.ই.ডি. প্ৰজেক্টৰ, ডিজিটেল ক্লাচৰুম, কম্পিউটাৰ আছে; আচুতীয়া কম্পিউটাৰ পৰীক্ষাগাৰ, সেউজ গৃহ আদি বাহ্যিক সজ্জিত কৰণৰ লগতে স্নাতকোত্তৰ শ্ৰেণী থকা বিভাগ তিনিটাত গৱেষণা কৰিব পৰাকৈ যন্ত্ৰপাতি আৰু আহিলাৰ ব্যৱস্থা কৰা হৈছে। এটা সময়ত এশ টকা দামৰ ‘কিপ্চ’ যন্ত্ৰ নথকাৰ বাবে ৰসায়নৰ ব্যৱহাৰিক শ্ৰেণী বন্ধ ৰাখিবলগা হৈছিল যোৱাটো শতিকাৰ অষ্টম দশকত। ইয়াৰ বিপৰীতে এতিয়া বিভাগবোৰ লাখ লাখ টকীয়া যন্ত্ৰ-পাতিৰে সমৃদ্ধ। শিক্ষকৰ কোঠাবোৰ শীত-তাপ নিয়ন্ত্ৰিত। প্ৰাণীবিজ্ঞান বিভাগত বিপুল কটকী, বিভা

গোস্বামী, ললিত গগৈ আদিৰ তৎপৰতাত নিজা গৱেষণা পৰীক্ষাগাৰ হৈছে।

২০০৬ চনৰ ৪ ফেব্ৰুৱাৰীত লণ্ডন বিশ্ববিদ্যালয়ৰ এচ.আৰ. মিলিগানে প্ৰাণীবিজ্ঞান বিভাগৰ তৎপৰতাত এখন বিশেষ আলোচনা চক্ৰৰ আয়োজন কৰে। ইয়াৰ পাছত প্ৰতি বছৰেই দেশ-বিদেশৰ বিশিষ্ট বিজ্ঞানীয়ে কলেজখনত বিভিন্ন অনুষ্ঠানত যোগদান কৰিবলৈ লৈছে। ইয়াৰ যোগেদি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী বিশেষভাৱে উপকৃত হৈছে।

নগাঁও কলেজত ফেচন ডিজাইনিঙৰ বিভিন্ন পাঠ্যক্ৰম, কম্পিউটাৰ এপ্লিকেচন, মাছৰুম কাল্টিভেচন আদি সহযোগী পাঠ্যক্ৰমৰ যোগেদি ডিপ্লমা চাৰ্টিফিকেট আদি দিয়া হয়। এনেবোৰ পাঠ্যক্ৰম ইউ.জি.চি.ৰ ধনেৰে পৰিচালিত হয়।

নগাঁও কলেজত প্ৰথমে আই.এচ.চি. আৰম্ভ হোৱাৰ পাছত যেনেকৈ এই পৰীক্ষাত উত্তীৰ্ণ হোৱাসকল ডাক্তৰ, ইঞ্জিনিয়াৰ আদি হৈছিল তেনেকৈ সেই পৰম্পৰা ৰক্ষা কৰি পি. ইউ. আৰু পাছত দুবছৰীয়া উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত উত্তীৰ্ণ হৈ এতিয়ালৈকে সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক মহাবিদ্যালয়, পশু চিকিৎসা, কৃষিবিজ্ঞান আদিৰ লগতে বিজ্ঞান সম্বন্ধীয় পাঠ্যক্ৰম অধ্যয়ন কৰিছে আৰু পিছৰ জীৱনত সুখ্যাতিৰে নিজৰ তথা সমাজ জীৱনলৈ অৰিহণা যোগাইছে। সেইদৰে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বিজ্ঞান শাখাত নগাঁও কলেজৰ পৰাই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈ জীৱন যুঁজত ব্ৰতী হৈছে আৰু যথেষ্ট সুনামো অৰ্জন কৰিছে। এনে সুনাম কেৱল বিজ্ঞানৰ বিষয়তে নহয়, অসামৰিক সেৱা, সামৰিক সেৱা আদিতো তেওঁলোকে নগাঁও কলেজৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে।

সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি দি নগাঁও কলেজে অতি সোনকালেই স্বনিয়ন্ত্ৰিত বা অট'নমাচ মহাবিদ্যালয়ৰ স্বীকৃতি পাবলৈ আগবাঢ়ি গৈছে। এনে মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱাসকলৰ ওপৰত নিয়োগকৰ্তা তথা ৰাইজৰ আস্থা থাকিলেহে স্বনিয়ন্ত্ৰনৰ যথাৰ্থতা আহিব। মহাৰজত জয়ন্তী উদ্‌যাপিত কৰিব পৰাকৈ অভিজ্ঞতা অৰ্জন কৰা মহাবিদ্যালয়খনৰ ক্ৰমাগত উন্নতি তথা বিজ্ঞানৰ বিষয়বোৰত যোৱা ১৫টা মান বছৰত হোৱা অভূতপূৰ্ব উত্থানে ৰাইজৰ আস্থা কলেজখনৰ প্ৰতি আছে বুলি ইতিমধ্যে প্ৰমাণ কৰিছে। নাকৰ তৃতীয় মূল্যায়ণতো কলেজখনে দ্বিতীয় মূল্যায়ণৰ দৰেই কটনৰ পিছতেই অসমৰ কলেজবোৰৰ ভিতৰত দ্বিতীয় স্থান অক্ষুন্ন

ৰাখিছে আৰু এই ক্ষেত্ৰতো কলেজখনৰ বিজ্ঞান বিভাগৰ বিশেষ অৰিহণা আছে।

আশা কৰা হৈছে যে নগাঁও কলেজে এসময়ত শতাব্দী আৰু দ্বিশতাব্দী সমাৰোহো অনুষ্ঠিত কৰিবলৈ সক্ষম হ'ব। বৰ্তমানৰ উন্নতিতকৈ অধিক বেগেৰে কলেজখন আগবাঢ়ক, বিজ্ঞানৰ নতুন আৱিষ্কাৰত নগাঁও কলেজৰো নাম সন্নিবিষ্ট হওক-এয়ে কামনা। ১৯৫৩ চনত বিজ্ঞান শাখাই জন্মলাভ কৰি যি আশাৰ সঞ্চাৰ কৰিছিল, সেই আশা ফলৱতী হৈছে আৰু ভৱিষ্যতেও ৰাইজৰ আশা পূৰণ কৰি থাকিব নগাঁও কলেজৰ বিজ্ঞান শাখাই।

(লিখনিটো যুগুত কৰোতে প্ৰাক্তন উপাধ্যক্ষ বিপুল কটকীৰ লগতে বলীন ভূঞা, হলি হাজৰিকা, শিৱ চহৰীয়া, পুলিন বৰা, লক্ষ্যজ্যোতি বৰঠাকুৰ আদিয়ে কিছু তথ্য পাতি দি সহায় কৰিছে। তেওঁলোকলৈ ধন্যবাদ জনাইছোঁ। কলেজৰ বিজ্ঞান শাখাৰ লগত জড়িত কিছু শিক্ষক আৰু অন্যলোকৰ নাম হয়তো অসাৱধানবশতঃ বাদ পৰি গৈছে; ইয়াৰ বাবে এই লিখক ক্ষমাপ্ৰাৰ্থী। সেইদৰে বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণত কলেজখনৰ ভূমিকাৰ কিবা দৰকাৰী দিশো হয়তো লিখকৰ অজ্ঞতাৰ বাবে অনুল্লেখিত হৈ ৰ'ব পাৰে। তাৰ বাবেও লিখকে ক্ষমা প্ৰাৰ্থনা কৰিছে।)

---

লেখকৰ পৰিচয় ঃ নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন ছাত্ৰ, গ্ৰন্থাকাৰ, চিন্তাশীল লেখক।

# বুৰঞ্জীৰ এখিলা পাত ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়োগক নগাঁও মহাবিদ্যালয়ৰ এক শিকনি

আলোক গোস্বামী

ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয় বিগত ৭৫ টা বছৰত বহুবাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে কিন্তু এটা বিশেষ গোচৰ নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জীত চিৰস্মৰণীয় হৈ থাকিব। ২০১৪ চনত ভাৰতবৰ্ষৰ মুখ্য নিৰ্ব্বাচনী আয়ুক্তৰ বিৰুদ্ধে নগাঁও মহাবিদ্যালয়ে এখন "ৰীট" আবেদন কৰি এটা গোচৰ তৰিছিল। সেই গোচৰটোত ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠানসমূহ নিৰ্ব্বাচনী আয়োগে অধিগ্ৰহণৰ পৰা বিৰত থকা উচিত বুলি উল্লেখ আহিল আৰু লগতে ২০১৪ চনত অনুষ্ঠিত হ'ব লগা লোকসভা নিৰ্ব্বাচনত নিৰ্ব্বাচনী আয়োগে যাতে নগাঁও মহাবিদ্যালয়ক অধিগ্ৰহণ কৰাৰ পৰা বিৰত থাকে। উচ্চন্যায়ালয়ৰ সন্মানীয় ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই নগাঁও মহাবিদ্যালয়ৰ ৰীট আবেদনৰ সপক্ষে প্ৰদান কৰা ৰায় ইতিমধ্যে ভাৰতবৰ্ষৰ আগশাৰীৰ আইনজ্ঞ সকলে একমুখে সন্তুষ্টি প্ৰকাশ কৰি দেশৰ বিভিন্ন স্থানৰ শিক্ষা প্ৰতিষ্ঠান সমূহক উক্ত ৰায়ৰ নিৰ্দ্দেশাৱলী উল্লেখ কৰি নিৰ্ব্বাচনী আয়োগক শিক্ষানুষ্ঠান সমূহ অধিগ্ৰহণত অনুৰূপ ৰায় দ্বাৰা বাধা প্ৰদান কৰি সকাহ দিবলৈ সক্ষম হৈছে। এই গোচৰৰ ৰায় ভাৰতবৰ্ষৰ আইনৰ বুৰঞ্জীত সোণালী আখৰেৰে লিপিবদ্ধ হৈছে। তদুপৰি বৰ্তমান সময়ৰ -- 'গ'গুল' ইণ্টাৰনেটত উক্ত গোচৰৰ ৰায় উপলব্ধ হৈ আছে। College requisition Election Commission of India. WP(C) No1381/2014 Gauhati High Court.

নগাঁও মহাবিদ্যালয়ে ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়োগৰ বিৰুদ্ধে কিয় গোচৰ কৰিবলগা হ'ল তাৰো এক ইতিহাস আছে। নগাঁও জিলাৰ উপায়ুক্ত মহোদয়ে অসমৰ বিধান সভা, পঞ্চায়ত, নগাঁও পৌৰসভাকে ধৰি প্ৰায়বোৰ নিৰ্ব্বাচনৰ কামত নগাঁও

মহাবিদ্যালয়ৰ কোঠা আৰু হ'ল ঘৰ অধিগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ পঢ়াশুনাত ব্যাঘাত জন্মায় এক তিক্ত পৰিবেশৰ সৃষ্টি কৰি আহিছিল। মহাবিদ্যালয় খনৰ অধ্যক্ষ, শিক্ষক গোটে বাৰংবাৰ অনুৰোধ জনাই অহাৰ পিচতো নগাঁও মহাবিদ্যালয়ক অধিগ্ৰহণৰ পৰা বাদ দিয়া নাছিল। অধিগ্ৰহণ কৰি প্ৰায় ৪০/৪৫ দিন মহাবিদ্যালয়খনৰ শ্ৰেণী কোঠা সমূহ নিৰ্ব্বাচনৰ কামত ব্যৱহাৰ কৰি অহাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। পাঠদান ব্যাঘাত হোৱাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকলো বৰকৈ অসন্তুষ্ট আছিল। তেনে এক সন্ধিক্ষণত ২০১৪ চনৰ লোকসভাৰ নিৰ্ব্বাচনৰ দিন ফেব্ৰুৱাৰী মাহত ঘোষণা কৰিছিল। নিৰ্ব্বাচনৰ দিন ঘোষণা কৰাৰ প্ৰায় লগে লগে নগাঁৱৰ তেতিয়াৰ উপায়ুক্ত ডাঃ পি অশোক বাবু, আই.এ.এছ ডাঙৰীয়াই ইংৰাজী ২৮/০৩/২০১৪ তাৰিখে জাৰি কৰা NE03/2014/90 নম্বৰ অধিসূচনাৰ জড়িয়তে ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়োগৰ কামত নগাঁও মহাবিদ্যালয়ৰ প্ৰায় ২৩ টা শ্ৰেণী কোঠা, হ'ল ঘৰ, খালী ঠাই ইত্যাদি ইংৰাজী ৩১/৩/২০১৪ তাৰিখৰ পৰা ১৮/০৫/২০১৪ তাৰিখলৈ অধিগ্ৰহণ কৰে। নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ইতিপূৰ্ব্বে গ্ৰহণ কৰি ৰখা সিদ্ধান্ত অনুযায়ী উক্ত অধিসূচনা খন মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাবলৈ আগৰে পৰা সাজু হৈ আছিল। নগাঁও জিলা প্ৰশাসন, জিলা নিৰ্ব্বাচনী বিষয়া, ভাৰতৰ মুখ্য নিৰ্ব্বাচনী আয়ুক্ত, অসম চৰকাৰ সকলোকে অবাক কৰি নগাঁও মহাবিদ্যালয়ৰ সেইসময়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীআলোক গোস্বামীয়ে লগে লগে গুৱাহাটী উচ্চ ন্যায়ালয়ত 'ৰীট' আবেদন দাখিল কৰি ভাৰতৰ মুখ্য নিৰ্ব্বাচনী আয়ুক্তক প্ৰত্যাহ্বান জনায়। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত নগাঁও মহাবিদ্যালয়ৰহৈ ভাৰতৰ সৰ্ব্বোচ্চন্যায়ালয়ৰ অধিবক্তা মাননীয় শ্ৰীযুত প্ৰশান্ত কুমাৰ গোস্বামী ডাঙৰীয়া, তেওঁৰ সহায়ক হিচাপে অধিবক্তা শ্ৰীযুত সতেন্দ্ৰ শৰ্ম্মা আৰু অধিবক্তা শ্ৰীযুত তৰুণ কুমাৰ ভূএগাই গুৱাহাটী উচ্চ ন্যায়ালয়ত যুক্তি তৰ্ক আগবঢ়ায় আনহাতে ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়োগৰ হৈ শ্ৰীযুত দেৱশীষ বৰুৱাই নগাঁও মহাবিদ্যালয়ৰ 'ৰীট' আবেদন দেশৰ লোকসভা নিৰ্ব্বাচনৰ স্বাৰ্থত বাতিল কৰিবলৈ যুক্তি তৰ্ক আগবঢ়ায়। প্ৰায় দুটা দিন মাৰ্চ ৩০/৩১, ২০১৪ চন দুয়ো পক্ষৰে যুক্তি-তৰ্ক শুনাৰ পিচত মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ শ্ৰীযুত বিপ্লৱ কুমাৰ শৰ্ম্মাই নগাঁও মহাবিদ্যালয়ৰ শ্ৰেণী কোঠা সমূহ অধিগ্ৰহণ কৰা কাৰ্য তীব্ৰ ভাষাত নিন্দা কৰি অধিসূচনাখন অবৈধ বুলি ৰায় প্ৰদান কৰে। ন্যায়াধীশ গৰাকীয়ে মতপোষণ কৰে যে -- "দেশৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ ক্ষতি নিৰ্ব্বাচনতকৈ অধিক গুৰুত্বপূৰ্ণ" -- এই বিষয়টো নিৰ্ব্বাচনী

আয়োগে সদায় লক্ষ্য ৰখা উচিত। ন্যায়াধীশ শৰ্ম্মাই নগাঁৱৰ উপায়ুক্ত ডাঃ অশোক বাবুক সোঁ-শৰীৰে আদালতত উপস্থিত থাকিবলৈ হুকুম দিয়াত উপায়ুক্তজনো উচ্চ ন্যায়ালয়ত শুনানীৰ সময়ত আদালত কক্ষত উপস্থিত থাকে। ইতিমধ্যে “আদালত বন্ধু” এমিকাছ কিউৰি হিচাপে নিযুক্ত কৰা অধিবক্তা অপূৰ্ব্ব শৰ্ম্মাৰ প্ৰতিবেদনো গ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত অপূৰ্ব্ব শৰ্ম্মা নগাঁও চহৰলৈ আহি ভিডিঅ ৰেকৰ্ডিং কৰি নিৰ্ব্বাচনৰ বাবে আন আন উপযুক্ত স্থান সমূহ আদালতত দাখিল কৰিছিল। আদালতে সকলো পক্ষক শুনি আৰু নথীপত্ৰ সমূহ চাই পতিয়ন যায় যে নগাঁৱৰ উপায়ুক্ত জনে ইচ্ছাকৃত ভাৱে তথ্য বিকৃত কৰি কেৱল নিজৰ ক্ষমতা প্ৰদৰ্শনৰ বাবে নগাঁও মহাবিদ্যালয়ক লক্ষ্য কৰি লৈছিল।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উপৰুক্ত ‘ৰীট’ গোচৰৰ ৰায়ৰ পিচৰ পৰা নগাঁও মহাবিদ্যালয় আজি পৰ্য্যন্ত কোনো নিৰ্ব্বাচনত অধিগ্ৰহণ কৰা নাই। ইয়াৰ ফলত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাৰ উপৰিও মহাবিদ্যালয়খনত আধুনিক পদ্ধতিৰে সজাই-পৰাই তোলা শ্ৰেণী কোঠা সমূহ বৰ্তমান অক্ষত অৱস্থাত আছে। গুৱাহাটী উচ্চন্যায়লৰ এই ৰায় অসম কলেজ শিক্ষক সন্থা, অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ লগতে অসমৰ বিভিন্ন অঞ্চলৰ শিক্ষানুৰাগী জনগণৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

এইখিনিতে এটা কথা উল্লেখ কৰিবই লাগিব যে নগাঁও মহাবিদ্যালয়ৰ হৈ ওকালতি কৰা দেশৰ সৰ্ব্বোচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অসমৰ সু-সন্তান শ্ৰীযুত প্ৰশান্ত কুমাৰ গোস্বামীৰ অৱদান চিৰস্মৰণীয় হৈ ৰ’ব। তেওঁ কোনো পাৰিশ্ৰমিক নোলোৱাকৈ নগাঁও মহাবিদ্যালয়ৰ হৈ উপৰোক্ত গোচৰত ওকালতি কৰাত আমি তেওঁৰ ওচৰত সদায় কৃতজ্ঞ। এই গোচৰৰ ৰায় ভাৰতবৰ্ষৰ নিৰ্ব্বাচনী আয়ুক্তৰ বাবে এক ডাঙৰ শিকনি হ’ল বুলি বিজ্ঞ অধিবক্তা, শিক্ষাবিদ, ছাত্ৰসমাজ আৰু নাগৰিক সমাজে এক মুখে স্বীকাৰ কৰি লৈছে।

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন সভাপতি নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতি আৰু বিশিষ্ট অধিবক্তা।

# সোঁৱৰণীৰ ছাঁ-পোহৰত
# ১৯৭২ ৰ মাধ্যম আন্দোলন আৰু
# নগাঁও মহাবিদ্যালয়

গুণীন্দ্ৰ গায়ন

বাসত্তৰৰ মাধ্যম আন্দোলন বুলিলেই মনলৈ আহে স্বপ্ন-দুঃস্বপ্নৰে ভৰা এছোৱা দীঘলীয়া সময়ৰ কথা। ১৯৬৯ চনত প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীত নাম লগোৱাৰ কেইদিনমানৰ পিছতে আৰম্ভ হৈছিল নগাঁও মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নিযুক্তিৰ দাবী আন্দোলন। প্ৰায় সমান্তৰাল ভাবে আৰম্ভ হৈছিল অসমৰ স্থায়ী ৰাজধানী অসমৰ মধ্যস্থল নগাঁৰত স্থাপনৰ দাবীৰ আন্দোলনো। সময়টো সঠিকভাৱে মনত পেলাব পৰা নাই, যিমানদূৰ মনত পৰে এই দুয়োটা আন্দোলনেই আৰম্ভ হৈছিল নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মজিয়াৰ পৰাই। উল্লেখনীয় যে, তেতিয়া সদৌ অসম ছাত্ৰ সন্থা গঠন হোৱা নাছিল।


নগাঁও মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰ দাবীত আন্দোলন আৰম্ভ কৰিছিল ১৯৬৯-৭০ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাই। সাধাৰণ সম্পাদক আছিল প্ৰবোধ বৰা আৰু আলোচনী সম্পাদক আছিল বীণা বৰবৰা। যদিহে আমাৰ স্মৃতি বিভ্ৰাট হোৱা নাই। উল্লেখনীয় যে, এই আন্দোলনৰ বাবেই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ উৎসৱ উদ্‌যাপন কৰিব পৰা নহ'ল। কাৰণ ! আন্দোলনৰ বাবে ছাত্ৰ একতা সভাখন ভংগ কৰি দিয়া হৈছিল।

স্থায়ী ৰাজধানী দাবীৰ আন্দোলনো আৰম্ভ হৈছিল নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মজিয়াৰ পৰাই। এই আন্দোলনৰ আহ্বায়কদ্বয় আছিলো, দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী আৰু মই। ৰাজধানী দাবী সমিতিৰ গঠন কৰোতে মোহিত

বৰা (নগাঁও মহাবিদ্যালয়ৰ জ্যেষ্ঠ ছাত্ৰ, উল্লেখনীয় যে, মোহিত বৰা কোনো দিনেই ছাত্ৰ একতা সভাৰ নিৰ্বাচিত প্ৰতিনিধি নাছিল; কিন্তু তেওঁ আছিল নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ অবিচ্ছেদ্য অংগ স্বৰূপ।) সভাপতি, আবু শ্বৰিফ (আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক) সম্পাদক, মই আৰু দ্বিজেন্দ্ৰ নাৰায়ণ দেৱগোস্বামী আহবায়ক সাংগঠনিক সম্পাদক। অ-প্ৰাসংগিক যেন লাগিলেও কথাখিনি এই কাৰণেই প্ৰসংগলৈ আনিব লগা সম্ভৱতঃ '৭০ চনৰ ডিচেম্বৰ নে '৭১ চনৰ জানুৱাৰী মাহৰ ত্ৰিছ তাৰিখ, (তাৰিখটো দুই এদিনৰ ইফাল সিফাল হ'ব পাৰে) ভাৰতৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে জুবিলি ফিল্ড (বৰ্তমানৰ নুৰুল আমিন ষ্টেডিয়াম)ত এখন ৰাজহুৱা সভাত ভাষণ দিবলৈ আহিছিল। আৰু সেই সভাতে আমি, সদৌ নগাঁও জিলা ছাত্ৰ সংগ্ৰাম সমিতি (ৰাজধানী দাবী) হৈ মোহিত বৰা, আবু শ্বৰিফ আৰু মই স্বাক্ষৰ কৰা এখন চৈধ্যদফীয়া দাবীৰ স্মাৰক পত্ৰ দিছিলো। ইয়াৰে প্ৰথমটো প্ৰস্তাৱ আছিল, অসমৰ মধ্য স্থানত ৰাজ্যৰ স্থায়ী ৰাজধানী নিৰ্মাণ কৰিব লাগে। দ্বিতীয় দাবী আছিল, কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা ১৯৫০ চনৰ ভাষাৰ ভিত্তিত ৰাজ্যসমূহ গঠন কৰিব লগা আইনখন অসমতো যথাৰ্থ ভাৱে বলবৎ হব লাগে। তৃতীয় প্ৰস্তাৱ আছিল অসমত দ্বিতীয়টো তেল শোধনাগাৰ স্থাপন কৰি (যথা সম্ভৱ শোধনাগাৰ স্থাপনৰ দাবীৰ আন্দোলনটো ১৯৬৮ চন মানৰ পৰাই চলি আছিল।) দেশৰ বৰ্দ্ধিত নিবনুৱা সমস্যা ৰোধ কৰিব লাগে। বাকীবোৰ প্ৰস্তাৱৰ কথা মনত পেলাব পৰা নাই। দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী আৰু আবু শ্বৰিফৰ লগত যোগাযোগ কৰিছোঁ, কথা পাতিছো যদিও প্ৰস্তাৱৰ কাৰ্বন কপি (তেতিয়াৰ সময়ত আজিৰ দৰে জেৰক্স কৰি ৰাখিব পৰা সুবিধা নাছিল)

Nowgong College Magazine, 1971-72

**EDITORIAL BOARD**



Ist Row :–
Sitting from L. to R. :– Prof. Baladev Sarmah, Member, Prof. Mohim Borah (Joint Incharge, College Magazine) Principal Muhiram Saikia, (President), Prof. Md. Saleh (joint Incharge, College Magazine) Mr. Reba Bora (Librarian) Member.
2nd Row :–
Standing form L. to R. :–
–Mr. Keshab Ch. Sarmah Baruah, Mr. Lakheswar Gayan and Miss Manju Goswami. (member) Gunindra Gayan, (Editor, College Magazine).

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত নে জয়শ্ৰী চিনেমা হলৰ কাষত পাতি লোৱা ৰাজধানী সংগ্ৰাম সমিতিৰ অস্থায়ী কাৰ্যালয় (উল্লেখ থাকে যে ৰাজধানী সংগ্ৰাম সমিতিখন পিছলৈ নাগৰিক মঞ্চলৈ সম্প্ৰসাৰণ কৰা হয় আৰু অসম ভিত্তিত ৰাজ্যিক সমিতিৰ হৈ নেতৃত্ব বহন কৰে অতুল (জ্যেষ্ঠ) বৰাই। সেই সময়ত তেওঁ কটন কলেজৰ সাধাৰণ সম্পাদক; কোনো এজনেই সঠিক ভাৱে মনত পেলাব নোৱাৰিলো। কথাখিনি এই কাৰণেই মাধ্যম আন্দোলনৰ আওতালৈ অনা হৈছে যে, আমি প্ৰধান মন্ত্ৰীৰ হাতত অৰ্পণ কৰা স্মাৰক পত্ৰৰ ভিত্তিত কেন্দ্ৰৰ চৰকাৰখনে ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে এখন বিশেষজ্ঞ সমিতি (Expert Committee) গঠন কৰি দিছিল। সেই সমিতিয়ে তিনিটা স্থান-শিলঘাট, চন্দ্ৰপুৰৰ (আনটো স্থান পাহৰিলো) ভিতৰত শিলঘাট প্ৰথম স্থান দিছিল। ভাষা আইন বলবতৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰলৈ পৰামৰ্শ আগবঢ়াইছিল।

সেই সময়তে, ১৯৭১ চনৰ নবেম্বৰ মাহত মুহিৰাম শইকীয়াই নগাঁও মহাবিদ্যালয় স্থায়ী অধ্যক্ষ হিচাপে কামত যোগদান কৰে। আৰু কেইদিনমানৰ পিছতে নগাঁও মহাবিদ্যালয়ৰ ১৯৭১-৭২ ৰ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী কমিতিৰ নিৰ্বাচন অনুস্থিত কৰে। এই নিৰ্বাচনত অনিল বৰা সাধাৰণ সম্পাদক, দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী সহকাৰী সাধাৰণ সম্পাদক (এওঁলোক দুয়ো নৈশ শাখাৰ বিজ্ঞানৰ ছাত্ৰ আছিল; আমি পঢ়ি থকা দিনত কলেজত দিবা-নৈশ দুয়োটা শাখাই আছিল) এই প্ৰবন্ধৰ লেখক আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলো। এইখিনিতে উল্লেখ কৰি থোৱা উচিত হব যে ছাত্ৰ একতা সভাৰ নিৰ্বাচিত প্ৰতিনিধি নোহোৱাকৈয়ো বা নিৰ্বাচনত প্ৰতিদ্বন্দিতা নকৰাকৈ যিকেইজন ছাত্ৰ আমাৰ লগত অকুণ্ঠ ভাবে লাগি আছিল তাৰে কেইজনমান হ'ল-(সকলোৰে নাম পাহৰিছোঁ) মোহিত বৰা, লক্ষেশ্বৰ গায়ন, শিশিৰ ফুকন, ইন্দ্ৰজিৎ বৰা, গোলাম আহমদ (দাদা), ভোগেশ্বৰ শইকীয়া, দেবানন্দ দেৱনাথ, চত্ৰ দেউৰী, যতীন বৈৰাগী আৰু ক্ষীৰোদ দাস, কেশৱ চন্দ্ৰ শৰ্মা বৰুৱা আৰু বৰ্তমান চিত্ৰশিল্পী হিচাপে প্ৰখ্যাত ননী বৰপূজাৰী।

নতুন কাৰ্যকৰী সমিতিখনে কাৰ্যভাৰ লোৱাৰ দিনা অধ্যাপক তত্ত্বাৱধায়ক আৰু আন আন সদস্য সকলৰ উপস্থিতিত অনিলে কোৱা এষাৰ কথা আজিও সৌ সিদিনা কোৱা কথা এষাৰৰ দৰে জীৱন্ত হৈ আছে, “আপোনালোকে মোক দিহা-পৰামৰ্শ, বুদ্ধি-ভাৰসাৰে বাট দেখুৱাই যাব। মই কাম কৰি যাম। ভবা-চিন্তাৰ নিচিনাবোৰ

কথা আপোনালোকৰ।” সভাৰ শেষত বাহিৰলৈ ওলাই আহি ক্রীড়া বিভাগৰ সহঃ সম্পাদক কালামলৈ চাই কৈছিল, “কালামদা, শুনিছো আপুনি হেনো ছাত্র ৰাজনীতিৰ ষ্টিয়েৰিং হুইল। আমাৰ কাৰ্যকালটো সঠিক ভাৱে চলাই নিয়াত অকৃপণ ভাৱে সহায় কৰিব দেই।” তাৰ পিছত মোলৈ চাই ক'লে, “গুণীনদা, কিবা ভুল কৰা দেখিলে ধম্কি দিব। গালি পাৰিব। বেয়া নাপাওঁ। আপুনি ঘৰত যেনেকৈ দাদা, ইয়াতো।” এইখিনিতে কৈ থোৱা ভাল, অনিলৰ ককায়েক অজয় মোৰ পাঠ্য বন্ধু। দেউতাক চন্দ্র চৰণ বৰাৰ সৈতে আমাৰ ঘৰুৱা সম্পৰ্ক আছিল। তদুপৰি অজয়, অনিল আৰু ভায়েক অমল আমাৰ ঘৰৰ নিচেই কাষতে ‘মেচ’ কৰি থাকি পঢ়িবলৈ লৈছিল। অৱশ্যে অনিল সপ্তাহটোৰ সৰহ কেইদিন পলাশনিৰ নিজৰ ঘৰত থাকিছিল। কাৰণ, গাঁৱৰ সমাজখনত, বিশেষকৈ ডেকা-চেমনীয়াখিনিৰ লগত সমজুৱা কাম-কাজ, আচাৰ-অনুষ্ঠানৰ সক্রীয় অংশীদাৰ হৈ আনন্দ পাইছিল। সুখী হৈছিল। কেতিয়াবা কদাচিৎহে মেচত ৰাতি যাপন কৰিছিল আৰু খাইছিল আমাৰে চুবুৰীয়া, অনিলৰ খুড়াক চণ্ডিচৰণ বৰাৰ ঘৰত। সাধাৰণ বেশ-ভূষা আৰু সাজ-পাৰত কোনো ব্যতিক্রম নাথাকিলেও হাতত এপাত ষ্টীলৰ খাৰু অনবৰতে পিন্ধি ফুৰিছিল। হাঁহিমুখীয়া হলেও স্বভাৱটো আছিল উগ্র, সাহসী, খঙাল আৰু দৃঢ়মনা। এইজন অনিলৰ নেতৃত্বতেই আমি আৰম্ভ কৰিছিলো কলেজত ৰেগিং বিৰোধী আন্দোলনৰ। সফলো হৈছিলো। পিছত, আমি সম্পাদনা কৰা আলোচনীখনত (একবিংশ সংখ্যা) ৰেগিং সম্পৰ্কত ছাত্র-ছাত্রীৰ লিখাও প্রকাশ কৰিছিলো।

তাৰ পিছতে আৰম্ভ হৈছিল, সেই জুয়ে পোৰা, ছাঁ-পোহৰৰ কাজিয়াৰে মাধ্যম আন্দোলন। ’ ৰ ভাষাৰ মাধ্যম আন্দোলন।

জুন মাহৰ তিনি তাৰিখ। আবেলিৰে পৰা অনিলহঁত থকা ‘মেচ’ৰ চোতালত কেৰম খেলি আছিলো বোধহয়। ৰেডিঅ'ত সন্ধিয়াৰ আঞ্চলিক বাতৰিত শুনিলো, মুখ্যমন্ত্রী শৰৎ চন্দ্র সিংহই কাছাৰত মন্তব্য কৰিছে, “গুৱাহাটী বিশ্ববিদ্যালয়ক বাঙালী ভাষাটোক উচ্চ শিক্ষাৰ মাধ্যম হিচাপে গ্রহণ কৰিবলৈ মান্তি কৰাব পৰা হ'ব।”

বাতৰিটো শুনি আমি থমকি ৰ'লো। অকনো দেৰি নকৰাকৈ অনিলে, “মই এবাৰ কলেজৰ পৰা আহোঁ” বুলি ককায়েক অজয়ৰ চাইকেলখন লৈ ওলাই গ'ল। ময়ো ঘৰত পিন্ধা কাপোৰযোৰ সলাই সদায়ে যোৱাৰ দৰেই ‘চলাচল হোটেল’ৰ সমুখ পালোগৈ। সেইখিনিতে হানিফা, কালাম, ভোগেশ্বৰ, মই আৰু দেবানন্দ দেৱনাথ

আন দিনাৰ দৰে লগা-লগি হ'লো। কলেজত পঢ়ি থকা দিনবোৰত এইটো কাম আছিল আমাৰ দৈনিক ৰুটিনৰ ভিতৰুৱা। কেতিয়াবা কেতিয়াবা আজিজুৰ ৰহমান (মিৰান) আৰু আন দুই এজন বন্ধুও লগ লাগে। চলাচলত একাপ চাহ খাওঁ (সদায়ে নহয়)। তাৰ পিছত প্ৰখ্যাত ব্যৱসায়ী ভোলা বৰুৱাৰ ঘৰৰ সমুখেৰে মাজৰ ৰাস্তাৰে মুকুট শৰ্মাৰ ঘৰৰ আগেদি (আজি-কালি এই চাৰিআলিটো ইণ্টাৰ নেচনেল হোটেলৰ কাষৰ, এম. এচ্.চি. নামে পৰিচিত) ছয় আলিলৈকে খোজ কাঢ়ি ঘূৰি আহি কালাম, হানিফা, ভোগেশ্বৰ আৰু আমাৰ ঘৰত পালপাতি চাহ-জলপানৰ জুতি লওঁ। যিদিনা ওলোৱা দেৰি হয়, সেইদিনা কাৰো ঘৰলৈ নাযাওঁ। 'চলাচল'ত চাহ খাই ঘৰাঘৰি যাওঁগৈ। সেইদিনা, তিনি জুনৰ সন্ধিয়া, খোজ কাঢ়ি গৈ থাকোতে ৰেডিঅ'ৰ বাতৰিটোৰ কথা ওলাল, মুখ্যমন্ত্ৰীয়ে তেনেকৈ কৈ ভাল নকৰিলে। কালিলৈ বাতৰিটো কাকতত প্ৰকাশ পোৱাৰ পিছত ভাল প্ৰতিক্ৰিয়া নহব কিজানি। উল্লেখনীয় যে, সেই সময়ত বাতৰি কাকত বুলিবলে গুৱাহাটীৰ পৰা প্ৰকাশিত 'দৈনিক অসম' আৰু 'দ্যা আসাম ট্ৰিবিউন' আৰু যোৰহাটৰ পৰা প্ৰকাশিত 'দৈনিক জনমভূমি' কাকতে প্ৰধান। সাপ্তাহিক কাকত হিচাপে আছিল 'অসম বাণী', সাপ্তাহিক জনমভূমি' আৰু 'সাপ্তাহিক নীলাচল'। তাকো নগাঁও পাইছিলহি দুপৰীয়াৰ ভাগত।

পিছদিনা ৰাতিপুৱাৰ ক্লাচলৈ আহি দেখিলো, নৰ শইকীয়াৰ কেন্‌টিনত (আমি পঢ়া দিনৰ একমাত্ৰ কেন্‌টিন খন বৰ্তমান এ.টি.এম. আৰু বাইক ষ্টেণ্ড থকা ঠাইখিনিতে আছিল) মোহিত বৰা, দ্বিজেন গোস্বামী, লুইত বৰা আৰু গোলাম আহমেদে কথা পাতি আছিল। মই আৰু হানিফাও আহি লগ লাগিলো। তেতিয়াও অনিল আহি পোৱা নাই। দ্বিজেনে কলে, তৎকালিন ভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পৰাকৈ কিবা এটা পদক্ষেপ লব লাগিব। মোহিতদাই কলে, প্ৰথমতে বাতৰিটো কাকতত চাই লোৱা। বিষয়টোৰ ইউনিয়নত আলোচনা কৰি কাম কৰা।

কিছু সময়ৰ পিছত অনিলো পালেহি। হাতত দৈনিক অসম আৰু দ্যা আসাম ট্ৰিবিউন। মুহূৰ্তৰ ভিতৰতে ছাত্ৰ একতা সভাৰ কাৰ্যালয় (বৰ্তমানৰ নগাঁও কলেজ ওমেন চেল'ৰ কোঠাটো)ত আলোচনা আৰম্ভ কৰা হ'ল-তৎকালিন ভাবে প্ৰতিক্ৰিয়া হোৱাকৈ সেই মুহূৰ্ততে কিবা এটা কৰিব লাগে। সিদ্ধান্ত হ'ল - চিনেমাহল কেইটাত থকা ( সেই সময়ত নগাঁৱত চিনেমা হল তিনিটা - 'জয়শ্ৰী', 'কৃষ্ণা' আৰু 'এল্‌ফিন্‌ষ্টন'। ইয়াৰে 'এল্‌ফিন্‌ষ্টন' হলত হিন্দী আৰু ইংৰাজী চিনেমা চলে। বাকী দুটাত হিন্দী,

অসমীয়া আৰু বাংলা চিনেমা) বাংলা প'ষ্টাৰ, হ'ৰ্ডিং আদিবোৰ আঁতৰাব লাগে। বাংলা চিনেমা চলোৱা বন্ধ কৰিব লাগে। দ্বিতীয়তে সমগ্ৰ অসমৰ ৰাইজক সজাগ আৰু সচেতন কৰিব পৰাকৈ এখন প্ৰচাৰ পত্ৰিকা বিতৰণ যোগেদি ৰাইজক জনাই দিব লাগে যে ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা ১৯৫০ চনৰ ভাষা আইনখন অসমত তৎকালীন ভাবে বলবৎ হব লাগে। আৰু ৰাইজক এই কথাও সোঁৱৰাই দিব লাগে যে এই আইন যথাৰ্থতে অসমত বলবৎ নোহোৱাৰ বাবেই ১৯৬০ চনৰ ভাষা আন্দোলনত ৰঞ্জিৎ-সূৰ্য-মফিজউদ্দিনে ভাষাজননীৰ শ্বহীদ হব লগা হ'ল।

সিদ্ধান্ত মতেই কাম। প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী কলেজৰ পৰা ওলাই আহি 'জয়শ্ৰী হল'ৰ সমুখত ৰ'লহি। কেইজনমান ছাত্ৰ আগবাঢ়ি গৈ মেনেজাৰক লগ কৰি বাংলা চিনেমা নচলাবলৈ, আৰু প'ষ্টাৰ নলগাবলৈ কৈ সাৱধানবাণী শুনালে। সেইদিনা 'কৃষ্ণা হল'ত এখন বাংলা চিনেমা চলি আছিল। বন্ধ কৰোৱা হ'ল। প'ষ্টাৰ আদি ফালি পেলোৱা হ'ল। পৰিস্থিতি কিছু শান্ত হ'ল।

তাৰ পিছতে প্ৰস্তুত হ'ল প্ৰচাৰ পত্ৰিকাৰ পাণ্ডুলিপি। আৰু সেই দিনাই অৰ্থাৎ চাৰি জুন তাৰিখে এটা স্থানীয় ছপাশালত প্ৰচাৰ পত্ৰিকাখন ছপাই, পেকেট কৰি ৰাতিয়েই নৈশ বাছত অসমৰ প্ৰতিখন জিলাৰ প্ৰধান কলেজ একোখনলৈ পঠাই দিয়া হ'ল। ইয়াৰ পিছৰ পৰিস্থিতি নিশ্চয় সকলোৰে অনুমেয়। ধাৰাবাহিক ভাবে আন্দোলন চলি থাকিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ প্ৰস্তাৱ, অসম বিধান সভাৰ প্ৰস্তাৱক কেন্দ্ৰ কৰি ছাত্ৰৰ চৰম পত্ৰ, দাবী দিবস চলি থাকিল। এইখিনিতে উল্লেখ কৰা উচিত হব যে মাধ্যম আন্দোলনৰ পিছলৈকে সদৌ অসম ছাত্ৰ সন্থা গঠন হোৱা নাছিল। ১৯৭১ চনত যোৰহাটৰ জে.বি.কলেজত হোৱা ছাত্ৰ অভিবৰ্তনত (তিনি নে চাৰিদিনীয়া) অসমৰ ছাত্ৰ শক্তিক একত্ৰিত কৰি সদৌ অসম ছাত্ৰ-সন্থা হিচাপে নামকৰণ কৰাৰ প্ৰস্তাৱ উত্থাপন হৈছিল যদিও এই কথাত মতভেদৰ সৃষ্টি হৈছিল। নগাঁও জিলাৰ ছাত্ৰ প্ৰতিনিধিৰ ফালৰ পৰা লুইত বৰা আৰু মই তীব্ৰ প্ৰতিবাদ কৰি আপত্তি দৰ্শাইছিলো। লুইত বৰাৰ যুক্তি আছিল "ছাত্ৰ সন্থা" বুলি নামকৰণ কৰিলে অদূৰ ভৱিষ্যতে ৰাজনৈতিক হাতোৰাত বন্দী হৈ ছাত্ৰ শক্তিয়ে নিজৰ স্বকীয় বৈশিষ্ট্য হেৰুৱাই পেলাব। মোৰ যুক্তি আছিল, ছাত্ৰশক্তিয়ে ৰাজনৈতিক কামিজ পিন্ধিলে, ছাত্ৰশক্তিৰ নিৰপেক্ষ ৰূপটো হেৰাই যাব। পৰিণতিত ৰাজনৈতিক দালালৰ হাতৰ পুতলা হব লাগিব। এনেবোৰ যুক্তি তৰ্কৰে বাদ-বিবাদৰ পিছত অমীমাংসিত

ভাবে অভিৰৰ্তনৰ সামৰণি পৰিলেও এখন সমিতি গঠন কৰি তাতে অনিল বৰা আৰু যতদূৰ সম্ভৱ জে. বি. কলেজৰ সাধাৰণ সম্পাদক (নাম পাহৰিলো) যুটীয়া সহঃ সাধাৰণ সম্পাদক আৰু কটন কলেজৰ সাধাৰণ সম্পাদক অতুল বৰা (হয়নে নহয় পাহৰিছোঁ) ক সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হৈছিল।

আমি পঢ়ি থকা সময়ত জুলাই মাহৰ এক তাৰিখৰ পৰা আগষ্ট মাহৰ পোন্ধৰ তাৰিখলৈকে গৰমৰ বন্ধ হৈছিল। সেয়ে এই সময়চোৱাত আন্দোলনৰ ধাৰাটো স্তিমিত হৈছিল যদিও আন্দোলনৰ পৰৱৰ্তী সূচী সম্পৰ্কে আলোচনা-বিলোচনা চলি আছিল। কলেজ খোলাৰ লগে লগে আন্দোলনৰ গতি তীব্ৰ হৈ যাবলৈ ধৰিলে। ছাত্ৰশক্তিলৈ অকুণ্ঠ গণ সমৰ্থন আহিল। যিমানদূৰ মনত পৰে, সম্ভৱতঃ চেপ্তেম্বৰ মাহৰ শেষৰ ফালে হোজাই চহৰৰ মাজ মজিয়াত এখন ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছিল। সেই সভাত যোগ দিবলৈ কেইবাশৰো অধিক ছাত্ৰ গৈছিল। কেৱল নগাঁও কলেজৰ পৰাই তিনিশৰো অধিক ছাত্ৰ গৈ নিৰ্ধাৰিত সময়ৰ আগতেই সভাত উপস্থিত হৈছিলো। সেই সভাত অনিলে মাতৃভাষাৰ ন্যায্যতাৰ সম্পৰ্কত এটা অতি সাৰগৰ্ভ, তেজোদীপ্ত বক্তৃতা দিছিল। সেই বক্তৃতাই যে সেই সভাত উপস্থিত থকা মুষ্টিমেয় সংখ্যক অসম আৰু অসমীয়া বিৰোধী শ্ৰুতা দৰ্শকক উত্তেজিত কৰি তুলিছিল তাৰ উমান আমি পাইছিলো। যি নহওক সুকলমে সভা শেষ কৰি সকলো নিৰ্বিঘ্নে উভতি আহিছিলো। ইয়াৰ মাজতে জুন মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদে লোৱা এটা প্ৰস্তাৱৰ (যি প্ৰস্তাৱত অসমীয়া ভাষাই শিক্ষাৰ মাধ্যম হ'ব আৰু দহবছৰলৈ ইংৰাজীৰ লগতে বাংলা ভাষাও বিকল্প মাধ্যম হিচাপে থাকিব আৰু ১৯৭২-৭৩ চনৰ পৰাই প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত প্ৰযোজ্য হ'ব।) প্ৰত্যাহ্বান জনাই শিলচৰৰ গুৰুচৰণ কলেজৰ লগতে লামডিং আৰু হোজাই কলেজেও ভাৰতৰ উচ্চতম ন্যায়ালত গোচৰ তৰিলে। চেপ্তেম্বৰ মাহত অসম বিধান সভায়ো গুৱাহাটী আৰু ডিব্ৰুগড় বিস্ববিদ্যালয়ত অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হব লাগে বুলি কৈ কাছাৰ জিলাত এখন সুকীয়া বিশ্ববিদ্যালয় পাতিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰক আবেদন জনাব লাগে বুলি প্ৰস্তাৱ লোৱাৰ লগে লগে পৰিবেশ উত্তেজনাময় হৈ পৰে। ছাত্ৰৰ প্ৰতিবাদ দিবসৰ ঘোষণাৰ লগতে মুখ্যমন্ত্ৰীলৈ চৰম পত্ৰ প্ৰেৰণ কৰা হয়। পাঁচ অক্টোবৰৰ অসম বন্ধৰ দিনা মঙ্গলদৈ চহৰৰ খাৰুপেটীয়াত মোজাম্মিল হক দুৰ্বিত্তৰ আক্ৰমণত গুৰুতৰ ভাবে আহত হৈ ছয় অক্টোবৰত মৃত্যুক আকোৱালি লয়। লগে

লগে মোজাম্মিলক শ্বহীদ ঘোষণা কৰা হয়।

সাত অক্তোবৰত নগাঁৱত পুৱাৰে পৰা শোক দিৱস পালন কৰাৰ লগতে জুবিলি ফিল্ডত (বৰ্তমানৰ নৰুল আমিন ষ্টেডিয়ামত) এখন বিশাল ছাত্ৰ সভাৰ আয়োজন কৰা হৈছিল আগবেলাতে। চহৰৰ মাজৰ স্কুল-কলেজৰ লগতে দাঁতি কাষৰীয়া অঞ্চলৰ স্কুলসমূহৰ-- পুৰণিগুদাম, কঠিয়াতলি, দক্ষিণপাট, বেবেজীয়া, ন-মাটি, কুঁজিডাহ, জুৰীয়া, ৰূপহী আদি ঠাইৰ স্কুলৰ অষ্টম-নৱম-দশম-একাদশ শ্ৰেণীৰ ছাত্ৰকো এই সভালৈ অনা হৈছিল। সভাখন বোধকৰো এঘাৰমান বজাত আৰম্ভ হৈছিল। সভা চলি থকাৰ মাজতে প্ৰায় ডেৰ দুই মান বজাত কোনোবা দুজনমান ছাত্ৰ আহি খবৰ দিলে-- [সেই সময়ত মই, মোহিত, হানিফা, লুইত আৰু গৌতম বৰা (প্ৰাক্তন শিক্ষা মন্ত্ৰী, অসম) সভা থলিতে আছিলো] "হোজাইত ভীষণ গণ্ডগোল হৈছে , সেয়ে চলাচল হোটেলৰ সমুখৰ অৰ্জুন বৰঠাকুৰৰ মিঠাই দোকানৰ কাষৰ হোটেলত (নামটো উল্লেখ নকৰিলো) চাহ খাই থকাৰ পৰাই এখন ক'লা এম্বেচাদৰ গাড়ীৰে অনিল বৰা আৰু এজন ছাত্ৰ হোজাইলৈ ৰাওনা হৈছে। আপোনালোকক কথাটো জনাবলৈ কৈ গৈছে।" মোহিত বৰাই সভাপতিত্ব কৰি থকা সভাখন সিমানতে ভংগ কৰি আমি পোনে পোনে কথাটো অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰক জনাই উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ ওচৰ চাপিলো। ইতিমধ্যে আমি জানিব পাৰিলো, অনিলৰ লগত যোৱা আনজন ছাত্ৰ এ.ডি.পি. কলেজৰ সাধাৰণ সম্পাদক নৰেন বৰুৱা।

পৰিস্থিতিৰ গুৰুত্ব বুজি মুহিৰাম শইকীয়া ছাৰে এড্‌ভোকেট লক্ষেশ্বৰ হাজৰিকাক লগত লৈ হোজাই অভিমুখে যাত্ৰা কৰিলে। উপায়ুক্ত মহোদয়েও পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এচ. পি.ৰ সৈতে আলোচনা কৰি এজন এক্‌জিকিউটিভ্ মেজিষ্ট্ৰেট আৰু এজন ডি.এচ.পি.ৰ সৈতে পুলিচ বাহিনী প্ৰেৰণ কৰিলে। তেতিয়া কিজানি সময় বিয়লি চাৰিমান বাজিল। ইতিমধ্যে হোজাই আৰু ডবকাত সন্ধ্যা আইন বলবৎ কৰিছে।

খবৰটো বিয়পি পৰাৰ লগে লগে কেইবাশও ছাত্ৰ হোজাই অভিমুখে ৰাওনা হ'ল। মোহিত, হানিফা, লুইত, মই আৰু কেইজনমান ছাত্ৰও এ.ডি.চি. আৰু পুলিচ বাহিনীৰ লগতে হোজাইলৈ যাত্ৰা কৰিলো। কিন্তু নগাঁৱৰ পৰা যোৱা কোনো ছাত্ৰকে নীলবাগানৰ পৰা আগবঢ়িবলৈ নিদিলে। চি.আৰ.পি.য়ে পথ অবৰোধ কৰিলে। কিন্তু অনিলহঁত যোৱা গাড়ীখন ইতিমধ্যে হোজাইত সোমাই পৰিছিল। নীলবাগানৰ পৰাই

বিমুখ হৈ সকলো ছাত্ৰ ঘূৰি আহি কলেজৰ সমুখত অনিললৈ অপেক্ষা কৰিলে। নাই, অনিলৰ কোনো সম্ভেদ নাই। দ্ৰুতগতিৰে সময় আগবাঢ়ি গ'ল-- সাত বাজিল। আঠ বাজিল। ন বাজিল। অনিলৰ কোনো খবৰ নাই। নৰেন বৰুৱা হোজাই থানাত পুলিচ কাষ্টডিত আছে। জখম হৈছে।'' পিছত, ৰাতিলৈ নৰেন বৰুৱাই মাত্ৰ জানিবলৈ দিলে, ''অনিল আৰু নাই''। ননী বৰপূজাৰীয়েও কথাটো নিশ্চিত কৰি কলে, ''মই, শিশিৰ আৰু নুৰুলো লগত আছিলো। কেনেকৈ যে প্ৰাণ লৈ সাৰি আহিলো।'' লগে লগে অনিলক শ্বহীদ ঘোষণা কৰি সিদ্ধান্ত লোৱা হ'ল, শ্বহীদ শ্ৰদ্ধাঞ্জলি যুগমীয়া কৰিবৰ কাৰণে এখন শ্বহীদ তৰ্পণ উলিওৱা হওক। আঠ অক্তোবৰত নগাঁৱতো সান্ধ্য আইন বলবৎ হ'ল। দিনে দিনে হৰতাল, পিকেটিং, প্ৰতিবাদ বাঢ়ি গ'ল। এখনৰ পিছত আনখন চহৰ সান্ধ্য আইনৰ কবলত পৰিল।

যোল্ল অক্তোবৰৰ দিনা ৰাতিপুৱাই খবৰ ওলাল, হোজাইৰ এটা জানৰ পাৰত পুতিথোৱা অৱস্থাত অনিলৰ শিৰবিহীন শৰীৰটো ওলাইছে। অনিলে পিন্ধি থকা কাপোৰ আৰু হাতৰ ষ্টীলৰ খাৰুপাতে দেহটো অনিলৰ বুলি নিশ্চিত কৰিছে। আঠ অক্তোবৰৰ পৰা নগাঁও সান্ধ্য আইনৰ কবলত আছিলেই। মৃতদেহ ওলোৱা বুলি বাতৰি অহাৰ লগে লগে নগাঁও চহৰত সেনাৰ ফ্লেগ মাৰ্চ আৰম্ভ হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ হলঘৰত এখন জৰুৰী কাৰ্য-নিৰ্বাহকত যোগ দিবৰ বাবে মই আৰু আবু হানিফা সান্ধ্যআইনৰ মাজতে খোজ কাঢ়ি নগাঁও কলেজৰ পৰা চাপৰমুখলৈ যাত্ৰা কৰিলো, সকলো ধৰণৰ বিপদ আওকান কৰি। চাপৰমুখৰ পৰা এখন মালবাহী ৰেলেৰে গুৱাহাটীৰ পল্টন বজাৰ ষ্টেচনত নামি তাতো সান্ধ্য আইনৰ মাজেদিয়েই খোজ কাঢ়ি গৈ সন্ধিয়াৰ আগে আগে বিশ্ববিদ্যালয় চৌহদত সোমাওগৈ। আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী গ্ৰহণৰ বাবে আলোচনাত মিলিত হৈছোঁ। সভাপতি, যিমানদূৰ মনত পৰে, বৃন্দাবন গোস্বামী। তেতিয়া তেওঁ বিশ্ববিদ্যালয়ৰ ছাত্ৰ। আলোচনা চলি থকাৰ মাজতে, ৰাতি প্ৰায় দহমান বজাত অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ ড্ৰাইভাৰে গৈ এটুকুৰা কাগজ বৃন্দাবন গোস্বামীলৈ আগবঢ়াই দিলে। তেওঁ কাগজখন চাই মোলৈ নে হানিফালৈ আগবঢ়াই দিলে। আমি দুয়ো বাহিৰলৈ ওলাই অহাত ছাৰৰ ড্ৰাইভাৰে (নামটো পাহৰিলো) আমাক জৰুৰী ভাৱে নগাঁৱলৈ মাতি পঠাই তেওঁৰ এম্বেচাদৰ গাড়ীখন পঠাই দিয়া বুলি কলে। যিমান দূৰ মনত পৰে, লগত চি.আৰ.পি.ৰ চিকিউৰিটি আৰু আমাৰ বাবে 'পাছ' আছিল। সভাৰ আলোচনা

আধৰুৱাকৈ এৰি নিশা তিনিমান বজাত নগাঁও পালোহি। আমাক পোনে পোনে ডাকবঙলালৈ লৈ যোৱা হ'ল। সেই সময়ত ডাক বঙলাত উপায়ুক্তৰ লগতে হানিফাৰ দেউতাক আবু চামা খুড়া, মোৰ ডাঙৰ মামা অৱসৰ প্ৰাপ্ত আই. এ. এছ. ৰত্ন বৰা, আমাৰ বন্ধু আজিজুৰ ৰহমান (মিৰান) উপস্থিত আছিল। আমি গাড়ীৰ পৰা নমাৰ পিছতে কোনোবা এজনে এখন ফৰ্মত মোৰ পৰা চহী ললে। আৰু হানিফা, মোক আৰু মিৰানক একোখনকৈ 'পাছ' দিলে। তেতিয়াহে মামাই মাত লগালে, "দেউতাৰৰ গা ভাল নহয়। ৰাতিপুৱাই হস্পিতাললৈ অনা হ'ল। তই এতিয়া তালৈকে যাগৈ। মই ঘৰলৈ যাওঁ। ৰাতিপুৱা খবৰ কৰিম।"

হানিফাক ঘৰত থৈ মই আৰু মিৰান চিভিল হস্পিতালৰ ওচৰ পোৱাত মিৰানে কলে, "ৰাতিপুৱালৈ বেছি সময় নায়েই। হস্পিতালত সোমোৱাৰ আগতে আমাৰ ঘৰতে (মিৰানহঁতৰ ঘৰ হস্পিতালৰ গাতে লগা) মুখ-হাত ধুই ল। অলপ আৰাম পাবি।" মই আপত্তি কৰিছিলো। সি নামানিলে। সিহঁতৰ ঘৰলৈ গৈ থাকোতে কোনো এক বুজাব নোৱাৰা অজান আশংকা আৰু ভয়ে মোক বিব্ৰত কৰি পেলাইছিল। মিৰানহঁতৰ দুৱাৰমুখত থিয় হোৱাৰ লগে লগে দুৱাৰ খুলি দি খুড়ীয়ে কলে, "আহাঁ, মোৰ টোপনি ভাগিল কাৰণে লাইটটো জ্বলাই লৈ পোহৰ হোৱালৈ বাট চাই বহি আছোঁ।" দহ মিনিটমান বহাৰ পিছতে পোহৰ হ'ল। মই হস্পিতাললৈ যাওঁবুলি বাহিৰলৈ ওলালো। লগত মিৰানো। খুড়ীদেৱে কলে, 'যোৱা গুণীন। তোমাক পানী এগিলাচো দিবলৈ নহ'ল। সকলো আল্লাৰ ইচ্ছা। তেওঁত ভৰষা ৰাখিবা।"

হস্পিতালৰ গেট খুলিয়েই দেখিলো, মোৰ দুজন খুড়া আমাৰ গাঁৱৰে দুজনমান লোকৰ সৈতে হস্পিতালৰ চোতালত এখন এম্বুলেঞ্চৰ ওচৰত থিয় হৈ আছে। মিৰান আৰু মই ওচৰ চপাৰ লগে লগে খুড়াদেউ এজনে কলে, "ককাইদেউ আৰু নাই। আমি তোলৈহে ৰৈ আছোঁ। উঠ, গাড়ীত উঠ।" তেনেতে দেখা পালো শ্মশানলৈ নিব লগা বস্তু-ধূনা, ঘিউ, চন্দন কাঠ, মাটিৰ চৰু, টেকেলি, ধূনাৰ মলা লৈ কালাম, হানিফা আৰু ভোগেশ্বৰ আহি উপস্থিত হৈছেহি। মই নিশব্দে এম্বুলেঞ্চত উঠিলো।

এইখিনিৰে পৰা এমাহলৈ, দেউতাৰ আধ্যশ্ৰাদ্ধলৈকে, মই মাধ্যম আন্দোলনৰ পৰা আঁতৰি আছিলো। আৰু এই এমাহৰ ভিতৰতে নানান ঘটনা-পৰিঘটনাৰ মাজেদি আন্দোলনৰ সমাপ্তি ঘটিল। উচ্চতম ন্যায়ালয়ে গুৰুচৰণ কলেজৰ

আবেদন আগ্ৰাহ্য কৰি গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ শিক্ষা-পৰিষদৰ মাধ্যম সম্পৰ্কীয় বৈধতাক স্বীকাৰ কৰিলে। ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদে গুৱাহাটীত "অসমৰ আঞ্চলিক ভাষা অসমীয়া" বুলি ঘোষণা কৰিলে। মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহয়ো বে-তাঁৰ বিবৃতিৰে পূৰ্বে চৰকাৰে লোৱা প্ৰস্তাৱ কাৰ্যকৰী নকৰে বুলি ঘোষণা কৰিলে। তেতিয়াৰ গৃহ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী (কেন্দ্ৰৰ) য়ে দিল্লীত বিবৃতি দিলে, গুৱহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ সিদ্ধান্তই ভাষা সমস্যা মীমাংসাৰ ভিত্তি হব পাৰে। পিকেটিং, হৰতাল, গণ-সত্যাগ্ৰহ, গণ-অনশনকে ধৰি শান্তিপূৰ্ণ ভাবে কৰা গণ আন্দোলনে এনে পৰ্যায় পালেগৈ যে চৰকাৰৰ দ্বাৰা অ-নিৰ্দিষ্ট কালৰ বাবে স্কুল-কলেজ বন্ধৰ ঘোষণা কৰিব লগা হ'ল। শ্বহীদৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি পালে। প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী চিলঙত ছাত্ৰৰ সৈতে আলোচনাত বহিব লগা হ'ল। অৱশেষত ছাত্ৰৰ দ্বাৰা মাধ্যম আন্দোলন স্থগিত ৰখাৰ কথা ঘোষণা কৰা হ'ল। সেই আলোচনাত কোন কোন ছাত্ৰনেতাই অংশ লৈছিল মনত পেলাব নোৱাৰিলো। মই তেতিয়া ব্ৰতত।

আন্দোলন শেষ হ'ল। প্ৰথম দিনা কলেজলৈ আহি অনিলৰ অনুপস্থিতিত এক শূণ্যতাৰ অনুভৱ কৰিলোঁ। সাত অক্টোবৰত অনিল নিখোজ হোৱাৰ পিছৰে পৰা সহঃ সাধাৰণ সম্পাদক দ্বিজেন গোস্বামীয়ে সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰি গৈছিল। অধ্যাপক তত্বাবধায়ক সকলৰ পৰামৰ্শ অনুসাৰে ততাতৈয়াকৈ কাৰ্যকৰী কমিটিৰ বৈঠক আহ্বান কৰি দ্বিজেনক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক পতা হ'ল। কৰিব লগা কাম অনেকেই আছিল। বিভাগীয় সম্পাদক সকলে নিজৰ নিজৰ কামবোৰ অনাৰম্বৰ ভাৱে কৰি গ'ল। ময়ো আলোচনীৰ কামত লাগিলো। অনিল জীয়াই থকা দিনত ইউনিয়ন বডীৰ গ্ৰুপ ফটোখন তোলা হোৱা নাছিল। সময়ো হোৱা নাছিল। সাধাৰণতে কাৰ্যকাল শেষ হোৱাৰ আগে আগেহে ফটোখন তোলা হয়। লগতে আলোচনী সম্পাদনা সমিতিৰ ফটোখনো। গ্ৰুপফটো তোলাৰ কথা ওলাওঁতেই দ্বিজেনে কলে, "কিবাকৈ অনিলৰ ফটো এখন গ্ৰুপৰ মাজত দি দিব পৰা হ'লে!" কথাটো মোৰো মনত লাগিল। অনিলৰ ফটোএখন যদি গ্ৰুপ ফটোত সংযোগ কৰিব পৰা যায়, অনিলৰ অৱয়বটো ফটোৰ মাজত ৰৈ যাব। কথাটো হানিফাৰ লগত পাতিলো। মান্নাদা (অমূল্য মান্না) ৰ ওচৰ চাপিলো। সমস্যা হ'ল অনিলৰ ফটোক

লৈ। অনিলৰ অকলশৰীয়া ফটো পাবলৈ নাছিল। ফটো এখনৰ কথা অজয়ক কলো। অজয়ে ঘৰত বিচাৰি বিচাৰি গ্ৰুপ ফটো এখন আনি দিলে। সেইখন ফটোৰ পৰাই মান্নাদাই অনিলৰ পাচপৰ্ট চাইজৰ ফটো এখন উলিয়াই দিলে। সেইখনকে ছাত্ৰ একতা সভাৰ গ্ৰুপ ফটোত সংযুক্ত কৰিলো, আলোচনীত শ্বহীদৰ ফটোৰ পৃষ্ঠাত ছপালো। সেইখন ফটোৰ পৰাই পিছত শ্বহীদ অনিল বৰাৰ আৱক্ষমূৰ্তি নিৰ্মাণ কৰা হ'ল।

ধাৰাবাহিক আন্দোলনৰ ধামখুমিয়াত ১৯৬৯-৭০ বৰ্ষত পাতিবলগীয়া ৰূপালীজয়ন্তী উদ্যাপন কৰা নহ'ল। ৰূপালী জয়ন্তী উৎসৱ পাতিবৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ পৰা তিনি নে পাঁচ টকাকৈ কলেজ কৰ্তৃপক্ষৰ যোগেদি তোলা হৈছিল। গতিকে, আমাৰখন ছাত্ৰ-একতা সভাৰ এখন বৈঠকত কেইটামান প্ৰস্তাৱ লোৱা হ'ল। তাৰ ভিতৰত আছিল শ্বহীদ অনিল বৰাৰ নামত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ, কলেজ চৌহদৰ ভিতৰত অনিলৰ আৱক্ষ মূৰ্তি এটা স্থাপন কৰা আৰু ছাত্ৰ একতা সভালৈ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা উপ সভাপতি এজন নিৰ্বাচন কৰিব পৰাকৈ পদটোৰ সৃষ্টি কৰা। এইখিনিতে মনত পৰা আৰু এটা কথাৰ উল্লেখ নকৰিলে লিখাটো অসম্পূৰ্ণ হব বুলি ভাবিছোঁ। সেইটো হৈছে, মাধ্যম আন্দোলন চলি থকাৰ মাজতে, জুলাই মাহত, মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এখন বিশেষ সভাত ছাত্ৰ একতা সভাৰ সংবিধানখনৰ সংশোধন আৰু অসমীয়ালৈ অনুবাদ কৰিবৰ বাবে তেতিয়াৰ উপাধ্যক্ষ ফণীন্দ্ৰলাল দত্ত, অধ্যাপক বসন্ত ভূঞা, অধ্যাপক তগৰ বৰা ছাৰ আৰু ছাত্ৰ প্ৰতিনিধি সাধাৰণ সম্পাদক অনিল বৰা আৰু আলোচনী সম্পাদক (গুণীন্দ্ৰ গায়ন)ক লৈ এখন কমিটি গঠন কৰি দিয়া হৈছিল। কিন্তু দেশৰ পৰিস্থিতিয়ে সেই কাম সম্পূৰ্ণ কৰিবলৈ নিদিলে। (উৎস ঃ আমি সম্পাদনা কৰা আলোচনীখনৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন।)

শ্ৰদ্ধাৰ পাঠক সমাজ আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ মহাবিদ্যাল পৰিয়ালবৰ্গলৈ শ্ৰদ্ধা আৰু নমস্কাৰ জনাই তলৰ স্বীকাৰোক্তি কেইটাৰে সামৰণি মাৰিছোঁ--

**স্বীকাৰোক্তি ঃ**

এক ঃ লিখাৰ মাজেৰে প্ৰকাশ কৰিব নোৱাৰা কথাখিনি প্ৰকাশৰ বাবে আমি সম্পাদনা কৰা আলোচনীত থকা '৭২ ৰ মাধ্যম আন্দোলনৰ চমু ইতিবৃত্ত আৰু আলোচনী সম্পাদনা সমিতিৰ ফটোৰ স্কেন কপি সংযোক্ত কৰি দিলো।

দুই ঃ এই লিখাৰ মাজত আমাৰ ব্যক্তিগত জীৱনৰ যিখিনি কথা সোমাই পৰিছে, অনাকাংক্ষিত ভাৱে, তাৰ বাবে আমি সকলোৰে ওচৰত ক্ষমা-প্ৰাৰ্থী। লিখাখিনি সম্পূৰ্ণৰূপে স্মৃতি নিৰ্ভৰ।

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন আলোচনী সম্পাদক আৰু বিশিষ্ট লেখক।

# ঐতিহ্য বিজড়িত নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগ ঃ অতীত আৰু বৰ্তমান

গুণ শইকীয়া

নগাঁও মহাবিদ্যালয়খন যেনেকৈ মধ্য অসমৰ প্ৰাচীনতম উচ্চ শিক্ষাৰ ঐতিহ্যমণ্ডিত এক প্ৰতিষ্ঠান, তেনেকৈ ইয়াৰ সংস্কৃত বিভাগটোও ঐতিহ্য বিজড়িত এটা প্ৰাচীনতম বিভাগ। ১৯৪৪ চনৰ আগষ্ট মাহত (৭/৮/১৯৪৪) অৰ্থাৎ প্ৰাক্স্বাধীন কালতে বহুকেইটা আৰ্থ-সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক আন্দোলনৰ কেন্দ্ৰস্থল নগাঁৱৰ এচাম দূৰদৃষ্টিসম্পন্ন বিদ্যোৎসাহী দায়বদ্ধ সামাজিক, ৰাজনৈতিক নেতা, কৰ্মীৰ উৎসাহ আৰু উদ্যোগত নগাঁও মহাবিদ্যালয়ৰ জন্ম হয়। যোৰহাট জগন্নাথ বৰুৱা কলেজৰ পৰা আহি (প্ৰয়াত) পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱে মহাবিদ্যালয়খনৰ গুৰি ধৰেহি। প্ৰথমতে কলা শাখাৰ ৭টা বিষয়ৰ পাঠদানেৰে কলেজখনৰ ইণ্টাৰমেডিয়েট শ্ৰেণীটো আৰম্ভ হয়। প্ৰথম পাঠদান আৰম্ভ হোৱা সেই ৭টা বিষয়ৰ মাজৰ অন্যতম এটা বিষয়েই আছিল সংস্কৃত। নগাঁও মহাবিদ্যালয় আৰম্ভ হোৱা সময়লৈকে অসমত কোনো বিশ্ববিদ্যালয়েই প্ৰতিষ্ঠা হোৱা নাছিল। অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটী ১৯৪৮ চনতহে প্ৰতিষ্ঠা হয়। গতিকে ১৯৩০ চনত বেচৰকাৰীভাৱে প্ৰতিষ্ঠা হোৱা যোৰহাট জগন্নাথ বৰুৱা কলেজ আৰু নগাঁও কলেজত কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমখিনিকে সামান্য সালসলনিৰে পঢ়োৱাৰ দিহা কৰা হৈছিল আৰু সংশ্লিষ্ট চূড়ান্ত পৰীক্ষাবোৰো উক্ত বিশ্ববিদ্যালয়ৰ অধীনতে অনুষ্ঠিত কৰা হৈছিল। নগাঁও কলেজৰ সংস্কৃত বিভাগত প্ৰথমজন অধ্যাপকস্বৰূপে যোগদান কৰেহি তীক্ষ্ণধী বিদ্বান (প্ৰয়াত) ফণীলাল দত্তদেৱে। তেখেত পশ্চিমবঙ্গৰ সন্তান আছিল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ সোণৰ পদক প্ৰাপক প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ব্যক্তি আছিল। তেখেতৰ যোগদানে নগাঁও কলেজৰ সংস্কৃত শিক্ষাৰ

ক্ষেত্ৰখনৰ লগতে গোটেই নগাঁৱৰ শৈক্ষিক বাতাৱৰণটোকো সমৃদ্ধ আৰু ধন্য কৰি তুলিলে। কলেজ আৰম্ভ হোৱা মাহতে (৪/৮/৪৪) যোগদান কৰা দত্তদেৱে প্ৰথম চাৰিবছৰমান কাল অকলেই ইণ্টাৰমেডিয়েট আৰু দুবছৰৰ পাছত আৰম্ভ হোৱা স্নাতক শ্ৰেণীৰ সকলো পাঠ্যক্ৰম পঢ়াইছিল। তেখেতে ওপৰঞ্চিভাৱে বাংলা বিভাগতো অংশকালীন শিক্ষক হিচাপে পাঠদান কৰিব লগা হৈছিল। এনেদৰে পূৰা ছয়বছৰ কাল পাৰ হোৱাৰ পাছত ১৯৫০ চনত (৫/৮/৫০) আহি আনজন তীক্ষ্ণধী বিদ্বান (প্ৰয়াত) দীনেশচন্দ্ৰ দত্তদেৱে বিভাগটোত যোগদান কৰেহি। তেখেতো কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰা লোক আছিল। তেখেতেও ফণীলাল দত্তদেৱৰ দৰেই অসমীয়া বিভাগটো পাঠদান কৰিবলৈ বাধ্য হৈছিল। ফলত সংস্কৃত বিষয় নথকা কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিজ্ঞান আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে ফণীলাল দত্তদেৱক বাংলা বিষয়ৰ আৰু দীনেশ চন্দ্ৰ দত্তদেৱক অসমীয়া বিষয়ৰ শিক্ষক বুলিহে গণ্য কৰিছিল। অবিভক্ত নলবাৰী জিলাৰ অত্যন্ত মেধাসম্পন্ন সন্তান দত্তদেৱৰ অকল যে সংস্কৃত আৰু অসমীয়া ভাষা-সাহিত্যতে প্ৰচুৰ দখল আছিল তেনে নহয়, ইংৰাজী সাহিত্যতো সমান মানৰে দখল আছিল। সেই কথা নগাঁও মহাবিদ্যালয়ৰ তদানীন্তন কালৰ প্ৰায়বোৰ শিক্ষকৰ মুখে মুখে। তেখেতৰ সাহচৰ্য পোৱা আৰু বৰ্তমানেও জীৱিত হৈ থকা পৰৱৰ্তীকালৰ ইংৰাজী বিভাগৰ মঃ চালেহ, এন. ডি. যোছেফ আৰু কামাখ্যা প্ৰসাদ চৌধুৰীয়ে প্ৰসঙ্গ সাপেক্ষে এতিয়াও সেই কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মোৰ সমকালীন সতীৰ্থ বন্ধু কামাখ্যা প্ৰসাদ চৌধুৰীয়ে দত্তদেৱৰ পাণ্ডিত্যৰ সন্দৰ্ভত দিয়া মন্তব্য এটা মোৰ কাণত এতিয়াও ৰিণি ৰিণি বাজি থাকে। মোটামুটিভাৱে সেই মন্তব্যটোৰ ভাবাৰ্থ এনে ধৰণৰ— দত্ত ছাৰৰ সন্মুখত শ্যেইক্সপিয়েৰৰ বিয়োগান্তক নাটক (tragedy) সমূহৰ সম্পৰ্কত মুখ মেলিবলৈকে ভয় লাগে। কাৰণ নাটককেইখনৰ ওপৰত দত্ত ছাৰৰ যিমান জ্ঞান আৰু দখল আছিল, মই বা আমাৰ দৰে আজিৰ কালৰ ইংৰাজী ভাষা-সাহিত্যৰ শিক্ষাৰ্থীৰ সম্ভৱতঃ তাৰ এক-চতুৰ্থাংশও নাই যেন লাগে। দত্ত ছাৰে নিজে মোক কোৱা এষাৰ কথা এতিয়াও মোৰ মন-বুদ্ধিত অনুৰণিত হৈ আছে। তেখেতে কোৱা কথাষাৰৰ সাৰাংশটো হ'ল এনেকুৱা— গুণ, মই গৰমৰ বন্ধত শ্যেইক্সপিয়েৰৰ ট্ৰেজেদি কেইখন এবাৰ নুলুটিয়ালে বছৰটোৰ বাকীখিনি সময়ত কিবা এটা কৰা নহ'ল বুলি অশান্তি পাই থাকোঁ। এনেকুৱা দুজন মহান শিক্ষকৰ উপস্থিতি আৰু অধ্যাপনা সেৱাৰে পৰিপুষ্ট হৈছিল মহাবিদ্যালয়খনৰ সংস্কৃত বিভাগটো। সমৃদ্ধ পৰম্পৰাৰ এই বিভাগটোত

মোৰ দৰে অকিষ্ণণ জনৰো অন্যতম এজন শিক্ষক হোৱাৰ সুযোগ ঘটে (৮/৯/১৯৭৭ চন)। নতুনকৈ **সন্মান** পাঠ্যক্ৰম (এতিয়া প্ৰধান) আৰম্ভ কৰা (১৯৭১ চনৰ পৰা) বিভাগটোৰ দীৰ্ঘবৰ্তিতা আৰু সমৃদ্ধি সাধনৰ স্বাৰ্থত মোক তৃতীয়জন শিক্ষক কৰিবৰ কাৰণে মোৰ দুয়োজন গুৰুৱেই উদ্যোগ লৈছিল একান্তভাৱে। তেখেতসকলৰ আশা আৰু ইচ্ছাৰ প্ৰতি সন্মান জনায়েই তদানীন্তন অধ্যক্ষ (প্ৰয়াত) মুহিৰাম শইকীয়াদেৱে গৱেষণা বাদ দি মোক কলেজৰ সংস্কৃত বিভাগত যোগদান কৰিবলৈ বাধ্য কৰে। মই কেনেকৈ আহি মহাবিদ্যালয়খনত শিক্ষক হ'লোঁহি সেইখিনি কথা জানিলে পাঠকে হয়তো কিছু ৰস পাব। মই ১৯৭৬ চনত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱাৰ তিনিমাহমানৰ পাছত বিশেষ পৰিস্থিতিত পৰি মই নিজে পঢ়ি অহা কৰৈয়নি উচ্চ মাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ত অনিচ্ছাসত্ত্বেও ইণ্টাৰমেডিয়েট পৰ্যায়ৰ খালী পদ এটাত যোগদান কৰিছিলোঁ, তদানীন্তন প্ৰধান শিক্ষক শ্ৰীযুত হৰিমোহন গোস্বামীক এটা ধৰ্মসংকটৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত। সেই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল তদানীন্তন জিলা স্কুল পৰিদৰ্শক (প্ৰয়াত) মহেশচন্দ্ৰ ভূএগদেৱে (যি পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পদত অধিষ্ঠিত হৈছিল)। সি যি কি নহওক, চাৰিমাহমান মাত্ৰ স্কুলত কাম কৰাৰ পাছত **জে. আৰ. এফ** বৃত্তি পোৱা সূত্ৰে স্কুলৰ চাকৰি ইস্তফা দি গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণাৰ কাম আৰম্ভ কৰি চাৰি-পাঁচ মাহমান হওঁ কি নহওঁতেই সংস্কৃত বিভাগৰ নিৰ্দিষ্ট পদটোৰ বাবে বিজ্ঞাপন ওলায়। পদটো স্থায়ী প্ৰকৃতিৰ হ'লেও অমঞ্জুৰীকৃত হোৱাৰ কাৰণে কলেজ কৰ্তৃপক্ষই বেতনস্বৰূপে মাত্ৰ ৩৩৫/- টকাকৈ দিয়াৰ সিদ্ধান্ত লয়। শইকীয়া ছাৰৰ আন্তৰিক ধমকত পদটোৰ বাবে আৱেদন কৰিবলৈ আহিও বেতনৰ ন্যূনতাৰ কাৰণে আৱেদন কৰিবলৈ মই অমান্তি হোৱাত প্ৰাৰ্থী নোহোৱা অৱস্থাতে মোৰ দ্বাৰা পৰিচালনা সমিতিৰ সভাপতিলৈ বেতন চাৰিশলৈ বঢ়োৱাৰ অনুৰোধেৰে এখন দৰ্খাস্ত লিখোৱাই মোক চাকৰিত যোগদান কৰাৰ বাবে শইকীয়া ছাৰে সুবিধা কৰি দিয়ে। মই যোগদান কৰাৰ প্ৰায় দুবছৰৰ পাছত মোৰ শিক্ষাগুৰু ফণীলাল দত্তদেৱে (৩১/০৭/৭৯) অৱসৰ গ্ৰহণ কৰে। ফণীলাল দত্তদেৱৰ ক্ষেত্ৰত বিভাগে গৌৰৱেৰে উল্লেখ কৰিবলগীয়া কথা এটা হ'ল তেওঁলোক দুয়োজনেই অগা-পিছাকৈ কলেজখনৰ উপাধ্যক্ষৰ পদ অলংকৃত কৰিছিল। ফণীলাল দত্তদেৱেতো প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ অৱসৰৰ সময়ৰ (৫/৯/৬৮) পাছৰে পৰা মুহিৰাম শইকীয়াদেৱে আহি স্থায়ী অধ্যক্ষ স্বৰূপে যোগদান কৰাৰ আগলৈকে (২২/১১/৭১) মহাবিদ্যালয়খনৰ অধ্যক্ষ (ভাৰপ্ৰাপ্ত)ৰ পদো

অলংকৃত কৰিছিল।

ফণীলাল দত্তদেৱৰ অৱসৰসূত্রে খালী হোৱা পদটিত শ্রীমতী অপৰাজিতা (তামুলী) ফুকনে প্রায় দুমাহৰ পাছত (১৮/০৯/৭৯) বিভাগটোত যোগদান কৰে। বিভাগটোৰ ধৰণীস্বৰূপ মোৰ শিক্ষাগুৰু দীনেশচন্দ্র দত্তদেৱৰ অৱসৰৰ সূত্রে (২৮/০২/৮৫) খালী হোৱা পদটোত প্রায় দুমাহৰ পাছতে নগাঁও মহাবিদ্যালয়ৰ পৰা **সংস্কৃত সন্মান** সহ স্নাতক হোৱা স্বৰ্ণ শইকীয়াই যোগদান (২৬/০৪/৮৫) কৰেহি। ইতিমধ্যে উল্লেখ কৰা হৈছেই যে এই লিখকো নগাঁও মহাবিদ্যালয়ৰ পৰাই সন্মান সহ স্নাতক হোৱা এজন ছাত্র। পূৰ্বৰ জ্যেষ্ঠ শিক্ষক দুজনৰ অৱসৰৰ পাছত বিভাগটোত শিক্ষক হিচাপে যোগদান কৰা তিনিগৰাকী শিক্ষকৰ দুগৰাকীয়েই নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰে শিক্ষাৰ্থী বুলি কোৱাৰ লগে লগে পাঠকৰ মনত স্বাভাৱিকতে জিজ্ঞাসা হ'ব যে নগাঁও মহাবিদ্যালয়ত কেতিয়াৰ পৰানো সংস্কৃত-সন্মানৰ পাঠ্যক্রম আৰম্ভ কৰা হ'ল? সেই সন্দৰ্ভত কওঁ যে সংস্কৃত-সন্মানৰ নিয়মীয়া পাঠ্যক্রম নগাঁও কলেজত ১৯৭১ চনৰ পৰাহে আৰম্ভ কৰা হয়, **পি. ইউ.** পৰীক্ষাত সেই বৰ্ষত সংস্কৃতত উচ্চতম নম্বৰ (Highest Mark) পোৱা মোক সংস্কৃত-সন্মান লৈ পঢ়িবলৈ বিশেষভাৱে সুবিধা কৰি দিয়াৰ স্বাৰ্থত। অৱশ্যে, সংস্কৃতত ভাল নম্বৰ পোৱা দেহেশ্বৰী বণিয়া (ইতিপূৰ্বে প্রয়াত) সহ আন চাৰিগৰাকী মেধাৱী শিক্ষাৰ্থীৰ কথাও বিবেচনালৈ অনা হৈছিল। পিছে, তিনিবছৰীয়া পাঠ্যক্রমৰ প্রথম বছৰৰ কলেজে পতা আভ্যন্তৰীন বাৰ্ষিক পৰীক্ষাত ভাল নম্বৰ নোপোৱাৰ অজুহাতত মোৰ আৰু দেহেশ্বৰীৰ বাদে বাকী কেইজনৰ অনাৰ্ছ কাটি দিয়া হ'ল। পাছত অৱশ্যে সংস্কৃতৰ সাধাৰণ পাঠ্যক্রম পঢ়ি স্নাতক হোৱা সেই কেউজনেই সংস্কৃতত স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰিবলৈ সক্ষম হ'ল। তেওঁলোকৰ মাজৰ ঘন ভাগৱতীয়ে ড° মুকুন্দ মাধৱ শৰ্মাদেৱৰ তত্ত্বাৱধানত গৱেষণা কৰি ডক্টেৰেট ডিগ্ৰীও আহৰণ কৰিলে। ১৯৭৪ চনত স্নাতক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ১ম বৰ্ষৰ শিক্ষাৰ্থী আমি দুয়োজনেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম শ্রেণীৰ প্রথম আৰু দ্বিতীয় দুয়োটা স্থানেই দখল কৰিবলৈ সক্ষম হওঁ। বিশ্ববিদ্যালয়ৰ অস্থায়ী অনুমতিৰে নতুনকৈ আৰম্ভ কৰা সংস্কৃত অনাৰ্ছৰ প্রথম বৰ্ষৰ শিক্ষাৰ্থীদ্বয়ৰ এনে ফলাফল বিভাগ তথা কলেজৰ বাবে গৌৰৱৰ বিষয় হ'ল। তদুপৰি, সেই বৰ্ষতে এই লিখক দৈৱক্রমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা শাখাৰো **শ্রেষ্ঠ স্নাতক** (Best Graduate) হোৱা কথাটো কলেজ আৰু বিভাগৰ বাবে আন এটা গৌৰৱৰ বিষয় হ'ল।

বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সেই ধৰণৰ সাফল্যৰ ধাৰা কেইটামান বৰ্ষ বাদ দি সকলো বৰ্ষতে অব্যাহত আছিল। মাজতে পাঁচটামান বৰ্ষত সন্মানৰ পাঠ্যক্ৰম ল'বলৈ আন্তৰিতাৰে অহা শিক্ষাৰ্থীৰ অভাৱ ঘটাৰ কাৰণে সন্মান পাঠ্যক্ৰমৰ ক্ষেত্ৰত সেই বৰ্ষকেইটাত বিশেষ একো কৃতিত্ব প্ৰদৰ্শন কৰিব পৰা হোৱা নাছিল। কি কথা হ'ল নাজানো, তাৰ পাছৰে পৰা পুনৰ বিভাগলৈ সংস্কৃত সন্মানৰ পাঠ্যক্ৰম ল'বলৈ আশাপ্ৰদভাৱে শিক্ষাৰ্থী আহিবলৈ ধৰিলে আৰু বৰ্তমান পৰ্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়েই ঈৰ্ষণীয় ফলাফল দেখুৱাই আহিছে। প্ৰায় ৩৫ বছৰ কাল অধ্যাপনা কৰাৰ পাছত মই ২০১৩ চনৰ ৩১ মাৰ্চত অৱসৰ লওঁ। সেই বছৰৰে ডিচেম্বৰ মাহত নগাঁৱৰ এগৰাকী মেধাৱী কন্যা ৰশ্মি গোস্বামীয়ে খালী হোৱা উক্ত পদটিত যোগদান কৰে আৰু প্ৰায় ৪ বছৰ অধ্যাপনা কৰি ২০১৭ চনৰ ৭ ডিচেম্বৰ তাৰিখে এই মহাবিদ্যালয় এৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগত সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰে। ইপিনে ২০১৭ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখত বিভাগৰ আনগৰাকী জ্যেষ্ঠ অধ্যাপিকা অপৰাজিতা তামুলী ফুকনে অৱসৰ লয়। পুনৰ ২০১৮ চনৰ জানুৱাৰী মাহত বিভাগটোৰ শেষগৰাকী জ্যেষ্ঠ অধ্যাপিকা স্বৰ্ণ শইকীয়াই অৱসৰ গ্ৰহণ কৰে।

পিছে দুখৰ কথা, এনেকুৱা এটা প্ৰাণচঞ্চল ঐতিহ্য বিজড়িত বিভাগত এই লেখা প্ৰস্তুত কৰা পৰ্যন্ত কলেজ এৰি যোৱা আৰু অৱসৰৰ সূত্ৰে খালী হোৱা পদকেইটা (এই লেখাটো প্ৰস্তুত কৰা পৰ্যন্ত) চৰকাৰী মেৰপেছৰ বাবে পূৰাব নোৱৰাৰ কাৰণে বিভাগটো স্থায়ী অভিভাৱকবিহীন হৈ আছে। আশা ৰাখিম, অতি সোনকালে সংশ্লিষ্ট সকলো পক্ষৰ প্ৰয়াসত এই বিপৰ্যয় দূৰ হ'ব।

বয়সৰ লেখেৰে ২০১৮ চনৰ আগষ্ট মাহত বিভাগটোৱে কলেজৰ লগতে স্বাভিমান অটুট ৰাখি পঁয়সত্তৰ বছৰত ভৰি দিছে। আনফালে সন্মানৰ পাঠ্যক্ৰম সফলতাৰে চলাই গৌৰৱৰ অধিকাৰী হোৱা বিভাগটোৱে ২০১৯ চনৰ আগষ্টত সোণালী জয়ন্তী বৰ্ষত প্ৰায় ভৰি দিওঁ দিওঁ হৈছে। ই নগৰীয়া সুধী ৰাইজ, নগাঁও কলেজৰ সংস্কৃত বিভাগৰ নবীন-প্ৰবীণ সকলো শিক্ষাৰ্থীৰ কাৰণে কম গৌৰৱৰ কথা নহয়। কিমধিকমিতি।

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ

# গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন প্ৰথম মন্ত্ৰীসভা ঃ নগাঁৱৰ ভূমিকা

ড° জ্যোতিৰ্ময় জানা

১৯৩৫ চন ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা সোণালী জয়ন্তী বছৰ। এই বছৰতেই ভাৰতে পালে গৰ্বণমেণ্ট অৱ ইণ্ডিয়া এক্ট ১৯৩৫। ১৯৩৭ চনৰ ১ এপ্ৰিলত এই নতুন ভাৰত শাসন বিধি বলবৎ কৰা হয়; কিন্তু ১৯৩৬ চনৰ পৰা এই শাসনবিধি অনুযায়ী নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ হৈ যায় আৰু ১৯৩৭ চনৰ জানুৱাৰী মাহৰ ভিতৰতেই নিৰ্বাচন শেষ হয়। এই নিৰ্বাচন ব্যৱস্থাত জাতি, জনজাতি আৰু সম্প্ৰদায়ৰ নামত সমষ্টি নিৰ্ধাৰণ কৰা হৈছিল। তেতিয়া অসম বিধানসভাৰ সদস্য সংখ্যা আছিল মুঠ ১০৮জন আৰু নগাঁৱৰ পৰা নিৰ্বাচিত সদস্যসংখ্যা আছিল ৭ জন -- দুজন মুছলমান, এজন অনুসূচিত জাতিৰ, এজন অনুসূচিত জনজাতিৰ আৰু তিনিজন সাধাৰণ। আমি সাম্প্ৰদায়িক মনোভাৱেৰে এই ব্ৰেক-আপ দিয়া নাই; সাম্প্ৰদায়িক তেতিয়াৰ নিৰ্বাচন হৈছিল কাৰণে আমি দিয়া এই সাম্প্ৰদায়িক ব্ৰেক-আপ। তেতিয়া নগাঁও জিলা কংগ্ৰেছৰ সভাপতি আছিল পূৰ্ণচন্দ্ৰ শৰ্মা। মতিৰাম বৰা আৰু বৃন্দাৱন চন্দ্ৰ গোস্বামীৰ দৰে কংগ্ৰেছৰ সুপৰিচিত নেতাসকল তেতিয়া তৰুণৰাম ফুকনৰ নেতৃত্বাধীন ইউনাইটেড পিপলছ পাৰ্টিত আছিল। ৰঙীয়া সমষ্টিত তৰুণৰাম ফুকন পৰাজিত হয় জাতীয় কংগ্ৰেছ নেতা সিদ্ধিনাথ শৰ্মাৰ হাতত। জাতপাত আৰু সম্প্ৰদায়ৰ নামত অনুষ্ঠিত এই নিৰ্বাচনত নগাঁও কংগ্ৰেছ অনুসূচিত জাতি, জনজাতি আৰু মুছলমান প্ৰাৰ্থী দিব পৰা অৱস্থাত নাছিল। হলধৰ ভূঞা তেতিয়া কংগ্ৰেছৰ পৰা সাময়িকভাৱে আঁতৰি আছিল। পূৰ্ণচন্দ্ৰ শৰ্মাই তেওঁক বুজাই মেলি নগাঁও পশ্চিম (মৰিগাঁও) সমষ্টিত ইউনাইটেড পিপলছ পাৰ্টিৰ প্ৰাৰ্থী মতিৰাম বৰাৰ বিৰুদ্ধে থিয় কৰালে। বাঘ আৰু

সিংহৰ এই যুদ্ধত হলধৰ ভূএগ্ৰা জিকিল, বৰা পৰাস্ত হ'ল। কামপুৰৰ (নগাঁও দক্ষিণৰ) কংগ্ৰেছ প্ৰাৰ্থী আছিল মহীচন্দ্ৰ বৰা। তেখেতৰ বিৰুদ্ধে প্ৰবল প্ৰতাপী প্ৰাৰ্থী আছিল বৃন্দাৱন চন্দ্ৰ গোস্বামী। গোস্বামী লোকেল ব'ৰ্ডৰ চেয়াৰমেনো আছিল আৰু ৰায়চাহাব গোলোকচন্দ্ৰ গোস্বামীৰ সমৰ্থনপুষ্ট আছিল। তথাপি বৰাৰ ওচৰত গোস্বামী পৰাজিত হৈছিল। ডিমৌৰ পৰা বাগৰিলৈকে বিস্তৃত নগাঁও টাউন সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী আছিল বিষ্ণুচৰণ বৰা আৰু ভদ্ৰেশ্বৰ বৰুৱা। শৰ্মাৰ মতে তেওঁক হৰুৱাবৰ কাৰণে নগাঁৱত ব্ৰাহ্মণবিদ্বেষ বিয়পাই দিয়া হৈছিল আৰু বিষ্ণুচৰণ বৰাই হেনো ব্ৰাহ্মণক হৰুৱাই জিকাৰ উদ্দেশ্যেৰেই ভোটত উঠিছিল। কিন্তু সৰহভাগ ভোটাৰেই শৰ্মাক বামুণৰ ঠেক গণ্ডীত আবদ্ধ নাৰাখি তেওঁকেই জিকাই দিলে। শৰ্মাই সাত হাজাৰৰ অধিক, বৰাই প্ৰায় চাৰি হাজাৰ আৰু বৰুৱাই চাৰি হাজাৰ ভোট পাইছিল। ভোটত শৰ্মাৰ খৰচ হৈছিল ৮৬৮ টকা। তেওঁৰ প্ৰতীক আছিল এটা গোনা ম'হ। সেই নিৰ্বাচনত কলিয়াবৰ অনুসূচিত জাতিৰ বাবে এখন আসন আছিল। তাত মহেন্দ্ৰনাথ শইকীয়াক কংগ্ৰেছ প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পূৰ্ণচন্দ্ৰ শৰ্মাই অনুৰোধ কৰিছিল। শইকীয়াই তেওঁৰ অনুৰোধলৈ ইতিবাচক সঁহাৰিও জনাইছিল। কিন্তু শেষ মুহূৰ্তত কংগ্ৰেছৰ হৈ নিৰ্বাচন খেলিবলৈ তেওঁ অমান্তি হ'ল। ছাৰ সাদ্‌উল্লা'ৰ উচটনিতহে শইকীয়াই প্ৰতিশ্ৰুতি ৰক্ষা নকৰা বুলি শৰ্মাৰ অভিযোগ। তাত অনুসূচিত জাতিভুক্ত আন প্ৰাৰ্থীসকল আছিল মহেন্দ্ৰনাথ দাস, সোনাধৰ দাস সেনাপতি, মহেন্দ্ৰ সৰকাৰ আৰু দীননাথ সৰকাৰ।

সেই সময়ৰ সমষ্টিবোৰত ভোটাৰৰ সংখ্যা আছিল অতি কম। এটা ন্যূনতম শিক্ষাৰ অধিকাৰী আৰু ন্যূনতম পৰিমাণৰ খাজানা আদায় দিয়া পট্টাদাৰসকলে ভোট দিব পাৰিছিল। এই নিৰ্বাচনত ভোটাৰ হ'বৰ কাৰণে সা-সম্পত্তি থকাটো জৰুৰী আছিল। "সেই সময়ৰ নিৰ্বাচন বিলাকত সকলো দলেই একেলগে সভাসমিতি পাতিছিল আৰু সকলো প্ৰাৰ্থীয়ে একেখন সভাত বহি ৰাইজৰ আগত নিজৰ কাৰণে সমৰ্থন বিচাৰিব পাৰিছিল।" -- লিখিছে পূৰ্ণচন্দ্ৰ শৰ্মাই তেওঁৰ *মোৰ অতীত সোঁৱৰণী আৰু নগাঁও জিলাৰ মুক্তি সংগ্ৰাম* কিতাপখনৰ দ্বিতীয় খণ্ডত তাত কেবাখনো নিৰ্বাচনী সভাৰ সৰস বৰ্ণনা আছে। গোমোঠাগাঁৱৰ নামঘৰত অনুষ্ঠিত এখন সভাত পূৰ্ণচন্দ্ৰ শৰ্মা আৰু তেওঁৰ প্ৰতিদ্বন্দ্বী ভদ্ৰেশ্বৰ বৰুৱা উপস্থিত আছিল। আন এজন প্ৰাৰ্থী বিষ্ণুচৰণ শৰ্মা অহা নাছিল যদিও তেওঁৰ প্ৰতিনিধি স্বৰূপে সভাত উপস্থিত আছিল উৰিয়াগাঁৱৰ ভদ্ৰকান্ত হাজৰিকা। সভাখনৰ বৰ্ণনা শৰ্মাৰ লেখাৰ পৰা হুবহু তুলি দিলোঁঃ

বহুপৰ ৰ'লো কিন্তু মানুহ নাই। শুনিলো কেবাখনো গাঁৱৰ মুখীয়াল কেইজনমানে আহি ওচৰৰ মানুহৰ ঘৰতে সোমাই সভাৰ ৰায় শুনিবলৈ খাপ লৈ আছে; সভালৈ নাহে, জানো কথা দি বান্ধ খায়। পেটত যি আছে আছে। সভা হোৱাৰ লক্ষণ নাই, কিন্তু বৰুৱাৰ পক্ষৰ ইঙ্গিত পাইছিলো সভা সেই কেইজনেৰে হ'ব লাগে। ঁভানু সুত আৰু শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাক মাতি নি ক'লো যে যদি সভা পাতিব খোজেই মোকে সভাপতি পাতে যেন, উদ্দেশ্য যে সভাপতি হৈ শেহত সকলো কথা বুজাবলৈ আৰু জাৰিবলৈ সুবিধা হ'ব। মই প্ৰস্তাৱ কৰিলোঁ যে সভা কেনেকৈ হ'ব মানুহ মুঠেই ৮ জনহে। ঁপ্ৰতাপ শৰ্ম্মাই দাবী কৰিলে যি হৈছে সভা হ'বই লাগে। তেতিয়াই শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাই প্ৰস্তাৱ কৰিলে সভাপতিৰ কাৰণে মোৰ নাম আৰু তেওঁৰ কথা শেষ নহওঁতেই ঁভানু সুতে সমৰ্থন কৰিলে আৰু লগে লগে ময়ো সভাপতিৰ পদ গ্ৰহণ কৰি ঠিয় হ'লোৱেই। ঁপ্ৰতাপ শৰ্ম্মাই প্ৰতিবাদ কৰিলে প্ৰাৰ্থী কিয় সভাপতি হ'ব লাগিছে, আন এজন হওক। মই উত্তৰ দিলো ৰাইজে যেতিয়া বিচাৰিছে আপত্তি কি। ঁশৰ্ম্মাই আৰু ঁবৰুৱাই প্ৰমাদ গণি অলপ পৰলৈ প্ৰতিবাদ কৰিয়েই আছিল। মৌখিক কাৰ্য্যসূচীৰেই প্ৰাৰ্থী সকলে নিজে নিজে কি ক'বলগা আছে ক'বলৈ দিয়াত ঁপ্ৰতাপ শৰ্ম্মাই মোক প্ৰথমে ক'বলৈ কোৱাত মই থুলমুলকৈ মাত্ৰ দুআষাৰ কলোঁ, কাৰণ পিচত ক'বলৈ পামেই। মোৰ পিচত ঁবৰুৱাদেৱে ক'লে তেখেতে দেশৰ সেৱা কৰিবলৈ ওলাইছে। তেখেতৰ পিচতে ঁবিষ্ণুচৰণ বৰাৰ হৈ ভদ্ৰকান্ত হাজৰিকা উঠি পোনতেই ক'লে, "শৰ্ম্মা ডাঙৰীয়া বামুণ মানুহ। তেখেতে কলিয়াবৰত কৈ আহিছে মোক শূদিৰৰ ভোট নালাগে। তেনেস্থলত ৰাইজে তেওঁক কিয় ভোট দিব ?" তাৰ পিচতে সমজুৱাৰ ফালৰ পৰা ঁওজাদেৱে মোৰ প্ৰাৰ্থীত্ব সমৰ্থন কৰিলে আৰু কংগ্ৰেছৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। ঁপ্ৰতাপ শৰ্ম্মাই কংগ্ৰেছক নিন্দা কৰিলে আৰু কংগ্ৰেছক ভোট দিলে নামঘৰ বিলাক মছজিদ হ'ব ইত্যাদি ইত্যাদি কৈ ভাষণ দিলে। তাৰ পিচতে শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাই পোনপতিয়াকৈ ঁবৰুৱাৰ বিৰুদ্ধে অভিযোগ আনি ক'লে, "বৰুৱাদেৱক ভোট দিব নোৱাৰি, তেখেতেই লোকেল বোৰ্ডত গাড়ীত টেক্স লগালে, ইত্যাদি; কংগ্ৰেছ প্ৰাৰ্থীকহে ভোট দিব লাগে।" বাকবিতণ্ডা অলপ হ'ল, তাৰ পিছত ক'বলৈ মানুহ নায়েই। মই সভাপতিৰ আসনৰ পৰা কংগ্ৰেছৰ সম্পৰ্কত যথাসাধ্যে ক'লো আৰু ঁভদ্ৰ হাজৰিকাৰ উক্তিৰ তীব্ৰ গৰিহণা দিলো। কথা শেষ হোৱাৰ লগে লগে মোক নামঘৰত সেৱা জনাবলৈ কৈ শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাই হৰিধ্বনি দিলেই – "কংগ্ৰেছৰ

জয় হওক", "জয় হৰি বোলা", "জয় ৰাম বোলা"। লগত মাত দিবলৈ অকল ঁভানু সুত, তেওঁৰ ককায়েক ঁপুনিৰাম, ঁওজা আৰু মই। বৰকৈ চিঞৰাত ধ্বনি কিছু দূৰলৈকে গৈছিল, ডবাও বাজিল আৰু সভাৰ ৰায় কংগ্ৰেছক ভোট দিব লাগে বুলি প্ৰচাৰ হ'ল। ঁপ্ৰতাপ শৰ্ম্মাই ওলাই আহি মাত্ৰ বকি বকি আহিল, "বৰ অন্যায়, বৰ অন্যায়। প্ৰাৰ্থী নিজেই সভাপতি হয়" ইত্যাদি ইত্যাদি।

তাৰ পিচদিনাই কাটনিগাঁৱত এখন সভাত ঁবিষ্ণুচৰণ বৰাও উপস্থিত। সেই দিনাৰ উপস্থিতি কম হ'লেও ৰায় সেই একেই হ'ল। আৰু এদিন কলিয়াবৰত কুৰৱীটোল মজলীয়া স্কুলত আমি তিনিওজন প্ৰাৰ্থী উপস্থিত। তাতে লকেল বোৰ্ডৰ চেয়াৰমেন ঁবৃন্দাৱনচন্দ্ৰ গোস্বামীও। সভাত উপস্থিতিৰ সংখ্যা যথেষ্ট, যিহেতু তিনিওপক্ষ আৰু লকেল বোৰ্ডৰ চেয়াৰমেনো আহিছে। সভাত আমি তিনিওজন প্ৰাৰ্থীয়ে ভাষণ দিওঁ। ঁবিষ্ণু বৰাই কলিয়াবৰত এখন হাইস্কুলৰ প্ৰতিশ্ৰুতি দিলে আৰু ঁবৰুৱায়ো আশ্বাস দিলে মধ্যস্থলত এখন হাইস্কুল দিব। মই কলোঁ – "এখন হাইস্কুল কিয়, অন্ততঃ তিনিখন হ'বই লাগিব, কলিয়াবৰত কলেজ হ'ব, বিশ্ববিদ্যালয় হ'ব লাগিব।" আটাইকেজনে গিৰ্জনি মাৰি হাঁহিলে। (আৰু আজি কি ?)

আমি জানো, কলিয়াবৰ কলেজখন প্ৰতিষ্ঠিত হৈছিল ১৯৬৯ চনত। আৰু বিশ্ববিদ্যালয় ? ---- নক'লোৱেই বা ! --- আজিৰ দৰে তেতিয়াও পূৰণ কৰিব নোৱৰা প্ৰতিশ্ৰুতিৰ উজান হৈছিল নিৰ্বাচনী সভাবোৰত।

কংগ্ৰেছৰ ফালৰ পৰা হলধৰ ভূএঞা, পূৰ্ণচন্দ্ৰ শৰ্মা আৰু মহীচন্দ্ৰ বৰাই সাধাৰণ সমষ্টিবোৰত জিকিলেও কংগ্ৰেছে নগাঁও তথা অসমত এজনো মুছলমান প্ৰাৰ্থী থিয় কৰাব পৰা নাছিল। কংগ্ৰেছ একান্তভাৱে হিন্দুৰ দল বুলি জিন্নাই দিনে নিশাই প্ৰচাৰ চলোৱাৰ ফলত মুছলমান ভোটাৰৰ সৰহভাগ বিভ্ৰান্ত হৈছিল। তদুপৰি এটা গুৰুত্বপূৰ্ণ স্থানীয় কাৰণো আছিল --- লাইন প্ৰথা, যাৰ প্ৰধান ভুক্তভোগী আছিল পূৰ্ববঙ্গৰ পৰা অহা মুছলমান খেতিয়কসকল। তেওঁলোকক খিলঞ্জীয়া মানুহৰ পৰা নিলগাই ঘাইকৈ নৈপৰীয়া অনুন্নত ঠাইবোৰত মাটিৰ পত্তন দিয়া হৈছিল। ১৯৩৬ চনৰ শেষৰ ফালে মুছলিম লীগৰ প্ৰতিষ্ঠাতা তথা বঙ্গ-বিভাজনৰ উগ্ৰ সমৰ্থক ঢাকাৰ নবাব চলিমুল্লাহ নগাঁও জিলাৰ মুছলিম অধ্যুষিত আলিটাঙনিলৈ আহিছিল। তাত তেওঁ ছাৰ সাদ্উল্লাৰে সৈতে এখন বিশাল জনসভাত ভাষণ দিছিল। সভাখনত তেওঁলোকে মুছলিম লীগৰ প্ৰাৰ্থীৰ উপৰি লীগ-সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনাইছিল। ইয়াৰ ফলত কংগ্ৰেছে মুছলমান সমষ্টিবোৰত প্ৰাৰ্থী দিবলৈ অপাৰগ হৈছিল। নগাঁৱৰ ডবকা

আৰু ৰূপহীতো কোনো কংগ্ৰেছ প্ৰাৰ্থী নাছিল। ডবকাৰ পৰা জিকিছিল মুছলিম লীগ-সমৰ্থিত ওছমান আলি সদাগৰ আৰু ৰূপহীৰ পৰা মুছলিম লীগ প্ৰাৰ্থী মহম্মদ আমিৰুদ্দিন। সদাগৰে খান বাহাদুৰ নুৰুদ্দিন আহমেদক আৰু আমিৰুদ্দিনে মহম্মদ ৰফিকক পৰাজিত কৰি বিজয় সাব্যস্ত কৰিছিল। বিজয়ী দুজন পমুৱা আৰু পৰাজিত দুজন খিলঞ্জীয়া মুছলমান আছিল। ওছমান আলি সদাগৰৰ পুত্ৰ আব্দুল হাই নগাঁৱৰ এডিপি কলেজৰ অধ্যক্ষ আছিল যদিও স্বয়ং সদাগৰ নামমাত্ৰ শিক্ষাৰ অধিকাৰী আছিল। পূৰ্ণচন্দ্ৰ শৰ্মাৰ মতে তেতিয়া অসম বিধানসভাৰ কামকাজ ইংৰাজীতেই হৈছিল আৰু মাত্ৰ দুই-এজনেহে অসমীয়াত ভাষণ দিছিল। শিলচৰৰ অৰুণকুমাৰ চন্দৰ ইংৰাজী উচ্চাৰণ আছিল অক্সনিয়ান, দেৱেশ্বৰ শৰ্মা আৰু ফকৰুদ্দিন আলি আহমেদ'ৰ বক্তৃতাৰ ইংৰাজী আছিল চিত্তাকৰ্ষক। এনেস্থলত আইনসভাত ওছমান আলি সদাগৰৰ বাবে কামকাজ কৰাটো যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ আছিল। আনহাতে আমিৰুদ্দিন আছিল অসাধাৰণ মেধাৱী। ঢাকা বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা আৰু ইণ্টাৰমিডিয়েট পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি ১৯২০ চনত কলকাতাৰ প্ৰেচিডেন্সি কলেজত তেওঁ নাম লগাইছিল। বিএ পৰীক্ষা দিবৰ কাৰণে তেওঁ ফৰ্মও পূৰণ কৰিছিল; কিন্তু পৰীক্ষাত নবহি তেওঁ কলকাতাত অহিংস অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰে। এজন গান্ধী-অনুৰাগী ব্যক্তিৰূপে ৰাজনৈতিক জীৱনৰ পাতনি মেলা আমিৰুদ্দিন পিছলৈ জিন্নাহ-অনুগামীত পৰিণত হয়। ১৯৩২ চনত তেওঁ নগাঁৱলৈ আহে আৰু মোক্তাৰি পাছ কৰি ওকালতি কৰাৰ উপৰি মুছলিম লীগৰ ৰাজনীতিও খেলিবলৈ লয়। পিছত কংগ্ৰেছৰ সমৰ্থনত তেওঁ প্ৰাদেশিক আইন সভাৰ ডেপুটি স্পীকাৰ নিৰ্বাচিত হৈছিল। স্বাধীনতা আন্দোলনৰ অংশগ্ৰহণ কৰা আমিৰুদ্দিনে প্ৰেছিডেন্সি কলেজত যি শিক্ষা সাং কৰিব নোৱাৰিলে, সেই শিক্ষা তেওঁ সাং কৰে ১৯৫৯ খ্ৰীষ্টাব্দত নগাঁৱত এডিপি কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত। ১৯৬১ চনত --- অৰ্থাৎ জীৱনৰ ৬৩ বছৰ বয়সত --- তেওঁ কলেজখনৰ নৈশ শাখাত নাম লগাই কলেজীয়া পাঠ সম্পূৰ্ণ কৰে। তেখেতৰ বয়স আৰু পদমৰ্যদাৰ কথা চিন্তা কৰি শ্ৰেণীকোঠাত বহিবৰ কাৰণে তেখেতক এখন চকী দিয়া হৈছিল। যিয়েই নহওক, ৰাধিকামোহন গোস্বামীয়ে উল্লেখ কৰা মতে, ১৯৩৭ চনৰ সেই নিৰ্বাচনত পূৰ্ববঙ্গমূলৰ মুছলমান ভোটৰ উপৰি বাঙালী ভোটৰ এটা ভাল অংশ সদাগৰ আৰু আমিৰুদ্দিনৰ পক্ষে যোৱাত খিলঞ্জীয়া মুছলমান প্ৰাৰ্থী নুৰুদ্দিন আহমেদ আৰু মহম্মদ ৰফিক পৰাজিত হৈছিল। ১৯২০ৰ দশকৰ শেষৰ ফালে আহমেদে নগাঁৱত তবলিক

আন্দোলনৰ নেতৃত্ব দিছিল। লাইন চিষ্টেম কমিটিৰ আগত দিয়া একাধিক সাক্ষ্যত প্ৰকাশ যে ১৯৩৫ চনত প্ৰতিষ্ঠিত Assam Domiciled and Settlers' Associationএ বাঙালী হিন্দু আৰু পমুৱা মুছলমানৰ মাজত কিছু ঐক্য গঢ়ি উঠিছিল।

১৯৩৭ চনৰ নিৰ্বাচনত কংগ্ৰেছে ১০৮জনীয়া প্ৰাদেশিক আইন সভাত ৩৩খন আসন দখল কৰি বৃহত্তম দলত পৰিণত হ'ল। কিন্তু অনুসূচিত জাতি, জনজাতি আৰু মুছলিম সদস্যসকলৰ সৰহভাগেই কংগ্ৰেছৰ বিৰুদ্ধে থকাত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিব নোৱাৰিলে। সুৰমা উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অৰিয়াঅৰিয়েও কংগ্ৰেছী মন্ত্ৰীসভা গঠনৰ বাটত হেঙাৰ হৈ থিয় দিছিল। দক্ষ ৰাজনীতিজ্ঞ তথা অসম উপত্যকাৰ মুছলিম গ্ৰুপৰ নেতা ছাৰ সাদ্‌উল্লাই ৰোহিনীকুমাৰ চৌধুৰীৰ নেতৃত্বাধীন ইউনাইটেড পিপলছ পাৰ্টিকে ধৰি সমূহ অকংগ্ৰেছী শক্তিক একত্ৰিত কৰি ১৯৩৭ চনৰ ১ এপ্ৰিল তাৰিখে ৰাজ্যত এখন কোৱালিচন চৰকাৰ গঠন কৰে। তথাপি নগাঁও জিলাৰ পৰা জিকি যোৱা তিনিজন কংগ্ৰছ সদস্যৰ অদম্য আৰু অক্লান্ত চেষ্টাত সুৰমা উপত্যকাৰ বসন্তকুমাৰ দাসক আইন সভাৰ অধ্যক্ষ আৰু মহম্মদ আমিৰুদ্দিনক উপাধ্যক্ষ পাতিব পৰা গ'ল। উপাধ্যক্ষজন মুছলিম লীগৰ হ'ল যদিও অধ্যক্ষজন কংগ্ৰেছৰে হ'ল। কংগ্ৰেছৰ কাকো প্ৰধানমন্ত্ৰী (আজিৰ দিনত যিসকলক 'মুখ্যমন্ত্ৰী' বোলা হয়, তেওঁলোককেই তেতিয়া প্ৰধানমন্ত্ৰী বোলা হৈছিল) পাতিবলৈ প্ৰয়োজনীয় সংখ্যা বা ৰাজনৈতিক দক্ষতা তেওঁলোকৰ নাছিল। কিন্তু মন্ত্ৰীসভা বগৰোব পৰা বুদ্ধি তেওঁলোকৰ আছিল। ফলত ১৯৩৮ চনৰ ১৩ ছেপ্টেম্বৰত মন্ত্ৰীসভাৰ বিৰুদ্ধে এক অনাস্থা প্ৰস্তাৱ অহাত ছাৰ সাদ্‌উল্লাই পদত্যাগ কৰে। ১৫ ছেপ্টেম্বৰত সেই সময়ৰ কংগ্ৰেছ পাৰ্লিয়ামেণ্টাৰি ব'ৰ্ডৰ সভাপতি মৌলানা আবুল কালাম আজাদ সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙত উপস্থিত হয়। পৰিস্থিতি অধ্যয়ন কৰি আৰু কংগ্ৰেছ নেতাসকলৰ বক্তব্য শুনি তেওঁ অভিমত দিলে যে যিহেতু মন্ত্ৰীসভা গঠন কৰিব পৰা এম এল এ সংখ্যা কংগ্ৰেছৰ নাই সেই হেতুকে কংগ্ৰেছে চৰকাৰ গঠন কৰিব নালাগে। অৱশ্যে তেওঁ গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি আদিৰ লগত পৰামৰ্শ কৰি স্বয়ং কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুক আমন্ত্ৰণ জনোৱাৰ পক্ষে মত দিলে। পূৰ্ণচন্দ্ৰ শৰ্মাই লিখিছেঃ "আমাৰ সন্দেহ হৈছিল তেওঁ ছাৰ চাদুল্লাৰ মন্ত্ৰীসভাই চলি থকা বিচাৰিছে নেকি!" আমাৰ বোধেৰে যিসকলে আজাদৰ এই সিদ্ধান্তত সাদ্‌উল্লাৰ প্ৰতি দুৰ্বলতাৰ গোন্ধ পাইছিল তেওঁলোকে ভুল কৰিছিল, কিয়নো সুভাষচন্দ্ৰক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্তত স্বয়ং আজাদো আছিল। যিয়েই নহওক,

আমন্ত্রণ পোৱাৰ পিছত নেতাজী অসমৰ সেই সময়ৰ ৰাজধানী শ্বিলঙত উপস্থিত হয় আৰু বৰাক-ব্ৰহ্মপুত্ৰৰ অৰিয়াঅৰি ভাঙি, জনজাতীয় আৰু অনুসূচিত জাতিৰ সদস্যসকলক কংগ্ৰেছৰ ফলীয়া কৰি অসমত পোনপ্ৰথমবাৰৰ কাৰণে এখন কংগ্ৰেছী মন্ত্ৰীসভা গঠনৰ ব্যৱস্থা কৰে। সেই সময়ত শ্বিলঙত নেতাজীৰ আগত নগাঁৱৰ চফল ডেকা লক্ষ্মীপ্ৰসাদ গোস্বামীয়ে অসমত কংগ্ৰেছী মন্ত্ৰীসভা গঠনৰ পক্ষে যুক্তি দৰ্শাই বলিষ্ঠ ভাষণ দিছিল।

১৯৩৮ চনৰ ১৯ ছেপ্টেম্বৰত ঘোষিত Gazette Extra-ordinaryত গোপীনাথ বৰদলৈকে ধৰি অসমৰ এইখন প্ৰথম কংগ্ৰেছী মন্ত্ৰীসভাৰ যিখন তালিকা ওলাল তাত নিম্নলিখিত ব্যক্তিসকলৰ নাম আছিলঃ

১। গোপীনাথ বৰদলৈ (কংগ্ৰেছ) -- প্ৰধানমন্ত্ৰী; গৃহ আৰু শিক্ষা।

২। অমিয়কুমাৰ দাস (সংবিধান বিশেষজ্ঞ) -- আবকাৰী আৰু কৃষি।

৩। ৰামনাথ দাস (নিৰ্দলীয়) -- চিকিৎসা আৰু জনস্বাস্থ্য।

৪। কামিনীকুমাৰ সেন (নিৰ্দলীয়) -- আইন, বিচাৰ, স্থানীয় স্বায়ত্ত শাসন আৰু সাধাৰণ।

৫। ৰূপনাথ ব্ৰহ্ম (নিৰ্দলীয়) -- বন আৰু পঞ্জীয়ন।

এমাহৰ পিছত -- ১৯৩৮ চনৰ ২০ অক্টোবৰত তিনিজন ব্যক্তিক অৰ্ন্তভুক্ত কৰি মন্ত্ৰীসভাখনৰ সম্প্ৰসাৰণ ঘটোৱা হয়ঃ

৬। ফকৰুদ্দিন আলি আহমেদ (নিৰ্দলীয় হিচাপে জিকি আহি পিছত কংগ্ৰেছ) -- বিত্ত আৰু ৰাজহ।

৭। মাহমুদ আলি (নিৰ্দলীয়) -- সমবায় আৰু উদ্যোগ।

৮। আলি হায়দৰ খান (নিৰ্দলীয়) -- গড় কাপ্তানি।

নেতাজীৰ তৎপৰতাত আৰু তৰুণৰাম ফুকনৰ সহযোগত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছী মন্ত্ৰীসভা গঠন কৰা হ'ল যদিও ১৯৩৯ চনত সৰ্বভাৰতীয় স্তৰত কংগ্ৰেছে আইন সভা বৰ্জনৰ সিদ্ধান্ত ল'লে। তেতিয়া নেতাজী কংগ্ৰেছত নাছিল যদিও অসমক exception বা ব্যতিক্ৰম বুলি গণ্য কৰি তেওঁ অসমত গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন চৰকাৰখন চলাই যোৱাৰ পক্ষে মত দিলে। কিন্তু সেই সময়ৰ কংগ্ৰেছ সভাপতি মৌলানা আজাদে অসমক ব্যতিক্ৰম বুলি গণ্য কৰাৰ যুক্তি গ্ৰহণ নকৰাত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰে। এনে পৰিস্থিতিত নগাঁও কছাৰী চৌহদত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। হলধৰ ভূঞা, মতিৰাম বৰা,

মহীচন্দ্ৰ বৰা, বিমলাকান্ত বৰা আৰু প্ৰতাপচন্দ্ৰ শৰ্মাৰ দৰে নগাঁও জিলা কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলৰ উপৰি তাত অন্যান্য দল সংগঠনৰ মানুহো উপস্থিত আছিল। তাত উপস্থিত আছিল হিন্দু মহাসভাৰ ৰাধিকামোহন গোস্বামীও। সভাত এক প্ৰস্তাৱযোগে কংগ্ৰেছক আইনসভালৈ উভতি যোৱাৰ বাবে কংগ্ৰেছ নেতৃত্বক অনুৰোধ জনোৱা হয়। প্ৰত্যাখ্যাত হৈছিল সেই প্ৰস্তাৱ। গতিকে সাদ্উল্লা-নেতৃত্বাধীন কোৱালিচন চৰকাৰ পুনৰ ক্ষমতালৈ ঘূৰি আহে। নগাঁৱৰ মহেন্দ্ৰনাথ শইকীয়া মন্ত্ৰীসভাৰ সদস্য হ'ল।

মন কৰিবলগীয়া কথা এই যে নগাঁৱৰ ৰাজহুৱা সভাত গৃহীত সেই প্ৰস্তাৱটো নেতাজীৰ প্ৰস্তাৱৰ লগত সঙ্গতিপূৰ্ণ হোৱাৰ উপৰি সেই সময়ত নেতাজীত সম্পূৰ্ণ বিপৰীত মেৰুত থকা মহাত্মা গান্ধীৰো সমৰ্থনপুষ্ট আছিল। আইনসভা বৰ্জনৰ সেই সিদ্ধান্তৰ মূল কাৰিকৰ স্বয়ং গান্ধীজী আছিল যদিও তেওঁ এই কথাও কৈছিল যে অসমে ইচ্ছা কৰিলে আইনসভা বৰ্জনন কৰিব পাৰে। কিন্তু অসমে আইনসভা বৰ্জন কৰিলে আৰু এটা ঐতিহাসিক ভুল কৰি ক্ষমতালৈ ছাৰ সাদ্উল্লাৰ প্ৰত্যাৱৰ্তনৰ বাট মোকলাই দিলে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ১৯৪৬ চনৰ বিবৰণীত এই বিষয়ত এই দৰে উল্লেখ আছে ঃ

**Gandhi said that in 1939, when there was the question [of] giving up the ministry, Subhas Babu opposed it, as he thought Assam's was a special case. "I told Bordoloi that there was much in what Subhas Babu had said, although I was the author of that scheme of boycott, I said Assam should not come out, if it did not feel like it. But Assam did come out. It was wrong.**

**Assam Congressman complained that Azad had then said that exception could not be in the case of Assam.**

---

লেখকৰ পৰিচয় ঃ নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন অধ্যাপক, বিশিষ্ট গৱেষক, প্ৰবন্ধকাৰ, গ্ৰন্থকাৰ।

# নগাঁৱৰ সাংস্কৃতিক পৰম্পৰাৰ দুটামান দিশ

ড° নৰেন কলিতা

অসমৰ সাংস্কৃতিক পৰিমণ্ডলত নগাঁৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মধ্যযুগৰ আগভাগতে কপিলীপৰীয়া বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত অসমীয়া ভাষালৈ ৰামায়ণ অনুবাদ হোৱাৰ পিছৰ পৰা অসমীয়া সাহিত্যৰ জগতখনলৈ যি চাঞ্চল্য আহিছিল, পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱৰ পিছত সাহিত্যৰ উপৰি নৃত্য-গীত আদি কৰি সংস্কৃতিৰ অন্য প্ৰকাশ মাধ্যমবোৰো সিবোৰৰ সুদূৰপ্ৰসাৰী প্ৰভাৱেৰে বিকশিত হৈছিল। মাধৱ কন্দলিয়ে চতুৰ্দশ শতিকাত ৰামায়ণ অনুবাদ কৰিবলৈ পৃষ্ঠপোষকতা পাইছিল বৰাহী ৰজা মহামাণিক্যৰ পৰা। বৰাহী-কছাৰীসকল জনজাতীয় বুলি পৰিচত আৰু সেই অৰ্থত অসমীয়া সাহিত্যৰ বিকাশত এইসকলেই অগ্ৰণী ভূমিকা লোৱা কথাটো বৃহৎ অসমীয়া জাতি গঠনত সদায় স্মৰণীয় হৈ থকা কথাই নহয় আজিৰ ভাঙনমুখী সমাজখনৰ কাৰণে ডাঙৰ সকীয়নি হৈ থাকিব। উল্লেখযোগ্য যে টেম্বুৱানিপৰীয়া ভূঞা সমাজখন লৈ শংকৰদেৱে বৈষ্ণৱ আদৰ্শ ৰোপন কৰা কালছোৱাত দিখৌৰ পৰা কলং-কাজলিলৈকে এখন বিশাল জনজাতীয় সমাজেই আছিল নগাঁৱত। ধিং-ৰাইদঙীয়াৰ পৰা লংকা-লামডিঙলৈকে ঠাইৰ নামবোৰ জনজাতীয় ডিমাচা-কছাৰী ভাষাৰ পৰাই আহিছিল বুলি ডিমাচা ভাষা-সংস্কৃতিৰ ওজা নগেন বৰুৱাই উল্লেখ কৰিছে। অৱশ্যে এইটো ঠিক যে এটা ভাষা-ভাষী গোষ্ঠীয়েই অকলে সকলোখিনি সাংস্কৃতিক দান দিছিল বুলি ক'লে, সেয়া যুক্তিসংগত নহ'ব। ভাষা-সংস্কৃতিৰ বিকাশত এটা জনজাতীয় গোষ্ঠীৰ স্তৰৰ ওপৰত আন এটা জনজাতীয় স্তৰৰ প্ৰলেপ পৰাটো স্বাভাৱিক আছিল আৰু সেইকাৰণে

কাৰ্বি-খাছী আদি অন্য জনজাতীয় ভাষা-সংস্কৃতিৰ প্ৰভাৱো চিনিব পৰাকৈ বিচাৰি পোৱা যায়। যিয়েই নহওক অসমৰ সাহিত্য বিকাশৰ ধাৰাটো ত্বৰান্বিত কৰাত ব্ৰাহ্মণ পণ্ডিতসকলে প্ৰধান ভূমিকা পালন কৰিছিল। আনহাতে এই পণ্ডিতসকলৰ ভূমি-বৃত্তি দি সংস্থাপিত কৰিছিল অসমৰেই জনজাতীয় ৰজা-মহাৰজাসকলে। প্ৰাচীন অসমৰ বৰ্মন-শালস্তম্ভ-পাল বংশৰ ৰজাসকলে ব্ৰাহ্মণত ভূমি-বৃত্তি দি সংস্থাপিত কৰাৰ বহু উল্লেখ তামৰ ফলিবোৰত আছে। আদি মধ্যযুগৰ এই ৰজাসকলৰ আৰ্হি পিছৰ কালৰ জনজাতীয় সৰু-বৰ ৰজাসকলেও যি পালন কৰিছিল তাৰ উৎকৃষ্ট উদাহৰণ মহামাণিক্য নিজে। এওঁ দীন নামৰ এজন ব্ৰাহ্মণক ডবকা অঞ্চলত ভূমিদান কৰাৰ কথা লংকা অঞ্চলত পোৱা ১২৭৮ শকৰ (১৩৫২ খ্ৰীঃ) এখন শিলৰ ফলিত লিপিবদ্ধ হৈছে। ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে এওঁকেই মাধৱ কন্দলিৰ পৃষ্ঠপোষক বৰাহী ৰজা বুলি গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে এই ৰজাসকল জনজাতীয় মূলৰ হ'লেও এওঁলোকে ভাৰতীয় আৰ্যসংস্কৃতিৰ প্ৰচাৰতহে বিশেষ ধৰণে আগভাগ লৈছিল। মাণিক্য নামৰ যমুনাপৰীয়া এই ৰজাজনৰ নামোল্লেখিত ফলিখনৰ একে শকৰে পশ্চিম নগাঁৱৰ জৰাবাৰীৰ ওচৰৰ চটাবৰৰ ফলিখনতো পদ্মানাভৰ নাতি ব্ৰহ্মা নামৰ এজন ব্ৰাহ্মণলৈ দান আগবঢ়োৱাৰ উল্লেখ আছে। ফলিখন এতিয়ালৈকে প্ৰকাশ হোৱা নাই। ফলিখনত 'গুণমুণি সূৰ্যে' বুলি ১২৭৩ শকৰ (১৩৫২ খ্ৰীঃ) উল্লেখ আছে আনহাতে 'ৰাধেমাসি যুগস্যাদৌ' বুলি উল্লেখ থকাৰ পৰা সেই ফলিখন অনুৰাধা নক্ষত্ৰৰ (ৰাধে) মহা-আঘোণ মাহৰ চাৰি (যুগ ৪) তাৰিখে দিয়া বুলি বুজিব পাৰি। পদ্মনাভ নামৰ ব্ৰাহ্মণজনৰ বিশেষণ হিচাপে 'অধ্বৰ্যোবৎ' আৰু 'কান্বোভাৰদ্বৃষগণাকৰঃ' বুলি কৰা উল্লেখৰ পৰা তেওঁ আৰু তেওঁৰ বংশটো যজুৰ্বেদী আৰু কান্বভাৰবৃষ-অধ্যায়ী আছিল বুলি স্পষ্টকৈ জানিব পাৰি। মুঠতে এইবোৰ প্ৰমাণৰ পৰা বুজিব পাৰি যে চতুৰ্দশ শতিকালৈ জনজাতীয় মূলৰ ৰজাসকলে আৰ্যভাৰতীয় আচাৰ-অনুষ্ঠান, জ্ঞান-বিদ্যা আৰু কৃষ্টি-সংস্কৃতিৰেই পৃষ্ঠপোষকতা কৰিছিল।

চাটবৰৰ ফলিখনত কোনো ভূমি-বৃত্তিৰ উল্লেখ নাই। কিন্তু মধ্যযুগত ব্ৰহ্মপুত্ৰৰ দক্ষিণ আৰু কলঙৰ উত্তৰ কূলত জ্ঞানবিদ্যা চৰ্চাৰ দিশত ফলিখনে বিশেষ পোহৰ দিব পাৰে যদি ফলিখন উদ্ধাৰ হোৱা ঠাইখনে যজুৰ্বেদাধ্যায়ী সেই ব্ৰাহ্মণসকলৰে আবাস ভূমি আছিল বুলি ধৰি লোৱা হয়। তাৎপৰ্যপূৰ্ণ কথা

হৈছে সমসাময়িক কালতে বিশিষ্ট শক্তি পণ্ডিত চণ্ডিবৰ ভূঞাই কলঙৰ উত্তৰে আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণে টেম্বুৱানিৰ পাৰত নিজৰ সৰু ৰাজ্যখনৰ পট্টন কৰিছিল। ভূঞাসকল নিজে শাস্ত্ৰজ্ঞ আছিল আৰু সেই ক্ষেত্ৰত শাস্ত্ৰ-অধ্যয়নৰ পৰিৱেশ থকা অঞ্চললৈ প্ৰব্ৰজন কৰাত তেওঁলোকৰ স্পৃহা থকাটোৱেই স্বাভাৱিক আছিল। বৌদ্ধিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত যে ভূঞা ৰাজ্যখন মধ্যযুগৰ অসমৰ ভিতৰতে আগশাৰীৰ বিখ্যাত ঠাই আছিল সেই কথাটো মহেন্দ্ৰ কন্দলিৰ টোলখনৰ অস্তিত্বৰ পৰাই বুজিব পাৰি। 'গুৰুচৰিত কথা'ৰ মতে কন্দলিৰ টোলখনত ভাৰতীয় সকলো বিদ্যাৰে অধ্যয়ন-পাঠদান হৈছিল। আনকি পাঠ্যক্ৰমৰ ভিতৰত 'ত্ৰিক' শাস্ত্ৰৰ অধ্যয়নো সোমাই আছিল। এই 'ত্ৰিক'ই কাশ্মিৰী শৈৱদৰ্শনটোক বুজোৱা নাই, তৌৰ্যত্ৰিক অৰ্থাৎ গীত-বাদ্য-নৃত্যৰ সমষ্টিকহে বুজাইছে। শঙ্কৰদেৱে ৰত্নকাৰলৈ কাশ্মিৰৰ পণ্ডিত শিলহন মিশ্ৰৰ 'শান্তি-শতক' নামৰ গ্ৰন্থৰ পৰা দুটামান শ্লোক আনিলেও শৈৱদৰ্শনটোৰ কথা তেৰাৰ সাহিত্যত হ'লে পাবলৈ নাই।

দ্বাদশ শতিকামানলৈকে কপিলী-যমুনাৰ পাৰতে এই সমগ্ৰ অঞ্চলটোৰ সাংস্কৃতিক কেন্দ্ৰ আছিল। কপিলী-যমুনাৰ পাৰৰ স্থাপত্য-ভাস্কৰ্য, বিভিন্ন ঠাইত পোৱা তামৰ ফলি আৰু শিলালিপিবোৰৰ পৰা সেই সময়ৰ উন্নত সাংস্কৃতিক ঐতিহ্য আৰু ধৰ্মানুশাসনৰ বিষয়ে জানিব পাৰি। চতুৰ্দশ শতিকাত কপিলী-যমুনাৰ পাৰ অসমীয়া সাহিত্যৰ প্ৰাণকেন্দ্ৰ হোৱাৰ সময়তে কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজত ভূঞা ৰাজ্যক কেন্দ্ৰ কৰি শস্য-মৎস্যৰ উপৰিও বৌদ্ধিক চিন্তা-চৰ্চাত আগবঢ়া আন এটা অঞ্চলৰ বিকাশ হ'বলৈ ধৰিছিল। এই কেন্দ্ৰটোৱে শঙ্কৰদেৱৰ দিনত চৰম উন্নতিৰ স্তৰ পাইছিলগৈ। প্ৰাচীন ধৰ্মীয় চিন্তাৰ সলনি শঙ্কৰদেৱৰ
দিনত চৰম উন্নতিৰ স্তৰ পাইছিলগৈ। প্ৰাচীন ধৰ্মীয় চিন্তাৰ সলনি শঙ্কৰদেৱৰ
নেতৃত্বত নৱ-বৈষ্ণৱৰ উত্থান হৈছিল। ভাৰতৰ সকলো ঠাইতে বৈষ্ণৱধৰ্মৰ উত্থানৰ লগে লগে নতুন সাংস্কৃতিক মূল্যবোধৰ জন্ম হৈছিল। সাহিত্য, সঙ্গীত, কলা, শিল্প আদি সকলোতে এই নতুন চিন্তাৰ উন্মেষ হৈছিল। ভাৰতীয় সংস্কৃতি সাহিত্য সৰ্বজনবোধ কৰি স্ত্ৰী-শূদ্ৰই পঢ়িব-বুজিব পৰাকৈ অনূদিত হোৱাটোৱেই অসমত সাহিত্যৰ ক্ষেত্ৰত যুগান্তৰকাৰী বিপ্লৱ আছিল। একে সময়তে ধ্ৰুপদী ৰীতিৰ সঙ্গীতৰ চৰ্চা আৰু আধ্যাত্মিক ভাবৰ গীত ৰচনা অসমৰ সংস্কৃতি জগতত

নতুন সংযোজন। অৱশ্যে ৰাগ-সঙ্গীতৰ ক্ষেত্ৰত ঐতিহ্যমণ্ডিত ধাৰা এটা প্ৰাক্-শঙ্কৰীযুগৰপৰাই প্ৰচলিত ব্যাসৰ ওজাপালিত প্ৰবল ৰূপত আছিল। শঙ্কৰী ৰাগ-সঙ্গীত এই ধাৰাতেই নতুন প্ৰকাশ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কিন্তু ব্যাসৰ ৰাগ-সঙ্গীতৰ ভৌগোলিক সীমাৰ তুলনাত শঙ্কৰী ৰাগ-গীতৰ সীমাটো বেছি প্ৰশস্ত আছিল। ইয়াৰ মূল কাৰণবোৰৰ ভিতৰত সঙ্গীতেই ধৰ্মোপাসনা আৰু ধৰ্মপ্ৰচাৰৰ বাহন হোৱা কাৰ্যটোৰ উপৰি শঙ্কৰদেৱে সৃষ্টি কৰা নৱতম নাট্যৰূপ অঙ্ক আৰু তাৰ পিছত অসমীয়া নাট-ভাওনাৰ উদ্ভৱৰ গৌৰৱ পাব পাৰে। উল্লেখযোগ্য যে, এই ক্ষেত্ৰত নগাঁও এতিয়াও বিশিষ্ট হৈ আছে যদিও পূৰ্বৰ তুলনাত এই কেইপদ সাংস্কৃতিক সম্পদ চৰ্চাৰ ধাৰাটো ক্ষীণ হ'বলৈ ধৰিছে।

শঙ্কৰদেৱে বৰদোৱা এৰি থৈ যোৱাৰ পিছত আৰু একেদৰে যোড়শ শতিকাৰ আগভাগত আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাই কাজালিলৈ অঞ্চলটো আহোম সাম্ৰাজ্যৰ ভিতৰুৱা কৰি লোৱাৰ পিছত কলিয়াবৰ অঞ্চলটো ক্ৰমে নগাঁৱৰ সাংস্কৃতিক কেন্দ্ৰ হিচাপে বিকশিত হৈছিল আৰু ৰাজনৈতিক সুৰক্ষাৰ ছত্ৰছায়াত অঞ্চলটোত সণ্চালনীভাৱে অনেক সত্ৰানুষ্ঠানৰ বিকাশ ঘটিছিল। কলিয়াবৰৰ সাংস্কৃতিক জীৱন বুলিলে ইয়াত গঢ় লৈ উঠা ছঅঁৰা এখন সত্ৰৰ জীৱনৰ কথাকে বুজিব পাৰি। নগাঁৱৰ সংস্কৃতিক পৰম্পৰা বিকাশত কলিয়াবৰে তেতিয়াই যি মৰ্যাদাৰ ভূমিকা লাভ কৰিবলৈ সমৰ্থ হৈছিল, তাৰেই ফলত ইয়াৰ সাংস্কৃতিক সম্পদ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈকে বিয়পিবলৈ সুবিধা হৈছিল। উত্তৰপাৰৰ অনেক শিল্প সম্পদৰ ভিতৰত জামুগুৰিৰ বাৰেচহৰীয়া ভাওনাৰ ধাৰাটোৰ মূল উৎস আছিল কলিয়াবৰেই। উল্লেখ কৰা হৈছে যে চুহুংমুং দিহিঙীয়া ৰজাৰ দিনৰ পৰা অৰ্থাৎ যোড়শ শতিকাতে কলিয়াবৰ আহোম ৰাজ্যৰ এটা প্ৰধান কেন্দ্ৰ হৈছিল। এই অঞ্চলত সক্ৰিয় ৰাজনৈতিক কাৰ্যকলাপ বাঢ়িবলৈ ধৰাৰ লগে লগে সাংস্কৃতিক দিশত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আহোম স্থাপত্যৰ মন্দিৰ নিৰ্মাণৰ কামো আগবাঢ়িছিল। সেই স্থাপত্যৰ দুই-এটা নিদৰ্শন এতিয়াও ধ্বংসৰ হাত সাৰি বাচি আছে।

শঙ্কৰোত্তৰ যুগৰ নগাঁৱৰ সমাজ মূলতে বৈষ্ণৱ ভাবাদৰ্শৰে উজ্জীৱিত আছিল। সমাজৰ উজ্জীৱনৰ এই দিশটো সুকুমাৰ শিল্পচৰ্চা, ভাওনা বিস্তাৰ,

লেচাৰি-পিতাম্বৰী আদি স্থানীয় ৰাগৰদ্ধ গীত-মাত আদিৰ মাজত বিচাৰি পাব পাৰি। ব্ৰহ্মপুত্ৰৰ উত্তৰকূলৰ ব্যাসগোৱা ওজাপালিৰ বিপৰীতে নগাঁৱত নাম-কীৰ্তন আৰু লোকধাৰাৰ হুঁচৰিগীতৰ সুৰ সঞ্চাৰেৰে চিকুন ৰূপত জাতিষ্কাৰ হোৱা নগএঃা ওজাপালি নৃত্য শঙ্কৰোত্তৰ যুগৰ নগাঁৱত উদ্ভৱ হোৱা আন এটা বিশিষ্ট শিল্পসম্পদ। সাংখ্যাৰ ছাবিছ তত্ত্বৰ লেখীয়া 'তেইচ মূৰ এক কায়, যোগ কৰিলে ঈশ্বৰক পায়' নগএঃা ওজানৃত্যৰ মূল ভেটি। এই শিল্পধাৰাটোৰ জৰিয়তেই অসমৰ বৈষ্ণৱ সংস্কৃতিত নোহোৱা ৰাধাকৃষ্ণৰ লীলাৰসৰ প্ৰচাৰ ঘটিছিল আৰু বৈষ্ণৱ শিষ্টসমাজখনৰ বিপৰীতে লোকৰ সমাজত ৰাধাই নিজৰ আসনখন লাভ কৰিবলৈ সমৰ্থ হৈছিল। শংকৰোত্তৰ যুগতে শেষৰ ফালৈ নগাৱলৈ প্ৰব্ৰজন ঘটিছিল লহৰী কীৰ্তন নামৰ আন এটা শিল্প প্ৰকৰণৰ। মূলতে লহৰী-কীৰ্তন উজনিত হুঁচৰিৰ মাজৰ বস্তু আছিল। নগাঁৱতো বহাগ মাহত হুঁচৰি হিচাপে পৰিৱেশন কৰা হয়। এই শিল্পৰূপটো উজনিত হেৰাই যোৱাৰ পিছত এতিয়া নগাঁৱতো কন্দলি পাহাৰৰ দুখনমান গাঁৱত মৃতপ্ৰায় অৱস্থাত আছে। একেদৰে মাঘবিহুৰ অন্তৰংগ অনুষ্ঠান হাৰলিঘৰৰ থিয় নাম, ধৰ্মীয় ভাবাদৰ্শেৰে পুষ্ট হীৰা নামৰ ঐতিহ্যমণ্ডিত ধাৰাটোও ক্ষীণ হ'বলৈ ধৰিছে।

শংকৰোত্তৰ যুগটো বিভিন্ন শিল্পকৰণৰ বিকাশৰ যুগ। কিন্তু শংকৰোত্তৰ যুগত শিল্পপ্ৰকৰণবোৰৰ বিস্তাৰৰ বেলিকা লোকস্তৰৰ উপকৰণ মিহলি হোৱাত এইবোৰ জনমনোৰঞ্জনৰ কাৰণে কোমল হ'বলৈ ধৰে। লেছাৰী আদি স্থানীয় ৰাগবদ্ধ গীত-মাতত, কীৰ্তনৰ সুৰ, বিয়ানাম-হুঁচৰিৰ সুৰৰ আধাৰত বিকাশ লাভ কৰা ওজা নৃত্যত পূৰ্বৰ অংকৰ দৃঢ় ৰীতিৰ বিপৰীতে জনমনোৰঞ্জনৰ আদৰ্শ আগত ৰাখি বিকশিত হোৱা অসমীয়া ভাওনাত লোকস্তৰৰ উপকৰণৰ প্ৰৱেশে সেইবোৰক জনপ্ৰিয় শিল্পপ্ৰকৰণ ৰূপে সমাজত সংস্থান কৰিছিল। কিন্তু বিস্তাৰৰ এই ধাৰাটো পিছলৈ একেদৰে নাথাকিল। শিল্প অভিব্যক্তিত সঘনাই পৌনঃপুনিকতাৰ দোষ বেছিকৈ প্ৰকাশ পাইছিল। গতিকে ই এটা গতানুগতিক শিল্পৰীতিৰ বাহিৰে ইয়াত নতুনত্বৰ প্ৰকাশ ঘটা নাছিল। মনোৰঞ্জন আছিল শিল্পপ্ৰকৰণটোৰ মূল উদ্দেশ্য; গতিকে সাংস্কৃতিৰ ৰুচিবোধৰ ক্ষেত্ৰত শিথিলতাই দেখা দিছিল।

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত শেষ শংকৰোত্তৰ যুগৰ বহু শিথিলতাৰ মাজতো

সমাজত সত্ৰসমূহেই মূল কেন্দ্ৰীয় অনুষ্ঠান হৈ আছিল। কিন্তু এই অনুষ্ঠানটো ৰক্ষণশীল ভাৱধাৰাৰে ত্ৰুটিপূৰ্ণ হৈ পৰিছিল। নিৰক্ষয় জনসাধাৰণে অদৃষ্টৰ প্ৰতি ভয়ৰ ভাবতেই সত্ৰক এৰি দিয়া নাছিল। কিন্তু বৃটিছ আগমনৰ পিছত সত্ৰ আৰু ৰাষ্ট্ৰ সম্বন্ধ, সত্ৰ আৰু সমাজৰ সম্বন্ধৰ মাজত পৰিৱৰ্তন প্ৰকট হ'বলৈ ধৰিছিল। এই ক্ষেত্ৰত সত্ৰৰ দৰে জাতীয় অনুষ্ঠান এটাৰ প্ৰতি নৱাগত শাসকগোষ্ঠীৰ স্নেহৰ অভাৱো বিশেষ ক্ষতিকাৰক আছিল। ইয়াৰ ফল লক্ষ্য কৰিব পাৰি বিশেষকৈ পৰম্পৰাগত শিল্পকলাৰ চৰ্চাত দেখা দিয়া স্থবিৰতাত। এই কথাটো কোনো কোনো বৃটিছ চাহাবেও উল্লেখ কৰি গৈছে। আই ডোনাল্ড নামৰ এজন চাহাবে লিখি থৈ গৈছে যে বৃটিছপূৰ্ব সমাজত প্ৰশস্ত ৰূপত চৰ্চা চলি থকা সকলো শিল্পকলাই বৃটিছ আমোলত ডাঙৰ আঘাত পাইছিল। তেওঁ উদাহৰণস্বৰূপে আঙুলিয়াই দিছিল হাতী দাঁতৰ শিল্পটোলৈ। বৃটিছ ৰাজত্বৰ কেইটামান দশকৰ ভিতৰতে এই শিল্পটো কেৱল এটা পৰিয়ালতহে কোনোমতে সজীৱ হৈ আছিল। বৃটিছ আগমনৰ লগে লগে অসমীয়া ভাষাৰ ওপৰতো মাধমাৰ পৰিছিল। বেপ্টিছ মিছনাৰীসকলে স্থানীয় জনসাধাৰণৰ মাজত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বিশেষ উদ্দেশ্যত অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ কাৰণে অশেষ যত্ন কৰিছিল যদিও স্থানীয় সমাজখনৰ পৰম্পৰাগত বিশ্বাস নিকৃষ্টতম বুলি প্ৰমাণ কৰিবলৈ তেওঁলোকেও কুণ্ঠাবোধ কৰা নাছিল। সেই সময়ৰ অন্যতম প্ৰধান মিছনাৰী নাথান ব্ৰাউনে আমেৰিকাৰ পৰা অনা প্ৰিজম, গোলক, ঘড়ী, একৰ্ডিয়ান আদি ন ন বস্তু মানুহক দেখুৱাই বিস্ময়াভূত কৰিব খোজাৰ প্ৰয়াস কৰা আৰু সেইবোৰৰ জৰিয়তে আনকি সত্ৰীয়া গোসাঁইঘৰলৈকে আকৰ্ষণ সৃষ্টি কৰাৰ কথা ব্ৰাউনপত্নী এলিজা ব্ৰাউনে তেওঁৰ এখন কিতাপত লিখি থৈ গৈছে। অৱশ্যে সেয়ে হ'লেও এইটো স্বীকাৰ কৰিবই লাগিব যে মিছনাৰীসকলে অসমীয়া মানুহৰ মানসিকতাত পাশ্চাত্য ভাবাদৰ্শৰ প্ৰতি অনুসন্ধিৎসা জগাই তুলি মনটো বহলোৱাত বিশেষ বৰঙণি দিব পাৰিছিল। এই সময়তে অসমীয়া ভাষা আৰু অসমীয়া জাতীয় চেতনা লগাই তোলাৰ জোঁৰ হাতত লৈ নগাঁৱৰ পৰাই আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাই ন-কৈ সমাজ গঠন কৰাৰ আন্দোলন গঢ়ি তুলিছিল। অসমীয়া জাতীয় জীৱনত এই দুজন মহান পুৰুষৰ প্ৰভাৱ মন কৰিবগীয়া। এওঁলোকেই অসমীয়াৰ মনত প্ৰেৰণাৰ সঞ্চাৰ কৰিব

পাৰিছিল আৰু সমগ্ৰ অসমতে তেওঁলোকৰ প্ৰভাৱৰ উপস্থিতি সাব্যস্ত কৰিব পাৰিছিল।

কুৰি শতিকাৰ আগভাগৰ পৰাই নগাঁৱৰ সমাজলৈ এটা নতুন জনগোষ্ঠীৰ প্ৰব্ৰজন ঘটিবলৈ ধৰে। এই গোষ্ঠীটো পূৰ্বৰ পূৰ্ববংগৰ পৰা আহিছিল। এওঁলোকৰ নিজৰ এটা সাংস্কৃতিৰ ৰূপ আছে। অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰি এওঁলোকে বৃহৎ অসমীয়া সমাজৰ বুকুত মিলি যাব খোজাৰ আগ্ৰহ প্ৰকাশ কৰিছে যদিও বিভিন্ন কাৰণত, বিশেষকৈ ৰাজনৈতিক কাৰণত এওঁলোকক লৈ নুতন অসমীয়া জাতি আৰু অসমীয়া সমাজ গঠনৰ কাৰ্যকৰী ৰূপটো এতিয়াও স্পষ্ট হোৱা নাই। নতুন জাতি গঠন কৰিবলৈ বহুত এৰা-ধৰা আৰু বহুত ত্যাগৰ প্ৰয়োজন হ'ব।

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন ছাত্ৰ, আনন্দৰাম ঢেকীয়াল ফুকন কলেজৰ প্ৰাক্তন অধ্যাপক, বিশিষ্ট গৱেষক, প্ৰাবন্ধিক, একাধিক গ্ৰন্থৰ ৰচয়িতা।

# নগাঁও কলেজৰ ইতিহাসৰ এটি সংগ্ৰামী অধ্যায়ৰ কিয়দাংশ

দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী

ঐতিহ্যমন্দিত নগাঁও মহাবিদ্যালয়ত পঢ়িবলৈ পায় আমি নিজকে ধন্য মানিছিলো। সেই সময়তে আমাৰ ৰাজধানী ভৈয়ামলৈ নমাই অনাৰ বাবে জনমত গঢ়িবলৈ নগাঁৰৰ কেইজনমান জ্যেষ্ঠ ব্যক্তি স্বৰ্গীয় জালিৰাম শইকীয়া, শ্ৰদ্ধেয় মুহি ৰাজখোৱা, শ্ৰদ্ধেয় ৰূপৰাম সুত আৰু পৰোক্ষভাৱে মোৰ জ্যেষ্ঠ ভাতৃ প্ৰদুম্ন্য নাৰায়ণ দেৱ গোস্বামী (প্ৰাক্তন আলোচনী সম্পাদক, নগাঁও মহাবিদ্যালয়) আদিয়ে আগভাগ লৈছিল। তেখেত সকলে আলোচনাৰ বাবে মোৰ দাদাৰ জৰিয়তে মোক মাতি পঠায়। আলোচনাৰ অন্তত বিষয়ৰ গুৰুত্ব উপলব্ধি কৰি মই মোৰ সহপাঠী লুইত বৰা, গুণীন গায়ন, আবু হানিফা আৰু কেইজনমান ছাত্ৰৰ লগত আলোচনা কৰি 'জয়শ্ৰী' চিনেমা হলৰ কাষত থকা বৰ্তমান 'আদিত্য' মিঠাই দোকানখনৰ সেই সময়ত বন্ধ হৈ থকা এটা কোঠা কাৰ্যালয় কাৰণে লোৱা হয়। কাৰ্য্যালয়ত 'ৰাজধানী সংস্থাপন সমিতি' নামত ফলক (বেনাৰ) আৰি থোৱাত বিভিন্নজনে আহি সহযোগিতা আৰু পৰামৰ্শ আগবঢ়ায়। এদিন সন্ধ্যা সময়ত "আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সহঃ সম্পাদক প্ৰয়াত পূৰ্ণ বৰুৱা প্ৰাক্তন সম্পাদক আবু শ্বৰীফ আদিয়ে নগাঁৰৰ সকলো বিদ্যালয়, মহাবিদ্যালয়ৰ সম্পাদক, সম্পাদিকাসকলক এখন সভালৈ আহ্বান জনাবলৈ কোৱাত মই লগত গুণিন গায়নক লৈ এখন সভা অনুস্থিত কৰো আৰু সেই সমিতিখনৰ নাম দিয়া হ'ল "নগাঁও জিলা ছাত্ৰ-ছাত্ৰী ৰাজধানী সংস্থাপন সমিতি" বুলি। সমিতিৰ সভাপতি আবু শ্বৰীফ আৰু সম্পাদক প্ৰয়াত মুহিত বৰা, আমি নিজে, প্ৰয়াত পূৰ্ণ বৰুৱা, অনিল শৰ্মা, প্ৰয়াত ফনীন্দ্ৰ বৰা, লুইত বৰা, গুণীন গায়ন,

আবু হানিফা, প্ৰয়াত শিশি ফুকন, লাৰুধৰ গোস্বামী আৰু দুই এজন সহকৰ্মী ছাত্ৰৰ নাম আমাৰ মনলৈ অহা নাই তাৰ বাবে দুখ প্ৰকাশ কৰিলো। আমি দুজনমান সহকৰ্মীক লগত লৈ নগাঁৱৰ পৰা ব্ৰহ্মপুত্ৰৰ দক্ষিন পাৰে গৈ ডিব্ৰুগড়েদি পাৰ হৈ উত্তৰ পাৰৰ সকলো জিলাৰ গণ্য মান্য ব্যক্তিক লগ পাই কলিয়াবৰ হাটবৰৰ নাট্য মন্দিৰত এক অভিবৰ্ত্তন অনুস্থিত কৰো। সেই সভাত তেজপুৰৰ প্ৰয়াত পূৰ্ণনাৰায়ণ সিংহ, শোণিত কোঁৱৰ গজেন বৰুৱা, গহপুৰৰ ৰাম শৰ্মা, বিশ্বনাথ চাৰিআলিৰ ডাঃ কোষেশ্বৰ বৰা, নাট্য প্ৰবৰ সাৰদা কান্ত বৰদলৈ, পূৰ্বে উল্লেখিত নগাঁৱৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত অসমৰ মধ্যস্থল নগাঁৱৰ শিলঘাট বা মিছাত স্থায়ী ৰাজধানী পতাৰ দাবীত স্মাৰক পত্ৰ অসম চৰকাৰলৈ প্ৰেৰণ কৰা হয়। পৰৱৰ্তী কালত বিভিন্ন পৰ্যায়ত আন্দোলন কৰা হয়। গোটেই অসমত জাগৰণ সৃষ্টি কৰা হয় যদিও ১৯৭৩ চনত অস্থায়ী ভাবে গুৱাহাটীৰ দিছপুৰলৈ ৰাজধানী স্থানান্তৰ কৰে।

ইতিমধ্যে ১৯৬৮-৬৯ চনৰ পৰা অসমৰ দ্বিতীয় তেল শোধনাগাৰ আন্দোলন আৰম্ভ হয়। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক আছিল জ্ঞানাভিৰাম শইকীয়া আৰু তেওঁৰ লগত আহি লগ লাগেহি অসম ছাত্ৰ সন্মিলনৰ সুৰেন বৰা। ইতিমধ্যে সদৌ অসম দ্বিতীয় তেলশোধনাগাৰ সংগ্ৰাম সমিতি গঠন হৈছিল আৰু বিভিন্ন জিলা সমিতি গঠনৰ কাৰেণ নিৰ্দেশ আহিছিল। তেতিয়া আমি নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ। যিহেতুকে আমাৰ বিদ্যালয়ৰ ছাত্ৰ একতা সভাখন ভঙ্গ হৈছিল-গতিকে কতৃপক্ষই মোক আৰু আবু হানিফাক বিদ্যালয়ৰ প্ৰতিনিধি হিচাপে প্ৰেৰণ কৰে -- তেতিয়াৰ পৰাই আমি বিভিন্ন আন্দোলনত জড়িত হোৱাৰ সুযোগ পাওঁ। অৱশেষত ১৯৭১ চনৰ ২২ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে এক নিযুত টন উৎপাদনক্ষম অসমৰ দ্বিতীয় তেলশোধনাগাৰ বঙ্গাইগাঁৱত হ'ব বুলি ঘোষণা কৰে (যদিও আমাৰ দাবি আছিল ২ নিযুত টন পূৰ্ণাঙ্গ পৰ্য্যায়ৰ প্ৰেট্ৰ'কেমিকেল প্ৰকল্প)। ১৯৭২ চনৰ ১৯ জানুৱাৰীত ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে আধাৰশিলা স্থাপন কৰে।

সদৌ অসম ছাত্ৰ অভিবৰ্তনখন যোৰহাট জিলাৰ ছাত্ৰ সকলৰ উদ্যোগত 'জগন্নাথ বৰুৱা মহাবিদ্যালয়'ত অনুষ্ঠিত হয়। ১৯৭১ চনৰ ১৯ আৰু ২০ ফেব্ৰুৱাৰীত অভিবৰ্তন খনি অনুস্থিত হৈছিল। উক্ত অভিবৰ্তনত 'নগাঁও' জিলা ছাত্ৰ-ছাত্ৰী ৰাজধানী সংস্থাপন সমিতি'' হিচাপে প্ৰতিনিধিত্ব কৰে। আমাৰ মূল দাবী অসমৰ জনসাধাৰণৰ

সামগ্ৰীক স্বাৰ্থলৈ লক্ষ্য ৰাখি অসমৰ মধ্যস্থল নগাঁও জিলাত ৰাজধানী স্থাপনৰ যুক্তি দাঙি ধৰি অসমৰ ছাত্ৰ সমাজৰ সহযোগিতা কামনা কৰা।

'নগাঁও জিলা ছাত্ৰ-ছাত্ৰী ৰাজধানী সংস্থাপন সমিতি'য়ে ১৯৭১ চনৰ ২৬ ফেব্ৰুৱাৰীৰ ভিতৰত স্থায়ী ৰাজধানী অসমৰ মধ্যস্থল নগাঁও জিলাত ঘোষণা কৰিবৰ বাবে চৰকাৰক চৰম পত্ৰ প্ৰদান কৰিবলৈ সহযোগিতা বিচাৰে। উক্ত প্ৰস্তাৱৰ প্ৰতি দৰং জিলা ছাত্ৰ সন্থাৰ হৈ শ্ৰীবৃন্দাবন গোস্বামী, লক্ষীমপুৰ জিলাৰ পৰা শ্ৰীহিৰণ্য ভূঞা, মিচ মলিনা বেগম আৰু কেইবাখনো জিলা প্ৰতিনিধিয়ে সমৰ্থন আগবঢ়ায়। উক্ত অভিবৰ্তনতে প্ৰদীপ দেৱান, অতুল বৰা, ক্ৰমে সভাপতি আৰু সাঃ সম্পাদক হিচাবে লৈ সদৌ অসম ছাত্ৰ সন্থাৰ এখন শক্তিশালী কাৰ্যকৰী সমিতি গঠন কৰা হয়। ১৯৭২ চনত এচাম কুচক্ৰান্তকাৰীয়ে ৰাজ্যখনত শিক্ষাৰ মাধ্যম লৈ খেলিমেলি সৃষ্টি কৰে। সেয়েহে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষা সমিতিয়ে অসমীয়া মাধ্যম ৰখাৰ বাবে যি প্ৰস্তাৱ গ্ৰহণ কৰিলে তাক কাৰ্যকৰী কৰাৰ বাবে ১৯৭২ চনৰ ৭ জুন তাৰিখে সদৌ অসম ছাত্ৰ সন্থাই দাবী উৎখাপন কৰে। কিন্তু ১৯৭২ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখে অসম বিধান সভাই এক সৰ্বনাশী সিদ্ধান্ত গ্ৰহণ কৰে তাৰ প্ৰতিবাদতেই মাধ্যম আন্দোলন আৰম্ভ হয়। 'নগাঁও জিলা ছাত্ৰ-ছাত্ৰী ৰাজধানী সংস্থাপন সমিতি' 'নগাওঁ জিলা ছাত্ৰ-ছাত্ৰী কাৰ্যকৰী সমিতি' নাম লৈ আন্দোলনত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিবৰ বাবে ৰাজস্থান হোটেলৰ সন্মুখত থকা এটা কাঠৰ গুমটিঘৰ কাৰ্যালয় হিচাবে লোৱা হয়। নগাঁও জিলা সমিতিখনৰ পৰিসৰটো বঢ়াবৰ কাৰণে অবু শ্বৰীফক সভাপতি আৰু প্ৰয়াত পূৰ্ণ বৰুৱাক সম্পাদক হিচাবে লৈ এখন নতুন সমিতি গঠন কৰা হয় (আগৰ সমিতিত থকা সদস্য সকলৰ বাহিৰেও) নৌচাদ আখতাৰ হাজৰিকা, প্ৰয়াত খগেন শইকীয়া, যাদব শইকীয়া, প্ৰয়াত গোলাম আহমেদ, ৰণজিৎ গোস্বামী, অতুল বৰা, প্ৰয়াত ক্ষীৰোদ দাস আদি বহুতো। কাৰ্যালয়ৰ দায়িত্ব দিয়া হয় মানস মহন্তক। ছাত্ৰ সন্থাৰ দ্বিতীয় অধিবেশন (১৯৭২-৭৩)ত পুলকেশ বৰুৱাক সভাপতি প্ৰয়াত প্ৰসন্ন নাৰায়ণ চৌধুৰীক সাধাৰণ সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। সেই সমিতিত নগাঁৱৰ চাৰিজন বিষয়ববীয়াই স্থান লাভ কৰে। তাৰ মাজতে আছিল নগাঁও মহাবিদ্যালয়ৰ নব নিৰ্বাচিত সাধাৰণ সম্পাদক অনিল বৰাই সহকাৰী সাধাৰণ সম্পাদক হিচাবে দায়িত্ব লয়। ইতিমধ্যে আন্দোলনে তীব্ৰ গতি লয় আৰু আভ্যন্তৰীণ নিৰাপত্তা আইনত কেইবাজনো নেতা গ্ৰেপ্তাৰ হয়।

সেয়েহে নগাঁও জিলা সমিতিখনে কেইবা তৰপীয়া সমিতি গঠন কৰে। বিভিন্ন জনক সেই সমিতি সমূহৰ দায়িত্ব দি থোৱা হয়। ১৯৭২ চনৰ ২৯ চেপ্তেম্বৰ তাৰিখে ছাত্ৰ সন্থাৰ প্ৰতিবাদ দিবস পালন কৰি মুখ্যমন্ত্ৰীলৈ চৰম পত্ৰ প্ৰেৰণ কৰা হয়। ৫ অক্টোবৰত অসম বন্ধৰ মাজতে খাৰুপেটীয়াত মোজ্জামিল হক আক্ৰান্ত হৈছিল আৰু চহৰ খনত সান্ধ্যআইন জাৰি কৰা হয়। ৬ অক্টোবৰত মোজ্জামিল হক ছহিদ হয় আৰু মঙ্গলদৈত সান্ধ্যআইন দিয়ে। ৭ অক্টোবৰত নগাঁও জিলাত মৌন শোভাযাত্ৰা ও শোক দিবস কৰা হয়। ইতিমধ্যে হোজাইলৈ শোভাযাত্ৰা কৰি যোৱা ছাত্ৰদল এটাক ঘূৰাই আনিবলৈ অনিলবৰাহঁত হোজাইলৈ যায়। কিছু সময়ৰ পিছত হোজাইত গন্দগোল লগা বুলি গম পাই নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া দুজনমান ছাত্ৰক লগত লৈ হোজাইলৈ যায় আৰু মোক অধ্যক্ষ কোঠাৰ ফোনৰ ওচৰত থাকিবলৈ কয়। হোজাইলৈ গৈ "আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়'ৰ সম্পাদক নৰেন বৰুৱাৰ মুখৰ পৰা গম পায় অনিল বৰাক হত্যা কৰে আৰু তাকো হত্যা কৰিব বিচাৰে। তেওঁ ভগ্ন শৰীৰে দৌৰি গৈ আৰক্ষী চকীত আশ্ৰয় লয়। হোজাই সান্ধ্যআইনৰ কবলত পৰে। ১৭ অক্টোবৰ তাৰিখে সন্ধ্যা গমপোৱা যায় যে হোজাইৰ ধনীৰাম পথাৰৰ ডিবৰু জানত এটা শিৰহীন মৃতদেহ পুতি থোৱা অৱস্থাত উদ্ধাৰ হয়। মৰণোত্তৰ পৰীক্ষা আৰু চিনাক্তকৰণৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। ১৮ অক্টোবৰৰ পুৱা মৰণোত্তৰ পৰীক্ষাৰ অন্তত নগাঁও মহাবিদ্যালয়লৈ শিৰহীন মৃতদেহ আনে। মহাবিদ্যালয় তথা বিভিন্ন দল সংগঠনে শ্ৰদ্ধা নিবেদন কৰি নগাঁও চহৰত শৱযাত্ৰাৰ অন্তত তেওঁৰ নিজগৃহ পলাশনীলৈ নিয়া হয়। নিজ গৃহত শ্ৰদ্ধা নিবেদনৰ অন্তত পুনৰ শৱযাত্ৰাৰে নগাঁও চহৰৰ নেহৰুবালিত থকা সাহিত্য সভা চৌহদত অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

অনিল বৰাৰ হত্যাকাণ্ডৰ সম্পৰ্কে যি আদালতত গোচৰ তৰা হৈছিল প্ৰতিপক্ষৰ উকিল জনৈক দাস উপাধিৰ বিপক্ষে আমাৰ অধিবক্তা আছিল ক্ৰমে ৰূপৰাম সুত, প্ৰয়াত অতুল বৰা আৰু প্ৰয়াত ভদ্ৰ বৰা। বিপৰীত পক্ষই প্ৰমাণ কৰিব বিচাৰিছিল যে সেই মৃতদেহটো অনিল বৰাৰ নহয় জনৈক গোপাল কুৰিৰহে। অৱশেষত সেই মৃতদেহটো অনিল বৰাৰেই হয় বুলি বাহিৰৰ পৰা অনা অধিবক্তা বলভদ্ৰ তিক্ষাই প্ৰমাণ কৰে। সেই সময়ত নগাঁৱৰ উপায়ুক্ত আছিল সৰ্বেশ্বৰ গোস্বামী আৰু আৰক্ষী অধীক্ষক আছিল ভূপেন্দ্ৰ সিং। পিছলৈ আৰক্ষী অধীক্ষক আহে ভবেন

ফুকন। বিষয়টো অনুসন্ধান কৰিবলৈ আহে বিশেষ আৰক্ষী বিষয়া সাহিত্যিক শ্ৰীযুত হৰেকৃষ্ণ ডেকা। অধিবক্তা আৰু আমি এই অনুসন্ধানত আৰক্ষী বিষয়াৰ লগত কেইবাবাৰো হোজাইলৈ গৈ তেখেতসকলক সহায় আগবঢ়াইছিলো। কিন্তু পৰিতাপৰ বিষয় আজি পৰ্যন্ত প্ৰকৃত হত্যাকাৰী ধৰা নপৰিল।

সেই অনুসন্ধানত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰয়াত প্ৰসন্ন নাৰায়ণ চৌধৰীকে আদি কৰি বহু গণ্য-মান্য লোক উপস্থিত থাকে। সদৌ অসমত শোক দিবস পালন কৰে। পৰৱৰ্তী কালত বিভিন্ন জিলাৰ বহু কেইজন ছাত্ৰই ভাষাজননী বেদীত ছহিদ হয়। প্ৰায়বোৰ চহৰত সান্ধ্যআইন জাৰি কৰে। ১১ নবেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা সেউজ সংকেট পাই মুখ্যমন্ত্ৰীয়ে মাধ্যম আন্দোলনৰ দাবী মানি লোৱা বুলি ঘোষণা কৰে। ১২ নবেম্বৰৰ দিনা ছাত্ৰ সন্থাৰ দ্বাৰা আন্দোলন স্থগিত কৰাৰ কথা ঘোষণা কৰা হয়।

নগাঁও মহাবিদ্যালয়ৰ ছহিদ অনিল বৰা নিখোজ হোৱাৰ পিছৰে পৰা মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব আমাৰ ওপৰত পৰে। ছহিদ অনিল বৰাৰ প্ৰতিমূৰ্ত্তি হয়বৰগাঁৱৰ বিশিষ্ট ব্যৱসায়ী তথা অধিবক্তা ভবৰলাল মঙ্গোলোনীয়াৰ অনুদানৰে মহাবিদ্যালয়ৰ 'কৰিডৰ'ৰ সন্মুখত স্থাপন কৰা হয়। ২০-১২-৭২ তাৰিখে ছহিদ দিৱসৰ দিনা মহাবিদ্যালয়ত ধৰ্ম আলোচনী সভা, নাম প্ৰসঙ্গ আৰু ৰাতিলৈ ভাওঁনা প্ৰদৰ্শন আৰু দোৰোলা ব্যৱহাৰ কৰি অসমীয়া জা-জলপান খুউৱা হয়। লগতে 'ছহিদ তৰ্পণ' নামৰ এখন পুস্তিকা মহাবিদ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা হয়।

ইয়াৰ বাহিৰেও মহাবিদ্যালয়ত ২৭-১১-৭২ তাৰিখে পদ্মনাথ গোঁহাই বৰুৱাৰ জন্ম শতবাৰ্ষিকী পৰাত যথামতে পালন কৰা হয় লগতে সাংস্কৃতিক সন্ধিয়াত গোঁহাই বৰুৱা ৰচিত নাটকৰ কেইটিমান দৃশ্য মঞ্চস্থ কৰা হয়। ইতিমধ্যে মহাবিদ্যালয়ৰ বৰদলৈ হলত এখন সাধাৰণ সভা অনুষ্ঠিত কৰি মহাবিদ্যালয়ে বহুদিনৰ পৰা অভাৱ অনুভৱ কৰি থকা এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ কাৰণে সংগৃহীত হোৱা ছাত্ৰ, অধ্যাপক আৰু বাহিৰৰ ধন সমূহ (১১,০০০ টকা) প্ৰেক্ষাগৃহ পুঁজিলৈ আগবঢ়াবলৈ অনুৰোধ জনায়। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা প্ৰেক্ষাগৃহৰ কাৰণে ১ টকাকৈ বৰঙণী মোৰ কাৰ্যকালত সংগ্ৰহ

কৰি মুঠ ৫,০০০ টকা মূল পুঁজিত জমা দিয়া হয়। সেই ধনেৰেই প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। ইয়াৰ বাহিৰেও ছাত্ৰ একতা সভাৰ কাৰ্যালয় চোৱা চিতাৰ বাবদ কৰ্তৃপক্ষৰ লগত আলোচনাৰ মাধ্যমত জুবিলাল বুলি এজন ব্যক্তিক মকৰল কৰা হয়।

দিন বাগৰাৰ লগে লগে আমি জ্ঞাত বহু তথ্য আজি উপস্থাপন কৰিব পৰা নাই যাৰ বাবে আমি দুখ প্ৰকাশ কৰিলো। নগাঁও মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ--

---

লেখকৰ পৰিচয় ঃ নগাঁও কলেজৰ প্ৰাক্তন সাধাৰণ সম্পাদক (ভাৰপ্ৰাপ্ত)

# পাতৰ আঁৰতে লুকাই থকা শিল্পীজন আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰতীকপট

মানস কুমাৰ মহন্ত

ৰাজ্যখনত উচ্চ শিক্ষাৰ অনুষ্ঠান বুলিবলৈ তেতিয়া প্ৰায় একোৱেই নাছিল। অসমৰ যিসকল ছাত্ৰই উচ্চ শিক্ষাৰ বাবে হাবিয়াস কৰিছিল, অভিভাৱকে তেওঁলোকক পঠিয়াইছিল পাকিস্তানৰ চিলেট জিলাৰ মুৰাৰি চান্দ কলেজলৈ। ১৮৯২ চনতে স্থাপিত এইখন মহাবিদ্যালয় সেই সময়ত উত্তৰ-পূৱ ভাৰতৰ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান আছিল। আজি এই শিক্ষানুষ্ঠান বাংলাদেশৰ সম্পদ। চিলেট তেতিয়া আছিল অসমৰেই অংগ। মুৰাৰি চান্দ কলেজ স্থাপনৰ বহু বছৰ পিছত গুৱাহাটীত স্থাপিত হৈছিল কটন কলেজ। সেয়া ১৯০১ চনৰ সাতাইশ মে'ৰ কথা। কটন কলেজ স্থাপনৰ পিছত অসমত যিকেইখন কলেজ স্থাপন হ'ল, সেইকেইখনৰ ভিতৰত অন্যতম হ'ল— যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ। ১৯৩০ চনৰ ১৯ আগষ্টত এইখন কলেজে আত্মপ্ৰকাশ কৰিছিল। জগন্নাথ বৰুৱা কলেজৰ পিছত শিলচৰত স্থাপন হৈছিল গুৰুচৰণ কলেজ। ১৯৩৫ চনৰ ১৫ জুলাইত প্ৰতিষ্ঠা হৈছিল এইখন উচ্চ শিক্ষাৰ অনুষ্ঠান। ইয়াৰ পিছত স্থাপন হ'ল বৰপেটাৰ মাধৱ চৌধুৰী কলেজ। সেয়া ১৯৩৯ চনৰ কথা। সেই একেটা বছৰতে অৰ্থাৎ ১৯৩৯ চনত গুৱাহাটীত ৰাজাবালা দাসৰ একান্ত আগ্ৰহ আৰু প্ৰচেষ্টাত স্থাপন হৈছিল স্ত্ৰী-শিক্ষাৰ অনুষ্ঠান সন্দিকৈ ছোৱালী কলেজ। ইয়াৰ পিছত গুৱাহাটীত স্থাপন হৈছিল বি বৰুৱা কলেজ। সেয়া ১৯৪৩ চনৰ কথা। ৰাজ্যখনৰ অঞ্চলবিশেষত উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপনৰ সেই সময়ছোৱাতে নগাঁও চহৰত এখন মহাবিদ্যালয় স্থাপনৰ বাবে চিন্তা-চৰ্চা কৰিছিল এচাম সমাজ সংগঠক, পুৰোধা

ব্যক্তিয়ে। এই ক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব প্ৰাতঃস্মৰণীয় ব্যক্তিত্ব জননেতা মতিৰাম বৰাৰ। মতিৰাম বৰা আৰু আন কেইজনমান ব্যক্তিৰ চিন্তা আৰু ত্যাগৰ ফচল নগাঁও কলেজ। সেয়া ১৯৪৪ চনৰ কথা। কলিকতা বিশ্ববিদ্যালয়ৰ অনুমতি সাপেক্ষে নগাঁও চহৰৰ মাজ-মজিয়াত থকা ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শ্ৰেণীকোঠাতেই ১৯৪৪ চনৰ সাত আগষ্টত আৰম্ভ হৈছিল কলেজখনৰ শ্ৰেণীসমূহ। সেইখন কলেজে এতিয়া মহাৰজত জয়ন্তী বৰ্ষত ভৰি দিলে। সেই বিষয়ে বহুলভাৱে আলোচনা হৈ গৈছে।

নগাঁও কলেজ স্থাপনৰ দিনত ডিব্ৰুগড়ত ১৯৪৫ চনৰ ১৫ জুনত স্থাপন হৈছিল হনুমানবক্স সুৰজমল কানৈ কলেজ। দৰং কলেজ প্ৰতিষ্ঠা হৈছিল ১৯৪৫ চনৰ জুলাই মাহত। ইয়াৰ পিছৰ বছৰটোত ধুবুৰী চহৰত স্থাপন হৈছিল ভোলানাথ কলেজ। বি এন কলেজ বুলিয়েই চৰ্চিত এইখন শিক্ষানুষ্ঠান স্থাপন হৈছিল ১৯৪৬ চনৰ ১৬ আগষ্টত। দেশে স্বাধীনতা লাভ কৰা বছৰটোত অৰ্থাৎ ১৯৪৭ চনত পদ্মধৰ চলিহাৰ প্ৰায় একক প্ৰচেষ্টাত শিৱসাগৰৰ জয়সাগৰত প্ৰতিষ্ঠা হৈছিল শিৱসাগৰ কলেজ। সেই সমূহ শিক্ষানুষ্ঠানৰ প্ৰতীকপট বা এমব্লেমৰ চিন্তা কিন্তু কোনেও কৰা নাছিল। কটন কলেজৰ ছাত্ৰ, শিল্পী মহেন্দ্ৰনাথ ডেকাফুকনে কলেজখনৰ প্ৰতীকপটটো অংকন কৰাৰ পিছতহে আনসমূহ শিক্ষানুষ্ঠানৰ নিজা নিজা প্ৰতীকপটৰ কথা চিন্তা কৰিছিল কিছু পলমকৈ।

নগাঁও কলেজৰ প্ৰতীকপটৰ বিষয়ে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই কলেজ স্থাপনৰ পিছতেই চিন্তা কৰিছিল। পিছে দায়িত্ব লয় কোনে? চিত্ৰশিল্পী বিচাৰি নোপোৱাত বিষয়টো তেনেদৰেই ৰ'ল কেইবছৰমান। তাৰ পিছত এদিন কলেজৰ প্ৰৱেশদ্বাৰত জিলিকিল এটা আটকধুনীয়া প্ৰতীকপট। কলেজৰ যিটো প্ৰতীকপট আজিও জিলিকি আছে সেই বিষয়ে কোনেও কিন্তু আলোচনা কৰা আমাৰ চকুত পৰা নাই। প্ৰতীকটোৰ বিষয়ে কেইবছৰমান পূৰ্বে নগাঁৱৰ পৰা প্ৰকাশিত অধুনালুপ্ত 'অন্তৰীপ' নামৰ আলোচনীখনত এটা নিবন্ধ পঢ়িছিলোঁ। বিষয়বস্তু আছিল শিল্পী-সাহিত্যিক মহেন্দ্ৰনাথ মৈহেংদাং ডেকাফুকনৰ সৃষ্টিৰাজি সম্পৰ্কত। লিখিছিল বিচিত্ৰ আলোকচিত্ৰ শিল্পী আৰু পৰিচালক অমূল্য মান্নাই। সেই লেখাটোত প্ৰয়াত মান্নাদেৱে নগাঁও কলেজৰ প্ৰতীকপটটো ডেকাফুকনৰেই সৃষ্টি বুলি উল্লেখ কৰিছিল। নগাঁও আইন মহাবিদ্যালয়ৰ প্ৰতীকপটটোৰ স্ৰষ্টা ডেকাফুকন কিন্তু নগাঁও কলেজৰ প্ৰতীকপটটোৰ স্ৰষ্টা নাছিল।

আমি কিন্তু তেতিয়াই সেই তথ্য ভুল বুলি আঙুলিয়াই দিছিলোঁ, তথাপি বিস্তৃত পৰিসৰত নগাঁও কলেজৰ প্ৰতীকপটটোৰ বিষয়ে আলোচনা নহ'ল। ফলত সঁচা শিল্পীজন পাতৰ তলতেই লুকাই থাকিল। সেয়েহে পলমকৈ হ'লেও প্ৰতীকপটটোৰ স্ৰষ্টাজনক জনমানসলৈ উলিয়াই অনাৰ চেষ্টা কৰিছোঁ। এই ক্ষেত্ৰত কিমানদূৰ সফল হ'ব পাৰোঁ নাজানো, কিন্তু অন্ততঃ নগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এই তথ্য জানিব পাৰিব। সেয়াই আশা।

কলেজখনৰ প্ৰতিষ্ঠাৰ কেইবাবছৰৰো পিছত, ১৯৬৮-৬৯ চনমানতে কলেজখনৰ এটা প্ৰতীকপটৰ কথা পুনৰ চিন্তা কৰিলে প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱে। কিন্তু প্ৰতীকপটটো আঁকিব কোনে, কাক দায়িত্ব দিব পাৰি এই প্ৰশ্নৰ উত্তৰ অধ্যক্ষ শৰ্মাদেৱে নাপালে। সেয়ে কলেজখনৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত তেখেতে অনুষ্ঠিত কৰিলে প্ৰতীকপট অংকনৰ প্ৰতিযোগিতা। কিন্তু প্ৰতিযোগী নোলাল। তাৰ মাজতে তিনিজন ছাত্ৰই একোটা প্ৰতীক বা এমব্লেম আঁকি দিলেহি। এই তিনিজন ছাত্ৰ আছিল দুজন কলা বিভাগৰ আৰু এজন বিজ্ঞান বিভাগৰ। কলা বিভাগৰ ছাত্ৰ দুজনৰ প্ৰতীকপটটো অধ্যক্ষই মনোনীত নকৰিলে। চূড়ান্ত মনোনয়ন পালে বিজ্ঞান বিভাগৰ ছাত্ৰজনে অংকন কৰা প্ৰতীকটোৱে। সেইসময়ত নগাঁও কলেজৰ চৌহদতে থকা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰৰ ছয় নং বেটেলিয়ানৰ অধিনায়কৰ কাৰ্যালয়ত চাকৰি কৰা ৰঞ্জিত ভূএগা নামৰ ছাত্ৰজনে অংকন কৰা প্ৰতীকটোৱে শিক্ষক-সমাজৰ মাজতো আদৰ পালে। পিছত সেই প্ৰতীকটোৱেই গ্ৰহণ কৰিলে কলেজ কৰ্তৃপক্ষই। কলেজখনৰ ছাত্ৰ তথা শিল্পী ৰঞ্জিত ভূএগা আছিল চহৰখনৰ ফৌজদাৰীপট্টিৰ স্থায়ী বাসিন্দা জীৱনচন্দ্ৰ ভূএগাৰ দ্বিতীয় পুত্ৰ। এতিয়া গুৱাহাটীৰ বাসিন্দা হোৱা ৰঞ্জিত ভূএগাই অংকন কৰা প্ৰতীকপটটোৱে আজিও কলেজখনৰ মূল প্ৰৱেশদ্বাৰ উজ্বলাই ৰাখিছে। সেয়ে পাতৰ আঁৰতে লুকাই থকা শিল্পীজনক জনমানসলৈ উলিয়াই অনাৰ প্ৰচেষ্টাৰেই আমাৰ এই নম্ৰ প্ৰয়াস।

কি আছিল এই প্ৰতীকপটৰ আধাৰ। বিশ্বৰ শৈক্ষিক বাতাৱৰণকে আধাৰ হিচাপে লৈছিল ৰঞ্জিত ভূএগাই। মুকলি কৰি থোৱা এখন কিতাপৰ মাজত এপাহি পদুম ফুল আৰু উদিত সূৰ্যক অংকন কৰি নিজৰ সেই সময়ৰ শৈক্ষিক ধাৰণাক তুলি ধৰিছিল শিল্পীজনে। প্ৰথমে এটা বৃত্তৰেহে ইয়াক তুলি ধৰা হৈছিল যদিও পিছত নিজেই অসন্তুষ্ট হৈ সেই বৃত্তক বৰ্গাকাৰক্ষেত্ৰলৈ পৰিৱৰ্তন কৰিলে। বাণী হিচাপে

লিখিলে Knowledge is Power. অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই সেই বাক্যটো সলনি কৰি লিখিলে 'জ্যোতিৰ্গময়'। 'মোক আন্ধাৰৰ পৰা পোহৰলৈ নিয়া।' অৰ্থাৎ আলোকেৰে উজ্জ্বলক প্ৰজ্ঞাৰ পৃথিৱী। এনেকৈয়ে এদিন নগাঁও কলেজে লাভ কৰিলে নিজাববীয়া এটা প্ৰতীকপট প্ৰতিষ্ঠাৰ দুই দশকৰো পিছত। এই প্ৰতীকপটে তুলি ধৰিছে ৰূপান্তৰৰ ইতিহাসক। এই ইতিহাসৰ ৰূপকাৰ ৰঞ্জিত ভূঞাক এই ছেগতে কৃতজ্ঞতা আৰু অভিনন্দন জনালোঁ। মহাৰজত জয়ন্তীত ভৰি দিয়া ৰাজ্যখনৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নগাঁও মহাবিদ্যালয়ৰ বহল মজিয়াখনে এদিন আমাকো দেখুৱাইছিল পোহৰৰ বাট। সেই পোহৰৰ বাটেৰেই আজিও আগবাঢ়িছে ভৱিষ্যতৰ প্ৰজন্ম। এই পোহৰৰ বাটেই মহীয়ান কৰি তুলিছে প্ৰজ্ঞাধৃতিৰ শিখাত উজ্জ্বলা নগাঁও মহাবিদ্যালয়ক। সেয়া যে মোৰো গৌৰৱ।

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট সাংবাদিক আৰু লেখক।

# নগাঁও মহাবিদ্যালয়ত সাংস্কৃতিক পৰিৱেশ

সপোনটি বৰদলৈ

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত নগাঁও জিলাৰ এক সুকীয়া ঐতিহ্য আছে। আজিৰ পৰা পাঁচশ বছৰৰো আগতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিজস্ব শৈলীৰে ইয়াতেই সৃষ্টি কৰিছিল অসমীয়া সংস্কৃতিৰ সেই চহকী ধাৰা— খোল-তাল, নেগেৰা, ডবা-কাঁহৰ অপূৰ্ব সমাহাৰেৰে, নাম প্ৰসঙ্গৰে মুখৰিত নামঘৰৰ পৰম্পৰাগত মঞ্চত নাট-ভাওনা, গীত-বৰগীত, সত্ৰীয়া নৃত্যৰ বিচিত্ৰ প্ৰৰ্দশন।

যিকোনো শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভাসমূহ প্ৰকাশ কৰাৰ সুযোগ থাকে আৰু ইয়েই পৰৱৰ্তী সময়ত সবল ৰূপত উদ্ভাসিত হৈ সমাজত এক বিশেষ মৰ্য্যাদাৰে প্ৰতিষ্ঠিত হোৱা দেখা যায়।

ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয় অবিভক্ত নগাঁও জিলাৰ (নগাঁও, মৰিগাঁও, হোজাই) প্ৰথমখন উচ্চশিক্ষাৰ অনুষ্ঠান। গতিকে বিভিন্ন ক্ষেত্ৰৰ প্ৰতিভাসমূহ প্ৰকাশৰ এক উপযুক্ত স্থান আছিল এই নগাঁও মহাবিদ্যালয়। জন্মলগ্নৰে পৰাই ক্ৰীড়া, সাহিত্য অথবা সাংস্কৃতিক ক্ষেত্ৰত বহু ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব প্ৰতিভাৰে সময়ে সময়ে মহাবিদ্যালয়ৰ নাম উজ্জলাই তোলাৰ লগতে পাছৰ জীৱনত ৰাজ্যিক, ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নিৰ্দিষ্ট ক্ষেত্ৰত সু-প্ৰতিষ্ঠিত হ'ব পাৰিছে।

আমাৰ এই লেখা নগাঁও মহাবিদ্যালয়ৰ সাংস্কৃতিক পৰিৱেশ তথা পৰম্পৰাৰ ওপৰত মহাবিদ্যালয়ৰ বিভিন্ন বাৰ্ষিক আলোচনী আৰু নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰা বিভিন্ন প্ৰজন্মক প্ৰতিনিধিত্ব কৰা কিছু ব্যক্তিৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিতহে প্ৰস্তুত কৰা হৈছে। গতিকে ইয়াক মহাবিদ্যালয়ৰ বিস্তৃত সাংস্কৃতিক ইতিহাস বুলি গণ্য কৰিব নোৱাৰি। যথেষ্ট সচেষ্ট হোৱা সত্বেও অনিচ্ছাকৃতভাৱে কিছু তথ্য সন্নিবিষ্ট

নোহোৱাতো খুবেই স্বাভাৱিক। তাৰবাবে মই আগতীয়াকৈ ক্ষমা ভিক্ষা মাগিলো।

নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাচাৰ এক সংস্কৃত মনৰ ব্যক্তি। গতিকে চাৰৰ পৃষ্ঠপোষকতাত আৰম্ভণীৰ পৰাই নগাঁও মহাবিদ্যালয়ত এক সুস্থ, ৰুচিসন্মত সাংস্কৃতিক বাতাৱৰণৰ সৃষ্টি হৈছিল। তদুপৰি অধ্যাপক কমল চন্দ্ৰ গোস্বামী (পাছলৈ উপাধ্যক্ষ) চাৰ সত্ৰীয়া সংস্কৃতিৰ এগৰাকী সাধক আছিল। ছাত্ৰ-ছাত্ৰী সকলক সততে উৎসাহ যোগাইছিল অধ্যাপক ভগৱান বৰুৱা আৰু ভদ্ৰ বৰা চাৰে।

আৰম্ভনীতে মহাবিদ্যালয়ত আজি কালিৰ দৰে 'মহাবিদ্যালয় সপ্তাহ'ৰ যোগেদি বিভিন্ন প্ৰতিযোগিতা পতাৰ ব্যৱস্থা নাছিল। শঙ্কৰদেৱৰ তিথি, সৰস্বতী পূজা আদিত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। বিগত শতিকাৰ ৫০ দশকৰ আৰম্ভনিতে সেই সময়ৰ ছাত্ৰ পদ্ম বৰা ৰচিত একাংকিকা নাট 'ওখনা ওখনি' বছৰেকীয়া সাংস্কৃতিক অনুষ্ঠানত মঞ্চস্থ কৰা হৈছিল। অভিনয় কৰিছিল পাছলৈ 'শকুন্তলা' কথাছবিৰ সুদৰ্শন নায়ক পৱিত্ৰ বৰকাকতি, বলীষ্ঠ অভিনেতা বীৰেন মহন্ত, 'ওপৰমহলা' খ্যাত নাট্যকাৰ ৰামকুমাৰ ভট্টাচাৰ্য্য, নাট্যকাৰ পৰিচালক গোলাপ বৰা, জীতেন শৰ্মা আদিয়ে। একেটি নাট্যদলে মহাবিদ্যালয়ত উপস্থাপন কৰা আন দুখন নাটক হ'ল ৰাম কুমাৰ ভট্টাচাৰ্য্য ৰচিত 'দুখন দেৱাল এখন ছবি' আৰু 'এক্সৰে'। মহাবিদ্যালয়ত সমসাময়িক আন দুজনমান নাট্যশিল্পী আছিল 'বলীয়া হাতী' খ্যাত নাট্যকাৰ নেত্ৰ কমল বৰঠাকুৰ আৰু পৰৱৰ্তী সময়ত অসমৰ চলচিত্ৰ জগতৰ খলনায়কৰূপে খ্যাত দিনেশ দাস। নাৰী চৰিত্ৰত অভিনয় কৰিছিল তুলসী দত্তই।

বিংশ শতিকাৰ ৫০ দশকত নগাঁও মহাবিদ্যালয়ত অধ্যয়নৰত নিকুঞ্জলতা মহন্তই সুন্দৰ বৰগীত পৰিৱেশন কৰিছিল। তেখেত গণশিল্পী খগেন মহন্ত দেৱৰ জেষ্ঠভগ্নী খগেন মহন্ত দেৱো দুবছৰ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল আৰু গীত পৰিৱেশন কৰিছিল। ইয়াৰ পাছত তেখেতে উচ্চ-শিক্ষালাভৰ বাবে শিলঙলৈ যায়। এই দশকতে ড° কেশৱানন্দ গোস্বামী (পিছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক) য়ে মহাবিদ্যালয়ত সত্ৰীয়া নৃত্য প্ৰদৰ্শনেৰে সুনাম অৰ্জ্জন কৰিছিল। জনামতে মহন্তদেৱে শোনিত কোঁৱৰ গজেন বৰুৱাৰ লগত থাকি নৃত্য বিদ্যা লাভ কৰিছিল। তেখেতে ছবিও আঁকিছিল। সেই সময়ৰ আৰু দুগৰাকী নৃত্যশিল্পী হ'ল — কৃষ্ণমূৰ্তি হাজৰিকা (পাছলৈ কেন্দ্ৰীয় চৰকাৰৰ Songs and Drama Division ৰ উচ্চ

পদস্থ বিষয়া) আৰু খগেন মহন্তৰ জেষ্ঠ ভাতৃ বীৰেন মহন্ত। দুয়ো আন্তঃমহাবিদ্যালয় নৃত্য প্ৰতিযোগিতাত নগাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি সুনাম অৰ্জন কৰিছিল। তেওঁলোকৰ সমসাময়িক এগৰাকী ছাত্ৰই ভাটখাণ্ডেৰ পৰা তবলাত আনুষ্ঠানিক শিক্ষা-লাভ কৰি নগাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰিছিল। তেখেত হ'ল— প্ৰখ্যাত তবলাবাদক বিবেকানন্দ ভট্টাচাৰ্য্য। শুনামতে, সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্য্যদেৱেও কিছুদিন এই মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। তেখেতে সুন্দৰ ছবি আঁকিছিল।

৫০ দশকৰ শেষৰফালে সঙ্গীতশিল্পী সকলৰ তালিকাত আমি নাম পাঁও গায়ক শৰৎ গোস্বামী, সাৰদা দাস, প্ৰণতি শইকীয়া, লুকিমা ভট্টাচাৰ্য্য, অনিল গোস্বামী, মিনতি বৰুৱা, ৰিণু গোস্বামী, মায়াৰাণী দাস আদি। বাদ্যযন্ত্ৰত বহুকেইজন মহাবিদ্যালয়ৰ ছাত্ৰই সুনাম অৰ্জ্জন কৰিছিল। তেখেত সকল হ'ল তবলাত পালিত বৰা, খোলবাদনত উপেন বৰা (পাছলৈ ঢিং কলেজৰ অধ্যক্ষ) বীৰেণ মহন্ত, কৃষ্ণ বৰা, (পাছত ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ) ভায়োলীনত তাৰিণী শৰ্মা, যিজনে ১৯৫৮ চনত তেজপুৰত অনুষ্ঠিত হোৱা "আন্ত মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতা"ত পুৰস্কৃত হয় তেখেতৰ লগতে ডাঃ অমূল্য বৰুৱায়ো ভায়োলীন বজাইছিল। ১৯৫৮ চনত Inter College Music Competition ত নগাঁও মহাবিদ্যালয় আৰু কটন মহাবিদ্যালয় যুটীয়াভাৱে শ্ৰেষ্ঠ হৈছিলে। এক বিশ্বস্ত সূত্ৰৰ মতে মহান গীতিকাৰ ৰূদ্ৰ বৰুৱাও হেনো নগাঁও মহাবিদ্যালয়তে পঢ়িছিল। অন্যান্য সকলৰ ভিতৰত গায়ক সুয়েজ বৰদলৈ, মাধৱ শৰ্মা, নৃত্যশিল্পী ইলু বৰদলৈ, কলিয়াবৰৰ হৰেণ মহন্ত আদিৰ নাম উল্লেখযোগ্য। অনাঁতাৰ শিল্পী গায়ক-সুৰকাৰ যজ্ঞ বেজবৰুৱাও নগাঁও মহাবিদ্যালয়তে ছাত্ৰ আছিল। মন কৰিবলগীয়া কথা যে প্ৰায়বোৰ সঙ্গীত শিল্পীৰ গুৰু আছিল ওস্তাদ সুশীল বেনাৰ্জী। সাংস্কৃতিক সংগঠকৰ ভিতৰত পৰৱৰ্তী সময়ৰ অধিবক্তা দেৱ গোস্বামী আৰু কবি কুমুদ বৰা সঙ্গীত বিভাগৰ সম্পাদক হিচাবে ছাত্ৰ-ছাত্ৰী সকলক যথেষ্ট সহায় কৰিছিল।

৬০ দশকৰ নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰা নাট্যশিল্পী ছাত্ৰ-ছাত্ৰীসকল আছিল পৰৱৰ্তী সময়ৰ অসমৰ বিশিষ্ট নাট্যকাৰ দেৱ কুমাৰ শইকীয়া, বলীষ্ঠ অভিনেতা, পৰিচালক কানু বেজবৰুৱা, মঞ্জুল শইকীয়া, পদুম চান্দ কোঠাৰী মহিলা শিল্পী স্মৃতিৰেখা শইকীয়া ইত্যাদিৰ লগতে এই দৰ্শকৰ শেষৰফালে ভৰেশ বেজবৰুৱা,

দেয়াজ আহমেদ, ফণী শৰ্মা, প্ৰমোদ বৰা, উপেন হাজৰিকা আদিয়ে মহাবিদ্যালয়ৰ নাটকত অংশ গ্ৰহণ কৰিছিল। তদুপৰি ৰাজেন শৰ্মা, ৰঞ্জিত কুমাৰ বৰুৱা, ফনীন্দ্ৰ কুমাৰ বৰা আৰু অভিনেত্ৰী মনিকা বৰুৱাৰ নামো আমি নাট্যশিল্পী হিচাবে পাওঁ। সেই সময়ত এগৰাকী চিত্ৰশিল্পী ছাত্ৰ আছিল কানু প্ৰসন্ন চৌধুৰী। সেইসময়ৰ সঙ্গীত শিল্পীসকল হ'ল ভাৰতী চক্ৰৱৰ্তী (শ্ৰেষ্ঠ গায়িকা ৬৭-৬৮ চন) গণশিল্পী খগেন মহন্তৰ কনিষ্ঠ ভাতৃ দিগেন মহন্ত, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ লগত পৰৱৰ্তী সময়ত তবলা সঙ্গত কৰা সূৰ্য্য গোস্বামী, বিশিষ্ট গায়ক সূৰ্য্য দাস, জিয়েন্স বৰদলৈ ইত্যাদি।

বিগত শতিকাৰ ৭০ দশকৰ আৰম্ভণীতে 'ছন্দ পতন' আৰু আন দুখনমান একাংকিকা নাটকৰে মঞ্চসফল উপস্থাপন কৰা ছাত্ৰসকল আছিল মুৰুলী শৰ্মা (শ্ৰেষ্ঠ অভিনেতা) নৌচাদ আখতাৰ হাজৰিকা, প্ৰবীৰ বেজবৰুৱা, মোহিত বৰা, লুইত বৰা, ভৱানন্দ শৰ্মা, আৰু পৰৱৰ্তী সময়ৰ বলিষ্ঠ অভিনেতা-পৰিচালকআমজাদ হুছেইন। দলটিৰ মহিলা সদস্য গৰাকী হ'ল— চপলা ৰায়। এই দশকৰ মাজভাগত অধ্যয়নৰত উপকুল বৰদলৈ, ইমদাদুল হাজৰিকা, অৰূপ মান্না আদিয়ে নাটকত অংশগ্ৰহণ কৰিছিল। আজি প্ৰতিগৰাকীয়েই সমাজৰ প্ৰতিষ্ঠিত শিল্পী। অৰূপ মান্না এগৰাকী বিশিষ্ট আলোক চিত্ৰশিল্পীও। তদুপৰি তেখেতৰ প্ৰযোজিত তথা পৰিচালিত প্ৰতিখন কথাছবিয়েই ৰাষ্ট্ৰীয় অথবা আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্জলি উঠিছে। এইসকলৰ সমসাময়িক আন কেইজনমান নাট্যশিল্পী হ'ল নাট্যকাৰ দ্বিপন গোস্বামী, অভিনেতা প্ৰধান গোস্বামী, পল্লৱ গোস্বামী, অভিনেত্ৰী ৰুণু দাস আদি। এই শতিকাৰ শেষৰফালে প্ৰতিষ্ঠিত গল্পকাৰ, নাট্যকাৰ শিৱানন্দ কাকতিয়ে এক নতুন আঙ্গিকৰে, ব্ৰেখতীয়ান, শৈলীৰে 'এম-ব্ৰাইঅ', 'কেন্দ্ৰবিহীন বৃত্ত' ইত্যাদি নাটক ৰচনা আৰু উপস্থাপনাৰে এক আলোড়ন সৃষ্টি কৰিছিল। ১৯৭৮-৭৯ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেত্ৰী আছিল চন্দ্ৰমা ৰাজখোৱা।

১৯৭১-৭২ চনত নগাঁও মহাবিদ্যালয়ত সঙ্গীত সমাৰোহ অনুষ্ঠিত হৈছিল। সেইসময়ৰ সঙ্গীত সম্পাদক আছিল গৌতম বৰা আৰু সাংস্কৃতিক সম্পাদক আছিল লক্ষ্মীকান্ত দাস। ৭০ দশকৰ আগভাগত মহাবিদ্যালয়ৰ সঙ্গীত শিল্পী সকল আছিল ধীৰাজ দাস, জ্বলী পাল, মচহুদা বেগম, অৰূপ মান্না (শ্ৰেষ্ঠ গায়ক) বিজয় লাল তীৱাৰী, ৰীণা কৰ, প্ৰগতি (কৰ) মহন্ত, ৰিজুৱানা চুলতানা (শ্ৰেষ্ঠ গায়িকা) আদি।

মহাবিদ্যালয় সপ্তাহত হোৱা সঙ্গীত প্ৰতিযোগিতা, সুকুমাৰ কলা, তৰ্ক,

আবৃত্তি, নাটক, কুইজ ইত্যাদি প্ৰতিযোগিতা সমূহৰ যোগেদি বহু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ ঘটিছিল তথা পৰৱৰ্তী সময়ত নিৰ্দিষ্ট সাংস্কৃতিক ক্ষেত্ৰত প্ৰতিষ্ঠিতও হৈছিল। ’৭০ দশকৰ শেষৰ পৰা বিংশ শতাব্দীৰ শেষলৈকে পোৱা শ্ৰেষ্ঠ গায়ক গায়িকা সকলৰ নাম পাৰ্য্যমানে দিবলৈ চেষ্টা কৰিছো— আৰিফুল হক (দুবাৰকৈ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ গজল প্ৰতিযোগিতাত সোণৰ পদক) নিজৰা চৌধুৰী, কুইন দাস, ৰীতা শইকীয়া, ধ্ৰুৱজ্যোতি চক্ৰৱৰ্তী, স্বৰ্ণ ভূঁএগ, নীলাক্ষী চাংকাকতি, অপূৰ্ব কাকতি, তৃষা শইকীয়া, বিদ্যুত বিকাশ সেনাপতি ইত্যাদি। অন্যান্য গায়ক-গায়িকা আছিল দিপ্তী দাস, আশীষ বৰা, নিবেদিতা তামুলী ফুকন, ৰুলা তামুলীফুকন, জীৱন সিং, উচ্চ পদস্থ আৰক্ষী বিষয়া ড° শ্যামল প্ৰসাদ শইকীয়া, মনিমা শইকীয়া, মৃগেন দাস, বৰ্ণালী হাজৰিকা, দিলীপ নাথ, তপন দাস, পৰশমনি মহন্ত, জিনা ভড়ালী, দামোদৰ কটকী, আতিকুৰ ৰহমান, ধৰিত্ৰী দেৱী আৰু বৰ্তমানে অসমৰ এগৰাকী জনপ্ৰিয় গায়ক কলংপৰীয়া বিহুৱা কৃষ্ণমনি নাথ ইত্যাদি।

সেইখিনি সময়ত বহুকেইজন ছাত্ৰই সঙ্গীত পৰিবেশনকাৰী সকলৰ লগত বাদ্যযন্ত্ৰত সঙ্গত কৰিছিল। তেওঁলোকৰ বেছিভাগেই সুপ্ৰতিষ্ঠিত তথা জনপ্ৰিয়। আমাৰ হাতত পৰা তথ্য অনুসৰি সেইসকল শিল্পীহ’ল ৰফি আহেমদ, ৰায়মোহন বৰদলৈ, নাজমা আহমেদ কৈলাশ দাস, সঞ্জীৱ শইকীয়া, চন্দন নাথ, হিফজুৰ ৰহমান, সুৰঞ্জিত বৰঠাকুৰ, ৰঞ্জিত খাউণ্ড, ৰঞ্জু বৰা, মানস হাজৰিকা, কিৰণ দাস, ৰঞ্জু কলিতা, পলাশ নাথ, আচিন্ত্য চৌধুৰী, দুল আহমেদ, মুনীন্দ্ৰ গোস্বামী, মাধুৰ্য্য পালিত বৰা, পৰশমনি মহন্ত, অমিয় বৰা, জগদীশ বৰদলৈ, দিগন্ত বৰদলৈ, পৱন লস্কৰ, অতুল ভূএগঁ, হেমন্ত ৰাজখোৱা, যতীন্দ্ৰ নাথ মহন্ত (জুনুক) অজিত বৰা, দীপ ভড়ালী, চলচিত্ৰকাৰ বাণী দাস, অতুল মহন্ত, প্ৰাঞ্জল বৰা, মানসজ্যোতি বৰুৱা ৰঞ্জিত বৰা, (দাদু) সৌন্দৰ্য্য পালিত বৰা, নয়ন কমল শইকীয়া, ইন্দ্ৰজিৎ বনিয়া (যুৱমহোৎসৱত তবলাত সোণৰ পদক প্ৰাপ্ত) মানস মোহন দাস, ৰূপক শৰ্মা (বৰ্তমানৰ বিধায়ক) ইত্যাদি।

ঐতিহাসিক অসম আন্দোলনৰ সময়ত সমান্তৰালভাৱে নগাঁও মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য, সংস্কৃতিৰ চৰ্চা অব্যাহত আছিল। সেই সময়ৰ বহুকেইজন ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী সময়ত সাহিত্য-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত আজি সু-পৰিচিত তথা প্ৰতিষ্ঠিত। নাটকত এই লেখকৰ লগতে সাৰংগ বৰা, জ্যোতি গায়ন,

বসন্ত বৰঠাকুৰ, কমলেশ শইকীয়া, ধৰ্ম ভট্টাচাৰ্য, পবিত্ৰ প্ৰাণ শৰ্মা, বানী দাস, প্ৰাণজিৎ গোস্বামী, মুকুট ৰঞ্জন শইকীয়া (শ্ৰেষ্ঠ অভিনেতা) জ্ঞানজ্যোতি শৰ্মা, নৰজিৎ মহন্ত, তপন বৰুৱা, সঞ্জীৱ মুদৈ, জ্যোৰ্তিময় চক্ৰৱৰ্তী, পুষ্পেন্দ্ৰ কাকতি, উৎপলা বৰুৱা, ৰুলা শৰ্মা আদিয়ে অভিনয় কৰিছিল। বৰ্তমানৰ বিশিষ্ট নাট্যকাৰ পৰিচালক অজিত বৰঠাকুৰে কলেজীয়া শিক্ষাকালত নাটক নকৰিলেও ১৯৮৮ চনৰ পৰা নাট্যকৰ্মত জড়িত হৈ পৰে। '৮০ দশকৰ পাছৰফালে ভূ-তত্ববিদ জয়ন্ত কুমাৰ শৰ্মা, মানস কুমাৰ বৰা, (শ্ৰেষ্ঠ অভিনেতা) নগাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যাপক ধ্ৰুৱজ্যোতি বৰুৱা, চলচিত্ৰ পৰিচালক বিশিষ্ট আলোক চিত্ৰশিল্পী আশীষ শইকীয়া, ইলোৰা শৰ্মা, অসমীয়া কথাছবি তথা মঞ্চ-জগতৰ জনপ্ৰিয় অভিনেতা ক্ষীৰোদ শৰ্মা (মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ কৌতুক অভিনেতা), ৰেছমিন চুলতানা আহমেদ, উত্তম বৰা (টুকু), সৌৰভ কুমাৰ মহন্ত (দুবাৰকৈ বছৰৰ শ্ৰেষ্ঠ অভিনেতা), ফৰিস্তা ইয়াছমিন, ধনঞ্জয় কুশ্ৰে, প্লাৱন ভূঁএগ, সীমান্ত কুমাৰ কাশ্যপ, ৰিজুমনি শৰ্মা, (শ্ৰেষ্ঠ অভিনেত্ৰী) ইত্যাদি।

সঙ্গীত তথা নাট্যচৰ্চাৰ লগতে নগাঁও মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, আবৃত্তি, কুইজ ইত্যাদি সময়ে সময়ে বিশেষকৈ কলেজ সপ্তাহত অনুষ্ঠিত হৈ আহিছে। আমাৰ এই লেখাত বিভিন্ন তথ্যৰ পৰা পোৱা মহাবিদ্যালয়ৰ কেইগৰাকীমান তাৰ্কিক অথবা বক্তাৰ নাম উল্লেখ কৰিব লৈছো। এক বিশেষ তথ্যৰ পৰা জনা যাই যে নগাঁও মহাবিদ্যালয়ৰ পৰা প্ৰাক বিশ্ববিদ্যালয় কলা শাখাত প্ৰথম স্থান অধিকাৰ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া প্ৰফুল্ল কুমাৰ মহন্তদেৱে আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত পুৰস্কাৰ লাভেৰে নগাঁও মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৭৭-৭৮ চনৰ শ্ৰেষ্ঠ তাৰ্কিক আছিল মধুমিতা বৰুৱা, তাৰ পিছত বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিক আছিল আনন্দ ৰাম ঢেকীয়ালফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অহিদুজ জামান। সেই সময়ৰ আনদুগৰাকী সুনিপুন তাৰ্কিক আছিল নগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ কুমাৰ বৰুৱা আৰু বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শৰৎ বৰকটকী। এই লেখাৰ লেখক সপোনটি বৰদলৈয়ে ১৯৮১ চনত কটন মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চল মানিক চন্দ্ৰ বৰুৱা আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ ২য় শ্ৰেষ্ঠ তাৰ্কিক হোৱাৰ উপৰিও পাপৰি মহন্তৰ সৈতে শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই আনিছিল। বৰদলৈয়ে 'মহেন্দ্ৰ নাথ মৈহেংদাং

ডেকাফুকন সোঁৰৰণি সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰো ২য় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিছিল। পাপৰি মহন্ত বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক হৈছিল। তদুপৰি সেই একে সময়তে জয়ন্ত কুমাৰ শৰ্মা পাপৰি মহন্ত যুটিয়ে আৰু এই দুগৰাকীৰ লগতে শ্বহীদ পৰোজ বৰা, মৰমটি বৰদলৈৰ সন্মিলিত দলে আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ সন্মান মহাবিদ্যালয়লৈ কঢ়িয়াই আনিছিল। প্ৰাক্তন সাধাৰণ সম্পাদক সুৰজিৎ গোস্বামীও এগৰাকী সু তাৰ্কিক। সম্প্ৰতি ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যাপক দেৱাশীষ বৰুৱা ১৯৯১-৯২ বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিক। তদুপৰি নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা "সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"ৰ শ্ৰেষ্ঠ প্ৰতিযোগী। সেই সময়ৰ আন এগৰাকী তাৰ্কিক হ'ল ৰুনজুন বৰা। ইয়াৰ পাছত নগাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা দুগৰাকী তাৰ্কিক হ'ল কলংপাৰ বিদ্যাপীঠৰ প্ৰৱক্তা ইন্দ্ৰমোহন বৰা আৰু এ.চি.এছ বিষয়া অজিত শৰ্মা। কিছু বছৰৰ বিৰতিত ২০০১-০২ চনত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰী তাৰাণা আহমেদে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত ২য় শ্ৰেষ্ঠ তাৰ্কিক হিচাবে বিবেচিত হয়। বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক আছিল দেৱাশীষ বেজবৰুৱা। দুয়োগৰাকী তাৰ্কিকে নগাঁও মহাবিদ্যালয়লৈ কেইবাটাও আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ আনিবলৈ সক্ষম হয়। এওঁলোকৰ পাছত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক হোৱাৰ উপৰিও যুৱ মহোৎসৱকে আদি কৰি বিভিন্ন অসম ভিত্তিত প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব বিবেচিত হোৱা তাৰ্কিক তথা বক্তা সকল হ'ল— শুভজ্যোতি দাস, চৰমিন চুলতানা, দিগন্ত বৰা, মৃগনাভ বৰা, কৃষ্ণ-কিংকৰ খাটনিয়াৰ, ভাৱলীনা শইকীয়া, অৰিন্দম বৰা, পাৰ্থপ্ৰতীম শইকীয়া, তাহমিনা ৰহমান, জ্যোৰ্তিময় বৰা, জয় প্ৰকাশ গায়ন আদি।

ঠিক তেনেদৰে নগাঁও মহাবিদ্যালয়ৰ বিভিন্ন সময়ৰ আবৃত্তিকাৰ সকল হ'ল— প্ৰয়াত গোলাপ বৰা (পৰৱৰ্তী সময়ত তেখেতে 'আবৃত্তিৰ পদ্ধতিগত শিক্ষাকেন্দ্ৰ স্থাপন কৰিছিল), ড° আবু হানিফা, পৰিত্ৰপ্ৰাণ শৰ্মা, অমিয় বৰা, পাপৰি মহন্ত, উৎপলা বৰুৱা, সপোনটি বৰদলৈ, (বছৰৰ শ্ৰেষ্ঠ প্ৰতিযোগী) জয়ন্ত কুমাৰ শৰ্মা, মৰমটি বৰদলৈ, দেৱাশীষ বৰুৱা (শ্ৰেষ্ঠ প্ৰতিযোগী), ময়ুৰী গোস্বামী (শ্ৰেষ্ঠ প্ৰতিযোগী) মুনমুন বৰা, প্ৰণীতা মহন্ত, পদুম ৰাজখোৱা, মানৱজ্যোতি বৰা, চৰমিন চুলটানা, সংগীতা বৰঠাকুৰ (শ্ৰেষ্ঠ প্ৰতিযোগী) নিৰ্মালি সন্দিকৈ (যুৱমহোৎসৱত পুৰস্কাৰ প্ৰাপ্ত) কৃষ্ণকিংকৰ খাটনিয়াৰ (যুৱমহোৎসৱত তৃতীয় পুৰস্কাৰ) ইত্যাদি।

চিত্ৰশিল্প অথবা সুকুমাৰ কলাৰ ক্ষেত্ৰত নগাঁও মহাবিদ্যালয়ৰ অৱদান উল্লেখযোগ্য। ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আনকি আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ৰ চিত্ৰশিল্পীও নগাঁও মহাবিদ্যালয়তে অংকুৰিত হৈছিল। অৱশ্যে এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নগঞাঁ চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ অৱদান লেখত লবলগীয়া। তদুপৰি নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নৌসাদ আখটাৰ হাজৰিকাৰ নেতৃত্বত গঢ় লৈ উঠা 'কল্লোল চিত্ৰাঙ্কণ বিদ্যালয়' আৰু অজিত বৰাৰ নেতৃত্বত গঢ় লৈ উঠা 'ৰূপৰঙ্গ চিত্ৰকলা বিদ্যাল'য়ে বহু প্ৰতিভাৱান চিত্ৰকলা শিল্পীৰ সৃষ্টিত অৰিহণা যোগাইছে। বৰ্তমান অৱশ্যে বহুকেইখন চিত্ৰকলাৰ অনুষ্ঠান নগাঁৰত আছে। বিশেষকৈ কুৰি শতিকাৰ ৬০ দশকৰ শেষৰপৰা আমি চিত্ৰশিল্পী সকলৰ তথ্য লাভ কৰিছো। শ্ৰদ্ধাৰ ননী বৰপূজাৰী দেৱ নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তাৰপাছতেই আমি উল্লেখ কৰিব পাৰো প্ৰয়াত অচিত পাল আৰু ব্ৰজেন বৰাৰ নাম। বৰ্তমান 'কল্লোল চিত্ৰাঙ্কণ বিদ্যালয়'ৰ অধ্যক্ষ টিকেন্দ্ৰজিৎ শইকীয়াৰ পৰা আৰম্ভ কৰি আমি উল্লেখ কৰিব বিচৰা প্ৰায় সকলেই আজিৰ তাৰিখত এই বিশেষ কলাত ইতিমধ্যেই প্ৰতিষ্ঠিত। সেইসকল হৈছে প্ৰশান্ত বৰদলৈ (বিশিষ্ট আলোক চিত্ৰশিল্পীও), শৈলেন দাস (যুৱ মহোৎসৱত স্বৰ্ণপদক প্ৰাপ্ত), সমীৰজ্যোতি বৰা, অতসী বৰা, জ্যোতি প্ৰসাদ ডেকা, অঞ্জু লস্কৰ, অঞ্জু ডেকা, দিলৱাৰ হুছেইন, বিপুল কুমাৰ ৰায়, দ্বীপ শইকীয়া, বিশ্বজিৎ বৰুৱা, অতিফুৰ ৰহমান, উৎপল শৰ্মা, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° প্ৰদীপ শৰ্মা, প্ৰদীপ মজুমদাৰ, অমিতাভ দাসগুপ্তা, অৰুন্ধতী চৌধুৰী, অৰুণ নাথ, বিজয় ভূঞাঁ, পাৰভেজ আহমেদ, (আলোকচিত্ৰ শিল্পীও), অৰবিন্দ দাস, নিলোৎপল শাস্ত্ৰী, নীলাক্ষী বেজবৰুৱা, চাহিদুল হক (যুৱমহোৎসৱত স্বৰ্ণপদক প্ৰাপ্ত), চয়নিকা বৰা, ময়ুৰ ফুকন, (যুৱমহোৎসৱত স্বৰ্ণপদক প্ৰাপ্ত), মনানাশ্ৰিতা পাৰ্বতী, মুন শইকীয়া, পুলকানন্দ কৌশিক (ভাস্কৰ্য্যশিল্পী), বিকাশ সৰকাৰ, প্ৰীতম পাল, মনিকা নাছৰিন, বনানী দাস, সৌমজ্যোতি সেন, পায়েল দাস, বেদব্ৰত সৰকাৰ। আগতে উল্লেখ কৰি অহা আলোকচিত্তশিল্পী সকলৰ উপৰিও আলোকচিত্ৰ তথা বিভিন্ন তথ্যচিত্ত অথবা সৰুপৰ্দাৰ কেমেৰা আৰু সম্পাদনাৰ কামত ইতিমধ্যেই প্ৰতিষ্ঠিত হৈছে কানু লস্কৰ, আলোক চিত্তশিল্পী নৃপেন শইকীয়া, মানৱজ্যোতি বৰা আৰু ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত তথ্যচিত্ৰৰ প্ৰযোজন-পৰিচালক পাৰ্থজিৎ বৰুৱা। পলাশ বৰা (যুৱ মহোৎসৱত আলোকচিত্ৰত পুৰস্কাৰ প্ৰাপ্ত) মৃত্যুঞ্জয় কুমাৰ মাহাতু ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ

শ্ৰেষ্ঠ আলোকচিত্ৰশিল্পী। গৌৰিশংকৰ শইকীয়া যুৱমহোৎসৱত পষ্টাৰ মেকিঙত পুৰস্কাৰ প্ৰাপ্ত।

নগাঁও মহাবিদ্যালয়ৰ কেইবাটাও কুইজ দলে সময়ে সময়ে বিভিন্ন প্ৰতিযোগিতাত সুনাম অৰ্জ্জন কৰি আহিছে। আমাৰ হাতত থকা তথ্য অনুসৰি তেনে কুইজ প্ৰতিযোগিসকলৰ নাম উল্লেখ কৰিব বিচাৰিছো। তেওঁলোক হ'ল— বিশিষ্ট সাংবাদিক গল্পকাৰ মনোজ কুমাৰ গোস্বামী, অধ্যাপক উৎপল মেধি, ৰেকিব উদ্দিন আহমেদ, ৰাজকুমাৰ, বৰ্তমানৰ জনসংযোগৰ যুটীয়া সঞ্চালক জ্যোতিৰ্ময় চক্ৰৱৰ্তী, জয়ন্ত কুমাৰ শৰ্মা, প্ৰয়াত এ, চি, এছ বিষয়া পলাশ প্ৰতীম বৰা, মুকুল বৰঠাকুৰ, কাব্যজ্যোতি বৰা, উৎপল বৰা, সুনীল বৰা, মুকুন্দ ভূএগ্ৰা, উৎপল জ্যোতি বৰ্মণ, দিপক দাস, ইন্দ্ৰমোহন বৰা, অজিত শৰ্মা, ত্ৰিবুণজ্যোতি শৰ্মা, দিপাংকৰ কলিতা, তাৰানা আহমেদ, শুভজ্যোতি দাস, বিশ্বজিৎ শইকীয়া, শুভম গোস্বামী, নৰজ্যোতি বৰা, দেবাঙ্কুৰ বৈৰাগী, ভাস্কৰ শইকীয়া, আশীষ শইকীয়া, অঙ্গৰাগ শাণ্ডিল্য, কানু মজুমদাৰ, অভিজিৎ বৰুৱা, অৰ্ণৱ বৰদলৈ, নিপ কুমাৰ বৰুৱা আদি।

একবিংশ শতিকাৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে নগাঁও মহাবিদ্যালয়ৰ প্ৰতিটো বৰ্ষৰ শ্ৰেষ্ঠ আৰু জনপ্ৰিয় গায়ক-গায়িকা সকল হ'ল — কৰবী দেৱী (বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা), ইন্দ্ৰানী শইকীয়া (দুয়ো বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পদক প্ৰাপ্ত), প্ৰিয়ংকা কৌশিক, শিৱানী শইকীয়া, শ্বৰমিন চুলতানা (যুৱমহোৎসৱত সোণৰ পদক), শিখা বৰদলৈ, মনদ্বীপ মহন্ত (দুয়োজনে মুঠ ৫টা পদকেৰে যুৱমহোৎসৱ সুনাম) অবিশ্মিতা বৰুৱা, ৰীমা শইকীয়া (ৰিম্‌জিম ৰীমা), প্ৰাণজিত শইকীয়া (২য় শ্ৰেষ্ঠ), শিখা বৰা, ডৰথী বৰদলৈ বিপাঞ্চী দাস শইকীয়া, পাৰিজাত বৰা, শ্বাৰাব হাসমী ৰহমান, অভিনন্দা মান্না আৰু নিপু ভূএগ্ৰা (যুৱমহোৎসৱত কেইবাটাও পদক লাভ)।

আকৌ উভতি আহিছো নাট্যক্ষেত্ৰলৈ। '৮০ দশকৰ শেষৰ ফালে ১৯৮৮-৮৯ চনৰ বছৰৰ শ্ৰেষ্ঠ নাট্যদলৰ সদস্যসকল আছিল — মুকুতা বৰা, অৰূপ বায়ন আৰু দীপ বৰা (পৰিচালক)।

'৮৯-৯০ ত অসম কৃষি বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্ত মহাবিদ্যালয় একাংক নাট প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠদল আৰু ৰিজুমণি শৰ্মাই ২য় শ্ৰেষ্ঠ অভিনেত্ৰী বিবেচিত হয়। ১৯৯২-৯৩ বৰ্ষৰ শ্ৰেষ্ঠ নাট্যদলৰ সদস্যসকল হ'ল —

ৰাজীৱ কুমাৰ বৰা (শ্ৰেষ্ঠ পৰিচালক), ৰুলী শৰ্মা, ৰাজঋষি বৰা, ধ্ৰুৱজ্যোতি ৰাজখোৱা, ৰাহুল কুমাৰ বৰা, হৰিনাৰায়ণ গোস্বামী, সঞ্জীৱ লস্কৰ আৰু অচ্যুত ঠাকুৰীয়া। তাৰ আগৰ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতা আছিল অংশুমান হাজৰিকা আৰু শ্ৰেষ্ঠ অভিনেত্ৰী আছিল কল্পনা ডেকা।

সমসাময়িকভাৱে নগাঁও মহাবিদ্যালয়ৰ নাট্যপৰম্পৰাক সজীৱ কৰি ৰাখিছিল বৰ্তমানৰ এগৰাকী চিন্তাশীল নাট্যকৰ্মী শংকৰজিৎ ভূঞাঁ (বিপ্লৱ)ৰ লগতে পূৰ্ণানন্দ গোস্বামী, পদুম প্ৰসাদ শইকীয়া, মুৰুলী বৰুৱা, পবিত্ৰ কলিতা আদিয়ে। সেই সময়ত সক্ৰিয় নহ'লেও মহাবিদ্যালয়ত অধ্যয়নৰত মৃণাল কুমাৰ বৰা আজি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰাপ্ত নাট্যকাৰপৰিচালক।

'৯০ দশকৰ দ্বিতীয়াৰ্দ্ধত সক্ৰিয় ভাৱে নাটকত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল হ'ল— নাট্যকাৰ পৰিচালক প্ৰয়াত নৰেণ বৰা, মনোজ বৰদলৈ, মনীষ গোস্বামী, ইন্দ্ৰমোহন দাস আৰু অশ্ৰুমনি বৰা। এওঁলোকৰ ঠিক আগতে আন এটি নাট্যদলে সুনাম অৰ্জ্জন কৰিছিল। তেওলোক হ'ল— ৰঞ্জন তামুলী, নৰজ্যোতি মহন্ত, চিদানন্দ শৰ্মা, পুলকমনি বৰা, ৰবীন বৰদলৈ, মেঘালী দেৱী ইত্যাদি।

নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত প্ৰদীপ শইকীয়াদেৱৰ পৃষ্ঠপোষকতাত ১৯৯০ আৰু ১৯৯২ চনত দুখনকৈ ভাওনা শিক্ষক ছাত্ৰৰ অভিনয়ৰে প্ৰদৰ্শন কৰা হৈছিল। 'ৰামবিজয়' পৰিচালনা কৰিছিল অধ্যাপক নৱ কুমাৰ মহন্তই। অভিনয় শিল্পীসকল আছিল ড° গিৰিকান্ত গোস্বামী, অধ্যাপক নৱ কুমাৰ মহন্ত, অধ্যাপক গুণ শইকীয়া, জিতেন শইকীয়া, হেমন্ত বৰা, কবীন ভাগৱতী, অমৰজিৎ গোস্বামী, লুলু চৌধুৰী, অবিনাশ ৰায়, হিৰণ্য মহন্ত, ধ্ৰুৱ চক্ৰৱৰ্তী, গৌৰাংগ ৰায়, প্ৰাৰ্থনা গায়ন, ৰিতা মিশ্ৰ, ৰশ্মি শৰ্মা আৰু সোনজিৰা হাজৰিকাই। ১৯৯২ চনত মঞ্চস্থ কৰা হৈছিল 'দক্ষযজ্ঞ'। সেই সময়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দীপু হাজৰিকাৰ তৎপৰতাত ভাওনাখন অনুষ্ঠিত হৈছিল। বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰিছিল— অধ্যাপক নৱ কুমাৰ মহন্ত, অধ্যাপক গুণ শইকীয়া, ৰুলী শৰ্মা, কৃষ্ণা বৰা, নৰজ্যোতি শইকীয়া, ৰাজীৱ বৰা, ধ্ৰুৱ শইকীয়া, শৈলেন শৰ্মা। পৰিচালনা কৰিছিল যুটিয়াভাৱে নৱকুমাৰ মহন্ত আৰু গুণ শইকীয়া চাৰে।

সেইখিনি সময়তে অজিত বৰঠাকুৰ ৰচিত 'মহোৎসৱ' নামৰ একাংকিকাখন উপস্থাপন কৰি চলচিত্ৰ তথা মঞ্চজগতৰ জনপ্ৰিয় অভিনেতা প্ৰয়াত বিক্ৰম হাজৰিকা,

ৰাজীৱ বৰা, ত্ৰিদিব শইকীয়া, আলোকজ্যোতি শইকীয়া, মঞ্চ তথা চলচিত্ৰৰ বলীষ্ঠ অভিনেতা ভাস্কৰ বৰা, অংশুমান হাজৰিকা, অশোক বৰকাকতি, তৃষা শইকীয়া, ৰশ্মি শৰ্মা আদিয়ে গুৱাহাটী বিশ্ববিদ্যালয় যুৱমহোৎসৱত শ্ৰেষ্ঠ দলকে ধৰি কেইবাটাও পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে— এইসকলৰ সমসাময়িক নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ যতীন বৰা আজি অসমৰ আটাইতকৈ জনপ্ৰিয় মঞ্চ তথা চলচিত্ৰ অভিনেতা। তদুপৰি পিংকু তামুলী আৰু দিব্যজ্যোতি শইকীয়াই পাছলৈ কৌতুক অভিনেতা হিচাবে বিশেষকৈ 'টেটোন তামুলীৰ ভাওনা' আদিৰে যথেষ্ট জনপ্ৰিয়তা অৰ্জ্জন কৰিবলৈ সক্ষম হয়। তথ্য অনুসৰি মহাবিদ্যালয়ৰ '৯০ দশকৰ আন দুগৰাকী অভিনেত্ৰী হ'ল কৃষ্ণ শইকীয়া আৰু গীতাঞ্জলী শইকীয়া।

একবিংশ শতিকাৰ আৰম্ভণীৰ পৰা এতিয়ালৈকে নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা বিভিন্ন পুৰস্কাৰপ্ৰাপ্ত তথা জনপ্ৰিয়তা অৰ্জ্জন কৰা নাট্যকৰ্মী সকল হ'ল— মালামনি দেৱী, দিব্যলোচন বৰুৱা, শৈলেন্দ্ৰ কুমাৰ শৰ্মা, বিপুল দাস, মুনমী গগৈ, চাহিদুল হক (বৰ্তমান নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ 'Theatre in Education' বিভাগত কমৰ্ৰত)। এওঁৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয় যুৱমহোৎসৱত 'শ্ৰেষ্ঠ দলৰ' সন্মান কঢ়িয়াই অনা সদস্য সকল হ'ল— কাকলি শইকীয়া (শ্ৰেষ্ঠ অভিনেত্ৰী), জিতু শইকীয়া, মহৰ্ষি মৃণাল শৰ্মা, দিব্যজ্যোতি গোস্বামী আৰু জয়ন্ত শৰ্মা। এওঁলোকৰ কিছু আগতে ছাত্ৰ হিচাবে থকা জ্যোতিপ্ৰসাদ ভূঞাই পাছলৈ নিজকে অভিনেতা পৰিচালক হিচাবে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। এইখিনিতে বৰ্তমান দূৰদৰ্শনৰ ব্যস্ত অভিনেতা তথা বিভিন্ন ধাৰাবাহিকৰ নাট্যকাৰ প্ৰণৱ বৰুৱাৰ নামো ল'ব লাগিব। ২০০৭-০৮ বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নাট্যদলটিৰ সদস্যসকল আছিল ৰিণ্টু বৰা (যুৱ মহোৎসৱত শ্ৰেষ্ঠ অভিনেতা), ভৰত কলিতা, অৰূপ কুমাৰ বৰা, ৰত্নপ্ৰাণ শইকীয়া, মুস্তাক হাসান সৰকাৰ, মানস দাস, নিবেদিতা গায়ন আৰু যুতিকা বৰা।

২০০৮-০৯ বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেতা আছিল বৰ্তমানৰ এগৰাকী সক্ৰিয় নাট্যকৰ্মী, সুনিপুণ মঞ্চ-সজ্জাকৰ শোণিত কুমাৰ বৰা। সেই একেই বৰ্ষতে নগাঁও মহাবিদ্যালয়ৰ নাট্যদলটিয়ে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত ২য় শ্ৰেষ্ঠ নাট্যদল, অভিজিত বৰাই ২য় শ্ৰেষ্ঠ অভিনেতা, শোণিত কুমাৰ বৰাই শ্ৰেষ্ঠ সহ-অভিনেতা, ভৰত কলিতা আৰু মনময়ুৰী মেধিয়ে বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ

কৰে। নাটকৰ পৰিচালনা আছিল অৰূপ কুমাৰ বৰাৰ। তদুপৰি ব্যংগ নাটকত দলটিয়ে ৩য় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। দলৰ অন্যান্য সদস্যসকল হ'ল দীপজ্যোতি বৰা, দূৰদৰ্শনৰ ধাৰাবাহিক 'বেহাৰবাৰী আউটপষ্ট'ৰ অভিনেতা তথা কেইবাটাও খণ্ডৰ ৰচনা কৰা ৰিণ্টু বৰা আৰু সেই একেই ধাৰাবাহিকৰ 'মোহন' খ্যাত দ্বীপজ্যোতি কেওঁট। ২০১০-১১ চনত বৰ্তমানৰ এগৰাকী জনপ্ৰিয় কৌতুক অভিনেতা হীৰু কাশ্যপে আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠ সহ-অভিনেতাৰ পুৰস্কাৰ লাভ কৰে। তেওঁ ২০১১-১২ বৰ্ষত শ্ৰেষ্ঠ পৰিচালক তথা ২য় শ্ৰেষ্ঠ অভিনেতা। সেই বছৰৰ শ্ৰেষ্ঠ অভিনেতা আছিল নিলোৎপল বৰা।

একেদৰেই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা অন্যান্য অভিনেতা-অভিনেত্ৰীসকল হ'ল— সৰ্গম মেধি, সুকন্যা কৌশিক, হিৰকজ্যোতি বৰুৱা, নিলাঞ্জলা দাস, অদিতি ভূঞা, বিকাশ বেজবৰুৱা, পল্লৱী মহন্ত, লাকী শইকীয়া, গৌৰাঙ্গ বৰা, ভাস্কৰ বৰা, জ্যোতিষ্ণা গোহাঁই, চন্দ্ৰালী শৰ্মা, ভাস্কৰ কলিতা, অম্লানদ্বীপ শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, হীৰক বৰা, জ্যোতিস্মান বৰা, পৱন কুমাৰ বৰা, অৰ্চনা বৰা, মনোজ শৰ্মা, অংগৰাগ চাণ্ডিল্য ইত্যাদি। উল্লেখযোগ্য যে বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ সংস্কৃতিপ্ৰেমী অধ্যক্ষ ড° শৰৎ বৰকটকীৰ একক প্ৰচেষ্টাত ২০১৪ চনৰ গ্ৰীষ্ম বন্ধত এই লেখক আৰু N.S.D. ত কৰ্মৰত প্ৰাক্তন ছাত্ৰ চাহিদুল হকৰ তত্বাৱধানত এটি ২০ দিনীয়া নাট-কৰ্মশালা অনুষ্ঠিত কৰা হয়। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল আছিল— অদিতি ভূঞা, বৰষা খাটনিয়াৰ, চিন্তামণি বৰা, হীৰকজ্যোতি বৰা, হিমাশ্ৰী শইকীয়া, নিতুমণি দেৱী, সুমিত দাস, শিখা দাস, গোবিন টক্‌বি, ঐশিক কাশ্যপ, ৰঞ্জন, বন্তি দাস, বিশ্বজ্যোতি ইত্যাদি। কৰ্মশালাৰ অন্তত ছাহিদুল হকৰ পৰিচালনাৰে ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ উপস্থাপনেৰে দৰ্শকক মোহিত কৰে 'ৰং' আৰু 'বুঢ়ী আইতা' নাট দুখনিৰে।

ঠিক একেদৰেই ২০১৭ চনতো ৰাষ্ট্ৰীয় নাট্যবিদ্যালয়, চিকিম শাখাৰ অধীনত প্ৰশিক্ষণপ্ৰাপ্ত অঞ্জন বৰাৰ তত্ত্বাৱধানত পুনৰ এটি নাট্য-কৰ্মশালা অনুষ্ঠিত কৰা হয়। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল হ'ল— গৌৰাংগ বৰা, ধ্ৰুৱজ্যোতি দাস, অৰ্চনা বৰা, দিপাংকৰ দাস, বিৰিণা গোস্বামী, ছন্দামিতা শইকীয়া, অংকুৰ বৰা, জ্যোতিষ্ণা গোহাঁই আদি। কৰ্মশালাৰ অন্তত তেওঁলোকে সফলতাৰে মঞ্চস্থ কৰে প্ৰাক্তন ছাত্ৰ মৃণাল কুমাৰ বৰাৰ ৰচিত নাট 'হাঁহিৰ আঁৰৰ বাঁহী'।

এইখিনিতে উল্লেখযোগ্য যে নগাঁও মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাত নাটকৰ লগত সক্ৰিয়ভাৱে জড়িত নাথাকিলেও পাছৰ পৰ্যায়ত নাট্যক্ষেত্ৰত বহুকেইজন প্ৰাক্তন ছাত্ৰ সক্ৰিয়ভাৱে জড়িত হৈ আছে। তেনে দুই-একৰ কথা আগতে উল্লেখ কৰি আহিছো। এইসকলৰ উপৰিও বিশিষ্ট তবলাবাদক মুনীন গোস্বামী (সম্প্ৰতি নাট্যকাৰ-পৰিচালক হিচাবে প্ৰতিষ্ঠিত), দেৱজিৎ ভূঞা, মুকুল প্ৰসাদ বৰঠাকুৰ, বিজিত নাথ, ধনঞ্জয় বৰদলৈ, যুগল হাজৰিকা, অশোক সিং, সঞ্জীৱ মিশ্ৰ, সঞ্জীৱ বৰা আদি সক্ৰিয় নাট্যকৰ্মী তথা অভিনেতা। লগতে হীৰকজ্যোতি দাস বৰ্তমানে গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কৰ্মৰত হৈ সক্ৰিয়ভাৱে নাট্যচৰ্চা অব্যাহত ৰাখিছে।

ওপৰত উল্লেখ কৰাৰ বাদেও মহাবিদ্যালয় শিক্ষক গোট অথবা মহিলা কোষেও সময়ে সময়ে স্মাৰক বক্তৃতা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি বহুকেইজন বিশিষ্ট সমল ব্যক্তিক নগাঁও মহাবিদ্যালয়লৈ আমন্ত্ৰণ কৰি আহিছে। 'সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা স্মাৰক বক্তৃতা' আৰু 'ড° বলদেৱ শৰ্মা স্মাৰক বক্তৃতা' পুনৰ আৰম্ভ হ'ব বুলি আমি আশাবাদী। তদুপৰি মহাবিদ্যালয়ত ৰুচিসম্পন্ন কথাছবি প্ৰদৰ্শনৰ লগতে 'মহাৰজত জয়ন্তী'ৰ আৰম্ভণী অনুষ্ঠানত 'এখনি অসমীয়া কথাছবি মহোৎসৱ' আৰু নাট-মহোৎসৱৰ সফল আয়োজন কৰাতো গৌৰৱৰ বিষয়। তদুপৰি আজিকালি 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি জাতীয় সাজপাৰ প্ৰতিযোগিতা, সাংস্কৃতিক সমদল প্ৰতিযোগিতা আয়োজনে সমাজৰ সুস্থ সাংস্কৃতিক দিশত যথেষ্ট অৰিহণা যোগাইছে।

শেষত, লেখাটো প্ৰস্তুত কৰোতে 'নগাঁও মহাবিদ্যালয় পুথিভঁৰাল'ৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে যিসকলে বিভিন্ন তথ্যপাতিৰে সহায়-সহযোগ আগবঢ়ালে, প্ৰতিজনলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে পুনৰ ক্ষমা মাগিলো।

---

লেখকৰ পৰিচয় ঃ নগাঁও বেঙ্গলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষক, অসমৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক, লিখক আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

# শিক্ষক আৰু শিক্ষাৰ আন্দোলনত নগাঁও কলেজ

বিশ্বজিৎ ভূঁএগ্ৰা

কুৰি শতিকাৰ আৰম্ভণিতে প্ৰাক্ স্বাধীনতা কালত শিক্ষা প্ৰসাৰৰ আন্দোলনে সামাজিক ৰূপ গ্ৰহণ কৰিছিল। সেই সময়ত দেশৰ অগ্ৰণী সমাজকৰ্মী আৰু শিক্ষাপ্ৰেমী লোকৰ প্ৰচেষ্টাত দেশত আধুনিক শিক্ষা ব্যৱস্থাই গা কৰি উঠিছিল। বৃটিছ শাসক সকলে তেওঁলোকৰ স্বাৰ্থত প্ৰবৰ্তন কৰা চৰকাৰী শিক্ষা ব্যৱস্থা কেইটামান নিৰ্দিষ্ট কেন্দ্ৰত সীমাবদ্ধ আছিল। স্বাভাৱিকতে সমগ্ৰ দেশৰ লগতে অসমতো বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান সমূহে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত আগভাগ লব লগা হৈছিল।

১৯৩০ চনলৈ অসমত কেৱল দুখন চৰকাৰী কলেজ আছিল। এখন গুৱাহাটীত আৰু আনখন চিলেটত (সেই সময়ত চিলেট অসমৰ অন্তৰ্ভূক্ত আছিল)। ১৯৩০ চনত যোৰহাটত আৰু তাৰ এবছৰ পাচতে হবিগঞ্জত বে-চৰকাৰী কলেজ প্ৰতিষ্ঠা হৈছিল। চৰকাৰী যন্ত্ৰই এই বে-চৰকাৰী কলেজৰ প্ৰতিষ্ঠাক কেতিয়াও সহজ ভাবে লোৱা নাছিল। সেই সময়ৰ অসমৰ ডি.পি.আই. য়ে শিক্ষা বিভাগৰ পঞ্চবাৰ্ষিক প্ৰতিবেদনত লিখিছিল “..... an Intermediate College had been started at Jorhat and that there was another threat at Habiganj.” ডি. পি. আইৰ এই মন্তব্যৰ পৰাই সেই সময়ৰ বৃটিছ শাসক যে শিক্ষা প্ৰসাৰৰ সপক্ষে নাছিল সেইটো স্পষ্ট। চৰকাৰী পোষকতা নাথাকিলেও, কলেজীয়া শিক্ষাৰ প্ৰয়োজনীয়তা আৰু বৰ্দ্ধিত চাহিদাৰ বাবে ৰাজ্যখনত বে-চৰকাৰী ভাবে কলেজ প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়াটো কিছু বচা বচা গুণী-জ্ঞানী আৰু দূৰদৰ্শী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত লেহেম গতিত হলেও আগবাঢ়িছিল। তাৰ ফলশ্ৰুতিতে সন্দিকৈ ছোৱালী কলেজ, দৰং কলেজ, ভোলানাথ কলেজ, বি. বৰুৱা কলেজ, গুৰুচৰণ কলেজ, নগাঁও কলেজ আদি কলেজ সমূহ স্বাধীনতাৰ আগতেই প্ৰতিষ্ঠা হৈছিল।

শিক্ষাৰ প্ৰসাৰ আৰু গুণগত মানদণ্ডৰ উন্নতিত শিক্ষক সমাজৰ ভূমিকা অপৰিহাৰ্য। এই ক্ষেত্ৰত শিক্ষক সকলৰ ব্যক্তিগত প্ৰচেষ্টাতকৈ সমূহীয়া আৰু সন্মিলিত প্ৰচেষ্টাহে বেছি ফলদায়ক। কিন্তু দেশে স্বাধীনতা লাভৰ সময়ত ভাৰতবৰ্ষত বা অসমত শিক্ষক সকলৰ বিশেষকৈ কলেজ শিক্ষকৰ কোনো ধৰণৰ সংগঠন গঢ়ি উঠা নাছিল। শিক্ষক সকলৰ সামাজিক স্থিতি দৃঢ় কৰিবলৈ আৰু শিক্ষাৰ প্ৰচাৰৰ লগতে গুণগত শিক্ষাৰ সুযোগ সৃষ্টি কৰিবলৈ শিক্ষক সকলৰ ঐকান্তিক আৰু সংগবদ্ধ প্ৰচেষ্টাৰ কথা সেই সময়ত বাৰুকৈয়ে বিবেচিত হৈছিল। কলেজ শিক্ষক সকলৰ এই চিন্তাক বাস্তবায়িত কৰিবলৈ সেই সময়ৰ বহুকেইজন স্বনামধন্য শিক্ষকে আগভাগ লৈছিল। এই মহান প্ৰচেষ্টাত নগাঁও কলেজো পিছপৰি থকা নাছিল। নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, পণ্ডিত প্ৰবৰ মহেশ চন্দ্ৰ দেৱ গোস্বামী, অধ্যাপক নিৰ্মল চন্দ্ৰ চামাদ্দাৰ আদিয়ে এই প্ৰচেষ্টাত আগ ভাগ লৈছিল। তেখেতসকলৰ প্ৰচেষ্টাত ১৯৪৯ চনৰ ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত নগাঁও কলেজত অসমৰ কলেজ শিক্ষক সকলৰ এক অভিবৰ্তন অনুস্থিত হৈছিল। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰ আছিল অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামী আছিল অভ্যৰ্থনা সমিতিৰ সম্পাদক। তেখেত সকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত অনুস্থিত এই অভিবৰ্তনত সভাপতিত্ব কৰিছিল কটন কলেজৰ অধ্যাপক আৰ. আৰ. থমাছে। ১৪ খন বে-চৰকাৰী কলেজৰ ৪০ জন শিক্ষকে এই অভিবৰ্তনত যোগদান কৰিছিল। ১৯৪৯ চনৰ ২৬, ২৭ ফেব্ৰুৱাৰীৰ অভিবৰ্তনে জন্ম দিছিল এক নতুন সংগঠনৰ, নাম ৰখা হৈছিল -- 'সদৌ অসম বে-চৰকাৰী কলেজ শিক্ষক সংস্থা'। অধ্যাপক আৰ.আৰ. থমাছ এই সংস্থাৰ প্ৰথমজন সভাপতি হিচাবে নিৰ্বাচিত হৈছিল। সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল নগাঁও কলেজৰ সেই সময়ৰ উপাধ্যক্ষ মহেশ চন্দ্ৰ দেৱ গোস্বামী (পাছলৈ নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ)। প্ৰতিষ্ঠা হোৱাৰ প্ৰথম বছৰটোতে সেই সময়ৰ ১৭ খন বেচৰকাৰী কলেজৰ ভিতৰত ১৪ খন কলেজৰ প্ৰায় ১৫০ জন কলেজ শিক্ষকে এই সংস্থাত যোগদান কৰিছিল। ১৯৫০ চনৰ জুলাই মাহত শ্বিলঙত অনুষ্ঠিত দ্বিতীয় অধিবেশনত সংস্থাৰ নাম সলনি কৰি 'অসম কলেজ শিক্ষক সংস্থা' কৰা হয় যাতে চৰকাৰী, বে-চৰকাৰী সকলো কলেজৰ শিক্ষকে সংস্থাত যোগদান কৰিব পাৰে। শ্বিলং অধিবেশনত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱক সংস্থাৰ সভাপতি নিৰ্বাচিত কৰা হয়।

নগাঁও কলেজ প্ৰতিষ্ঠাৰ ৫ বছৰ পাছতে নগাঁও কলেজে যি মহান অনুষ্ঠান জন্ম দিলে সেই অনুষ্ঠানে ইতিমধ্যে ৭০ বছৰ অতিক্ৰম কৰি মহাৰজত জয়ন্তীৰ দিশে আগ বাঢ়িছে। অসম কলেজ শিক্ষক সংস্থা কেৱল অসমৰ বৌদ্ধিক জগতৰে সৰ্ববৃহৎ অনুষ্ঠান নহয় ভাৰতবৰ্ষৰো এক বৃহৎ অনুষ্ঠান। অসমৰ প্ৰায় ২৪০ খন কলেজ বৰ্তমান সংস্থাৰ অন্তৰ্ভূক্ত আৰু সদস্য সংখ্যা ৮০০০ তকৈও বেছি।

অসম কলেজ শিক্ষক সংস্থাৰ ৭০ বছৰৰ ইতিহাস এক গৌৰৱোজ্জ্বল ইতিহাস। সুচিন্তিত আৰু উল্লেখনীয় কাম কাজৰ জৰিয়তে সংস্থাই অসমৰ লগতে ভাৰতবৰ্ষৰো উচ্চ শিক্ষাৰ জগত খনত নিজৰ স্থিতি দৃঢ় কৰাৰ লগতে সকলোৰে পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। যি নীতি আৰু দৃষ্টিভঙ্গীৰে অসম কলেজ শিক্ষক সংস্থা আগবাঢ়িছে তাৰ ভিত্তিৰ আৰম্ভণি হৈছিল ঐতিহ্যমণ্ডিত নগাঁও কলেজত। প্ৰথম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই তেখেতৰ আদৰণি ভাষণত কৈছিল "আমি ইয়াত গোট খাইছোঁহক আমাৰ শিক্ষক সকলৰ স্থায়ী সংস্থাটি গঠন কৰিবলৈ। অৱশ্যে এই সংস্থা আমাৰ অভাৱ অভিযোগ দৰ্শাবলৈকে বা দাবী তুলিবৰ বাবেই অকল নহয়। বৰ্তমান অস্থিৰ পৰিস্থিতিত শিক্ষা সম্পৰ্কীয় সমস্যা সমাধানাৰ্থে নিৰ্দিষ্ট অৰিহণা যোগাবৰ বাবেও আমাৰ এই সংগঠন।" সংস্থাৰ জন্ম লগ্নত প্ৰতিষ্ঠাপক সভাপতি আৰ.আৰ.থমাচে কৈছিল -

"I hope this Association of teachers will give a bold lead by throwing light on different problems. Our teachers have so far not spoken on public questions. Now you must speak and make your selves felt. I do not want you to die like great geniuses in dark."

"Education does not merely mean learning. It means the making the full practical bearing of learning on life."

সংস্থা গঠন হোৱা মুহূৰ্তত নগাঁও কলেজৰ চৌহদত দুই মহান ব্যক্তিৰ এই মন্তব্যক আগত ৰাখিয়েই আজিও অসম কলেজ শিক্ষক সংস্থা পৰিচালিত।

৭০ বছৰ অতিক্ৰম কৰা সংস্থাই বিভিন্ন ঘাট-প্ৰতিঘাট আৰু সংগ্ৰামৰ মাজেদি আজিৰ অৱস্থা পাইছেহি আৰু ৰাজ্যখনৰ শিক্ষন-পঠন, গৱেষণা আৰু সম্প্ৰসাৰণৰ জৰিয়তে এক উল্লেখযোগ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। সংস্থাৰ ৭০ বছৰীয়া

সংগ্ৰামী ইতিহাস বৰ্ণনা এই লিখনিত সম্ভৱ নহয়। ই আমাৰ উদ্দেশ্যও নহয়। ৰাজ্যখনৰ শিক্ষা আৰু শিক্ষকৰ আন্দোলনত নগাঁও কলেজৰ ভূমিকা সম্পৰ্কেহে আলোকপাত কৰিব বিচৰা হৈছে। এক কথাত কবলৈ গ'লে 'অসম কলেজ শিক্ষক সংস্থা'ৰ দৰে এক মহান অনুষ্ঠানৰ জন্ম দিয়াটোৱেই শিক্ষক সমাজলৈ নগাঁও কলেজৰ যুগান্তকাৰী অৱদান।

সংস্থা গঠন হোৱাৰ প্ৰথম দুবছৰত নগাঁও কলেজে সংস্থাক সন্মুখৰ পৰা নেতৃত্ব দিছিল যদিও ১৯৫১ চনৰ পৰা ১৯৭৩ চনলৈ ২৩ বছৰ কাল কোনো ব্যক্তিয়েই সংস্থাৰ মূল নেতৃত্বলৈ নিৰ্বাচিত হোৱা নাছিল। ১৯৭৩ চনৰ মাৰ্চ মাহত গড়গাঁও কলেজত অনুষ্ঠিত সংস্থাৰ ২৩ সংখ্যক বাৰ্ষিক অধিবেশনত নগাঁও কলেজৰ অধ্যক্ষ মুহিৰাম শইকীয়া সংস্থাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭৪ চনত নগাঁও কলেজত অনুষ্ঠিত সংস্থাৰ ৰূপালী জয়ন্তী অধিবেশনত অধ্যক্ষ মুহিৰাম শইকীয়াই সভাপতিত্ব কৰে। তেখেতৰ ভাষণত তেখেতে কৈছিল - "মাত্ৰ কেইটামান শিক্ষা আহৰণ কৰাৰ বছৰ যোগ বা বিয়োগ কৰিলেই একো শিক্ষাৰ পৰিবৰ্তন নহয়। উচ্চ শিক্ষাৰ সম্পৰ্কত গোটেই ৰাজ্যখনতে কি ঘটিছে বা নাই ঘটা, বৰ্তমান জীৱন নিৰ্বাহৰ মানদণ্ডৰ লগত সম্পৰ্ক ৰাখি কি হোৱা দৰকাৰ, ইত্যাদি বিষয়ত তথ্য চালিজাৰি চাবলৈ এটা শিক্ষা আয়োগ গঠন কৰাৰ আৱশ্যকতা অতি প্ৰয়োজনীয় হৈ পৰিছে।" ৰাজ্যিক শিক্ষা আয়োগ গঠনৰ দাবী সংস্থাই উত্থাপন কৰি আহিছে যদিও আজিলৈকে গঠন নহ'ল। শইকীয়া ছাৰৰ আহ্বান আজিও অত্যন্ত জৰুৰী হৈয়ে আছে। ইয়াৰ পাচত ২০ বছৰ কাল সংস্থাৰ মূল বিষয়বাবলৈ নগাঁও কলেজৰ পৰা কোনো নিৰ্বাচিত হোৱা নাছিল। মূল বিষয়বাব নাথাকিলেও সংস্থাৰ এক গুৰুত্বপূৰ্ণ গোট হিচাবে সংস্থাৰ কামকাজত নগাঁও কলেজ শিক্ষক পৰিষদে সদায়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। সংস্থাৰ কাৰ্যনিৰ্বাহকত অন্যান্য পদবী তথা সদস্য হিচাবে থাকি নগাঁও কলেজে সদায়েই এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। নগাঁও কলেজৰ যিসকল অধ্যাপকে সংস্থাৰ কাৰ্যনিৰ্বাহকত থাকি সেৱা আগবঢ়াইছিল সেইসকলৰ ভিতৰত ভগৱান বৰুৱা, জগত শৰ্মা, তগৰ চন্দ্ৰ বৰা, খগেন শৰ্মা, ললিত শইকীয়া, বলীন্দ্ৰ চন্দ্ৰ শইকীয়া, শৰৎ বৰকটকী, দিলীপ শৰ্মা, ৰঞ্জিত মজিন্দাৰ আদি অন্যতম। ১৯৮৪ চনত নগাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক প্ৰফুল্ল শৰ্মা কটকী সংস্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। সংস্থাৰ বাৰ্ষিক অধিবেশনৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সংস্থাৰ

বাবে এক গুৰুত্বপূৰ্ণ দলিল। দুৰ্ভাগ্যবশত কটকী ছাৰৰ প্ৰতিবেদন খন আমি উদ্ধাৰ কৰিব নোৱাৰিলো। গতিকে তেখেতৰ কৰ্মৰাজি সম্পৰ্কে কোনো তথ্য আমাৰ হাতত নাই। কৰ্মৰত অৱস্থাতে তেখেতৰ মৃত্যু হয়। আমি এজন যোগ্য নেতাক অকালতে হেৰুৱালো।

কুৰি শতিকাৰ শেষ ভাগলৈকে অসমৰ কলেজীয়া শিক্ষা আৰু সমাজ জীৱনত বেচৰকাৰী কলেজ সমূহৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ। ৰাজ্যখনৰ ৰাজনীতিতো কলেজ শিক্ষকে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। কলেজ শিক্ষকৰ এই গুৰুত্ব নোহোৱা কৰিবলৈ সেইসময়ৰ চৰকাৰে বিভিন্ন কৌশল অৱলম্বন কৰিছিল। আশীৰ দশকত কলেজ শিক্ষকৰ পেঞ্চনৰ দাবীয়ে গুৰুত্ব লাভ কৰিছিল। তাৰ সুয়োগতে চৰকাৰে কলেজ শিক্ষকৰ মাজত বিভাজন আনিবলৈ কৌশল ৰচনা কৰিছিল। তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰে ১৯৮৫ চনত Assam College Taking Over Management and Control Bill ৰ জৰিয়তে নখন আৰু ১৯৯৬ চনৰ The Assam College Education (Provincialisation) Bill ৰ জৰিয়তে একৈশখন কলেজৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিবলৈ চেষ্টা কৰিছিল। কিন্তু অসম কলেজ শিক্ষক সংস্থাৰ বিৰোধৰ বাবে তাক কাৰ্যকৰী কৰিব নোৱাৰিলে। এই নখন বা একৈশখন কলেজৰ মাজত নগাঁও কলেজ আছিল যদিও প্ৰতিবাৰেই নগাঁও কলেজৰ শিক্ষকসকলে নিজৰ ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি শিক্ষক সমাজৰ ঐক্যৰ স্বাৰ্থত কেইখনমান কলেজক প্ৰাদেশীকৰণক বিৰোধীতা কৰিছিল। ব্যক্তিগত স্বাৰ্থতকৈ সমূহীয়া স্বাৰ্থক আগস্থান দি নগাঁও কলেজৰ শিক্ষক সকলে এক সুকীয়া নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছিল।

১৯৯৩ চনত উচ্চ শিক্ষা সঞ্চালকালয়ৰ ভুল ব্যাখ্যাৰ বাবে ‘ন’চনেল ডি.এ’ক লৈ এক সমস্যাৰ সৃষ্টি হয় আৰু ১৯৮৯ ৰ পাচত চাকৰিত যোগদান কৰা শিক্ষক সকলৰ মূল দৰমহা ৬৩০ টকা কমাই দিয়া হয়। ইয়াৰ ফলত ৩/৪ বছৰ চাকৰি কৰা ডেকা শিক্ষক সকল ক্ষোভিত হৈ পৰে। সংস্থাৰ সেই সময়ৰ নেতৃত্বই বিষয়টোত প্ৰয়োজনীয় গুৰুত্ব নিদিয়াৰ বাবে ৰাজ্যজুৰি তেনে শিক্ষক সকল সংগঠিত হয় আৰু বিষয়টো আলোচনা কৰিবলৈ নগাঁও কলেজত অসম ভিত্তিক এখন সভা অনুষ্ঠিত হয়। সংস্থাৰ সংবিধানৰ দৃষ্টিত এনে সভা অনুষ্ঠিত কৰাটো সঠিক নাছিল যদিও সমস্যাটো গুৰুতৰ আছিল। ‘ন’চনেল ডি. এ.’ বিষয়টো সংস্থাৰ ১৯৯৪ চনৰ মঙ্গলদৈ

অধিবেশনত বলিষ্ঠ ভাবে উত্থাপন কৰা হয়। এই বিষয়টোক কেন্দ্ৰ কৰিয়েই নগাঁও কলেজৰ অধ্যাপক বিশ্বজিৎ ভূঞা সংস্থাৰ গুৱাহাটী বিশ্ববিদ্যালয় এলেকাত সাংগঠনিক সম্পাদক নিৰ্বাচিত হয়।

২০০২ চনৰ ফেব্ৰুৱাৰী মাহত মৰিগাঁও কলেজৰ অধিবেশনত নগাঁও কলেজৰ অধ্যাপক বিশ্বজিৎ ভূঞা সংস্থাৰ কোষাধ্যক্ষ হিচাবে নিৰ্বাচিত হয়। মৰিগাঁও অধিবেশনৰ থিক পাচতেই ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজৰ অস্তিত্বৰ প্ৰতি এক ডাঙৰ প্ৰত্যাহ্বানৰ সৃষ্টি হয়। ৰাজ্য চৰকাৰে গঠন কৰা হৰেন দাস বিত্তীয় সংস্কাৰ সমিতিৰ পৰামৰ্শ মতে ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ আৰু বিশ্ববিদ্যালয়ক দিয়া অনুদান প্ৰতি বছৰে ১০ শতাংশ কৈ কমাই আনি ৫ বছৰত ৫০ শতাংশ কৰ্ত্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ মাচুল বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ দিয়ে। সংস্থাই ইয়াৰ প্ৰতিবাদত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। পৰীক্ষা বহী মূল্যায়নৰ কামৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে সেই বছৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ সৰ্ববৃহৎ মূল্যাংকন মণ্ডলটো নগাঁও কলেজত নগাঁও কলেজৰ শিক্ষক সকলৰ দ্বাৰা পৰিচালিত হৈছিল। বিজ্ঞান শাখাৰ পৰীক্ষাৰ ফলাফল সময়মতে ঘোষণা কৰাৰ স্বাৰ্থত চৰকাৰে শিক্ষক সকলৰ আন্দোলন ব্যৰ্থ কৰিবলৈ যত্ন কৰিছিল যদিও শিক্ষক সকলৰ ঐক্য বিনষ্ট কৰিব পৰা নাছিল। উপায়ন্তৰ হৈ মাধ্যমিক শিক্ষা সংসদে পৰীক্ষৰ বহী সমূহ নগাঁও কলেজৰ পৰা লৈ যোৱাৰ পৰিকল্পনা কৰিছিল। নগাঁও কলেজৰ শিক্ষকসকলৰ দৃঢ়তাৰ বাবে শিক্ষা সংসদে এই পৰিকল্পনা ত্যাগ কৰিছিল। শেষত ঐক্যবদ্ধ আন্দোলনৰ ওচৰত হাৰ মানি চৰকাৰে অনুদান কৰ্ত্তনৰ নিৰ্দ্দেশ প্ৰত্যাহাৰ কৰিছিল। এই আন্দোলনৰ ৰূপৰেখা নিৰূপনৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ এক বিশেষ অভিবৰ্তন নগাঁও কলেজত ২৩/৫/২০০২ তাৰিখে অনুষ্ঠিত হয়।

২০০৮-০৯ বৰ্ষটো সংস্থাৰ হীৰক জয়ন্তী বৰ্ষ ২০০৯ চনৰ হীৰক জয়ন্তী অধিবেশনখন নগাঁও কলেজত অনুষ্ঠিত কৰিবলৈ অতি উৎসাহেৰে নগাঁও কলেজ শিক্ষক পৰিষদে আবেদন কৰিছিল যদিও সংস্থাৰ সেই সময়ৰ নেতৃত্বই নগাঁও কলেজৰ আমন্ত্ৰণ প্ৰত্যাখ্যান কৰে। নগাঁও কলেজ শিক্ষক পৰিষদ, সংস্থাৰ এই সিদ্ধান্তত অসন্তুষ্ট হয় যদিও আমন্ত্ৰণ গ্ৰহণ নকৰালৈকে ধাৰাবাহিক ভাবে আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শিক্ষক পৰিষদৰ আমন্ত্ৰণ ক্ৰমে ২০১০ চনৰ বাৰ্ষিক অধিবেশন নগাঁও

কলেজত অনুষ্ঠিত হয়। জুন মাহত অনুষ্ঠিত এই অধিবেশন সংস্থাৰ এক উল্লেখযোগ্য অধিবেশন। এই অধিবেশনতে নগাঁও কলেজৰ অধ্যাপক বিশ্বজিৎ ভূঞা সংস্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। পৰবৰ্তী সময়ত ২০১২ আৰু ২০১৫ চনতো বিশ্বজিৎ ভূঞা সংস্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। অসম কলেজ শিক্ষক সংস্থাক নেতৃত্ব দিয়াৰ লগতে অধ্যাপক বিশ্বজিৎ ভূঞাই বিশ্ববিদ্যালয় আৰু কলেজ শিক্ষক সকলৰ সৰ্বভাৰতীয় ফেডাৰেচন AIFCTO (All India Federation of University and College Teachers Organisation) ৰ মাণ্ডলিক সম্পাদক (২০১১-১৩), উপ সভাপতি (২০১৩-১৫) আৰু ৰাষ্ট্ৰীয় সম্পাদক (২০১৫-২০১৭) হিচাবে নেতৃত্ব দিয়ে। ২০১৮ চনত ৰঙাপাৰা অধিবেশনত অধ্যাপক বিশ্বজিৎ ভূঞা অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি নিৰ্বাচিত হয়। ২০১৯ চনৰ বি. বৰুৱা কলেজৰ অধিবেশনে অধ্যাপক বিশ্বজিৎ ভূঞাক সভাপতি হিচাবে পুনৰ নিৰ্বাচিত কৰে। নগাঁও কলেজৰ মহাৰজত জয়ন্তী বৰ্ষত নগাঁও কলেজৰ এজন শিক্ষক সংস্থাৰ সভাপতি পদত নিৰ্বাচিত হোৱাটো স্বাভাৱিকতে কলেজ খনৰ বাবে গৌৰৱৰ কথা। সাধাৰণ সম্পাদক আৰু সভাপতি হিচাবে অধ্যাপক বিশ্বজিৎ ভূঞাৰ কাম কাজৰ বিশ্লেষণ এই লিখনিত উচিত বুলি নাভাবো। কাৰণ নিজৰ বিশ্লেষণ নিজে কৰাটো গ্ৰহণযোগ্য নোহোৱাটোৱে স্বাভাৱিক।

লিখিব লগা বহুত আছিল। প্ৰায় ৩০ বছৰ কাল অসম কলেজ শিক্ষক সংস্থাৰ লগত জড়িত হৈ আহৰণ কৰা অভিজ্ঞতা আৰু স্মৃতি সকলোৰে লগত বিনিময় কৰাৰ প্ৰবল ইচ্ছা আছিল যদিও সময় আৰু পৰিসৰৰ কথা বিবেচনা কৰি দীঘলীয়া নকৰিলো। এই লিখনিত উল্লেখিত কিছু কথা স্মৃতিৰ পৰা আহিছে যদিও অসম কলেজ শিক্ষক সংস্থাৰ দ্বাৰা প্ৰকাশিত “Challenge of Higher Education” (১৯৮৭) আৰু “গৌৰবোজ্জ্বল ৬০ টা বছৰ” (২০০৯) গ্ৰন্থৰ সহায় লোৱা হৈছে।

---

লেখকৰ পৰিচয় ঃ সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ, নগাঁও কলেজ
সভাপতি, অসম কলেজ শিক্ষক সংস্থা।

# নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থা আৰু এই সংস্থাৰ অৱদান

ড° চিন্তামণি শৰ্মা

ভাৰতৰ উচ্চ শিক্ষানুষ্ঠানৰ গুণগত মান নিৰ্ণয়ৰ বাবে NAAC ৰ দ্বাৰা পৰিদৰ্শনৰ বাবে প্ৰেৰণ কৰা দলে উচ্চ শিক্ষানুষ্ঠানটোৰ প্ৰাক্তন সতীৰ্থৰ সেই শিক্ষানুষ্ঠানলৈ আগবঢ়োৱা অৱদান, প্ৰাক্তন সতীৰ্থৰ সেই অনুষ্ঠানৰ সৈতে থকা সংলগ্নতা আদি বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেই উদ্দেশ্য আগত ৰাখি নগাঁও মহাবিদ্যালয়ৰ বৰদলৈ প্ৰেক্ষাগৃহত ২৭ এপ্ৰিল, ২০০৩ চনত "নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থা" গঠন কৰা হৈছিল। ক্ৰীড়া সংগঠক তথা শিক্ষাবিদ সহজানন্দ ওজা, অধ্যাপক আব্দুল মান্নান ফাৰুকী, অধ্যাপক গুণ শইকীয়া আৰু অধ্যাপক চিন্তামণি শৰ্মাক তথাক্ৰমে সভাপতি, কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদক আৰু কোষাধ্যক্ষ হিচাপে লৈ এক শক্তিশালী কমিটি গঠন কৰা হয়। এই ঐতিহাসিক দিনটোত অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰাক্তন সতীৰ্থ কলেজলৈ আহিছিল। কিয়নো বাতৰি কাকতত বিজ্ঞাপন যোগে এই বিষয়ে জনোৱা হৈছিল। তদানীন্তন মন্ত্ৰী ৰকিবুল হুছেইন, অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া স্বৰ্গীয় অমৰেন্দ্ৰ নাথ বৰা, প্ৰাক্তন মন্ত্ৰী গৌতম বৰাকে প্ৰমুখ্য কৰি বহু গুণী-জ্ঞানী ব্যক্তি উপস্থিত থকা এই সভাত সাহিত্যাচাৰ্য পদ্মশ্ৰী মহিম বৰা আৰু শিক্ষাবিদ বাণেশ্বৰ শইকীয়াই সম্বোধন কৰিছিল।

মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰাক্তন সতীৰ্থ সংস্থাই নিৰ্মিয়মান শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহৰ 'ট্ৰাচ'ৰ বাবে প্ৰয়োজনীয় পুঁজি একলাখ পঁচিছ হাজাৰ আগবঢ়াইছিল। NAAC ৰ দ্বাৰা প্ৰেৰণ কৰা বিশেষজ্ঞৰ দলে পৰিদৰ্শনৰ পূৰ্বে মহাবিদ্যালয়ৰ ভিতৰত আটকধুনীয়া কেন্দ্ৰীয় বাগিচা (Central Garden), তিনিওখন প্ৰৱেশদ্বাৰৰ সন্মুখ ভাগত গৰু, ছাগলি সোমাব নোৱাৰাকৈ 'Cattle

Bridge’ নিৰ্মাণ কৰিছিল। প্ৰাক্তন সতীৰ্থ সংস্থাৰ উদ্যোগত NAAC পীয়েৰ টীমৰ পৰিদৰ্শনৰ সময়ত সকলো দিশৰ পৰা NAAC ৰ সৈতে সফল ভাৱে আন্তঃক্ৰিয়াৰ বাবে সকলো ক্ষেত্ৰতে যোগ্য ব্যক্তিৰ উপস্থিতি সু-নিশ্চিত কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ বাবে ১৫ হাজাৰ টকা যোগান ধৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে মূল্যবান গ্ৰন্থ ক্ৰয় কৰি পৰিসংখ্যা বিজ্ঞান বিভাগত থকা প্ৰতিযোগিতামূলক গ্ৰন্থৰ পুথিভঁৰালত কিতাপ প্ৰদান কৰিছিল। মহাবিদ্যালয়লৈ সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়াবলৈ প্ৰাক্তন সতীৰ্থ সংস্থাই অনেক উদ্যোগ হাতত লৈছিল। ৮, ৯, ১০ আৰু ১১ জানুৱাৰী ২০০5 ত কহিনুৰ থিয়েটাৰ গোষ্ঠীৰ দ্বাৰা নাট মঞ্চস্থ কৰাই সতীৰ্থ সংস্থাৰ পুঁজি টনকিয়াল কৰিবলৈ লোৱা উদ্যোগ সঁচাকৈ প্ৰশংসনীয় আছিল। অধ্যাপক গুণ শইকীয়াৰ বিশেষ উদ্যোগত প্ৰাক্তন সতীৰ্থ সংস্থাই যথেষ্ট গঠনমূলক কাম-কাজ কৰি আহিছিল। এই ধাৰা এতিয়াও অব্যাহত আছে। অৱশ্যে বৰ্তমান স্থানীয় বিধায়ক ৰূপক শৰ্মা, অধ্যাপক চেনীৰাম বৈদ্য, অধ্যাপক ড০ চিন্তামণি শৰ্মা আৰু ড০ আফজালুৰ ৰহমানক ক্ৰমে সভাপতি, কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদক আৰু কোষাধ্যক্ষ হিচাপে লৈ প্ৰাক্তন সতীৰ্থ সংস্থাৰ কাৰ্যনিৰ্বাহক গঠন হৈছে আৰু এই সংস্থাই চৰকাৰী ভাৱে SR/Act XXI of 1860 Society Act ৰ অধীনত পঞ্জীয়নভূক্ত হৈছে। NAAC ৰ দ্বাৰা প্ৰেৰণ কৰা দলে সতীৰ্থ সংস্থা পঞ্জীয়নভূক্ত হৈছেনে নাই সেই কথাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰে।

নগাঁও মহাবিদ্যালয় প্ৰাক্তন সতীৰ্থ সংস্থাই বৰ্তমানে ঈৰ্ষণীয় ভাৱে কলেজৰ সকলো দিশত প্ৰভুত অৰিহণা যোগাইছে যি অসমৰ আন কলেজৰ ক্ষেত্ৰত হৈছেনে নাই কোৱা টান। শেহতীয়া NAAC ৰ মূল্যায়নৰ বেলিকা NAAC ৰ দলে নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থা অতি শক্তিশালী বুলি বিশেষভাৱে উল্লেখ কৰিছে। আমি সতীৰ্থ সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে NAAC ৰ দলৰ লগত মত বিনিময় অনুষ্ঠানৰ আঁত ধৰিছিলো।

বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি সুদীৰ্ঘ ৭৫ বছৰ গৰকা নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন যোৱা ৭ আগষ্ট, ২০১৮ ত আৰম্ভ হৈছে আৰু অহা ২০, ২১, ২২ ডিচেম্বৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে সমাপন ঘটিব। প্ৰাক্তন সতীৰ্থ সংস্থাৰ সভাপতিকে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে দায়িত্বভাৰ অৰ্পণ কৰা হৈছে। আমি সুখী যে বিধায়ক ৰূপক শৰ্মাৰ তৎপৰতাত মহাৰজত জয়ন্তী উদ্‌যাপনে এক নতুন গতি লাভ কৰিছে। প্ৰথম পৰ্যায়ৰ ৬ দিনীয়া আৰম্ভণিৰ অনুষ্ঠানৰ বেলিকা সতীৰ্থৰ পঞ্জীয়ন কলেজতে কৰাৰ ব্যৱস্থা সতীৰ্থ

সংস্থাই লৈছিল যি এতিয়াও চলি আছে। তিনিশ টকা পঞ্জীয়ন মাচুল জমা দি সতীৰ্থ সংস্থাৰ অন্তৰ্ভূক্ত হ'বলৈ বিধায়ক ৰূপক শৰ্মা আৰু বৰ্তমানৰ অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে বিশেষ আগ্ৰহ ৰাখিছিল। এই আগ্ৰহক সফল কৰি তুলিবলৈ সতীৰ্থ সংস্থাৰ সাধাৰণ সম্পাদক ড০ চিন্তামণি শৰ্মাৰ নেতৃত্বত ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদকত্ৰয় মৌচুম দাস, সূৰুয ফুকন আৰু লক্ষীৰঞ্জন কাকতিকে আদি কৰি বহুতো সতীৰ্থই পঞ্জীয়ন প্ৰক্ৰিয়াক ত্বৰান্বিত কৰি ঈৰ্ষণীয়ভাৱে চাৰি হাজাৰ প্ৰাক্তন সতীৰ্থৰ পঞ্জীয়ন কৰোৱাইছিল। মহাবিদ্যালয়তে আহি সতীৰ্থ সংস্থাৰ সদস্য পদ গ্ৰহণ কৰা এই চাৰি হাজাৰ প্ৰাক্তন সতীৰ্থৰ পৰা ১২ লাখ টকা সংগ্ৰহ হোৱা কথা এক অভিলেখ।

মহাৰজত জয়ন্তী বৰ্ষৰ বৃহৎ কাৰ্যসূচীত প্ৰাক্তন সতীৰ্থবৰ্গৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু তেওঁলোকৰ দ্বাৰা সম্পাদনা কৰা যোগাত্মক কাৰ্যসূচীৰ তালিকা যথেষ্ট দীঘল। তাৰে কেইটামান তলত উল্লেখ কৰিব বিচাৰিছো।

১। ১৯৮২-১৯৮৭ বৰ্ষৰ সতীৰ্থবৰ্গই ফৰেষ্ট অফিচৰ সন্মুখ দিশত থকা কলেজৰ প্ৰৱেশদ্বাৰ অতি আটকধুনীয়াকৈ নিৰ্মাণ কৰিছে।

২। ১৯৮৭-১৯৯৩ বৰ্ষৰ সতীৰ্থই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ আৱক্ষ মূৰ্ত্তি নিৰ্মাণ আৰু সতীৰ্থ মুকুল প্ৰসাদ বৰঠাকুৰৰ সম্পাদনাত স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ লগতে প্ৰথম পৰ্যায়ৰ মহাৰজত উদ্‌যাপনত নাট মঞ্চস্থ আৰু কলেজ সংগীত ৰেকৰ্ডিং কৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৰ্পণ কৰিছে।

৩। ১৯৯৮-২০০৩ বৰ্ষৰ সতীৰ্থবৰ্গই সাহিত্যাচাৰ্য পদ্মশ্ৰী মহিম বৰাৰ আৱক্ষ মূৰ্ত্তি স্থাপন কৰিছে।

৪। ১৯৯৪ ত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱা সতীৰ্থই কলেজখনলৈ স্তম্ভ ঘড়ী (Clock Tower) প্ৰদান কৰিছে।

৫।প্ৰাক্তন ছাত্ৰ জোন ৰাজখোৱাৰ উদ্যোগত কলেজৰ প্ৰেক্ষাগৃহত কাষত খোৱাপানীৰ বাবে নগাঁও ৰ'টাৰী ক্লাৱে বিশুদ্ধ শীতলীকৰণ যন্ত্ৰ স্থাপন কৰিছে।

৬। নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদক/সম্পাদিকাৰ দায়িত্বত থকা প্ৰাক্তন সতীৰ্থবৰ্গই ষ্টেণ্ডসহ বৃহৎ আকাৰৰ কাঁহৰ শৰাই আগবঢ়াইছে। প্ৰথম পৰ্যায়ৰ উদ্‌যাপনত সকলো সতীৰ্থই এই শৰাইৰ কাষত থিয় হৈ 'চেলফি' লৈহে কলেজ প্ৰস্থান কৰিছিল।

৭। আমেৰিকাৰ পৰা প্ৰাক্তন সতীৰ্থ বিজ্ঞানী ড° হেমন্ত কুমাৰ বৰুৱাই আমাক ফোনযোগে কি কৰিব লাগে বুলি সোধাত আৰ্থিক বৰঙণি দিলেও হ'ব বুলি কোৱাত একলাখ টকা আগবঢ়াইছে।

৮। ‘দাদা চাহেব ফাল্কে উৎকৰ্ষ বঁটা’ৰে বিভূষিত ফেশ্যন ডিজাইনাৰ তথা প্ৰাক্তন সতীৰ্থ সংযুক্তা দত্তই প্ৰথম পৰ্যায়ৰ উদ্‌যাপনত ছবি পৰিচালক, অভিনেতাৰ আদিৰ উপস্থিতিত আয়োজন কৰা চলচিত্ৰ মহোৎসৱৰ বাবে পঞ্চাশ হাজাৰ টকা আগবঢ়াইছিল।

৯। শিক্ষা বিষয়া তথা প্ৰাক্তন সতীৰ্থ চুইটি বেজবৰুৱাই গ্ৰন্থ সংকলনৰ বাবে ষাঠী হাজাৰ টকা আগবঢ়াইছে।

১০। নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক আৰু উপ-সভাপতি পদ অলংকৃত কৰা প্ৰাক্তন সতীৰ্থবৰ্গই GS and VP Forum গঠন কৰি প্ৰথম পৰ্যায়ৰ ছয়দিনীয়া অনুষ্ঠানত সক্ৰিয় ভাবে অংশগ্ৰহণ কৰাৰ লগতে প্ৰয়োজনীয় বিদ্যুৎ ব্যৱস্থা ব্যাঘাত নঘটাকৈ চলাই ৰাখিবলৈ জেনেৰেটৰৰ ব্যৱস্থা কৰি লক্ষাধিক টকা সাহায্য প্ৰদান কৰিছিল।

১১। বৰ্তমান মিকিৰ ভেটা আৰক্ষী চকীৰ আৰক্ষী বিষয়া সতীৰ্থ মৃদুল হাজৰিকাই আমি আগ্ৰহ কৰাত অতিথিক প্ৰদান কৰিবৰ বাবে প্ৰয়োজন হোৱা কাঁহৰ শৰাইৰ বাবে ২০ হাজাৰ টকা প্ৰদান কৰিছিল।

১২। মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি কলেজ আলোচনীত প্ৰকাশিত নিবন্ধৰ পৰা নিৰ্বাচিত নিবন্ধৰ এটা সংকলন উলিয়াবলৈ ২০০৫ চনত উত্তীৰ্ণ সতীৰ্থবৰ্গই পঞ্চাছ হাজাৰ টকা অনুদান আগবঢ়াইছে।

১৩। ড° চিন্তামণি শৰ্মা, ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদকদ্বয় অভিজিৎ শৰ্মা আৰু মৌচুম দাসে বিভিন্ন ঠাইৰ পৰা ৰচিদ বহী যোগান ধৰি একলাখ আশী হাজাৰ টকা সংগ্ৰহ কৰাত বিশেষ তৎপৰতা লৈছিল। অৱশ্যে এই ক্ষেত্ৰত উদ্‌যাপন সমিতিৰ সভাপতি ৰূপক শৰ্মাৰ ধনাত্মক ভূমিকাৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব।

১৪। যোৰহাট ONGC ৰ উৎপাদন বিভাগৰ অধীক্ষক অভিযন্তা তথা প্ৰাক্তন সতীৰ্থ পমী গগৈয়ে নিজে কলেজলৈ আহি ২০ হাজাৰ টকাৰ বৰঙণি আগবঢ়ায়।

১৫। ২০০৬ বৰ্ষৰ উত্তীৰ্ণ বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজলৈ Digital Routine Board প্ৰদান কৰিছে।

১৬। ১৯৯১ চনত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ সতীৰ্থই Ncian’ 91 নামেৰে সতীৰ্থ সংগঠন জন্ম দি তেওঁলোকক পাঠদান দিয়া শিক্ষকসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে ৰাজ্যিক পৰ্যায়ত যোৱা তিনি বছৰ ধৰি All Assam Inter College Quiz প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। মহাৰজত জয়ন্তী উদ্‌যাপনৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীত ৰাজ্যপাল, মুখ্যমন্ত্ৰী, প্ৰাক্তন মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী, শিক্ষামন্ত্ৰী, বিজ্ঞান আৰু

তথ্য প্ৰযুক্তি মন্ত্ৰীকে আদিকৰি অনেক গুণী-জ্ঞানী মানুহৰ সমাগম ঘটিছিল আৰু এই উদ্দেশ্যে প্ৰস্তুত কৰা মূল মঞ্চ সজ্জাৰ দায়িত্ব ‘Ncian’91 য়ে লৈছিল।

১৭। বাণিজ্য বিভাগৰ প্ৰাক্তন সতীৰ্থবৰ্গই মহাৰজত জয়ন্তী উদ্‌যাপনৰ বাবে উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাত প্ৰয়োজন হোৱা পানী যোগান ধৰিছিল।

১৮। ২০১২ চনত বাণিজ্য স্নাতক উত্তীৰ্ণ সতীৰ্থই বাণিজ্য বিভাগত Aqua Guard স্থাপন কৰাৰ লগতে ২০০ খন গামোচা যোগান ধৰিছিল।

১৯। ২০০৩-২০০৮ বৰ্ষৰ একাংশ সতীৰ্থই কলেজৰ ২৫ আৰু ২৬ নং শ্ৰেণীকোঠাৰ সন্মুখত প্ৰায় ৪০ হাজাৰ টকা ব্যয় সাপেক্ষে শীতল খোৱাপানী যন্ত্ৰ স্থাপন কৰিছিল।

২০। আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ আৰু অধিবক্তা কুমুদ বেজবৰুৱাই কলিয়াবৰ নাৰ্চাৰীৰ পৰা মহাৰজত জয়ন্তীৰ প্ৰথমদিনা অৰ্থাৎ ৭ আগষ্ট, ২০১৮ ত ৭৫ জোপা গছৰ পুলি আনি সদৰ সমষ্টিৰ জলময় গাঁৱৰ পৰা বাংঠাই গাঁৱলৈ ৰোপণ কৰাৰ লগতে সম্পূৰ্ণ নিজা খৰছত বাঁহৰ বেৰ, বস্তা আদিৰে সংৰক্ষণ কৰাৰ ব্যৱস্থা লৈছিল। কিন্তু পৰিতাপৰ কথা স্থানীয় কিছুমান ব্যক্তিয়ে বাঁহৰ জেওৰা আৰু বস্তা নিজা কামত নিৰ্দ্দিষ্ট ঠাইৰ পৰা আঁতৰাই বেজবৰুৱাৰ প্ৰচেষ্টাক বিঘ্নিত কৰিলে। তথাপিও এতিয়ালৈকে ১০ জোপা গছ সংৰক্ষিত হৈ আছে আৰু বেজবৰুৱাই নিয়মিত তদাৰক কৰি আছে।

২১। দিল্লীত গৈ সৰ্বভাৰতীয় স্তৰত হোৱা প্ৰতিযোগিতা মূলক পৰীক্ষাত নিজকে প্ৰস্তুত কৰাৰ হেঁপাহ বহুতৰে থাকে কিন্তু অৰ্থৰ অভাৱত বেছিভাগৰেই সেয়া সম্ভৱ হৈ নুঠে। এই কথাৰ প্ৰতি দৃষ্টি ৰাখি নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থাই Alternative Learning System (ALS) নামৰ দিল্লীস্থ IAS ক'চিং সংস্থাৰ লগত যোগাযোগ কৰি নগাঁও কলেজতে IAS ক'চিংৰ ব্যৱস্থা Virtual Class Room ৰ দ্বাৰা কৰিছে। দিল্লীৰ ক'চিং কেন্দ্ৰত পাঠদান দি থকা শিক্ষকৰ সেই পাঠদান সমান্তৰালকৈ একেসময়তে নগাঁও কলেজত বহি শুনিব পৰা আৰু ইয়াৰ পৰাই প্ৰশ্ন কৰি উত্তৰ কৰিব পৰা ব্যৱস্থা কৰা হৈছে।

২২। প্ৰাক্তন সতীৰ্থ অধিবক্তাত্ৰয় আলোক গোস্বামী, প্ৰণৱ শৰ্মা আৰু হিৰণময়ী ফুকনৰ প্ৰচেষ্টাত মহামান্য উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰি নগাঁও কলেজ চৌহদ যাতে পঞ্চায়ত, বিধান সভা আৰু লোকসভা নিৰ্বাচনৰ বাবে অধিগ্ৰহণ কৰি ষান্মাষিক ব্যৱস্থাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ নিয়মিত পাঠ গ্ৰহণত ব্যাঘাত নজন্মে সেই বিষয়ে ন্যায়ালয়ৰ পৰা আদেশ আদায় কৰিব সক্ষম হৈছিল।

২৩। প্ৰাক্তন সতীৰ্থ দিব্য কাশ্যপে শ্বহীদ প্ৰভাত পাটৰ ছাত্ৰী নিবাসত বিশুদ্ধ পানীৰ

বাবে বৃহৎ আকাৰৰ RO যন্ত্র স্থাপন কৰিছে।

২৪। প্ৰাক্তন সতীৰ্থ আৰু বৰ্তমান পুলিচ বিভাগৰ ডি.আই.জি ড° শ্যামল প্রসাত শইকীয়াই মহাৰজত জয়ন্তী উদ্‌যাপনৰ বাবে পঞ্চাশ হাজাৰ টকাৰ বৰঙণি আগবঢ়াইছে।

২৫। প্ৰাক্তন সতীৰ্থ ডাঃ ভানুমতী শইকীয়া পাটোৱাৰীয়ে পঁচিশ হাজাৰ টকাৰ বৰঙণি আগবঢ়াইছে।

২৬। প্ৰাক্তন সতীৰ্থ তথা উদ্যমী ব্যৱসায়ী তথা সমাজসেৱক লীলা শইকীয়াই মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ কাষত থকা শ্বহীদ অনিল বৰাৰ আৱক্ষ মূৰ্ত্তিৰ স্থান উন্নিত কৰাৰ লগতে পানীৰ ফুৱাৰা (Water Fountain) দুই লক্ষাধিক টকা ব্যয় কৰি সেই স্থান মোহনীয় কৰি তুলিছে।

২৭। ১৯৯৯-২০০৪ বৰ্ষৰ প্ৰাক্তন সতীৰ্থই মহাবিদ্যালয়খনি পৰিষ্কাৰ কৰি ৰাখিবলৈ বিভিন্ন স্থানত ডাষ্টবিন যোগান ধৰিছে আৰু গ্ৰন্থাগাৰত সকলোৰে প্ৰয়োগৰ বাবে শীতল পানী সেৱনৰ ব্যৱস্থা কৰিছে।

২৮। প্ৰাক্তন সতীৰ্থ তথা বিজ্ঞানী ড° হেমন্ত কুমাৰ বৰুৱাই সুদূৰ আমেৰিকাৰ পৰা আহি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

২৯। প্ৰাক্তন সতীৰ্থ তথা বাংগালুৰুস্থিত IIM ৰ পি.এইচ.ডি. ডিগ্ৰীৰ বাবে গৱেষণাৰত নবেন্দু পাল কলেজত আহি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

৩০। প্ৰাক্তন সতীৰ্থ তথা ফিডেলিটি ইনভেষ্টমেণ্টৰ সঞ্চালক ভাস্কৰজিত বৰগোঁহাই কলেজত আহি “Life Skills : The Career Journey for Average Students” শীৰ্ষক মনোজ্ঞ বক্তৃতা প্ৰদান কৰাৰ লগতে মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

৩১। প্ৰাক্তন সতীৰ্থ তথা একে মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপক বিশ্বজিত ভূঞাই অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি হিচাপে বিশেষ উদ্যোগ লৈ অসমৰ মহাবিদ্যালয়সমূহত নগাঁও মহাবিদ্যালয়ৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত এজোপাকৈ বৃক্ষ ৰোপণৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ কাৰ্যনিৰ্বাহক সভাত সিদ্ধান্ত লৈছিল।

৩২। প্ৰাক্তন সতীৰ্থ তথা নগাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকীৰ বিশেষ উদ্যোগত ভাৰতৰ চৰকাৰৰ ডাক বিভাগে নগাঁও মহাবিদ্যালয়ৰ নামত মহাৰজত জয়ন্তী উপলক্ষে বিশেষ খামৰ ব্যৱস্থা কৰিছিল, যি সঁচাকৈ শলাগ ল'বলগীয়া। বিভিন্ন সময়ত অধ্যাপক, সাংস্কৃতিক শিল্পী, অভিনেতা, বিজ্ঞানী, বিভিন্ন

ক্ষেত্ৰত কৰ্মৰত, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰা অনেক প্ৰাক্তন সতীৰ্থ কলেজলৈ আহি পাৰ্যমানে সহযোগিতা আগবঢ়াই আহিছে। নগাঁও মহাবিদ্যালয়ৰ সতীৰ্থ সংস্থাৰ পৰিসৰ ইমানেই ব্যাপক হৈছে যে সুকীয়াকৈ গুৱাহাটী অধ্যায়, মৰিগাঁও অধ্যায়, বাংগালুৰু অধ্যায়, দিল্লী অধ্যায় আদি গঠন হৈছে আৰু এই অধ্যায়সমূহে অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বৃক্ষৰোপণকে আদি কৰি অন্যান্য বিভিন্ন কাৰ্যসূচীৰে নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন কৰিছে। আমি সকলোৰে প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধা নিবেদিছো আৰু সকলোৰে নাম আৰু তেওঁলোকৰ অৱদানৰ বিষয়ে উল্লেখ কৰিব নোৱাৰাৰ বাবে ক্ষমা বিচাৰিছো।

এইখিনিতে আমি উল্লেখ কৰিবই লাগিব যে, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ হিচাপে বৈদ্যুতিন আৰু ছপা মাধ্যমৰ মাননীয় সাংবাদিক সকলে ধাৰাবাহিকভাৱে নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সকলো কাৰ্যসূচীৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰ কৰিছে। তেওঁলোকৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ নহ'লেও আন সংবাদসেৱী সকলেও সমানে মহাবিদ্যালয়ৰ বাতৰিক অগ্ৰাধিকাৰ দিছে। সেই সকলোৰে প্ৰতি আমি কৃতজ্ঞতা যাঁচিছো।

শেষত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰিছো। মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে আমাক দিহা-পৰামৰ্শৰ লগতে সহায়-সহযোগিতা আগবঢ়োৱা আৰু আমাৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ কৰা সকলোৰে প্ৰতি আমি চিৰকৃতজ্ঞ হৈ ৰ'ম।

জয়তু নগাঁও মহাবিদ্যালয়।

জয়তু নগাঁও মহাবিদ্যালয় প্ৰাক্তন সতীৰ্থ সংস্থা।।

---

লেখকৰ পৰিচয় ঃ সাধাৰণ সম্পাদক, নগাঁও মহাবিদ্যালয় প্ৰাক্তন সতীৰ্থ সংস্থা, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু অধ্যক্ষ বিশ্বনাথ মহাবিদ্যালয়।

# নগাঁও মহাবিদ্যালয় এটি যুগৰ প্ৰবাহ

জয়ন্ত কুমাৰ শৰ্মা

এয়া এক ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ কথা। এইখনি মহাবিদ্যালয়ৰ ঐতিহ্যৰ লগত সাঙোৰ খাই আছে ভৌগোলিকভাৱে অসমৰ মধ্যমণি বুলি পৰিগণিত নগাঁৱৰ ঐতিহ্য। সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত সুদূৰ প্ৰাক্-ঐতিহাসিক যুগৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ ভাৰতৰ স্বাধীনতা আন্দোলন তথা বৰ্তমানৰ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন পৰ্যন্ত অসমীয়াৰ জাতীয় জীৱনত এই নগাঁৱে এক ঐতিহাসিক ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন জনজাতীয় গোষ্ঠীৰে পৰিপূৰ্ণ এই জিলাত বৰ্তমানেও বহু সাংস্কৃতিক নিদৰ্শন জীৱন্ত হৈয়ে আছে। এতিয়াও নগাঁৱৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ আছে— হিন্দুৰ শৈৱ-শাক্তৰ বিভিন্ন থান। বিভিন্ন অঞ্চলৰ মঠ-মন্দিৰ (পুৰণি)বোৰে ধৰি ৰাখিছে উৎকৃষ্ট ভাস্কৰ্যৰ চানেকি। ডবকা, কন্দলি আদি ৰাজ্যৰ কথা ঐতিহাসিকভাৱেও স্বীকৃত। এইবোৰৰ উপৰি বৰ্তমানৰ নগাঁও চহৰৰ পৰা মাত্ৰ দহ মাইল আঁতৰতে অৱস্থিত বৰদোৱাই হ'ল— অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, অসমীয়া কৃষ্টি-সংস্কৃতিৰ গুৰি ধৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান। এইদৰেই ক'ব পাৰি যে এই নগাঁৱেই আছিল ঐতিহাসিকভাৱে অসমৰ জ্ঞানচৰ্চাৰ এক পূৰ্ণভূমি।

কিন্তু কুৰি শতিকাৰ মাজভাগত, স্বাধীনতা আন্দোলনৰ সময়ত শিক্ষা-জ্ঞানৰ উক্ত পূৰ্ণভূমি নগাঁৱৰ বৃহৎ অঞ্চলৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুলৰ শিক্ষা শেষ কৰি চিন্তিত হ'ব লগা হৈছিল— উচ্চ শিক্ষা গ্ৰহণৰ বাবে, কাৰণ তেতিয়া প্ৰত্যেকে গুৱাহাটী বা যোৰহাটত গৈ উচ্চ শিক্ষা গ্ৰহণ কৰাটো সম্ভৱো নাছিল। সেয়েহে সেই সময়ত এটি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তাৰ কথা এচাম ব্যক্তি তথা যুৱকে নগাঁৱত বৰকৈ অনুভৱ কৰিছিল। লগে লগেই তেওঁলোক তৎপৰ হৈ উঠিছিল। স্বনামধন্য স্বৰ্গীয় মতিৰাম বৰাদেৱ, স্বৰ্গীয় হলধৰ ভূঞাদেৱ প্ৰমুখ্য

কেইগৰাকীমান সচেতন বক্তিৰ অক্লান্ত চেষ্টা তথা ত্যাগৰ ফলস্বৰূপেই জন্ম লাভ কৰিছিল ১৯৪৪ চনৰ ৭ আগষ্টৰ ৰাতিপুৱা ৭ বজাৰ পবিত্ৰ লগ্নত এক মাঙ্গলিক অনুষ্ঠানেৰে বৃহৎ নগাঁও জিলাৰ প্ৰথমখন উচ্চশিক্ষাৰ অনুষ্ঠান ‘নগাঁও মহাবিদ্যালয়’-এ। তেতিয়া মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ বৰ্তমানৰ নগাঁও ডচন হাইস্কুল প্ৰাঙ্গণতে আৰম্ভ কৰা হৈছিল। আৰম্ভ হৈছিল উচ্চ শিক্ষাৰ এটি প্ৰবাহ।

নগাঁও মহাবিদ্যালয়ৰ জন্ম কাহিনীৰ লগত জড়িত আছে বহুকেইজন অক্লান্ত তথা উৎসাহী ব্যক্তিৰ নাম। যথাক্ৰমে সেইসকল স্বনামধন্য ব্যক্তি হ'ল— স্বৰ্গীয় বৃন্দাবন চন্দ্ৰ গোস্বামী, স্বৰ্গীয় ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা, স্বৰ্গীয় প্ৰতাপ চন্দ্ৰ শৰ্মা, স্বৰ্গীয় বিমলাকান্ত বৰা, স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰা, স্বৰ্গীয় মহীচন্দ্ৰ বৰা, স্বৰ্গীয় যোগসিং ছেত্ৰী, শ্ৰীপূৰ্ণচন্দ্ৰ শৰ্মা, শ্ৰীজগত বন্ধু দাস, শ্ৰীপ্ৰিয়নাথ সেনগুপ্ত, আবু জাফৰ, মঃ মনচুৰ, মঃ নৰুল ইছলাম, শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত আৰু সুধীন্দ্ৰমোহন দত্ত আদি। এইসকল মহানুভৱ দাতাৰ নাম এই মহাবিদ্যালয়ৰ ইতিহাসত চিৰদিনেই সজীৱ হৈ ৰ'ব।

১৯৪৪ চনত অসমত বিশ্ববিদ্যালয় স্থাপিত হোৱা নাছিল আৰু সেয়েহে কলিকতা বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় পৰিদৰ্শক অধ্যাপক সতীশচন্দ্ৰ ঘোষে এই মহাবিদ্যালয়খনিৰ প্ৰাৰম্ভিক কাম-কাজত সন্তোষ পাই মহাবিদ্যালয়খনি স্থানপৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ সন্মতি প্ৰদানত অনুমোদন জনায়। অৱশ্যে মহাবিদ্যালয়খনিৰ কলা আৰু বিজ্ঞান বিভাগে (দিবা) ১৯৬৩ চনতহে ঘাটি-মঞ্জুৰী লাভ কৰে। ১৯৪৪ চনতে আৰম্ভ কৰা মহাবিদ্যালয়খনিয়ে ক্ৰমে ক্ৰমে উন্নতিৰ জখলাত আগবাঢ়ি আজিৰ পৰ্যায় লাভ কৰিছে। আৰম্ভণিৰ লগত তুলনামূলকভাৱে বিশ্লেষণ কৰি চালে বৰ্তমানে আমাৰ চকুত বহুখিনি পৰিৱৰ্তন পৰিলক্ষিত হয়। আৰম্ভণিতে মাত্ৰ কলা শাখাৰহে ব্যৱস্থা কৰা হৈছিল। তেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ ১৪১ আৰু তাৰে ছাত্ৰী আছিল মাত্ৰ ১৬ গৰাকী। সেই সময়ত অসমত স্ত্ৰী-শিক্ষাই বৰকৈ প্ৰসাৰ লাভ কৰা নাছিল। নামভৰ্তিকৰণ বহীত উল্লেখ থকা মতে মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ শ্ৰীচিকন চন্দ্ৰ কাকতি। উল্লেখনীয় যে বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুখ্য অধ্যাপক প্ৰতিষ্ঠিত সাহিত্যিক শ্ৰীযুত মহিম বৰা, ইংৰাজী বিভাগৰ মুখ্য অধ্যাপক মঃ হবিবুৰ ৰহমান, মৰিগাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ শ্ৰীযুত গুৰুচৰণ মেধি, উকীল সন্থাৰ সদস্য শ্ৰীযুত জগত শইকীয়া আৰু মঃ জোনাব আলি আদি বৰ্তমানৰ সন্মানীয় ব্যক্তিসকল আছিল নগাঁও মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰদল। কলা বিভাগেৰে আৰম্ভ কৰা মহাবিদ্যালয়খনিত পিছলৈ বিজ্ঞান আৰু বাণিজ্য (নৈশ) বিভাগৰো

ব্যৱস্থা কৰি এখনি পূৰ্ণ পৰ্যায়ৰ মহাবিদ্যালয়লৈ ৰূপান্তৰিত কৰা হয়। প্ৰথমে কেতিয়া বিভিন্ন বিভাগবোৰ মুকলি কৰা হৈছিল তাৰে এখনি তালিকা প্ৰস্তুত কৰি দিয়া হ'ল।

নগাঁও মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ আৰম্ভণি আৰু প্ৰথম পৰীক্ষা দিয়া বছৰসমূহৰ তালিকা -

| বছৰ (চন) | কলা বিভাগ | বিজ্ঞান বিভাগ | বাণিজ্য বিভাগ | বিশ্ববিদ্যালয় |
|---|---|---|---|---|
| ১৯৪৪-৪৫, ১ম বাৰ্ষিক | প্ৰাক বিশ্ববিদ্যালয় (I.A) | | | |
| ১৯৪৫-৪৬, ২য় বাৰ্ষিক | প্ৰাঃ বিঃ বিঃ (পৰীক্ষা দিয়ে ১৯৪৬ চনত) | | | কলিকতা বিশ্ববিদ্যালয় |
| ১৯৪৭-৪৮, ১ম বাৰ্ষিক | | প্ৰাঃ বিঃ বিদ্যালয় (I.Sc) | | |
| ১৯৪৮-৪৯, ২য় বাৰ্ষিক | | প্ৰাঃ বিঃ বিদ্যালয় (I.Sc) (পৰীক্ষা দিয়ে ১৯৪৯ চনত) | | গুৱাহাটী বিশ্ববিদ্যালয় |
| ১৯৪৯-৫০, ১ম বাৰ্ষিক | | | প্ৰাক্‌বিশ্ববিদ্যালয় (I.Com) | |
| ১৯৫০-৫১, ২য় বাৰ্ষিক | | | প্ৰাক্‌বিশ্ববিদ্যালয় (I.Com) (পৰীক্ষা দিয়ে ১৯৫১ চনত) | গুৱাহাটী বিশ্ববিদ্যালয় |
| ১৯৪৭-৪৮, ৩য় বাৰ্ষিক | স্নাতক (B.A.) পুৰণি | | | |
| ১৯৪৮-৪৯, ৪ৰ্থ বাৰ্ষিক | স্নাতক (B.A.) পৰীক্ষা দিয়ে ১৯৪৯ চনত) | | | গুৱাহাটী বিশ্ববিদ্যালয় |
| ১৯৬০-৬১, ৩য় বাৰ্ষিক | | স্নাতক (পুৰণি) (B.Sc.) | | |
| ১৯৬১-৬২, ৪ৰ্থ বাৰ্ষিক | | স্নাতক (B.Sc.) পৰীক্ষা দিয়ে ১৯৬২ চনত) | | গুৱাহাটী বিশ্ববিদ্যালয় |
| ১৯৫১-৫২, ৩য় বাৰ্ষিক | | | স্নাতক (পুৰণি) (B.Com) | |
| ১৯৫২-৫৩, ৪ৰ্থ বাৰ্ষিক | | | স্নাতক (B.Com) (পৰীক্ষা দিয়ে ১৯৫৩ চনত) | গুৱাহাটী বিশ্ববিদ্যালয় |

এই তথ্যসমূহৰ পৰা অনুমান কৰিব পাৰি যে অতি কম সময়ৰ ভিতৰতেই সকলোবোৰ প্ৰয়োজনীয় বিভাগ মুকলি কৰি নগাঁও মহাবিদ্যালয়ে এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিভাগৰ বিভিন্ন বিষয়ৰ অধ্যয়নৰ সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছিল।

নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকী হ'ল স্বনামধন্য সাহিত্যিক শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱ, যাৰ অক্লান্ত চেষ্টা আৰু ত্যাগৰ বিনিময়ত আজি নগাঁও মহাবিদ্যালয়ে অসমৰ ভিতৰতেই এখনি শীৰ্ষস্থানীয় পূৰ্ণ পৰ্যায়ৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰাত বহুখিনি সুবিধা লাভ কৰিছে। সেয়েহে আমি আজি এইখনি মহাবিদ্যালয়ক লৈ গৌৰৱ অনুভৱ কৰোঁতে এইগৰাকী নিষ্কাম কৰ্মীৰ কথা পাহৰি গ'লে তেখেতৰ নিষ্কাম উদাৰতা আৰু আমাৰ অকৃতজ্ঞতাই পিঠিয়াপিঠিকৈ থিয় হৈ আমাকেই ইতিকিং কৰিব। মহাবিদ্যালয়ৰ প্ৰথম উপাধ্যক্ষগৰাকী হ'ল স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰা। তেখেত বুৰঞ্জীৰ অধ্যাপক আছিল। উল্লেখযোগ্য যে অধ্যক্ষ শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱে ইংৰাজী আৰু অসমীয়া দুয়োটাই পঢ়ুৱাইছিল। মহাবিদ্যালয়ৰ আৰম্ভণিৰ অন্যান্য অধ্যাপকসকল হ'ল যথাক্ৰমে— শ্ৰীযুত মহেশচন্দ্ৰ দেৱ গোস্বামী - তৰ্কবিদ্যা, ফণীন্দ্ৰলাল দত্ত - সংস্কৃত (এখেতে পিছত উপাধ্যক্ষ হৈ এই মহাবিদ্যালয়ৰ পৰা অৱসৰ লয়), নিৰ্মলচন্দ্ৰ সমাদ্দাৰ - পৌৰবিজ্ঞান, দেৱেশ্বৰ পাঠক - অংক আৰু ফাইজ আহমেদ চৌধুৰী - পাৰ্চী। বৰ্তমানে উক্ত বিষয় সমূহৰ উপৰি কলা-বিজ্ঞানত আৰু বহুতো বিষয়ৰ অধ্যয়নৰ সুবিধা দান কৰা হৈছে। বৰ্তমানে মহাবিদ্যালয়ৰ বিভিন্ন বিষয় আৰু অধ্যাপক-অধ্যাপিকাৰ সংখ্যা তলত দিয়া ধৰণৰ—

**কলাবিভাগ**

| | অধ্যাপক | অধ্যাপিকা | মুঠ |
|---|---|---|---|
| ইংৰাজী | ৫ | - | ৫ |
| অসমীয়া | ৫ | ১ | ৬ |
| বুৰঞ্জী | ২ | ১ | ৩ |
| শিক্ষা | ২ | ৩ | ৫ |
| অৰ্থনীতি | ২ | ১ | ৩ |
| ৰাজনীতি | ৩ | ১ | ৪ |
| | **অধ্যাপক** | **অধ্যাপিকা** | **মুঠ** |
| দৰ্শন | ৩ | ০ | ৩ |
| সংস্কৃত | ২ | ১ | ৩ |
| হিন্দী | ১ | ১ | ২ |
| বঙালী | ১ | ০ | ১ |
| আৰবী | ১ | ০ | ১ |
| মুঠ - | ২৭ | ৯ | ৩৬ |

## বিজ্ঞান বিভাগ

| | অধ্যাপক | অধ্যাপিকা | মুঠ |
|---|---|---|---|
| ভূগোল | ৪ | ১ | ৫ |
| পদাৰ্থ বিজ্ঞান | ৬ | ১ | ৭ |
| উদ্ভিদ বিজ্ঞান | ৫ | ২ | ৭ |
| প্ৰাণী বিজ্ঞান | ৪ | ২ | ৬ |
| ৰসায়ন বিজ্ঞান | ৭ | ০ | ৭ |
| গণিত | ২ | ১ | ৩ |
| পৰিসংখ্যা | ৩ | ০ | ৩ |
| **মুঠ** | ৩১ | ৭ | ৩৮ |

## বাণিজ্য বিভাগ

অধ্যাপক ৫ গৰাকী আৰু অধ্যাপিকা এগৰাকী, মুঠ ৬ গৰাকী।

গতিকে দেখা যায় যে মাত্ৰ কেইটিমান সীমিত বিষয় আৰু কম সংখ্যক শিক্ষকৰে আৰম্ভ কৰা নগাঁও মহাবিদ্যালয়ে আজি বিভিন্ন বিভাগৰ জৰিয়তে বিভিন্ন বিষয়ৰ অধ্যয়নৰ সুবিধা ছাত্ৰ-ছাত্ৰীসকলক দান কৰিছে। তদুপৰি বিভিন্ন বিষয়ত সন্মান পাঠ্যক্ৰম ব্যৱস্থাও আগবঢ়াইছে। আজি নগাঁও মহাবিদ্যালয়ে উচ্চ শিক্ষাৰ প্ৰবাহটোক গতিশীল আৰু শক্তিশালী কৰি তোলাত সুযোগ প্ৰদান কৰিছে।

মহাবিদ্যালয়ৰ কাৰ্যালয় পৰিচালনাৰ বাবে নিযুক্তি দিয়া প্ৰথমজন সহকাৰী হ'ল— শ্ৰীগঙ্গাধৰ শইকীয়া আৰু চতুৰ্থ শ্ৰেণীৰ প্ৰথম কৰ্মচাৰী হ'ল স্বৰ্গীয় জগত বৈশ্য। অতি কম সংখ্যক কৰ্মচাৰীৰে আৰম্ভ কৰা নগাঁও মহাবিদ্যালয়ৰ বৰ্তমান বিভিন্ন কৰ্মচাৰীৰ সংখ্যা তলত দিয়া ধৰণৰ--

| | |
|---|---|
| গ্ৰন্থাগাৰিক | ১ জন |
| তৃতীয় শ্ৰেণী কৰ্মচাৰী | ১২ জন |
| চতুৰ্থ শ্ৰেণী কৰ্মচাৰী | ২৮ জন |
| মুঠ | ৪১ জন |

ভাবিলে আচৰিত লাগে যে আৰম্ভণিতে বহু বছৰলৈ অধ্যক্ষই মাথোঁ ২০০

টকাহে দৰমহা লাভ কৰিছিল আৰু অন্যান্য অধ্যাপকসকলে মাত্ৰ ১০০ টকাহে পাইছিল। তাতে স্থানীয়সকলে ৭৫ টকাহে গ্ৰহণ কৰি বাকী ২৫ টকা কলেজৰ পুঁজিলৈ বৰঙণি হিচাপে আগবঢ়াব লাগিছিল। এনেদৰেই সেই ব্যক্তিসকলে নানান ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল মাথোঁ উচ্চ শিক্ষাৰ প্ৰবাহটোক গতিশীলতা দানৰ বাবে।

১৯৪৭ চনতহে মহাবিদ্যালয়খনিক ডচন স্কুল প্ৰাঙ্গণৰ পৰা বৰ্তমানৰ স্থানলৈ স্থানান্তৰ কৰা হয়। মাত্ৰ ১৪১ গৰাকী ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনকদিনে ক্ৰমান্বয়ে বৃদ্ধি পাব ধৰে আৰু ১৯৭১-৭২ চনৰ হিচাপমতে ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা ১৮১৩ আৰু বৰ্তমানে অৰ্থাৎ ১৯৮১-৮২ চনৰ হিচাপমতে ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা হ'লগৈ ৩৪০০ (প্ৰায়)।

নগাঁও মহাবিদ্যালয়ে আজি সুদীৰ্ঘ দিন ধৰি বহু হাজাৰ হাজাৰ শিক্ষিত ব্যক্তি গঢ়ি তুলিছে, সন্দেহ নাই।

সঁচা কথা আজি নগাঁও মহাবিদ্যালয় এখনি পূৰ্ণাংগ পৰ্যায়ৰ মহাবিদ্যালয়ত পৰিণত হৈছে। অকল শিক্ষাৰ ক্ষেত্ৰতে নহয়, ইয়াৰ সহযোগী অন্যান্য বিষয়, যেনে— খেলা-ধূলা, কলা-সংস্কৃতি, সাহিত্য সকলো দিশতে মহাবিদ্যালয়খনিয়ে আজি গৌৰৱ কৰিব পাৰে। মহাবিদ্যালয়ৰ প্ৰকাশ পোৱা ঊনত্ৰিশটি সংখ্যাৰ মহাবিদ্যালয় আলোচনীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। মহাবিদ্যালয় আলোচনীৰ দুগৰাকীমান উল্লেখযোগ্য সম্পাদকৰ নাম এইখিনিতে দিয়া হৈছে। তেখেতসকলৰ ভিতৰত শ্ৰীযুত মহিম বৰা (এখেতেই প্ৰথম সংখ্যাৰ সম্পাদক), শ্ৰীযুত তৰুণ ফুকন, শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ মহন্ত, শ্ৰীযুত অৱনীন্দ্ৰ বৰা, শ্ৰীযুত কবীন বৰা, শ্ৰীযুত পদ্ম পাটৰ, শ্ৰীযুত গুণীন গায়ন আদিসকলৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰি অসমৰ বিভিন্ন প্ৰতিযোগিতাত লাভ কৰা বিভিন্ন পুৰস্কাৰ আদিয়ে মহাবিদ্যালয়ৰ খেলা-ধূলা আৰু কলা-সংস্কৃতিৰ উন্নত মানৰ কথা আমাক স্পষ্ট কৰি দিয়ে।

আনহাতেদি আজি আমি নগাঁও মহাবিদ্যালয়ৰ পুতিভঁৰালটিক লৈয়ো গৌৰৱান্বিত। অতি সীমিত সংখ্যক কিতাপেৰে, ঠেক সৰু দুটি কোঠাৰে প্ৰথমতে আৰম্ভ কৰা পুথিভঁৰালটি যোৱা ৮২ ৰ ৩০ ছেপ্টেম্বৰত সম্পূৰ্ণ সুবিধাৰ আহল-বহল নৱনিৰ্মিত পুথিভঁৰালটিলৈ স্থানান্তৰ কৰা হ'ল, য'ত নেকি এতিয়া এটি সুন্দৰ জ্ঞানচৰ্চাৰ পৰিৱেশ গঢ়ি উঠাত সহায় হৈছে। বৰ্তমানৰ পুথিভঁৰালটিৰ বিভিন্ন হিচাপ

এনেধৰণৰ—

| | |
|---|---|
| কিতাপৰ সংখ্যা | ৩৩৪৫৬ খন |
| বাতৰি কাকত | ১৭ খন |
| আলোচনী | ১৪৩ খন |
| মুঠ কিতাপৰ মূল্য | ৪৭৫০০ টকা |
| পুথিভঁৰালৰ মুঠ মূল্য | ৪০৪৭০০ টকা |

ইয়াৰ উপৰি মহাবিদ্যালয়ৰ বিভিন্ন সম্পত্তিৰ মূল্য এনে ধৰণৰ—

| | |
|---|---|
| ঘৰৰ মূল্য -- | ৬৫ লাখ ৬৪ হাজাৰ ৪১ টকা। |
| বিজ্ঞান গৱেষণাগাৰ -- | ৪ লাখ ১৪ হাজাৰ ৯ শ টকা। |
| অন্যান্য আচবাব - | ১ লাখ ৪৩ হাজাৰ টকা। |

উল্লেখযোগ্য যে প্ৰথমাৱস্থাত যিখনি মহাবিদ্যালয়ৰ নিজা স্থায়ী ঘৰ তথা মাটি নাছিল সেই মহাবিদ্যালয়খনিৰ বৰ্থমানৰ মাটিৰ পৰিমাণ হ'ল ২৫ বিঘা, ১১ লোচা আৰু ইয়াৰ মূল্য হ'ল প্ৰায় ৭ লাখ ৫৩ হাজাৰ ৩ শ টকা। এনেদৰেই আন এখন স্কুলত আৰম্ভ কৰা মহাবিদ্যালয়খনিয়ে সময়ত বহু সম্পত্তিৰ অধিকাৰী হৈ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ নানান অভাৱ-অভিযোগসমূহ পূৰণ কৰি শিক্ষাৰ প্ৰবাহ সুস্থিৰভাৱে বোৱাই নিবলৈ সক্ষম হ'ল। এইখিনিতে বিভিন্ন সমস্যাদি সমাধানত বৰ্থমানৰ অধ্যক্ষ শ্ৰীযুত মুহিৰাম শইকীয়াদেৱৰ প্ৰচেষ্টাৰ কথাও আমি সুঁৱৰিবই লাগিব। আজি দূৰণিৰ ছাত্ৰসকলৰ বাবে ৪৫ টি কোঠাৰ ১২০ জন ছাত্ৰ থকাৰ সুবিধাৰে মহাবিদ্যালয়ৰ এটি স্থায়ী ছাত্ৰাৱাস আৰু এটি অস্থায়ী ছাত্ৰী-নিৱাসৰ ব্যৱস্থাও আছে।

ইয়াৰ উপৰি ছাত্ৰসকলৰ গণতান্ত্ৰিক শিক্ষাৰ বাবে, সুযোগ্য নাগৰিক গঢ়াৰ বাবেও এটি গণতান্ত্ৰিক ছাত্ৰ-সংগঠন 'মহাবিদ্যালয় ছাত্ৰ-সন্থা'ৰ ব্যৱস্থা আছে য'ত ছাত্ৰ-ছাত্ৰীসকলে ভোটদান পদ্ধতিৰে নিজৰ প্ৰতিনিধিক নিৰ্বাচন কৰি ছাত্ৰসকলৰ বিভিন্ন সমস্যাদি কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ সুবিধা লাভ কৰিছে। উল্লেখযোগ্য যে দেশৰ বিভিন্ন সমস্যাদিতো আমাৰ ছাত্ৰসকলে সদায় মাত মাতি আহিছে। উদাহৰণস্বৰূপে, ভাষা আন্দোলনৰ শ্বহীদ অনিল বৰাৰ কথাকেই এই ক্ষেত্ৰত উনুকিয়াব পাৰি। এইবোৰৰ উপৰি অন্যান্য ৰাষ্ট্ৰীয় সেৱাৰ উপযুক্ত কৰাৰ বাবে নগাঁও মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ব্যৱস্থাও আছে।

এইদৰেই ক'ব পাৰি যে বিভিন্ন অভাৱ-অভিযোগ অথবা নানান ত্ৰুটি আদি আছে যদিও নগাঁও মহাবিদ্যালয়ে আজি বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ নৈতিক, মানসিক, শাৰীৰিক তথা সাংস্কৃতিক আদি বিভিন্ন দিশত উপযুক্ত শিক্ষাদানেৰে ঐতিহ্যৰ সুঁতিটোক বহন কৰিব পাৰিছে। ১৯৪৪ চনতে আৰম্ভ হোৱা উচ্চ শিক্ষাৰ যি প্ৰবাহ, সেই প্ৰবাহ আজি পৰ্যন্ত প্ৰবাহিত হৈ আছে আৰু হৈয়ে থাকিব অনন্তকাললৈ। ই যেন এক যুগৰ প্ৰবাহ।

(লেখাটি মহাবিদ্যালয়ৰ আলোচনীত ইতিমধ্যে প্ৰকাশিত)

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন ছাত্ৰ।

# ছাত্ৰ আন্দোলন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ভেটি নিৰ্মাণত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ভূমিকা

বিভূ ভৰালী

১৯৭৩-৭৪ চনত নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা হায়াৰ চেকেণ্ডেৰী টুৱেলভ ক্লাছ পাছ কৰিলোঁ। এই পৰীক্ষাত তৃতীয় বিভাগত পাছ কৰা বাবে যদিও গুৱাহাটীৰ কটন কলেজত পঢ়াৰ ইচ্ছা আছিল, তাত পঢ়া ইচ্ছা সমাপ্ত কৰি নগাঁও মহাবিদ্যালয়ত পঢ়াটোকে সিদ্ধান্ত কৰিলোঁ। স্কুলত পঢ়ি থকা সময়ত নগাঁও মহাবিদ্যালয় সন্মুখেৰে কেতিয়াবা গ'লে এই ক্ষেত্ৰটো গহীন গহীন লাগি মনটোত ভয়ভাবৰ সৃষ্টি হৈছিল।

এটা নিৰ্দিষ্ট দিনত নগাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ। আমাৰ শ্ৰেণীত নগাঁও বালক চৰকাৰী উচ্চ মাধ্যমিক স্কুলৰ পৰা অহা ৭/৮ জন ল'ৰাই আগভাগ লৈছিলোঁ অৰ্থাৎ অন্যান্য স্কুলৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে অলপমান সমীহ কৰিছিল।

ইয়াৰ পিছৰ পৰ্যায়ত নিৰ্বাচন। নগাঁও মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ নিৰ্বাচন। আমাৰ দিনত বৰ্তমানৰ নগাঁও মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সলনি নগাঁও মহাবিদ্যালয় ছাত্ৰ- একতা সভা আছিল। ১৯৮০ চনৰ পৰাহে মহাবিদ্যালয় ছাত্ৰ সন্থা হৈছে।

বৰ্তমানৰ নিচিনাই আমাৰ দিনত নিৰ্বাচন আছিল। গাড়ী, ফেষ্টুন আৰু নগাঁও মহাবিদ্যালয় বেৰত আৰু নেচনেল হাইৱেত প্ৰাৰ্থীসকলে ৰঙেৰে নিজৰ নাম লিখাইছিল।

নিৰ্বাচনত আমাৰ কলা স্নাতক প্ৰথম বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত

প্ৰাৰ্থী আটাইতকৈ বেছি। মই প্ৰথমে নিজে খেলুৱৈ হিচাপে ক্ৰীড়া বিভাগত উঠাৰ সিদ্ধান্ত ল'লোঁ। গৌতম বৰা তেতিয়া নগাঁও মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকে ক্ৰীড়া বিভাগত উঠিবলৈ মানা কৰে আৰু সহকাৰী সাধাৰণ সম্পাদক দিবা শাখাত উঠিবলৈ দিয়ে। সেই সময়ত আমি ডাঙৰসকলক শ্ৰদ্ধা কৰিছিলোঁ আৰু সেয়ে তেখেতৰ সন্মান ৰক্ষা কৰি সহকাৰী সাধাৰণ সম্পাদক পদৰ বাবে প্ৰাৰ্থী হওঁ।

নিৰ্বাচনী প্ৰচাৰ প্ৰায় এতিয়াৰ দৰে আছিল। বাহিৰত অনুৰূপ আছিল। ভিতৰত প্ৰাৰ্থীসকল ক্লাছে ক্লাছে যাব লাগিছিল। ওপৰৰ ক্লাছসমূহত প্ৰাৰ্থীসকলক বেলেগে বেলেগে মাতে আৰু নানা প্ৰশ্ন কৰি যোগ্যতাৰ জোখ-মাপ কৰিছিল। ময়ো তেনে প্ৰশ্নৰ সন্মুখীন হওঁ। আমি দুবছৰীয়া স্নাতক, নতুন আছিলোঁ। আমাৰ ওপৰত ৩ বছৰীয়া স্নাতক আছিল।

ওপৰৰ স্নাতক ক্লাছত এদিন নানা প্ৰশ্নৰ মুখামুখি হওঁ। মই সেইদিনা প্ৰচণ্ড নাৰ্ভাছ হওঁ আৰু  ব্লেক ব'ৰ্ডত ইডিটৰ শব্দটো লিখিবলৈ দিলে মই এই শব্দটো জানিছিলো যদিও ব্লেকব'ৰ্ডত সঠিক লিখিছিলোঁ কওঁতে সকলোৱে ই শব্দটো 'এ' উচ্চাৰণ কৰা বুলি সকলোৱে হাঁহি দিলে ময়ো লাজতে মৰি যোৱাৰ নিচিনা হ'লোঁ। এই ক্লাছৰ পৰা ওলাই নিৰ্বাচনত মই যে হাৰিম বা এই ক্লাছৰ পৰা যে ভোট নাপাওঁ ভাবি ল'লোঁ।

আমাৰ দিনৰ নিৰ্বাচনত সকলোৱেই ছাত্ৰ প্ৰাৰ্থী হ'ব পাৰে। ইয়াত ছাত্ৰ সন্থা বুলি ষ্টাম্প নাছিল। মূলতে সকলোৱেই ছাত্ৰ সন্থা আছিল আৰু নগাঁও মহাবিদ্যালয়ৰ সকলো ছাত্ৰই ছাত্ৰ সন্থাৰ আছিল।

আমাৰ ১৯৭৪-৭৫ চনত সঁচাই সকলোৱে ছাত্ৰ সন্থা ল'ৰাই আছিল।

১৯৭৪-৭৫ চন, নিৰ্বাচনৰ আগদিনা গাড়ীৰে আমি নগৰত ঘৰে ঘৰে ভোটাৰসকলক লগ ধৰাৰ উদ্দেশ্যেৰে গ'লোঁ। পুলিচ লাইনৰ এঘৰলৈ, লগত পানীগাঁৱৰ ডিম্বেশ্বৰ বৰা সেই ঘৰত মোৰ লগত প্ৰাইমেৰী স্কুলত একেলগে পঢ়া এগৰাকী বান্ধৱীক লগ পাওঁ, তেখেত পি. ইউৰ প্ৰথম অংশৰ ছাত্ৰী। মই তেওঁ যে মোৰ লগত একেলগে পঢ়িছিল সেই কথা সোঁৱৰাই দিলোঁ। মই প্ৰথম তেখেতৰ ভোটটো পামেই বুলি ভাবি চিনাকি দিছিলো। ভোট খুজি ঘৰৰ বাৰাণ্ডা পোৱাৰ লগে লগে বাৰাণ্ডাৰ লাইট অফ কৰি দিলে। মই মোৰ বন্ধু ডিম্বেশ্বৰ বৰাক লাইট অফ কৰাৰ কাৰণ কি বুলি সুধিছিলোঁ। তেওঁ ক'লে যে তুমি এওঁৰ ভোট হেৰুৱালা। কথাৰ লেকাম ৰাখিব লাগে। তেওঁ প্ৰাইমেৰী স্কুলতহে তোমাৰ লগত পঢ়িছিল

বৰ্তমান তোমাতকৈ দুই বছৰ তলত পঢ়ি আছে। ছোৱালীবোৰে বয়স লুকাই ভাল পায়। তোমাতকৈ তলত বিভুদা বুলি মাতি ভাল পালেহেতেন, তোমাৰ বন্ধু হোৱাতকৈ, এটা ভোট হেৰুৱালা।

নিৰ্বাচনত মই জিকিলো।

আমাৰ দিনত সাধাৰণ সম্পাদক শ্ৰীধৰণী বৰা (হয়বৰগাঁও), সহকাৰী সাধাৰণ সম্পাদক (দিবা) মই (শ্ৰীবিভু ভৰালী), সহঃ সাধাৰণ সম্পাদক (নিশা) দেবা বৰা (হয়বৰগাঁও), ক্ৰীড়া সম্পাদক জয়ন্ত বৰা, সঙ্গীত সম্পাদক মঃ ৰফিক আহমেদ, কলা আৰু সাংস্কৃতিক সম্পাদক শ্ৰীপুষ্পেন্দ্ৰ ৰাজখোৱা। আলোচনী সম্পাদক তাইজুল ইছলাম বক্স (ঢাকাইপট্টি, ভাৰত ফাৰ্মেচী) আভ্যন্তৰীণ ক্ৰীড়া শ্ৰীজচৰন্ত সিং আৰু প্ৰভাত বৰা আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক শ্ৰীমতী অনুশ্ৰী কুণ্ডু।

ইয়াৰ পিছত মই সদৌ অসম ছাত্ৰ সন্থা আৰু নগাঁও জিলা ছাত্ৰ সন্থাৰ সক্ৰিয় কৰ্মী হৈ পৰো। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ অধিৱেশন আমাৰ দিনত কলিয়াবৰত হৈছিল। সেই অধিৱেশনত সদৰ আঞ্চলিকৰ পৰা মই, শ্ৰীদেৱ বৰা আৰু ধৰণী বৰা প্ৰতিনিধি হৈছিলোঁ। কলিয়াবৰৰ অধিৱেশনত গুৰি ধৰিছিল শ্ৰীৰবীন ভূএঞা, শ্ৰীলক্ষীকান্ত শইকীয়া, শ্ৰীপ্ৰফুল্ল মহন্তই তেওঁৰ বিখ্যাত মিচিকিয়া হাঁহিটিৰে মোক বেজ পিন্ধাই দিয়া দৃশ্য এতিয়াও মনত আছে। সেই সময়ত প্ৰফুল্ল মহন্ত বিখ্যাত হৈছিল নিষ্ঠাবান ছাত্ৰ সন্থাৰ কৰ্মীৰূপে। শ্ৰীমহন্তই ভাষা আন্দোলনৰ শ্বহীদ নৰেন মহন্তৰ ৰাজপথত পৰি থকা দেহৰ ওচৰত একমনে বহি থাকি ছাত্ৰ সন্থাৰ সাহসী একনিষ্ঠ কৰ্মী হিচাপে স্বীকৃতি পাইছিল। সেয়েহে তেখেতক সেই সময়তে সকলোৱে চিনি পাইছিল।

সেই অধিৱেশনতে মই সহকাৰী সাধাৰণ সম্পাদক, সদৌ নগাঁও জিলা ছাত্ৰ সন্থালৈ নিৰ্বাচিত হওঁ। মোৰ লগত চামগুৰিৰ শ্ৰীঅতুল শৰ্মাও একে পদত নিৰ্বাচিত হয়। এতিয়াৰ উদ্যোগ মন্ত্ৰী শ্ৰীদিগেন বৰা সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক হয়। আমাৰ সভাপতি আৰু সাধাৰণ সম্পাদক যথাক্ৰমে শ্ৰীলুইত বৰা আৰু ধিঙৰ শ্ৰীজীৱন বৰুৱা। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ বিদায়ী সভাপতি আছিল শিশিৰ ফুকন।

নগাঁও জিলা ছাত্ৰ সন্থাৰ অধিৱেশনৰ পিছত সদৌ অসম ছাত্ৰ সন্থাৰ বৰপেটা অধিৱেশনত যোগদানৰ সুযোগ পাওঁ। এই অধিবেশনলৈ যাওঁ নগাঁও জিলা ছাত্ৰ

সন্থাৰ পৰা শ্ৰীপ্ৰফুল্ল মহন্ত, শ্ৰীজীৱন বৰুৱা, মানস মহন্ত আৰু নগাঁও মহাবিদ্যালয়ৰ পৰা সাধাৰণ সম্পাদক শ্ৰীধৰণী বৰা আৰু মই শ্ৰীবিভূ ভৰালীয়ে। প্ৰফুল্ল মহন্ত, জীৱন বৰুৱা আৰু মই তিনিও 'ত্ৰি মাচ কিউটাচৰ দৰে অধিৱেশনত প্ৰবল বিতৰ্ক অৱতৰণ কৰি সকলোৰে দৃষ্টি গোচৰত আহিছিলোঁ। এই অধিৱেশনতে শ্ৰীযুত বৃন্দাবন গোস্বামী, শ্ৰীযুত জয়নাথ শৰ্মা আৰু লখিমপুৰৰ পৰা অহা ভৰত নৰহ, খনিন মহন্তৰ সান্নিধ্যত আহোঁ। সেই অধিৱেশনত শ্ৰীবৃন্দাবন গোস্বামী সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি নিৰ্বাচিত হয়।

১৯৭৪-৭৫ চনত আৰম্ভ হয় অসম মহাবিদ্যালয় শিক্ষক সন্থাৰ শ্ৰেণী বৰ্জন আন্দোলন। এই আন্দোলনত একলব্যৰ দৰে ছাত্ৰ সন্থায়ো সম্পূৰ্ণ সহযোগ কৰে। এই শ্ৰেণী বৰ্জন আন্দোলনত সদৌ অসম ছাত্ৰ সন্থায়ো আন্দোলন আৰম্ভ কৰে। শিক্ষকসকলে পি. ইউ. পৰীক্ষা বৰ্জন কৰাত আমি তাত সম্পূৰ্ণ সমৰ্থন দিওঁ। আন্দোলনৰ প্ৰথম পৰ্যায়তে শ্ৰীজীৱন বৰুৱা, শ্ৰীধৰণী বৰা, শ্ৰীশিশিৰ ফুকন ইত্যাদি ছাত্ৰনেতাসকলক গ্ৰেপ্তাৰ কৰে। পৰীক্ষাৰ প্ৰথম দিনতে নগাঁও মহাবিদ্যালয় তেজেৰে ৰাঙলী হয়। মহাবিদ্যালয়ত পুলিচ সোমাই যধে-মধে গ্ৰেপ্তাৰ আৰু মাৰধৰ কৰে। বহু ছাত্ৰ আহত হয়। প্ৰায় ২ ঘণ্টাৰ পিছত বিতৰ্কিত পি. ইউ. পৰীক্ষা চৰকাৰে পাতিলে। বহু ছাত্ৰ-ছাত্ৰীৰে এটা বছৰ এনেয়ে গ'ল। সেইদিনা নগাঁও মহাবিদ্যালয়ত পৰীক্ষা দিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ আহত সংখ্যা দেখা পাই চকুৰ পানীৰে ওপচি পৰিছিল। পুলিচে লাঠিৰে মোৰ হাতত কোবাইছিল।

পৰীক্ষাৰ ২য় দিনা উপায়ুক্তৰ কোঠাৰ সন্মুখত মই আৰু শ্ৰীদেৱ বৰাই অনশন আৰম্ভ কৰোঁ। অনশন ১ দিনৰ পিছত ভঙ্গ কৰোঁ।

এইখিনিতে উল্লেখ কৰোঁ যে আমাৰ সাধাৰণ সম্পাদক শ্ৰীধৰণী বৰা এজন প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী পৰীক্ষা প্ৰাৰ্থী আছিল। তেওঁ পৰীক্ষা দিব নোৱৰাত আৰু তেতিয়া মহাবিদ্যালয়ৰ ছাত্ৰ হৈ নথকাত নগাঁও মহাবিদ্যালয় ছাত্ৰ-একতা সভাই ১৯৭৪-৭৫ চনত মোক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে নিযুক্ত কৰে।

ইয়াৰ পিচতে সমগ্ৰ ভাৰতৰ লগত অসমতো তেতিয়াৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰে। নগাঁও মহাবিদ্যালয়তো ইয়াৰ প্ৰভাৱ মৃদু হ'লেও জোৰাৰ উঠে। মহান ছাত্ৰ-একতা সভাৰ নিৰ্বাচন চৰকাৰে পাতিবলৈ নিদিলে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে তদৰ্থ সমিতি পাতি দিয়ে। নিৰ্বাচনৰ নামত লোকপ্ৰিয় গোপীনাথ বৰদলৈ হলত সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ এখন সভা অনুষ্ঠিত

কৰি সৰ্বসন্মতি ৰূপে মোক আহ্বায়ক নিযুক্তি দি ১৯৭৪-৭৫ চনৰ সকলোকে একে পদত ৰাখি সম্পাদক হিচাপে মনোনীত কৰে। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা শ্ৰীমতী অনুশ্ৰী কুণ্ডুক এই তদৰ্থ সমিতিত নাৰাখি পি. ইউ. প্ৰথম অংশৰ ছাত্ৰী আমোলাপট্টিৰ শ্ৰীমতী ৰুমজুম গোস্বামীক দায়িত্ব দিয়ে।

জৰুৰী অৱস্থাৰ সময়ত ছাত্ৰ-একতা সভাৰ দায়িত্ব সীমাবদ্ধ আছিল। আদৰণি উৎসৱৰ সম্পাদকীয় প্ৰতিবেদনখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মুহিৰাম শইকীয়াৰ কোঠাত টেবুলত বহি লিখিবলগীয়া হৈছিল। প্ৰতিবেদনখন পঢ়িলে সেই সময়ৰ মহাবিদ্যালয়ৰ বহু কথা পঢুৱৈ সকলে পাব। প্ৰতিবেদনখনৰ বহু কথা জৰুৰী অৱস্থাৰ কেঁচিৰে কটা হৈছিল। প্ৰতিবেদনখন লগত গাঁঠি দিলোঁ--

**নগাঁও মহাবিদ্যালয় এক ত্ৰিংশতিতম নৱাগত আদৰণি উৎসৱ**

৬ অক্টোবৰ, ১৯৭৫ চন।

মাননীয় সভাপতি মহোদয়, আমন্ত্ৰিত মুখ্য অতিথি ডাঙৰীয়া, অধ্যাপক, অধ্যাপিকামণ্ডলী, সুধীবৃন্দ আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল।

মহান ঐতিহ্যপূৰ্ণ নগাঁও মহাবিদ্যালয়ৰ এটি নতুন বছৰৰ শুভ আৰম্ভণিত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক একেলগে পোৱাৰ আন্তৰিক অভিনন্দন জনোৱাৰ সুযোগ পোৱাত মই মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰতিনিধি হিচাপে নিজকে ধন্য মানিছো। আৰু আপোনালোকৰ ওচৰত মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

হে নৱাগত বন্ধু-বান্ধৱীসকল! আজিৰ পৰা একত্ৰিশ বছৰৰ পূৰ্বে ১৯৪৪ চনৰ ৭ আগষ্টত স্বৰ্গীয় মতিৰাম বৰা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট শিক্ষানুৰাগীৰ চেষ্টাত জিলাখনৰ উচ্চ শিক্ষাৰ কাৰণে যি জ্ঞানবৃক্ষৰ বীজ ৰোপণ কৰা হ'ল, সিয়ে কালক্ৰমত মহীৰূহত পৰিণত হৈছে। বিগত বছৰবোৰৰ ইতিহাসত শিক্ষাৰ প্ৰচাৰ আৰু বিস্তাৰত নগাঁও মহাবিদ্যালয়ৰ যি মহান ঐতিহ্য তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই মহাবিদ্যালয়ৰ জ্ঞানশিখাৰে দেশৰ শত-সহস্ৰ ছাত্ৰৰ জীৱন জ্যোতিষ্মান হোৱাৰ কথা কাৰো অবিদিত নহয়। সেই একেই প্ৰতিশ্ৰুতিকে সফল কৰাৰ আত্মপ্ৰত্যয় আৰু দৃঢ়তাৰে আপোনালোকে আজি এই পবিত্ৰ শিক্ষামন্দিৰটিৰ মজিয়া গছকিছেহি।

আপোনালোকৰ ভৱিষ্যৎ জীৱন গঢ়াৰ প্ৰস্তাৱনাত আমাৰ শুভাশিস, প্ৰীতি, অভিনন্দন জ্ঞাপন কৰিছো আৰু আপোনালোকৰ কৰ্তব্যৰ প্ৰতি থকা আহ্বানৰ সাৰ্থক ৰূপায়ণৰ বাবে আমাৰ উদ্‌গনি জনাইছোঁ।

হে নৱাগতসকল!

অসমৰ শিক্ষাৰ বুৰঞ্জীত বাটকটীয়া বুলি কৃতিত্বৰ দাবী কৰিব পৰা নগাঁও মহাবিদ্যায়ে বৰ্তমান বছৰত বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহত যি চমকপ্ৰদ ফল দেখুৱালে, সি নগাঁও মহাবিদ্যালয়ৰ কাৰণে এক নতুন অভিলেখ স্থাপন কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোৱা প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম দহজন কৃতিত্ব অধিকাৰী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত বিজ্ঞান শাখাত দ্বিতীয় স্থান অধিকাৰ কৰোঁতা শ্ৰীদেৱব্ৰত গোস্বামী, শ্ৰীজগন্নাথ শৰ্মা (বিজ্ঞান, তৃতীয় স্থান), শ্ৰীনৃপেন্দ্ৰ চন্দ্ৰ দত্ত (কলা, অষ্টম স্থান) আৰু কুমাৰী নীলাক্ষি শইকীয়াই শিক্ষা আৰু ৰাজনীতি বিজ্ঞানত সৰ্বোচ্চ নম্বৰ পাই কৃতিত্ব বজাই ৰাখিবলৈ সক্ষম হয়। ইয়াৰ উপৰি বিশ্ববিদ্যালয়ৰ যোৱা স্নাতক মহলাৰ বিজ্ঞান পৰীক্ষাত এই মহাবিদ্যালয়ে শ্ৰীমতী মীনাক্ষী শইকীয়াই উদ্ভিদ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান আৰু শ্ৰীনাৰায়ণ মুদৈয়ে পদাৰ্থ বিজ্ঞান বিষয়ত প্ৰথম শ্ৰেণীৰ একাদশ স্থান অধিকাৰ কৰিছে আৰু অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে সন্মান আৰু ডিষ্টিংছন সহ উত্তীৰ্ণ হৈছে।

এইসকল কৃতী ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰে অনুপ্ৰাণিত হৈ আপোনালোকেও যেন এই মহাবিদ্যালয়ৰ গৌৰৱ ৰাখিবলৈ সক্ষম হয় তাকে কামনা কৰিলোঁ। আপোনালোকৰ জ্ঞান আহৰণৰ প্ৰতি থকা গভীৰ স্পৃহাই মহাবিদ্যালয়ৰ এই পৰম্পৰা ৰক্ষা কৰিব পাৰিব।

হে সুধীবৃন্দ -

বয়সৰ হিচাপত তিনিটা দশক অতিক্ৰম কৰিলেও ক্ৰমোন্নতি দিশত এই মহাবিদ্যালয়ে মন্থৰ গতিৰেহে আগবাঢ়িছে বুলি কব পাৰি। তথাপিতো যোৱা কেইবছৰ মানত মহাবিদ্যালয় কৰ্ত্তৃপক্ষই আমাৰ কিছু অভাৱ পুৰণৰ বাবে কিছু ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে। তাৰ মাজটো আজি পৰ্য্যন্ত অভাৱ হিচাবেই ৰৈ যোৱা কেইবাটাও অভাৱৰ কথা মহাবিদ্যালয়ৰ আজিৰ এই শুভ মুহূৰ্ত্তত হিতাকাঙ্খী সুধীবৃন্দক পাই কৰ্ণ গোচৰ কৰাৰ লোভ সামৰিব নোৱাৰিলো। সৰ্বপ্ৰথমে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক অনুপাতে মহাবিদ্যালয় পুথিভঁড়ালটিৰ পাঠাগাৰৰ পৰিসৰ কম হোৱাত সাধাৰণতে বহুতো অসুবিধা ভোগ কৰিবলগা হয়। তদুপৰি বহুদিনৰ পৰা অভাৱ অনুভৱ কৰি অহা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটিৰ নিৰ্মাণ কাৰ্যত ব্যয় হ'ব লগীয়া ধনৰ এটি অংশ হিচাবে প্ৰায় ৩৫,০০০.০০ (পয়ত্ৰিশ হাজাৰ) টকা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ পৰা সংগৃহীত হৈছে। এই প্ৰেক্ষাগৃহটিৰ নিৰ্মাণ কাৰ্য অতি শিঘ্ৰে আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱটি পূৰণ কৰিবৰ বাবে কৰ্তৃপক্ষৰ ওছৰত অনুৰোধ

জনালো। আনহাতেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামূলক ভ্ৰমণৰ কাৰণে যথাৰ্থতে ভোগ কৰি অহা অসুবিধাও ইতিমধ্যে আঁতৰ হৈছে, আৰু আগৰ কেইবছৰৰ দৰে এই বছৰো ৮ অক্তোবৰ .. আমাৰ মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক এটি দলে ভাৰত ভ্ৰমণৰ বাবে প্ৰস্তুত হৈছে।

মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত মুহিৰাম শইকীয়াদেৱৰ নেতৃত্বত আৰু অধ্যাপক সকল শ্ৰীযুত বসন্ত কুমাৰ ভূঞা, শ্ৰীযুত হবিবুৰ ৰহমান, শ্ৰীযুত অৰুণ কান্তি দাস আৰু শ্ৰীযুত তগৰ বৰাৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰাবাসলৈ অহা যোৱা কৰা পথটি সমাজ কাৰ্যৰ দ্বাৰা পুনৰ নিৰ্মাণ কৰা হয়।

পুনঃ মহাবিদ্যালয়ৰ অধ্যাপকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰা বিহাৰৰ বানপীড়িত ৰাইজলৈ ৫০১.০০ (পাঁচশ এক) টকা সাহায্য হিচাপে আগবঢ়োৱা হৈছে।

হে বন্ধু-বান্ধৱীসকল!

আজিৰ এই শুভক্ষণত এই মহাবিদ্যালয়খনক আমাৰ নিজৰ মহাবিদ্যালয় বুলি গণ্য কৰি, ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ সমন্বয়ত নগাঁও মহাবিদ্যালয়ৰ কাৰণে এক গৌৰৱপূৰ্ণ ভৱিষ্যৎ সৃষ্টিৰ সংকল্প গ্ৰহণ কৰোঁ আহক।

হে সুধীবৃন্দ,

নৱাগতসকলক আদৰণি জনোৱাৰ এই শুভলগ্নত শিক্ষানুষ্ঠানটিৰ সামগ্ৰিক কল্যাণৰ খাতিৰতেই দুই-এটা বিৰক্তিকৰ বক্তব্যৰ অৱতাৰণা কৰা হ'ল। আশা কৰো আপোনালোকৰ পূৰ্ণ সহযোগিতাই নগাঁও মহাবিদ্যালয়ক আৰু উন্নতৰ কৰি গঢ়ি তুলিব।

সদৌ শেষত নৱাগতসকলৰ প্ৰতি মোৰ আন্তৰিক অভিনন্দন আৰু ওলগ জনাইছোঁ আৰু অন্যান্যসকলক আন্তৰিক প্ৰীতি ভাব জ্ঞাপন কৰি অজানিত দোষ-ত্ৰুটিৰ কাৰণে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ক্ৰমোন্নতিৰ পথত মহাবিদ্যালয় আগবাঢ়ি যাওক।

বিনীত

বিভু ভৰালী

নগাঁও মহাবিদ্যালয়

---

লেখকৰ পৰিচয় ঃ প্ৰাক্তন ছাত্ৰ।

# কুৰি শতিকাৰ নগাঁও কলেজৰ শিক্ষক-শিক্ষাৰ্থীৰ সাহিত্যৰ জিলিঙণি

যুগল হাজৰিকা

মধ্য অসমৰ নগাঁৱে অসমৰ সাংস্কৃতিক, ৰাজনৈতিক আৰু সাহিত্যৰ ইতিহাসত বিশেষভাৱে স্থান অধিকাৰ কৰি আহিছে। অসমীয়া ভাষা সাহিত্যৰ উন্নতি আৰু বিকাশৰ বাবে নগাঁৱে যথেষ্ট অৰিহণা আগবঢ়াইছে। অসমীয়া সাহিত্যৰ প্ৰাক্শংকৰ যুগৰ কবিসকলৰ মাজত মাধৱ কন্দলি আছিল শ্ৰেষ্ঠ কবি। হেমচন্দ্ৰ গোস্বামীৰ মত হ'ল মাধৱ কন্দলি চতুৰ্দশ শতিকাৰ শেষ ভাগৰ কবি। ড° বাণীকান্ত কাকতিৰ মতেও মাধৱ কন্দলি এতিয়াৰ মধ্য অসম অৰ্থাৎ নগাঁৱৰে মানুহ।

অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম আৰু কৰ্মস্থলী আছিল মধ্য অসমৰ বৰ্তমান নগাঁও জিলাত। বহুমুখী প্ৰতিভাৰ আকৰ শঙ্কৰদেৱৰ সুদীৰ্ঘ ছকুৰি বছৰীয়া জীৱনকালৰ আধাখিনি সময় তেওঁ নগাঁৱত কটাইছিল। জন্মৰ পৰা যৌৱন অৱস্থালৈকে আৰু তাৰো পৰৱৰ্তী কাললৈকে শঙ্কৰদেৱৰ জীৱন, চিন্তা, আদৰ্শ, বিশ্বদৃষ্টি আদিক বিশেষভাৱে গঢ় দিছিল নগাঁৱেই। সেয়াই নগাঁৱৰ গৌৰৱ তথা কৃতিত্ব। অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ এই সকলো দিশলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান আছিল অনবদ্য, অতুলনীয়। মহাপুৰুষ শঙ্কৰদেৱৰ বিশাল সাহিত্যৰাজি অসমীয়া ভাষা-সাহিত্যৰ বাবে এক অমূল্য সম্পদ। গতিকে গুৰুজনাৰ পদৰেণুৰে ৰঞ্জিত নগাঁৱক সাত্তিক ভাষাত পুণ্যভূমি নগাঁও বুলি কোৱা হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰৱৰ্তী কালতো অসমীয়া সাহিত্যলৈ নগাঁৱৰ অৱদান উল্লেখযোগ্য। ঊনবিংশ শতিকাত অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কল্পে

খ্ৰীষ্টিয়ান মিছনেৰিৰ মাইল্‌ছ ব্ৰন্‌ছন, নাথান ব্ৰাউনৰ যি গুৰুত্বপূৰ্ণ অৰিহণা সেয়া অসমীয়াই কেতিয়াও পাহৰিব নোৱাৰে। এই দুয়োজনে নগাঁৱতে বাস কৰিছিল। সমসাময়িক সময়ত আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতি আৰু বিকাশৰ বাবে অগ্ৰণী ভূমিকা পালন কৰিছিল। এই দুয়োগৰাকীৰ কৰ্মভূমি আছিল নগাঁও। দুয়োজনে প্ৰশাসক হিচাপে সেইসময়ত নগাঁৱত বাস কৰিছিল। গতিকে এই দুয়োজনক কেন্দ্ৰ কৰি নগাঁৱত আধুনিক অসমীয়া সাহিত্যৰ বিকাশৰ এক পৰিৱেশ সৃষ্টি হৈছিল। নিশ্চয় এয়া অন্য এক কৃতিত্ব নগাঁৱৰ।

আন এক উল্লেখযোগ্য বিষয় যে অসমীয়া ভাষা-সাহিত্যলৈ মেটমৰা আৰু বহুমুখী বৰঙণি আগবঢ়াই যোৱা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰো জন্ম নগাঁৱৰ আহতগুৰিত। ইয়াৰ পৰা ক'ব পাৰি অসমীয়া ভাষা-সাহিত্যৰ এই মহান খনিকৰসকলৰ কোনোৱে হয়তো ইয়াত জন্ম গ্ৰহণ কৰিছিল নাইবা কৰ্মসূত্ৰ বসবাস কৰিছিল। গতিকে প্ৰকৃতাৰ্থত নগাঁও এখন অসমীয়া ভাষা-সাহিত্যৰে উন্নতি, বিকাশ আৰু চৰ্চাৰ মিলনভূমি।

**(এক)**

এনে এখন পবিত্ৰ ভূমি নগাঁৱত ১৯৪৪ চনৰ ৭ আগষ্টত নগাঁও চহৰৰ ডচন স্কুলত অস্থায়ীভাৱে নগাঁও কলেজ প্ৰতিষ্ঠা হয়। এই সম্পৰ্কে কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ পদ্মশ্ৰী মহিম বৰাই কৈছে "১৯৪৪ চনত মেট্ৰিক পাছ কৰি শিক্ষা জীৱনৰ সামৰণিৰ পৰা বুলি ধৰি লোৱা অৱস্থাতে শুনিবলৈ পালোঁ এই শুভ সংবাদ, নগাঁও কলেজ হৈছে, শ্ৰীযুত মতিৰাম বৰা, শ্ৰীযুত চন্দ্ৰকান্ত ফুকন (বৰ্তমান স্বৰ্গীয়) আৰু অন্যান্য গণ্যমান্য লোকসকলে কলেজ আৰম্ভ কৰাৰ কাৰণে সকলো আয়োজন সম্পূৰ্ণ কৰিছে আৰু জে.বি. কলেজৰ শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱ অধ্যক্ষ, শ্ৰীযুত দেৱেন্দ্ৰনাথ বৰাদেৱ (বৰ্তমান স্বৰ্গীয়) উপাধ্যক্ষ।" এয়াই আৰম্ভণি এটি যুগৰ। ডচন স্কুলত ৰাতিপুৱা নগাঁও কলেজৰ নিয়মীয়া পাঠদান আৰম্ভ হ'ল। প্ৰথম বাৰ্ষিকৰ কলা শাখাৰ ১২৩ জন ছাত্ৰ আৰু ১৮ গৰাকী ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছিল। ইয়াৰ ১৮ জন ছাত্ৰই আমোলাপট্টিৰ শঙ্কৰ মন্দিৰৰ ওচৰত নগাঁও কলেজৰ মেছ 'শেৱালি লজ'ত আছিল। তেতিয়াই নগাঁও কলেজৰ সাহিত্য চৰ্চা, সাহিত্য সৃষ্টিৰ বীজ অংকুৰিত হ'ল। শেৱালি লজৰ আবাসী প্ৰথম বৰ্ষৰ ছাত্ৰ দেবেন্দ্ৰনাথ হাজৰিকাৰ মতে "শেৱালি ল'জৰ পদূলিত কোমল শুভ্ৰ ফুলেৰে ভৰপূৰ শেৱালিজোপাৰ মৃদু সুবাস, শাৰদীয়

দিনৰ মাদকতা, সবাৰ উপৰি শেৱালি কবি ৰত্নকান্ত বৰকাকতিৰ শৈশৱৰ ক্ৰীড়াভূমিৰ কথা সুঁৱৰি আমি এখন হাতেলিখা আলোচনী উলিয়াবলৈ থিৰাং কৰিলো। নামকৰণ কৰা হ'ল, 'শেৱালি'। সেই সময়ত কলেজৰ পৰা কোনো আলোচনী ওলোৱা নাছিল। গতিকে শেৱালি ল'জেই আলোচনীৰ জন্মস্থান। আমাৰ লক্ষ্য আৰু উদ্দেশ্য আছিল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, জ্ঞান-বিজ্ঞান, চিত্ৰাংকনৰ প্ৰকাশ আৰু বিকাশ। সবাতোপৰি এদল ন-লিখাৰুৰ সৃষ্টি কৰাই আলোচনীখন উলিয়াবৰ ঘাই উদ্দেশ্য হ'ল। বন্ধু মহিম বৰা আৰু এই প্ৰবন্ধ লেখকৰ সম্পাদনাত আলোচনীখন প্ৰবন্ধ, গল্প, কবিতাৰে আটকধুনীয়াকৈ সজাই-পৰাই প্ৰকাশ কৰা হ'ল।"

হাতেলিখা আলোচনী 'শেৱালি' প্ৰকাশৰ ওপৰত মহিম বৰাই কৈছে "হাতেলিখা আলোচনীখনৰ যুটীয়া সম্পাদক দেবেন হাজৰিকা আৰু মই। আলোচনীখনে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। ঁমহেশচন্দ্ৰ দেৱগোস্বামীদেৱে প্ৰতিটো সংখ্যাকেই ক্লাছত দুই মিনিট সময় (তেখেতে ক্লাচৰ এক মিনিট সময়ো খৰচ নকৰে) খৰচ কৰি প্ৰশংসা বাক্যৰে ব্যাখ্যা কৰিছিল আৰু মই বেক্‌বেঞ্চাৰ ছদ্মনামেৰে লিখা ব্যঙ্গ বিদ্ৰুপাত্মক ৰচনাৰ বাবে যথেষ্ট প্ৰশংসা কৰিছিল আৰু তেখেতে প্ৰথমে শ্ৰীযুত তিলক হাজৰিকাদেৱক ইয়াৰ লেখক বুলি ভাবি আছিল আৰু মই এম এ পাছ কৰাৰ পাছতহে ভুল ভাগে।"

'শেৱালি' আলোচনীখন লিখাৰ কামৰ দায়িত্ব সম্পূৰ্ণ দেবেন হাজৰিকাৰ হাতত আৰু অলংকৰণৰ ভাৰ আনন্দ শৰ্মাৰ হাতত অৰ্পন কৰা হৈছিল। ধেমেলীয়া গল্পৰ লগত দিয়া (বিশেষকৈ বেক্‌বেঞ্চাৰৰ গল্পত) আনন্দি শৰ্মাৰ ব্যঙ্গচিত্ৰ আদি 'শেৱালি'ৰ অন্যতম আকৰ্ষণ আছিল। সেই সময়ত শেৱালিত লিখা লেখকসকল হ'ল— মহিম বৰা, আনন্দি শৰ্মা, তৰুণ কুমাৰ, কনক চন্দ্ৰ কলিতা, নৰেন হাজৰিকা, মিলন আকাংক্ষী, উপেন্দ্ৰ নাথ হাজৰিকা, পোৱাল বৰুৱা, বিনোদ বেজবৰুৱা, নবীন ফুকন আদি। সম্পাদকীয় মহিম বৰা আৰু দেবেন হাজৰিকা দুয়োজনে লিখিছিল। 'শেৱালি' আলোচনীখন মাত্ৰ তিনিটা সংখ্যাহে প্ৰকাশ হ'ল। পৰৱৰ্তী সংখ্যাসমূহ প্ৰকাশ নাপালে। কিন্তু হাতেলিখা আলোচনী 'শেৱালি'খন নগাঁও কলেজৰ ইতিহাসত অসমীয়া ভাষা-সাহিত্য জগতৰ এটি মাইলৰ খুঁটি যেন হ'ল। মুঠতে নগাঁও কলেজত সাহিত্যৰ ভেঁটি নিৰ্মাণ হ'ল। যাক সাৰোগত কৰি অসমীয়া সাহিত্য জগতৰ বহুতো উজ্বল জ্যোতিষ্কৰ আৱিৰ্ভাৱ হ'ল। আন এখন হাতেলিখা আলোচনী 'মুকুল' ১৯৪৭-

৪৮ চনত প্ৰকাশ হৈছিল।

(দুই)

নগাঁও কলেজত উপৰোক্ত দুয়োখন হাতেলিখা আলোচনী প্ৰকাশ হৈছিল যদিও প্ৰথম সংখ্যাৰ কলেজ আলোচনী প্ৰকাশ হয় ১৯৫০ চনৰ ফেব্ৰুৱাৰী মাহতহে। এই সংখ্যাৰ সম্পাদক আছিল তৰুণ ফুকন। এইজন প্ৰথম সংখ্যাৰ সম্পাদকে পৰৱৰ্তী সময়ত এজন প্ৰখ্যাত অধিবক্তা হিচাপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই সংখ্যা আলোচনী প্ৰকাশিত উল্লেখযোগ্য লেখাসমূহ হৈছে— মণি বৰাৰ 'কুৰি শতিকাৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ', অৱনীন্দ্ৰ বৰাৰ 'গীতা আৰু মহাপুৰুষৰ জীৱনত তাৰ প্ৰভাৱ', দেবেন বৰাৰ 'ৰবীন্দ্ৰ নাথ আৰু জাতীয়তাবাদ'। গল্প হিচাপে পদ্ম হাজৰিকাৰ 'বাস্তৱৰ দুপিঠি', বুদ্ধীন্দ্ৰ গোস্বামী'ৰ 'জীৱনৰ শেষ কালত' আৰু তৰুণ ফুকনৰ 'ভালপোৱাৰ গতি'। দেৱবালা বৈশ্যৰ 'কবি' আৰু ৰুণু বৰুৱাৰ 'মুক্তি' কাব্যিক কথিকা। কবিতা হিচাপে চামছুল হুদাৰ 'এটি গান', হৰেন্দ্ৰ দেৱগোস্বামীৰ 'স্বৰ্গীয় গণেশ গগৈ', বিমলা গগৈৰ 'আজিৰ কবিয়ে লিখে কিহৰ কবিতা' প্ৰকাশ হয়।

ইংৰাজী শাখাত অধ্যাপক পি. চেটাৰ্জীৰ 'In Defence of Soviet Democracy', বি. হানচাৰিয়াৰ 'Independence and After', কৃষ্ণমূৰ্তি হাজৰিকাৰ 'Manipur and Myself', অধ্যাপক কে. বেজবৰুৱাৰ 'Revolution and Counter Revolution in China' প্ৰকাশ পায়। এই সংখ্যাৰ আলোচনীৰ মুঠ পৃষ্ঠাৰ সংখ্যা ৬১ (অসমীয়া ৪১ আৰু ইংৰাজী ২০)। শেৱালি প্ৰিণ্টিং ৱৰ্কছত এই আলোচনীখন ছপা হৈছিল।

১৯৫১ চনৰ ফেব্ৰুৱাৰী মাহত দ্বিতীয় সংখ্যাৰ কলেজ আলোচনীখন প্ৰকাশ হয়। এই সংখ্যাৰ সম্পাদক আছিল তৰুণ ফুকন আৰু অতুল চন্দ্ৰ গোস্বামী। এই আলোচনীত ৰোহিত বেজবৰুৱাৰ 'মাধৱদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান', দণ্ডী শইকীয়াৰ 'প্ৰাচীন দাৰ্শনিক ছক্ৰেটিছ', অৱনীন্দ্ৰ বৰাৰ 'হিন্দী সাহিত্য', 'ফুলনিডৰাৰ দুজন নিপুণ মালী', পদ্ম হাজৰিকাৰ 'ভাৰতৰ স্বাধীনতা আন্দোলনৰ গতিপথ', ৰুণু বৰুৱাৰ 'ৰুবায়েত' আৰু 'ওমৰ খৈয়াম', চাইফ উদ্দিন আহমেদৰ 'জেহাদ', মোখলেছ আহমেদে পণ্ডিত নেহৰুৰ লেখা 'ছাত্ৰ আৰু ৰাজনীতি' অনুবাদ কৰিছে। কবিতাৰ শিতানত ৰেণু বৰুৱাৰ 'পছুৱাই সমাজ গঢ়িব', ভোলা শৰ্মাৰ 'এটি ছবি', ধৰ্ম ডেকাৰ 'আমি জানো মৰা নাই জানা সঁচাকৈয়ে', দেবেন বৰাৰ 'তুমিও মানুহ', বিমলা গগৈৰ

‘পৰিতৃপ্ত’। গল্পৰ শিতানত হৰেন শইকীয়া আৰু যতীন শইকীয়াৰ দুটি গল্প প্ৰকাশ হয়। দিবাকৰ নাথৰ ‘তাজ’ নামৰ কথাচিত্ৰ প্ৰকাশ পায়।

ইংৰাজী শাখাত প্ৰকাশ হোৱা অধ্যাপক ডি. বি. দেৱৰ ‘Mechanism and Control of Heridity’, অধ্যাপক জে. এন. বৰঠাকুৰৰ ‘Marriage & Society’, পদ্ম হাজৰিকাৰ ‘National Union of Students of India’, পূর্ণ শইকীয়াৰ ‘Moamaria Revolt’ শীর্ষক প্ৰবন্ধকেইটিয়ে আলোচনীখনৰ মানদণ্ড উন্নতিত অৰিহণা যোগাইছে। এইখন আলোচনীও শেৱালি প্ৰিণ্টিং ৱৰ্কছত ছপা হৈছিল।

১৯৫১ চনৰ ডিচেম্বৰ মাহত তৃতীয় সংখ্যা কলেজ আলোচনী প্ৰকাশ হয়। এই সংখ্যাৰ সম্পাদক আছিল অতুল চন্দ্ৰ গোস্বামী। এই সংখ্যাত প্ৰবন্ধৰ শিতানত দণ্ডী শইকীয়াৰ ‘বংকিম চন্দ্ৰ আৰু ৰজনীকান্ত বৰদলৈ’, ধৰ্ম ডেকাৰ ‘কুৰি শতিকাৰ দৃষ্টিভঙ্গীত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য’, অধ্যাপক দীনেশ দত্তৰ ‘উপমা কালিদাসস্য’, অধ্যাপক হবিবুৰ ৰহমানৰ ‘জালাল উদ্দিন ৰুমী’, খগেন বৰাৰ ‘বৰ্তমান অসমীয়া ৰঙ্গমঞ্চৰ পৰা বোলছবিলৈকে’, প্ৰবোধ হাজৰিকাৰ ‘ৰহস্যৰ আঁৰপটৰ মানৱ প্ৰকৃতিটো’ আদিৰ উপৰিও আন দুটা প্ৰৱন্ধ ক্ৰমে ‘সাহিত্যৰ বাটত’, ‘নগাঁৱৰ নীৰৱ সাহিত্যিক এজন’ প্ৰকাশ হয়। কবিতাৰ শিতানত প্ৰফুল্ল চন্দ্ৰ মহন্তৰ ‘ফুলনিৰ আজি মই সোমালো ভিতৰ’, আনন্দ কলিতাৰ ‘প্ৰতাৰিত শিল্পী মই যুগ যুগ ধৰি’, ৰেণু বৰুৱাৰ ‘মহাপুৰুষৰ সোঁৱৰণত’, অতুল চন্দ্ৰ গোস্বামীৰ ‘আমি গাঁও নতুন গীত’, চামছুল হুদাৰ ‘বুজিব কি জগতখনে’, অমূল্য চন্দ্ৰ নাথৰ ‘নেলাগে ৰচিব কবি শোকৰ কবিতা’ প্ৰকাশ হয়। গল্পৰ শিতানত অৱনীন্দ্ৰ বৰাৰ ‘ফুল যেতিয়া মৰহে’, প্ৰাক্তন ছাত্ৰী নিলীমা বৰুৱাৰ ‘মঞ্জুৱাণী’, অকুণ্ঠিতা বৰদলৈৰ ‘কথাচিত্ৰ’, ৰীণা বৰুৱাৰ কথিকা ‘অংকুৰ’ৰ লগতে আন এক অনামী লেখকৰ অনুবাদ গল্প ‘জীৱন পখিলা’ প্ৰকাশ হয়। ইয়াৰ উপৰিও পদ্মলোচন আতৈৰ ‘ৰাজনৈতিক অভিজ্ঞতা’, ‘বিবিধ কথা’ আৰু হৰেন্দ্ৰ দেৱগোস্বামী কবিতা পুথি ‘অৰূপ-তৃষ্ণা’ৰ কবি মলিন বৰাৰ সমালোচনা এটিও প্ৰকাশ পায়।

ইংৰাজী শাখাৰ প্ৰাক্তন ছাত্ৰ মণি বৰাৰ ‘In Search of Peace’ এটা চিন্তাশীল প্ৰৱন্ধ। অধ্যাপক এ. ৰায়চৌধুৰীৰ ‘A Note on the Mr. X’ আৰু মিঃ পদ্মলোচনৰ ‘I Think So’ আদি প্ৰৱন্ধ প্ৰকাশ হয়। মুঠ ৭৯ পৃষ্ঠাৰ এই সংখ্যাৰ আলোচনীখন শেৱালি প্ৰিণ্টিং ৱৰ্কছত ছপা হৈছিল।

১৯৫২ চনৰ আগষ্ট মাহত চতুৰ্থ সংখ্যাৰ কলেজ আলোচনী প্ৰকাশ হৈছিল। সম্পাদক আছিল প্ৰফুল্ল চন্দ্ৰ মহন্ত। এই সংখ্যাৰ আলোচনীত পোনপ্ৰথমবাৰৰ বাবে কলেজ ইউনিয়ন ছ'চাইটিৰ (ছাত্ৰ একতা সভা) ১৯৫১-৫২ চনৰ সদস্যসকলৰ ছবি ছপা কৰা হৈছিল। এই সংখ্যাৰ সূচীপত্ৰৰ ওপৰভাগত ছপা কৰা হৈছে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ছবি।

এই সংখ্যাত প্ৰবন্ধৰ শিতানত দণ্ডী শইকীয়াৰ 'জীৱ জগতৰ ক্ৰমবিকাশ', পুণ্য গোস্বামীৰ 'ভাৰত আৰু চীনৰ বৰ্তমান সমস্যা', ধৰ্ম ডেকাৰ 'অসমীয়া সাহিত্য আৰু মহাপুৰুষ মাধৱদেৱ', ৰৌচন আলীৰ 'আমাৰ খাদ্য আৰু কৃষি পৰিস্থিতি', প্ৰভাত খাটনিয়াৰ 'সমাজ আৰু সাহিত্য, অধ্যাপক হবিবুৰ ৰহমানৰ 'কবি হাফেজ' আৰু অধ্যাপক দীনেশ দত্তৰ ৰবীন্দ্ৰ নাথৰ অনুবাদ 'তপোবন' আদি প্ৰকাশ পায়। কবিতাৰ শিতানত অমূল্য চন্দ্ৰ নাথৰ 'ফুলনিৰ আজি তুমি সোমালা ভিতৰ', প্ৰফুল্ল চন্দ্ৰ মহন্তৰ 'আমাৰ পৃথিৱী', অৰনীন্দ্ৰ বৰাৰ 'এযোৰ নয়ন', চামছুল হুদাৰ 'জগৎ ৰূপ' প্ৰকাশ পায়। গল্পৰ শিতানত বীণা বৰুৱাৰ 'আন্ধাৰ আৰু পোহৰৰ আঁৰে আঁৰে', অনন্ত হাজৰিকাৰ 'সিহঁতেওতো খাব লাগিব', ইংৰাজী 'Two Leaves and a Bud'ৰ ছাঁ লৈ মুছফিকাৰ আলীয়ে লিখা 'এটি কলি দুটি পাত' আদি আছিল। গুপ্ত নামত লিখা পদ্মলোচন আতৈৰ 'প্ৰবন্ধ পাবলৈ নাই' এখন লঘু ৰচনা। চামছুল হুদাৰ 'মৰম প্ৰিয়া' নামৰ কবিতা পুথিৰ সমালোচনা আৰু অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ 'স্মৃতি' কবিতা পুথিৰ প্ৰাপ্তি স্বীকাৰ কৰা হৈছে।

ইংৰাজী শাখাত অধ্যাপক এছ. এন. শৰ্মাৰ 'Food and Nutrition', অধ্যাপক জে. ৰাজখোৱাৰ 'The Mighty Ahom of a Recent Discovery', অধ্যাপক বি. কে. ঘোষৰ 'The Supernatural in English Literature', ছাত্ৰ হিচাপে এছ. বৰাৰ 'Nation and Ideals of Education', কে. হাজৰিকাৰ 'Human Chemistry', ইতমাদুল হকৰ 'Science finds the Human Soul' প্ৰবন্ধসমূহ প্ৰকাশ হৈছিল।

১৯৫৩ চনত পঞ্চম সংখ্যা কলেজ আলোচনী প্ৰকাশ হৈছিল। সম্পাদক আছিল অৰনীন্দ্ৰ চন্দ্ৰ বৰা। এই সংখ্যাত ধৰ্মসিংহ ডেকা, চামছুল হুদা আৰু যামিনী শৰ্মা, স্বৰ্ণলতা বৰা, হিতেশ্বৰ বৰা আদিৰ কবিতা প্ৰকাশ পাইছিল। প্ৰবন্ধৰ শিতানত অধ্যাপক হবিবুৰ ৰহমান, অধ্যাপক কিৰণ শৰ্মা, অধ্যাপক দ্বিজেন্দ্ৰ শৰ্মা, নলিনী

দেৱী, বেণুধৰ কলিতা, অৱনীন্দ্ৰ বৰা, অতুল গোস্বামী আৰু ৰুণু বৰুৱাৰ লেখা প্ৰকাশিত হৈছিল। গল্পৰ শিতানত ৰীণা বৰুৱা, নানু বৰা, গুণেন্দ্ৰ কুমাৰ নাথ, হেম শৰ্মা, মণি বৰাৰ গল্পকেইটি প্ৰকাশ হৈছিল।

ইংৰাজী শাখাত অধ্যাপক বি.কে. ঘোষৰ 'Mathew Arnold', অধ্যাপক এ. কে. ৰায়ৰ 'Outlines of Estate Duty Bill 1952', অধ্যাপক কোকিল বেজবৰুৱাৰ 'Some Aspects of Ahom Rule in Assam', প্ৰফুল্ল মহন্তৰ 'Art is the Sustenance of Life', হিমাংশু দত্তৰ 'Difference Lends Enchantment The View', আৰ.চি. চোপ্ৰাৰ 'The Role of Cottage Industries in Free India', আৰু ৰৌচন আলীৰ 'The Economic Upswing of USSR and Its Cultural Aspect', প্ৰবন্ধকেইটি প্ৰকাশ হৈছিল।

১৯৫৪ চনত ষষ্ঠ সংখ্যা কলেজ আলোচনী প্ৰকাশ হৈছিল। সম্পাদক আছিল অমূল্য চন্দ্ৰ নাথ। বেটুপাতৰ আৰ্হি সম্পাদকৰ নিজৰ আৰু অংকন কৰিছিল কলেজৰ প্ৰাক্তন ছাত্ৰ ব্ৰজ ফুকনে। সেই বছৰত নগাঁও কলেজৰ এটি প্ৰতীক গ্ৰহণ কৰে— জ্যোতিৰ্গময়— অৰ্থাৎ পোহৰৰ অভিমুখে আগবঢ়া— গতি কৰা— এই বাণীৰে।

এই সংখ্যাত প্ৰবন্ধৰ শিতানত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ 'আধুনিক যুগৰ নগএগা সাহিত্যিকসকল', অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ 'ধৰ্ম? বাদ দিয়া', অধ্যাপক মহিম বৰাৰ 'ৰচনাৰ বিষয়ে এখন ৰচনা', পালিত বৰাৰ 'ভাৰতীয় সংগীত ঃ তাল আৰু তবলা বাদন' বেণুধৰ কলিতাৰ 'ভূমিদান যজ্ঞ', অমূল্য চন্দ্ৰ নাথৰ 'অংকীয়া নাট', ইংৰাজী প্ৰবন্ধৰ সহায়ত নলিনী দেৱীৰ 'শক্তি সাধনাত স্বামী বিবেকানন্দ', 'লিওনাৰ্ড-ডা-ভিন্সিৰ ব্যক্তিত্বৰ সম্পৰ্কে', অঞ্জলি বৰুৱাৰ 'ফুল মৰহি যায় সৌৰভ জীয়াই থাকে', পুণ্য গোস্বামীৰ অনুদিত 'সীমান্ত অঞ্চলৰ জাতিসমূহ' আদি বিভিন্ন ধৰ্মী প্ৰবন্ধসমূহ প্ৰকাশ হৈ আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। কবিতাৰ শিতানত ভূমিকান্ত ফুকন, নৰেন চৌধুৰী, চামচুল হুদা, বিনোদ বৰদলৈ আৰু কুশল শইকীয়াৰ কবিতাসমূহ প্ৰকাশ হয়। গল্পৰ শিতানত নানু বৰাৰ 'মাইল প'ষ্ট', আনন্দ কলিতাৰ 'বননিৰ ফুল', ৰীণা বৰুৱাৰ 'ছবি', গুণেন্দ্ৰ নাথৰ 'পোন্ধৰ আগষ্টৰ সমাধি', হেম শৰ্মাৰ 'চাৰিআলিৰ চিপাহী' গল্পসমূহ প্ৰকাশ পায়। লগতে প্ৰমোদ দেউৰী আৰু হৰেশ্বৰ গোস্বামীৰ দুটি অনুবাদ গল্প প্ৰকাশ পায়। ব্ৰজেন বৰঠাকুৰৰ 'পদ্মলোচন আতৈলৈ মুকলি চিঠি' নামৰ এখন লঘু ৰচনা প্ৰকাশ পায়।

ইংৰাজী শিতানত অধ্যাপক বি. কে. ঘোষৰ ‘Beauty’, অধ্যাপক বি. কে. ত্ৰিপাঠীৰ ‘Philosophical Foundation of Maryism’, অধ্যাপক কমল গোস্বামীৰ ‘Rationalisation and Labour’, প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল মহন্তৰ ‘The Prospect of India’, মৃণালকান্তি চক্ৰৱৰ্তীৰ ‘No Distinction Between Man and Man’, আৰ. চি. চোপ্ৰাৰ ‘Recreation for Labour’, এ. গোঁহাইৰ ‘Pisciculture and Existing Tanks’, দিব্যহাস গোস্বামীৰ ‘The Game Cricket’ প্ৰবন্ধকেইটি প্ৰকাশ হৈছিল। একমাত্ৰ ইংৰাজী গল্পটি হ’ল পদ্মফুকনৰ ‘Withered at the Bud’। এই প্ৰবন্ধসমূহৰ উপৰিও কলেজত Extra Curricular Activityৰ ওপৰত যুগুতোৱা বছৰেকীয়া ৰিপৰ্ট, অধ্যাপক বি.কে. গোঁহাইৰ ‘Excursion : A Note’ আৰু ‘Social Service Camp A Digaru’ আদি প্ৰবন্ধ প্ৰকাশ পায়। এই সংখ্যাৰ আলোচনীখন ১৪৮ পৃষ্ঠাৰ আছিল। নগাঁও বিহলঙণি প্ৰেছত ছপা হৈছিল।

১৯৫৫ চনত সপ্তম সংখ্যা কলেজ আলোচনীখন প্ৰকাশ হৈছিল। সম্পাদক আছিল কেশৱানন্দ দেৱগোস্বামী। প্ৰৱন্ধৰ শিতানত অধ্যাপক গদাধৰ শৰ্মাৰ ‘অসমীয়া প্ৰবাদৰ পৰিচয়’, অধ্যাপক মহিম বৰাৰ ‘বুৰঞ্জী, নহয়, বুৰঞ্জীমূলক’, টংকেশ্বৰ বৈৰাগীৰ ‘ঈশ্বৰ, ধৰ্ম আৰু অনুভূতি’, যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ ‘সমাজ আৰু সাহিত্য’, গোপীনাথ কাকতিৰ ‘পূৰ্ব এছিয়াৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি’, কেশৱানন্দ গোস্বামীৰ ‘কৃষ্টি আৰু তাৰ অসমীয়া ৰূপ’, ধীৰেন্দ্ৰ নাথ দাসৰ ‘কৃপাবৰ দেশপ্ৰেমিকো’, মোখলেছ আহমদৰ ‘আমাৰ কথাছবি’ আদি প্ৰবন্ধ প্ৰকাশ পায়। কবিতাৰ শিতানত হৰেন্দ্ৰ দেৱগোস্বামী, ভূমিকান্ত ফুকন আৰু কুশল শইকীয়াৰ কবিতা প্ৰকাশ হৈছিল। গল্পৰ শিতানত আনন্দ কলিতা, সাবিত্ৰী বৰা, অবনীন্দ্ৰ বৰা, তৰু বৰুৱা, বেণুধৰ কলিতা আৰু অধ্যাপক তনু কোৱৰৰ গল্প প্ৰকাশ পায়।

ইংৰাজী শাখাত অধ্যক্ষ জে. শৰ্মাৰ ‘Three Main Streams of Assamese Literature’, অধ্যাপক বি. কে. ঘোষৰ ‘Love’, অধ্যাপক এছ. এম. মুখাৰ্জীৰ ‘In Defence of Poetry’ জীৱন চৌধুৰীৰ ‘In Praise of Keats’, উমেশ দত্তৰ ‘Kalidasa’s Dilipa’, অধ্যাপক এন. সামাদ্দাৰৰ ‘University : Its Function and Ideals’, অধ্যাপক ভগৱান বৰুৱাৰ ‘Increasing Mouth and Decreasing Food Stuff’, আদি প্ৰবন্ধ প্ৰকাশ হৈছিল। মুঠ ১১৮ পৃষ্ঠাত

আলোচনীখন বিহলঙনি প্ৰেছত ছপা হৈছিল।

১৯৫৬ চনত ৮ম সংখ্যক কলেজ আলোচনীখন প্ৰকাশ হৈছিল। সম্পাদক আছিল ভূমিকান্ত ফুকন। প্ৰখ্যাত শিল্পী যুগল দাসৰ বেটুপাতৰ ছবিয়ে আলোচনীখন আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছিল।

প্ৰবন্ধৰ শিতানত অধ্যাপক মহিম বৰাৰ 'হেমচন্দ্ৰ বৰুৱাৰ ৰচনা ঠাঁচ', অধ্যাপক গদাধৰ শৰ্মাৰ 'প্ৰাকৃতিক পটভূমিত তিনি বিহু', প্ৰাক্তন ছাত্ৰ হৰেশ্বৰ গোস্বামীৰ 'সেই নাটকখন', কেশবানন্দ গোস্বামীৰ 'বৰগীত আৰু নাটৰ গীত', বিবেকানন্দ ভট্টাচাৰ্যৰ 'সংগীত', আব্দুল মতিনৰ 'ইকবাল', ব্ৰজেন বৰঠাকুৰৰ 'গোঁফকোছাৰ কথা' আদি প্ৰবন্ধই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। কবিতাৰ শিতানত ৰবীন্দ্ৰ বৰাৰ 'এটা আন্ধাৰ নিশাৰ কবিতা', তোষপ্ৰভা বৈৰাগীৰ 'আমাৰ সমল', নিহাৰেন্দু ভট্টাচাৰ্যৰ 'ভাৱনা', অৱনীন্দ্ৰ বৰাৰ 'এটি ফোট', কৃষ্ণমোহন শৰ্মাৰ 'সসীমৰ মাজেৰে অসীম বিচাৰি গাম আজি মই নতুন গান', কৰুণা দাসৰ 'নিদিয়া সন্ধান', পূৰ্ণ চন্দ্ৰ বৰাৰ 'বনগীত' আদি প্ৰকাশ পাইছিল। ইৰা বৰুৱাৰ 'জয়যাত্ৰা' নামৰ কথিকা এখন প্ৰকাশ পাইছিল। গল্পৰ শিতানত ভূমিকান্ত ফুকনৰ 'ক্ৰিমিনেল', ৰীণা বৰুৱাৰ 'এটি পখী দুটি ফুল', হেম শৰ্মাৰ 'বুপলি পণ্ডিত', গুণেন্দ্ৰ পণ্ডিতৰ 'মৰহা ফুলৰ পৰশ' আদি গল্প প্ৰকাশ হৈছিল। লগতে মানিক বৰাৰ এণ্টন চেকভৰ গল্পৰ অনুবাদ এটি প্ৰকাশ হয়।

ইংৰাজী শাখাত শিক্ষক কৃষ্ণানন্দ বসুৰ ইংৰাজী কবিতা 'The Flowers Spoke' আৰু 'The Day is Long' প্ৰকাশ হৈছিল। অধ্যাপক আৰ. প্ৰকাশৰ 'Education— A Moot Point', অধ্যাপক বি. গোঁহাইৰ 'Advent of World Socialism', অধ্যাপক কমল গোস্বামীৰ 'An Idea of Economic Planning', প্ৰীতম সিঙৰ 'Man and Ideal Life', দিব্যহাস গোস্বামীৰ 'Glorious Uncertainties', দেবেন্দ্ৰ নাথ বৰাৰ 'Poetry and Truth', আব্দুল হুছেইন মীৰৰ 'Epidemic of Indiscipline' আদি প্ৰৱন্ধ প্ৰকাশিত হৈছিল। আলোচনীখনৰ মুঠ পৃষ্ঠা ১৩২। এই সংখ্যাৰ আলোচনীখন বিহলঙনি প্ৰেছ, সূৰ্য প্ৰেছ আৰু ৰবী প্ৰেছত খণ্ড খণ্ডকৈ ছপা হৈছিল।

উল্লেখ থকা মতে নৱম সংখ্যাৰ কলেজ আলোচনীখন ১৯৫৭-১৯৫৮ চনৰ প্ৰকাশ। ব্ৰজেন বৰঠাকুৰ এই সংখ্যাৰ সম্পাদক আছিল।

প্ৰবন্ধৰ শিতানত অধ্যাপক গদাধৰ শৰ্মাৰ ‘নামঘোষা এখন ভক্তি শাস্ত্ৰ’, অধ্যাপক বুদ্ধেশ্বৰ গোহাঁইৰ ‘কলিয়াবৰৰ কাহিনী’, কেশৱানন্দ গোস্বামীৰ ‘খোলৰ কথা’, গোপীকান্ত কাকতিৰ ইংৰাজী কিতাপৰ আলমত লিখা ‘নগা সমস্যাৰ পটভূমি’ আদি প্ৰবন্ধই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। কবিতাৰ শিতানত কবীন্দ্ৰ বৰাৰ ‘চিৰন্তন’, অমূল্য চন্দ্ৰ নাথৰ ‘প্ৰতীক্ষা’, মৃণালিনী অধিকাৰীৰ ‘শিল্পী মই কুৰি শতিকাৰ’, যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ ‘যুগ-কবি সবিতা’ আদি কবিতা আছিল। গল্পৰ শিতানত অধ্যাপক তাৰিণী শৰ্মাৰ ‘অনাদৃত’, ইনাম ৰব্বানীৰ ‘ইন্দ্ৰনীল’, দেবেন্দ্ৰ নাথ শইকীয়াৰ ‘অতৃপ্ত সৃষ্টি’, তিলক হাজৰিকাৰ ‘জোনাক নিশাৰ উচুপনি’, হেম শৰ্মাৰ ‘অগ্নিগড়’, গকুল বৰকটকীৰ ‘সাগৰ সংগমত’ আদি গল্পই আলোচনীখনৰ শোভা বঢ়াইছিল। ইংৰাজী শাখাত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ‘Parable of the Brickyard’, অধ্যাপক ললিত শইকীয়াৰ ‘The Maugya Art’, অধ্যাপক জগত শৰ্মাৰ ‘Cottage Industry and Small Scale Industry’, অধ্যাপক পুৰ্ণেশ্বৰ বৰদলৈৰ ‘Surplus’, গণেশ শৰ্মাৰ ‘Kalidas and Bhavbhuti’, চাহিদা চুলতানাৰ ‘Hazarat Mahammad and the Modern World’, তৰুণ চন্দ্ৰ বৰুৱাৰ ‘Generis and Germination of Assamese Literature’, উমেশ দত্তৰ ‘Development of Indian Nationalism’, এছ. খেটোৱাতৰ ‘Strike’ আদি প্ৰবন্ধ প্ৰকাশ হৈছিল। ইয়াৰোপৰি অধ্যাপক হবিবুৰ ৰহমানে জালালউদ্দিন ৰুমীৰ পাৰ্চী কবিতাৰ ইংৰাজী অনুবাদ আগবঢ়ায়। আলোচনীখনৰ মুঠ পৃষ্ঠা ১২০ আৰু গুৱাহাটী ইষ্টাৰ্ণ প্ৰিণ্টাৰ্ছত ছপা হৈছিল।

নগাঁও কলেজ আলোচনীৰ প্ৰথম সংখ্যাৰ পৰা নৱম সংখ্যা উপৰোক্ত তথ্যসমূহ অমূল্য চন্দ্ৰ নাথৰ ‘নগাঁও কলেজ আলোচনী ঃ আদিখণ্ড’ৰ পৰা সংগ্ৰহ কৰা হৈছে। গতিকে এই ৯টা সংখ্যাৰ নগাঁও কলেজ আলোচনীৰ মাজেদি পঞ্চাশ দশকত নগাঁও কলেজ সাহিত্যৰ ভেটি সুদৃঢ় হৈছিল। এই ৯টা সংখ্যাত নিজৰ সাহিত্য সৃষ্টিৰ মাজেদি আত্মপ্ৰকাশ কৰা কেইবাজনো লেখকে পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যলৈ বিশাল বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছিল।

## (তিনি)

বহুতো বিচৰাৰ পিছতো নৱম সংখ্যাৰ পাছৰ বহুকেইটা সংখ্যা পোৱা নগ’ল। কিন্তু নগাঁও মহাবিদ্যালয়ৰ বৰ্তমান অধ্যক্ষ শ্ৰীযুত শৰৎ বৰকটকীৰ ব্যক্তিগত সংৰক্ষণ

আৰু মহাবিদ্যালয়ৰ ‘মহেন্দ্ৰ নাথ মৈহেংদাং ডেকাফুকন পুথিভঁড়াল’ৰ পৰা পিছৰ পৰ্যায়ৰ কেইটিমান সংখ্যা পোৱা গ’ল। মই পোৱা বিংশ শতাব্দীৰ নগাঁও কলেজ আলোচনী কেইখনত সাহিত্যৰ চৰ্চাৰ এটি আভাস আগবঢ়াব বিচাৰিছো।

১৭ সংখ্যক নগাঁও কলেজ আলোচনীখন ১৯৬৭-৬৮ চনৰ প্ৰকাশ। সম্পাদক আছিল জগত হাজৰিকা। প্ৰবন্ধৰ শিতানত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ‘যুগন্ধৰ বেজবৰুৱা’, ভৈৰৱ বৰদলৈৰ ‘বৰদলৈ উপন্যাসত স্বপ্ন আৰু ভৱিষ্যৎ বাণী’, অতুল চন্দ্ৰ বৰদলৈৰ ‘মেঘদূতম্ কাব্যৰ ঃ এটি সমীক্ষা’, পুষ্পেন্দ্ৰ বৰাৰ ‘অসমৰ ক্ষুদ্ৰ শিল্প আৰু ইয়াৰ ভৱিষ্যত সম্ভাৱনা’, কিৰণ শঙ্কৰ ৰয়ৰ ‘ত্ৰ্যাৰষ্ট্ৰাক্ট’ আৰ্টৰ জন্ম কথা’, কুলেন্দ্ৰ নাথ মহন্তৰ ‘অসমীয়া লোকগীতৰ অন্তৰালত অসমীয়া সংস্কৃতি’, হোমেশ্বৰ দেৱ শৰ্মাৰ ‘নাট্যকাৰ স্বৰ্গীয় নকুল চন্দ্ৰ ভূঞা আৰু স্বদেশানুৰাগ’, ললিত খাউণ্ডৰ ‘ৰোমাণ্টিক কবি দেবকান্ত বৰুৱা’, অধ্যাপক মহিম বৰাৰ ‘জীৱনী সাহিত্যৰ ধাৰা’, আদি প্ৰবন্ধই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। কবিতাৰ শিতানত অধ্যাপক শচীন্দ্ৰ কাকতিৰ ‘নিসঙ্গ সন্ধিয়া’, সুৰেন্দ্ৰ নাথ কোঁৱৰৰ ‘নব-জাগৃতি’, ৰেণু বৰাৰ ‘এটিক্ষণ ঃ মৃত্যুমনৰ’, গৌৰী শঙ্কৰ মহন্তৰ ‘অজ্ঞ’, কুল বৰবৰাৰ ‘বহুবচন’, প্ৰেম বৰঠাকুৰৰ ‘জীৱন্ত কঙ্কাল’, লাবণ্য হাজৰিকাৰ ‘এপিটাফ্ নিলিখিবা চকুৰ পানীৰে’, শোভন বৰাৰ ‘প্ৰতীক্ষা ঃ তোমাৰ বাবে’ আদি প্ৰকাশ হৈছিল। গল্পৰ শিতানত মিত্ৰ বৰাৰ ‘এক নক্ষত্ৰৰ নিশা’ দীপক কুমাৰ বৰকাকতিৰ ‘তামোল চুৰিৰ ইতিবৃত্ত’, পদ্ম পাটৰৰ ‘দৃষ্টি দোষ’, হেমেন্দ্ৰ নাথ বৰাৰ ‘ৰংবোৰ হেৰাই গ’লে’, হৰিদেৱ মহন্তৰ ‘এটি অনুৰোধ আছিল’, সাবিত্ৰী ভূঞাৰ ‘মৌন ক্ৰন্দন’, জগত চন্দ্ৰ হাজৰিকা ‘অলিখিত বেদনাৰ স্বীকাৰোক্তিৰে’ আদি গল্প প্ৰকাশ পাইছিল। লগতে প্ৰকাশিত হৈছিল সূৰ্য্যকুমাৰ ৰাজা আৰু জিতেন ডেকাৰ দুটি গীত। ৰম্য ৰচনা হিচাপে অধ্যাপক মলয় ৰয়ৰ ‘শিষ্টাচাৰৰ মনস্তত্ব’, তিলেশ্বৰ বৰাৰ ‘শুভবিবাহ’ প্ৰকাশ হৈছিল।

ইংৰাজী শাখাত বিজ্ঞানৰ শিতানত অধ্যাপক বিনয় ভূষণ পালৰ ‘Pulsars’, অনিল কুমাৰ শৰ্মাৰ ‘The Future belongs to Science’, সুব্ৰত ছামাদ্দাৰৰ ‘Bird Migration’, প্ৰদীপ কুমাৰ ভূঞাৰ ‘Science : A View on It’, অধ্যাপক অৰুণ কুমাৰ বৰ্মনৰ ‘Errors in Experiments’ আদি প্ৰকাশিত হয়। অধ্যাপক মঃ চালেহৰ ‘Who was Shakespeare?’, ৰঞ্জিতা ফুকনৰ ‘Medium of Instruction in the University’, অধ্যাপক এইচ. ৰহমানৰ ‘Shaw’s idea of the Superman’,

অধ্যাপক এন. এন. বৰাৰ 'Rousseau : His Influence on Modern Education', অধ্যাপক বি. বৰুৱাৰ 'Life and Culture' আদি প্ৰবন্ধ প্ৰকাশিত হৈছিল। এম. এচ.ৰ 'Cypress', আব্দুল চালামৰ 'An Inferno', কানু পি. চৌধুৰীৰ 'My Rubaiyats', হুছেইন আহমেদৰ 'A Monody', অধ্যাপক মঃ চালেহৰ 'Burn, Baby, Burn' আদি কবিতা প্ৰকাশিত হৈছিল। গুণ কান্ত নাথৰ 'The Story of a Towel' এটি গল্প, আৰ এন বৰাৰ 'A Special note from Librarian', আৰু 'Results of the Annual Competition 1967-68' প্ৰকাশিত হৈছিল।

২১ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৭১-৭২ চনৰ প্ৰকাশ। সম্পাদক গুণীন্দ্ৰ গায়ন। যুটীয়া অধ্যাপক-অধিকৰ্তা ঃ অধ্যাপক মহিম বৰা আৰু অধ্যাপক মহম্মদ চালেহ। বেটুপাত অঙ্কনত ননী বৰপূজাৰী।

বিশেষ প্ৰবন্ধৰ শিতানত তীৰ্থ নাথ শৰ্মাৰ 'আমাৰ ছাত্ৰ-জীৱন, শিক্ষা ব্যৱস্থা আৰু জাতীয় চৰিত্ৰ', গিৰিধৰ শৰ্মাৰ 'মাধ্যমিক স্তৰৰ শিক্ষাৰ সমস্যা আৰু অসম', ড০ হীৰেন গোঁহাইৰ 'অথ এণ্টি কমিউনিজ্ম', হৰেশ্বৰ গোস্বামীৰ 'আমাৰ জাতীয় জীৱনত কিহৰ অভাৱ' আৰু ৰাধিকামোহন গোস্বামীৰ এটি প্ৰবন্ধই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

কবিতাৰ শিতানত অধ্যাপক মহিম বৰাৰ 'তিনিটি কবিতা', মহেন্দ্ৰ নাথ ডেকাফুকনৰ 'জ্ঞান দাতৃ আই', দীপ্তি শইকীয়াৰ 'নিঃসঙ্গতা শেষৰ কবিতা', চিত্ৰ দেউৰীৰ 'মতি আৰু গতি', নিৰলা ভৰালীৰ 'তেতিয়া আৰু এতিয়া', অনিল কুমাৰ বৰাৰ 'এটি কবিতা', সুতৰাম দাসৰ 'যৌৱনা', প্ৰবীন গায়নৰ 'জোনাকী পৰুৱা' আৰু 'নতুন সূৰ্য্য', জীৱন বৰুৱাৰ 'তোমাক বিদায় নীলকণ্ঠ', গুণীন্দ্ৰ গায়নৰ 'মোক পোহৰ লাগে' আদি কবিতা প্ৰকাশিত হয়। অনূদিত কবিতাৰ শিতানত অনুবাদক পথিকৰ দ্বাৰা পঙ্কজ মল্লিকৰ 'জন্ম আৰু মৃত্যু-জীৱনৰ দুই দ্বাৰ', অৰবিন্দৰ 'সাবিত্ৰী', অজিত দত্তৰ 'ৰাজপখী' আদি কবিতাই স্থান পাইছিল। বিজয়লাল তেৱাৰী, হেমকুমাৰ ৰাজবংশী, তপদা কান্ত ভূঞা আৰু কেশৱ মহন্তৰ গীত এই সংখ্যাত প্ৰকাশিত হয়। গল্পৰ শিতানত দীপক কুমাৰ বৰকাকতীৰ 'গৰু', তপন কুমাৰ বৰুৱাৰ 'অগ্নিস্নান', মঞ্জু গোস্বামীৰ 'আমি আৰু আমাৰ মনবোৰ', অমৰেশ দত্তৰ 'উপলব্ধি' আদি গল্প প্ৰকাশ হৈছিল। অনূদিত গল্পত হিতেশ্বৰ বৰুৱাৰ 'অন্ধলোকৰ দেশত (এইচ্ জি ৱেলচ্), বাবুল চন্দ্ৰ দাসৰ 'বিবাহ, চিগাৰেট আৰু সন্তান' প্ৰকাশিত হয়। প্ৰবন্ধৰ

শিতানত কেশৱ চন্দ্ৰ শৰ্মা বৰুৱাৰ 'জন্ম শতবৰ্ষৰ সন্ধিলগ্নত দুজন অসমীয়া ভাষা সাহিত্যৰ সেৱক-- বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱা', জীৱন নাথৰ 'শ্ৰীঅৰবিন্দ', জি এলৰ 'মনীষী বাৰ্ট্ৰাণ্ড ৰাছেল' আদি প্ৰকাশ পাইছিল।

সাহিত্য ক'লা সংস্কৃতিৰ শিতানত অবনীন্দ্ৰ চন্দ্ৰ বৰাৰ 'সমাজ আৰু সাহিত্য', ভূবন হাজৰিকাৰ 'ভাৰতীয় সঙ্গীতৰ উৎস ধাৰা', চপলা ৰায়ৰ 'গোৱালপৰীয়া লোকসংস্কৃতি' আদি প্ৰকাশ হৈছিল। গণিত বিজ্ঞানৰ শিতানত মঃ এ কৰিমৰ 'সংহতিৰ আভাষ', টিকেন্দ্ৰ বৰাৰ 'সাধাৰণ ৰকেটৰ প্ৰণালী', দেবানন্দ দেবনাথৰ 'পদাৰ্থ গঠন সম্পৰ্কে পাউলীৰ অভিমত', মঃ আবু হানিফাৰ 'ৰাসায়নিক প্ৰতিৰূপ-ইতিহাসৰ পৃষ্ঠাৰ পৰা' আদি বিষয়ে স্থান লাভ কৰিছিল। শিক্ষা বিষয়ৰ প্ৰবন্ধত ড° মোহন চন্দ্ৰ বৰাৰ 'বিদেশৰ দু-আষাৰ', খগেন শৰ্মাৰ 'দাৰিদ্ৰ্য আৰু শিক্ষা' প্ৰকাশিত হয়। পুথি সমালোচনাত লক্ষেশ্বৰ গায়নৰ দুখন চুটিগল্পৰ কিতাপ 'এখন নদীৰ মৃত্যু' আৰু 'এহাত ডাবা' প্ৰকাশ হৈছিল। ব্যঙ্গ ৰচনাত ৰায়হানুল মে'ৰাজ মজুমদাৰৰ 'অভাৱ চাইজ আঙঠি', বীৰেন্দ্ৰ কুমাৰ দাসৰ 'প্ৰতিদান' (একাঙ্কিকা নাটক), নমিতা দেৱীৰ 'এখন চিঠি' প্ৰকাশিত হৈছিল।

মাধ্যম আন্দোলনৰ প্ৰসঙ্গত 'মাধ্যম আন্দোলনৰ শ্বহীদসকল' বুলি কেইটিমান কবিতা আৰু প্ৰবন্ধ প্ৰকাশিত হৈছিল। কবিতা ঃ শ্বহীদ নৰেন মহন্তৰ 'বিশ্ব কবিৰ প্ৰতি', শ্বহীদ অনিল বৰাৰ 'অসমী আই', মীনা বৰাৰ 'বিদায়', সত্ৰাজিত বৰাৰ 'নমস্কাৰ তোমাক'। প্ৰবন্ধ ঃ হিৰণ্য কুমাৰ দাসৰ 'বিংশ শতিতম অলিম্পিকত ভাৰতৰ ব্যৰ্থতা', বুদ্ধেশ্বৰ গোঁহাঞিৰ 'চকুলো সৰে', অনিল বৰাৰ 'জীৱন আলেখ্য', ভোলানাথ শইকীয়াৰ 'মাধ্যম আন্দোলনৰ ইতিবৃত্ত'।

ইংৰাজী শাখাত ড° এম এম সিংৰ 'The Education System of USSR', মইনা দেবীৰ 'Bezbarua as Essayist', প্ৰফুল্ল চন্দ্ৰ বৰাৰ 'Some Aspects of Improved Farm Technology', অধ্যক্ষ মুহিৰাম শইকীয়াৰ 'Crossing the Floor— Its Politico' Socio-Economic Implications', অধ্যাপক গণেশ বৰুৱাৰ 'Laser', গুঞ্জলাল কুমাৰ ভূঞাৰ 'Fun with Mathematics', ৰতন কুমাৰ কুণ্ডুৰ 'Localisation of Manufacturing Industries', অধ্যাপক ভগবান বৰুৱাৰ 'Labour Theory of Value', চৰাব আলিৰ 'The Pallava Art', সুশীল কুমাৰ চৌহানৰ 'National Integration— What the Youth can do', অধ্যাপক বি

পালৰ ‘Variable Valency’, অধ্যাপক বি শৰ্মাৰ ‘Viruses’, অধ্যাপক পি চি কাকতীৰ ‘Larvac’, কণিকা দেৱীৰ ‘Nuclear Fission’, ক্ষেমকান্ত বৰাৰ ‘Somatic Hybridiation’, প্ৰিয়নাথ সেনাগুপ্তৰ ‘Growth and Development of Nowgong College’, আব্দুল হাই হাজৰিকাৰ ‘Primary School Education’, ভিন্নসুৰী প্ৰবন্ধ প্ৰকাশ হৈছিল। কবিতাৰ শিতানত গোলাপ বৰাৰ ‘Thorns’, হলিৰাম কেওঁটৰ ‘However Gallant A thing May Be’, গোপাল চন্দ্ৰ দত্তৰ ‘Nexus’, চেমুৱেল লথ্রাৰ ‘To My Beloved’, দিপ কুমাৰ বৰাৰ ‘Your Photo’ আদি কবিতা প্ৰকাশিত হৈছিল। অনুবাদিত কবিতা হীৰেণ ভট্টাচাৰ্যৰ ‘Biyarthata’, চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘Nature’, হেমচন্দ্ৰ গোস্বামীৰ ‘A Letter from My Beloved’, ৰবীন্দ্ৰ চৰকাৰৰ ‘Ene Ek Jewan Dekhicho’ অনুবাদ হ’ল ‘পথিক’ (Traveller), মহিম বৰাৰ ‘Tinir Tine Gol’ গল্পটো ললিত শইকীয়াই অনুবাদ কৰে।

২৬ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনী ১৯৭৬-৭৭ খ্ৰীষ্টাব্দত প্ৰকাশ হৈছিল। সম্পাদক আছিল অমূল্য কুমাৰ নাথ। এই সংখ্যাৰ প্ৰবন্ধমালাত পৰাণ কুমাৰ বৰুৱাৰ ‘সাহিত্যৰ বিৰুদ্ধে সাহিত্য’, ৰত্নেশ্বৰ শইকীয়াৰ ‘অসমীয়া কাব্য-সাহিত্যত পাশ্চাত্যৰ প্ৰভাৱ’, অমূল্য কুমাৰ নাথৰ ‘জাতীয় সাহিত্যত শঙ্কৰী প্ৰভাৱ’, দিলীপ শৰ্মাৰ ‘গণিতজ্ঞৰ জীৱনৰ টুকুৰা খবৰ’, এ কে আবুলাইচৰ ‘বৰ্তমান সমাজ আৰু বিজ্ঞান’, অহিদুজ্জামানৰ ‘ইতিহাসৰ বাস্তৱ ব্যাখ্যা’, জয়ৰাম হাজৰিকাৰ ‘বিগত ত্ৰিশটা বছৰে কেন্দ্ৰৰ দৃষ্টিত অসম’, গণেশ চন্দ্ৰ বৰুৱাৰ ‘আইনষ্টাইন’, পুলিন মহন্তৰ ‘স্বাধীনতা বিপ্লৱৰ এক অবিস্মৰণীয় কাহিনী ফুলগুৰিৰ ধেৱা’, পুবেৰুণ জ্যোতি গোস্বামীৰ ‘আত্মজ্ঞান’, যুগল বৰাৰ ‘ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু তাৎপৰ্য্য, নগাঁও মহাবিদ্যালয়ৰ ভূমিকা’, পঞ্চম কুমাৰ বড়াৰ ‘জাতীয় সংহতি’, মনোমোহন দাসৰ ‘সন্ত এজনৰ সত্ৰত সিঁচৰিত সোণৰ চেঁকুৰা’, হবিবুৰ ৰহমানৰ ‘সাহিত্য আৰু প্ৰচাৰ’, বিপুল কটকীৰ ‘পেশী সংকোচনৰ অন্তৰালত’ আদি প্ৰবন্ধ প্ৰকাশিত হৈছিল। কবিতা কুঞ্জত দিলীপ কুমাৰ বৰদলৈৰ ‘জয়ন্ত হাজৰিকাৰ স্মৃতিত’, শৰৎ কুমাৰ সুতৰ ‘দুটি স্কেচ, জয়ন্ত হাজৰিকাৰ স্মৃতিত’, মিত্ৰদেৱ গোস্বামীৰ ‘শূন্য হ’ল মাতৃৰ বুকু’, মামু গোস্বামীৰ ‘মৰীচিকা’, হৰেন্দ্ৰ নাথ বৰাৰ ‘বেদী’, প্ৰশান্ত কুমাৰ কলিতাৰ ‘শব্দৰ সমদল’, আৰতি শইকীয়াৰ ‘জীৱনৰ বাটত’, বৰা ভাস্কৰ জ্যোতি ‘প্ৰতীক্ষাত’, অপূৰ্ব্ব কুমাৰ

শইকীয়াৰ 'আকাঙ্খা', ডিম্বেশ্বৰ দাসৰ 'প্ৰশ্ন', ৰঞ্জনা গোস্বামীৰ 'দুটি কবিতা', মুকুল শৰ্মাৰ 'আমাৰ প্ৰতিশ্ৰুতি', ভোলা নাথ বৰুৱাৰ 'আৱাহন', ৰূপদা কান্ত ভূঞাৰ 'এটি গীত', উৎপলা বড়াৰ 'কবিতাৰ মালা', দিলীপ কুমাৰ শৰ্মাৰ 'প্ৰেৰণা', শচীন্দ্ৰ কাকতিৰ 'নোহে নাৰী মন', ৰেব বৰাৰ 'দুটি অনূদিত কবিতা' আদি প্ৰকাশিত হৈছিল। গল্প কাননত ৰূপা দেৱীৰ 'স্মৃতি ৰোমন্থন', দীপক শৰ্মাৰ 'অন্তঃশ্ৰোতা', অশোক কুমাৰ শইকীয়াৰ 'আমি প্ৰতিজ্ঞাৱদ্ধ', কুমাৰী চাৰু প্ৰভা কাকতীৰ 'গ্ৰহণ', মেকেন বসুমতাৰীৰ 'অস্তগামী সূৰ্য্যৰ গান' আদি গল্প প্ৰকাশ পায়। লঘূ ৰচনা হিচাপে প্ৰশান্ত কুমাৰ কলিতাৰ 'মেলেৰিয়া', প্ৰদীপ কুমাৰ বৰাৰ 'সন্দেহ', মোঃ আলি হুছেইনৰ 'চেঞ্জ' আদি প্ৰকাশিত হয়। কেইটিমান প্ৰাচীৰ পত্ৰিকাৰ পৰা নিৰ্ব্বাচিত কবিতাও এই সংখ্যাত প্ৰকাশ হৈছিল। প্ৰেমনাৰায়ণ নাথ 'খোজ', লক্ষেশ্বৰ শৰ্মাৰ 'যাত্ৰা পথ', দিলীপ কুমাৰ বৰদলৈৰ 'শূন্যতা', জিনু বেগমৰ 'তোমাৰ হুমুনিয়াহবোৰ', জয়ৰাম নাথ হাজৰিকাৰ 'সত্বা', সিদ্ধাৰ্থ শঙ্কৰ কাকতিৰ 'তেওঁক খেদি ফুৰিছিল', অশোক ৰাম ভট্টাচাৰ্যৰ 'অভিব্যক্তি', মহেন্দ্ৰ নাথ হাজৰিকাৰ 'মুখা', গোলাপ বৰাৰ 'মোৰ নাম', আদি।

বিশেষ প্ৰবন্ধত সম্পাদকৰ 'সাক্ষাৎকাৰত কবি নীলমণি ফুকন', অধ্যাপক মহিম বৰাৰ 'কবি সন্মিলনৰ সভাপতিৰ অভিভাষণ', অধ্যক্ষ হৰেশ্বৰ গোস্বামীৰ 'দেশ সেৱা আৰু শাসন ঃ বিক্ষিপ্ত চিন্তা' আদি প্ৰকাশ হয়। লগতে শিৱানন্দ কাকতিৰ 'দেৱাল' নামৰ এখন নাটক প্ৰকাশ হয়। এই সংখ্যাৰ আলোচনীখনৰ সম্পূৰ্ণ পৃষ্ঠা উদ্ধাৰ কৰিব নোৱাৰিলো। গতিকে ইংৰাজী শাখাৰ লিখনিসমূহ পোৱা নগ'ল।

২৭ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৭৮-৭৯ চনৰ প্ৰকাশ। সম্পাদক মুকুল শৰ্মা, যুটীয়া অধ্যাপক তত্বাৱধায়কৰ দায়িত্বত আছিল মঃ চালেহ আৰু মনমোহন দাস। এই সংখ্যাত সম্পাদকীয়ৰ উপৰিও প্ৰবন্ধৰ শিতানত দীপ্তিমা তামুলিৰ 'সাম্প্ৰতিক অসমীয়া উপন্যাস', প্ৰয়াগ শইকীয়াৰ 'বাৰ্মুদা ত্ৰায়েঙ্গল', অপূৰ্ব দেবনাথৰ 'জাহানাৰাৰ প্ৰেমৰ মূল্যাঙ্কন', পল্লৱ ৰাজগুৰুৰ 'মিচিমি আহিব বৰবিহ আনিব', ৰেব বৰাৰ 'নগাঁও জিলাৰ শিক্ষা ব্যৱস্থা', মামু গোস্বামীৰ 'ইয়াৰ ব্যৱহাৰ আৰু সম্ভাৱনা', দীপালীমা তামুলিৰ 'সাম্প্ৰতিক অসমীয়া কবিতা', ৰূপজ্যোতি শইকীয়াৰ 'ব্লেক হোল', দুৰ্লভ নাথৰ 'অসমীয়া ভাষা সাহিত্যৰ জন্ম আৰু ক্ৰমবিকাশৰ চমু ইতিহাস', মঃ আব্বাছ আলী 'আৰবী এটা জীৱন্ত ভাষা', নাশিমা বেগমৰ 'কবি নজৰুল', লগতে অনুদিত প্ৰবন্ধত অহিদুজ জামানৰ 'নিৰক্ষৰতা এটি ৰাজনৈতিক

ব্যাধি' এটা প্ৰবন্ধ প্ৰকাশ হয়। কবিতাৰ শিতানত প্ৰেম নাৰায়ণ নাথৰ 'বৰষুণ' আৰু 'ব্যৰ্থতা', দেৱযানী দাসৰ 'সেতু' আৰু 'গৈ থকা সময়', দিলীপ বৰদলৈৰ 'বিদায় সন্ধিক্ষণত', ৰিণ্টি হাজৰিকাৰ 'এযোৰ কবিতা', অপূৰ্ব ভূঞাৰ 'দুটি কবিতা', পল্লৱ গোস্বামীৰ 'জ্যোতি', অমৰেন্দ্ৰ ৰাজখোৱাৰ 'আমাৰ কবিতা', আৰতি শইকীয়াৰ 'নিশব্দতাৰে' আদি প্ৰকাশ হয়। লগতে অনূদিত কবিতাত ৰঞ্জন কুমাৰ শৰ্মাৰ 'এটুকুৰা নিৰ্মাণ স্থলীত' আখতাৰ হুচেইন চৌধুৰীৰ 'সীমান্তৰ বিৰুদ্ধে' দুটি কবিতা প্ৰকাশ হয়। গল্পৰ শিতানত অপূৰ্ব শইকীয়াৰ 'বৈপৰীত্য', চন্দ্ৰ শৰ্মাৰ 'পৰাজয়', দিলীপ শৰ্মাৰ 'অপ্ৰয়োজনীয়তা', পাপুল বৰাৰ 'অপ্ৰকাশিত' আদি গল্প প্ৰকাশ হয়। শিবানন্দ কাকতিৰ 'শব্দ যান্ত্ৰণা আৰু শব্দ' নামৰ এখন নাটক প্ৰকাশ হয়। ৰূপদা কান্ত ভূঞাৰ 'এটি গীত' প্ৰকাশ হয়। ফ'কাচ শিতানত 'মুখামুখি ঃ কবি হৰেকৃষ্ণ ডেকাৰ সৈতে এখন্তেক', 'অপ্ৰকাশিত কবিতা ঃ অধ্যাপক মহিম বৰাৰ', 'বিদায়ী অধ্যাপক কামাখ্যা কমল পণ্ডিত ঃ দিলীপ শৰ্মা, প্ৰবক্তা, 'সাম্প্ৰতিক সাময়িকী ঃ গিৰীন্দ্ৰ কুমাৰ বৰুৱা।

ইংৰাজী শাখাত তিলক শইকীয়াৰ 'T.S. Eliot— A Brief Survey Poetry', দেৱীপ্ৰসাদ শৰ্মাৰ 'Was Soman's Year a Success', অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰীৰ 'Modern English Poetry', ডিম্বেশ্বৰ শইকীয়াৰ 'Justice, Mercy and False seaming and Shakespeare's Othello', অধ্যাপক ভগবান বৰুৱাৰ 'Rolling Plan', অধ্যাপক বল্লদেৱ শৰ্মাৰ 'Cacti, Their Culture and Uses', মাচুদ আলম মোজতাবাৰ 'Intellect', অধ্যাপক ডি চি দত্তৰ 'The Kingdom of Heaven', অধ্যাপক ডঃ সৰ্বেশ্বৰ বৰঠাকুৰৰ 'Fragrance of an Educationalist' আদি প্ৰবন্ধ প্ৰকাশ পায়। ইংৰাজী কবিতা শিতানত স্বপ্নাতুৰ মহন্তৰ 'The Rendezvous', অধ্যাপক মঃ চালেহৰ 'Snapshot', খাইৰুল বাছাৰ আহমেদৰ 'Life' প্ৰকাশ পাইছিল। লগতে অধ্যাপক এন ডি জোচেফৰ 'My Step Mother' এটি চুটিগল্প প্ৰকাশ হয়।

২৮ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৭৯-৮০ চনৰ প্ৰকাশ। সম্পাদক পাপলু বৰা। তত্বাৱধায়কৰ দায়িত্বত আছিল অধ্যাপক তাৰিণী প্ৰসাদ শৰ্মা আৰু অধ্যাপক মঃ চালেহ।

অসমীয়া বিভাগৰ প্ৰবন্ধৰ শিতানত সপোনটি বৰদলৈৰ 'আধুনিক চিত্ৰকলা আৰু অসম', প্ৰণৱজিৎ শইকীয়াৰ 'অসমীয়া সাহিত্যত দেশাত্মবোধক কবিতা', গিৰীন্দ্ৰ

কুমাৰ বৰুৱাৰ 'বিদেশী সমস্যা আৰু অসম আন্দোলন', আনন্দ কুমাৰ নাথৰ 'সাহিত্য স্বৰূপ', হৰেণ কুমাৰ বৰাৰ 'হেম বৰুৱাৰ ব্যক্তিত্বত এভুমুকি' আদি প্ৰকাশ হৈছিল। বিজ্ঞান বিষয়ক প্ৰবন্ধত ড° বল্লদেৱ শৰ্মাৰ 'বায়ুমণ্ডলৰ উদ্ভিদ', মঃ ছফিকুল ইছলামৰ 'খনিজ তেল বনাম গেছ হ'ল', প্ৰতুল চন্দ্ৰ শৰ্মাৰ 'প্ৰাচীন ভাৰতীয় চিন্তাধাৰাতে উদ্ভিদ বিজ্ঞান', অপূৰ্ব কুমাৰ বৰদলৈৰ 'নিস্তব্ধতা' আদি প্ৰকাশ পাইছিল। কবিতাৰ শিতানত কবীন বৰা 'এডাল ৰূপালী ৰেখা', পূবালী বৰুৱাৰ 'দুটি স্কেচ্', কনক কুমাৰ শইকীয়াৰ 'টুকুৰা কবিতা', ইন্দ্ৰাণী বৰাৰ 'চেতনাৰ নৱ উপলব্ধি', ৰাণী বৰাৰ 'বিদায়ৰ লগনত', দিগন্ত কুমাৰ ভূএঞাৰ 'শোভাযাত্ৰাত নিহতজনৰ কবিতা', মৃন্ময় কুমাৰ নাথৰ 'দুটি কবিতা' আদি কবিতা প্ৰকাশ হৈছিল। লগতে অনুবাদ কবিতা কৃষ্ণ হাজৰিকাৰ 'মত-অভিমত', গায়ত্ৰী ভূএঞাৰ 'সাৱধানী', পল্লৱ চন্দ্ৰ গোস্বামীৰ 'চনেট' (লণ্ডন, ছেপ্তেম্বৰ, ১৮০২) তিনিটা কবিতা প্ৰকাশ হয়। মহেন্দ্ৰনাথ মৈহেংদাং ডেকা ফুকনৰ 'ডেকাচাং' নামৰ কবিতা প্ৰকাশ হয়।

ভিন্নস্বাদৰ ৰচনাত গুণীন্দ্ৰ গায়নৰ 'মানুহ, বান্দৰ, শিয়াল আৰু কাউৰী', গ্ৰন্থ সমালোচনাত ৰংবং তেৰাংৰ 'মোৰ দৃষ্টিত জ্ঞানপীঠ বঁটা বিজয়ী', 'মৃত্যুঞ্জয়', কবি আৰু কবিতাত লক্ষেশ্বৰ শৰ্মাৰ 'কবি হীৰেণ ভট্টাচাৰ্যৰ সৈতে কবিতাৰ এনিশা'। বিশেষ প্ৰবন্ধত কনক সেন ডেকাৰ 'ঐক্যবদ্ধ প্ৰচেষ্টাৰ ঐতিহাসিক প্ৰয়োজনীয়তা', সুশীল কুৰ্মীৰ 'চাহ বাগিছাৰ মাজে মাজে' প্ৰবন্ধই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। গল্পৰ শিতানত দিলীপ শৰ্মাৰ 'কামসেন্দুৰ' ব্ৰজেন বৰাৰ 'বৰশী', মুকুল শৰ্মাৰ 'প্ৰত্যাশা' শৰৎ বৰকটকীৰ 'এই পথেই সেই পথ' গল্প প্ৰকাশ পায়। শিৱানন্দ কাকতিৰ 'মোৰ নাট্য চিন্তা' নামৰ নাট্য বিষয়ক প্ৰবন্ধ এটি প্ৰকাশ হয়। ব্যক্তি আৰু সমাজ শিতানত অধ্যাপক প্ৰদীপ শৰ্মাৰ 'জীৱন আৰু জীৱিকাৰ বৈশিষ্ট্যৰে নগাঁও মহাবিদ্যালয়ত দলবাহাদুৰ থাপ্পা', ক্ৰীড়াংগনত জ্যোতিৰ্ময় চক্ৰৱৰ্তীৰ 'ভাৰতত ফাষ্ট বলিং', সাময়িক প্ৰসংগত দ্বীপন গোস্বামীৰ 'জনজাতীয় সমস্যা, অসমীয়া জাতি' আদি বিভিন্ন বিষয়বস্তুৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

এই সংখ্যাত ইংৰাজী শাখাত কবিতাৰ শিতানত মুকুল শৰ্মাৰ 'Manifesto', পুষ্পেন্দ্ৰ কাকতীৰ 'Had I been a Soldier', মণিকৰ্নেশ্বৰ শৰ্মাৰ 'Sun Moon Song', খাইৰুল বাছৰ আহমেদৰ 'A Hymn to God', অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰীৰ 'Harvest' আদি প্ৰকাশ পাইছিল। প্ৰবন্ধৰ শিতানত ভগবান বৰুৱাৰ

'Agony of Assam', নিজৰা চৌধুৰীৰ 'What's it all about', পৰন শইকীয়াৰ 'Living Light in Animals', অধ্যাপক ডি চি দত্তৰ 'The Meaning of Suffering', দুৰ্গা প্ৰসাদ উপাধ্যায়ৰ 'A Short Glimpse of Nepal's Relation with India', অধ্যাপক বি গোঁহাইৰ 'Indian Constitution is it Democratic?', গায়ত্ৰী গোস্বামীৰ 'A timid Ghost' আদি প্ৰবন্ধ প্ৰকাশ হৈছিল।

২৯ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৮১-৮২ চনৰ প্ৰকাশ, সম্পাদক জ্যোতিৰ্ময় চক্ৰৱৰ্তী। অধ্যাপক মনমোহন দাস আৰু অধ্যাপক মঃ চালেহ শিক্ষক তত্বাৱধায়ক। বিশেষ সমীক্ষাত 'আজিৰ যুৱ মানসিকতা, গতিপথ হেতু আৰু সৰ্বত্ৰ বিৰাজমান ডেকাচামৰ আড্ডা' আৰু 'আপুনি আৰু আপোনাৰ আড্ডা' প্ৰকাশ পায়।

প্ৰবন্ধৰ শিতানত দীনেশ চন্দ্ৰ দত্তৰ 'শ্যেক্সপীয়েৰ আৰু ভাৰতবৰ্ষ', সপোনটি বৰদলৈৰ 'চিত্ৰকলা ভাস্কৰ্য আৰু প্ৰাগঐতিহাসিক যুগ', ৰেব বৰাৰ 'গল্পকাৰ মহিম বৰাৰ গল্পত হাস্যৰস', ড° বল্লদেৱ শৰ্মাৰ 'ড° ভূপেন হাজৰিকাৰ গীতত দেশাত্মবোধ', যোগেশ লস্কৰৰ 'আজিৰ যুৱ মানসিকতা', নৰেন্দ্ৰ নাথ বৰাৰ 'ভাৰতবৰ্ষত বুনিয়াদী শিক্ষা প্ৰৱৰ্তনৰ কাৰণ' আদি প্ৰবন্ধই স্থান পাইছিল। লগতে বিশেষ নিবন্ধত চান্ডে ক্লাবৰ 'অসমৰ শিক্ষা ব্যৱস্থা আৰু কৰ্ম সংস্থানত ইয়াৰ ভূমিকা', প্ৰকাশ বৰাৰ 'বিনামূলীয়া তেজদান আঁচনি' প্ৰকাশ হৈছিল। গল্পৰ শিতানত দিলীপ শৰ্মাৰ 'অম্লান', মনোজ গোস্বামীৰ 'নিঃসঙ্গ যাত্ৰা', শৰৎ বৰকটকীৰ 'কিবা এটা কৰিব লাগিব', কবিতা ডেকাৰ 'বন্যাৰ অনামী ৰং', গণেশ চন্দ্ৰ বৰাৰ 'জয় মা মনসা' আদি গল্প প্ৰকাশ হৈছিল। বিজ্ঞান বিষয়ক নিবন্ধত গণেশ চন্দ্ৰ বৰুৱাৰ 'ইন্ধন কোষ শক্তি উৎপাদনত ইয়াৰ ভূমিকা', মাধুৰ্য বৰাৰ 'হেনৰী কেৱেণ্ডিছ' প্ৰকাশ পায়। ক্ৰীড়া বিষয়ক নিবন্ধত মণিকুন্তল শইকীয়াৰ 'লক্ষ লক্ষ জনক বলিয়া কৰা এটি নাম ক্ৰিকেট' স্থান পায়। কবিতাৰ শিতানত অধ্যাপক ললিত শইকীয়া, কৃষ্ণ হাজৰিকা, দীপ শইকীয়া, দীপক বৰা, পূবালী বৰুৱা, উৎপলা বৰুৱা, মুকুল শৰ্মা, প্ৰকাশ মহন্ত, মামণি দেৱী, বিপুল শইকীয়া, ৰাণী বৰা, সদানন্দ বৰা, দীপজ্যোতি মহন্ত, ৰাজকুমাৰ, তপন কুমাৰ শৰ্মা, মাধৱী দেৱী, যজ্ঞো বৰা, শৰৎ চন্দ্ৰ শইকীয়া, মঃ নজৰুল ইছলাম, মালা দেৱী, বিপুল কুমাৰ শইকীয়া, পুতুল গোস্বামী আদিৰ কবিতাই আলোচনীখনৰ সৌষ্ঠৱ বঢ়ায়। সৰস ৰচনা অন্যান্যত উৎপল কুমাৰ শইকীয়াৰ 'হায়! এলজেব্ৰা', কুমাৰ

শৰৎ বৰাৰ ‘ৰেগিং ৰেগিং’ আৰু প্ৰাচীৰ পত্ৰিকাৰ নিৰ্বাচিত লেখাও প্ৰকাশ হৈছিল।

এই সংখ্যাৰ ইংৰাজী শাখাত প্ৰবন্ধৰ শিতানত ডি চি দত্তৰ ‘Direct Statement in Poetry’, উৰ্মিমালা বৰাৰ ‘Criticism and Creation’, মুকুল শৰ্মাৰ ‘Caste Division and Our Society’, মঃ ৰেকিবুদ্দিন আহমেদ হাজৰিকাৰ ‘An unforgetable Melody’, অৰ্জুন কুমাৰ মাহাতুৰ ‘Is the Child the Father of the Man’, অশোক বিশ্বকৰ্মাৰ ‘The Record Breaking Sunil M. Gavaskar’ আদি প্ৰকাশ হয়। লগতে জ্যোতিৰ্ময় চক্ৰৱৰ্তীৰ ‘Lonely as the Sky’ নাম এটি চুটিগল্পও স্থান পায়। কবিতাৰ শিতানত হৰেকৃষ্ণ ডেকাৰ ‘The Fear for the Sea’, কে পি চৌধুৰীৰ ‘Fate’, অৰ্জুন কুমাৰ মাহতুৰ ‘At the time of Death’, মণিকৰ্নেশ্বৰ শৰ্মাৰ ‘Sleep means Death’, অমূল্য মহন্তৰ ‘A Prayer to Mercyliss Time’, কৃষ্ণ হাজৰিকাৰ ‘Man’, যোগেশ লস্কৰৰ ‘Diary’, সপোনটি বৰদলৈ ‘Movement of Wanderer’, কমলেশ শইকীয়াৰ ‘Silent Choir’, দিপ্তীময় চক্ৰৱৰ্তীৰ ‘Song of a Destitute’ আদিয়ে আলোচনীখনৰ সৌষ্ঠৱ বঢ়াইছে।

৩০ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৮২-৮৩ৰ প্ৰকাশ, সম্পাদক জয়ন্ত কুমাৰ শৰ্মা, শিক্ষক তত্বাৱধায়ক ক্ৰমে অধ্যাপক মনমোহন দাস, অধ্যাপক আবু নাছেৰ মহম্মদ চালেহ আৰু অধ্যাপক দিলীপ শৰ্মা।

অসমীয়া বিভাগৰ প্ৰবন্ধৰ শিতানত সম্পাদকৰ সংগ্ৰহ ‘নগাঁও মহাবিদ্যালয় এটি যুগৰ প্ৰবাহ’, অধ্যাপক নৰেন্দ্ৰ নাথ বৰাৰ ‘পৰীক্ষাত বিশৃঙ্খলতা ঃ কেইটামান পৰামৰ্শ’, মৌচুমী মহন্তৰ ‘বৈপ্লবিক পৰিৱৰ্তন (অনুবাদ), পূবালী বৰুৱাৰ ‘আত্মাৰাম শৰ্মা আৰু বাইবেলৰ ভাষা’ আদি প্ৰবন্ধ প্ৰকাশ হয়। চুটিগল্পৰ শিতানত বিশ্বজিত বৰুৱাৰ ‘ডাষ্টবিনত স্বৰ্গ (অনুবাদ), কবিতা ডেকাৰ ‘প্ৰতিবন্ধী’, গুৰুমাইল সিঙৰ ‘অপৰাধী’, দিলীপ শৰ্মাৰ ‘দাপনি’, মনোজ কুমাৰ গোস্বামীৰ ‘ক্লান্ত ইলেক্ট্ৰন’, জয়ন্ত কুমাৰ শৰ্মাৰ ‘সান্ধ্য প্ৰবাহ’ আদিয়ে শোভা বঢ়ায়। কবিতাৰ শিতানত তীৰ্থ দাস, প্ৰণৱ কুমাৰ শৰ্মা, ভৃগুমোহন তালুকদাৰ, ৰীতা পাটোৱাৰী, মিনতি বৰা, তপন কুমাৰ শৰ্মাৰ ‘প্ৰথম পৃষ্ঠাৰ কবিতা’, শ্বহীদ পৰোজ বৰাৰ ‘কবিতা’, মানস কুমাৰ মহন্তৰ ‘অনুভূতি’, জ্যোতিৰ্ময় চক্ৰৱৰ্তী, শান্তামণি ৰাজগুৰু, মাধৱ দাসৰ ‘দ্বিতীয় পৃষ্ঠাৰ কবিতা’, ইন্দ্ৰাণী বৰাৰ ‘বৈপৰীতা’, অলকমণি ভট্টাচাৰ্যৰ ‘আকাশ’, ৰাণা শইকীয়া,

পিনু বৰা, দেবাহুতি মহন্ত, শৈলেন কুমাৰ দাসৰ 'তৃতীয় পৃষ্ঠাৰ কবিতা', 'শেষ পৃষ্ঠাৰ কবিতা' আদি কবিতাই আলোচনীখনৰ পৃষ্ঠা শুৱনি কৰিছিল।

বিতৰ্কৰ শিতানত সপোনটি বৰদলৈ 'এটেনবৰ'ৰীয় গান্ধী' প্ৰকাশ পায়। বিশেষ সমীক্ষাত 'নগাঁও মহাবিদ্যালয়ৰ আলোচনীৰ বিগত দহ বছৰ' আৰু 'ছাত্ৰ আৰু ভিন্ন মত' গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতিৰ পৰিৱৰ্তন প্ৰয়োজন নে?' প্ৰকাশ পাইছিল। কথোপকথনত 'সাম্প্ৰতিক গল্প আৰু গল্পকাৰ' এটি লেখাও প্ৰকাশ হৈছিল। মতামতত 'অসম সামগ্ৰিক পৰিস্থিতি আৰু আমাৰ ভূমিকা, লেখা প্ৰকাশ পায়। বিজ্ঞান প্ৰবাহত মাধুৰ্য বৰাৰ 'কাৰ্ল বেঞ্জ', দুৰ্লভ চন্দ্ৰ নাথৰ 'ভৱিষ্যতে যুদ্ধত ৰশ্মিৰ প্ৰয়োগ সম্পৰ্কে', তৰুণ শইকীয়াৰ 'পদাৰ্থৰ চতুৰ্থ অৱস্থা' আদি প্ৰকাশ হয়।

ইংৰাজী শাখাত ডি চি দত্তৰ 'A Dream of Shadow', প্ৰথম পৃষ্ঠা কবিতা 'The Wise being', 'Mother', 'Grudge', 'Gloom is Still here', সুৰজিৎ বৰুৱাৰ 'The Prudential World Cup (75-83) and India', ৰূপজ্যোতি বৰদলৈৰ 'Nuclear Realism', অধ্যাপক বি গোঁহাইৰ 'Ajanti Muluk', দ্বিতীয় পৃষ্ঠাৰ কবিতাত অধ্যাপক ললিত শইকীয়াৰ 'The Tajmahal', কুমাৰ মুকুট বৰাৰ 'Science a Blessing' অধ্যাপক এন ডি জোচেফৰ 'The teaching of English in Assam', ড° এচ ৰাজগুৰুৰ 'Impact of Neo-Vaisnavism on Assamese Society', অঞ্জনজ্যোতি বৰাৰ 'Our Great Scientist Rudolf Diesel', তৃতীয় পৃষ্ঠাৰ কবিতাত অধ্যাপক কে পি চৌধুৰীৰ 'Poems of Love and Passion and Despair', চুটিগল্পত অনুৰাগ মহন্তৰ 'My Hemi-Demi-Semiquasi Love Story', অনামী ছাত্ৰৰ 'English Dictionary its Origin and Development', চতুৰ্থ পৃষ্ঠাৰ কবিতাত অধ্যাপক এ এন এম চালেহৰ 'The Crow's Beak', ত্ৰিদিপ বৰাৰ 'Is Civilisation a Force', কৃষ্ণ মহন্তৰ 'World at a Glance', এম আৰ শইকীয়াৰ 'Summer Institute in Geography', জে কে দেবনাথৰ 'The Antiquity of the World 'Natha'', শেষ পৃষ্ঠাৰ কবিতাত 'Song of Birds/ Pondering/Inflation', টিকেন্দ্ৰজিতৰ 'Fine Arts' আদি বিভিন্ন বিষয়ৰ লেখাৰে আলোচনীখন সজালে।

৩১ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৮৪-৮৫ৰ প্ৰকাশ, সম্পাদক সুৰজিৎ গোস্বামী। প্ৰবন্ধৰ শিতানত প্ৰদীপ কুমাৰ চাহুৰ 'কটকী ছাৰ

মানুহজন’, প্রদীপ শর্মাৰ ‘কটকী ছাৰৰ পবিত্ৰ সোঁৱৰণত এটি শ্ৰদ্ধাৰ্ঘ’ আদি প্ৰবন্ধৰ মাজেদি শিক্ষাগুৰুজনলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়ায়। ড° হীৰেন গোঁহাই, অজিত কুমাৰ শৰ্মা, ড° লক্ষ্মীনন্দন বৰা, হীৰেণ ভট্টাচাৰ্যৰ ‘ৰোমন্থন— আমাৰ কলেজীয়া জীৱন’ প্ৰবন্ধটি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। দীনেশ দত্তৰ ‘যুদ্ধজয়ীৰ গৃহ প্ৰত্যাৱৰ্তন’, সোণালী হাজৰিকাৰ ‘শংকৰী সংস্কৃতি আৰু অসমীয়া জনজীৱনত ইয়াৰ প্ৰভাৱ’, মাধুৰ্য বৰাৰ ‘মানৱৰ ভৱিষ্যতৰ উপনিবেশ ঃ শুক্ৰগ্ৰহ’, নৰেন্দ্ৰ নাথ বৰাৰ ‘তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম ঃ ইয়াৰ আসোঁৱাহসমূহ’, হবিবুৰ ৰহমানৰ ‘গজল কবিতাৰ বৈশিষ্ট্য’, গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ ‘ছাত্ৰ আন্দোলন ঃ এটি পৰ্যালোচনা’, মহিম বৰাৰ ‘অসমীয়া কবিতাৰ সাম্প্ৰতিক ধাৰা’, চয়নিকা দেৱীৰ ‘চিৰ প্ৰবাহমান ব্ৰহ্মপুত্ৰ আৰু অসমীয়া কলা-সংস্কৃতি’, হীৰেণ ভট্টাচাৰ্যৰ ‘কবিতা কি?’ আদি প্ৰবন্ধ প্ৰকাশ হৈছিল। লগতে চিন্তা ঃ ‘আৰ্তজনৰ কৰুণ আৰ্তনাদ’ আৰু আলোচনা ঃ মনোৰঞ্জন শৰ্মাৰ ‘কবিতা আবৃত্তি’ প্ৰকাশ পায়। এই সংখ্যাত কবিতাৰ শিতানত গীতা দাস, দেবজিৎ বৰা, মানসজ্যোতি, পবন চন্দ্ৰ পাটৰ, জয়শ্ৰী ঘিয্‌ৰে, পূৰালী বৰুৱা, পদুম কুমাৰ নাথ, বিপুল কুমাৰ বৰা, ইন্দ্ৰাণী বৰা, জ্যোতিৰ্ময় চক্ৰৱৰ্তী, ধীৰেন্দ্ৰ কুমাৰ বৰদলৈ, ৰেখা ডেকা, অপূৰ্ব কুমাৰ হাজৰিকা, দীপজ্যোতি মহন্ত, হিৰণ্য কুমাৰ বৰা, জয়ন্ত কুমাৰ গোস্বামী, কুমাৰী ৰূপালী বৰা, শান্তামণি ৰাজগুৰু, সুৰজিৎ গোস্বামী আৰু শৰৎ বৰকটকীৰ কবিতা প্ৰকাশ হয়। লগতে পৰশমণি মহন্তৰ গীত এটি প্ৰকাশ হয়। মোহিনী মোহন ডেকা, ৰাতুল ৰাজখোৱাৰ দুটি অনুবাদ কবিতা আৰু প্ৰণৱ কুমাৰ শৰ্মা, চুড়ামণি বৰঠাকুৰৰ দুটি ব্যঙ্গ কবিতাও প্ৰকাশ পায়। গল্পৰ শিতানত জয়ন্ত কুমাৰ শৰ্মাৰ ‘মৃতদেহ’, গুৰমাইল সিঙৰ ‘আহত পখীৰ কণ্ঠত’, কবিতা ডেকা ‘উৰুকা’, বন্তি বৰাৰ ‘ক’বলৈ মন যায়’, জয়ন্ত কুমাৰ বৰাৰ ‘দুপাহী ৰঙা গোলাপ’ আদি গল্প প্ৰকাশ হয়।

এই সংখ্যাৰ ইংৰাজী শাখাৰ প্ৰবন্ধৰ শিতানত অৰ্জুন কুমাৰ মাহাতুৰ ‘Present System of Examination and its impact on the Teachers and the Students’, অধ্যাপক ভগবান বৰুৱাৰ ‘A defeat to all but profit to many’, ভগীৰথ কৰনৰ ‘Atoms for Peace’, অশোক বিশ্বকৰ্মাৰ ‘L. A. Memoir’, চোমা মজুমদাৰৰ ‘Selfishness is the base of friendship’, বিৰেন কুমাৰ শইকীয়াৰ ‘Blind Justice Deaf Politics’ আদি প্ৰবন্ধ প্ৰকাশ পায়। অনুবাদ

কবিতা হিচাপে ডি চি দত্তৰ 'Diary of Midnight Twelve', 'From one darkness to another', 'The Last Melody' তিনিটা কবিতা প্ৰকাশ হয়। চুটিগল্পৰ শিতানত চম্পক কুমাৰ ডেকাৰ 'A Day', জ্যোতিৰ্ময় চক্ৰৱৰ্তীৰ 'The Night Bells Tolls' প্ৰকাশ পায়। ইংৰাজী কবিতাৰ শিতানত দিপ্তীময় চক্ৰৱৰ্তীৰ 'Dictator', কবিতা ডেকাৰ 'Frustration', এচ কাকতীৰ 'A Story of Miss Vanity', সন্তমণি ৰাজগুৰুৰ 'Confusion', দেৱজিৎ গোস্বামীৰ 'To the Stars', কামাখ্যা প্ৰসাদ চৌধুৰীৰ 'Refugee' আদি কবিতা প্ৰকাশ হয়। লগতে চফিকুল ৰহমান শইকীয়াৰ 'Greeting each other in different countries' লেখাটি প্ৰকাশ হয়।

৩২-৩৩ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৮৫-৮৬ চনৰ প্ৰকাশ, সম্পাদক দেবজিৎ বৰা, শিক্ষক তত্বাৱধায়ক অধ্যাপক শৰৎ বৰকটকী আৰু অধ্যাপক মঃ চালেহ। প্ৰবন্ধমালাত প্ৰিয়াংশু প্ৰবল উপাধ্যায়ৰ 'বৰ্তমান পৰিস্থিতিত অসমীয়া সাহিত্যিকৰ দায়িত্ব কেনে হোৱা উচিত', জয়ন্ত কুমাৰ বৰাৰ 'অসমীয়া কোন?, জ্যোতিপ্ৰসাদৰ অমৰ বাণী', খগেন চন্দ্ৰ শৰ্মাৰ 'স্কুলীয়া শিক্ষা আৰু নিবনুৱা সমস্যা', মইনামণি দেৱীৰ 'যতীন্দ্ৰ নাথ দুৱৰা আৰু তেওঁৰ কবিতা', সোণালী হাজৰিকাৰ 'কাৰ্বি সমাজৰ আচাৰ নীতি আৰু সামাজিক বাধা নিষেধ', বুদ্ধেশ্বৰ গোঁহাঞিৰ 'বন্দীশালৰ দিনপঞ্জী', জয়ন্ত কুমাৰ শৰ্মাৰ 'সমাজৰ অনুশাসন আৰু নতুন লেখকৰ কৰ্তব্য', জীৱন শৰ্মাৰ 'আমাৰ চাৰিওকাষৰ শক্তিৰ উৎসসমূহ', অমৰজিৎ গোস্বামীৰ 'তেজদান আঁচনি আৰু ইয়াৰ আৱশ্যকতা' আদি প্ৰবন্ধ প্ৰকাশ হয়। গল্পমালাত জয়ন্ত কুমাৰ বৰাৰ 'ডাৱৰ কেতিয়া আতৰিব?', ৰেচমিন চুলতান আহমেদৰ অনুবাদ গল্প 'ভাৱনা বিহীন', হিৰুমণি লস্কৰৰ 'স্বপ্নাতুৰ', কবিতা ডেকাৰ 'সূৰ্যোদয়ৰ গান', দীপ শইকীয়াৰ 'চিকাৰী', লুনা ফুকনৰ 'কাঠফুলা', জয়ন্ত কুমাৰ শৰ্মাৰ 'শ্লোগান' আদি গল্প প্ৰকাশ পায়। কবিতামালাত প্ৰদীপ শইকীয়াৰ 'মোৰ অসংখ্য চিন্তাৰ মাজত', শৰৎ বৰকটকীৰ 'আত্মঘাতী হোৱা মানুহবোৰৰ বাবে' দুটি কবিতা প্ৰকাশিত হয়।

এই সংখ্যাত ইংৰাজী শাখাত প্ৰবন্ধৰ শিতানত ড° জে কে দেবনাথৰ 'A call of Humanity', অধ্যাপক ভগবান বৰুৱাৰ 'My Reflections as the Spring Knocks', বিজয় কুমাৰ ৰায়ৰ 'Two Global Wars & English Poetry', ড° বল্লদেৱ শৰ্মাৰ 'Assam : The Museum of World Flora', ৰেচমিন চুলতানা

আহমেদৰ ‘An Insane Poet’, জয়ন্ত কুমাৰ শৰ্মাৰ ‘Scientific Knowledge and Socio Cultural Changes in N.E. India’, পৰশমণি বৰুৱাৰ ‘The Future of Indian Democracy’, দেৱাশীষ বৰাৰ ‘In search of a change’, মানসজ্যোতি বৰুৱাৰ ‘Leonardo's Monalisa’, ৰাজকুমাৰ দাসৰ ‘Broken People’, অম্লানজ্যোতি হাজৰিকাৰ ‘Boxing : the First War’, দীপাঙ্কৰ চক্ৰৱৰ্ত্তীৰ ‘Trend Setter in Indian Cricket : C. K. Nayudu’, দীপ শইকীয়াৰ ‘Mankind Friend or Foe’ আদি প্ৰবন্ধ প্ৰকাশ হয়। কবিতাৰ শিতানত অধ্যাপক শচীন্দ্ৰ কাকতীৰ ‘Darling, Let they sleep be ceased’, অধ্যাপক আজিজ খানৰ ‘Be the petals of a newly budding flower’ দুটি কবিতা প্ৰকাশ হয়।

৩৪ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৮৬-৮৭ চনৰ প্ৰকাশ, সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা, শিক্ষক তত্বাৱধায়ক হিচাপে ইংৰাজী শাখাত অধ্যাপক আবু নাছেৰ মহম্মদ চালেহ, অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰী, অসমীয়া শাখাত অধ্যাপক গিৰিকান্ত গোস্বামী, অধ্যাপিকা কল্পনা হাজৰিকা গায়ন, বিজ্ঞান শাখাত অধ্যাপক শৰৎ বৰকটকী আছিল।

প্ৰবন্ধৰ শিতানত ‘সম্পাদকীয় চিন্তা’, ‘অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা’, তিলক হাজৰিকাৰ ‘অসম সাহিত্য সভা ঃ এটি আলোকপাত’, অধ্যাপক গিৰিকান্ত গোস্বামীৰ ‘জ্যোতি সংস্কৃতি ঃ এটি বিহঙ্গম আলোচনা’, অধ্যাপিকা কল্পনা হাজৰিকা গায়নৰ ‘তিনিজন কলংপৰীয়া কবিৰ কবিতাত দৃষ্টিপাত’, অধ্যাপক দিলীপ চন্দ্ৰ শৰ্মাৰ ‘মহাদেৱী বৰ্মা’, পূৰালী বৰুৱাৰ ‘হাঈমু ঃ কাৰবি লোকৰ কাহিনী’, দীপক কুমাৰ সুতৰ ‘ত্ৰিপুৰা বুৰঞ্জীৰ এটা খতিয়ান’, হিৰুমণি লস্কৰৰ ‘প্ৰতীক ধৰ্মী নাটক ঃ বাঘ’, ৰাজীৱ কুমাৰ হাজৰিকাৰ ‘অসম বন্ধু হেমাঙ্গ বিশ্বাস আৰু নাই’, শৰৎ চন্দ্ৰ শইকীয়াৰ ‘আজিৰ শিক্ষা ব্যৱস্থা আৰু সমাজ’, জয়ন্ত কুমাৰ বৰাৰ ‘ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সৈতে এখন্তেক’, অধ্যাপক বাবুলাল পালৰ ‘পৰিৱেশ দূষণ’, অধ্যাপক শৰৎ কুমাৰ দত্তৰ ‘মানুহ আৰু আহাৰ’ আদি প্ৰবন্ধ প্ৰকাশ পায়। কবিতাৰ শিতানত হেমন্ত কুমাৰ বৰাৰ ‘অশ্ৰুকণাৰ সমাধিত শান্তিৰ বৃক্ষ’, চন্দ্ৰ কুমাৰ আগৰৱালাৰ ‘জোনাকী’, তুলিকা গায়নৰ ‘এটি কবিতা’, মনোজ দাসৰ ‘মই আৰু মোৰ নিৰৱতা’, চিৰাজুল ইছলামৰ ‘সভ্যতাৰ ব্যাখ্যা’, ৰাজীৱ কুমাৰ হাজৰিকাৰ ‘পদুমলৈ বৈ বৈ’, হিৰুমণি লস্কৰৰ ‘সোণালী বুৰঞ্জী’, অবনী চক্ৰৱৰ্তীৰ ‘মই তেজীমলা’, দিব্যজ্যোতি

বৰাৰ ‘ভিক্ষা’, হৃদয়া মহন্তৰ ‘দুটি কবিতা’, সুৰেন চন্দ্ৰ বৰাৰ ‘অনুভূতি মোৰ পৰাণে পৰাণে মাতৃ পূজাৰ’, দিপ্তী কলিতাৰ ‘দিনলিপি’, শিলমণি ফুকন ‘আহ্বান’, প্ৰিন্স পণ্ডিতৰ ‘বসন্তৰ পৰশত’, দীপ শইকীয়াৰ ‘নৱ প্ৰেৰণাৰ নৱ ছহিদৰ সোঁৱৰণত’, চন্দ্ৰ গুপ্ত বৰাৰ ‘সিহঁতে মোক হত্যা কৰে’, প্ৰভাত চন্দ্ৰ নাথৰ ‘চিৰ ভাস্বত পণ’ আদি কবিতা প্ৰকাশ হয়। গল্পৰ শিতানত লক্ষ্মীনাথ বেজবৰুৱাৰ ‘ভদৰা’, জয়ন্ত কুমাৰ বৰাৰ ‘গণ্ডকুপ’, ৰেব বৰাৰ ‘সিহঁত আৰু মানুহ’, সোমনাথ বৰাৰ ‘মৰম’, দেৱাশীষ বৰাৰ ‘সংকল্প’, পদ্মাক্ষী বৰুৱাৰ ‘মাটিৰ মানুহ’, নৌচাদ আখতাৰ হাজৰিকাৰ ‘দেৱালবোৰ’, ধ্ৰুৱজ্যোতি শৰ্মাৰ ‘লৌহস্তম্ভ ডাৰিয়াহঁত আৰু বাঁহীৰ সুৰ’, ভাৰত ভূঞাৰ ‘কবিৰ পত্নী’ আদি গল্প প্ৰকাশিত হয়।

এই সংখ্যাত ইংৰাজী শাখাত প্ৰবন্ধৰ শিতানত ড° জে. কে. দেবনাথৰ ‘Some old rolics of Nathayoga in ancient Assam’, অধ্যাপক বিভা কাকতীৰ ‘The Master Molecule that builds the Human Body’, পুলিন চন্দ্ৰ বৰাৰ ‘Environment versus Pollution’, চন্দ্ৰকান্ত দেৱগোস্বামীৰ ‘Advice to payers by Ichiro Ogimura’, হেমন্ত কুমাৰ দেউৰীৰ ‘Significance of Art, Music & Dance in the Tribal Life in India’, গৌতম দেৱ ‘Students' Contribution to build New Assam’, পলাশ প্ৰতিম বৰাৰ ‘Students contribution to bulild new Assam’, অধ্যাপক খগেন চন্দ্ৰ শৰ্মাৰ ‘Problems of the younger generation of Assam’, নাচমিনাৰা বেগমৰ ‘Wild Life : The great asset for us’ আদি প্ৰবন্ধ প্ৰকাশ হয়। কবিতাৰ শিতানত নীলমণি ফুকনৰ ‘A Song’, চন্দ্ৰকুমাৰ শৰ্মাৰ ‘Inspiration’, দেৱজিৎ গোস্বামীৰ ‘India's Cultural Heritage’, আইনুল হক চৌধুৰীৰ ‘Song of the baby’, কবিতা ডেকা ‘Doom’, প্ৰণৱ কুমাৰ বৰাৰ ‘Patriot : His last words’, কামাখ্যা প্ৰসাদ চৌধুৰীৰ ‘On the exaction of Z.A. Bhutto’ আদি কবিতা প্ৰকাশ পাইছিল।

৩৫ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৮৭-৮৮ চনৰ প্ৰকাশ, সম্পাদক মৃণাল কুমাৰ বৰা, শিক্ষক তত্বাৱধায়ক অধ্যাপক শৰৎ বৰকটকী আৰু অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰী। প্ৰবন্ধৰ শিতানত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ ‘নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন সম্পৰ্কত’, অধ্যাপক বুদ্ধেশ্বৰ গোঁহাঞিৰ ‘সংস্কৃতিৰ ভঁৰাললৈ টাই বৰঙণি’, পলাশ প্ৰতিম বৰাৰ ‘ভাৰতীয় অসামৰিক সেৱা আৰু অসমৰ

পৰীক্ষাৰ্থী', ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ 'অসমীয়া জাতি গঠনত অসমীয়া ভাষা সাহিত্যৰ ভূমিকা', অধ্যাপিকা কল্পনা হাজৰিকা গায়নৰ 'সাম্প্ৰতিক কবিতাত সমকালীন চেতনা', ৰেব বৰাৰ 'মহাবিদ্যালয় পুথিভঁৰাল, ইয়াৰ সমস্যা', অধ্যাপক গুণ শইকীয়াৰ 'আমাৰ পৰীক্ষা পদ্ধতি আৰু ভৱিষ্যত', বলীন শইকীয়াৰ 'শিক্ষা সংকট নে শিক্ষা বিভ্ৰাট', ড° নৰেন কলিতাৰ 'লতা কটা পুথি', অধ্যাপক শৰৎ বৰকটকীৰ 'মুখামুখি', ড° জীৱন কৃষ্ণ দেৱনাথৰ 'হোমিওপ্যাথিৰ বৈজ্ঞানিক ভেটিৰ সপক্ষে', অধ্যাপক তোযেশ্বৰ নাথৰ 'হেলফৰ্ড মেকিণ্ডা আৰু অন্তঃস্থল তত্ব', গিৰীশ গগৈৰ 'থমাচ ষ্টাফোৰ্ড', ভূপেন বৰকাকতীৰ 'প্লাজমা', অধ্যাপক প্ৰদীপ শৰ্মাৰ 'সুদূৰ সংবেদন আৰু ভাৰতীয় কৃত্ৰিম উপগ্ৰহ', গুণীন্দ্ৰ গায়নৰ 'নগাঁও কলেজ আলোচনী, ছাত্ৰ আৰু সাহিত্য পৰম্পৰা', অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰৰ 'জাতীয় জীৱনত কীৰ্ত্তন আৰু নামঘোষাৰ প্ৰভাৱ' আদি প্ৰবন্ধ প্ৰকাশ পায়। কবিতাৰ শিতানত প্ৰদীপ শইকীয়াৰ 'এজন প্ৰিয় বন্ধুৰ মৃত্যুত', জয়ন্ত কুমাৰ বৰাৰ 'নেলচন মেণ্ডেলা', নিত্যানন্দ বৰাৰ 'এজাক ধুমুহা', সুভদ্ৰা বৰাৰ 'চকুলো', বিশ্বজিৎ বৰঠাকুৰৰ 'তেনে এটি পথ' আদি প্ৰকাশ হয়। লগতে বিভাগীয় সম্পাদকৰ প্ৰতিবেদন। বিভু ভৰালীৰ 'মোৰ দিনত নগাঁও মহাবিদ্যালয়' নামৰ এটি প্ৰবন্ধ প্ৰকাশ হয়।

৩৬ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৮৯-৯০ চনৰ প্ৰকাশ, সম্পাদক অখিল চন্দ্ৰ ভাগৱতী, শিক্ষক তত্বাৱধায়ক অধ্যাপক শৰৎ বৰকটকী, অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰী। এই সংখ্যাত প্ৰবন্ধৰ শিতানত হৰেশ্বৰ গোস্বামীৰ 'শৈক্ষিক দিনপঞ্জী', জপেন্দ্ৰ নাথ নাৰ্জাৰীৰ 'শিক্ষা আৰু শৈক্ষিক পৰিৱেশ', মুন মুন বৰাৰ 'মাস্কিম গৰ্গিৰ সাহিত্য প্ৰতিভা', হেমন্ত কুমাৰ বৰাৰ 'প্ৰসংগ ক্ৰমে', ডিম্বেশ্বৰ বৰাৰ 'মহেন্দ্ৰ নাথ মৈহেংদাং ডেকাফুকন, পদুম ৰাজখোৱাৰ 'সুৰৰ সন্তান ঃ জয়ন্ত হাজৰিকা' আদি প্ৰবন্ধ প্ৰকাশ হয়। লগতে মহিম বৰাৰ 'অমৰ চকুলো' নামৰ এখন নাটকো প্ৰকাশ হয়। এই সংখ্যাত গল্পৰ শিতানত সোমনাথ বৰাৰ 'হত্যাকাৰী', জুমলি শইকীয়াৰ 'শেষ পৰ্য্যন্ত', চিদানন্দ শৰ্মাৰ 'ৰেগিং ঃ মই লগ পাওঁতে', গীতা দাসৰ 'বিয়াৰ চিঠি' আদি গ্ৰন্থ প্ৰকাশ হয়। লগতে বিষ্ণু দত্ত শৰ্মাৰ 'নতুন পুৰুষ' নামৰ এখন ব্যঙ্গ ৰচনাও প্ৰকাশ হয়। বিজ্ঞান বিষয়ক নিবন্ধত শৰৎ বৰকটকীৰ 'গণবিজ্ঞান চৰ্চা ঃ সমস্যা আৰু শিক্ষানুষ্ঠানৰ ভূমিকা', অমৰজিৎ গোস্বামীৰ 'তেজ দান মানৱতাপূৰ্ণ এক মহান সেৱা' আদি প্ৰকাশ পায়। আন্তৰ্জাতিক টুকুৰা খবৰ শিতানত

পিনাকী দেৰ 'চূৰমাৰ বাৰ্লিন ওৱাল, আন্তঃৰাষ্ট্ৰীয় দানৰ নাৰ্কটিক ড্ৰাগ্‌ছ নব উপনিৱেশ এণ্টাকৰ্টিকা', পলাশ প্ৰতীম বৰাৰ 'পৰিৱেশ সংৰক্ষণ, কমিউনিষ্ট শক্তিৰ হাঁহাকাৰ, জাপানৰ নতুন অভিলেখ' প্ৰকাশ হয়। কবিতাৰ শিতানত অৱনী চক্ৰৱৰ্তীৰ 'আৰু মই', নীলমণি ফুকনৰ 'সোণালী বৃত্ত', পূবালী বৰুৱাৰ 'মোৰ চিনাকি কবিলৈ', কবীন ভাগৱতীৰ 'একাদশী', নিত্যানন্দৰ 'আৰ্তনাদ', ৰণজিত কুমাৰ ডেকাৰ 'বহু নিশাৰ স্বপ্ন', পৰশমণি মহন্তৰ 'কুঁৰলী', বৰ্ণালী বৰাৰ 'পানী', জয়ন্ত কাকতিৰ 'ব্লম হুৱেৰ ইউ আৰু প্লেনটেদ', তপন কুমাৰ হাজৰিকাৰ 'ভাল পাওঁ', দিলীপ শৰ্মাৰ 'উৰন্ত আকাশ তোমাৰ কবলত', দীপক শৰ্মাৰ 'আকৌ হওঁক পুৱা', ৰুণজুন বৰাৰ 'ক্ষুধাতুৰ', ৰাজু গোস্বামীৰ 'উপলব্ধিৰ স্তৱক', চাইফুল ইছলামৰ 'আধুনিক গীত' আদি প্ৰকাশ হয়। লগতে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ প্ৰতিবেদনে স্থান পায়।

এই সংখ্যাত ইংৰাজী শাখাত কবিতাৰ শিতানত ৰবিন বৰদলৈৰ 'That Slimy Plash', মইনুল হক আহমেদৰ 'A Storm at Sea', ৰাতুল কুমাৰ নাথ 'Count your days by smiles', বিমলা শৰ্মাৰ 'Appreciation' আদি লেখা থাকে। গল্পৰ শিতানত এন ডি জোচেফৰ অনুবাদ 'The witness', অধ্যাপক কে পি চৌধুৰীৰ 'A Dream broken', মনোজ কুমাৰ গোস্বামীৰ 'The Vulture' আদি প্ৰকাশ পায়। ৰচনাৰ শিতানত চিন্তামণি শৰ্মাৰ 'Environmental Pollution : Its impacts', অধ্যাপক এচ কে দত্তৰ 'Environmental Education' প্ৰকাশ হয়।

৩৭ সংখ্যাৰ নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৯০-৯১ চনৰ প্ৰকাশ। সম্পাদক নৰজ্যোতি মহন্ত। শিক্ষক তত্বাৱধায়ক ক্ৰমে অধ্যাপক ড°গিৰিকান্ত গোস্বামী, অধ্যাপক ডঃ বলদেৱ শৰ্মা আৰু অধ্যাপিকা লীৰা নেওগ। সম্পাদকীয়ৰ পিছতে কবিতাৰ শিতান। এই শিতানত পঙ্কজ নেওগৰ 'অৱশেষত', বীণা দেৱীৰ 'দুটা কবিতা', দেৱাশীষ বৰুৱাৰ 'প্ৰতিদিন', অমিয় শইকীয়াৰ 'সুন্দৰৰ আৰাধনাত', নৰজ্যোতি মহন্তৰ 'খুব কম সময়তে', কবিৰঞ্জন শইকীয়াৰ 'প্ৰতিশব্দ', দীপমণি হাজৰিকাৰ 'কবিতা', ৰণজিত কুমাৰ ডেকাৰ 'মই হম নিৰ্যাতিতা', দীপা ডেকাৰ 'ক্ৰমশ', স্বৰ্ণ বৰাৰ 'অপেক্ষা' আদি প্ৰকাশ হয়। এই সংখ্যাত গল্পৰ শিতানত পলাশ প্ৰতিম বৰাৰ 'মৌন ক্ৰন্দনবোৰ', স্বৰাজ নাথৰ 'সংকোচ', অনামিকা বৰাৰ 'সংঘাতৰ শেষত', মৃণাল ক্ৰান্তি নাথৰ 'অসমান্তৰাল', শংকৰজ্যোতি ভূঞাৰ 'প্ৰথম পুৰস্কাৰ', দিলীপ চন্দ্ৰ শৰ্মাৰ 'শত্ৰু' প্ৰকাশ হয়।

প্ৰবন্ধমালাত আছে চন্দ্ৰ মেধিৰ ‘মহাকাশ বিজ্ঞানত ভাৰত ঃ এটি পৰ্যালোচনা’, প্ৰেমানন্দ শইকীয়াৰ‘লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্য প্ৰতিভা’, ৰেব বৰাৰ ‘ভিন্নসুৰী গ্ৰন্থ’, মুনমুন বৰাৰ ‘ভিনচেণ্ট ভেন গখ’, গোলাপ চন্দ্ৰ বৰাৰ ‘আধুনিক নাট্যশিল্প আৰু স্তানিচ্ লাৱস্কি’, ধ্ৰুৱজ্যোতি লস্কৰৰ ‘একুয়াৰ্ড ইমুনু ডেফিচিয়েন্সি চিন্দ্ৰম’, শৰৎ বৰকটকীৰ ‘কবিতাৰ বিষয়ে কিছু কথা’ (সাক্ষাৎকাৰ), গহন বৰাৰ ‘ঢোলৰ যাদুকৰ মঘাই ওজা’, মৃণাল ক্ৰান্তি নাথ ‘ওঁম সৰস্বতৈঃ নমঃ’, বিষ্ণুদত্ত শৰ্মাৰ ‘ক্ষুদ্ৰ জাতিস্বত্বা’, ডিম্বেশ্বৰ বৰাৰ ‘অসমীয়া সমাজ গঠন প্ৰক্ৰিয়া, ইয়াৰ বিপৰ্যয়’, ড° গিৰিকান্ত গোস্বামীৰ ‘মাধৱদেৱৰ ৰচনাৱলীৰ ভাষা অধ্যয়ন’, ৰবীন বৰদলৈৰ ‘মোৰ গাঁওখন (ক)’, চিদানন্দ শৰ্মাৰ ‘মোৰ গাঁওখন (খ)’, মঞ্জু কুমাৰ দিহিঙীয়াৰ ‘আমাৰ চাহপাতৰ বাগানখন’, সম্পাদকসকলৰ প্ৰতিবেদন, পদুম ৰাজখোৱাৰ ‘শঙ্কৰদেৱ চ’ৰা গঠন’।

এই সংখ্যাত ইংৰাজী শাখাত প্ৰবন্ধৰ শিতানত মেহেৰতাজ জান্নাৰৰ ‘Working women and their challenge’, নৰেশ চন্দ্ৰ হাজৰিকাৰ ‘Dramatist Sri Sri Sankardeva’, ফিলিপ ডেভিদ ডাউজীৰ ‘My Visit to my paternal home’, কবিতা বৰাৰ ‘Kuwait the paradise lost’, অধ্যাপক নবকুমাৰ মহন্তৰ ‘Geography a science of synthesis’, অশোক মোদীৰ ‘To create or not to create’ আদি প্ৰকাশ হয়।

কবিতাৰ শিতানত অধ্যাপক শচীন্দ্ৰ কাকতিৰ ‘Kalidasa's Raghuvamsam Retold’, সুলক্ষণা বৰাৰ ‘Memories’, সোমেন্দ্ৰ চক্ৰৱৰ্তীৰ ‘Advice’, ৰবিন বৰদলৈৰ ‘To the black heart’ আৰু ‘Clarification’ আদি প্ৰকাশ হয়।

৩৮ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন ১৯৯১-৯২ চনৰ প্ৰকাশ, সম্পাদক অপূৰ্ব কুমাৰ বৰুৱা, শিক্ষক তত্বাৱধায়ক অধ্যাপক শৰৎ বৰকটকী। এই সংখ্যাত প্ৰবন্ধৰ শিতানত ৰেব বৰাৰ ‘স্বাধীনতা আঁৰৰ মৰ্মন্তুদ কাহিনী’ কুশল শইকীয়াৰ ‘এটি পৰ্যবেক্ষণ’, লাতুমণি শৰ্মাৰ ‘প্ৰাচীন অসমীয়া গদ্য-সাহিত্যৰ এটি চমু খতিয়ান’, পাৰ্থপ্ৰতিম বৰুৱাৰ ‘পৰিৱেশৰ ওপৰত অৰণ্যৰ প্ৰভাৱ’, অনিল চন্দ্ৰ ডেকাৰ ‘তেজদান আঁচনি আৰু ইয়াৰ ব্যৱহাৰিকতা’ সীমাঞ্চল দিগাল ‘চাহ জনজাতিৰ জীৱনত এভূমুকি’, শৰৎ বৰকটকীৰ ‘ফটোগ্ৰাফী আৰু যুদ্ধভূমিৰ ফটোগ্ৰাফাৰ ড’নাল্ড মেককুলিন’, পাৰ্থ প্ৰতিম হাজৰিকাৰ ‘সমৰ কলা টাইকোৱানডো আৰু অসমত ইয়াৰ স্থান’, বিজিত

বল্লভ বৰঠাকুৰৰ ‘আশ্বৰ্যজনক হৃবি ডি এক্সিং’ আদি প্ৰকাশ পায়।

এই সংখ্যাত কবিতাৰ শিতানত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ ‘হিলৈদাৰী’, কবি ৰবীন্দ্ৰ বৰাৰ ‘খবৰ’, ৰাজশ্ৰী শইকীয়াৰ ‘ক্ষণভংগুৰ জীৱনৰ গতিত’ দেবাশীষ বৰুৱাৰ ‘আদম, ইভ আৰু আনুষংগিক’, ৰণ্টু বৰাৰ ‘পতিতা’, অখিল চন্দ্ৰ ভাগৱতীৰ ‘সমাজ’, কুশল শইকীয়াৰ ‘শব্দ ব্ৰহ্ম’, ৰাজীৱ কুমাৰ হাজৰিকাৰ ‘কেঁচা তেজেৰে লিখা চিঠিখন’, উপেন কলিতাৰ ‘আৰ্তনাদ’, লক্ষীমাই হাজৰিকাৰ ‘মৃত্যু’, ৰঞ্জন দত্তৰ ‘উন্মাদিনী কপিলী’, দীপক ডেকাৰজাৰ ‘মোৰ জীৱনৰ প্ৰতিচ্ছবি’, কুমাৰ কৌশিকৰ ‘বাৰ্দ্ধক্য’, পূৰ্ণানন্দ গোস্বামীৰ ‘ছবি’, ভদ্ৰেশ্বৰ বৰদলৈৰ ‘যুক্তি’ আদি প্ৰকাশ পায়। লগতে কবীন ভাগৱতীৰ ‘জয়ালৈ বাতৰি’ নামৰ এটি কথা কবিতা প্ৰকাশ হয়।

এই সংখ্যাত ইংৰাজী শাখাত প্ৰবন্ধৰ শিতানত অধ্যাপক এ এন এম চালেহৰ ‘Last Day on Earth’, অধ্যাপক এচ শইকীয়াৰ ‘Kalidas's Raghuvamsam Retold’, ৰাজঋষি বৰাৰ ‘The Dream’, অজয় কুমাৰ সিঙৰ ‘Had I been a soldier’, ফাজ্‌ৰি আলিৰ ‘Outside the wall’, অধ্যাপক মনোজ হাজৰিকাৰ ‘Educating the Youth for’, অধ্যাপক ডঃ লীলাৱতী দাসৰ ‘Bangladeshi Infiltration Into’, ফিৰদাউচি চুলতানৰ ‘A few lines on the great poet’, অধ্যাপক অৰুণ কুমাৰ বৰ্মনৰ ‘Colour of fruits and vegetables’, চন্দ্ৰ মেধিৰ ‘Wheat rust problem in India’, তপন পণ্ডিতৰ ‘Shyness mars life’, পাৰভেজ আহমেদৰ ‘The queen of the grass court’, মোদী অশোকৰ ‘Madonna’ আদি প্ৰকাশ হয়।

৩৯ সংখ্যক নগাঁও মহাবিদ্যালয়ৰ আলোচনীখনৰ ১৯৯২-৯৩ চনৰ প্ৰকাশ। সম্পাদক মণ্টু বৰা। শিক্ষক তত্বাৱধায়ক অধ্যাপক শৰৎ বৰকটকী। এই সংখ্যাত প্ৰবন্ধৰ শিতানত অধ্যাপিকা কল্পনা হাজৰিকা গায়নৰ ‘কবিতাৰ সংজ্ঞা অলংকাৰ বিচাৰ, শব্দ আৰু দুৰ্বোধ্যত্তা’, বাবুল চন্দ্ৰ নাথৰ ‘বৰ্তমান শিক্ষানীতি ঃ সমস্যা আৰু সম্ভাৱনা’, চন্দ্ৰ মেধিৰ ‘বিলুপ্তিৰ পথত উদ্ভিদ জগত’, ৰঞ্জুমণি চহৰীয়াৰ ‘মহান চিত্ৰশিল্পী পাৱলো পিকাছো’, অধ্যাপক শৰৎ বৰকটকীৰ ‘কঠাল গছৰ ৰসাল কথা’, সুৰেন্দ্ৰ বৰুৱাৰ ‘কাৰবি গীতি সাহিত্যত লোক জীৱন’, পুলকানন্দ কৌশিকৰ ‘বিশ্বত একক, অনন্য আৰু অনুপম অসমৰ স্বৰ্ণ বস্ত্ৰ’, দিপাঙ্কৰ ৰয়ৰ ‘ব্যৰ্থতাৰ আঁৰত চূড়ান্ত সফলতা’, ৰূপজ্যোতি হাজৰিকাৰ ‘অ’জন আৰু ছি এফ ছি এটি চমু আলোচনা’,

পুলিন চন্দ্ৰ বৰাৰ 'মানচিত্ৰ অধ্যয়নৰ ইতিহাস আৰু ক্ৰমবিকাশ' আদি প্ৰবন্ধ প্ৰকাশ হয়। লগতে সম্পাদকৰ দ্বাৰা 'ব্যংগ কবি নাৰায়ণকটকীৰ সৈতে কেইটিমান মুহূৰ্ত' এটি সাক্ষাৎকাৰ প্ৰকাশিত হয়।

এই সংখ্যাত কবিতাৰ শিতানত কৰবী ডেকা হাজৰিকাৰ 'খোজ', নিৰোদ কুমাৰ ভূঞাৰ 'শ্বহীদ', যতীন দাসৰ 'ভুল', সত্যব্ৰত দাসৰ 'মোৰ দুখেই মই', প্ৰভাত নাথৰ 'তুমি এক অখণ্ড প্ৰতিচ্ছবি', মোঃ মাইনুল হ'ক আকন্দৰ 'কবিতা', ববী বনিয়াৰ 'কেঁচা তেজৰ সপোন', শচীন্দ্ৰ বৰুৱাৰ 'কবিতা', জয়ন্ত কুমাৰ কাকতিৰ 'সময়ৰ আহ্বান', জ্যোতি নাথৰ 'ওলমি থকা মানুহবোৰ', পাৰ্থ প্ৰতিম নাথৰ 'তেজৰ ভিতৰৰ প্ৰতীক', কবিৰঞ্জন শইকীয়াৰ 'সহৃদয়তাৰে', শিখা লস্কৰৰ 'মোৰ কবিতা', কবিন্দ্ৰ চন্দ্ৰ পাটৰৰ 'সৃষ্টিৰ গান', মাখন শৰ্মাৰ 'আশংকা', স্বপন কুমাৰ দেৱৰ 'সময় এতিয়া দুঃসময়',ৰণ্টুমনি বৰাৰ 'নিৰাপত্তা আৰেষ্টনীত বিবস্ত্ৰা দ্ৰোপদী', পবিত্ৰ কলিতাৰ 'বাকৰুদ্ধ' আদি কবিতাই আলোচনীখনৰ শোভা বঢ়ায়।

এই সংখ্যাত ইংৰাজী শাখাত কবিতাৰ শিতানত অধ্যাপক কে পি চৌধুৰীৰ 'The Enemy', নামেৰে প্ৰয়াগ শইকীয়াৰ কবিতা এটি অনুবাদ কৰে। লগতে ৰাজঋষি বৰাৰ 'The Wondrous Mind', চঞ্চল আগৰৱালাৰ 'My Country of My Country', শিপ্ৰা ঘোষৰ 'Youth', দেৱাশীষ সিংহৰ 'The Strong Vision' প্ৰকাশ হয়। লগতে 'We are grateful to those Ex-Editor... our beloved magazine...' শিৰোনামৰ এটি লেখা প্ৰকাশ হয়। প্ৰবন্ধৰ শিতানত জ্যোতি নাথৰ 'Rhythm or Laya in Music', ৰবীন্দ্ৰ বৰাৰ 'Antartica Expendition', চিন্তামণি শৰ্মাৰ 'Cold Fusion : A real or fake Phenomenon', বিশ্বজিৎ শইকীয়াৰ 'Hollywood : Down The Memory Land', অধ্যক্ষ প্ৰদীপ শইকীয়াৰ 'Problem of higher education in Assam', পাৰভেজ আহমেদৰ 'The one and only' আদি প্ৰবন্ধ প্ৰকাশ হয়।

৪১ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনীখন ১৯৯৯-২০০০, ২০০০-২০০১ বৰ্ষৰ প্ৰকাশ, সম্পাদক পাৰ্থপ্ৰতীম শইকীয়া (১৯৯৯-২০০০ বৰ্ষ) আৰু হেমন্ত কুমাৰ বৰা (২০০০-২০০১ বৰ্ষ), শিক্ষক তত্বাৱধায়ক অধ্যাপিকা কল্পনা হাজৰিকা গায়ন, অধ্যাপক কামাখ্যা প্ৰসাদ চৌধুৰী, এই সংখ্যাত সম্পাদকৰ কলমৰ পিছতে প্ৰবন্ধৰ শিতানত যজ্ঞেশ্বৰ শৰ্মাৰ 'নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন সম্পৰ্কত',

মহিম বৰাৰ ‘স্মৃতিৰ জলঙাৰে নগাঁও কলেজ ঃ ৰাতি নথকা দিনবোৰ’, কল্পনা হাজৰিকাৰ ‘অসমীয়া জীৱনী সাহিত্য’, জনাৰ্দন ৰয়ৰ ‘শোলীৰ কবিতাত বিপ্লৱ আৰু সংস্কাৰ’, প্ৰাঞ্জল প্ৰতিম বৰাৰ ‘অসমত সাংবাদিকতাৰ সংকট আৰু সম্ভাৱনা’, নৰকান্ত বৰদলৈৰ ‘ৰমন্যাসবাদ আৰু জোনাকী’, দীপক কুমাৰ বৰাৰ ‘অসমীয়া সাহিত্যৰ বুৰঞ্জীত উপেক্ষিত অজ্ঞাত কবিৰ ‘আদি-যামল’, গাৰ্গী বৰুৱাৰ ‘প্ৰাক-স্বাধীনতাৰ ঔপনিৱেশিক শাসন আৰু বৰ্তমান অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ ওপৰত ইয়াৰ প্ৰভাৱ’, ৰূপাঞ্জলি দেৱীৰ ‘পুথি প্ৰসংগ-প্ৰসংগ ঃ প্ৰেমৰ দিনৰ প্ৰস্তাৱ’, পল্লৱ পৱন বৰাৰ ‘কল্পলোকত চিত্ৰশিল্পী’, প্ৰদীপ শইকীয়াৰ ‘লোকগীতৰ উৎস আৰু প্ৰকৃতি’, প্ৰাঞ্জল বৰাৰ ‘গতানুগতিকত সমাজ-সভ্যতা, যুক্তিবাদৰ প্ৰাসঙ্গিকতা’, অৰ্ণব গায়নৰ ‘আধুনিকতা আৰু বিশ্বাস’, ড° গিৰিকান্ত গোস্বামীৰ ‘সাহিত্য প্ৰতিভাৰ স্বৰূপ বিচাৰ’, আদি প্ৰবন্ধ প্ৰকাশিত হয়।

এই সংখ্যাত কবিতাৰ শিতানত যজ্ঞেশ্বৰ শৰ্মাৰ ‘হিলৈদাৰী’, বনশ্ৰী ভট্টাচাৰ্যৰ ‘আইৰ চিঠি ঃ শ্বহীদলৈ’, ভাৰতী ভড়ালীৰ ‘কবিতাৰ সবিতা কবি’, পাৰ্থ প্ৰতীম শইকীয়াৰ ‘সমাধিস্থললৈ আহিবানে বাৰু তুমি’, অনুপ কুমাৰ দাসৰ ‘কোনটো শাৰীৰ পৰা আহিবা তুমি’, অজয় কুমাৰ নাথৰ ‘অনুভৱ’, হেমন্ত কুমাৰ বৰাৰ ‘অবুজ সময়’, নিৰ্মালি বৰাৰ ‘কলিজাৰ ৰং’, নীলোৎপল শইকীয়াৰ ‘নাৰী’, জ্যোতিৰেখা বৰাৰ ‘পৰিচয়’, মোঃ নাজিম উদ্দিন আহমেদৰ ‘তোমাৰ স্মৃতি’, প্ৰহ্লাদ শংকৰ ভাগৱতীৰ ‘আৰ্ত্তনাদ’, চন্দ্ৰশেখৰ শৰ্মাৰ ‘সাতোৰঙী স্বপ্নৰ ব্যাকুলতা’, শান্তনু কুমাৰ নাথৰ ‘মাতৃৰ কোলাত’, বিশ্বজ্যোতি শইকীয়াৰ ‘স্বপ্নাকাঙ্খাৰ পৰা আঁতৰি গ’ল জোনাক’, অমৰদ্বীপ হাজৰিকাৰ ‘এটি পল’, কৃষ্ণমণি শইকীয়াৰ ‘আকাশৰ স’তে এবুকু আলাপ’, জনাৰ্দন ৰয়ৰ ‘চিৰন্তন’, তপন শইকীয়াৰ ‘আগৰ দিন নাই’, প্ৰাঞ্জল প্ৰতীম বৰাৰ ‘তোমালৈ এখন অপ্ৰত্যাশিত চিঠি’, উমেশ চন্দ্ৰ ডেকাৰ ‘এৰাবাৰী’, উৎপল কুমাৰ গোস্বামীৰ ‘যোৱাবাৰেই ভাবিছিলো’, ময়ূৰ কুমাৰ বৰাৰ ‘মোৰ বুকুৰ সেউজীয়াবোৰ’, মানস বৰঠাকুৰৰ ‘বিপ্লৱ’, জোনালী বৰাৰ ‘পছোৱা’ আদি প্ৰকাশ পায়।

গল্পৰ শিতানত তপন শইকীয়াৰ ‘ছোৱালীজনী’, বিপুল শইকীয়াৰ ‘আবৰ্জনা, নীলকমল হাজৰিকাৰ ‘হতাশা’, দ্যোতিভা বৰাৰ ‘খোজ’, অজয় কুমাৰ নাথৰ ‘দুই নম্বৰী ধান্দা’, প্ৰফুল্ল কুমাৰ দাসৰ ‘ধানটোৰে প্ৰতি কণটো’, দেবাশীষ বেজবৰুৱাৰ ‘ভূমিপুত্ৰ’, বিপুল দাসৰ ‘ৰেগিং, মোঃ আজিজুৰ ৰহমানৰ ‘তাই উচুপি উঠিছে’, ইণ্টু

কাকতিৰ ‘সেই ছোৱালীজনী, আদি প্ৰকাশ হয়। বিবিধ শিতানত ভাৰতী ভড়ালীৰ ‘প্ৰত্যুষৰ অপেক্ষাত আকাশ আৰু এপাহ ৰজনীগন্ধা’, মহিম বৰাৰ ‘প্ৰতিধ্বনি’, অংকুৰ তামুলী ফুকনৰ ‘ক্ৰান্তিকালৰ স্বপ্ন’, সুনীল বৰাৰ ‘সম্পাদকলৈ চিঠি’, ‘অসমৰ সাহিত্য সভাৰ সভাপতিৰ ভাষণৰ কিয়দাংশ ঃ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা’, চালিম ছিদ্দিকৰ ‘আগফালে মাৰো দাং পিছফালে ধোবাং বাং’, প্ৰণৱ কুমাৰ নাথৰ ‘ব্ৰহ্মচৰ্য ঃ কিছু আলাপ’, সঞ্জয় দেৱ ‘মুক্তধাৰা নাটক— সীমাবদ্ধতা ও প্ৰাসঙ্গিকতা’, ৰাজনীশ কাশ্যপৰ ‘কাৰ্টুন’ আদি।

এই সংখ্যাত ইংৰাজী শাখাত ড° মাণিক কৰৰ ‘About Earthquake of North East India’ কে পি চৌধুৰীৰ ‘Nostradamus— The man behind the Enigma’, এম আহোমৰ ‘Teaching Trap’, সুদীপ্ত কুমাৰ বৰুৱাৰ ‘Life is a race, win it’, বিজয় কৃষ্ণ শৰ্মাৰ ‘Gunter Grass, the last Nobel Prize Winner of the 20th Century’, বুদ্ধদেৱ ৰায়চৌধুৰীৰ ‘Problems of India in the 21st Century’, পাৰ্থজিৎ বৰুৱাৰ ‘Shakespeare's Wisest fool’, শ্ৰীমতী লীৰা নেওগৰ ‘Thoughts / Loneliness / Missing you’, মঃ শ্বফি কমলৰ ‘Reminiscence’, প্ৰিয়ংকা কৌশিকৰ ‘On Search’, মমশ্চাদ দিনৰীৰ ‘A True Friend’, অৰুণ কুমাৰ বৰ্মনৰ ‘Dangerous CFCs’, অনুপ কুমাৰ দাসৰ ‘Smoking’, ড° সুৰজিত কুমাৰ ভাগৱতীৰ ‘Cooperative movement in Assam’, শ্ৰীমতী বন্তি নেওগৰ ‘Indian Working Women— A Gender Specific Discrimination’, মধুমিতা বৰাৰ ‘Character is Destiny’, বিজয় দত্তৰ ‘The Extremist’, জ্যোতিকৃষ্ণ নাথৰ ‘An Educational Tour’ আদি প্ৰবন্ধ প্ৰকাশিত হয়।

সমীক্ষা শিতানত আমাৰ কৃতিত্ব, সমীক্ষা, অভিমত-প্ৰসংগ ঃ সাম্প্ৰতিক অসম, মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ মনৰ কথা, ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতে মুখামুখি, প্ৰতিবেদন আদি লেখাই আলোচনীখনৰ শোভা বৰ্দ্ধন কৰিছে।

**(চাৰি)**

এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী এখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভাৰ সৃষ্টিৰ কঠিয়াতলী। হয়তো নিজৰ শিক্ষানুষ্ঠানৰ পৰা প্ৰকাশিত আলোচনীখনতে জীৱনত পোনপ্ৰথমবাৰৰ বাবে নিজৰ সাহিত্য প্ৰতিভা

বিকশিত কৰাৰ সুযোগ পায়। কোনোৱে আকৌ আলোচনীখনৰ মাজেদি সাহিত্য চৰ্চা কৰা এখন ক্ষেত্ৰ লাভ কৰে। বিদ্যালয় বা মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, কৰ্মচাৰীসকলেও আলোচনীখনত ধাৰাবাহিকভাৱে নিজৰ সাহিত্য সৃষ্টিৰ সুযোগ লাভ কৰে। নগাঁও মহাবিদ্যালয়ৰ আলোচনীখনেও তেনে এক সুযোগ আৰু সুবিধা প্ৰদান কৰিলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু কৰ্মচাৰীসকলৰ মাজত। নগাঁও মহাবিদ্যালয়ৰ আলোচনীখনত লেখা-মেলা কৰি নিজৰ কলেজখনৰ ভিতৰতে জনপ্ৰিয়তা লাভ কৰিবলৈ কিছু ছাত্ৰ-ছাত্ৰী সক্ষম হৈছিল। তাৰে কিছু সংখ্যক শিক্ষাৰ্থীয়ে পৰৱৰ্তী সময়ত সাহিত্য চৰ্চাৰ মাজেদি অসমীয়া ভাষা সাহিত্য জগতখনত জিলিকি থাকিবলৈ সক্ষম হৈছে। নগাঁও মহাবিদ্যালয়ৰ অসমীয়া ভাষা সাহিত্যলৈ তেনে অৱদান থকা লোকৰ অভাৱ নাই। কিছু সীমাৱদ্ধতাৰ বাবে বিংশ শতাব্দীৰ নগাঁও মহাবিদ্যালয়ৰ আলোচনীত সাহিত্য-চৰ্চাৰ জৰিয়তে নগাঁও জিলাৰ সাহিত্যৰ ভেটি সুদৃঢ় কৰাত বৰঙণি আগবঢ়োৱা যিসকল সাহিত্য সেৱীয়ে পৰৱৰ্তী সময়ত সৃষ্টিমূলক লেখাৰে অসমীয়া ভাষা-সাহিত্য সমৃদ্ধিশালী কৰিছে সেইসকলক এই লেখাৰ মাজেদি কৃতজ্ঞতা জনাব বিচাৰিছোঁ। হয়তো মোৰ অক্ষমতা আৰু জ্ঞান অভাৱৰ বাবেই নগাঁও মহাবিদ্যালয়ৰ তেনে সকলো ব্যক্তিক এই লেখাটিত সন্নিবিষ্ট কৰিব নোৱাৰিলো। গতিকে প্ৰথমেই মই ইয়াৰ বাবে জ্ঞানীজনৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

যদিও নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু কৰ্মচাৰীসকলৰ প্ৰবন্ধ, গল্প, কবিতা, নাটক আৰু ভিন্নধৰণৰ লেখাৰ জৰিয়তে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল, তথাপি মোৰ বোধেৰে মহাবিদ্যালয় পৰ্যায়ত সম্পাদকজনে এই আলোচনীখনৰ মূল খনিকৰ। কাৰণ সম্পাদক সকলেই প্ৰথমে সকলোৰে পৰা লেখাসমূহ বিচাৰি পিছত আকৌ সেইবোৰ সংগ্ৰহ কৰি মহাবিদ্যালয়ত এক সাহিত্যৰ পৰিৱেশ সৃষ্টি কৰে। গতিকে বিংশ শতাব্দীৰ নগাঁও মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদকসকলক মই প্ৰথমেই কৃতজ্ঞতা আৰু মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

নগাঁও কলেজৰ হাতেলিখা আলোচনী 'শেৱালি'ৰ সম্পাদক দুজন আছিল। তেখেতসকল ক্ৰমে মহিম বৰা আৰু দেবেন্দ্ৰ নাথ হাজৰিকা। নগাঁও কলেজ আলোচনী ১৯৫০ চনত ছপা আকাৰে প্ৰকাশ হয়। এই সংখ্যাবোৰৰ সম্পাদকসকল হ'ল ক্ৰমে তৰুণ ফুকন, অতুল চন্দ্ৰ গোস্বামী, প্ৰফুল্ল চন্দ্ৰ মহন্ত, অমূল্য চন্দ্ৰ নাথ, কেশবানন্দ দেবগোস্বামী, ব্ৰজেন বৰঠাকুৰ, কবিন বৰা, ৰেণুকা ৰঞ্জন কাকতী, প্ৰদ্যুম্ন নাৰায়ণ

দেৱগোস্বামী, কিৰণ মহন্ত, ৰবীন ডেকা, পদ্ম পাটৰ, জগত হাজৰিকা, জিন্নাটুল ইছলাম, বীণা বৰা, লুইত বৰা, গুণীন্দ্ৰ গায়ন, মুৰুলী শৰ্মা, তাইজুল ইছলাম বক্স, অমূল্য কুমাৰ নাথ, মুকুল শৰ্মা, পাপুল বৰা, জ্যোতিৰ্ময় চক্ৰৱৰ্তী, জয়ন্ত কুমাৰ শৰ্মা, সুৰজিৎ গোস্বামী, দেবজিৎ বৰা, ৰাজীৱ কুমাৰ হাজৰিকা, মৃণাল কুমাৰ বৰা, অখিল চন্দ্ৰ ভাগৱতী, নৰজ্যোতি মহন্ত, অপূৰ্ব কুমাৰ বৰুৱা, মণ্টু বৰা, পাৰ্থপ্ৰতীম শইকীয়া আৰু হেমন্ত কুমাৰ বৰা।

নগাঁও কলেজৰ যিসকল শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্য সমৃদ্ধ আৰু বিকাশ ঘটালে, সেইসকলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা। নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি যজ্ঞেশ্বৰ শৰ্মাই কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে। তেখেতৰ সৃষ্টিৰাজি হ'ল 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' (প্ৰথম খণ্ড, ১৯৭২), 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' (দ্বিতীয় খণ্ড), 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' (তৃতীয় খণ্ড, ১৯৮৯), 'লেফাফা' (কবিতা সংকলন, ১৯৭২), 'গুলিস্তানৰ সাধু' (১৯৭৫), লক্ষ্মীনাথ বেজবৰুৱা আৰু গাঁৱলীয়া জীৱন' (১৯৭৯), 'সেই বাবুটো' (কবিতা সংকলন, ১৯৮০), 'ফুল আৰু জুই' (প্ৰবন্ধ সংকলন, ১৯৮৮), কাব্য 'দেৱতা আৰু মানুহ' (১৯৮৯) আদি।

নগাঁও মহাবিদ্যালয় প্ৰাক্তন উপাধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে বহুকেইখন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। কুমাৰ শ্ৰীমধুসূদন ছদ্মনামত লিখা হাস্য ব্যংগ ৰচনা সংকলন হৈছে 'কিমাশ্চৰ্য্যম' (১৯৫০), 'মই যে কৰাম বিয়া' (১৯৬৬) আৰু 'কৈফিয়ৎ (১৯৭৪)। তেখেতৰ কাব্য দুখন হৈছে-- 'ছয়াময়া (১৯৪১) আৰু স্মৃতি (১৯৪৯), গীত সংকলন 'অময়া' (১৯৫২), গদ্য সংকলন 'বহাগী মেলা' ১৯৪৫ চনত প্ৰকাশ হয়। ইয়াৰ উপৰিও মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে বহুকেইখন গ্ৰন্থ সম্পাদনা আৰু অনুবাদ কৰি অসমীয়া সাহিত্য চহকী কৰি থৈ গৈছে।

নগাঁও কলেজৰ হাতেলিখা আলোচনী 'শেৱালি'ৰ প্ৰথম গৰাকীৰ অন্যতম ছাত্ৰ সম্পাদক সাহিত্যাচাৰ্য মহিম বৰা কলেজখনৰ এগৰাকী প্ৰাক্তন অধ্যাপক। তেখেত অসম সাহিত্য সভাৰ ১৯৮৯ চনৰ ডুমডুমা অধিৱেশনত সভাপতি আসনত উপবিষ্ট হৈছিল। মহিম বৰাৰ প্ৰকাশিত পুথিসমূহ হ'ল— 'কাঠনিবাৰীৰ ঘাট' (১৯৬১), 'দেহা গৰকা প্ৰেম' (১৯৬৭), 'মই পিপলি আৰু পূজা' (১৯৬৭), 'বহুভুজী

ত্ৰিভুজ' (১৯৬৭), 'মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা' (১৯৬৭), 'এখন নদীৰ মৃত্যু' (১৯৭২), 'ৰাতিফুলা ফুল' (১৯৭৭), 'বৰযাত্ৰী' (১৯৮০), 'মোৰ প্ৰিয় গল্প' (১৯৮৭), 'ৰঙা-জিএঙা' (১৯৭৮), 'চিন্তা বিচিত্ৰা' (১৯৭৫), 'পাখিলগা দিন' (১৯৮৯), 'বত্ৰিশ পুতলাৰ সাধু' (১৯৭৬), 'পুতলাঘৰ' (১৯৭১), 'এধানি মাহীৰ হাঁহি' (১৯৯৭) আদি। নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন শিক্ষক মহিম বৰাই 'এধানি মাহীৰ হাঁহি' উপন্যাসখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। ২০১১ চনত ভাৰত চৰকাৰে তেখেতক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল।

কামপুৰৰ দেউৰী গাঁৱত জন্মগ্ৰহণ কৰা বেণুধৰ কলিতা নগাঁও কলেজৰ একালৰ ছাত্ৰ। সাহিত্যৰ ক্ষেত্ৰখনলৈ তেখেতৰ অৱদানসমূহ হ'ল 'বিয়াল্লিশৰ স্মৃতি' (১৯৫৬), 'আটলাণ্টিকৰ পৰা প্ৰশান্তলৈ' (ভ্ৰমণকাহিনী, ১৯৯৫), 'পণ্ডিত কনক চন্দ্ৰ শৰ্মা' (১৯৯৮), 'বিয়াল্লিশৰ নগএঞা শ্বহীদ (২০০৩), 'পাপৰ পৰিণাম' (উপন্যাস, ২০০৩), কেইগৰাকীমান বিখ্যাত মুক্তিযোদ্ধাৰ চমু পৰিচয়' (২০০৩) আদি।

নগাঁও কলেজৰ প্ৰাক্তন শিক্ষাগুৰু ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে অসমীয়া ভাষা-সাহিত্যলৈ বহুখিনি অৱদান আগবঢ়াইছে। সেইসমূহ হ'ল 'অসমীয়া প্ৰবাদ' (১৯৭২), 'ইতিহাসৰ পাত মেলি' (১৯৭২), 'অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষাৰ সংগ্ৰাম' (১৯৭৮), 'বুৰঞ্জী কাহিনী' (১৯৮৯), 'শৰাইঘাটৰ যুদ্ধৰ কাহিনী (১৯৯৫), 'কবি আৰু কাব্যকথা' (১৯৯৫) আদি।

নগাঁও জিলাৰ হাতীচোং অঞ্চলৰ কুজীডাঁহত ১৯৩১ চনত জন্মগ্ৰহণ কৰা লক্ষ্মীনন্দন বৰাই কিছুদিনৰ কাৰণে নগাঁও কলেজত অধ্যাপনা কৰিছিল। অসম সাহিত্য সভাৰ বোকাখাত অধিৱেশনৰ সভাপতি ড° লক্ষ্মীনন্দন বৰাই 'কায়কল্প' গ্ৰন্থখনৰ বাবে ২০০৮ বৰ্ষৰ সৰ্বভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ 'সৰস্বতী সন্মান' বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। তেখেতৰ সৃষ্টিৰাজিৰ ভিতৰত গল্প সংকলন হ'ল- দৃষ্টিৰূপা (১৯৫৮), 'সেই সুৰে উত্তলা' (১৯৬০), 'কাঁচিয়লিৰ কুঁৱলী' (১৯৬১), 'মন মাটি মেঘ', 'গৌৰিৰূপক' (১৯৬১), 'অচিন কইনা' (১৯৬২), 'গোপন গধূলি' (১৯৬১), 'নিষিদ্ধ চেতনা, 'মাজত তুষাৰ নৈ' আদি। তেখেতৰ উপন্যাসসমূহ হ'ল— 'নিশাৰ পূৰৱী' (১৯৬২), 'গঙ্গা চিলনীৰ পাখি' (১৯৬৩), 'বলুকাত বিজুলী' (১৯৬৯), 'মাটিত মেঘৰ ছাঁ' (১৯৭০), 'পাতাল ভৈৰৱী' (১৯৬৮), 'উত্তৰ পুৰুষ' (১৯৭০), 'দহন দুলড়ী' (১৯৭১), 'আকাশ থমকি ৰয়', 'ছাঁ জুইৰ পোহৰত', 'গণেশগুৰি'

(১৯৮৮), আদি। ইয়াৰ উপৰিও তেওঁৰ অনুপম সৃষ্টি হৈছে— ‘যাকেৰি নাহিকে উপাম’ (১৯৯৩), ‘সেই গুণনিধি’ (১৯৯৭), ‘সেহি সব্যসাচী’ (২০১৪) আদি। ১৯৮৮ চনত ‘পাতাল ভৈৰৱী’ উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা লক্ষ্মীনন্দন বৰাৰ উপৰোক্ত সৃষ্টিৰাজিয়ে অসমীয়া ভাষা-সাহিত্যই এক মেটমৰা ভঁড়াল উপহাৰ দিছে।

নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভদ্ৰ বৰাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— ‘অৰ্দ্ধং ত্যজতি’, ‘পণ্ডিত’ (ৰম্য ৰচনা, ১৯৫৬), ‘মধুৰেন (ৰম্য ৰচনা, ১৯৬৫), ‘বহাগতে পাতি যাওঁ বিয়া’ (ৰম্য ৰচনা, ১৯৭৬) আদি।

অসমীয়া কবিতা জগতৰ শ্ৰেষ্ঠতম তথা জনপ্ৰিয় কবি হীৰেন ভট্টাচাৰ্য নগাঁও মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। কাব্য সাহিত্যলৈ তেখেতৰ অৱদানসমূহ হ'ল— ‘মোৰ দেশ মোৰ প্ৰেমৰ কবিতা’ (১৯৭২), ‘কবিতাৰ ৰ'দ’ (১৯৭৬), ‘সুগন্ধি পখিলা’ (১৯৮১), ‘শইচৰ পথাৰ মানুহ’ (১৯৯১), ‘ভালপোৱাৰ বোকা-মাটি’ (১৯৯৫) আদি।

অসমৰ এগৰাকী প্ৰাক্তন মন্ত্ৰী দেবেন্দ্ৰ নাথ বৰাও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। তেখেতে ৰাজনীতিৰ সমান্তৰালভাৱে সাহিত্যক্ষেত্ৰতো মনোনিৱেশ কৰিছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে ‘নগাঁৱৰ মুক্তি যুঁজাৰু’, ‘যিসকলৰ অসমী কণ্ঠ আৰু ত্যাগৰ বিনিময়ে’, ‘কলঙে কান্দে’ আদি। অসমৰ আন এগৰাকী প্ৰাক্তন মন্ত্ৰী ৰমেশ ফুকনো নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। তেখেতে বিভিন্ন প্ৰবন্ধ, গল্প আদি লিখি অসমীয়া ভাষা-সাহিত্য চহকী কৰি থৈ গৈছে।

কলিয়াবৰত সোণাৰি গাঁৱত জন্মগ্ৰহণ কৰা সাংবাদিক আৰু সাহিত্যিক তিলক হাজৰিকাও নগাঁও কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ আছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ— ‘আড্ডা’ (১৯৫৮), ‘কত কথা’ (১৯৬০), ‘আবেলিৰ ছাঁ’ (২০০৭), ‘মহাশ্বেতা দেৱীৰ গল্প’ (অনুবাদ), মহাত্মা গান্ধীৰ হিন্দুধৰ্ম’ (অনুবাদ) আদি।

নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল চন্দ্ৰ মহন্ত, অৱনীন্দ্ৰ চন্দ্ৰ বৰা আৰু অমূল্য চন্দ্ৰ নাথ ক্ৰমে চতুৰ্থ, পঞ্চম, ষষ্ঠ তম সংখ্যাৰ নগাঁও কলেজ আলোচনীৰ সম্পাদক আছিল। এই তিনিওগৰাকীয়ে পৰৱৰ্তী সময়ত অসমীয়া ভাষা-সাহিত্যলৈ বহু অৱদান আগবঢ়াইছে।

নগাঁৱৰ এগৰাকী বিশিষ্ট সাহিত্যিক চেনিৰাম বৰাও নগাঁও মহাবিদ্যালয়ৰ

প্ৰাক্তন ছাত্ৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'মোৰ গীত মোৰ প্ৰেমৰ কবিতা' (১৯৯৯), 'প্ৰেম নৈৰ পখিলা' (২০০২), 'জানেকী জেঠাইৰ আঙঠি' (২০০৩), 'কবিতাৰ কফিন' (২০১২), 'মনময়ুৰী জালুকবাৰী আৰু মোৰ মৰমৰ এ.ই.চি.' (২০১৩) আদি।

হাতেলিখা আলোচনী 'শেৱালি'ৰ প্ৰথম সংখ্যাৰ অন্যতম ছাত্ৰ সম্পাদক আছিল নগাঁও মহাবিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ দেবেন্দ্ৰ নাথ হাজৰিকা। সেই সময়ত 'শেৱালি'খন লিখাৰ সম্পূৰ্ণ দায়িত্ব সম্পাদন কৰিছিল দেবেন্দ্ৰ নাথ হাজৰিকাই। বটদ্ৰবা শ্ৰীশ্ৰীশঙ্কৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা দেবেন্দ্ৰ নাথ হাজৰিকাই বহু প্ৰবন্ধ-পাতিৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ 'একুৰি ভিন্নসূচী লেখা' আদি।

ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ধৰ্মসিংহ ডেকাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। অসমীয়া ভাষা-সাহিত্যলৈ বহু অৱদান তেখেতে আগবঢ়াইছে। উল্লেখযোগ্য হ'ল— 'ৰচনা বিচিত্ৰা' (অসমীয়া ৰচনা), 'জোঙাল বলহু' (নাটক) আদি।

বিশিষ্ট শিক্ষাবিদ, নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হৰেশ্বৰ গোস্বামীও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। এইগৰাকী সাহিত্যসেৱীৰ সৃষ্টিৰাজি হৈছে— 'মাধ্যমিক শিক্ষা আৰু সমীক্ষা', 'শ্ৰীৰাম আতাৰ চৰিত্ৰ', 'খগেশ্বৰ গোস্বামীৰ কৃতি আৰু কীৰ্তি', 'উপদেশ', 'কাল সংহিতাৰ বাৰ' আদি। আন এগৰাকী নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অধ্যাপক ললিত চন্দ্ৰ শইকীয়াই সাহিত্য চৰ্চাৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যলৈ বিশেষ অৰিহণা আগবঢ়াইছে। তেখেতৰ বিভিন্ন লেখা অসমৰ বহু বাতৰিকাকত, আলোচনী আদিত প্ৰকাশ পাইছিল।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সজাগ আৰু শ্ৰদ্ধাশীল আন এগৰাকী ব্যক্তি ৰেৱ বৰাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। ইয়াৰ উপৰিও তেখেতে নগাঁও মহাবিদ্যালয়ৰ 'মহেন্দ্ৰ নাথ মৈহেংদাং ডেকাফুকন পুথিভঁৰাল'ৰ গ্ৰন্থাগাৰিক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে- জীৱনী 'পুথিভঁৰাল বিজ্ঞানী ড° এছ্. আৰ. ৰঙ্গনাথন', প্ৰবন্ধ সংকলন— 'পুথিভঁৰাল আৰু পুথিভঁৰালী', 'নগঞা সাহিত্যিকৰ গ্ৰন্থপঞ্জী' আদি।

বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ গৱেষক পণ্ডিত ড° কেশবানন্দ দেৱগোস্বামীৰ

জন্ম ১৯৩০ চনত নগাঁৰৰ বালিসত্ৰত। এইজনা গৱেষক পণ্ডিত নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ তথা 'নগাঁও কলেজ আলোচনী'ৰ সপ্তম সংখ্যাৰ সম্পাদক আছিল। অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান শ্ৰীমন্ত শঙ্কৰদেৱ বঁটাপ্ৰাপক ড° গোস্বামীৰ উল্লেখযোগ্য ৰচনাৰাজিৰ কিছু হ'ল—'পীঠ ৰহস্যম' (কবিতাপুথি, ১৯৫১), 'চিত্ৰলেখা' (কবিতাপুথি, ১৯৫২), 'দুসুঁতি মুখৰ ঘাট' (গল্প সংকলন, ১৯৬৩), 'গৈলা কোন দিশে' (উপন্যাস, ১৯৮৭), শিশু সাহিত্য ক্ৰমে 'কব জানিলে কথা' (১৯৭৩) আৰু 'নাহিবি জপনা দেই' (১৯৯২)। তেখেতৰ সাহিত্য আলোচনামূলক গ্ৰন্থ হ'ল— 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা' (১৯৭১), 'সত্ৰ সঙ্গীতৰ স্বৰৰেখা' (১৯৭৬), 'অঙ্কীয়া ভাওনা' (১৯৮৪) আদি।

নগাঁও মহাবিদ্যালয়ৰ আন এগৰাকী অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ শইকীয়াৰ জন্ম ১৯৩৬ চনত টীয়কত। এইগৰাকী প্ৰখ্যাত সাহিত্যিকৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'ওমৰখৈয়াম' (১৯৮৭), 'প্ৰতিশ্ৰুতি', 'নাৰী যুগে যুগে', 'বিবিধ নিবন্ধ', 'ইলিয়াদ' আদি। তেখেতৰ অনুবাদ সাহিত্যৰ ভিতৰত আছে 'কথা মহাভাৰত', 'কথা ৰামায়ণ', 'হোমাৰৰ ইলিয়াদ', 'হোম্‌াৰৰ ওডিছি' আদি।

অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক চামচুল হুদাও নগাঁও কলেজৰ একালৰ ছাত্ৰ। ছাত্ৰ অৱস্থাত তেখেতৰ বহু লেখা নগাঁও কলেজ আলোচনীত স্থান পাইছিল। এইগৰাকী সাহিত্যসেৱীৰ দ্বাৰা অসমীয়া উপন্যাস সাহিত্যলৈ আগবঢ়োৱা অৱদানসমূহ হৈছে— 'কস্তুৰী এজনী নেপালী ছোৱালী', 'মৰমী প্ৰিয়া', 'ৰাজবিদ্ৰোহী', 'স্মৃতিৰ কণিকা', 'হেৰোৱা দিন', 'বিদ্ৰোহী পৰশুৰাম' আদি।

বিশিষ্ট গৱেষক পণ্ডিত ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা নগাঁও জিলাৰ শিঙিয়া পোতনি মৌজাৰ তেলীয়াগাঁৱত জন্ম লাভ কৰিছিল। নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই অসমৰ কেইবাগৰাকী শ্ৰেষ্ঠ অসমীয়াৰ জীৱন আৰু সাহিত্যৰ আলোচনা আৰু সম্পাদনা কৰা গ্ৰন্থসমূহত তেখেতৰ বলিষ্ঠ আৰু পাণ্ডিত্যৰ পৰিচয় দি গৈছে। বিশেষকৈ তেখেতে ঊনবিংশ শতিকাৰ বহু তথ্য অতি কষ্টৰে সংগ্ৰহ কৰি তথ্যসমৃদ্ধ বহুকেইখন গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থসমূহে হ'ল— 'মহাফেজখানাৰ খিড়িকিয়েদি' (১৯৮৬), 'কিশোৰ শঙ্কৰদেৱ' (১৯৮৬), 'দূৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা' (১৯৮৮), 'ঊনবিংশ শতিকাৰ অসম'

(১৯৯০), ‘উঁৰলি যোৱাৰ নথিৰ পৰা’ (১৯৯১), ‘সদাগৰ ভোলানাথ বৰুৱা’ (১৯৯৩), ‘প্ৰায় ব্যক্তিগত’ (১৯৯৭), ‘গুণাভিৰাম বৰুৱা’ (২০০১), ‘সাহিত্য চৰ্চা’ (২০০৬), ‘নৈৰ্ব্যক্তিক’ (২০০৭), নিবন্ধ ঊনবিংশ (২০০৭), বেজবৰুৱাৰ নাট্য পৰিক্ৰমা (২০০৯), আদি।

অসম সাহিত্য সভাৰ ধেমাজি আৰু দেৰগাঁও অধিৱেশনৰ সভাপতি পদ্মশ্ৰী ৰংবং টেৰাং নগাঁও মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰই নহয় তেখেত অসমীয়া বিষয়ত অনাৰ্ছসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হোৱা মহাবিদ্যালয়খনৰ প্ৰথমগৰাকী ছাত্ৰ। এই গৰাকী সাহিত্যসেৱীৰ অসমীয়া ভাষা-সাহিত্যলৈ যি অৱদান সেয়া মূল্যাংকন কৰাতো আমাৰ এক ধৃষ্টতা মাত্ৰ। তথাপি তেখেতৰ সৃষ্টিৰাজি হৈছে— ‘ৰংমিলিৰ হাঁহি’ (১৯৮১), ‘নীল অৰ্কিদ’ (২০০১), ‘জাক হেৰুৱা পক্ষী’ (২০০৫), ‘ক্ৰান্তিকালৰ অশ্ৰু’ (২০০৫), ‘মিৰবিন’ (২০০৯), ‘বনফিৰিঙৰ গীত’, ‘সমন্বয়ৰ প্ৰবাহ’, ‘স্মৃতিৰ পাপৰি’ আদি।

ৰামধেনু যুগৰ আন এগৰাকী শ্ৰেষ্ঠ গল্পকাৰ ৰুদ্ৰপ্ৰসাদ কাকতিও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ বহু গল্প, প্ৰবন্ধ অসমৰ বিভিন্ন আলোচনী প্ৰকাশিত হৈ অসমীয়া ভাষা-সাহিত্য সমৃদ্ধ কৰিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে— গল্প সংকলন- ‘অহল্যা’ (১৯৭৯), ‘ৰুদ্ৰপ্ৰসাদ কাকতিৰ নিৰ্বাচিত ৰচনা সম্ভাৰ’ (২০০৮) আদি।

নগাঁও চহৰৰ এগৰাকী জ্যেষ্ঠ নাগৰিক তথা সমাজকৰ্মী ৰাজেন বৰকাকতিও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ বিভিন্ন লেখা আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ পাইছে। ইয়াৰ উপৰি তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘ই কি আৰু কিয়’, ‘জীৱনৰ গতি পথ’, ‘পৰিৱৰ্তন’ (উপন্যাস)।

নগাঁৱৰ এগৰাকী বিশিষ্ট কবি যামিনী কান্ত শৰ্মাও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ আছিল। নগাঁও কলেজ আলোচনীত তেখেতৰ বহুকেইটা কবিতা প্ৰকাশ হৈছিল। পৰৱৰ্তী সময়ত এইগৰাকী ছাত্ৰই কবি হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে— ‘বাহাদুৰচাহ জফৰৰ কবিতা’, ‘ওমৰৰ সুৰ’ আদি। আন এগৰাকী নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হৈছে গুণেন্দ্ৰ পণ্ডিত। তেখেতে সাহিত্য চৰ্চাৰ উপৰিও ৰাজনীতিৰ পথাৰত ভৰি থৈ বিধায়কো হৈছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে— ‘শৈৱ দৰ্শন’, ‘সাহিত্যৰ পটভূমি’ আদি।

অসমৰ এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ ড° ৰাজেন শইকীয়া নগাঁও মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। তেখেতে অধ্যয়ন আৰু গৱেষণাৰ মাজেদি বুৰঞ্জীৰ লগতে অসমীয়া সাহিত্য চহকী কৰিছে। এইগৰাকী গৱেষক পণ্ডিতৰ প্ৰকাশিত গ্ৰন্থ হৈছে— 'পুতলা নাচৰ ইতিকথা', 'ছচিয়েল এণ্ড ইক'নমিক হিষ্টৰী অফ আছাম', '২০০০ এ.ডি.' আদি। লগতে অসম সাহিত্য সভাৰ কলিয়াবৰ অধিৱেশনৰ লগত সংগতি ৰাখি ড° ৰাজেন শইকীয়া মুখ্য সম্পাদক হিচাপে 'নগাঁৱৰ বুৰঞ্জী' গ্ৰন্থখনি প্ৰকাশিত হয়।

বেবেজীয়া পণ্ডিত কনক চন্দ্ৰ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভদ্ৰেশ্বৰ বেজবৰুৱা নগাঁও মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। তেখেতে সাহিত্য চৰ্চাৰ মাজেদি কেইবাখনো গ্ৰন্থ প্ৰকাশিত কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে— উপন্যাস 'যৌৱন জীৱনৰ অতিথি' (১৯৭৭), হেৰুৱা সুবাস (২০০১), কবিতা পুথি 'প্ৰথম মৰম' (১৯৭৪), প্ৰবন্ধ 'বিহু আৰু অসমীয়া সমাজ' (১৯৮৬) আদি। অসমৰ আন এগৰাকী বিশিষ্ট গল্পকাৰ কুসুম বৰাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ প্ৰকাসিত গল্প সংকলন হৈছে— 'মোৰ নতুন কন্যা', 'দামোদৰৰ উইল', 'বিহু ডট-কম', 'অমৃত' আদি।

অসমৰ এগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠক সহজানন্দ ওজাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ বহু লেখা অসমৰ বিভিন্ন আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ পায়। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে 'ক্ৰীড়াঙ্গন'। নগাঁও মহাবিদ্যালয়ৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰী হ'ল ৰেখা শৰ্মা। তেখেতৰ বহু চিন্তাশীল লেখা বিভিন্ন আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ হৈছে। তেখেতৰ মৌলিক গ্ৰন্থসমূহ হৈছে— 'স্মৃতিৰ জলঙাৰে', 'একালৰ বৃন্দাবন একালত পৰে ছন'।

অসমৰ এগৰাকী বিশিষ্ট নাট্যকাৰ দেবকুমাৰ শইকীয়াও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতে বিভিন্ন ধৰণৰ প্ৰবন্ধ, গল্প, নাটক আদি লিখি অসমীয়া ভাষা সাহিত্যলৈ বিশেষভাৱে বৰঙণি আগবঢ়াইছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— নাট্য সংকলন 'কালপ্ৰবাহত পয়গম্বৰ', 'দহন', 'আকাশ, পৃথিৱী আৰু মই', চুটিগল্প সংকলন 'অতৃপ্ত সৃষ্টি' আদি।

অসমৰ আন এগৰাকী বিশিষ্ট ঔপন্যাসিক গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'শম্ভুধন

ফংল'ছা' (উপন্যাস, ২০০১), 'ঢৌ খেলি ঢৌ খেলি' (উপন্যাস, ১৯৮২), 'বৰফ' (উপন্যাস, ১৯৮৬), 'এখন নতুন দলং' (গল্প সংকলন, ২০০২), 'মই বুজি পালো' (২০০৪), 'এদিন ক্লিয়'পেট্ৰাই কান্দিছিল' (গল্প সংকলন, ২০০৭), 'মা' (গল্প সংকলন, ২০০৮), তলৈৰে আৰু তলৈ (গল্প সংকলন, ২০০৯) আদি।

অসমীয়া ভাষা সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা নগাঁও মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হৈছে তোষপ্ৰভা কলিতা। কলেজত পঢ়ি থকা সময়ত এইগৰাকী ছাত্ৰীৰ বহু লেখা নগাঁও কলেজ আলোচনীত প্ৰকাশ পাইছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থৰাজি হ'ল— কবিতা সংকলন 'অভিজ্ঞান লিপি', 'নিৰ্বাচিত কবিতা', 'বিশ্বৰূপা', শিশু সাহিত্য 'সেউজ দ্বীপৰ ৰজা', 'পৰ্বত চূড়াৰ আতংক', 'হেলেন কেলাৰ', 'কিমান যে সাধু', 'জাপানৰ সাধু', 'ৰংঘৰ', 'পৃথিবী আমাৰ ঘৰ', 'ফুলনি', 'ইৰিকতি মিৰিকতি' আদি।

নগাঁও মহাবিদ্যালয়ৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰ হ'ল ড° সাৰদা নন্দ দেৱগোস্বামী। তেখেতৰ জন্ম ১৯৩৯ চনত নগাঁও জিলাৰ বালিসত্ৰত হয়। হোজাই মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোস্বামীৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— উপন্যাস 'ৰজনী বিদূৰ' (১৯৭৫), 'নিশি শয়নে গোৱাই' (১৯৭৯), 'পৱন বৈৰণী' (১৯৮৫), 'দিৱসে আন্ধাৰি' (১৯৮৭), 'উত্তল সৰত্নি' (১৯৮৮) আদি। গল্প সংকলন- অযান্ত্ৰিক (১৯৯৫), 'দাগ আৰু অন্যান্য' (২০০৫)। কবিতা সংকলন 'আহৰি পৰৰ পদ্য' (১৯৯৮)। জীৱনী সংগ্ৰহ- নৰনিধি (১৯৯৯) আদি।

সাঁচিপতীয়া তুলাপতীয়া পুথিৰ বিৱৰণমূলক আলোচনা, সচিত্ৰ পুথিৰ ইতিহাস, ঐতিহাসিক বিৱৰ্তন, নন্দনতাত্ত্বিক বিশ্লেষণ আদি তথ্যৰে কেইবাখনো গৱেষণা গ্ৰন্থ ৰচনা কৰা অসমৰ এগৰাকী গৱেষক পণ্ডিত হৈছে নগাঁৱৰ ড° নৰেন কলিতা। এইগৰাকী গৱেষক পণ্ডিতো নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। তেখেতৰ সৃষ্টিৰাজি হৈছে— 'অনেক আকুতি' (উপন্যাস, ১৯৬২), 'বৰদোৱাৰ শিল্পবস্তু' (১৯৮৫), 'কপিলীপাৰ কাছাৰীপাৰ' (১৯৮৫), 'অসমৰ পুথিচিত্ৰ' (১৯৯৬), 'বেলমঙ্গল কাব্য বিল্ব মঙ্গলস্তোত্ৰ' (২০০৮), 'Descriptive Catalogue of Manuscripts' (১৯৯০), 'Alphabetical Index of Illustrated Manuscripts of Assam' (২০০৯), 'The Katha-Bhagavada Paintings of Puniya-Satra' (২০১০) আদি।

নগাঁও মহাবিদ্যালয়ৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰ হ'ল পদাৰ্থ বিজ্ঞানৰ অধ্যাপক ড° দীপক কুমাৰ বৰকাকতী। নগাঁও মহাবিদ্যালয় আলোচনীত পঢ়ি থকা সময়ত তেখেতৰ কেইবাটাও গল্প প্ৰকাশ পাইছিল। তেখেতৰ প্ৰকাশিত উপন্যাস কেইখন হৈছে— 'ডিকটন', 'উপত্যকাৰ পৰা উপত্যকালৈ', 'কলংপাৰৰ ইতিহাস', 'উদ্ভাসিত উপকূল' আদি।

নগাঁও মহাবিদ্যালয়ৰ এগৰাকী শিক্ষাগুৰু বুদ্ধেশ্বৰ গোহাঞিং, যি গৰাকীৰ সুদীৰ্ঘ কৰ্মজীৱনৰ বহু মূল্যবান লিখনিয়ে নগাঁও মহাবিদ্যালয়ৰ আলোচনীৰ সৌষ্ঠভ বৃদ্ধি কৰিছিল। তেখেতৰ প্ৰকাশিত উপন্যাসখনি হৈছে— 'নামনিৰ ৰেঙনি'।

অসমৰ এগৰাকী আগশাৰীৰ শিশু সাহিত্যিক হৈছে পুৰণিগুদামৰ ফণীন্দ্ৰনাথ গায়ন। এখেতো নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতৰ উল্লেখযোগ্য শিশু সাহিত্য হৈছে 'সোণালী নদীৰ সাধু', 'অকণিৰ পদ্মনাথ', 'সাধু শুনো আহা', 'ৰংমেলাৰ সাধু', 'মহান দেশৰ ৰসাল সাধু', 'ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি', 'কিশোৰৰ বিষ্ণুপ্ৰসাদ ৰাভা', 'এচিয়া মহাদেশৰ সাধু ইত্যাদি', 'শুৱনি দেশৰ সুৱদি সাধু', আদি। ইয়াৰ উপৰিও তেখেতে ১২ গৰাকী মহান অসমীয়াৰ জীৱনী শিশুসকলৰ উপযোগীকৈ লিখি উলিয়াইছে।

ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তোযেশ্বৰ শৰ্মাও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। এইগৰাকী নীৰৱ সাহিত্যিকৰ বিভিন্ন প্ৰবন্ধ বিভিন্ন আলোচনী আৰু বাতৰিকাকত আদি সিঁচৰিত হৈ আছে। 'আমাৰ নগাঁও কাকতখনত ধাৰাবাহিকবাৰে প্ৰকাশ পোৱা 'নগাঁও বৰেণ্য'ৰ লেখক তোযেশ্বৰ শৰ্মাই লোকসেৱক হলধৰ ভূঞা আৰু দেশপ্ৰেমিক ৰূপৰাম সুতৰ জীৱন, কৰ্ম আৰু ব্যক্তিত্বৰ আধাৰত ৰচিত বিভিন্ন মূল্যবান প্ৰবন্ধ সংকলিত গ্ৰন্থ দুখন সম্পাদনা কৰিছিল। ইয়াৰ উপৰিও কেইবাখনো গ্ৰন্থ আৰু স্মৃতি গ্ৰন্থ তেখেতে সম্পাদনা কৰিছে।

নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° গিৰিকান্ত গোস্বামীৰ প্ৰকাশিত গ্ৰন্থ কেইখন হৈছে— 'প্ৰাচীন অসমৰ শিলালিপি পাঠ' (২০০১), 'বৰগীত সমীক্ষা' (২০১০), 'ভটিমা সমীক্ষা' (২০১০), 'শ্যামকানু' (২০১১), 'বৰগীতৰ ভাষা বৈজ্ঞানিক গৱেষণা' (২০১১), 'শঙ্কৰদেৱৰ ভাষা অধ্যয়ন' (২০১১) আদি।

নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন অধ্যক্ষ ড° খৰ্গেশ্বৰ ভূঞাৰ প্ৰকাশিত

গ্ৰন্থসমূহ হৈছে— ‘যুৱৰাজ’ (১৯৯৮), ‘প্ৰাচীন সাহিত্যত ইতিহাসৰ ৰেঙণি’ (১৯৯৯), ‘শ্যমন্তক মণি’ (২০০১), ‘ৰহস্যময়ী পৃথিৱীৰ প্ৰহেলিকা’ (২০০১), ‘যথা দৈৱ তথা জয়’ (২০০৩), ‘বিশ্বব্ৰহ্মাণ্ড সৃষ্টিত ঈশ্বৰৰ প্ৰয়োজন আছেনে’ (২০০৫), ‘কৃষ্ণ বিষ্ণুবাসুদেৱ’ (২০০৮), ‘বিজ্ঞান, মানুহৰ অস্তিত্ব, অলৌকিকতা আৰু অন্যান্য’ (২০০৭), ‘ধন্য ধন্য কলিকাল’ (২০১১), ‘ৰঘুপতি’ (২০১৩) আদি।

ড° ঘনকান্ত ভাগৱতী নগাঁও কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘ত্ৰিভাষিক শব্দকোষ’, ‘প্ৰাচীন ভাৰতৰ মধুৰ কাহিনী’, ‘কালিদাসৰ অভিজ্ঞান শকুন্তলম্’, ‘ভাসৰ বালচৰিতম্’, ‘মুকুতামণি’, ‘শঙ্কৰাচাৰ্য’, ‘সাহিত্যৰ পাতে পাতে’, ‘সাহিত্য সিন্ধু’ আদি।

নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা, ২১ তম সংখ্যাৰ নগাঁও মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক গুণীন্দ্ৰ গায়নৰ পৰাও অসমীয়া ভাষা সাহিত্যলৈ বহুল অৱদান পোৱা গৈছে। সেইসমূহ হৈছে— উপন্যাস ‘অস্থীৰ নক্ষত্ৰ’, ‘এনেকৈয়ে দিনবোৰ’, ‘বিধস্ত পৃথিৱী’, ‘বালিচৰ’, গল্প সংকলন ‘ঈশ্বৰ পৃথিৱীৰ মানুহ’, ‘উজানৰ মাছ’, সম্পাদিত গ্ৰন্থ ‘সমাহাৰ’, ‘শতবৰ্যত জ্যোতিপ্ৰসাদ আগৰৱালা’ আদি। ইয়াৰ উপৰিও তেখেত ছাত্ৰ অৱস্থাত ‘কল্পনা’ আলোচনীখনৰ সম্পাদক হিচাপে আছিল।

পুৰণিগুদামৰ যুগল চন্দ্ৰ দেৱগোস্বামীয়েও নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— প্ৰবন্ধ সংকলন ‘বিহঙ্গম’, নাটক ‘মুক্তি’, অনুবাদ সাহিত্য ‘স্মৃতি-বিচিত্ৰা’, ‘ভাৰতীয় নাৰী’, জীৱনী ‘মণিকাঞ্চন’, ‘ভাৰত ৰত্ন’ আদি।

নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰসকলৰ ভিতৰত গোলাপ চন্দ্ৰ বৰাই অসমীয়া ভাষা সাহিত্যলৈ যথেষ্ট অৱদান আগবঢ়াইছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— উপন্যাস ‘তৃষ্ণ তৰঙ্গ’, ‘সোণালী চৰাইৰ পাখি’, শিশু সাহিত্য ‘মানুহ হ ভাই মানুহ হ’, ‘শিশু নাটক’ আদি।

আন এগৰাকী নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হৈছে লক্ষেশ্বৰ শৰ্মা। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— প্ৰবন্ধ সংকলন ‘মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অসমীয়া সমাজ’, ‘একেই আকাশ’, জীৱনী ‘মানৱ কোঁৱৰ ভূপেন হাজৰিকা’, কবিতাপুথি ‘অস্তিত্বৰ সময়’, ‘বনপলাশ’, ‘পাহাৰী বন’ আদি।

অসমৰ এগৰাকী বিশিষ্ট সাংবাদিক, শিক্ষাবিদ ড° আবু হানিফাও নগাঁও

মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। পঢ়ি থকা সময়ত নগাঁও মহাবিদ্যালয় আলোচনীত তেখেতৰ বহু প্ৰবন্ধ প্ৰকাশিত হৈছিল। বিভিন্ন বিষয়ৰ বহু প্ৰবন্ধপাতি লিখি তেখেতে অসমীয়া ভাষা সাহিত্য সমৃদ্ধ কৰিছে। তেখেতৰ 'মোহনৰ পৰা মহত্মালৈ' গ্ৰন্থখনি অসমীয়া শিশু সাহিত্যলৈ বিশেষ অৱদান। ইয়াৰ উপৰিও 'স্পেকটাম' নামৰ এখন গ্ৰন্থ প্ৰকাশ হয়।

সাহিত্য চৰ্চা আৰু বিভিন্ন সাংগঠনিক কৰ্মৰ দ্বাৰা নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা ৰত্নমালা শইকীয়ায়ো নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী। এইগৰাকী সাহিত্যসেৱীৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— 'পুৱাৰ গীত', 'কেন্দ্ৰৰ পৰা পৰিধিলৈ' (গল্পসংকলন) আদি।

নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ ডাঃ কল্পেন্দ্ৰ নাথ গায়নেও অসমীয়া ভাষা-সাহিত্যলৈ বহুখিনি অৱদান আগবঢ়াইছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— 'আমাৰ চিনাকি গছগছনি' (বিজ্ঞান), ডাক্তৰ বাবু (উপন্যাস) আদি।

নগাঁও মহাবিদ্যালয়ৰ শিক্ষাগুৰু ড° বলদেৱ শৰ্মাৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— 'উচ্চ অংগ সংস্থাপন', 'ভাইৰাছৰ ভয় আৰু জীৱাণুৰ জীৱন', 'উদ্ভিদ জগত' আদি। নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ গণেশ বৰাৰ প্ৰকাশিত কবিতাপুথিখন হ'ল 'কবিতাৰ কুকি'। আন এগৰাকী প্ৰাক্তন ছাত্ৰ প্ৰভাত চন্দ্ৰ হাজৰিকাৰ প্ৰকাশিত গ্ৰন্থ হৈছে- 'মৰহা যৌৱনৰ পুঁৱতি নিশা'।

অসমৰ এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ শিৱানন্দ কাকতিও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ আছিল। নগাঁও মহাবিদ্যালয়ৰ আলোচনীত তেখেতৰ গল্প, নাটক আদি প্ৰকাশ হৈছিল। পৰৱৰ্তী সময়ত তেখেতৰ প্ৰকাশিত গল্প সংকলনসমূহ হ'ল— 'আমৃত্যু অমৃত' (১৯৯৬), 'গাগিনী তোৰ পানী কিমান' (২০০০), 'বৰদৈচিলা' (২০০১), 'প্ৰথমজন দেশ প্ৰেমিক' (২০০৬), 'জলছবিত শেষ সাজ' (২০০৯), 'বৰণীয়া আলিবাট' (২০১৪) আদি।

নগাঁও মহাবিদ্যালয়ৰ বৰ্তমান অধ্যক্ষ ড° শৰৎ বৰকটকীও মহাবিদ্যালয়খনিৰ এগৰাকী প্ৰাক্তন ছাত্ৰ। তেখেতে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বয়ো সম্পাদন কৰিছিল। ছাত্ৰ আৰু তত্ত্বাৱধায়ক হিচাপে তেখেতে 'নগাঁও মহাবিদ্যালয় আলোচনী'ত সাহিত্য প্ৰতিভা সৃষ্টিৰ ক্ষেত্ৰত আগভাগ লৈছিল। তেখেতৰ বহু লেখা আলোচনীত প্ৰকাশিত হৈছিল। পৰৱৰ্তী সময়ত এইগৰাকী প্ৰতিষ্ঠিত কবিৰ

প্ৰকাশিত কবিতাপুথি দুখন হ'ল— 'কবিতাৰ প্ৰতিটো স্তৰকেই বিস্ফোৰণ', 'পৰাণ নিগৰে'। তেখেতৰ উদ্ভিদ বিজ্ঞান বিষয়ক গ্ৰন্থখন হ'ল 'ফুল আৰু গছ'।

অসমৰ এগৰাকী বিশিষ্ট কবি, সাহিত্যিক ডাঃ প্ৰয়াগ শইকীয়াও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেখেতে কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া ভাষা সাহিত্য চহকী কৰিছে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থকেইখন হৈছে— 'কৱিতা পৃথিৱীৰ প্ৰেয়সী' (১৯৮৭), 'বাউসীত দুখন ডেউকা' (১৯৯০), 'অমিতাভ ফুলে' (১৯৯৩), 'পাটমাদৈ পখীৰ জংগম' (২০০০), 'ইয়ানিং ফৰ ডন' (২০০০), 'ইজেলৰ ইলিজি আৰু অন্যান্য' (২০০৩), 'নীলাভ বিস্তৃতি', 'সবাক চিত্ৰ নিৰ্বাক কবিতা' (২০১৮)। উপন্যাস— 'এদিন বিবেকৰ পৃথিৱীত' (১৯৯৬), 'দেউতাৰ শূন্যতা' (২০১১)। গল্প সংকলন 'কেইখনমান নদীৰ কথাৰে' (২০০৩), 'অলপ গদ্য অলপ পদ্য' (২০১৩) আদি।

নগাঁও মহাবিদ্যালয়ৰ অন্য এগৰাকী প্ৰাক্তন ছাত্ৰ হৈছে বিশিষ্ট সাহিত্যিক পৰাণ কুমাৰ বৰুৱা। তেখেতৰ প্ৰকাশিত মৌলিক গ্ৰন্থসমূহ হৈছে— বাণী সংকলন 'ৰাভাৰ আভা' (কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বাণী), কাব্যগ্ৰন্থ 'ভাৰতবৰ্ষৰ অসুখ', 'নিচলা ওঁঠৰ বাঁহী', অনুবাদ গ্ৰন্থ 'লেলিনৰ কবিতা' (মূল- ভি.আই. লেলিন), 'গীতাঞ্জলি' (মূল- ৰবীন্দ্ৰনাথ ঠাকুৰ), 'পুৰতি চৰাইৰ চুবুৰী' (১৪ জন প্ৰসিদ্ধ হিন্দী কবিৰ কবিতাৰ অসমীয়া অনুবাদ), আলোচনামূলক গ্ৰন্থ 'বহিৰাগত সমস্যা', 'কোন সেই গান্ধী', 'বেজবৰুৱাৰ ছোভিয়েট প্ৰীতি', 'শ্ৰীমন্ত শঙ্কৰদেৱ আৰু বৈষ্ণৱ ধৰ্ম', 'বুৰঞ্জী চিন্তা', 'ড° ডব্লিউ এল স্মিথৰ শংকৰদেৱ চৰ্চা', 'ৰবীন্দ্ৰ নাথৰ উত্তৰণত বেজবৰুৱা', 'লক্ষ্মীনাথঃ সম্বলপুৰৰ ৰেঙনি', 'সাহিত্যৰথীৰ দৃষ্টিত কৃপাবৰ বৰুৱা', 'ৰবীন্দ্ৰনাথ ঃ অসমীয়াৰ উপস্থিতি আৰু অৱস্থান প্ৰসংগ', 'পণ্ডিত দীনদয়াল উপাধ্যায়ঃ জীৱন আৰু কৰ্ম সাধনা', 'অসমত বিবেকান্দ', কাব্য সংকলন (হিন্দী)ঃ 'সোমনাথ সে অযোধ্যা তক', সম্পাদিত গ্ৰন্থ 'বিষ্ণুপ্ৰসাদ ৰাভা ঃ বিদ্ৰোহ আৰু শিল্প' বাঁহীৰ সুৰেৰে বন্ধা (জয়ন্তী যুগৰ পৰা সাম্প্ৰতিক যুগলৈ কাব্য সংকলন) আদি।

গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হ'ল সোমনাথ বৰা। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে 'প্ৰথম প্ৰহৰ ৰাত্ৰি', 'এন্ধাৰৰ ধন গোলয়' আদি। এই মহাবিদ্যালয়ৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰ হৈছে গুৰমাইল সিং যি গল্পৰ পথাৰখনিত গভীৰলৈ শিপাবলৈ সক্ষম হৈছে। তেখেতৰ প্ৰকাশিত

গল্পপুথিকেইখন হৈছে— ‘পূৰ্বাভাস’, ‘এই বিপন্ন মুহূৰ্তত অনুৰাধা আৰু মই’, ‘মমতা’, ‘শিপা’, ‘সহানুভূতি’, ‘ৰগৰ আৰু জগৰ’, ‘সপোন সদাগৰৰ সন্ধানত’ আদি।

নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসমীয়া বিভাগৰ অধ্যাপক দীপক কুমাৰ বৰা এগৰাকী চিন্তাশীল লেখক। মহাপুৰুষ শংকৰদেৱৰ ভক্তি প্ৰদীপ আৰু ৰাম বিজয় নাট সম্পাদনা কৰি উলিয়াইছে। বৰাৰ আন দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হ’ল সাহিত্য-সংস্কৃতিৰ সঁফুৰা আৰু অসমীয়া কথা সাহিত্য।

মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ হ’ল আশীষ মজুমদাৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘পল-অনুপল’, ‘মন দাপোণৰ ছাঁ’, ‘সময় নিৰৱধি’ আদি। আন এগৰাকী প্ৰাক্তন শিক্ষাৰ্থী হ’ল দিপ্তী বৰা। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে ‘সুসন্ধি সময়’।

অসমীয়া গল্প সাহিত্য সমৃদ্ধ কৰা আন এগৰাকী নগঞা তথা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হ’ল ডাঃ অপূৰ্ব কুমাৰ শইকীয়া। তেখেতৰ উল্লেখযোগ্য গল্প সংকলন হ’ল ‘ব্যৰ্থ নায়ক’, ‘মাটি আখৰা’, ‘বিষয় ঃ প্ৰেমৰ সংবিধান’, ‘বজাৰত এদিন’, ‘লিঙ্গমুক্ত পৃথিৱীৰ যাদু এটা’ আদি।

সাম্প্ৰতিক সময়ত অসমীয়া ভাষা সাহিত্যক বিভিন্ন শিতানৰ মাজেদি চহকী কৰা ব্যক্তিজন হ’ল ড° নন্দ সিং বৰকলা। এখেতো নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। নন্দ সিং বৰকলাৰ প্ৰকাশিত গ্ৰন্থ কেইখন হ’ল— গল্পসংকলন ‘হৃদয়ৰ বৰযুণ’, ‘মেঘে ঢকা জোন’, কবিতা সংকলন ‘দুচকুৰ সেউজীয়া বৰযুণ’, ‘হাৰিয়া পাৰৰ চামুৰাই’, ‘ক’ৰবাত জোনাকৰ মাদল’, ‘আকৌ অৰণ্যত...’, ‘হৃদয়ত এতিয়াও মানুহ আছে’, আদি।

নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক গুণ শইকীয়াই বিভিন্ন লেখনিৰ দ্বাৰা অসমীয়া ভাষা সাহিত্য সমৃদ্ধ কৰিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে ‘পাশ্চাত্য সাহিত্য সংস্কৃতিৰ দৰ্শন’ আদি।

নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা কল্পনা হাজৰিকাৰো বহু কেইখন গ্ৰন্থ প্ৰকাশিত হৈছে। সেইসমূহ হৈছে— ‘কবিতাৰ বিভাৱন’ (প্ৰবন্ধ সংকলন), বুটাম খোলা ফ্ৰক’ (শিশু সাহিত্য), ‘গোন্ধ’ (গল্প সংকলন) ‘প্ৰেমেৰে সজোৱা ঘৰ’ (উপন্যাস) আদি।

অসমৰ এজন আগশাৰীৰ সাংবাদিক, গল্পকাৰ মনোজ কুমাৰ গোস্বামীও

নগাঁও মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে- উপন্যাস ‘অনাদি আৰু অন্যান্য’, গল্প সংকলন ‘ঈশ্বৰহীনতা’, ‘সমীৰণ বৰুৱা আহি আছে’, ‘স্বাধীনতা’, ‘প্ৰেমহীনতা’, ‘মই ৰাজেন বৰুৱাক সমৰ্থন কৰোঁ’, ‘পৃথিৱীৰ শেষ ষ্টেচন আৰু অন্য এখন ছবি’, ‘অশান্ত সময়ৰ গল্প’ আদি।

আন এগৰাকী সাংবাদিক মানস মহন্তও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। তেখেতৰ বিভিন্ন প্ৰবন্ধপাতিয়ে অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হৈছে ‘ঐতিহাসিক অসম আন্দোলনৰ জুয়ে পোৰা সাতটা বছৰ’ আদি।

অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাও নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে ‘কলং হাৰিয়াৰ এটি সেউজীয়া উপত্যকা’ (২০১২), ‘বিহঙ্গম দৃষ্টিৰে সাহিত্যৰ পাঠ আলোচনা’ (২০১৩), ‘জোনাকৰ সপোনত হৃদয়ৰ গান’ (২০১৪, কবিতাপুথি) আদি। কেইদিনমানৰ আগতে ‘গজালি’ কাব্য বঁটাপ্ৰাপক কবি প্ৰদীপ শইকীয়াও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। তেখেতৰ প্ৰকাশিত কবিতাসংকলনসমূহ ‘অভিজ্ঞানম জাহানৰা’, ‘নাচ কালীফেটী নাচ’, ‘স্বপ্নৰতা পুতলা’ আদি।

সাম্প্ৰতিক সময়ত অসম তথা নগাঁৰত যিকেইগৰাকী নাট্যকৰ্মীয়ে অভিনেতা, পৰিচালক আৰু নাট্যকাৰ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে সেইসকলৰ ভিতৰত সপোনটি বৰদলৈ অন্যতম। সপোনটি বৰদলৈ নগাঁও মহাবিদ্যালয়ৰে ফচল। মহাবিদ্যালয়ত পঢ়ি থকা সময়ত তেখেতৰ বহুতো লেখা নগাঁও মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশ হৈছিল। পৰৱৰ্তী সময়ত এইগৰাকী ছাত্ৰই সাহিত্য-চৰ্চাত ব্ৰতী হৈ অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে কাম কৰে। তেখেতৰ সদ্য প্ৰকাশিত নাট্য-সংকলনখনি হ’ল ‘বৰ্ণিল সৃষ্টিৰ স্বপ্ন আৰু অন্যান্য...’। তেখেতৰ বহুকেইটা প্ৰবন্ধ বিভিন্ন গ্ৰন্থত প্ৰকাশিত হোৱাৰ উপৰিও তেখেতে কেইবাখনো গ্ৰন্থ সম্পাদনা কৰিছে।

নগাঁও মহাবিদ্যালয়ৰ আন এগৰাকী প্ৰাক্তন ছাত্ৰ বৰ্তমান কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° মাধুৰ্যমণ্ডিত বৰুৱায়ো বিভিন্ন গৱেষণামূলক, চিন্তামূলক লেখনিৰ দ্বাৰা অসমীয়া ভাষা সাহিত্য চহকী কৰিছে। এইগৰাকী সাহিত্যসেৱীৰ প্ৰকাশিত গৱেষণা গ্ৰন্থসমূহ হৈছে— ‘ৰাম সৰস্বতী’, আধুনিক অসম আৰু শঙ্কৰদেৱ চৰ্চা’, ‘বেজবৰুৱাৰ জন্মস্থান’, ‘অসমীয়া মহাভাৰতীয়

সাহিত্য’, ‘শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান’, ‘সাংবাদিকতাত নগাঁও’ আদি। ইয়াৰ উপৰিও তেখেতৰ আন গ্ৰন্থসমূহ হৈছে — ‘ভাষা-সাহিত্যৰ ঐতিহ্য’, ‘পুৰণি সাহিত্যৰ চানেকি’, ‘সাহিত্যৰ জুতি’, ‘মৃত্যুৰ সাধনা’, ‘আলফাৰ সপোন’, ‘প্ৰথম সাক্ষাৎ’ আৰু ‘সকলোৰে হয় নেকি এনেকুৱা অসুখ’ (কাব্য গ্ৰন্থ) আদি তেখেতে কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ সম্পাদনা কৰিছে।

আন এগৰাকী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অধ্যাপক আৰু বৰ্তমান বিশ্বনাথ কলেজৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মায়ো সাহিত্য চৰ্চাৰ জৰিয়তে সাহিত্য ক্ষেত্ৰখনত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে — প্ৰবন্ধ সংকলন ‘বিজ্ঞানৰ প্ৰবন্ধাৱলী’, সম্পাদনা গ্ৰন্থ ‘অসমীয়া আৰু নেপালী সাহিত্যৰ তুলনামূলক আলোকপাত’, ‘ৰঙালী’ ‘Co-production of Science and Social Order’ (A Collection of Research Articles), নেপালী ভাষাত ‘ম আউদিন তিম্ৰ’ শহৰ’ (নেপালী কবিতা সংকলন)।

সাংবাদিক, লেখক শিৱপ্ৰসাদ বৰাও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। এইগৰাকী সাহিত্যসেৱীৰ প্ৰকাশিত গ্ৰন্থ— প্ৰবন্ধ সংকলন, ‘প্ৰসঙ্গ বেজবৰুৱা’, ‘এজন সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া ড° ভূপেন হাজৰিকা’, ‘অলপ গদ্য। অসম প্ৰকাশন পৰিষদৰ পৰা প্ৰকাশিত যজ্ঞেশ্বৰ শৰ্মা ৰচনাৱলীত ‘আপুৰুগীয়া সাক্ষাৎকাৰ’ নামৰ প্ৰবন্ধটি লেখক বৰাৰে সৃষ্টি। ইয়াৰ উপৰিও তেখেতৰ সম্পাদনাত বহু আলোচনী, স্মৃতিগ্ৰন্থ আদি প্ৰকাশিত হৈছে।

অসমৰ এগৰাকী সম্ভাৱনাপূৰ্ণ যুৱ সাহিত্যিক অৰিন্দম বৰকটকীয়ো নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। তেখেতৰ সমালোচনা গ্ৰন্থ ‘অনুশীলন’ৰ বাবে ২০১১ চনৰ ‘সাহিত্য অকাডেমি যুৱ পুৰস্কাৰ’ লাভ কৰি অসম তথা নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছিল। তেখেতৰ সম্পাদনাত কেইবাখনো গ্ৰন্থ প্ৰকাশিত হৈছে। আন এগৰকাকী যুৱ সাহিত্যিক সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাও এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। ২০০৭ চনত ‘গৰীয়সী চন্দ্ৰ প্ৰসাদ শইকীয়া বঁটা প্ৰাপক এই তৰুণ সাহিত্যিকৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘বেদৰ্দী মালিতা’, ‘মৃত্যুস্মৰ’ আদি। বৰ্তমান সময়ৰ প্ৰসিদ্ধ কবি অনুভৱ তুলসী নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে ‘নাজমা’, ‘দোৰোণৰ ফুল’, ‘জলমগ্ন’, ‘দৃশ্যাৱলী’ আদি।

সাংবাদিক লেখক শৈলেন শইকীয়াও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

লেখক শইকীয়াৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘নগএঞা ৰাজনীতিক’, ‘আহোম শাসনৰ সংকটকাল আৰু ভোটাই ডেকা’, ‘মহাসমৰ’ (গল্প সংকলন), ‘নিসংগ নায়ক’ (উপন্যাস), ‘অমৃত সন্ধানত মানুহবোৰ’, ‘সেউজী পাতৰ উচুপনি’, ‘কুৰুক্ষেত্ৰ হৃদয়’ আদি। আন এজন প্ৰাক্তন ছাত্ৰ হেমন্ত কুমাৰ বৰাৰ সাহিত্য চৰ্চাৰ মাজেদি সাহিত্য ক্ষেত্ৰখনত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— ‘লগ পালে কথা পাতিম’ (কবিতা সংকলন), ‘অসমীয়া চলচ্চিত্ৰ কুইজ’, ‘কুইজৰ হাতপুথি’, ‘জনপ্ৰিয় অসমীয়া গীত’ (দুটা খণ্ড), ‘১০১ ব্যক্তি ৫০১ ভক্তি’, ‘অসমীয়া চিনেমাৰ জনপ্ৰিয় গীত’, ‘অসমীয়া সাঁথৰকোষ’ আদি।

‘নগাঁও বৰেণ্য’ গ্ৰন্থৰ জৰিয়তে নগঁএঞা ৰাইজৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা ময়ূৰ কুমাৰ বৰাও নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ। বৰ্তমান সময়ত তেখেতৰ সাহিত্য সৃষ্টিসমূহ বিভিন্ন মাধ্যমত প্ৰকাশ পাই আহিছে।

নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ পৰা ইয়াত সাহিত্য চৰ্চাৰ যি পৰিৱেশ সৃষ্টি হৈছিল সেয়া বিকাশ আৰু প্ৰসাৰ লাভ কৰি অসম তথা ভাৰতৰ সাহিত্যক্ষেত্ৰৰ চুড়ান্ত শিখৰলৈ গতি কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলশ্ৰুতিত প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমান সময়লৈকে নগাঁও মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কেইবা শতাধিক লেখক-লেখিকাই গল্প, উপন্যাস, কবিতা, নাটক আদি সৃষ্টিশীল সাহিত্য আৰু সমালোচনামূলক গ্ৰন্থ, গৱেষণামূলক প্ৰবন্ধ, ভ্ৰমণ কাহিনী, জীৱনী, সাহিত্য আদি লিখি আধুনিক অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে।

অসমীয়া গল্প সাহিত্য সমৃদ্ধ কৰা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু তেওঁলোকৰ উল্লেখযোগ্য গল্প সংকলন হ’ল— সুশীল বৰা (‘এৰাবাৰীৰ হেৰোৱা সুৰ’), অৰ্পণ শইকীয়া (‘অজ্যামিত্যিক’), গীতা দাস (‘ভগ্ন হৃদয়ৰ টুকুৰা খবৰ’), ত্ৰৈলোক্য বৰা (‘সেন্দুৰ’), হেমকান্ত ভূএঞা (‘কুমাৰী কল্পনা’, ‘বালিচন্দা’, ‘ভানু বাইদেউ’ আদি), মঞ্জু দত্ত বৰুৱা (‘ডেউকাৰ পোহৰ’), গুণমনি বৰা (‘সন্ধ্যা তৰাৰ আলোক’), দেবেন গগৈ (‘হেৰাই যোৱা দিনবোৰ’) আদি।

আধুনিক অসমীয়া কবিতা সাহিত্য সমৃদ্ধ কৰা নগাঁও কলেজৰ সম্পদ সকল আৰু তেওঁলোকৰ সংকলনসমূহ ‘মনজিৎ সিং (শব্দৰ সন্ধানত, পীযুষ বিচাৰি, একান্ত নিজৰ বাবে) সুশীল বৰা (মন্দাকিনী, তৰঙ্গিনী, আকাশী গঙ্গাৰ ঢৌ, কাঁচিয়লি ৰ’দৰ ৰেঙণি, আগলতি কলাপাত, শিপাৰ তলে তলে, ত্ৰিপৰ্ণা), যতীন বৰা (গীত আৰু

কবিতা), স্মৃতিৰেখা শইকীয়া (সোণালী শঙ্খ), ভীষ্ম দুৰ্লভ মহন্ত (শতাব্দীৰ উচুপনি), গোলাপ বৰা (অনুভূতিৰ পাৰে পাৰে, লিটিকাইৰ লটপটি, অসমীৰ বুকুৰ জুই আদি), প্ৰেম নাৰায়ণ নাথ (সময়, অসময়, দুঃসময়, শব্দ যন্ত্ৰণা আৰু শব্দ, জাজেম ফুলৰ গহনা, কৈ থাকিলে পুৱাই যাব ৰাতি), হেমন্ত কুমাৰ বৰা (সময় হিচাপে হেৰুৱাই, এতিয়া আমি সকলো একেলগে শুই আছো) বসন্ত খাদেৰীয়া (জলন্ত অগ্নিৰ মাজত শান্তিৰ নিজৰা), পদ্ম পাটৰ (মন কুঞ্জৰ ফুল), বলাইৰাম সেনাপতি (মুকুল), হেম শৰ্মা (শিপাৰ সন্ধানত, নৈপৰীয়া সপোন), কবিৰঞ্জন শইকীয়া (ৰক্ত আৰতি, আৰ্তনাদৰ এনিশা), অজয় মাহাতু (সান্তনা) আদি।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ৰ পৰা নাট্য সাহিত্য ৰচনাৰ ক্ষেত্ৰত নগাঁৱৰ বহুকেইজন নাট্যকাৰে প্ৰসিদ্ধি লাভ কৰিছে। সেইসকলৰ ভিতৰত নগাঁও মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কেইবাজনো নাট্যকাৰ আছে। অসমীয়া নাট্য সাহিত্য চহকী কৰা সেইসকল নাট্যকাৰ হ'ল— কিনাৰাম নাথ (বীৰ তিলক ডেকা), নেত্ৰকমল বৰঠাকুৰ (বহ্নিমান ব্ৰহ্মপুত্ৰ, গাদী বলিয়া হাতী, শিকলি, সম্পত্তি, মোৰ আই যযাতি আদি), ৰামকুমাৰ ভট্টাচাৰ্য (অগ্নিমন্ত্ৰ, শেলুবৈ পিচল মন, ওপৰ মহলা, সেতুবন্ধন, ধূসৰ গধূলি), গোলাপ চন্দ্ৰ বৰা (বিদ্ৰোহী জনা আৰু অস্থেয়), পদ্ম বৰা (গান্ধী নগৰৰ চোৰ, পাৰ্মিট পৰ্ব, বন্দে মাতৰম, মঞ্চৰূপা), পদ্মকান্ত বৰা (একাত্মিকা পাঠ), ভৱ ৰাজখোৱা (অফিচাৰ, বোৱাৰী), প্ৰদীপ শইকীয়া (লাচিত বৰফুকন), দেৱকান্ত মহন্ত (নাট আৰু নাটক), ভূপেন্দ্ৰ নাথ হাজৰিকা (সন্ধিক্ষণত সন্ধিৰাম, চাহজাহান ৰত্নাকৰ, প্ৰেমে প্ৰতিবাদে), বেনীন্দ্ৰ ভট্টাচাৰ্য (যাৰ কন্যা তাৰ বিবাহ, লেৰেলা গেৰেলা), কানু বেজবৰুৱা (গৃহলক্ষী, এপ্ৰিল ফুল), আলোকৰাম ভট্টাচাৰ্য (নেগেৰা, অভয়াৰণ্য, আমি, ইন্ধন) অজিত বৰঠাকুৰ (উৎসৱ ৯৭, গতিৰোধক, কনকৰ স্বৰ্গযাত্ৰা, বৰুৱাৰ সংসাৰত এদিন), গোলাপ বৰা (ৰামচন্দ্ৰ, অজ্ঞাতবাস, মাহীআই), ব্ৰজ ফুকন (বনৰাজ), দেবকুমাৰ শইকীয়া (হিয়া চুই যোৱা কাহিনী, বুদ্ধিদীপ্ত সংলাপ, আৰ্চী, চোৰ, নায়িকা, নিৰুদ্দেশ, দহনৰ শেষ গান আদি), নৰেন বৰা (আৰ্তনাদ, হৈ চৈ অপঘাত), কানু গোস্বামী (কলীয়া), হিৰণ্য গায়ন (আমাৰ দিন উকলিল সৈয়াকণী), দীপক কুমাৰ বৰা (দংশন, অথ পঞ্চবৃদ্ধ সমস্যা), বিচিত্ৰ নাৰায়ণ বৰা (মৃত্যু তৃপ্তি), কমলেশ শইকীয়া (অন্ধযুগ, অতিক্ৰম), বিকাশ শৰ্মা (ডায়েৰি), গম্ভীৰ শইকীয়া (গুপ্ত কক্ষ, জ্বালামুখী), ইন্দ্ৰমোহন বৰা (ভোটাই ডেকা), বিপ্লৱ ভূঞা (সূৰ্যগ্ৰহণ), বিশ্বজিৎ বৰঠাকুৰ (কৰ্মশালা)।

উপৰোক্ত বিষয়বস্তুৰ উপৰিও ধৰ্মমূলক প্ৰবন্ধ, জীৱনী, গীত, বিয়ানাম, আত্মজীৱনী, হাস্য ব্যংগ, বিজ্ঞান আদি বিষয়ৰ ওপৰত লিখি নগাঁৱৰ বহুকেইজন লেখক-লেখিকাই অসমীয়া ভাষা সাহিত্যৰ ভঁড়াল চহকী কৰিছে। এইসকল নগঞাৰ ভিতৰত নগাঁও মহাবিদ্যালয়ৰ সম্পদসকল হ'ল— ভৈৰৱ বৰদলৈ (ভকতবান্ধৱ), দেৱকান্ত মহন্ত (ছন্দে ছন্দে স্বৰগম গীত), গোলাপ বৰা (বহাগৰ গীত), মঞ্জু দত্ত বৰুৱা (মাটিৰ জীয়ৰী কল্পনা আৰু সুনীতা উইলিয়ামছ), প্ৰেম নাৰায়ণ নাথ ( মোৰ দেশ মোৰ গান), ডাঃ ধীৰেন বৰকাকতী (আকস্মিক দুৰ্ঘটনাত প্ৰাথমিক চিকিৎসা), অজয় মাহাতু (সমাজ কে চিপাহী) আদি।

উপৰোক্ত গ্ৰন্থকাৰসকলৰ উপৰিও নগাঁও মহাবিদ্যালয়ৰ লগত জড়িত থকা বহু সাহিত্যসেৱীয়ে অসমীয়া ভাষা সাহিত্য চৰ্চাত একাগ্ৰচিত্তে লাগি আছে। এইসকল সাহিত্য অনুৰাগীয়ে গল্প, কবিতা, নাটক, গৱেষণামূলক প্ৰবন্ধ, ভ্ৰমণ কাহিনী, জীৱনী আদি অসমৰ পৰা প্ৰকাশিত বিভিন্ন বাতৰিকাকত, আলোচনী, শিক্ষানুষ্ঠানসমূহৰ বাৰ্ষিক মুখপত্ৰ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থসমূহত পাই আহিছে। ইয়াৰ মাজেদি এই লেখক-লেখিকাও নিশ্চয় সাহিত্য চৰ্চাৰ এক পৰিবেশ ৰচনা কৰাৰ লগতে অসমীয়া ভাষা সাহিত্যৰ ভঁড়াল চহকী কৰাত বৰঙণি আগবঢ়াইছে। নগাঁও মহাবিদ্যালয়ৰ এইসকল সম্পদ হ'ল— অতুল গোস্বামী, হোমেশ্বৰ দেৱশৰ্মা, মুকুল চন্দ্ৰ শইকীয়া, চন্দ্ৰমোহন কাকতি, জীৱেশ্বৰ দেৱ গোস্বামী, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, নবকুমাৰ মহন্ত, ডাঃ পাৰ্থসাৰথি বৰুৱা, জ্যোতিৰেন্দ্ৰ গোস্বামী, কৃপাসিন্ধু অধিকাৰী, নৌছাদ আখটাৰ হাজৰিকা, পাপুল বৰা, লুইত কুমাৰ বৰা, প্ৰবীন গায়ন, জ্যোতিৰ্ময় চক্ৰৱৰ্তী, ব্ৰজেন বৰা, ড° জয়ন্ত কুমাৰ শৰ্মা, মধুমিতা বৰুৱা শইকীয়া, অশোক কুমাৰ ভট্টাচাৰ্য, ফনীন্দ্ৰ নাথ তামুলী, তপন কুমাৰ বৰুৱা, জিনাৎটুল ইছলাম, চাৰুপ্ৰভা কাকতী, ৰাজীৱ কুমাৰ হাজৰিকা, অপূৰ্বজ্যোতি ভূঞা, ড° সুৰজিৎ ভাগৱতী, ৰূপাঞ্জলী দেৱী, লবকান্ত শৰ্মা, ঋত্বিক মজুমদাৰ, মুকুল চন্দ্ৰ বৰঠাকুৰ, ড° দেৱাশিষ বৰুৱা, মেঘালি দেৱী, লক্ষীমা হাজৰিকা, পাৰ্ভেজ আহমেদ, চুইটি বেজবৰুৱা, ড° নৱ প্ৰসাদ নাথ, পাৰ্থজিৎ বৰুৱা, মৃণাল কুমাৰ হাজৰিকা, সুৰজিৎ গোস্বামী, পলাশ প্ৰতিম বৰা, অমৰজিৎ গোস্বামী, ড° মুনমুন বৰা, চিদানন্দ শৰ্মা, ভৰত বৰা, পূবালী বৰুৱা, ড° মন্দাকিনী বৰুৱা, পাৰ্থপ্ৰতীম শইকীয়া, ডাঃ পাৰ্থসাৰথি ভূঞা, বিজিৎ বৰঠাকুৰ আদি।

## (পাঁচ)

প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমান সময়লৈকে নগাঁও মহাবিদ্যালয়ৰ বহুজন সাহিত্যানুৰাগী সৃষ্টি হ'ল। এই সকলোবোৰ সামৰি এক নিবন্ধ প্ৰস্তুত কৰাতো মোৰ বাবে এক ধৃষ্টতা মাত্ৰ। গতিকে মই কুৰি শতিকালৈ নগাঁও কলেজত অধ্যয়ন কৰা যিসকল শিক্ষাৰ্থীয়ে সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত অৰিহণা আগবঢ়াইছে সেই সকলৰ নাম এই নিবন্ধত সন্নিবিষ্ট কৰিবলৈ প্ৰয়াস কৰিছো। তথাপিও সাহিত্যৰ এই বিশাল ক্ষেত্ৰখনৰ পৰা তথ্য সংগ্ৰহ কৰি নগাঁও মহাবিদ্যালয়ৰ লগত জড়িত প্ৰত্যেকগৰাকী সাহিত্যসেৱীৰ নাম নিশ্চয় এই নিবন্ধত সন্নিবিষ্ট কৰিব পৰা নাই। লগতে সন্নিবিষ্ট কৰা তথ্যসমূহতো ক'ৰবাত নহয় ক'ৰবাত খুত থাকি যাব পাৰে। এই সকলোধৰণৰ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। শেষত মহাৰজত জয়ন্তীৰ এই মাহেন্দ্ৰ ক্ষণত সকলোটিলৈ আন্তৰিক অভিনন্দন জনালোঁ। জয়তু নগাঁও মহাবিদ্যালয়।

**প্ৰসঙ্গ পুথিঃ**


(১) মজুমদাৰ, তিলকচন্দ্ৰ ঃ 'শ্ৰীমন্ত শঙ্কৰদেৱ ঃ সাহিত্য-সংস্কৃতিৰ জিলিঙণি'

(২) শইকীয়া ৰাজেন (ড°) (মুখ্য সম্পাদক) ঃ 'নগাঁৱৰ বুৰঞ্জী'

(৩) মজুমদাৰ, ঋত্বিক ঃ 'স্বৰাজোত্তৰ কালৰ নগাঁৱৰ সাহিত্য-চৰ্চা' (অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিতম কলিয়াবৰ অধিৱেশনৰ স্মাৰক গ্ৰন্থ 'মনপুৰ-মৌচন্দা'ত প্ৰকাশিত প্ৰবন্ধ)

(৪) বৰা, মহিম ঃ 'শেৱালিৰ সুবাস' (২০০৮-২০০৯ বৰ্ষৰ নগাঁও মহাবিদ্যালয় আলোচনীত প্ৰকাশিত প্ৰবন্ধ)

(৫) বৰা, মহিম ঃ 'ছাত্ৰ অবিহনে শিক্ষক হ'ল পানীৰ পৰা তোলা মাছ' (নগাঁও মহাবিদ্যালয় আলোচনীত প্ৰকাশিত প্ৰবন্ধ)

(৬) হাজৰিকা, দেবেন্দ্ৰ নাথ ঃ 'নগাঁও কলেজৰ ডুখৰীয়া স্মৃতিৰ পৰশ' (নগাঁও মহাবিদ্যালয়ৰ আলোচনী, সোণালী জয়ন্তী বৰ্ষ, ২০০৯-২০১১)

(৭) শৰ্মা, লখিমী (সম্পাদিকা) ঃ 'ৰঙা জিঞ্জাৰ কবি সাহিত্যাচাৰ্য মহিম বৰাদেৱৰ লগত এক সাক্ষাৎকাৰ' (নগাঁও মহাবিদ্যালয়ৰ আলোচনী, সোণালী জয়ন্তী বৰ্ষ, ২০০৯-২০১১)

(৮) নাথ, অমূল্য চন্দ্ৰ ঃ 'নগাঁও কলেজ আলোচনী ঃ আদিখণ্ড' (নগাঁও মহাবিদ্যালয়ৰ আলোচনী, সোণালী জয়ন্তী বৰ্ষ, ২০০৯-২০১১)

(৯) হাজৰিকা, জগত (সম্পাদক) ঃ ১৭ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী

(১০) গায়ন, গুণীন্দ্ৰ (সম্পাদক) ঃ ২১ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১১) নাথ, অমূল্য কুমাৰ (সম্পাদক) ঃ ২৬ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১২) শৰ্মা, মুকুল (সম্পাদক) ঃ ২৭ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৩) বৰা, পাপুল (সম্পাদক) ঃ ২৮ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৪) চক্ৰৱৰ্তী, জ্যোতিৰ্ময় (সম্পাদক) ঃ ২৯ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৫) শৰ্মা, জয়ন্ত কুমাৰ (সম্পাদক) ঃ ৩০ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৬) গোস্বামী, সুৰজিৎ (সম্পাদক) ঃ ৩১ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৭) বৰা, দেবজিৎ (সম্পাদক) ঃ ৩২/৩৩ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৮) হাজৰিকা, ৰাজীৱ কুমাৰ (সম্পাদক) ঃ ৩৪ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(১৯) বৰা, মৃণাল কুমাৰ (সম্পাদক) ঃ ৩৫ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২০) ভাগৱতী, অখিল চন্দ্ৰ (সম্পাদক) ঃ ৩৬ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২১) মহন্ত, নৰজ্যোতি (সম্পাদক) ঃ ৩৭ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২২) বৰুৱা, অপূৰ্ব কুমাৰ (সম্পাদক) ঃ ৩৮ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২৩) বৰা, মণ্টু (সম্পাদক) ঃ ৩৯ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২৪) শইকীয়া, পাৰ্থ প্ৰতীম (সম্পাদক), বৰা হেমন্ত কুমাৰ (সম্পাদক) ঃ ৪১ সংখ্যক নগাঁও মহাবিদ্যালয় আলোচনী
(২৫) মজুমদাৰ, ঋত্বিক (সম্পাদক) ঃ স্মৃতিগ্ৰন্থ 'শতাব্দী', ২০১৭ চনত ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠানত প্ৰকাশিত গ্ৰন্থ।

---

লেখকৰ পৰিচয় ঃ ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু লিখক।

# নগাঁও কলেজ ঃ প্ৰতিষ্ঠা আৰু প্ৰতিশ্ৰুতি

ড° অৰুণি শইকীয়া

উচ্চ শিক্ষানুষ্ঠান বুলিবলৈ বিংশ শতিকাৰ চল্লিশৰ দশকটোলৈকে মধ্য অসমত একোৱেই নাছিল। তেতিয়ালৈকে অসমত কলেজ আছিল মাত্ৰ ছখন। গুৱাহাটীত ১৯০১ চনত কটন কলেজ, ১৯৩৯ চনত সন্দিকৈ কলেজ আৰু ১৯৪৩ চনত ভোলানাথ বৰুৱা কলেজ, যোৰহাটত ১৯৩০ চনত জগন্নাথ বৰুৱা কলেজ, শিলচৰত ১৯৩৫ চনত গুৰুচৰণ কলেজ প্ৰতিষ্ঠা হৈছিল। কটন কলেজৰো প্ৰতিষ্ঠাৰ পূৰ্বে ১৮৯২ চনত অসমৰ সুৰমা উপত্যকাৰ শ্ৰীহট্ট জিলাৰ জিলা চহৰত মুৰাৰীচাঁদ কলেজ প্ৰতিষ্ঠা হৈছিল। পিছে অসম উপত্যকাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তালৈ গৈ শিক্ষা লাভ কৰা সহজ কথা নাছিল।

১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয় আয়োগ বা ছেদলাৰ আয়োগে কটন কলেজ পৰিদৰ্শন কৰিবলৈ আহি ইয়াৰ উচ্চ প্ৰশংসা কৰি গৈছিল। তেতিয়াৰে পৰা অসমত বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো প্ৰথমে অসম বিধান পৰিষদ আৰু পাছলৈ অসম বিধান সভাত আলোচনা কৰা হৈছিল। ভাৰত ত্যাগ আন্দোলনৰ আলোড়ন আৰু দ্বিতীয় বিশ্বযুদ্ধৰ অন্ধকাৰময় অনিশ্চয়তা সামান্য শাম কটাত ১৯৪৪ চনত কলিকতাত 'ডেকা বেজ' ৰূপে খ্যাত মাধৱ চন্দ্ৰ বেজবৰুৱাৰ উদ্যোগত প্ৰবাসী অসমীয়াসকলে এখন সভাত সমবেত হৈ প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনৰ নাম গুৱাহাটী বিশ্ববিদ্যালয় হ'ব লাগে বুলি স্থিৰ কৰিলে। তাৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ এখন ন্যাসৰক্ষী সমিতি গঠন কৰা হ'ল। অসমৰ আন চহৰবোৰৰ দৰে নগাঁৱতো ধন সংগ্ৰহৰ অৰ্থে মহকুমা সমিতি গঠিত হয়।[১] গুৱাহাটীত বিশ্ববিদ্যালয় হ'ব বুলি সকলোৰে আশা আৰু বিশ্বাস ওপজাৰ সময়তে নগাঁৱৰ আমোলাপট্টিত থকা জখলাবন্ধা সত্ৰত

বৃন্দাবন গোস্বামীৰ নেতৃত্বত প্ৰতাপ চন্দ্ৰ শৰ্মা, পূৰ্ণচন্দ্ৰ শৰ্মা, মহীচন্দ্ৰ বৰা, গিৰিকান্ত বৰুৱা, ৰাধিকামোহন গোস্বামী, হলধৰ ভূঞা আৰু বিমলা কান্ত বৰা-এইসকল মুখিয়াল লোক একেলগ হৈ নগাঁৱত এখন কলেজ প্ৰতিষ্ঠাৰ বিষয়টো প্ৰথম আলোচনা কৰিছিল।[২] গুৱাহাটীত বিশ্ববিদ্যালয় আৰু নগাঁৱত কলেজ প্ৰতিষ্ঠা এই দুই মহৎ প্ৰচেষ্টাৰ মাজত আমি পোনপটীয়া সম্পৰ্কৰ সংবাদ এতিয়ালৈকে লাভ কৰা নাই। অসমত এখন বিশ্ববিদ্যালয় হ'ব লাগে এই দাবীৰ সমৰ্থনত এটা সামাজিক আন্দোলনৰ সৃষ্টি হৈছিল।[৩] সেই আন্দোলনে নগাঁও জিলাত এখন কলেজ পতাৰ অনুকূল আৰু উৎসাহজনক বাতাবৰণ সৃষ্টি কৰিছিল বুলি অনুমান কৰিব পাৰি। কিয়নো বিশ্ববিদ্যালয়ৰ অভিজ্ঞতা নহ'লেও, অসমৰ মধ্যবিত্ত আৰু শিক্ষানুৰাগী লোকে তেতিয়ালৈ কলেজ নামৰ উচ্চশিক্ষানুষ্ঠান সম্পৰ্কে এটা সম্যক ধাৰণা কৰিব পাৰিছিল অসমত ইতিমধ্যে সুপ্ৰতিষ্ঠিত কলেজ কেইখনৰ পৰা। কলেজীয়া শিক্ষা অতিক্ৰম কৰিহে বিশ্ববিদ্যালয়, গতিকে প্ৰাদেশিক পৰ্যায়ত বিশ্ববিদ্যালয় হয়গৈ মানে জিলা পৰ্যায়ত একোখন কলেজ পতাৰ প্ৰয়োজন সকলোৰে উপলব্ধি কৰিছিল। নিজে উদ্যোগ ল'ব নোৱাৰিলেও কলেজ পাতিবলৈ লোৱা সকলৰ প্ৰতি তেওঁলোকৰ সদিচ্ছা আৰু সমৰ্থন আছিল। চহৰখনৰ এমুঠিমান লোকে কলেজ এখন পাতিম বুলিয়েই যে পাতিব পাৰিছিল তাৰ কাৰণ সেইটোৱেই।

ইতিপূৰ্বে ১৯২১ চনত মহাত্মা গান্ধীৰ নগাঁও আগমণ, নগাঁৱত অসহযোগ আন্দোলনে সৃষ্টি কৰা অভূতপূৰ্ব জনজাগৰণ আৰু ১৯২৫ চনত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত অসম সাহিত্য সভাৰ অষ্টম অধিবেশন নগাঁৱত অনুষ্ঠিত হোৱাত স্বাভাৱিকতে নগাঁৱত জাতীয় চেতনাৰ উন্মেষ ঘটিছিল।[৪] জিলাখনৰ বিভিন্ন ঠাইৰ হাইস্কুলৰ পৰা প্ৰতিবছৰে কলেজীয়া শিক্ষা অভিলাষী ভালেমান ছাত্ৰ-ছাত্ৰী ওলাইছিল। অসমত উচ্চ শিক্ষাৰ ইতিহাস আলোচনা কৰি ঐতিহাসিক হেৰম্বকান্ত বৰপূজাৰীয়ে মন্তব্য কৰিছে যে ছাত্ৰক উচ্চ শিক্ষাৰ বাবে প্ৰস্তুত কৰি তোলা সহায়ক বিদ্যালয় কিছুমানৰ অবিহনে গুৱাহাটীত কলেজৰ সফলতা আশা কৰা মুঠেই সম্ভৱ নাছিল।[৫] সেইফালৰ পৰা চাবলৈ গ'লে নগাঁৱত কলেজ প্ৰতিষ্ঠা কৰাটো অতি জৰুৰী আৰু সময়োচিত সিদ্ধান্ত। আমেৰিকান বেপ্টিষ্ট মিছনেৰীৰ উদ্যোগত ১৮৪৬ চনত নগাঁও মিছন স্কুল প্ৰতিষ্ঠাই অবিভক্ত নগাঁও জিলাত আধুনিক শিক্ষাৰ ভেঁটি প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্ত্তী সময়ত ক্ৰমে ১৮৬৫ চনত নগাঁও চৰকাৰী

হাইস্কুল, ১৯১৬ চনত নগাঁও চহৰৰ ডচন হাইস্কুল, ১৯৩০ চনত পুৰণিগুদাম হাইস্কুল, ১৯৩৩ চনত ৰহা আৰু কলিয়াবৰ হাইস্কুল, ১৯৩৪ চনত বেঙ্গলী বয়জ হাইস্কুল, ১৯৩৬ চনত নগাঁও চৰকাৰী ছোৱালী হাইস্কুল, কামপুৰ হাইস্কুল আৰু ধিঙত গিৰিবালা হাইস্কুল, ১৯৩৭ চনত আলিটাঙনী হাইস্কুল, ১৯৩৮ চনত জাগীভকতগাঁও হাইস্কুল, ১৯৩৯ চনত মৰিগাঁও হাইস্কুল আৰু জুৰীয়াত বগৰীগুৰি হাই মাদ্ৰাছা, ১৯৪০ চনত ধিং কে বি হাইস্কুল আৰু ১৯৪১ চনত বেবেজীয়া হাইস্কুল প্ৰতিষ্ঠা হয়।[৬] জিলাৰ বিভিন্ন ঠাইৰ এই হাইস্কুলসমূহে কলেজীয়া শিক্ষা গ্ৰহণ কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰিছিল ঠিকেই পিছে তেওঁলোকৰ বাবে উচ্চ শিক্ষাৰ উপায়হে নাছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গাঁৱে গাঁৱে ছাত্ৰসকল সজাগ আৰু সক্ৰিয় হৈছিল। এই কথা বুজিব পৰা হৈছিল যে দেশ স্বাধীন হ'বলৈ আৰু বেছি দিন নাই। নগাঁৱত বিয়াল্লিছৰ গণবিপ্লৱে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে কালৰূপ ধাৰণ কৰিছিল। দেশৰ নেতা সকলে বুজিছিল স্বাধীনতাৰ পাছত দেশ নিৰ্মাণ কৰিব লাগিব যাৰ প্ৰধান আহিলা হ'ব শিক্ষা। গতিকে সমাজসেৱীসকলে সকলো ঠাইতে শিক্ষা সম্প্ৰসাৰণত গুৰুত্ব দিছিল আৰু যেয়ে য'তে পাৰে কিবা নহয় কিবা এটা শিক্ষানুষ্ঠান পাতিবলৈ উদ্যোগ লৈছিল। নগাঁৱত কংগ্ৰেছৰ একাধিক নেতা তথা শিক্ষিত চামৰ মাজত কলেজ স্থাপনৰ এক উৎসাহ দেখা গৈছিল।

অসমৰ তদানীন্তন প্ৰধানমন্ত্ৰী ছাৰ চৈয়দ মহম্মদ ছাদুল্লাক নেতাসকলে লগ ধৰি ইতিমধ্যে ভাৰতত্যাগ আন্দোলনৰ বাবে কাৰাগাৰত থকা নগঞাঁ নেতা মতিৰাম বৰাক নগাঁৱত কলেজ পতাৰ কামত আগভাগ ল'ব পৰাকৈ জেলৰ পৰা মুক্তি দিবলৈ অনুৰোধ কৰিছিল। সেইমতে মতিৰাম বৰা মুক্ত হৈছিল আৰু লোকেল ব'ৰ্ডৰ চেয়াৰমেন হৈ বহু ঠাইৰ বহুজনক লগ ধৰি কলেজ প্ৰতিষ্ঠাৰ বাবে সাহায্য বিচাৰি আনিছিল।[৭] ১৯৩৭-৪৬ কালছোৱাৰ নগাঁও জিলাৰ বিভিন্ন সমষ্টিৰ বিধায়কসকলেও জিলাখনত প্ৰথমবাৰলৈ প্ৰতিষ্ঠা কৰিবলগা কলেজখনৰ সপক্ষে যুক্তি দাঙি ধৰিছিল। তেওঁলোক আছিল - ডাঃ মহেন্দ্ৰ নাথ শইকীয়া, মহীচন্দ্ৰ বৰা, পূৰ্ণচন্দ্ৰ শৰ্মা, হলধৰ ভূঞা, মৌলবী মহম্মদ আমিৰুদ্দিন আৰু ধীৰ সিং দেউৰী।[৮]

দ্বিতীয় মহাসমৰৰ সময়ত অসমৰ গৌৰৱস্বৰূপ কটন কলেজখনে শ্ৰেণীকোঠাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈও নিয়মিত পাঠদান কৰিবলৈ সক্ষম হৈছিল। চৰকাৰী কৰ্তৃপক্ষ ইয়াৰ প্ৰতি সচেতন আছিল বাবেই ১৯৪৩-৪৪ চনত

কলেজৰ বাবে অস্থায়ী ঘৰ নিৰ্মাণ তথা আচবাব সৰঞ্জাম ক্ৰয়ৰ বাবে চৰকাৰে সাহায্য দিছিল।[৯] তেতিয়া অসমৰ ৰাজধানী আছিল ছিলং। তাৰ পৰাই মধ্য অসমৰ বিশাল জনসমষ্টিৰ স্বাৰ্থত হ'বলগীয়া কলেজখনলৈ চৰকাৰে ইতিবাচক দৃষ্টিভংগী ল'লে।

নগাঁও কলেজৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে থুপতে প্ৰণালীবদ্ধ বিৱৰণ আমি এতিয়ালৈকে পোৱা নাই। কিন্তু অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা, একাংশ অধ্যাপক, নগাঁও কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ মহিম বৰা, কমলেশ্বৰ বৰা, দেবেন্দ্ৰনাথ হাজৰিকাকে ধৰি আন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মুকলেচ আহমেদ, অমূল্যচন্দ্ৰ নাথ, ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা, হেমকান্ত শৰ্মা, বাণেশ্বৰ শইকীয়া, সহজানন্দ ওজা, ড° নৰেন কলিতা আৰু মাধৱচন্দ্ৰ শৰ্মাৰ স্মৃতিচাৰণ মূলক ৰচনা আৰু কথাৰ পৰা নগাঁও কলেজৰ ইতিহাসৰ এটি ৰূপৰেখা আমি পুনৰ নিৰ্মাণ কৰিব পাৰোঁ। এই ক্ষুদ্ৰ ৰচনাখন তাৰেই এক বিনম্ৰ প্ৰয়াস।

ব্ৰিটিছৰ আমোলত নগঁএগ্ৰা ৰাইজৰ আৰ্থিক অৱস্থাৰ কথা নগাঁৰৰ বুৰঞ্জীত এইদৰে পাওঁ, 'নগাঁৰত পাতাল ফুটা চহকী মানুহ নাছিল, অষ্টম দৰিদ্ৰও নাছিল।'[১০] ইয়াত সামাজিক সমতাৰ ভাৱ প্ৰৱল আছিল। নগাঁওবাসী সকলোৰেই নগাঁও কলেজ স্থাপনকলৈ উৎসাহী আছিল আৰু কলেজ নিৰ্মাণ পুঁজিলৈ স্বেচ্ছাই দান-বৰঙনি দিছিল। জিলাৰ ভিতৰুৱা অঞ্চলবোৰতো কলেজ পতাৰ উত্তেজনাৰ ঢৌ বাগৰি গৈছিল। একালৰ বিশিষ্ট অভিনেতা, ধনৱন্ত আৰু আঢ্যৱন্ত চন্দ্ৰ ফুকনে নগদ দহ হাজৰ টকা কলেজলৈ দান দিছিল।[১১] বৰিশালৰ পৰা আহি ত্ৰিশৰ দশকত নগাঁৰত প্ৰতিষ্ঠা লাভ কৰা উদীয়মান সমাজসেৱী আৰু ব্যৱসায়ী আছিল শান্তি ৰঞ্জন দাশগুপ্ত। মহাত্মা গান্ধী ৰোডৰ তেওঁৰ ঘৰখন আছিল লোকসেৱক হলধৰ ভূঞা, মতিৰাম বৰাকে ধৰি কংগ্ৰেছী নেতাসকলৰ আড্ডাস্থলী। তেৰোঁ নগাঁও কলেজ পতাত সক্ৰিয় ভূমিকা লৈছিল আৰু কলেজ নিৰ্মাণ পুঁজিলৈ এটি শকত বৰঙনি আগবঢ়াইছিল। একেলেঠাৰীয়ে কেবাবছৰ ধৰি তেওঁ কলেজ পৰিচালনা সমিতিৰ সদস্য আছিল।

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই লিখি থৈ গৈছে যে 'দ্বিতীয় মহাযুদ্ধৰ সময়ত টকা বাটে-পথে পৰি আছিল আৰু বিবেক কম, বুদ্ধি বেছি থকা মানুহে অনায়াসে পোৱা টকা সংগ্ৰহ কৰি প্ৰায় ৪০-৪৫ হেজাৰ টকা ভাল কামত খৰচ কৰিবলৈ আগবাঢ়িল।'[১২] এখন কলেজ স্থাপন কৰিবলৈ বৃন্দাবন গোস্বামীক সভাপতি, ভদ্ৰেশ্বৰ বৰুৱাক উপ-সভাপতি, মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্তক যুটীয়া সম্পাদক হিচাপে লৈ

এখন প্ৰস্তুতি সমিতি গঠন কৰা হ'ল। ১৯৪৪ চনৰ শিক্ষাবৰ্ষৰ পৰা ইংৰাজী, অসমীয়া, বাংলা, সংস্কৃত, আৰবী, গণিত, বুৰঞ্জী, পৌৰবিজ্ঞান আৰু দৰ্শন বিষয়ত ইন্টাৰমিডিয়েট আৰ্টছ শ্ৰেণী খুলিবৰ কাৰণে অনুমতি বিচাৰি কলিকতা বিশ্ববিদ্যালয়লৈ আবেদন জনোৱা হ'ল। অধ্যাপক হ'বৰ জোখাৰে স্থানীয় উচ্চ শিক্ষিত লোক নাছিল বুলিয়ে ক'ব পাৰি। সেয়েহে নতুন কলেজৰ অধ্যক্ষ আৰু অধ্যাপক বিচাৰি কলিকতাৰ বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছিল।

১৯৪৪ চনৰ আগষ্ট মাহৰ ৭ তাৰিখে নগাঁও ডচন হাইস্কুলত 'নগাঁও কলেজ' নামেৰে জিলাখনৰ উচ্চশিক্ষাৰ লাইখুটা স্থাপন কৰা হ'ল। স্কুলৰ শ্ৰেণীসমূহৰ সুবিধালৈ লক্ষ্য ৰাখি কলেজৰ পাঠদান পুৱা ৬ বজাতে আৰম্ভ কৰা হৈছিল। কলেজ পৰিচালনা সমিতিৰ মাননীয় সদস্যসকল আছিল মতিৰাম বৰা, বিমলাকান্ত বৰা, প্ৰতাপচন্দ্ৰ শৰ্মা, ডাঃ ললিত চন্দ্ৰ বৰুৱা, প্ৰিয়নাথ সেন আৰু শান্তিৰঞ্জন দাশগুপ্ত।[১৩] এইসকলৰ লগতে নগাঁৱৰ বিশিষ্ট ৰাজনৈতিক নেতা বৃন্দাবন গোস্বামী, আইনজীৱী যোগ সিং ছেত্ৰী আৰু শিল্পপ্ৰাণ চন্দ্ৰ ফুকনেও এই কলেজৰ স্থাপন আৰু পৰিচালনাত অগ্ৰণী ভূমিকা লৈছিল। পৰিচালনা সমিতিয়ে ফণীন্দ্ৰলাল দত্তক সংস্কৃত আৰু বাংলা, নিৰ্মল চন্দ্ৰ সামাদ্দাৰক চিভিক্স (পৌৰবিজ্ঞান), দেবেশ্বৰ পাঠকক গণিত, কেশৱচন্দ্ৰ চাংকাকতীক লজিক, দেবেন্দ্ৰ নাথ বৰাক বুৰঞ্জী আৰু এ ৰ'ফ চৌধুৰীক আৰবীৰ অধ্যাপক মনোনীত কৰিছিল যদিও তেওঁলোক আটাইকেইজনে চাকৰিত যোগদান নকৰিলে। সদ্য জন্মপ্ৰাপ্ত অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নয়নৰ উদ্দেশ্য আগত ৰাখি কলেজ কৰ্তৃপক্ষই যোৰহাটৰ জে বি কলেজৰ অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাক অধ্যক্ষৰূপে নিযুক্তি দিয়ে। যজ্ঞেশ্বৰ শৰ্মাই নগাঁও কলেজৰ অধ্যক্ষৰ দায়িত্ব ল'বলৈ অধ্যাপনাৰ পৰা অব্যাহতি লওঁতে জে বি কলেজৰ অধ্যক্ষ পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈয়ে তেওঁক অৰ্থপূৰ্ণ ভাষাত নতুন কলেজ পতাৰ 'উত্তেজনা আৰু আনন্দ উপভোগ' কৰিবলৈ শুভেচ্ছা জনাইছিল।[১৪]

নগাঁও কলেজ প্ৰতিষ্ঠাৰ বাতৰি সেই সময়ৰ কোনো সাপ্তাহিক কাকতত প্ৰকাশ পাইছিল। এই বাতৰিয়ে উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী অথচ শিক্ষা গ্ৰহণৰ উপায় নথকা যুৱক-যুৱতীসকলৰ মনত আশাৰ সঞ্চাৰ কৰিলে। কলেজলৈ নামভৰ্ত্তিৰ বাবে অহা প্ৰথমজন ছাত্ৰ আছিল শিৱসাগৰৰ চিকণ চন্দ্ৰ কাকতি।[১৫] প্ৰথম বৰ্ষত নামভৰ্ত্তিৰ সংখ্যা ১৪১ হোৱাত উদ্যোক্তাসকল উৎফুল্লিত হৈছিল। তাৰ ভিতৰত কেইবাবছৰৰ

আগতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰি চাকৰি কৰি পুনৰ ছাত্ৰ জীৱন আৰম্ভ কৰিবলৈ ওলোৱা লোকো আছিল।[১৬]

স্বাধীনতাৰ পূৰ্বে আমাৰ দেশত নাৰী শিক্ষাৰ শোচনীয় অৱস্থা সৰ্বজনজ্ঞাত। তেনেস্থলত নগাঁও কলেজৰ আৰম্ভণিৰ বৰ্ষতে ওঠৰ গৰাকী ছাত্ৰীয়ে নামভৰ্ত্তি কৰাটো স্ত্ৰীশিক্ষাৰ ইতিহাসৰ লেখৰ কথা। সেই ছাত্ৰীসকলৰ ভিতৰত আছিল দেৱবালা বৰুৱা, মহেশ্বৰী শইকীয়া, কণমাই শইকীয়া, নমিতা দেৱী, ৰাহিদা ৰহমান, নীলিমা ভূঞা, লাৱণ্য দাস, সত্যৱতী দেৱী, ৰাশ্চিমা ৰহমান আৰু সবিতা সৰকাৰ।[১৭] আটায়েই অতি উৎসাহেৰে কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁলোক প্ৰায় সকলোৱেই স্কুল-কলেজৰ শিক্ষয়িত্ৰীৰূপে প্ৰতিষ্ঠিত হৈছিল।

১৯৪৮ চনলৈকে নগাঁও কলেজত ইন্টাৰমিডিয়েটৰ দুই বছৰীয়া পাঠ্যক্ৰম গ্ৰহণৰহে সুবিধা আছিল। ইয়াত স্নাতক শ্ৰেণী নোখোলাত আই. এ. পাছ কৰি উচ্চশিক্ষাৰ প্ৰতি আগ্ৰহী একাংশ ছাত্ৰই গুৱাহাটী বা আন ঠাইৰ কলেজত ভৰ্ত্তি হৈছিলগৈ। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা শিক্ষায়তনিক বিষয়ত আছিল অতিকে সচেতন। তেওঁ ইংৰাজী, অসমীয়া আৰু সংস্কৃত তিনিওটা বিষয়তে সমান দক্ষতাৰে পাঠদান কৰিছিল। কলেজৰ আন এজন নিষ্ঠাবান সেৱক উপাধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে দৰ্শন বিষয়ৰ উপৰিও অসমীয়া বিষয়ৰো পাঠদান কৰিছিল। অধ্যক্ষ, উপাধ্যক্ষকে ধৰি সেই কালৰ অধ্যাপক-- সকলোৱেই নিজ নিজ বিষয়ত ব্যুৎপত্তি আৰু তেওঁলোকৰ ব্যক্তিত্বৰ দ্বাৰা কলেজৰ ভিতৰে-বাহিৰে সকলোৰে শ্ৰদ্ধালাভ কৰিছিল। চহৰখনত অধ্যাপক বুলিবলে এমুঠিমান ব্যক্তি গতিকে তেতিয়াৰ নগাঁৱৰ সৰু চহৰখনত তেওঁলোকক নিচিনা মানুহ নাছিল। কলেজ প্ৰতিষ্ঠাৰ সময়তে অধ্যক্ষক মাহে ২০০ টকাকৈ আৰু অধ্যাপকসকলক মাহে ১০০ টকাকৈ দৰমহা দিয়াৰ সিদ্ধান্ত কৰা হৈছিল।[১৮] এই কথা কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি যে সামান্য দৰমহাত চাকৰি কৰা এই অধ্যাপকসকলে কেৱল শিক্ষাদানৰ আনন্দতে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল।

প্ৰতিস্থাপক অধ্যক্ষৰ ভাষাত 'মতিৰাম বৰাৰ বুদ্ধি আৰু কৰ্মতৎপৰতাৰ কাৰণে নগাঁও মহাবিদ্যালয় অতি শীঘ্ৰে এখন পূৰ্ণাংগ কলেজ হৈ উঠিব পাৰিছিল।'[১৯] ১৯৫২ চনত নগাঁও কলেজৰ ভূগোল বিভাগত অধ্যাপকৰূপে যোগ দিলে কমল চন্দ্ৰ গোস্বামীয়ে। পাছলৈ তেওঁ কলেজৰ উপাধ্যক্ষ হৈছিল। কলেজখনৰ জন্মলগ্নৰ

সকলো সমস্যা আৰু সিবোৰৰ সফল সমাধান প্ৰচেষ্টাৰ বিষয়ে অধ্যাপক গোস্বামীয়ে জানিছিল। এটি চুটি বাক্যতে তেওঁ সেই পৰ্বৰ ইতিহাস ধৰি ৰাখিছে - 'জননেতা মতিৰাম বৰাদেৱেই আছিল নগাঁও কলেজৰ মুখ্য স্থপতি।'[২০] মতিৰাম বৰা আছিল এজন স্বাধীনতা সংগ্ৰামী আৰু স্বনামধন্য ৰাজনৈতিক নেতা। তেওঁ ১৯৪৬ চনত নগাঁও দক্ষিণ-পূৰ্ব সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হৈ অসমৰ ভূমি আৰু ৰাজহ মন্ত্ৰী হোৱাত কলেজৰ আন্তঃগাথনিৰ দ্ৰুত উন্নয়নৰ পথ মুকলি হ'ল। মন্ত্ৰী বৰাৰ প্ৰচেষ্টাত নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ হোষ্টেলৰ এশাৰী ঘৰ তাৰ সংলগ্ন ভূমিখণ্ডসহ ১৯৪৬ চনত নগাঁও কলেজৰ নামত হস্তান্তৰ কৰা হয়। প্ৰতীকী ৰূপত এটকা মূল্যৰ বিনিময়তে ৰাজ্য চৰাকাৰৰ পৰা কলেজ কৰ্তৃপক্ষই সেই মাটি ৯৯ বছৰীয়া লিজত লাভ কৰিছিল। কলেজ চৌহদৰ ভিতৰতে ১৯৪৮ চনত প্ৰতিষ্ঠা কৰা পশু চিকিৎসা মহাবিদ্যালয়খনো দুবছৰমান ওচৰা-ওচৰিকৈ চলি আছিল। তেতিয়া নগাঁও কলেজৰ কলা শাখা আৰু পশু চিকিৎসা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা ৬ বজাৰ পৰা ১০ বজাৰ ভিতৰত হৈছিল। বৰ্তমান উদ্ভিদ বিজ্ঞান বিভাগৰ ঠাইতে আছিল চৰকাৰী ডাক বঙলা। এই ডাক বঙলাৰ ঘৰ মাটিও কলেজ চৌহদৰ অন্তৰ্ভূক্ত হ'ল।[২১] বৰ্ধিত শ্ৰেণীকোঠাৰ প্ৰয়োজনত নতুন ঘৰ নিৰ্মাণ হ'বলৈ ধৰিল। স্বাধীন অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আৰু আদিৰে পৰা নগাঁও কলেজ প্ৰতিষ্ঠাৰ প্ৰেৰণাদাতা ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ পবিত্ৰ স্মৃতিত মতিৰাম বৰাৰ উদ্যোগ আৰু গুণগ্ৰাহী নগঁএগ ৰাইজৰ সমৰ্থনত আটকধুনীয়া বৰদলৈভৱন নিৰ্মাণ কৰা হৈছিল।

অধ্যক্ষৰ যত্নত নগাঁও কলেজৰ গ্ৰন্থাগাৰটি বিভিন্ন বিষয়ৰ বছা বছা সংগ্ৰহৰে চহকী হৈ অসমৰ এটি লেখত ল'বলগীয়া গ্ৰন্থাগাৰ হৈ উঠিছিল। কলেজৰ প্ৰথম গ্ৰন্থাগাৰিক আছিল ৰেব বৰা। সুদীৰ্ঘকাল তেওঁৰ সুপৰিচালনাত গ্ৰন্থাগাৰটিৰ পৰা আটায়ে উপকৃত হৈছিল। কলেজৰ অধ্যক্ষই লাইব্ৰেৰীলৈ গৈ কিতাপ পঢ়াটো তেওঁৰ দৈনন্দিন অভ্যাস আছিল।

নগাঁও কলেজৰ বিজ্ঞান আৰু বাণিজ্য শাখা ক্ৰমে ১৯৫৩ আৰু ১৯৬৩ চনত বিশ্ববিদ্যালয়ৰ অনুমতি প্ৰাপ্তিত আৰম্ভ কৰা হৈছিল। তেতিয়া উজনি আৰু নামনি অসমৰ পৰাও ছাত্ৰ-ছাত্ৰী অহা হ'ল। ১৯৪৭ চনত নগাঁও কলেজৰ ইন্টাৰমিডিয়েট কলা শ্ৰেণীতে প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰী আছিল।[২২] তিনিও শাখাত শ্ৰেণী খোলাত অধ্যাপকৰ নাটনিয়ে কলেজ কৰ্তৃপক্ষক চিন্তিত কৰিলে। ১৯৬০ চনমানলৈকে

কলেজত বিজুলীৰ সংযোগ নথকাত জহকালি উত্তাপ সহ্য কৰিয়ে অধ্যাপকসকলে পাঠদান কৰিছিল আৰু সন্ধিয়াৰ বাণিজ্য শাখাত পেট্ৰ'মাক্স লাইটৰ ব্যৱহাৰ কৰা হৈছিল।[২৩]

স্বাধীনতা লাভৰ আনন্দই নগাঁওবাসীক চুই যোৱাৰ সময়তে দেশ বিভাজনৰ ফলত অসমত প্ৰৱেশ কৰা হিন্দু শৰণাৰ্থীৰ একাংশ নগাঁৱলৈকো আহিছিল। তাৰ ভিতৰত কিছুমান উচ্চ শিক্ষিত লোকো আছিল। তেতিয়াৰ পৰা নগাঁৱকে ধৰি আন ঠাইত সেই অৰ্হতাসম্পন্ন লোকক স্থায়ী ভাৱে শিক্ষকৰ পদত নিযুক্তি দিয়া হৈছিল।[২৪] নিঃসন্দেহে অনুষ্ঠানবোৰৰ শৈক্ষিক মান উন্নত হ'বলৈ ধৰিল। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা আহি নগাঁও কলেজৰ অধ্যাপনাত যোগ দিয়া পদাৰ্থ বিজ্ঞানৰ অধ্যাপক কৈলাশ চন্দ্ৰ চক্ৰৱৰ্তীয়ে শিক্ষাদানৰ বিশেষ শৈলীৰে ছাত্ৰক অনুপ্ৰাণিত কৰিছিল। গণিত বিভাগৰ প্ৰবাদপ্ৰতিম অধ্যাপক কামাখ্যা কমল পণ্ডিতে ১৯৪৭ চনত কলেজত যোগদান কৰি সুদীৰ্ঘকাল গণিতৰ সৰস আলোচনাৰে বিদ্যাৰ্থীক আকৃষ্ট কৰিছিল। ১৯৪৮ চনত ৰাধিকাৰঞ্জন চৌধুৰীয়ে ইংৰাজী বিভাগত অধ্যাপকৰূপে যোগ দিছিল।

অবিভক্ত নগাঁও জিলাৰ জিলা সদৰস্থানৰ এই কলেজখনে প্ৰতিষ্ঠা কালৰে পৰা জাতি ধৰ্ম নিৰ্বিশেষে গুণীজনক যোগ্য আসন দি আহিছে। বিভিন্ন সম্প্ৰদায়ৰ লোকৰ সক্ৰিয় অংশগ্ৰহণেৰে কলেজ পৰিচালনা সমিতি, অধ্যাপক আৰু ছাত্ৰ সমাজ উপকৃত হৈছিল। প্ৰথম বৰ্ষৰ দুই ছাত্ৰ কমলেশ্বৰ বৰা আৰু ওয়াজিৰ ৰহমানে ক্ৰমে পাৰ্চী আৰু সংস্কৃত বিষয় হিচাপে লোৱাটো এক ব্যতিক্ৰমী নিদৰ্শন।[২৫]

নগাঁও কলেজৰ দূৰৈৰ ছাত্ৰসকলৰ থকাৰ সুবিধাৰ বাবে কলেজ কৰ্তৃপক্ষই আমোলাপট্টিত হোষ্টেলৰ ব্যৱস্থা কৰি দিছিল। তেতিয়াৰ আৱাসী ছাত্ৰসকলে ইয়াৰ নাম 'শেৱালি' দি লৈছিল।[২৬] দুই-চাৰিবছৰৰ পাছত কলেজৰ মুছলমান ছাত্ৰৰ বাবে আছুতীয়া হোষ্টেল খোলা হৈছিল যদিও তাৰে সাম্প্ৰদায়িক বিভাজনৰ শংকা কৰি তাক বন্ধ কৰি দিয়া হ'ল। ১৯৪৭ চনত নগাঁও কলেজত অধ্যয়নৰত মুকলেছ আহমেদৰ এখন ৰচনাৰ পৰা আমি জানিব পাৰোঁ যে, নগাঁও কলেজ কৰ্তৃপক্ষৰ যত্নত কলেজৰ সৰস্বতী পূজাভাগৰ দায়িত্ব মুছলমান ছাত্ৰ সম্পাদকজনক দিয়াৰ বিপৰীতে হিন্দু ছাত্ৰ এজনক ফাতেহা-ই-দোৱাজ-দহমৰ উদ্‌যাপন চোৱা চিতা কৰিবলৈ দিয়া হৈছিল।[২৭] খুব সম্ভৱ, স্বাধীনতাৰ আগে পিছে দেশত সৃষ্টি হোৱা সাম্প্ৰদায়িক উত্তেজনাৰ পৰিপ্ৰেক্ষিতত কলেজ কৰ্তৃপক্ষই এই দৃষ্টান্ত দাঙি ধৰিছিল।

অসমীয়া আৰু অনা-অসমীয়া অধ্যাপকসকল মিলি কলেজখনৰ শৈক্ষিক পৰিৱেশ ছাত্ৰ তথা অভিভাৱকৰ বাবে আকৰ্ষণীয় কৰি তুলিছিল। কমল চন্দ্ৰ গোস্বামীৰ লেখাৰ পৰা আমি জানিব পাৰোঁ যে, পঞ্চাছৰ দশকৰ আৰম্ভণিত নগাঁও কলেজৰ অসমৰ অধ্যাপকসকল আছিল দৰ্শনত মহেশ চন্দ্ৰ দেৱ গোস্বামী, ইতিহাসত আব্দুল হাই আৰু কোকিল বেজবৰুৱা, সংস্কৃতত দীনেশ দত্ত আৰু জীৱ বিজ্ঞানত সুধী শৰ্মা। তাৰ তুলনাত অসমৰ বাহিৰৰ অধ্যাপকেই আছিল বেছি। বিজ্ঞান আৰু বাণিজ্য শাখাৰ বাবে তেখেতসকল অপৰিহাৰ্য হৈ পৰিল। ওপৰত উল্লেখ কৰা অধ্যাপক নিৰ্মল চন্দ্ৰ সামাদ্দাৰ, ফণীন্দ্ৰলাল দত্ত, কামাখ্যা কমল পণ্ডিত, ৰাধিকা ৰঞ্জন চৌধুৰীৰ উপৰি ইংৰাজী বিভাগত সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী, ব্যোমৰেশ চাহা আৰু বটকৃষ্ণ ঘোষ, দৰ্শনত মুজিব বেনাৰ্জী, বাণিজ্য শাখাত অজিত ৰায় আৰু বলদেৱ ভট্টাচাৰ্য্য, ৰসায়ন বিজ্ঞানত গোবিন্দৰাম দেৱনাথ আৰু ৰবীন্দ্ৰনাথ গুহ, পদাৰ্থ বিজ্ঞানত কৈলাশচন্দ্ৰ চক্ৰৱৰ্তী আৰু ছাত্তি সদাশিৱ ৰাও আৰু পাটনায়ক উপাধিধাৰী (নাম উদ্ধাৰ কৰিব নোৱাৰাত দুঃখিত) দুজন অধ্যাপকৰ অৱদান কলেজখনৰ ইতিহাসত স্মৰণীয় হৈ আছে।[২৮] নগাঁও কলেজত প্ৰথম মহিলা অধ্যাপিকাৰ যোগদান ১৯৫৮ চনত। তেওঁ আছিল গণিত বিভাগৰ অধ্যাপিকা চন্দ্ৰপ্ৰভা দেৱী। কৰ্মপটু কাৰ্যালয় সহায়ক গংগাধৰ শইকীয়া, নাৰায়ণ শৰ্মা আৰু মহেশ ভট্টই কলেজৰ অধ্যক্ষক প্ৰশাসনিক কামত সহায় কৰিছিল।

নগাঁও কলেজত একাদিক্ৰমে কলা, বিজ্ঞান আৰু বাণিজ্য শাখা খোলাত জিলাখনত চামে চামে শিক্ষিত ডিগ্ৰীধাৰী লোক ওলাববলৈ ধৰিলে। কলা আৰু বিজ্ঞানৰ বুজন সংখ্যক গ্ৰেজুৱেটে জিলাখনৰ এম. ই. আৰু হাইস্কুল বিলাকৰ শিক্ষকৰ অভাৱ পূৰণ কৰিলে। আন একাংশ নিজ নিজ যোগ্যতা অনুসৰি চৰকাৰী চাকৰিত সোমাল। নগাঁও কলেজত প্ৰয়োজনীয় শিক্ষা সমাপ্ত কৰি ওলোৱা আইনজীৱী, চিকিৎসক, অভিযন্তা আদি বৃত্তিজীৱী মানুহৰ সংখ্যাও নিচেই কম নহয়। নগাঁও কলেজৰ গুণতে এক-ডেৰ দশকৰ ভিতৰত জিলা কেন্দ্ৰৰে সৈতে সুচল যোগাযোগ থকা প্ৰত্যেক ঠাইতে এটা শিক্ষিত মধ্যবিত্ত শ্ৰেণী গঢ়ি উঠিল। তেওঁলোকৰ মাজৰ পৰা সমাজসেৱক, ৰাজনৈতিক কৰ্মী আৰু নেতা ওলাল। কলেজীয়া শিক্ষাৰে শিক্ষিত সকলে সমাজত নতুন ভাৱ-চিন্তাৰ পৰিচয় দাঙি ধৰিলে। সমাজত তেওঁলোকৰ সুপ্ৰভাৱ কোনেও আওকাণ কৰিব পৰা নাছিল। অৰ্থাৎ নগাঁও কলেজ প্ৰতিষ্ঠাৰ সামাজিক প্ৰভাৱ কেৱল

উচ্চ শিক্ষাপ্ৰাপ্ত সকলৰ মাজতে সীমাবদ্ধ নাছিল, বৃহত্তৰ সমাজলৈকো তাৰ প্ৰভাৱ সম্প্ৰসাৰিত হৈছিল।

নগাঁও কলেজ প্ৰতিষ্ঠাৰ লগত জড়িত মহীচন্দ্ৰ বৰা আৰু ৰাধিকামোহন গোস্বামী আছিল 'আৱাহন'ৰ যুগৰ লেখক। প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ৰসবোধ আৰু তীক্ষ্ন বুদ্ধিদীপ্ততাৰ উমান অসমীয়া বিদ্বৎ সমাজে তেওঁ সম্পাদনা কৰা কবিতাপুথি 'শতপত্ৰ' (১৯৩৮)ৰ জৰিয়তেই পাইছিল। অধ্যাপক মহেশচন্দ্ৰ দেৱগোস্বামী আছিল এজন নিৰ্ভীক, জাতীয়তাবাদী সাংবাদিক। ১৯৪৭ চনৰ পৰা তেওঁ নিজে সম্পাদনা কৰা 'বিহলঙনী' নামৰ আলোচনীৰে দুৰ্নীতি আৰু ভণ্ডামিৰ বিৰুদ্ধে আপোচহীন যুঁজ চলাই গৈছিল। গুণবান অধ্যাপকসকলৰ সান্নিধ্যত একাংশ ছাত্ৰয়ো সাহিত্যচৰ্চা কৰিছিল। প্ৰথমবৰ্ষৰ দুই ছাত্ৰ মহিম বৰা আৰু দেবেন্দ্ৰনাথ হাজৰিকাই 'শেৱালি' নামেৰে হাতে লিখা আলোচনী এখন সম্পাদনা কৰিছিল।[২৯] নগাঁও কলেজৰ আলোচনীৰ প্ৰথম প্ৰকাশিত সংখ্যা তৰুণ ফুকনৰ সম্পাদনাত ১৯৫০ চনত প্ৰকাশ হৈছিল। ১৯৫৪ চনত অমূল্যচন্দ্ৰ নাথৰ সম্পাদনাত প্ৰকাশ পোৱা কলেজৰ ষষ্ঠ সংখ্যাৰ আলোচনীখনত কলেজৰ বাবে এটি প্ৰতীক 'জ্যোতিৰ্গময়' - পোহৰৰ অভিমুখে আগবঢ়া - বাণীৰে গ্ৰহণ কৰা হৈছিল।[৩০] ১৯৫৬ চনত নগাঁৰৰ পৰা প্ৰকাশিত 'সচিত্ৰ সাহিত্য সংকলন' 'অৰুণাচল'ৰ কথাও এইখিনিতে উল্লেখ কৰিব লাগিব। পুথিঘৰ প্ৰেছৰ মালিক কমল চন্দ্ৰ বৰাই প্ৰকাশ কৰা এই সংকলনৰ প্ৰধান উদ্যোক্তাসকল আছিল নগাঁও কলেজৰে। সেই প্ৰচেষ্টাৰ লগত জড়িত ব্যক্তিসকলক এই সুযোগতে আমি শ্ৰদ্ধাৰে স্মৰণ কৰিব পাৰোঁ। উপদেষ্টা সমিতিৰ সদস্যসকল আছিল-- যজ্ঞেশ্বৰ শৰ্মা, ৰত্নকান্ত বৰকাকতি, মহীচন্দ্ৰ বৰা, মহেশ চন্দ্ৰ দেৱগোস্বামী, বুদ্ধেশ্বৰ গোঁহাই, জীৱেশ্বৰ গোস্বামী, চন্দ্ৰকান্ত ফুকন, মলিন চন্দ্ৰ বৰা, ভুবন চন্দ্ৰ ফুকন, পূৰ্ণকান্ত বৰা। সম্পাদনা সমিতিৰ সদস্যসকল আছিল-- গদাধৰ দেৱশৰ্মা, হৰেশ্বৰ গোস্বামী, বসন্ত কুমাৰ ভূএগ, জগত চন্দ্ৰ শইকীয়া, কোকিল বেজবৰুৱা, তিলক চন্দ্ৰ শইকীয়া, কুল গগৈ, চামছুল হুদা, ব্ৰজেন বৰঠাকুৰ। সম্পাদক আছিল যুগল কুমাৰ দাস, মহিম বৰা, ভবেন্দ্ৰ নাথ শইকীয়া। পৰিচালনা সম্পাদক আছিল কমল চন্দ্ৰ গোস্বামী।

১৯৪৪ চনত নগাঁও কলেজৰ প্ৰথম ছাত্ৰ একতা সভা গঠিত হৈছিল। ইয়াৰ সম্পাদক আছিল মহেশ্বৰ শইকীয়া। ইয়াৰ পাছৰ বছৰ নিৰ্বাচনৰ মাজেৰে ছাত্ৰ একতা

সভা গঠন কৰা হৈছিল। কলেজৰ প্ৰথম নিৰ্বাচিত সাধাৰণ সম্পাদক কমলেশ্বৰ বৰা।[৩১]

নগাঁও কলেজৰ প্ৰথমবৰ্ষৰ ছাত্ৰ মহিম বৰাই ছাত্ৰ অৱস্থাৰে পৰা সাহিত্য চৰ্চা কৰিছিল। পাছলৈ তেওঁ এই কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হৈছিল। ক'বলৈ গ'লে ওৰেটো জীৱন তেওঁ সাহিত্য চৰ্চাই কৰি গ'ল। তেওঁৰ সাহিত্যিকৃতিৰ বিষয়ে মন্তব্য কৰাৰ ধৃষ্টতা আমাৰ নাই। তেওঁৰ সহপাঠী কমলেশ্বৰ বৰা আছিল অসম চৰকাৰৰ এজন উচ্চ পদস্থ বিষয়া আৰু পাছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। তেতিয়াৰ ছাত্ৰ নেতা আৰু স্বাধীনতা সংগ্ৰামী দেৱেন্দ্ৰ চন্দ্ৰ বৰা কংগ্ৰেছ দলৰ বিধায়ক আৰু মন্ত্ৰী হৈছিল। তেওঁলোকৰ অনুগামী আছিল পাছলৈ লুইত কোঁৱৰ নামেৰে পৰিচিত ৰুদ্ৰ বৰুৱা।

শৈক্ষিক-ৰাজনৈতিক নেতৃত্বৰ সমান্তৰালকৈ সামাজিক সাংস্কৃতিক ক্ষেত্ৰতো নগাঁও কলেজৰ ছাত্ৰই আগভাগ লোৱা দেখা গৈছিল। কলেজৰ উদ্যোগত সময়ে সময়ে হোৱা শিক্ষামূলক ভ্ৰমণলৈ ছাত্ৰ-ছাত্ৰীয়ে আগ্ৰহেৰে বাট চাই ৰৈছিল। ১৯৫৩ চনত কটন কলেজত অনুষ্ঠিত প্ৰথম আন্তঃ কলেজ সংগীত প্ৰতিযোগিতাত নগাঁও কলেজৰ ছাত্ৰ দলে অংশ গ্ৰহণ কৰিছিল। পালিত বৰাই তবলা মাদনত আৰু দৰ্পেশ্বৰ বৰাই খোল বাদনত খ্যাতি অৰ্জন কৰিছিল।[৩২] কিছুদিনৰ বাবে নগাঁও কলেজৰ ছাত্ৰ হোৱা ৰুদ্ৰ বৰুৱাই ছাত্ৰ জীৱনৰ পৰা সঙ্গীত চৰ্চা কৰিছিল। ১৯৫৫ চনত নগাঁও কলেজে আন্তঃজিলা সঙ্গীত সন্মিলনৰ আয়োজন কৰিছিল।[৩৩]

নগাঁও কলেজৰ আন এচাম ছাত্ৰই খেল-ধেমালিত নিজৰ দক্ষতা প্ৰদৰ্শন কৰিছিল। প্ৰথম অৱস্থাত নগাঁও পুলিচ লাইনৰ খেলপথাৰত হোৱা খেলবোৰত কমলেশ্বৰ বৰাই ক্ৰিকেট, যোগেন বৰদলৈয়ে ভলীবল আৰু দীগেন বৰদলৈয়ে ফুটবলৰ দলক নেতৃত্ব দিছিল।[৩৪] নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ, প্ৰবীণ ক্ৰীড়া সংগঠক অধ্যাপক সহজানন্দ ওজাৰ লেখাৰ পৰা আমি জানিব পাৰিছোঁ যে ১৯৪৯ চনত নগাঁৱত স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আয়োজন অসমৰ ভিতৰতে প্ৰথম আছিল। তদুপৰি নগাঁৱত সকলো বিভাগীয় ক্ৰীড়াচৰ্চাৰ সূচনা কৰাৰ উদ্দেশ্যৰে ১৯৫১ চনত ‘নগাঁও স্পৰ্টছ্ ক্লাৱ’ স্থাপিত হৈছিল।[৩৫] জিলাখনত ক্ৰীড়াৰ এই পৰিবেশ বিকাশৰ ফলতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ক্ৰীড়া মহোৎসৱত ১৯৫৪ চনত নগাঁও কলেজৰ প্ৰায় এশ ছাত্ৰই সকলো শাখাতে অংশগ্ৰহণ কৰি ভাল ফল দেখুৱাইছিল। কলেজৰ ছাত্ৰ নাৰায়ণ বৰাই শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছিল।[৩৬]

কলেজৰ আন ছাত্ৰ খৰ্গেশ্বৰ হাজৰিকা, কমল বৰা আৰু অমূল্য কটকী (হীৰু) জনাজাত খেলুৱৈ আছিল। প্ৰথম দশকৰ ছাত্ৰ মাধৱ চন্দ্ৰ শৰ্মাৰ এটি সোঁৱৰণীমূলক টোকাত আমি পাওঁ, নগাঁও কলেজৰ দলে বিশ্ববিদ্যালয় খেল সমাৰোহত একেৰাহে তিনিবাৰলৈ শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছিল। ছাত্ৰ একতা সভাৰ উদ্যোগত নিয়মিতভাৱে কলেজত তৰ্ক, সুকুমাৰ কলা, ক্ৰিকেট, ফুটবল আৰু ভলীবলৰ অনুশীলন হৈছিল।[৩৭]

যিকোনো শিক্ষানুষ্ঠানৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাব পৰা আটাইবোৰ উপাদানেৰে নগাঁও কলেজ সমৃদ্ধ আছিল। কলেজখনৰ আলমতে গোটেই জিলাখনৰ সাধাৰণ পৰিয়ালৰ উচ্চাভিলাসী ছাত্ৰ-ছাত্ৰীয়ে বহল পৃথিৱীখনত খোজ দিবলৈ শিকিছিল। একালৰ নগাঁও কলেজৰ ছাত্ৰই পৰৱৰ্ত্তী সময়ত বিভিন্ন ক্ষেত্ৰত সমাজলৈ অৰিহণা আগবঢ়াইছে। নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে পৰৱৰ্তী প্ৰজন্মৰ সকলোৰে বাবে প্ৰেৰণাদায়ক উচ্চ আদৰ্শৰ পথ দেখুৱাই থৈ গৈছে। সেয়ে নগাঁও কলেজৰ ঐতিহ্য।

যিসকলৰ যত্নত নগাঁও কলেজ প্ৰতিষ্ঠা হৈছিল, অধ্যক্ষ সমন্বিতে যিসকল অধ্যাপকৰ প্ৰেৰণাত শিক্ষালাভ কৰি নগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা-সংস্কৃতি-ৰাজনীতি-ব্যৱসায় আৰু মানৱসেৱাৰ বিভিন্ন বৃত্তিত পাৰদৰ্শিতা লাভ কৰি সমাজখনক নানা ভাৱে সমৃদ্ধ কৰিছে প্লেটিনাম জুবিলী বৰ্ষৰ পৰিত্ৰক্ষণত তেওঁলোক আটাইৰে প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। তেওঁলোকেই নগাঁও কলেজৰ ইতিহাস আৰু ঐতিহ্যৰ নীৰৱস্ৰষ্টা। কোনে জানে আৰু পঁচিশ বছৰৰ পাছত নগাঁও কলেজে প্ৰথম জন্ম শতবৰ্ষ উদ্‌যাপন কৰাৰ সময়ত এই স্থানত এই নামৰ এখন বিশ্ববিদ্যালয় দেখা যাব চাগৈ।

(নগাঁও কলেজৰ সম্পূৰ্ণ ইতিহাস ৰচনা কৰিবলৈ আৰু কিছু তথ্যৰ প্ৰয়োজন আছিল, বহু যত্ন কৰিও আমি সেইবোৰৰ শুংসূত্ৰ লাভ কৰিব নোৱাৰিলোঁ। সেইবাবে আমি দুঃখিত আৰু ক্ষমাপ্ৰাৰ্থী। যিকোনো সহাশয় ব্যক্তিৰ পৰা আৰু অধিক তথ্যৰ সম্ভেদ পালে আমি অনুগৃহীত হ'ম আৰু লেখাটো সম্পূৰ্ণ কৰিব পাৰিম বুলি আশা কৰিছোঁ। - লেখিকা)

প্ৰসঙ্গ টোকা ঃ

১। মহেশ্বৰ নেওগ, *বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ*, ছাৰ্ভিচ বুক ষ্টোৰ্চ, গুৱাহাটী, ১৯৭৪

২। ভূপেন্দ্ৰনাৰায়ণ মহন্ত, 'মাজু মামা মহেশচন্দ্ৰ দেৱগোস্বামী ঃ এক সশ্ৰদ্ধ সোঁৱৰণ,' ডঃ প্ৰফুল্ল মহন্ত (সম্পাদিত) *মহেশচন্দ্ৰ দেৱগোস্বামীৰ জীৱন আৰু কৃতি*, মহেশচন্দ্ৰ দেৱগোস্বামী স্মৃতিৰক্ষা সমিতি, নগাঁও ২০০৪
৩। মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ
৪। বসন্ত কুমাৰ গোস্বামী, *অসম সাহিত্য সভাৰ ইতিহাস* ১৯১৭-৫০, প্ৰথম খণ্ড, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, ২০১৮
৫। H. K. Barpujari, 'A Short History of Higher Education in Assam (1826-1900),' *The Golden Jubilee Volume Cotton College*, Gauhati, 1951-52
৬। ডঃ ৰাজেন শইকীয়া, (সম্পাদিত) সম্পাদকীয়, *নগাঁৱৰ বুৰঞ্জী*, অসম পাবলিচিং কোম্পানী, গুৱাহাটী, ২০১৫।
৭। ভগৱান বৰুৱা, 'এখন কলেজ আৰু এজন মানুহ', লখিমী শৰ্মা আৰু এনজয় আইভন ফিলিপছ (সম্পাদিত) *নগাঁও মহাবিদ্যালয় আলোচনী*, ৫০ তম সংখ্যা, ২০০৯-২০১০ ।
৮। গৌৰাঙ্গ প্ৰসাদ দাস, *অসম বিধান সভা ঃ ১৯৩৭ চনৰ ৭ এপ্ৰিলত আৰম্ভ হোৱা অসম বিধান সভাৰ প্ৰথম অধিবেশনৰ চমু ইতিবৃত্ত*, অসম বিধান সভা সচিবালয়, দিছপুৰ, গুৱাহাটী, ২০১৫।
৯। Karunananda Dutta, 'A History of the Cotton College Gauhati (1901-1951)', *The Golden Jubilee Volume Cotton College*, Gauhati, 1951-1952
১০। ডঃ ৰাজেন শইকীয়া, পূৰ্বোক্ত সম্পাদকীয়।
১১। মহিম বৰা, 'স্মৃতিৰে জীৱন্ত হৈ থকা মহেশ গোস্বামী ছাৰ, ডঃ প্ৰফুল্ল মহন্ত, পূৰ্বোক্ত সম্পাদিত গ্ৰন্থ।
১২। যজ্ঞেশ্বৰ শৰ্মা, 'নগাঁও মহাবিদ্যালয় জন্মলগ্ন সম্পৰ্কত,' *নগাঁও মহাবিদ্যালয় আলোচনী* ৪৫ তম সংখ্যা, সূত্ৰঃ ড° ভূপেন শইকীয়া (সম্পাদিত) *কাজলিমুখ ঃ অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৪ তম দ্বি-বাৰ্ষিক নগাঁও-মৰিগাঁও অধিবেশনৰ স্মৃতিগ্ৰন্থ*, নগাঁও, ২০১৫।
১৩। দেবেন্দ্ৰনাথ হাজৰিকা, 'নগাঁও কলেজৰ ডুখৰীয়া স্মৃতিৰ পৰশ', লখিমী শৰ্মা

আৰু এনজয় আইভন ফিলিপছ (সম্পাদিত) *নগাঁও মহাবিদ্যালয় আলোচনী*, ৫০ তম সংখ্যা, ২০০৯-১০।

১৪। হৰেশ্বৰ গোস্বামী, 'সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা', *হৰেশ্বৰ গোস্বামীৰ নিৰ্বাচিত ৰচনা সংকলন*, হৰেশ্বৰ গোস্বামী স্মৃতিৰক্ষা সমিতি, নগাঁও, ১৯৯৮।

১৫। কামাখ্যা প্ৰসাদ চৌধুরী, 'নগাঁও শহরের উচ্চ শিক্ষার ক্ষেত্রে বাঙালী অধ্যাপক ও অধ্যাপিকার অবদান', শংকর দাস (সম্পাদিত) *অনুরণন*, ১২৫ বছরের স্মারক, নগাঁও বাঙ্গালী সন্মিলনী, নগাঁও, ২০১৯।

১৬। মহিম বৰা, 'স্মৃতিৰ জলঙাৰে নগাঁও কলেজ ঃ ৰাতি নথকা দিনবোৰ', *নগাঁও মহাবিদ্যালয় আলোচনী* ৪৮ তম সংখ্যা, সূত্ৰঃ ড° ভূপেন শইকীয়া সম্পাদিত পূৰ্বোক্ত গ্ৰন্থ।

১৭। একে স্থানতে

১৮। যজ্ঞেশ্বৰ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ

১৯। একে স্থানতে

২০। কমলচন্দ্ৰ গোস্বামী, 'অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ কাৰ্যকালত নগাঁও কলেজ আৰু আমি', নৰকুমাৰ মহন্ত (সম্পাদিত) *সমলয় ঃ অসম কলেজ শিক্ষক সংস্থা*, ৫৭ তম বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থ, নগাঁও, ২০১০

২১। একে স্থানতে

২২। মুকলেচ আহমেদ, 'ফিজিকেল কালচাৰ', *নগাঁও মহাবিদ্যালয় আলোচনী* ৫৪ তম সংখ্যা, সূত্ৰ ঃ ড° ভূপেন শইকীয়া সম্পাদিত পূৰ্বোক্ত গ্ৰন্থ

২৩। কমলচন্দ্ৰ গোস্বামী, পূৰ্বোক্ত প্ৰবন্ধ

২৪। একে স্থানতে

২৫। দেবেন্দ্ৰনাথ হাজৰিকা, পূৰ্বোক্ত প্ৰবন্ধ

২৬। একে স্থানতে

২৭। মুকলেচ আহমেদ, পূৰ্বোক্ত প্ৰবন্ধ

২৮। কমলচন্দ্ৰ গোস্বামী, পূৰ্বোক্ত প্ৰবন্ধ

২৯। দেবেন্দ্ৰনাথ হাজৰিকা, পূৰ্বোক্ত প্ৰবন্ধ

৩০। অমূল্যচন্দ্ৰ নাথ, 'নগাঁও কলেজ আলোচনী ঃ আদি খণ্ড', লখিমী শৰ্মা আৰু এনজয় আইভন ফিলিপছ (সম্পাদিত), *নগাঁও মহাবিদ্যালয় আলোচনী*, ৫০ তম সংখ্যা, ২০০৯-১০।

৩১। দেবেন্দ্রনাথ হাজৰিকা, পূৰ্বোক্ত প্ৰবন্ধ
৩২। অমূল্য চন্দ্ৰ নাথ, পূৰ্বোক্ত প্ৰবন্ধ।
৩৩। ৰেখা শৰ্মা, *স্মৃতিৰ জলঙাৰে*, আমোলাপট্টি, নগাঁও, ২০১১
৩৪। দেবেন্দ্রনাথ হাজৰিকা, পূৰ্বোক্ত প্ৰবন্ধ
৩৫। সহজানন্দ ওজা, 'স্বৰাজোত্তৰ নগাঁৰৰ ক্ৰীড়া জগত আৰু ইয়াৰ বিকাশ', শিবানন্দ কাকতি (সম্পাদিত) *স্বৰাজোত্তৰ নগাঁও নিবন্ধমালা*, স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি, নগাঁও ১৯৯৮।
৩৬। ভগৱান বৰুৱা, পূৰ্বোক্ত প্ৰবন্ধ
৩৭। মাধৱচন্দ্ৰ শৰ্মাৰ লগত হোৱা এটি ব্যক্তিগত সাক্ষাৎকাৰ, সাক্ষাৎকাৰৰ তাৰিখ, ১২ মে', ২০১৯।

---

লেখিকাৰ পৰিচয় ঃ নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰী আৰু বৰ্তমান নগাঁও কলেজৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা।

# Growth and Development of Nowgong College

Priya Nath Sengupta

Year after year, quite an appreciable number of successful candidates in the Matriculation Examination from the different High Schools in the District of Nowgong-boys' and girls'-could not have an entry into the portals of College, mostly for financial difficulties and other considerations and it was a huge waste of human energy, Naturally, therefore, it was a problem, which needed careful tackling, the only effective solution being the establishment of a College at Nowgong. Difficulties were many and yet in the early part of 1944, we (my esteemed friend, Late Shri Moti Ram Bora and myself) took courage in both hands to have an Intermediate College at Nowgong and that right from the year 1944. We opened our mind to our friends in the Nowgong Bar Association and in particular to Rai Bahadur Brindabon Chandra Goswami and Raj Bahadur Bhadreswar Baruah and the response was very much heartening. Rai Bahadur Bhadreswar Baruah was then a nominated Member (from Assam) of the Senate of the University of Calcutta and he assured us of his services in the matter of the affiliation of the College, as and when established, to the University of Calcutta.

An ad-hoc Committee was soon formed with Rai Bahadur

Brindabon Chandra Goswami as President, Shri Moti Ram Bora and myself as Joint Secretaries and Sardar Jog Singh Chatri as Treasurer. Late Shri Moti Ram Bora took upon himself the responsibility for raising funds for the College and without allowing the grass grow under his feet, straightway started raising fund for the College in collaboration with Sarvashri Jhon Thomas, Mohan Chandra Mohanta and Promode Ram Bhattacharyya, to name only a few amongst many and the administrative side was left to my humble self. It is not the we had a smooth sailing in the matter. From some quarters we met with nothing but ridicule and yet from another section of the Public came the suggestion that if at all the College must have to be located in a rather calm atmosphere, far away from the noise and bustle of the Town life. To the former, our attitude was one of indifference and as regards the latter, we flattered their vanity and visited the village Bamuni, about six miles from the Nowging Town, as the prospective size of the College.

It was about April/May. 1944, Rai Bahadur Bhadreswar Baruah informed us one day that he would soon he going to Calcutta to attend a meeting of the Senate of the Calcutta University. Time seemed to be very opportune. An application for affiliation was hurriedly drawn up, addressed to the Registrar, University of Calcutta and was handed over to Rai Bahadur Bhadreswar Baruah to be delivered to the Registrar personally.

We had by then decided to have classes for the College till such time as the College could have Buildings of its own on its own land. The Managing Committee of the Dawson High School, of which Rai Bahadur Bhadreswar was the then Secretary, were good enough to lend the use of the School premises for holding the classes of the College, which by then had been christened as

“NOWGONG COLLEGE” in the evening and placed two rooms exclusively at the disposal of the College one to be used as Office room and the other for the Principal and the Professors of the College once again I take this opportunity of conveying our hear-felt thanks to the Authorities of Dawson High School, past and present, for their kind help, so generously extended to the Nowgong College.

The preliminaries for the College were almost settled. Lest sufficient funds be not immediately available for appointment of all the Professors on a remuncrative basis, we felt greatly relieved when assurances of honorary services for teaching English, History and Logic voluntarily came from amongst the members of the local Bar Association. Though of course, no occasion in fact arose for utilisation of their voluntarily services, we took the offer as an indication of their moral and material support in the venture.

Fund collection went on vigorously and late Shri Moti Ram Bora’s untiring energy helped him in drawing into the pool and excellent and valuable services and unstinted help of Shri Santi Ranjan Das Gupta, at present of Hojai. Shri Santi Ranjan Dasgupta very well justified the confidence reposed in him and raised a very substantial amount for the College. We wish him the best of success and prosperity in life.

We would be guilty of ungratefulness if I donot mention here the unexpected assistance towards the growth of the College we had from a high Government Official at Nowgong and the substatntial fund contributed through his help. I have not been able to obtain his consent to publish his name and I hope I shall be excused if I refrain from doing so.

Through the grace of the Almighty, the enrolment of

students in the very first year was encouraging and provided fillip to the members of the Governing Body of the College. Fortunately for Nowgong, the Governing Body could secure the services of an energetic and enthusiastic band of Teachers, whose faithful services made the Governing Body think serious; of opening Science. Section in the College as early as possible.

By about November, 1945, Prof. Satish Chandra Ghosh, a reputed Educationist, was deputed by the University of Calcutta as Inspector of Colleges to visit Nowgong College. He was satisfied with the general progress of the College and seemed very much inclined to recommend the College for affiliation but wanted the College Fund to be made a little more stronger and insisted on the College having its own premises soon. Here again Shri Santi Ranjan Das Gupta came to the relief of the Governing Body of the College and even before Prof. Satish Chandra Ghosh left Nowgong, Shri Das Gupta contributed the amount that was necessary to fulfil the minimum required by the Inspector of Colleges. The order of affiliation of the Nowgong College to the University of Calcutta came soon after and we were particularly happy that our first batch of students could duly appear in the Intermediate Examination in Arts.

The Governing Body was all along very serious in having a sizeable plot of land for the College with an eye for its further expansion. The site of the Government High School Hostel premises and the site of the Dak Banglow adjacent there to caught our eyes and late Shri Moti Ram Bora, then an M.L.A., took up the matter strenuously with late Lokepriya Gopinath Bordoloi, who was then Chief Minister and Education Minister of Assam. Leech-like tenacity of late Shri Moti Ram Bora succeeded in

softening the crstwhile stiff attitude of the Chief Minister and he was pleased to give an assurance that he would give the matter of the transfer of the Government High School Hostel premises to the Nowgong College his best consideration during his next visit to Nowgong.

The much-excepted visit of Shri Gopinath Bordoloi came to happen soon. Here again some amongst us were very sceptic and expressed doubt about the fulfilment of our purpost but the Joint Secretaries and the Treasurer of the Governing Body of the College were optimistic and hopeful all through. We were determined to have the Government High School Hostel premises for the College at any cost. A Tea-party was arranged in honour of the Chief Minister and Education Minister in the Dawson High School premises, where the College classes were then being held while expressing his difficulties and limitations in the matter, the Chief Minister desired us meet in the Circuit House at Nowgong in the evening. We took care to see that the minimum number of members of the Govrning Body required to form the quorum were present in the Circuit House. When we met the Chief Minister in the Circuit House, he wanted to know if we were prepared to pay a certain sum of money as the consideration for the transfer of the Hostel premises to the College, to which we readily agreed. It is useless here to go into the details of the prolonged talk that followed. Finally the Chief Minister and Education Minister told us that we would not have to pay anything in terms of money for the transfer and while agreeing to transfer the Hostel premises to the College, he imposed a condition there to that Science classes would have to opened in the College from the coming session and till then we would have to pay a nominal rent of Re. 1/- per year

for the use of the Hostel premises. We readily accepted the transfer subject to the condition. We were also assured that immediate possession of the vacant portion of land of the Dak-Bunglow area contiguous to the Hostel premises would also be delivered to the Nowgong College simultaneously with the delivery of possession of the Government High School Hostel prmises. The Chief Minister and Education Minister was pleased to pass necessary orders in this behalf and the Deputy Commissioner, Nowgong, was directed to arrange immediate delivery of possession and possession thereof was accordingly delivered, the College Authorities having in the meantime constructed a C.I. Sheet roofed house for the temporary accomodation of the Hostel Boarders.

The Governing Body of the College adopted a resolution for opening Science Classes in Physics, Cemistry and Biology and before long Professors of Chemistry and Physics were defect in the setting up of the practical Laboratories of Chemistry and Physics, the Director of Public Instruction, Assam, was requested to depute the Professors of Physics and Chemistry of the Cotton College, Gauhati to assist and advise us in the matter. Accordingly Prof. Indu Bhusan Dutta, Professor of Chemistry and Prof Rabindra Nath Das, Prof. of Physics, came to Nowgong and gave necessary instructions and practical suggestions to the Professors of Chemistry and Physics of the Nowgong College for the setting up and equipment of the practical Laboratories. Our heart-felt thanks are due to there for their kind and valuable assistance.

On the vacant portion of the land of Dak-Banglow area was constructed the Arts Lacture Hall and it was named as "LOKPRIYA BORDOLOI HALL". It is hoped that the present and future generation of students will remember the name of late

Shri Gopi Nath Bordoloi with reverence.

Commerce Section was opened and the College was soon raised to the standard of a First grade College in Arts was soon after inspected by Dr. Pramatha Nath Banerjee, Minto Professor of Economics, University of calcutta and the College was granted affiliation in the Degree Course in Arts as well in due course.

Late Shri Moti Ram Bora was soon after elevated to the Assam Cabinet and though formally he ceased to be a member of Governing Body of the College, his mind and heart were all along with the College and it was through his efforts that the entire Dak Bunglow premises could become the property of the Nowgong Collge. The area covered by the tank on the eastern side of the College was also alloted to it for its future and further extension and expansion. To forget the contribution of late Shri Moti Ram Bora to the growth and development of Nowgong College would be noghing short of ingratiutde.

It is gratifying to us find that Degree Course in Science has since been opened in the College with Botany and Zoology amongest other subjects. The Zeal and earnestness of the members of the teaching staff and of the Governing Body and the enthusiasm of the students have contributed to no small degree to the introduction of 'statistics' as one of the subjects in the Degree course and Honours course in all the subjects except Zoology and statistics. The college has got a two-storeyed Building on the old Dak-Bunglow site and Botany Department has to into credit a Building of its own well furnished with equipments.

The College has since made rapid progress in other directions as well. A College Canteen, Girls Common Room, a two-storeyed consmopolitan Hostel, Cycle Stands have been

provided for the convenience of the students. The garden set up has added to the further beauty of the College.

The co-operative spirit of the students have shown itself in their voluntary contribution of Rs. 3.00 (Rupees Three) per year towards the construction of a much-need Auditorium for which the students deserve all thanks. Future of this great land as the students are it is expected that this spirit compelled with there sincere devotion and anxiety make the community more and more to study prosperous will make them glorious citizen of India.

Now that the affairs of the College are in better and more energetic hands, we are anxicusly waiting for the day when Post-Graduage classes would be opened in the College and our dreams would be fulfilled.

In this short compass it has not been possible to name all those persons individually, who helped us in our noble task and I shall be excused for the lapses and omissions, if there has been any. I thank them all for their kind assistance.

It is our confident hope that Nowgong College would continue to be in ever-growing Man-making Institution and shed its lustre all around.

Re-printed from 21st issue of Nowgong College Magazine edited by Gunindra Gayan.

---

Writer : Ex. Jt. Secy., Governing Body, Nowgong College

প্ৰসংগ ক্ৰমে -- ১

# অভিশপ্ত ৭ চেপ্তেম্বৰ’৭৯ !
# নগাঁও মহাবিদ্যালয়ত ঐতিহাসিক পুলিচী নিৰ্যাতন !
# চি.আৰ.পি.ৰ দ্বাৰা মহাবিদ্যালয় চৌহদৰ পবিত্ৰতা ধ্বংস !

বিদেশী নাগৰিক বহিষ্কৰণ আন্দোলনৰ প্ৰথম পৰ্যায়। ১৯৭৯ চনৰ ৬ আৰু ৭ চেপ্তেম্বৰ তাৰিখে সদৌ অসম ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্যসূচী হিচাপে ছাত্ৰ সমাজ তথা ৰাইজক গণ-অৱস্থানৰ আহ্বান জনায়। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক সঁহাৰি জনাই সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘটৰ আয়োজন কৰে। আন্দোলনৰ প্ৰথম দিনা ৬ চেপ্তেম্বৰ তাৰিখে শান্তিপূৰ্ণভাৱে অৱস্থান ধৰ্মঘট কৰাৰ পিছৰ দিনা ৭ চেপ্তেম্বৰ তাৰিখে জিলা কৰ্তৃপক্ষৰ কেইজনমান উৰ্দ্ধতন বিষয়াৰ প্ৰৰোচনাত চি, আৰ, পি, বাহিনীয়ে শান্তিপূৰ্ণ ধৰ্মঘটকাৰী ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ ওপৰত নিৰ্মমভাৱে লাঠী চালনা কৰে। ছত্ৰভঙ্গ দিয়া ছাত্ৰ-ছাত্ৰীসকলক খেদি নিয়া চি, আৰ, পি,ৰ এটা দলে নগাঁও মহাবিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰি থাকে য’তে পায় নিৰ্বিচাৰে কোবাই সন্ত্ৰাসৰ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰীসকলে আশ্ৰয় লোৱা ‘টিচাৰ্ছ কমন-ৰূম’, মহাবিদ্যালয়ৰ কাৰ্যালয় আদিৰ দুৱাৰ-খিড়িকী ভাঙি চি, আৰ, পি,য়ে প্ৰবেশ কৰি ফাইল-পত্ৰকে আদি কৰি চকী-মেজ সকলো লণ্ডভণ্ড কৰে। চি, আৰ, পি,ৰ লাঠীৰ কোবত কৰ্মৰত অৱস্থাত থকা মহাবিদ্যালয়ৰ কৰ্মচাৰী ললিত শইকীয়া অতি গুৰুত্বৰভাৱে আহত হয়। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ দুৱাৰ ভাঙি প্ৰৱেশ কৰা চি, আৰ, পি,য়ে লাঠীৰে কোবাই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপ্ৰফুল্ল মহন্তক অতি গুৰুতৰ ভাৱে আহত কৰে। ইয়াৰ উপৰিও বহুসংখ্যক যুৱ-ছাত্ৰ, কেইবাজনো অধ্যাপক এই লাঠী চালনাত আহত হয়।

আহতসকলৰ পৰা চি, আৰ, পি, বাহিনীৰ লোকে টকা-পইচা, ঘড়ী, সোণৰ চেইন পৰ্যন্ত কাঢ়ি নিয়াৰ অভিযোগ উঠে।

ঘটনাৰ পিছতেই নগাঁও চহৰৰ পৰিস্থিতি উত্তপ্ত হৈ পৰে। উক্ত দিনাই আবেলি ছাত্র-ছাত্রী, শিক্ষক-কৰ্মচাৰী সমন্বিতে নগএঞা ৰাইজে এটি মৌন সমদল বাহিৰ কৰে।

নগাঁও মহাবিদ্যালয়ত চি, আৰ, পি, বাহিনীৰ এই বৰ্বৰোচিত আক্ৰমণৰ প্ৰতিবাদত ৮ চেপ্তেম্বৰ তাৰিখে নগাঁও মহাবিদ্যালয়ৰ চৌহদত মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী, শিক্ষক-কৰ্মচাৰীয়ে ১২ ঘন্টীয়া অনশন ধৰ্মঘট পালন কৰে।

নগাঁও মহাবিদ্যালয়ত ঘটা পুলিচী নিৰ্যাতনৰ প্ৰতিবাদত সদৌ নগাঁও জিলা ছাত্র সন্থাই ১০ চেপ্তেম্বৰ তাৰিখে ১২ ঘন্টীয়া নগাঁও জিলা বন্ধৰ আহ্বান জনায়। সমগ্ৰ নগাঁও জিলাতে উক্ত তাৰিখে সফলতাৰে বন্ধ পালন কৰা হয়। ৰাজ্যৰ বিভিন্ন অনুষ্ঠান তথা সংগঠনে এই নিৰ্লজ্জ পুলিচী নিৰ্যাতনৰ গৰিহণা দিয়ে আৰু ঘটনাৰ ন্যায়িক তদন্তৰ দাবী জনায়। সেই সময়ত ক্ষমতাত ন-কৈ অধিষ্ঠিত ‘অসম জনতা দল’ৰ মন্ত্ৰী শ্ৰীকেশৰ চন্দ্ৰ গগৈয়ে ক্ষতিগ্ৰস্ত মহাবিদ্যালয় পৰিদৰ্শন কৰে আৰু ঘটনাৰ ন্যায়িক তদন্ত আৰু উপযুক্ত ক্ষতিপুৰণৰ প্ৰতিশ্ৰুতি দিয়ে। উজনি অসমৰ সেই সময়ৰ আয়ুক্ত শ্ৰীহৰেণ দাসে ঘটনাৰ তদন্ত কৰে যদিও সেই তদন্তৰ প্ৰতিবেদন ৰাজহুৱাভাৱে প্ৰকাশ কৰা নহ’ল। ইতিমধ্যে ডিচেম্বৰ মাহৰ পৰা অসম বিধান সভাখন নিষ্ক্ৰিয় কৰি ৰখা হয়। ঘটনাৰ প্ৰায় দেড় বছৰৰ পিছত ১৯৮১ চনৰ জানুৱাৰী মাহত ১৪৩৫.০০ টকাৰ এটি নামমাত্ৰ সাহায্য কলেজ কতৃপক্ষলৈ আহে।

সদৌ অসম ছাত্র সন্থাৰ আহ্বান ক্ৰমে অৱস্থান ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত ১৯৭৯ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে নগাঁও মহাবিদ্যালয়ত চলি যোৱা শান্তি আৰু শৃঙ্খলা ৰক্ষকৰ এই নিৰ্লজ্জ তাণ্ডৱ নত্যৰ কাহিনী নগাঁও মহাবিদ্যালয়ৰ ইতিহাসত কেতিয়াও মচ নাখায়।

প্ৰসংগ ক্ৰমে -- ২

# ব্যক্তি আৰু সমাজ
# জীৱন আৰু জীৱিকাৰ বৈশিষ্ট্যৰে
# নগাঁও মহাবিদ্যালয়ত দলবাহাদুৰ থাপ্পা

প্ৰদীপ শৰ্মা

সাধাৰণতে কিতাপ আলোচনীত ডাঙৰ ডাঙৰ নেতা, কবি-সাহিত্যিক, সমাজ সংস্কাৰকসকলকহে স্থান দিয়া হয় যদিও কলেজৰ নিষ্ঠাবান চকিদাৰ শ্ৰীদলবাহাদুৰ থাপ্পা (দাজু)ৰ নানান অভিজ্ঞতাৰে ভৰা জীৱনটো সম্পৰ্কে একলম লিখাৰ লোভ সামৰিব নোৱাৰিলো। '৮০ চনৰ ১৫ আগষ্টত কুৰি বছৰ নিষ্ঠাৰে কাম কৰাৰ পাছত অৱসৰ লোৱা শ্ৰীদলবাহাদুৰক কলেজৰ কোনো ছাত্ৰ-ছাত্ৰী অথবা শিক্ষক-কৰ্মচাৰীয়ে টানকৈ এযাৰ ক'বলৈ অথবা তেওঁৰ সমালোচনা কৰিবলৈ সুবিধা পোৱা নাছিল। বৰং তেওঁৰ নিয়মানুবৰ্তিতা, শৃঙ্খলা আৰু অনুষ্ঠানটোলৈ আগবঢ়োৱা অকৃত্ৰিম সেৱাৰ কাৰণে সকলোৱে সমীহ কৰিহে চলিছিল। তেওঁৰ বিদায় বেলাত কলেজখন এৰি যোৱা বেদনাত যেনেদৰে চকুলো টুকিছিল সেই সভাত থকা সকলো শিক্ষক-কৰ্মচাৰীৰ অন্তৰত এবাৰ হ'লেও শোকে খুন্দা মাৰিছিল। দুই এজনে ৰুমাল ব্যৱহাৰ কৰাও চকুত পৰিছিল। ব্যক্তিগত ভাবে লগধৰি কলেজখনৰ ছাত্ৰ, শিক্ষক, অধ্যক্ষ ও কৰ্মচাৰীসকলৰ প্ৰতি থকা মনোভাৱ সম্পৰ্কে জানিব খোজোতে তেওঁ অধ্যক্ষৰ ওপৰত এটা মন্তব্য দিয়াৰ বাহিৰে বাকী একোৰেই নক'লে, কিন্তু যি বুজিলো তেওঁ অনুষ্ঠানটোৰ সকলোকে অন্তৰেৰে ভাল পাইছিল। অধ্যক্ষৰ প্ৰতি দিয়া মন্তব্যটো

আছিল-- “চাহাবে কথাৰে যেনেকৈ কামোৰে পেটত একো নাৰাখে”। বাহাদুৰৰ কথাযাৰৰ সত্যাসত্য বিচাৰ কৰিবলৈ যোৱাৰ প্ৰয়োজন নাই, কিন্তু ব্যক্তিগতভাৱে যি শিক্ষা পালো তাক পাহৰা টান। বৃদ্ধই সকলো শিক্ষকক লক্ষ্য কৰি মোক কবিসুলভ ভাষাৰে কৈছিল “যিমান শিকিছে সিমান শিকাই দিলে অন্তৰ আকাশৰ দৰে পৰিষ্কাৰ থাকিব। কথা পেটত ৰাখি ল’ৰা-ছোৱালীক নিশিকালে আকাশত ডাৱৰ থকাৰ দৰে পেট ময়লা হৈ থাকিব। নতুন কথা নুসুমাব”। নীতি শিক্ষা পোৱাৰ লগতে এইবাৰ তেওঁৰ ব্যক্তিগত জীৱনটো সম্পৰ্কে জানিবৰ মন গ’ল।

শ্ৰীদলবাহাদুৰৰ ঘৰ আছিল নেপালৰ চেংজানক’ত ৪ নং জিলাৰ ৰাংবাং গাঁৱত। ১৫ বছৰ বয়সতে পিতাকৰ লগত এটা সৰু কথাত মনোমালিন্য হৈ কেৱল ভাগ্যক ধিয়াই ঘৰৰ পৰা আঁতৰি আহিল। সম্পদ মাথো তেওঁৰ শক্তিশালী বাহুদুটা। কিছুদিন অনাই বনাই ফুৰিব লগীয়া হৈছিল যদিও অসমলৈ আহি অসম পুলিচ বেটেলিয়ানত এটা চাকৰি পালে। পাঁচ বছৰৰ পাছত তেওঁ সেই চাকৰি ত্যাগ কৰে। তাৰ পাছত কিছুদিন লিডুত কটায়। পিছত আমেৰিকান ব্যপ্তিষ্ট মিছনাৰীত চকিদাৰ হৈ থাকে। ১৯৩৬ চনলৈকে তেওঁ চেন্‌চন্ A-(Sension) চাহাবৰ তলত আৰু তেওঁ যোৱাৰ পাছত ডব্লিও, আৰ, বি, হাটন B-(W. R. B. Hutton) চাহাবৰ তলত কাম কৰে। দুয়োজন চাহাবৰ পৰা পোৱা প্ৰশংসা পত্ৰ তেওঁ গৌৰৱেৰে মোক পঢ়ি চাবলৈ অনুৰোধ কৰিছিল।

১৯৬০ চনত নগাঁও কলেজত তেওঁক মকৰল কৰা হয়। ইয়াৰ পূৰ্বে তেওঁ বন-বিভাগতো কিছুদিন কাম কৰিছিল। কলেজত সোমোৱা দিন ধৰি অৱসৰ লোৱা পৰ্যন্ত তেওঁ অনুষ্ঠানটোত যিদৰে নিজকে বিলীন কৰি দিছিল কোনোবা শিক্ষক, কৰ্মচাৰী বা ছাত্ৰই তেনেদৰে আত্মনিয়োগ কৰিছেনে নাই সন্দেহ। কলেজত সোমায়েই পত্নীহাৰা হোৱা দলবাহাদুৰক স্থানীয় কেইজনমান শুভাকাঙ্ক্ষীয়ে কৰুণা নামৰ তিৰুতা এগৰাকীক বিয়া কৰাই দলে। বাহাদুৰৰ দ্বিতীয়া স্ত্ৰী কৰুণা যি কৰুণাই। দয়া-মৰমেৰে হয়তো দলবাহাদুৰক বুঢ়াকালছোৱাত বেছ আনন্দই দিছে। কৰুণাক কিবা এটা সুধিবলৈ, কিবা এটা ক’বলৈ গ’লে মৰম আশীৰ্বাদৰ অত্যাচাৰত বাৰুকৈয়ে ব্যতিব্যস্ত হ’ব লগা হয়। কেও কিছু নোহোৱা বুঢ়া-বুঢ়ী হালৰ কাৰণে কলেজৰ ল’ৰা-ছোৱালী, শিক্ষক-কৰ্মচাৰীসকলেই পো-নাতি। কৰুণাই হেনো অসমৰ সাম্প্ৰতিক পৰিস্থিতি সমাধানৰ বাবে নেপাললৈ গৈ কাশী-গংগাত পূজা দিবগৈ। নানান

অভিজ্ঞতাৰে ভৰা দলবাহাদুৰৰ জীৱনটোৰ অভিজ্ঞতাসমূহ ক'বলৈ তেওঁ বৰ্তমান ইচ্ছুক নহয়। তেওঁৰ বৰ্তমান এটাই চিন্তা। তেওঁ কয়-"মই বৰ্তমান ঈশ্বৰক ভবাৰ বাহিৰে বাকী কি ভাবিবলৈ আছে"।

বিদেশৰ পৰা অহা দলবাহাদুৰে অসম আৰু অসমীয়াৰ বাবে কেনেদৰে ভাবিছে চাওঁক - "বাবু! আপোনালোকৰ আন্দোলন বহু দেৰি হ'ল।" নিয়োগ সম্পৰ্কে কৈছে - "দুখ হওক সুখ হওক (ভাল হওক বেয়া হওক) অসমীয়া মানুহ ভৰ্ত্তি কৰক। অসমীয়া মানুহে আজি কালি সব কৰিব পাৰে। নেপালতো নেপালী মানুহে জামাদাৰৰ কাম কৰে।" অসমৰ নেতাসকলে নগাঁও কলেজৰ বুঢ়া চকিদাৰজনৰ পৰা শিক্ষা লওকহি।

১৯৮০ চনৰ ১৫ আগষ্টত অৱসৰ লোৱা শ্ৰীদলবাহাদুৰে শিক্ষক, ছাত্ৰ, সকলোৰে পৰা বিদায় লৈ দেশলৈ গ'লগৈ। সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীক আশীৰ্বাদ আৰু কৃতজ্ঞতাৰ চকুপানী দুটোপালমান দি বিদায় ল'লে। বুঢ়া কালত দূৰণিলৈ যোৱাটো বহুতে বিছৰা নাছিল। কিন্তু স্বদেশত জীৱনৰ শেষৰ দিন কেইটা কটাবলৈ দিয়াটো নিশ্চয় সজ কাম হ'ব বুলিয়েই অৱশেষত তেওঁক নেপাললৈ যাবলৈ দিয়া হ'ল। তেওঁ হয়তো ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কলেজ-কৰ্মচাৰীয়ে দিয়া সামান্য অৰ্থ-সাহাৰ্য আৰু নিজৰ সাঁচতীয়া ধনেৰে নেপাললৈ গৈ কিবা এটা জীৱিকাৰ পথ মোকোলাই ল'ব। সকলোৰে কামনা তেওঁৰ বাকী দিনকোইটা নেপালত সুখেৰে অতিবাহিত হওক।

---

লেখকৰ পৰিচয় ঃ নগাঁও কলেজৰ প্ৰাক্তন অধ্যাপক।

নগাঁও কলেজৰ ইতিহাস

৭৫ বছৰীয়া
বৰ্ণিল যাত্ৰা




বৰঙণি ঃ ৫০০/-

ISBN :